PLEASE HANDLE THE BOOK CAREFULLY

অসমীয়া সাহিত্যৰ চমু বুৰঞ্জী

শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, এম-এ, বি-টি
জগন্নাথ বৰুৱা কলেজ
যোৰহাট

OF ASSAM
LIBRARY, GAUHATI

নিউ বুক ষ্টল
গুৱাহাটী

ASAMIYA SAHITYAR CHAMU BURANJI (A short history of Assamese Literature) by Prof. Jatindranath Goswami, M.A., B.T., Jagannath Borooah College, Jorhat (Assam) and published by New Book Stall, Gauhati (Assam), 1964.

প্ৰকাশক :—
শ্ৰীবস্থ দত্ত,
নিউ বুক ষ্টল
গুৱাহাটী, অসম

প্ৰথম সংস্কৰণ জুলাই ১৯৫৭
দ্বিতীয় ,, আগষ্ট ১৯৬১
তৃতীয় ,, আগষ্ট ১৯৬৪

বেচ—ছয় টকা

মুদ্ৰক :—
শ্ৰীগৌৰচন্দ্ৰ পাল
নিউ শ্ৰীদুৰ্গা প্ৰেছ
২।১, বিধান সৰণী,
কলিকতা—৬

আগকথা

শ্ৰীযুত যতীন্দ্ৰনাথ গোস্বামী, এম-এ, বি-টি দেৱৰ 'অসমীয়া সাহিত্যৰ চমু বুৰঞ্জী' পুথিখনৰ প্ৰুফ্ কপিৰ কিছু অংশ পঢ়িবলৈ সুযোগ পাই আনন্দ পালোঁ। সম্প্ৰতি আমাৰ ভাষাত থাওকতে চমুভাবে লিখা অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ অভাৱ হৈছে। ৺দেবেন্দ্ৰনাথ বেজবৰুৱাৰ 'সাহিত্যৰ বুৰঞ্জী' শ্ৰীযুত ডিম্বেশ্বৰ নেওগৰ 'অসমীয়া সাহিত্যৰ বুৰঞ্জীত ভুমুকি'ৰ ছপা বন্ধ হ'ল। নানা নতুন অনুসন্ধান আৰু চেষ্টাৰ ফলত অসমীয়া সাহিত্যৰ বুৰঞ্জী সম্বন্ধীয় নানা আলোচনা বৰ্ত্তমান হৈছে যদিও আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ Aspects of Early Assamese Literature আদি গ্ৰন্থ প্ৰকাশ পাইছে যদিও বি কোনো লোক আৰু বিদ্যাৰ্থীসকলে অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ চমু আভাস এটা এখনি মাথোন গ্ৰন্থৰ পৰা নোপোৱাত পৰিছে। অলপতে শ্ৰীযুত ডিম্বেশ্বৰ নেওগৰ হাতৰ পৰা এখন সুবৃহৎ অসমীয়া সাহিত্যৰ বুৰঞ্জী ওলাইছে। বৰ্ত্তমান চমুকৈ লিখা গ্ৰন্থৰ ভিতৰত শ্ৰীযুত গোস্বামীৰ খনিয়ে একমাত্ৰ গ্ৰন্থ। ছাত্ৰসকল ইয়াৰ পৰা উপকৃত হব পাৰিব। শ্ৰীযুত গোস্বামীদেৱ এই প্ৰচেষ্টাৰ বাবে শলাগৰ পাত্ৰ আৰু আমিও ইয়াতে তেখেতৰ শলাগ লওঁ।

কটন কলেজ
গুৱাহাটী
৮।৭।৫৭

ইতি
শ্ৰীউপেন্দ্ৰ চন্দ্ৰ লেখাৰু

পাতনি

নৰ্ম্মাল স্কুল আৰু বি-এ শ্ৰেণীৰ ছাত্ৰ ছাত্ৰীৰ উপযোগী কৰি এই পুথি লেখা হৈছে। ইয়াৰ পৰা যদি তেওঁলোকৰ অকণমান উপকাৰ হয় তেন্তে আমাৰ শ্ৰম সাৰ্থক হৈছে বুলি ভাবিম। গ্ৰন্থ প্ৰণয়ন কৰোতে যিসকল লেখকৰ পুথিৰ সহায় লোৱা হৈছে তাক শেহত উল্লেখ কৰা হৈছে। এই পুথিৰ আগকথা লিখাৰ কাৰণে আমি কটন কলেজৰ অধ্যাপক শ্ৰীযুত উপেন্দ্ৰ চন্দ্ৰ লেখাৰুদেৱৰ ওচৰত ঋণী। আমাৰ ছাত্ৰ শ্ৰীমানগেঠু লগৈ আৰু শ্ৰীমান দুৰ্গাধৰ শইকীয়াই হাতে-লেখা পুথিখন নকল কৰি দিয়াৰ কাৰণে তেওঁলোকৰ শলাগ লৈছোঁ। নৱজীৱন প্ৰেছৰ গৰাকী শ্ৰীযুত কালীচৰণ পালে এই পুথি প্ৰকাশত বিশেষভাৱে সহায়তা কৰাৰ কাৰণে আমি কৃতজ্ঞতা প্ৰকাশ কৰিছোঁ।

ৰ'দালি
নতুন পাৰা
যোৰহাট
৮।৭।৫৭

বিনীত
শ্ৰীযতীন্দ্ৰ নাথ গোস্বামী

তৃতীয় তাঙৰণৰ পাতনি

এই পুথিয়ে সহৃদয় পাঠক আৰু ছাত্ৰ-ছাত্ৰীৰ সমাদৰ লাভ কৰাৰ কাৰণে তৃতীয় তাঙৰণ উলিওৱা সম্ভৱপৰ হ'ল। এই তাঙৰণত কিছু কথা সাল-সলনি কৰা হৈছে আৰু দুটামান অধ্যায় নতুনকৈ লেখা হৈছে। এই তাঙৰণে পাঠকবৰ্গৰ সমাদৰ লাভ কৰিব বুলি আশা কৰিলোঁ।

অধ্যক্ষ শ্ৰীযুত ত্ৰৈলোক্যনাথ গোস্বামী, এম. এ., বি. এলদেৱে এই তাঙৰণত আমাক দিহা পৰামৰ্শ দিয়াৰ কাৰণে তেখেতৰ শলাগ ললোঁ। শেহত নিউ বুক ষ্টলে পুথিখন প্ৰকাশ কৰাৰ কাৰণে উক্ত প্ৰতিষ্ঠানৰ স্বত্বাধিকাৰী শ্ৰীযুত বঙ্ক দত্তৰ শলাগ ললোঁ।

যোৰহাট
১।৮।৬৪

ইতি
শ্ৰীযতীন্দ্ৰনাথ গোস্বামী

সূচীপত্ৰ

প্ৰথম অধ্যায়—জোবণি ... ১—৯

কামৰূপ-প্ৰাগ জ্যোতিষ-অসম ১

অসমীয়া লিপি ৩

অসমীয়া ভাষাৰ জন্ম ৪

অসমীয়া ভাষাৰ বুৰঞ্জীৰ যুগ ৫

অসমীয়া ভাষাৰ শব্দ-ভাঁড়াৰ ... ৫

অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ যুগ বিভাগ ৮

দ্বিতীয় অধ্যায়—মৌখিক জন সাহিত্য ... ১০

মৌখিক গীত বা লোকগীত ১০

বিহুনাম আৰু বনগীত ১১

বিয়ানাম, আইনাম ১২

সুবচনীৰ গীত, অপেচৰী সবাহৰ নাম ... ১৩

লখিমী সবাহৰ গীত, ভেকুলী বিয়াৰ নাম ... ১৪

দেহবিচাৰৰ গীত আৰু টোকাৰীৰ গীত ১৫

বাৰমাহী গীত ১৬

নাওখেলোৱা গীত, পগলা পাৰ্ব্বতীৰ গীত, হালবোৱা গীত আৰু বঁতৰৰ গীত ... ১৭

জুনা ১৮

মহো-হো গীত, মালিতা, নিচুকনি গীত আৰু গৰখীয়া গীত ১৯

আখ্যানমূলক গীত বা মালিতা ২০

ফুলকোঁৱৰৰ গীত, মণিকোঁৱৰৰ গীত আৰু কাচনকুঁৱৰীৰ গীত ২১

জনা গাভৰুৰ গীত, ডুবলাৰ শাস্ত্ৰীৰ মালিতা, জয়ধন বনিয়াৰ গীত, ... ২২

কমলাকুঁৱৰীৰ গীত, নাহৰৰ গীত, চিকণ সৰিয়হৰ গীত ... ২৪

গৌৰীনাথসিংহৰ গীত, বাখৰ বৰাৰ গীত, পদুমকুমাৰীৰ গীত ২৫

বদন বৰফুকনৰ গীত, মণিৰাম দেৱানৰ গীত, হাইদাং গীত ২৬
জিকিৰ আৰু জাৰী ২৭
ফকৰা, যোজনা আৰু সাঁথৰ ২৮
সাধুকথা ২৯
তৃতীয় অধ্যায়—আদিযুগ ... ... ৩১—৫২
বুৰঞ্জীমূলক কথা ৩১
অসমত বৌদ্ধ ধৰ্ম্ম ৩৩
চৰ্য্যাপদ ৩৬
ডাকৰ বচন ৪৪
ডাকৰ চিনাকি ৪৯
মন্ত্ৰ সাহিত্য ৪৯
তন্ত্ৰ ৫২
চতুৰ্থ অধ্যায়—উমৈহতীয়া সাহিত্য ... ... ৫২—৫৭
নাথ ধৰ্ম্ম ৫২
নাথ সাহিত্য, গোপীচন্দ্ৰ আৰু ময়নামতী ... ৫৪
শূন্যপুৰাণ ৫৫
শ্ৰীকৃষ্ণকীৰ্ত্তন ৫৬
পঞ্চম অধ্যায়—প্ৰাকবৈষ্ণৱ যুগ ... ... ৫৮—৭১
বিষ্ণুউপাসনা ৫৮
প্ৰাকবৈষ্ণৱ কবিসকল, হেম সৰস্বতী ৫৯
হৰিহৰ (হৰিবৰ) বিপ্ৰ ৬১
কবিৰত্ন সৰস্বতী ৬৪
ৰুদ্ৰ কন্দলি ৬৫
মাধৱ কন্দলি ৬৬
ষষ্ঠ অধ্যায়—বৈষ্ণৱ যুগ ... ... ৭১—৮১
ভাৰতীয় বৈষ্ণৱ ধৰ্ম্মৰ ধাৰা ... ৭১
কৃষ্ণ-কথা ৭৫
অসম কামৰূপীয় বৈষ্ণৱ ধৰ্ম্ম ৭৭
বৈষ্ণৱ সাহিত্যৰ উদ্দেশ্য আৰু সীমাবদ্ধতা ... ৭৮

সপ্তম অধ্যায়—বৈষ্ণব যুগৰ অবৈষ্ণব সাহিত্য	...	৮১-৯৩
পাঁচালী সাহিত্য ...	....	৮১
পীতাম্বৰ কবি ...	....	৮২
মনসা কবিসকল, মনসা পূজা	....	৮৪
মনকৰ ...	....	৮৭
দুৰ্গাবৰ ...	....	৮৯
নাৰায়ণদেৱ ...	....	৯১
অন্যান্য কবিসকল, সঞ্জয়, কবীন্দ্ৰপাত্ৰ	....	৯২
অষ্টম অধ্যায়—বৈষ্ণৱ যুগ—বৈষ্ণৱ সাহিত্য		৯৪-১৩১
নৱবৈষ্ণৱ ধৰ্ম্ম আৰু শ্ৰীশঙ্কৰদেৱ	....	৯৪
ৰচনাৱলী	....	৯৭
মাধৱদেৱ	....	১০৯
ৰচনাৱলী	...	১১০
ৰামসৰস্বতী	...	১১৭
ৰচনা	....	১১৯
অনন্ত কন্দলি	...	১২৩
শ্ৰীধৰ কন্দলি	....	১২৫
দামোদৰদেৱ	....	১২৬
ৰত্নাকৰ কন্দলি, ৰত্নাকৰ মিশ্ৰ	...	১২৭
গোপাল আতা	...	১২৭
গোপাল মিশ্ৰ	....	১২৮
গোবিন্দ মিশ্ৰ	....	১২৯
সাৰ্ব্বভৌম ভট্টাচাৰ্য্য	...	১২৯
কংসাৰি বা পীতাম্বৰ কায়স্থ	...	১৩০
বিদ্যাপঞ্চানন, গোপীনাথ পাঠক, দ্বিজ ভৃগুনাথ	...	১৩০
নৱম অধ্যায়—বৈষ্ণৱযুগ—কথা প্ৰতিভা		১৩১—১৪০
বৈকুণ্ঠনাথ ভট্টদেৱ	...	১৩১
ভট্টদেৱৰ কথা সাহিত্যলৈ দান	....	১৩২
ভাগৱত পুৰাণৰ বিভিন্ন স্কন্ধৰ ভাঙণি	....	১৩৫

পুৰুষোত্তম গজপতিৰ দীপিকা ছন্দ, ৰুদ্ৰ যামল ১৩৬

চৰিত সাহিত্য ১৩৬

(দ্বিজভূষণ, দৈত্যাৰি ঠাকুৰ, ৰামানন্দ দ্বিজ, ৰামৰায় দাস ইত্যাদি)

জ্ঞান-বিজ্ঞান বিষয়ক চৰ্চ্চা ১৩৮

গীত ৰচনা ১৪০

দশম অধ্যায়—উত্তৰ বৈষ্ণৱ যুগ বা বিস্তাৰ যুগ

পাতনি ... ১৪০

মহাভাৰতৰ বিভিন্ন পৰ্ব্বৰ পদ-ভাঙনি ... ১৪১

অনন্ত ঠাকুৰ আতা ১৪১

ৰঘুনাথ মহন্ত ... ১৪২

আন আন অসমীয়া ৰামায়ণ ... ১৪৪

অসমীয়া ৰামায়ণ সাহিত্য ১৪৫

অসমীয়া মহাভাৰত সাহিত্য ... ১৪৫

ৰামনাথ মহন্ত, ৰামচন্দ্ৰ বৰপাত্ৰ গোহাঁঞি ১৪৮

শিষ্ট ভট্টাচাৰ্য্য ১৪৯

আহোম ৰাজত্বত অসমীয়া সাহিত্য ... ১৪৯

শৈৱ-শাক্ত ধৰ্ম্মৰ প্ৰভাৱ ১৪৯

ৰজাসকলৰ সাহিত্য চৰ্চ্চা ... ১৫০

এই যুগৰ লেখকসকল ... ১৫৩

কবিৰাজ চক্ৰৱৰ্ত্তী ১৫৩

অনন্ত আচাৰ্য্য ... ১৫৪

দ্বিজ ৰামানন্দ, কবিচন্দ্ৰ দ্বিজ, ৰুচিনাথ কন্দলি ১৫৫

দুৰ্গেশ্বৰ দ্বিজ, ৰঙ্গনাথ দ্বিজ চক্ৰৱৰ্ত্তী, মধুসূদন মিশ্ৰ ... ১৫৬

ৰাম মিশ্ৰ, বিদ্যাচন্দ্ৰ কবিশেখৰ ভট্টাচাৰ্য্য, বাগীশ, পৃথুৰাম দ্বিজ ১৫৬

ধনেশ্বৰ শৰ্ম্মা, গৌৰীকান্ত দ্বিজ, দীন দ্বিজ, ধৰ্ম্মদেৱ ভট্ট ১৫৭

বুৰঞ্জী সাহিত্য ১৫৭

বুৰঞ্জীমূলক চিঠি ... ১৬১

পেড়া-কাকত ১৬১

ব্যাৱহাৰিক জ্ঞানৰ পুথি ১৬২

বিভিন্ন পুৰাণৰ ভাঙনি ১৬৪
কছাৰী ৰজাৰ পৃষ্ঠপোষকতা ১৬৫
ভুবনেশ্বৰ বাচস্পতি, ভৱানীনাথ দ্বিজবৰ ... ১৬৫
দৰঙী ৰজাৰ পৃষ্টপোষকতা ১৬৫
ব্ৰহ্মবৈবৰ্ত্ত পুৰাণ ১৬৬
বংশাৱলী ... ১৬৬
ভৱানন্দ মিশ্ৰ ... ১৬৭
মধুনাৰায়ণ কোঁৱৰ ... ১৬৭
কবিৰাজ মিশ্ৰ ... ১৬৭
ধৰ্ম্মসম্বন্ধীয় গদ্য পুথি ... ১৬৮
কথা চৰিত ... ১৬৮
মহামোহ কাব্য ... ১৬৯
অন্যান্য লেকখসকল ... ১৬৯
ইচলামী সাহিত্যৰ প্ৰভাৱ ... ১৭০
একাদশ অধ্যায়—বৰ্ত্তমান যুগ ১৭১—২৭২
আমেৰিকাৰ বেপটিষ্ট মিছন সমাজৰ আগমন ... ১৭১
মিছনেৰীসকলৰ বৰঙণি—ব্ৰাউন, ব্ৰন্সন, ফাৰেল ... ১৭৫
অৰুনোদই ... ১৭৯
আধুনিক যুগৰ প্ৰথম ভাগৰ লেখকসকল ... ১৭৯
আধুনিক অসমীয়া সাহিত্যৰ বাট দেখুৱাওঁতাসকল ... ১৮১
আনন্দৰাম ঢেকিয়াল ফুকন ... ১৮১
হেমচন্দ্ৰ বৰুৱা ... ১৮৩
গুণাভিৰাম বৰুৱা ১৮৪
পুৰণি সাহিত্যৰ পুনৰ্প্ৰচাৰ ... ১৮৭
পুৰণি আহিৰ আধুনিক কবিসকল ... ১৮৭
আধুনিক কাব্যৰীতিৰ আৰম্ভণ ... ১৮৮
অসমীয়া সাহিত্যৰ ওপৰত পশ্চিমীয়া প্ৰভাৱ ... ১৯১
জোনাকী যুগ ... ১৯২
আধুনিক অসমীয়া কবিতাৰ ক্ৰমবিকাশ ... ১৯৩

সাম্প্রতিক অসমীয়া কবিতা ... ১৯৬

আধুনিক কবিসকল ... ১৯৭

দ্বাদশ অধ্যায় ...

আধুনিক কথাসাহিত্য ... ২১৫—২২০

ত্রয়োদশ অধ্যায়

উপন্যাস-সাহিত্য ... ২২০—২৩০

চতুর্দশ অধ্যায়

গল্প-সাহিত্য ... ২৩১—২৩৯

পঞ্চদশ অধ্যায়

নাট্য-সাহিত্য ... ২৪০—২৫১

ষোড়শ অধ্যায়

শিশু-সাহিত্য ... ২৫২—২৫৬

সপ্তদশ অধ্যায়

আলোচনী-সাহিত্য ... ২৫৭—২৬৩

অষ্টাদশ অধ্যায়

গবেষণা আৰু সমালোচনা ... ২৬৪—২৬৯

আনুষ্ঠানিক প্রচেষ্টা ... ২৭০—২৭২

গ্ৰন্থপঞ্জী

তলত নাম দিয়া গ্ৰন্থসমূহৰ সহায় লোৱা হৈছে :—

১। Studies In The Literature Of Assam—Dr. S. K. Bhuyan

২। Aspects of Early Assamese Literature—Gauhati University

৩। Assamese—Its Formation And Development—Dr. B. K. Kakati

৪। Tantrik Text (Vol II) : Kazi Dawa-Samdup.

৫। The Folk Literature Of Mithila—Dr. J. K. Misra.

৬। History Of Maithili Literature (Vol I+II)—„

৭। Early History Of Kamrup—K. L. Barua.

৮। Descriptive Catalogue Of Assamese Manuscripts—H. C. Goswami

৯। A Cultural History Of Assam—Dr. B. K. Barua

১০। Typical Selections From Assamese Literature—H. C. Goswami

১১। পুৰণি কামৰূপৰ ধৰ্ম্মৰ ধাৰা—ডঃ বাণীকান্ত কাকতি

১২। পুৰণি অসমীয়া সাহিত্য— „ „

১৩। অসমীয়া ভাষা—ডঃ বিৰিঞ্চিকুমাৰ বৰুৱা

১৪। পুৰণি কথা সাহিত্য— „ „

১৫। শ্ৰীশঙ্কৰদেৱ—লক্ষ্মীনাথ বেজবৰুৱা

১৬। শ্ৰীশঙ্কৰদেৱ—ডঃ মহেশ্বৰ নেওগ

১৭। ঊষা পৰিণয়— „ „

১৮। দুৰ্গাবৰী গীতি ৰামায়ণ— „ „

১৯। কথা-ৰামায়ণ—ডঃ সত্যেন্দ্ৰনাথ শৰ্মা

২০। ঊষা পৰিণয়— „ „

২১। অসমীয়া জনসাহিত্য—ডঃ প্ৰফুল্লদত্ত গোস্বামী
২২। কামিনীকান্তৰ চৰিত্ৰ— ,, ,,
২৩। বাৰমাহৰ তেৰ গীত— ,, ,,
২৪। অসমীয়া সাহিত্যৰ বুৰঞ্জী—শ্ৰীডিম্বেশ্বৰ নেওগ
২৫। আধুনিক অসমীয়া সাহিত্যৰ বুৰঞ্জী— ,, ,,
২৬। অসমীয়া ভাষাৰ মৌলিক বিচাৰ আৰু সাহিত্যৰ চিনাকি
—শ্ৰীদেৱানন্দ ভৰালি
২৭। অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী—দেবেন্দ্ৰনাথ বেজবৰুৱা
২৮। অসমীয়া ৰামায়ণ সাহিত্য—শ্ৰীউপেন্দ্ৰচন্দ্ৰ লেখাৰু
২৯। কথা-গুৰুচৰিত— ,, ,,
৩০। মনসা-কাব্য—ডঃ বিৰিঞ্চিকুমাৰ বৰুৱা আৰু ডঃ সত্যেন্দ্ৰনাথ শৰ্ম্মা
৩১। কামৰূপ শাসনাৱলী—পদ্মনাথ ভট্টাচাৰ্য্য
৩২। শঙ্কৰ চৰিত—ৰামচৰণ ঠাকুৰ
৩৩। গুৰু চৰিত—দৈত্যাৰি ঠাকুৰ
৩৪। অঙ্কাৱলী—কালিৰাম মেধি
৩৫। কোচবেহাৰৰ ইতিহাস—খাঁ চৌধুৰী আমানতউল্লা আহ্মদ
৩৬। অসমীয়া ভাষা আৰু সংস্কৃতি—ডঃ বিৰিঞ্চিকুমাৰ বৰুৱা
৩৭। Assamese Literature—Dr. B. K. Barua.
৩৮। এই যুগৰ সাহিত্য—ডঃ প্ৰফুল্লদত্ত গোস্বামী
৩৯। অসমীয়া লোক গীতি—শ্ৰীলীলা গগৈ
৪০। A History of Assam—Sir E. Gait
৪১। মধুমালতী—ডঃ বৰুৱা আৰু ডঃ শৰ্ম্মা
৪২। সঞ্চয়ন—ডঃ মহেশ্বৰ নেওগ
৪৩। অসমীয়া প্ৰেমগাথা— ,,
৪৪। অসমীয়া লোক গীতিসংগ্ৰহ—শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা
৪৫। অসমীয়া সাহিত্যৰ ইতিবৃত্ত—ডঃ সত্যেন্দ্ৰনাথ শৰ্ম্মা
৪৬। অসমীয়া সাহিত্যৰ ৰূপৰেখা—ডঃ মহেশ্বৰ নেওগ
৪৭। হিন্দী সাহিত্য কা আলোচনাত্মক ইতিহাস—ডঃ ৰামকুমাৰ বৰ্ম্মা।

অসমীয়া সাহিত্যৰ চমু বুৰঞ্জী

প্ৰথম অধ্যায়

জোৰণি

কামৰূপ-প্ৰাগ্‌জ্যোতিষ-অসম

অসম এখন অতি প্ৰাচীন দেশ। পুৰণি কালত এই দেশৰ নাম প্ৰাগ্‌জ্যোতিষ আৰু কামৰূপ আছিল। ৰামায়ণ, মহাভাৰত, পুৰাণ, তন্ত্ৰ আদিত ইয়াৰ সবিশেষ বিৱৰণ পোৱা যায়। ডঃ বাণীকান্ত কাকতিৰ মতে প্ৰাগ্‌জ্যোতিষ শব্দটো কেতবোৰ অনাৰ্য্য শব্দৰ (পাগাৰ = পৰ্ব্বত, জ্যো, জুই = ওখ; তিক্, তিছ্ = দীঘল) সমষ্টি; ইয়াৰ অৰ্থ দীঘল আৰু ওখ পৰ্ব্বতমালা। ডঃ কাকতিৰ মতে কামৰূপ দুটা অনাৰ্য্য শব্দৰ (কামৰু + প) সমষ্টি; কামৰু নামক দেৱতাৰ পৰ্ব্বত (পা)। ৰামায়ণ আৰু মহাভাৰতত প্ৰাগ্‌জ্যোতিষ আৰু কামৰূপ দুয়োটা নাম পোৱা যায়। ৰামায়ণত প্ৰাগ্‌জ্যোতিষক এখন নগৰ বোলা হৈছে (কিষ্কিন্ধাকাণ্ড, ৪২ সৰ্গ)। মহাভাৰতৰ সভাপৰ্ব্বত (২৬শ অধ্যায়) আছে যে, ৰাজসূয় যজ্ঞ উপলক্ষে অৰ্জ্জুনে ভাৰতৰ আন আন দেশ জয় কৰি প্ৰাগ্‌জ্যোতিষপুৰ আক্ৰমণ কৰিবলৈ আহে। ভগদত্তই কিৰাট, চীন আৰু সাগৰৰ পাৰত থকা অনুপদেশী বহুত যুজাৰুৰে লগ লাগি অৰ্জ্জুনৰ সৈতে আঠদিন যোৰতৰ যুদ্ধ কৰে। প্ৰাগ্‌জ্যোতিষপুৰ আৰু নৰকৰ নাম মহাভাৰত, পুৰাণ, তন্ত্ৰ আদি ভালেমান শাস্ত্ৰত পোৱা যায়, আৰু সেইবোৰত প্ৰাগ্‌জ্যোতিষক প্ৰাচ্যদেশ বোলা হৈছে। কালিকাপুৰাণৰ মতে ব্ৰহ্মাই হেনো আদিতে প্ৰাগ্‌জ্যোতিষত স্থিতি হৈ নক্ষত্ৰ (জ্যোতিষ) সৃষ্টি কৰিছিল, আৰু সেই কাৰণে ইয়াৰ নাম প্ৰাগ্‌জ্যোতিষপুৰ (কালিকাপুৰাণ, ৩৮শ অধ্যায় ১১৯ শ্লোক) হৈছিল। এই পুৰাণৰ ব্যাখ্যামতে মহাদেৱৰ খণ্ডত ছাই হোৱাৰ পিচত কামদেৱে ইয়াত ৰূপ (কাম-ৰূপ) পাইছিল। হৰগৌৰী-সম্বাদত বিকল্পে কামৰূপ/কামৰু বোলা হৈছে। মৎস্য-পুৰাণত (১৪৪ অধ্যায়) প্ৰাগ্‌জ্যোতিষক প্ৰাচ্য জনপদ বোলা হৈছে। বায়ু-

পুৰাণ, ব্ৰহ্মাণ্ডপুৰাণ, ব্ৰহ্মপুৰাণ, বামনপুৰাণ আদিত প্ৰাগ্‌জ্যোতিষ ভাৰতৰ পূৰত অৱস্থিত বোলা হৈছে। বিষ্ণুপুৰাণত কামৰূপ ৰাজ্যৰ উল্লেখ আছে। ইয়াৰ এটা শ্লোকত (দ্বিতীয় অংশ, ৩৮শ অধ্যায়) কোৱা হৈছে যে, কামৰূপনিবাসী পূৰ্ব্বদেশীয়বিলাকে, পুণ্ড্ৰ, কলিঙ্গ, মগধ আদি আৰু দাক্ষিণাত্যবাসীবিলাকে এইবোৰ নদীৰ পানী খায় (পূৰ্ব্বদেশাদিকাশ্চৈব কামৰূপনিবাসিনঃ। পুণ্ড্ৰাঃ কলিঙ্গা মগধা দাক্ষিণাত্যাশ্চ সৰ্ব্বশঃ)। গৰুড়পুৰাণত কামৰূপক মহাতীৰ্থ (কামৰূপ মহাতীৰ্থং কামাখ্যা যত্ৰ তিষ্ঠতি।—৮১শ অধ্যায় ১৬ শ্লোক) বোলা হৈছে। বৃহদ্ধৰ্ম্মপুৰাণত কামৰূপৰ নাম উল্লেখ আছে (কামৰূপমিতিখ্যাতং যত্ৰ যোনি শিৱামতা। পূৰ্ব্বখণ্ড—চতুৰ্দ্দশ অধ্যায়)। পুৰণি কামৰূপে কোচবেহাৰ, ভাটিৰ ৰংপুৰ আৰু জলপাইগুৰি জিলাৰে সৈতে গোটেই উত্তৰ বঙ্গ সামৰিছিল। কালিদাসৰ ৰঘুবংশ কাব্যত ৰঘুৰ দিগ্বিজয়ত কামৰূপ আৰু প্ৰাগ্‌জ্যোতিষ দুয়োটা নাম পোৱা যায়। চীন পৰিব্ৰাজক হিৱেন-চাং কামৰূপ ৰাজ্যলৈ আহোতে ইয়াৰ পশ্চিম সীমাত উত্তৰ বঙ্গৰ কৰতোৱা নদী আছিল বুলি উল্লেখ কৰিছে। কালিকাপুৰাণ (অনুঃ দশম শতিকাত ৰচিত) আৰু যোগিনীতন্ত্ৰ (অনুঃ ষোড়শ শতিকাত ৰচিত) মতে কামৰূপৰ পূব আৰু পশ্চিম সীমাত যথাক্ৰমে কৰতোৱা আৰু দিক্ৰবাসিনী নদী আছিল।

> "কৰতোয়াং সমাশ্ৰিত্যং যাবদ্দিকৰবাসিনী।
> উত্তৰাস্যাং কুঞ্জগিৰিঃ কৰতোয়াত্তু পশ্চিমে॥ ১৭
> তীৰ্থশ্ৰেষ্ঠা দীক্ষু নদী পূৰ্ব্বস্যাং গিৰিকন্যকে।
> দক্ষিণে ব্ৰহ্মপুত্ৰস্য লাক্ষায়াঃ সঙ্গমাবধি॥
> কামৰূপ ইতি খ্যাতঃ সৰ্ব্বশাস্ত্ৰেষু নিশ্চিতঃ॥ ১৮"
>
> [যোগিনীতন্ত্ৰ—একাদশ পটলঃ]

এইদৰে সপ্তম শতিকাত কোচৰজাসকলৰ সময়লৈকে কৰতোৱা নৈ কামৰূপ ৰাজ্যৰ পশ্চিম সীমা আছিল। চতুৰ্দ্দশ আৰু ষোড়শ শতিকাত কামৰূপ আৰু কোচবেহাৰৰ ৰজাসকলৰ পৃষ্ঠপোষকতাত পুৰণি অসমীয়া সাহিত্যই গা কৰিছিল।

আহোমসকল ত্ৰয়োদশ শতিকাত এই দেশলৈ অহাৰ পাচতহে এই দেশৰ নাম অসম হয়। নৱাগত শ্যানদেশী টাই আক্ৰমণকাৰীসকলক এই দেশৰ বাসিন্দাসকলে আসম, আসাম, অচম বুলিছিল। আহোম শব্দটো আসামৰ (আসাম>অসম>অহম>আহোম) পৰা ওলোৱা। চাৰ এডোৱাৰ্ড গেইটে

আসাম শব্দৰ পৰা অসম হোৱা বুলি অনুমান কৰিছে। ডঃ বাণীকান্ত কাকতিৰ মতে টাই ভাষাত শ্চম ধাতুৰ অৰ্থ হৈছে পৰাজিত হোৱা। এই শ্চমৰ আগত 'আ'—যোগ কৰিলে আশ্চম শব্দৰ অৰ্থ অপৰাজেয় হয়, আৰু আশ্চমৰপৰা অসম হোৱাটো স্বাভাৱিক। পুৰণি অসমীয়াত আসাম আৰু অসম গঢ়ে এই মত সমৰ্থন কৰে। ইয়াৰপৰা দেখা যায় যে, আসাম্ নামটো প্ৰথমতে শ্যান্ বা শাম আক্ৰমণকাৰীসকলৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা হৈছিল, পাচত তেওঁলোকে জয় কৰা দেশখন আৰু শেহত গোটেই ব্ৰহ্মপুত্ৰ উপত্যকা এই নামেৰে অভিহিত হৈছিল।

(ক) অসমীয়া লিপি

ভাৰতবৰ্ষৰ প্ৰাচীনতম লিপিমালা হৈছে খৰোষ্ঠী (সোঁফালৰ পৰা বাওঁফাললৈ লেখা) আৰু ব্ৰাহ্মী (বাওঁফালৰ পৰা সোঁফাললৈ লেখা)। এই দুই লিপি অশোকৰ অনুশাসনত প্ৰথমতে পোৱা যায় আৰু ইয়াৰ সময় খ্ৰীঃ পূঃ তৃতীয় শতিকা। সেইকাৰণে এই দুটা লিপি এই সময়ৰ কিছু আগত অৰ্থাৎ খ্ৰীঃ পূঃ চতুৰ্থ বা পঞ্চম শতিকাত আবিভূ'ত হোৱাৰ সম্ভাৱনা। খৰোষ্ঠী চেমিটিক লিপিৰ পৰা ওলোৱা। ব্ৰাহ্মীলিপি অতি পুৰণি আৰু ই স্বতন্ত্ৰ লিপি। অশোকৰ লিপি স্থান-কালৰ পৰিবৰ্ত্তনৰ ভিতৰেদি আহি আধুনিক ভাৰতীয় আৰু তিব্বত-বৰ্ম্মী-যবদ্বীপীয়-কোৰীয় প্ৰভৃতি লিপিমালাত পৰিণত হৈছে। মৌৰ্য্য যুগৰ পাচত **মৌৰ্য্যলিপিয়ে** পৰিবৰ্ত্তিত হৈ যি আকাৰ ধাৰণ কৰিলে সেয়ে **গুপ্তলিপি** (খ্ৰীষ্টীয় পঞ্চম শতিকা) নামে অভিহিত হ'ল। গুপ্তবংশৰ পতনৰ পাচত গুপ্ত-লিপিৰপৰা **সাৰদা, শ্ৰীহৰ্ষ, কুটিল** (খ্ৰীষ্টীয় দশম শতিকা) আদি প্ৰাচ্য লিপি ওলাল। এই কুটিল লিপিৰপৰা কামৰূপী লিপি বা পুৰণি অসমীয়া লিপিৰ উৎপত্তি হৈছে। শ্ৰীযুত দেৱানন্দ ভৰালিয়ে অনুমান কৰে যে, 'আসামত অন্ততঃ দুবিধ আখৰ চলিছিল। একবিধ কুটিল আৰু আনবিধ দেৱনাগৰী।' কুমাৰ ভাস্কৰবৰ্ম্মাৰ সপ্তম শতিকাৰ তামৰ ফলিয়ে অসমীয়া আখৰৰ প্ৰথম নিদৰ্শন দিয়ে। বাণভট্টৰ হৰ্ষ-চৰিতত উল্লেখ আছে যে, ভাস্কৰবৰ্ম্মাই হৰ্ষবৰ্দ্ধনলৈ পাঁচবিধৰ লিখা থকা পুথি উপঢৌকন স্বৰূপে পঠিয়াইছিল। কামাখ্যা দেৱালয়ৰ তামৰ ফলিৰ অন্তত লিখা 'অসমাক্ষৰেণ লিখিতং' কথাৰপৰা অনুমান কৰিব পাৰি যে, সম্ভৱ ত্ৰয়োদশ শতিকাত এই লিপি অসমীয়া লিপিলৈ পৰিবৰ্ত্তিত হৈছিল।

(খ) অসমীয়া ভাষাৰ জন্ম

ভাৰতীয় আৰ্য্য ভাষাৰ বুৰঞ্জীত এই তিনিটা স্তৰ পৰিলক্ষিত হয়—

(১) **প্ৰাচীন ভাৰতীয় আৰ্য্য** (বৈদিক-সংস্কৃত)—খ্ৰীঃ পূঃ পোন্ধৰশৰ-পৰা ষষ্ঠ শতাব্দীলৈকে।

(২) **মধ্য ভাৰতীয় আৰ্য্য** (অশোক আৰু অন্যান্য প্ৰত্নলিপিৰ ভাষা পালি, প্ৰাকৃত আৰু অপভ্ৰংশ)—খ্ৰীঃ পূঃ ষষ্ঠ শতাব্দীৰ পৰা খ্ৰীষ্টীয় দশম শতাব্দীলৈকে।

(৩) **নব্য ভাৰতীয় আৰ্য্য** (অসমীয়া, বঙলা, হিন্দী, মাৰাঠী আদি)—খ্ৰীষ্টীয় দশম শতিকাৰ পৰা আধুনিক কাল পৰ্য্যন্ত।

ইয়াৰপৰা ভাৰতীয়-আৰ্য্যভাষাৰ কুলপঞ্জী তলত দিয়াৰ দৰে নিৰ্ণয় কৰিব পাৰি—

প্ৰাচীন ভাৰতীয় আৰ্য্য ভাষা

নিদৰ্শন—ঋগ্বেদ আৰু পৰবৰ্ত্তী বেদ আৰু ব্ৰাহ্মণাদিৰ ভাষা

(খ্ৰীঃ পূঃ আনুঃ ১৫০০—৬০০)

সংস্কৃত (আনুঃ খ্ৰীঃ পূঃ ৬০০ৰপৰা) | পালি

নিদৰ্শন—অশোক যুগৰ শিলালিপি আৰু পালি সাহিত্য

(আনুমানিক খ্ৰীঃ পূঃ ৬০০—২০০ খ্ৰীঃ)

সাহিত্যিক প্ৰাকৃত

নিদৰ্শন—নাটকীয় প্ৰাকৃত—শৌৰসেনী, মহাৰাষ্ট্ৰী, মাগধ, আৰু জৈন অৰ্ধ-মাগধী

(আনুমানিক ২০০ খ্ৰীঃ—৬০০ খ্ৰীঃ)

অপভ্ৰংশ

নিদৰ্শন—পশ্চিমা বা শৌৰসেনী অপভ্ৰংশ

(আনুঃ ৬০০ খ্ৰীঃ—৯৫০ খ্ৰীঃ)

আধুনিক ভাৰতীয়—আৰ্য্য ভাষা

নিদৰ্শন—অসমীয়া, বঙলা, হিন্দী, উড়িয়া, মৈথিলী ইত্যাদি

(আনুঃ ৯৫০ খ্ৰীঃৰপৰা আধুনিক কালপৰ্য্যন্ত)

মধ্যভাৰতীয় আৰ্য্য ভাষাৰ অৰ্থাৎ প্ৰাকৃতৰ শেষ স্তৰৰ অপভ্ৰংশ স্থানভেদে

অসমীয়া, বঙলা, হিন্দী, মাৰাঠী আদি নব্য-ভাৰতীয় আৰ্য্য ভাষাত পৰিণত হ'ল। ঠিক একে সময়তে নহলেও দশম-একাদশ শতিকাত অপভ্ৰংশৰপৰা আধুনিক ভাষাসমূহ উদ্ভৱ হয়। প্ৰাচীন অসমীয়া ভাষা মাগধী অপভ্ৰংশৰপৰা ওলাইছে। খ্ৰীষ্টীয় সপ্তম শতিকাৰপৰাই যে অসমীয়া ভাষাই, স্বকীয়া গঢ় লবলৈ আৰম্ভ কৰিছিল তাক হিয়েন-চাঙৰ ভ্ৰমণ বৃত্তান্তৰপৰাই বুজিব পাৰি।

অসমীয়া ভাষাৰ বুৰঞ্জীৰ যুগ

ডঃ কাকতিয়ে অসমীয়া ভাষাৰ বুৰঞ্জীক তিনিটা যুগত ভাগ কৰিছে—

(১) আদি যুগ : ত্ৰয়োদশ শতিকাৰপৰা ষোড়শ শতিকাৰ শেষলৈকে। প্ৰাক্-বৈষ্ণৱ যুগ আৰু বৈষ্ণৱ যুগ ইয়াৰ ভিতৰত পৰে। হেম সৰস্বতীৰ প্ৰহ্লাদ-চৰিত্ৰ প্ৰথম অসমীয়া পুথি বুলিব পাৰি।

(২) মধ্য যুগ : সপ্তদশ শতিকাৰপৰা উনবিংশ শতিকাৰ আৰম্ভলৈকে। আহোম ৰজাসকলৰ পৃষ্ঠপোষকতাত লিখা বুৰঞ্জী সাহিত্যই এই যুগৰ বৈশিষ্ট্য।

(৩) আধুনিক যুগ : উনবিংশ শতিকাৰপৰা বৰ্ত্তমানলৈকে। মিছনেৰী-সকলৰ উনবিংশ শতিকাত প্ৰথম বাইবেল প্ৰকাশে এই যুগৰ সূচনা কৰে। তেওঁলোকৰ প্ৰভাৱত এক শ্ৰেণীৰ লেখকৰ সৃষ্টি হয় আৰু পূব অসমৰ ভাষাত পুথি আৰু আলোচনী প্ৰকাশিত হয়। মিছনেৰীসকলে আহোম ৰজাসকলৰ ঐতিহ্যকে ৰক্ষা কৰি পূব অসমৰ ভাষাক গোটেই দেশৰ ভাষা স্বৰূপে প্ৰতিষ্ঠা কৰিলে।

(গ) অসমীয়া ভাষাৰ শব্দ-ভাণ্ডাৰ

অসমীয়া ভাষাৰ শব্দ-ভাণ্ডাৰ বিচাৰ কৰিলে ঘাইকৈ দুই শ্ৰেণীৰ শব্দ-ভাণ্ডাৰ পোৱা যায়—(ক) **মৌলিক** অৰ্থাৎ ভাৰতীয়-আৰ্য্য ভাষাৰ পৰা অহা বা গৃহীত শব্দ, আৰু (খ) **আগন্তুক** অৰ্থাৎ অষ্ট্ৰ-এচিয়াটিক, তিব্বত-বৰ্ম্মী, টাই আদি বা ইন্দ-ইউৰোপীয় ভাষাৰ পৰা গৃহীত শব্দ। এই শব্দ-ভাণ্ডাৰক সাধাৰণতে ছয় ভাগত ভগোৱা হয়। যেনে—তদ্ভৱ, তৎসম, ভাৰতীয় আৰ্য্য ভাষাৰ পৰা ধাৰ কৰা শব্দ, দেশী, বিদেশী আৰু অনাৰ্য্যমূলৰ পৰা অহা শব্দসমূহ।

মৌলিক শব্দবোৰ আকৌ তিনি শ্ৰেণীত পৰে—(১) **তদ্ভৱ**, (২) **তৎসম** আৰু (৩) **অৰ্দ্ধতৎসম**। যিবোৰ সংস্কৃত শব্দই প্ৰাকৃতৰ মাজেদি আহি অসমীয়া ৰূপ লৈছে তাক **তদ্ভৱ** [অৰ্থাৎ (তৎ) সংস্কৃতৰ পৰা উদ্ভূত] বোলা হয়। সংস্কৃত-প্ৰাকৃতৰপৰা ওলাইছে যদিও এই শব্দবোৰ যথেষ্ট সলনি

হৈছে। অসমীয়াত ব্যৱহাৰ হোৱা ভালেমান ঘৰুৱা শব্দ, মানৱ দেহৰ অঙ্গ-বাচক শব্দ, প্ৰাকৃতিক বস্তু বুজুৱা শব্দ, সংখ্যাবাচক শব্দ, সৰ্ব্বনাম, ক্ৰিয়া, অব্যয় আদিক তদ্ভৱ বা প্ৰাকৃতজ বুলিব পাৰি। যেনে:—হাত, মুৰ, নাক, কাণ, দাঁত, কুমাৰ, বামুন, বিয়া, শৰাধ, ভাই, ভনী, নৈ, তৰা, বিজুলী, লোহা, গৰু, ঘোৰা, হাতী, সাপ, শুকান, সঁচা, ভাপ, এক, দুই, আধা, ষোল, মই, তুমি ইত্যাদি।

যি শব্দসমূহ সংস্কৃতৰপৰা সলনি নোহোৱাকৈ অসমীয়া ভাষাত গৃহীত হৈছে সেইবোৰক **তৎসম** (অৰ্থাৎ সংস্কৃতৰ সম) বোলা হয়। যেনে:—ঈশ্বৰ, বন্ধু, দৰ্শন, পদ্ম, সত্য, সূৰ্য্য, কৃষ্ণ, অন্ন ইত্যাদি।

যিবোৰ শব্দ অতীজত সংস্কৃতৰপৰা অবিকলভাবে গৃহীত হৈছিল আৰু যি-বোৰত পাচৰ যুগৰ ধ্বনিৰ পৰিবৰ্ত্তন ঘটিছে সেইবোৰক **অৰ্দ্ধ-তৎসম** বোলা হয়। যেনে:—

তৎসম	**অৰ্দ্ধ-তৎসম**
ভক্তি	ভকতি
মৰ্ম্ম	মৰম
ৰত্ন	ৰতন
যত্ন	যতন
সপত্ন	সতিনী

তৎসম, তদ্ভৱ আৰু অৰ্দ্ধ-তৎসমৰ বিভিন্ন ৰূপৰ কেইটামান শব্দ তলত দিয়া হ'ল—

তৎসম	**তদ্ভৱ**	**অৰ্দ্ধ-তৎসম**
শস্য	শাহ	শহ, শইচ
ত্ৰোটি	থোৰা	ঠোঁট
গণ্ড	গাঁড়	গঁড়
সঞ্চ	সাঁচ	সঁচ

অসমীয়াত আগন্তুক শব্দবোৰ যাইকৈ দুই জাতীয়—(১) **দেশী** আৰু (২) **বিদেশী**। **দেশী** শব্দবোৰ সংস্কৃত বা প্ৰাকৃত বা বাহিৰৰ কোনো ভাষাৰ পৰা অহা নাই কিন্তু দেশীয় ভাষাৰ পৰা সংস্কৃতত সোমাইছে। যেনে—

লাড়ু, থাক, তেতেলি, তামোল, কদলী ইত্যাদি। দেশজ শব্দবণৰা গৃহীত শব্দসমূহক ডঃ কাকতিয়ে তিনি শ্ৰেণীতে ভাগ কৰিছে—(ক) অষ্ট্ৰ-এচিয়াটিক —খাচি, কোল আৰু মালয়; (খ) তিব্বত-বৰ্ম্মী—বড়ো আৰু (গ) টাই (আহোম)।

(ক) **অষ্ট্ৰ-এচিয়াটিক :—খাচি ভাষাৰ পৰা** অহা বুলি অনুমান কৰা শব্দবোৰ হৈছে—কাবৌ, কিংখাপ, খং, জেং, জপ্লাল, জহা, মেখোন, নোদোকা, টোকোনা, চোকোৰা, ভুৰ ইত্যাদি। **কোল-মুণ্ডাৰীয় ভাষাৰ** লগত মিলা শব্দ হৈছে—আটোম-টোকাৰি, ডঙ্গুৰা, লাটুম, মাইকী, চিকৰা, কাথলতি, আলাবাহ, তেজপিয়া, আকোৰ-গোজা, উবুৰিয়া, গোহাৰি ইত্যাদি। **মালয় ভাষাৰ** লগত মিলা শব্দসমূহ হৈছে—অকণ, সাঁফৰ, আচুহতা, বগা, বহুৱা, চেলাউৰি, হাবি, লাওপানী, পগলা, শকত ইত্যাদি।

অষ্ট্ৰিক ভাষাত পানীৰ প্ৰতিশব্দ হৈছে হো, হং, তু, তিউ, দু, দিউ, লাও। যেনে—তিহু, টিপাম, টিয়ক, দিহং, দিবং, দিচাং ইত্যাদি।

(খ) **তিব্বত-বৰ্ম্মী :—বড়ো ভাষাৰপৰা** অহা শব্দসমূহ হৈছে—ভেঁকুৰ, হাফলু, মাইহাং, জখলা, হোজা, চাং, হাওফাও, লাওখোলা, কেৰেচীয়া, চেলেক, চেকুৰ, হাজো ইত্যাদি। 'দি' (পানী)—দিহং, দিচাং, দিখৌ, দিক্ৰং ইত্যাদি। ঠাইৰ নাম—হাজো (পাহাৰ), হাকামা (গোপন কৰা), বিহমপুৰ (বিহম = বোৱাৰী) ইত্যাদি।

(গ) **টাই (আহোম) :—টাই ভাষাৰপৰা** অহা শব্দসমূহ হৈছে—খাং, লাং, ফাং, পুং, বুৰঞ্জী, জান, ৰূপবান, কাবেং, বং (ঘৰ), আংমৰা, ইত্যাদি। আহোম ভাষাত পানীৰ প্ৰতিশব্দ হৈছে 'নাম'। যেনে—নামৰূপ, নামতি, নামদাং ইত্যাদি।

বিদেশী শব্দ :—কিছুমান বিদেশী শব্দ আমাৰ ভাষাত সোমাইছে। তাৰ ভিতৰত **ফাৰচী** (আৰু ফাৰচীৰ যোগে তুৰ্কী আৰু আৰবী) আৰু **ইউৰোপীয়** প্ৰধান। **ফাৰচী** শব্দসমূহ হৈছে—আমিৰ, উজীৰ, খিতাপ, খাজানা, জমা, মহকুমা, চহৰ, আইন, এজাহাৰ, ক্ৰোক, গোলাপ, বাগিচা, মেজ, মিচিৰি, দোকান, খৰচ, বাবুগিৰি, মৌজাদাৰ, বাজিকৰ, ডাক্তৰখানা ইত্যাদি। **ইউৰোপৰ** পৰা অহা শব্দবোৰ ইংৰাজী বা ভাৰতীয় ভাষাৰ যোগেদি অসমীয়াত সোমাইছে। এই বিভিন্ন জাতীয় শব্দসমূহ হৈছে—(ক) **পৰ্তুগীজ** শব্দ—আতা, আনাৰস, আলপিন, আলমাৰি, কামিজ, গীৰ্জা, ফিটা, বাল্টি,

বুটাম, বাৰান্দা, নীলাম ইত্যাদি। (খ) **ফৰাচী শব্দ** :—কুপন, কাৰ্ত্তিজ, ওলন্দাজ, চাবোন ইত্যাদি। (গ) **ওলন্দাজ শব্দ** :—ইস্কাপন, ৰোহিতন, হৰ্ত্তন, ইত্যাদি। (ঘ) **ইংৰাজী শব্দ** :—আপিচ, আস্পতাল, ইঞ্চি, কেৰাচিন, পেনচিল, কমিটি, কাপ, গিলাছ, গাৰদ, ছিলট, চেমিজ, টিকট, ডবল, নম্বৰ, পুলিচ, বাকচ, ভোট, বুরুজ, লণ্ঠন, লাট ইত্যাদি। দেশী আৰু বিদেশী শব্দ মিহলি হৈ **নতুন শব্দ** (Hybrid words) সৃষ্টি হৈছে। যেনে :—ধন-দৌলত, পুলিচ-চাহাব, মাষ্টৰী, হেড্-পণ্ডিত, হাট-বজাৰ ইত্যাদি।

(ঘ) অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ যুগ বিভাগ

অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ যুগ বিভাগৰ বিষয়ে পণ্ডিতসকলৰ বিভিন্ন মত দেখা যায়। স্বৰূপতে মহাপুৰুষ শঙ্কৰদেৱৰ সময়লৈকে এটা যুগ; শঙ্কৰদেৱৰ সময়ৰ পৰা ইংৰাজসকল অহাৰ আগলৈকে এটা যুগ আৰু ইংৰাজসকল অহাৰ পৰা বৰ্ত্তমানলৈকে আন এটা যুগ। কিন্তু সাহিত্যিক লক্ষণৰ ফালৰপৰা এই তিনিটা যুগৰ ভিতৰতে আবদ্ধ হৈ থাকিব নোৱাৰি। যদিও প্ৰাক্-বৈষ্ণৱ যুগ আৰু বৈষ্ণৱ যুগৰ মাজত সময় আৰু বিষয়-বস্তুৰ ফালৰ পৰা সীমৰেখা টনা হয় তথাপি এই দুই যুগৰ সাহিত্যিক ভাবধাৰা একেবাৰে সামঞ্জস্য নোহোৱা নহয়। সেইদৰে উত্তৰ-বৈষ্ণৱ যুগটো গদ্য-ৰচনাৰ যুগ বুলি নেদেখুৱালে যুগ বিভাগ অসম্পূৰ্ণ হয় যেন লাগে। তলত কেইজনমান লিখকৰ যুগ বিভাগৰ চানেকি দিয়া হ'ল—

পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে অসমীয়া সাহিত্যৰ বুৰঞ্জীক তলত দিয়া দৰে ভাগ কৰিছে—(১) **গীতি যুগ**—৬০০ খ্ৰীঃৰপৰা ৮০০ খ্ৰীঃলৈ; (২) **মন্ত্ৰ আৰু ভণিতা যুগ**—৮০০ খ্ৰীঃৰপৰা ১২০০ খ্ৰীঃলৈ; (৩) **প্ৰাক্-বৈষ্ণৱ যুগ**—১২০০ খ্ৰীঃৰপৰা ১৪৫০ খ্ৰীঃলৈ; (৪) **বৈষ্ণৱ যুগ**—১৪৫০—১৬০০ খ্ৰীঃলৈ; (৫) **বিস্তাৰ যুগ**—১৬০০—১৮০০ খ্ৰীঃলৈ; (৬) **বৰ্ত্তমান যুগ**—১৮০০ খ্ৰীঃৰপৰা বৰ্ত্তমানলৈকে।

শ্ৰীযুত দেৱানন্দ ভৰালিয়ে তিনি ভাগত ভাগ কৰিছে—(১) **প্ৰাক্-বৈষ্ণৱী যুগ**—(১০০০—১৩০০ খ্ৰীঃ); (২) **বৈষ্ণৱী যুগ**—(১৩০০—১৬০০ খ্ৰীঃ) আৰু (৩) **নতুন যুগ** (১৬০০ খ্ৰীঃৰপৰা বৰ্ত্তমানলৈকে)।

দেৱেন্দ্ৰনাথ বেজবৰুৱাই তিনি ভাগত ভাগ কৰিছে—(১) **আদি যুগ**—অসমীয়া ভাষাৰ আৰম্ভৰপৰা শঙ্কৰদেৱৰ জন্মলৈকে। (২) **মাজ বা**

উন্নতিৰ যুগ (শঙ্কৰী যুগ)—শঙ্কৰদেৱৰপৰা ইংৰাজে আমাৰ দেশৰ শাসন ভাৰ লোৱালৈকে অৰ্থাৎ ১৩৭১ শকৰ পৰা ১৭৪৮ শকলৈকে। (৩) **বৰ্ত্তমান যুগ**—১৮২৬ খ্ৰীঃৰপৰা এতিয়ালৈকে।

কালিৰাম মেধিয়ে তিনিটা যুগত ভাগ কৰিছে—(১) **প্ৰাক্‌বৈষ্ণৱী যুগ**—পূৰণি কালৰপৰা শঙ্কৰদেৱৰ জন্মলৈকে। (২) **বৈষ্ণৱ যুগ**—পঞ্চদশ শতিকাৰ মাজৰপৰা মানৰ ৰণলৈকে (১৮২৬ খ্ৰীঃ)। (৩) **উত্তৰ-বৈষ্ণৱ** বা **আধুনিক যুগ**—ইংৰাজ ৰাজত্বৰপৰা বৰ্ত্তমানলৈকে।

শ্ৰীযুত ডিম্বেশ্বৰ নেওগে পাঁচোটা যুগত ভাগ কৰিছে—(১) **আদি যুগ** (৬০০—১১০০ খ্ৰীঃ); (২) **প্ৰাক্-বৈষ্ণৱ যুগ** (১১০০—১৪৫০ খ্ৰীঃ); (৩) **বৈষ্ণৱ যুগ** (১৪৫০—১৬৫০ খ্ৰীঃ); (৪) **উত্তৰ-বৈষ্ণৱ যুগ** (১৬৫৬—১৮২৬ খ্ৰীঃ) আৰু (৫) **আধুনিক যুগ** (১৮২৬—১৯৪৭ খ্ৰীঃ)।

লিখিত সাহিত্যৰ নিদৰ্শন ত্ৰয়োদশ শতিকাত পালেও ভাস্কৰবৰ্ম্মাৰ লিপিত স্থানীয় প্ৰাকৃতৰ (কামৰূপী প্ৰাকৃত) সঙ্কেত পোৱা যায়। সেইকাৰণে ভাস্কৰবৰ্ম্মাৰ সময়ৰপৰা অসমীয়া সাহিত্যৰ যুগ আৰম্ভ হয় বুলি কব পাৰি।

বিভিন্ন মত আলোচনা কৰি পণ্ডিত হেমচন্দ্ৰ গোস্বামী আৰু শ্ৰীযুত ডিম্বেশ্বৰ নেওগৰ যুগ বিভাগৰ নীতি অলপ লৰচৰ কৰি আমি অসমীয়া সাহিত্যৰ বুৰঞ্জীক পাঁচোটা যুগত ভাগ কৰিছোঁ—

(১) **আদি যুগ**; (২) **প্ৰাক্-বৈষ্ণৱ যুগ**; (৩) **বৈষ্ণৱ যুগ**; (৪) উত্তৰ-বৈষ্ণৱ যুগ বা **বিস্তাৰ যুগ** আৰু (৫) **বৰ্ত্তমান যুগ**।

দ্বিতীয় অধ্যায়

মৌখিক জন-সাহিত্য

পৃথিবীৰ অন্যান্য দেশৰ সাহিত্যৰ নিচিনাকৈ অসমীয়া সাহিত্যতো কবিতাৰ জন্ম আগ। সেই কাৰণে আমাৰ প্ৰথম সাহিত্য হৈছে মৌখিক গীত বা লোকগীত। এই মৌখিক গীত বা লোকগীতৰ উপৰিও যোজোনা, ফকৰা, সাধুকথা আদিও মৌখিক ৰূপত প্ৰচলন আছিল। সেই কাৰণে অসমীয়া জন-সাহিত্য বা লোক-সাহিত্যৰ অন্তৰ্ভূত হৈছে (১) লোকগীত বা মৌখিক গীত, (২) ফকৰা, যোজোনা আৰু সাঁথৰ আৰু (৩) সাধুকথা।

(১) মৌখিক গীত বা লোকগীত

লোকগীতত চহা-জীৱনৰ ভাব, অনুভূতি, সৰল প্ৰকাশভঙ্গী আদি ফুটি উঠে। বাহিৰৰ জগতৰ সৈতে নিজৰ উদ্দেশ্য আৰু বিষয়ৰ সম্বন্ধ স্থাপন কৰি চহা-কবিয়ে ভাবৰ মুক্ত বিকাশ কৰে। এনে গীতত ৰচকৰ নাম-গোন্ধ নাথাকে আৰু গীতসমূহ পুৰুষানুক্ৰমে চলি আহে। অধ্যক্ষ Shairp-ৰ ভাষাৰে কবলৈ হলে এই গীতসমূহত অশিক্ষিত চহাই মুক্ত পৰিবেশত সৰল, স্বতঃস্ফূৰ্ত্ত, বিমল আনন্দ অনুভৱ কৰে (that simple, spontaneous, unreflecting pleasure which all unsophisticated beings feel in free open-air life)। গীতত প্ৰকৃতিৰ সৈতে মানুহৰ অন্তৰঙ্গ সম্বন্ধ ফুটি উঠে। এইবোৰ যেন আদিম আৰু লৌকিক ভাব আৰু আবেগৰ অকৃত্ৰিম প্ৰকাশ।

পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে অসমীয়া ভাষাৰ আৰম্ভণিৰপৰা ৮০০ খ্ৰীষ্টাব্দলৈকে আমাৰ সাহিত্যৰ আন্ধাৰ যুগটোক গীতিযুগ আখ্যা দিছে। তেওঁ ধাইনাম, গৰখীয়া নাম, বিয়ানাম, বিহুনাম, নাওখেলোৱা গীত, বাৰমাহী গীত, গাৰলীয়া গীত (ফুলকোঁৱৰ, মণিকোঁৱৰ, পগলা পাৰ্ব্বতীৰ গীত আদি), টোকাৰী নাম, হুচৰী নাম, আইনামক এই কালৰ ৰচনা বুলি ধৰিছে। কিন্তু এই গীত-বোৰৰ ৰচনাকাল সম্বন্ধে কোনো থাটাং সিদ্ধান্ত কৰিব নোৱাৰি। বুৰঞ্জীমূলক গীত বা ব্যক্তিক কেন্দ্ৰ কৰি ৰচা গীতবোৰৰ সময় নিৰ্ণয় কৰিব পাৰিলেও কোনো পৌৰাণিক আখ্যানৰ লগত সম্বন্ধ থকা গীতবোৰৰ কাল নিৰ্ণয় কৰা টান।

কোনো কোনো সমালোচকে লোকগীতক বহলকৈ দুটা ভাগত ভাগ কৰে।

যেনে আনুষ্ঠানিক আৰু স্বাধীন। কিন্তু বিষয়বস্তু অনুসৰি এইবোৰক তিনি ভাগত ভাগ কৰিলে বেচি সুবিধা হয়। এই ভাগবোৰ হৈছে—

(১) অনুষ্ঠানমূলক—বিহুনাম, বিয়ানাম, আইনাম ইত্যাদি।

(২) আখ্যানমূলক, কিম্বদন্তীমূলক বা বুৰঞ্জীমূলক গীত—ফুলকোঁৱৰৰ গীত, মণিকোঁৱৰৰ গীত, নাহৰৰ গীত, জনাগাভৰুৰ গীত, বৰফুকনৰ গীত ইত্যাদি।

(৩) বিবিধ বিষয়ক—ধাইনাম, গৰখীয়া নাম, টোকাৰী নাম ইত্যাদি।

বিহুনাম আৰু বনগীত—বিহু উৎসৱ কৃষিজীৱী জাতিৰ, যাইকৈ মঙ্গোলীয় জাতিৰ অৱদান বুলিব পাৰি। দুহেজাৰ-আঢ়ৈহেজাৰ বছৰৰ আগেয়ে পশ্চিম চীন দেশত বসন্ত কালত ডেকা-গাভৰুৱে বং-ধেমালিৰ মাজেদি বিয়াৰ বাছনি কৰাৰ নিদৰ্শন পোৱা যায়। সেই দেশৰ ডেকা-গাভৰুৱে নৃত্যগীতৰ যাৰা পৰস্পৰে পৰস্পৰক আকৰ্ষণ কৰিছিল আৰু কপৌ ফুলৰ আদান-প্ৰদান কৰিছিল। ইয়াৰ পৰা অনুমান কৰিব পাৰি যে, মঙ্গোলীয় জাতিসমূহৰ আগমনত এনে নৃত্য-গীত চীনদেশৰ পৰা অসম সোমায়। বিহুনাম আৰু বনগীত বা বনঘোষা 'বতৰৰ গীত'। ইয়াৰ ভাষা অতি সহজ আৰু অনাড়ম্বৰ। বতৰৰ গীতত যৌৱনৰ উন্মাদনা, আশা-আকাঙ্ক্ষা, যৌনস্পৃহা আদি সকলো নিহিত থাকে। ডেকা-গাভৰুৰ মন কমোৱা তুলাৰ দৰে উৰি ফুৰে। এই গীতসমূহত উপমাৰ ভিতৰেদি একোটা অনুভূতি প্ৰকাশ কৰা দেখা যায়। যিবোৰ গীত হুচৰিৰ লগে লগে মানুহৰ ঘৰে ঘৰে গোৱা হয় তাকে বিহুনাম বুলিব পাৰি। নাচ এই গীতৰ অবিচ্ছেদ্য অংশ। সাহিত্য স্বৰূপে এই গীতৰ সৰল প্ৰকাশভঙ্গী, কল্পনা, উপমা, প্ৰকৃতিৰ উপমা আদি প্ৰণিধানযোগ্য। উপমাসমূহ অসমৰ জাতীয় জীৱনৰ প্ৰতীকস্বৰূপ। "আন্তৰিকতা, অনুভৱৰ গাম্ভীৰ্য্য, বিশ্বাত্মবোধ (Cosmic Feeling), উচ্চস্তৰৰ কল্পনা, সৌন্দৰ্য্যবোধ, প্ৰকাশভঙ্গীৰ সংযম—আটাইবিলাকৰ চানেকি দুই চাৰি বিহুগীতত পায়" (ডঃ প্ৰফুল্ল দত্ত গোস্বামী)। বিহুনাম আৰু বনগীতত অসমৰ 'সামাজিক আৰু মানসিক জীৱনৰ তথ্যপাতি' পোৱা যায়। বিহু উৎসৱৰ কাল নিৰ্ণয় কৰিব নোৱাৰিলেও বিহুনাম আৰু হুচৰি যে অতি পুৰণি তাত কোনো সন্দেহ নাই। হুচৰি আৰম্ভত হুচৰীয়াবিলাকে পোনতে এটি প্ৰবন্ধীয়া কীৰ্ত্তন গায়, তাৰ পিচত নাচনি তোলোতে বিহুনামৰ নিচিনা নামকে গায়। ধকৰা আৰু বাজহুৱা কামত গাব পৰা বিভিন্ন গীত-পদো আছে। সেন্দুৰী-পমিলীৰ গীতটো বৰ পুৰণি যেন লাগে। মধ্যপ্ৰদেশৰ গোণ্ড বা গণ্ড

আদি জনজাতিৰ মাজত আমাৰ বিহুনামৰ নিচিনা "দদবিয়া" গীতৰ প্ৰচলন আছে।

বিয়ানাম—বিয়ানামত "সংযত পবিত্ৰ মিলনৰ" মধুৰ গীত শুনিবলৈ পোৱা যায়। এই গীত অনুপম আৰু কবিত্বপূৰ্ণ। সৰল কল্পনা, মধুৰ উপমা, পাতালী গঙ্গাৰ দৰে বৈ থকা কৰুণ ৰস আদি বিয়ানামৰ বৈশিষ্ট্য। গীতবোৰত সামাজিক, বৈদিক আৰু লৌকিক প্ৰত্যেক স্তৰৰ অনুষ্ঠানৰ আভাস পোৱা যায়। কিছুমান গীত পুৰণি বৈষ্ণৱ পদৰ আৰ্হিত ৰচিত। বিয়ানামক সাধাৰণতে দুই শ্ৰেণীত ভগাব পাৰি—(১) গহীন আৰু ৰুচিপূৰ্ণ আৰু (২) লঘু আৰু কৌতুকপূৰ্ণ। হৰ-গৌৰী, ৰাম-সীতা, কৃষ্ণ-ৰুক্মিণী, ঊষা-অনিৰুদ্ধ আদিৰ মিলন-কাহিনী সংযোগ কৰি নামতীসকলে ৰভাতলত এক গহীন পৰিবেশৰ সৃষ্টি কৰে। দ্বিতীয়বিধ গীতক সাধাৰণতে যোৰানাম বোলা হয়; ইয়াত যেন "লৌকিকতাৰ এটি লুটি দেখা যায়।" নামনি অসমত এই গীতক 'খিচাগীত' বোলে। উজনি আৰু নামনি অসমৰ বিয়ানামৰ চানেকি দিয়া হ'ল—

"গা ধুই আইদেৱে মাকক সুধিলে
কি সাজ সলাব পায়।
ছাঁতে শুকোৱা মুঠিতে লুকোৱা
কেই সাজ সলাব পায়॥" (উজনি)

"প্ৰথম প্ৰহৰ ৰাতি ফুলি আছে চম্পা।
উঠা ৰাধা গুণৱতী তুলি বান্ধা খোপা॥
দ্বিতীয় প্ৰহৰ ৰাতি ফুলি আছে তগৰ।
উঠা ৰাধা গুণৱতী নধৰিবা জগৰ॥" (নামনি)

ডিব্ৰুগড়ৰ দিবাকৰ দুৱৰাই ১৯০২ চনত 'নামতি আই' আৰু ১৯০০ চনত 'নামতি বাই' প্ৰকাশ কৰে।

আই-নাম—আই-নাম, সুৱচনীৰ গীত, অপেচৰীৰ গীত আৰু লখিমীসবাহৰ গীত কথা আৰু সুৰত প্ৰায়ে একে ধৰণৰ। আই-নামত ভক্তিৰসৰ গভীৰতা, অনুভূতিৰ তীব্ৰতা আৰু স্বাভাৱিকতা, আৰু সৰল প্ৰকাশভঙ্গী পোৱা যায়।

"উজাই আহিলে আইৰে সাতোভনী
বালিতে পাতিলে খুটিএ।
ভটীয়াই যোৱাগৈ আইৰে সাতোভনী
গোপিনী কৰিছে স্তুতিএ।"

সম্ভৱ এই আই-স্তুতি-যোৰা-পদবোৰ অসমত তান্ত্ৰিক যুগৰে পৰা চলি আহিছে নাইবা এই গীতবোৰত তান্ত্ৰিক ধৰ্ম্মৰ প্ৰভাব পাৰিছে। আই-নামত পিছলাৰ ঘাট (পিছলাৰ ঘাটে আয়ে পানী তোলে), ফুলবাৰীৰ দেওঘৰ (সক আই আহিছে ফুলবাৰী দেওঘৰৰ পৰা), থান আদিৰ উল্লেখ আছে। ইয়াৰ পৰা অনুমান কৰিব পাৰি যে, উত্তৰ লক্ষীমপুৰৰ নাৰায়ণপুৰ অঞ্চলত এসময়ত আই পূজাৰ প্ৰাধান্য আছিল।

সুবচনীৰ (হুবচনী) গীত—আহোমসকলে পূৰ্ব্বপুৰুষৰ প্ৰথা অনুসৰি আজিও শক্তিৰ পূজা কৰে। প্ৰতি বছৰে প্ৰতি গাৱঁৰ ৰাইজ সমবেত হৈ এক নিৰ্দ্দিষ্ট ঠাইত পূজা পাতে। পূজাত হাঁহ, পাৰ, ছাগলী, কুকুৰা আদি দেৱীৰ উদ্দেশ্যে বলি দিয়া হয়। পূজাৰ আদিতে বুঢ়া-দেৱতা মহাদেৱক স্তুতি কৰে। গীতত বুঢ়ী সুবচনীক কেচাইখাতী, ৰাজধৰণী, জগতৰ মাতৃ ঈশ্বৰী আই বুলি অভিহিত কৰে। পূজাৰীয়ে দেৱীক স্তুতি কৰে—

হি-ই, ঐ—ঐ-ঐ, ঐ-ঐ-ঐ জগতৰ ৰাজধৰণী
সংসাৰ ধৰণী সৃষ্টিৰ ঈশ্বৰী আই।
চাৰিয়ে পাতিলে চাৰিয়ে ভাঙিলে
চাৰিয়ে পাতিলে লাও,
আই বুঢ়া সুবচনী নহওঁতে
হৈছিলে দিনে ৰাতি।
সি বেলাতে নামিলা কৈলাসৰ পৰা
কেচাইখাতী ভুকলী হৈ,
ডাঙৰ কেঁচাই উকলি দিলে
চুক ভেকুলীয়ে নাই কাটিলে ;
ল'লা নগৰত স্থান
খালা এই বলিদান।

অপেচৰী সবাহৰ নাম—চকুত ফেচকুৰীয়া হলে, লৰাছোৱালী শুকাই খীনাই গলে নাইবা শান্তি নোহোৱাকৈ বেচি দিন থাকিলে অপেচৰাৰ দোষ বুলি ঘৰৰ চোতালত ৰভা দি দুপৰীয়া সবাহ পাতে। এই নামত অপেশ্বৰী আক দুৰ্গাক অভিন্ন ৰূপত দেখা যায়। গীতৰ চানেকি হৈছে—

'ওপৰৰ দেৱতাই ওলাই মেল কৰে
কুমাৰী কি পূজা কৰে।

আই অপেচৰীক মাতিম কেনে কৰি
কৰিম কোন ভাবে সেৱা।
ৰূপৰে জখলা সোণৰে মেখেলা
আহে অপেস্বৰী নামি
দুপৰ বেলা মেল কৰে
ছাঁয়াত পৰে ভৰি
কাতৰ কৰি মাতোঁ
আই অপেস্বৰী ॥"

কামৰূপতো এনে ধৰণৰ নাম আছে। লৰাছোৱালীয়ে চকু পকাই 'কন্দা-কটা কৰিলে' নাইবা 'একাঙ্গী আদি নবীয়া হলে তাক 'উপৰেলীৰ লেঠা' লগা বুলি ভাবে আৰু চোতালত মণ্ডপ সাজি তিৰোতামানুহে নাম গায়। এই নামত দুৰ্গাদেৱীৰ মাহাত্ম্য ফুটি উঠে।

লখিমী সবাহৰ গীত—জেঠ-আহাৰ মাহত 'খেতিৰ আগভাগতে' লখিমী আইক আদৰি অনা হয়। এনে কৰিলে হেনো শস্যেৰে নদনবদন হয়। আহোমসকলে এই উৎসৱ অলপ বেলেগে পাতে। তেওঁলোকে আহু লখিমী আৰু শালি-লখিমীকে পূজা কৰাৰ উপৰিও থাওখাম বা বৰুণ-দেৱতাক পূজা কৰে। লখিমী সবাহৰ গীতৰ চানেকি দিয়া হ'ল—

"লক্ষ্মী আই সুন্দৰী মৰাণৰ জীয়াৰী
খোৰা হুচুঙৰে জী এ।
দলৰ কাণে মাৰি বজালৰ লাখুটি
আহা ভৈয়ামলৈ নামি এ ॥

* * * *

থাওখাম দেৱতাক দিব বলি পূজা
শনাহী ভটিয়াই যাব এ।
মহাদেউ কঠিয়া চাণ্ডতে আছিলে
স্কেঠতে মুকলি হল এ ॥"

ভেকুলী বিয়াৰ নাম—ভেকুলীৰ বৰষুণৰ লগত এটা এৰাব নোৱাৰা সম্বন্ধ আছে বুলি বৈদিক যুগৰে পৰা মানুহে বিশ্বাস কৰি আহিছে। বিহাৰ, মধ্যপ্ৰদেশ, কুমায়ুন অঞ্চল (উত্তৰ প্ৰদেশ), দক্ষিণ ভাৰত আদি ঠাইতো এই সম্পৰ্কে ভিন ভিন অনুষ্ঠান আছে। আমাৰ দেশতো ভেকুলী বিয়াৰ উৎসৱ

পতা হয়। খৰাং বতৰত পানীৰ অভাৱ হলে দুটা ভেকুলী ধৰি আনি পুখুৰীৰ পাৰত বিয়াৰ আহিৰে নোৱাই ধুৱাই হোম পুৰি বিয়া পাতে আৰু নাম গায়। গীতত বৰষুণৰ দেৱতা ইন্দ্ৰৰ উল্লেখ থাকে। যেনে :—

"ৰাম ৰাম ভেকুলীৰ বিয়ালৈ
" " আহে ইন্দ্ৰদেৱে
" " ৰতাহ বৰষুণত তিতি হে।
" " স্বৰ্গৰ অপেচৰী
" " নামি আহিছে
" " ভেকুলীৰ বিয়া শুনি হে।"

দেহবিচাৰৰ গীত আৰু টোকাৰীৰ গীত—এই গীতসমূহৰ ওপৰত বৌদ্ধ সহজীয়াৰ প্ৰভাৱ পৰা যেন লাগে আৰু গীতসমূহ তান্ত্ৰিকতাৰ পটভূমিত গঢ়ি উঠা যেন অনুমান হয়। "জগৎ-ব্ৰহ্মাণ্ডৰ প্ৰতিৰূপ দেহৰ সাধনা কৰি নিবৃত্তি মাৰ্গৰ উজান সুঁতিয়েদি নিজক আগবঢ়াই নিয়া যি এটা ধৰ্ম্মপন্থা ভাৰতত পায়, তাৰ সাঁচ এই গীতবিলাকত আছে" (ডঃ প্ৰফুল্লদত্ত গোস্বামী)। দেহবিচাৰৰ গীত আৰু টোকাৰী গীতত শৰীৰটোক গছৰ লগত ৰিজোৱা হয়। গীতৰ মতে দেহৰ ভিতৰত চৈধ্য ব্ৰহ্মাণ্ড আৰু চৈধ্য বৈকুণ্ঠ আছে। দেহবিচাৰৰ গীতত গুৰুৰ আৱশ্যকতা (অ গুৰুত সুধি লবয় দেহৰ বিচাৰ) দোহৰা হৈছে। উজনি-নামনিৰ ভকতসকল পূৰ্ণসেৱা, ৰৰসেৱা, ৰৰখেলীয়া, গোপীধাৰা, ৰাতিখোৱা আদি বিভিন্ন সম্প্ৰদায়ত বিভক্ত। দেহবিচাৰৰ গীত ৰহস্যপূৰ্ণ। এই গীতত দেহটোক কেতিয়াবা ঘৰ, কেতিয়াবা নাও বা কেতিয়াবা চাকিৰ লগত ৰিজোৱা হয়। টোকাৰী, ৰামতাল বা কৰতাল বজাই ভকতসকলে গীত গাই গাই ভিক্ষা মাগি ফুৰে।

"যেতিয়া বিৰিখে দুই পাত মেলিলে
তললই মেলিলে শিয়া।
সেই গছজুপি খোজে মহাদেৱে
টোকাৰী সাজোগৈ দিয়া॥" (টোকাৰী গীত)

"কি ধনে বেহালা হাট মন বেপাৰী
কি ধনে বেহালা হাট।
বৈকুণ্ঠলৈ যাবলৈ সাধুৰ সঙ্গ নললা
চিনিও নললা বাট॥" (দেহবিচাৰৰ গীত)

টোকাৰী গীতৰ সমপৰ্য্যায়ৰ গীত হৈছে বৰাগী গীত। উজনি অসমত বৰাগী ধৰ্ম্ম আৰু গীতৰ প্ৰভাৱ অধিক। কোনো কোনোৰ মতে বৰাগী গীত আৰু টাইসকলৰ মূল বাসভূমি উত্তৰ ব্ৰহ্মৰ চেংমাই (Tsengmai) অঞ্চলৰ গীতৰ ভিতৰত সুৰৰ মিল আছে। বৰাগী ধৰ্ম্ম অৱলম্বন কৰিবৰ সময়ত গুৰুৱে এখন তামোল খুৱাই শিষ্য কৰে। এয়ে তামোল খোৱা। গীতৰ চানেকি দিয়া হ'ল—

“এ বিষয়ৰ নাটিলে বিষয়ৰ জঞ্জালে
গুৰুতো নাটিলে কৰে ভাৱে,
ৰজাৰে নাটিলে ৰজে ৰজাৰে নাটিলে ধনে
ভকতৰ নাটিলে নামে।”

বাৰমাহী গীত—বাৰমাহী গীত লোক-সাহিত্যৰ এক বিশিষ্ট সম্পদ। বঙ্গ, বিহাৰ, পঞ্জাব আদি ভাৰতৰ বিভিন্ন অঞ্চলত এনেবিধৰ গীত পোৱা যায়। হিন্দী সাহিত্যত কবি জায়সীয়ে তেওঁৰ পদ্মাৱত কাব্যত নাগমতীৰ বিৰহ বৰ্ণনা কৰোতে বাৰমাহীৰ ৰীতি প্ৰয়োগ কৰিছে। বিহাৰৰ ছোমাসা গীতত বাৰিষাৰ ছমাহৰ বৰ্ণনা পোৱা যায়। হেমচন্দ্ৰ গোস্বামীয়ে ‘অসমীয়া সাহিত্যৰ চানেকি’ত প্ৰকাশ কৰা “কন্যা বাৰমাহী গীতৰ লগত পশ্চিম বঙ্গৰ ডাম্নিনী চৰিতৰ বিশেষ মিল লক্ষ্য কৰিব পাৰি” (ডঃ প্ৰফুল্ল দত্ত গোস্বামী)। ‘বাৰমাহী গীত সাধাৰণতে বিৰহৰ বাহন’। হিন্দী বাৰমাহী গীত সাধাৰণতে আহাৰত আৰম্ভ হয়; বঙলা বাৰমাহী গীত আঘোণত আৰম্ভ হয়, আৰু অসমীয়া বাৰমাহী সাধাৰণতে আঘোণ মাহত আৰম্ভ হয়। “কোনো গাভৰুৱে হয়তো বিদেশত থকা গিৰিয়েকক স্মৰণ কৰি নিজৰ অন্তৰৰ ভাব বৰ্ণাই গৈছে, নতুবা কোনো সাউদে ঘাটত নাও বান্ধি অজ্ঞাতসাৰে নিজৰ ঘৈণীয়েকক মাহৰ পাচত মাহকৈ প্ৰণয় যাচি গৈছে—এয়ে বাৰমাহী গীতৰ বিষয়বস্তু” (ডঃ প্ৰফুল্ল দত্ত গোস্বামী)। বাৰমাহী গীতৰ আহিত কালক্ৰমত ৰাম-বাৰমাহী, সীতা-বাৰমাহী, ৰাধা-বাৰমাহী আদি গীতৰ সৃষ্টি হৈছে।

“আঘোনৰ মাসতে শাস্তী তৃতীয়াৰ জোন।
চৈধ্য বছৰতে শাস্তীৰ ভৈলন্ত যৌবন॥
আঠাৰ বছৰে শাস্তীৰ বয়সে দিলা ভাটী।
বুঢ়া ভৈলা, বাধা ভৈলা হাতে লৈলা লাঠী॥”

(শাস্তী বাৰমাহী)

নাওখেলোৱা গীত—নাৱত উঠি মাছ মাৰিবলৈ যোৱা, বাৰিষা বহুত দূৰলৈ কাঠলৈ যোৱা, বেহা-বেপাৰৰ কাৰণে দূৰলৈ যোৱা আদি কাৰ্য্যত উৎসাহ বঢ়াবৰ কাৰণে নাৱৰীয়াসকলে গীত গায়। কোনো কোনো উৎসৱ উপলক্ষে নাওখেল আৰম্ভ হয়। বৰপেটা অঞ্চলত নাওখেলৰ সময়ত তলৰ গীতটি গোৱা হয়—

"কানাই পাৰ কৰা হে বেলিৰ দিকি চোৱা।
নষ্ট ভৈল দুধেৰ ভাণ্ডাৰ বাজাৰ গৈল বৈয়া॥
কাঠৰ দেশত থাকা কাঠৰ কিবা দুখ।
ভাঙা নৌকাত পাৰ কৰি কিবা পোৱা সুখ॥"

পগলা-পাৰ্ব্বতীৰ গীত—পগলা-পাৰ্ব্বতীৰ গীতত হৰ আৰু পাৰ্ব্বতীক সূচোৱা হৈছে। এই গীতটো "বাস্তৱ-ভঙ্গীৰ" আৰু ইয়াৰ কল্পনাও মনোৰম। এই গীতটো হুচৰিৰ লগত গোৱা হয়।

"তেতেলিৰ তলতে কৰো তাতে বাতি
পাহৰি আহিলো কুচি।
কুচিৰে লগতে পগলাই কিলাৰ
যামে আইৰে ঘৰে শুচি।

(পগলা-পাৰ্ব্বতীৰ গীত)

হাল-বোৱা গীত আৰু যঁতৰৰ গীত—এই দুটি গীতক পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে গাৰ্হস্থীয়া গীতৰ অন্তৰ্ভুক্ত কৰিছে বুলি ওপৰত উল্লেখ কৰা হৈছে। এই দুটা গীতক জুনাৰ ভিতৰতো ধৰা হয়।

"হাবিতে আছিলে আকোৱা কাঠ।
বাঢ়ৈয়ে পাই তাত লগালে চাঁচ॥
চাঁচি চুকিকি সাজিলে নাঙল।
দেওদি উঠিলে হালোৱাৰ কান্ধত॥"

(হালবোৱা গীত)

"সক জনীয়ে বুলিলে বড় জনী বাই।
পিজলি কপাহখিনি ক'ত ক'ত পাই॥
পিজলি কপাহৰ মঞ্জি জানো বুধি।
চাউল হুপুৰাৰ পিঠা গুৰি খুন্দি॥"

(যঁতৰৰ গীত)

জুনা—উজনি আৰু নামনি অঞ্চলত কিছুমান ধেমেলীয়া বা ব্যঙ্গ গীত আছে। এইবোৰ মালিতা বা বেলাডৰ শাৰীৰ। এই গীতক উজনিত জুনা বোলে। ভদ্ৰসেন বৰা সংগৃহীত "তাঁতি-জুনা" নামৰ পুথিৰ জুনাসমূহ হৈছে তাঁতি জুনা, কাপোৰৰ জুনা, পচলাৰ জুনা, নাঙলৰ জুনা, পকৰাৰ জুনা, ৰাধাৰ জুনা, নাহৰৰ জুনা, ধপাতৰ জুনা ইত্যাদি। তাঁতি জুনা, কপাহৰ জুনা আদিত পাকৈত শিপিনীৰ চিত্ৰ পোৱা যায়। কাপোৰৰ জুনা, পচলাৰ জুনা, ধপাতৰ জুনা আদি জুনাবোৰ বৰ আমোদজনক।

"সকজনীয়ে বুলিলে বৰজনী বাই।
আলহী আহছে কিহেৰেবা খায়॥
নকৰিবা চিন্তা ভনী নকৰিবা চিন্তা।
বাৰীৰ পছলাৰ পাতি থৈছো মিতা॥" (পচলাৰ জুনা)

"চিলিম শ্ৰীহৰি ডবা নাৰিকলি
আমি তিনি চাৰি ভাই।
একেডাল নলীতে সবে ধোৱা খালে
তাৰো জাতি কুল নাই॥" (ধপাতৰ জুনা)

'অসমীয়া সাহিত্যৰ চনেকি'ত সন্নিবেশ কৰা 'যঁতৰৰ গীত' আৰু 'হালবোৱা গীত'ৰ লগত ক্ৰমে 'কাপোৰৰ জুনা' আৰু 'নাঙলৰ জুনা'ৰ মিল আছে।

ইয়াৰ উপৰিও আৰু এক শ্ৰেণীৰ **বহুৱাৰ গীতৰ** প্ৰচলন আছে। কৃষ্ণপদ বৰুৱাই এখন 'বহুৱাৰ কীৰ্ত্তন' প্ৰকাশ কৰিছিল। ইয়াত চেঙেলীয়া ডেকাক বৰ্ণাইছে—

"নষ্টকাৰী অসমীয়া ডেকাদেউ হয়।
হৃদয়ে কৰুণা যাৰ অল্প নাহি কয়।
পৰলৈ গলে ডেকা বৰ-চুৰীয়াৰ ফেৰ,
ঘৰলৈ চোৱাহে যদি চকুৱাৰ বেৰ।"

নামনি অসমতো কিছুমান ধেমেলীয়া বা ব্যঙ্গগীত আছে। এই অঞ্চলৰ পচলা-কুটা গীতটো উজনিৰ পচলাৰ জুনাৰ লৈতে মিলে। বৰপেটা অঞ্চলত কিছুমান ধেমেলীয়া গীত জিংজি তাওবীয়াৰ নামত চলে।

(ক) বুনৰ কাষক নাযাবি হামা
চুপি আছে বাঘা।
ঘৰোক লাগি আহিবি হামা
গিৰস্থে দিব পাঘা ॥ (খেতিবাতিৰ সঁজুলি)

(খ) শুন বাপু শুন,
একেডালি টোকনৰ নটি গুণ।
হাতৰ মথা পানীৰ জোখা।
দেখিলি সাপ ফেল্‌লি মাৰি।
নহলি পীৰা বহইবা পাৰি ॥ (টোকনৰ গুণ)

মহো-হো গীত—আঘোণৰ পূৰ্ণিমাৰ ৰাতি কামৰূপত গৰখীয়া আৰু চেমনীয়া লৰাবিলাকে হুচৰি নামৰ নিচিনাকৈ ঘৰে ঘৰে গীত গাই মহখেদা অনুষ্ঠান পালন কৰে। এজনক ভালুক সজাই বাকীবিলাকে হাত জোকাৰি গীত গাই তাক নচুৱায়। গীতত কামৰূপৰ লোকাচাৰ বৰ্ণিত হৈছে।

"অ'হৰি মহো-হোৰে মহো-হো
মহ খেদিবা টোকান লো।
কাণা-কুঁজা একফাল হো ॥
কাণা-কুঁজা খেদা গুৰা,
অজা মাতিলো ৰবেৰ পুৰা
অজা মাতি লনো লাজ ॥"

মালিতা—মালিতা নামৰ কিছুমান গীত আছে। এইবোৰ ঢুলীয়া-বিলাকে গায়। এই গীতৰ বিষয় হৈছে ঢোলৰ উৎপত্তি, তামোলৰ উৎপত্তি, পানীৰ উৎপত্তি ইত্যাদি।

নিচুকনি গীত বা ধাইনাম আৰু গৰখীয়া গীত বা দেহালি নাম—ধাইনাম বা নিচুকনি গীত আৰু গৰখীয়া গীতৰ ভাব আৰু অনুভূতি বৰ সৰল। নিচুকনি গীতে সোনাক বা ভৰা-বহা সন্তিয়াক ওলগ জনায়। এই গীতবোৰ শিশুৰ মন বুজি ৰচনা কৰা যেন লাগে। ইয়াত শৈশৱৰ সৰল হাঁহি, নিৰ্মল আনন্দ, ভয়, বিস্ময়, কৌতূহলী বিশ্বাস-অবিশ্বাস আদি বিবিধ

উঠে। গীতত প্ৰায়ে যুক্তিৰ অভাৱ দেখা যায়। গছ-গছনি, চন্দ্ৰ-তৰা, ৰ'দ-মেঘ, জীৱ-জন্তু আদিক কেন্দ্ৰ কৰি ৰচা নিচুকনি গীতে শিশুৰ কাৰণে এক মনোৰম কল্পলোকৰ সৃষ্টি কৰে।

"লাই হালে জালে আবেলি বতাহে
লফা হালে জালে পাতে
আমাৰে মইনা হালিছে জালিছে
কালি দুপৰবে ভাতে॥" (ধাইনাম)

"ৰদালি এ ৰ'দ দে, আলি কাটি জালি দিম
বৰপীৰা পাৰি দিম, তাতে বহি বহি ৰ'দ দে
ৰদালি মাকৰ তিনিডাল চুলি; ৰদালি পালেগৈ বিৰিঙাৰ গুৰি।
(•গৰখীয়া গীত)

"অ ফুল অ ফুল গুফুল কিয়?" শাৰীৰ আচৰিত যুক্তি থকা গীত বঙলা, উড়িয়া আদি ভাষাতো পোৱা যায়।

আখ্যানমূলক গীত বা মালিতা (বেলাড)

আখ্যানমূলক গীত বা মালিতাসমূহৰ বৈশিষ্ট্য এয়ে যে এইবোৰ নিবন্ধৰ কবিৰ ভাবোচ্ছ্বাসৰ উমৈহতীয়া সৃষ্টি; এইবোৰত ৰচকৰ নাম পোৱা নাযায়: প্ৰাকৃতিক জগতৰ বস্তুৰ লগত উপমা আৰু অৰ্থহীন বাক্যৰ প্ৰয়োগ (যেনে—'এ দেউ ৰ'ল', 'ভেকুৰি নাথোকে থোক' ইত্যাদি) আৰু সহজ সৰল ভাষাত অনুভূতি প্ৰকাশ কৰিব পৰা ক্ষমতা মালিতাসমূহৰ উল্লেখযোগ্য বৈশিষ্ট্য। এই আখ্যানমূলক গীত বা মালিতাসমূহক বহলভাৱে দুই শ্ৰেণীত ভগাব পাৰি—(১) কল্পনা-প্ৰধান আৰু (২) বুৰঞ্জীমূলক নাইবা বাস্তৱ। কল্পনা-প্ৰধান মালিতা-সমূহ হৈছে ফুলকোঁৱৰৰ গীত, মণিকোঁৱৰৰ গীত, জনা গাভৰুৰ গীত, বাধিকা শান্তিৰ গীত ইত্যাদি। দ্বিতীয় শ্ৰেণীৰ মালিতাসমূহ হৈছে নাহৰৰ গীত, চিকণ সৰিয়হৰ গীত, হৰদত্ত-বীৰদত্তৰ গীত, জয়মতী কুঁৱৰীৰ গীত, বৰচা কুঁৱৰীৰ গীত, গৌৰীনাথ সিংহৰ গীত, বুঢ়া গোহাঁইৰ গীত, পদুম কুঁৱৰীৰ গীত, বৰফুকনৰ গীত ইত্যাদি।

ফুলকোঁৱৰৰ গীত, মণিকোঁৱৰৰ গীত আৰু কাচনকুঁৱৰীৰ গীত— এই গীত কেইটা আদিতে যদিও স্বতন্ত্ৰীয়া আছিল তথাপি বৰ্ত্তমান মিহলি হৈ যোৱাৰ নিচিনা হৈছে। কোনো কোনো সমালোচকে গীতৰ শঙ্কলদেউ বা শঙ্খদেউ ৰজাক খ্ৰীষ্টীয় চতুৰ্থ শতিকাৰ শঙ্কল বা শঙ্কলাদিৰ ৰজা বুলি অনুমান কৰে। কবি ফিৰদৌচীৰ ছাহনামাত খ্ৰীঃ চতুৰ্থ শতিকাৰ মাজ ভাগৰ চেচানীয় ফৈদৰ পাৰস্য-দেশীয় ৰজা বাহৰাম গৌড়ৰ আক্ৰমণ প্ৰসঙ্গত ভাৰতীয় কোঁৱৰ শঙ্কলৰ উল্লেখ আছে। ফেৰিষ্টাৰ বুৰঞ্জীত আছে যে ৰজা কেদাৰ-ব্ৰাহ্মণৰ ৰাজত্বৰ শেহৰ ফালে শঙ্কলে কেদাৰক পৰাস্ত কৰি লক্ষ্মণাৱতী নগৰ স্থাপন কৰে। এওঁ চাৰিহেজাৰ গজাৰোহী, একলাখ অশ্বাৰোহী আৰু পাঁচলাখ পদাতিক সৈন্য সংগ্ৰহ কৰি তুৰাণৰ ৰজা আফ্ৰাচিয়াবক কৰ দিয়া বন্ধ কৰে। আকৌ ৰিয়াজু-ই-চেলাটিনত (Ryazu-s-salatin) আছে যে শঙ্কলাদিয়ে প্ৰথমতে বঙ্গ-বিহাৰ জয় কৰি পিচত কেদাৰক পৰাস্ত কৰি লক্ষ্মণাৱতীত ৰাজধানী পাতে; আৰু-ই প্ৰায় দুহেজাৰ বছৰ বঙ্গৰ ৰাজধানী আছিল। আফ্ৰাচিয়াবৰ সেনাপতি পীৰাণ বিচাৰৰ সৈতে শঙ্কলাদিয়ৰ ঘোৰাঘাটৰ ওচৰত যুদ্ধ হয়; আৰু এই যুদ্ধত মঙ্গলবিলাকৰ ভাগ্য-বিপৰ্য্যয় ঘটে। সেই সময়ত আফ্ৰাচিয়াব উপস্থিত হয় আৰু শঙ্কল টিৰহুতৰ পৰ্ব্বতলৈ পলাই যায়। তেঁও আফ্ৰাচিয়াবৰ বশ্যতা স্বীকাৰ কৰে। শেহত পাৰস্যৰ বীৰ ৰুস্তম দাস্তানৰ হাতত তেওঁৰ মৃত্যু হয়। পাচৰ দুখন বুৰঞ্জীৰ মতে শঙ্কলাদিৰ সময় খ্ৰীঃ পূঃ সপ্তম শতিকা, কিন্তু ছাহনামাৰ মতে খ্ৰীষ্টীয় চতুৰ্থ শতিকাৰ মাজভাগ। ৰিয়াজু-ই চেলাটিনৰ পাদটোকাত আছে যে ফিৰদৌচীৰ শঙ্কল সম্ভৱ আফ্ৰাচিয়াবে বন্দী কৰি নিয়া আচল শঙ্কলৰ বংশধৰ। ওপৰৰ কথাৰপৰা শঙ্কলাদিৰ ৰজাৰ কাল খ্ৰীঃ পূঃ সপ্তমৰপৰা অন্যূন খ্ৰীঃ পূঃ চতুৰ্থ শতিকাৰ ভিতৰত বুলি ধৰিব পাৰি। এই বুৰঞ্জীমূলক কথাৰ ওপৰত নিৰ্ভৰ কৰি কোনো কোনোৱে মণিকোঁৱৰৰ গীত আৰু ফুলকোঁৱৰৰ গীতক অসমীয়া ভাষাৰ উষাকালত ('অন্ততঃ নৱম আৰু দ্বাদশ শতিকাৰ ভিতৰত') ৰচিত বুলি মত প্ৰকাশ কৰে। কিন্তু এই গীত দুটি ইমান পুৰণি যেন নালাগে। বুৰঞ্জীমূলক কাহিনীৰ লগত ইয়াৰ কোনো সম্বন্ধ নাই। গীতৰ ওপৰত আহোম ৰাজত্বৰ প্ৰভাৱ অধিক স্পষ্ট। আচৰিত কথা যে এই গীত দুটি ভিতৰ-সোমাতো চলে।

মণিকোঁৱৰৰ গীতৰ বিষয়বস্তু হৈছে—নাগিনী দেৱতাৰ বৰত শঙ্খদেউ (শঙ্খদেউ) ৰজাই বাৰ বছৰলৈ এটি-পুত্ৰ লাভ কৰে। এয়েই মণিকোঁৱৰ।

মণিকোঁৱৰক যাৰ বছৰত বিয়া কৰাই দিলে। তেওঁ গা ধুবলৈ যাওঁতে জল-কুঁৱৰীয়ে হৰি নিলে। এই সময়ত কাচন গৰ্ভৱতী আছিল আৰু যথা সময়ত ফুলকোঁৱৰৰ জন্ম হয়। ফুলকোঁৱৰে কাঠৰ পক্ষীৰাজ ঘোঁৰাত উঠি পিতৃৰ অন্বেষণত ঘৰৰ বাহিৰ হোৱা, মালিনীৰ সহায়ত ধন-পচতুলাক লাভ কৰা আদিয়েই ফুলকোঁৱৰৰ গীতৰ বিষয়-বস্তু।

গীত কেইটাত অলৌকিকতা পোৱা যায়। প্ৰাকৃতিক বৰ্ণনাও উল্লেখযোগ্য। ফুলকোঁৱৰ-মণিকোঁৱৰৰ গীতৰ শাহটো পুৰণি হলেও তাৰ ওপৰত আহোম ৰাজত্বৰ প্ৰভাৱ (যেনে—বৰবৰুৱা, ফুকন, পুঠাবেক. মাইহাং আদি শব্দৰ ব্যৱহাৰ) এবাৰ নোৱাৰাকৈ আছে। তিনিওটা গীতৰ কথাৰ মোচৰ বা অৰ্থহীন বাক্যৰ প্ৰয়োগ (refrain) প্ৰায় একে ধৰণৰ। যেনে—'হাই দি তুলিবৰ লাই' 'লাটিম বৰুৱাক ছাটিম', 'মাছৰ কুমলীয়া শল'. 'ভেকুৰি নাথোকে থোক' ইত্যাদি। গীতৰ আৰম্ভণিত শঙ্কৰদেউ (শঙ্খদেউ) ৰজাৰ কথা আছে—

"শঙ্কৰদেউ ৰজাৰ পুতেক মণিকোঞৰ
অলপো খতিখুন নাই।"

জনাগাভৰুৰ গীত—জনা গাভৰুৰ গীতো এটি মালিতা। বঙলা গোপীচন্দ্ৰৰ গানৰ নায়কৰ দৰে অসমীয়া গীতৰ নায়ক গোপীচন কোঁৱৰ। কিন্তু এই গীতটি গোপীচন্দ্ৰৰ গানৰ পৰৱৰ্ত্তী ৰচনা। নগাৱঁৰ গৰুবাটৰ কাষৰে পাজৰে যে এখন নাথ ৰাজ্য আছিল তাক নাথ সম্প্ৰদায়ৰ মানুহৰ বসতিৰ পৰা অনুমান কৰিব পাৰি। মাধৱ কন্দলীৰ ৰামায়ণৰ অযোধ্যাকাণ্ডত যুগীৰ উল্লেখ আছে—

"যোগীৰ কান্ধত কানি ঝুলি যত, হাতে দোৱাদশ কাখি।
লৰৰস্তে লৰৰন্তে পাচে চাস্তে, ছিঁয়ামান গৈল ফাটি॥"৬

মহাভাৰতৰ বনপৰ্ব্ব আৰু যোগিনীতন্ত্ৰৰ উত্তৰ খণ্ডত কদলী বনৰ উল্লেখ আছে। গোপীচন্দ্ৰৰ গানৰ 'মীননাথ চলি গেল কদলীৰ দেশে, নটী লয়ে মীন্তার্থে থাকিবে কদলীতে' উক্তিৰ পৰা নাথ-ধৰ্ম্মৰ প্ৰভাৱ পৰা এখন কদলী ৰাজ্যৰ স্থিতি অনুমান কৰিব পাৰি। সম্ভৱ এই কদলী ৰাজ্য নগাওঁ জিলাৰ গৰুবাট বা তাৰ আশে পাশে আছিল।

গৰুচৰ ৰাজ্যৰ ৰাণী জনা গাভৰুক বিয়া কৰাবলৈ তিনিটা পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগে। জনাক বিয়া কৰাবলৈ আহি পৰীক্ষাত উত্তীৰ্ণ হ'ব নোৱাৰি বহুত কোঁৱৰ বন্দী হ'ল। সখীয়েক কলিধনৰ দুৰ্দ্দশা দেখি গোপীচন কোঁৱৰ জনাৰ

ৰাজ্যলৈ গৈ পৰীক্ষাত উত্তীর্ণ হৈ জনাক লাভ কৰে। এয়ে জনাগাভৰুৰ গীতৰ বিষয়-বস্তু। জনাৰ বৰ্ণনা, তাইৰ আকাৰ আৰু ৰূপৰ সাজপাৰ আদিৰ কথা পঢ়িলে তাই মানৱী নে দানৱী সন্দেহ হয়।

"মাতক মাতি গল বুকুৰ ৰাৱী মাকে
কোঁৱৰৰ মুখলৈ চাই,
জনাৰ চুলিটাৰ জেঠী নেগুৰীয়া
তাইৰ মান শঁখিণী নাই।
হিয়া ভাঙি ভাঙি খোজক বুলে তাই
তাইৰ মান কুলক্ষণী নাই;
জনাৰ ভৰি জোৰ খৰমে জুৰীয়া
তাইৰ মান গজমুৰি নাই।"

গীতৰ আৰম্ভণিত আই সৰস্বতীলৈ পাৰ চৰাই, চিতল মাছ আদি মাননিস্বৰূপে আগবঢ়োৱা কথাত বিভিন্ন ধৰ্ম্মৰ আচাৰ পদ্ধতি সান-মিহলি হোৱা যেন লাগে। ইয়াত তামৰ দেওঘৰ, কেচাইখাতী গোসানী, বামুণেৰৰ থান আদিৰ উল্লেখ আছে। 'কোন ধৰমীয়ে ধৰম কৰি যাব। বাটত কই বাধ বৰ' উক্তিয়ে বৌদ্ধ বা নাথ ধৰ্ম্মৰ প্ৰভাৱৰ ইঙ্গিত দিয়ে। গীতৰ কথাৰ জোৰা (refrain) মণিকোঁৱৰ আৰু কাচন কুঁৱৰীৰ গীতৰ দৰে। যেনে—'লাটিম বৰুৱাক ছাটিম সখিদেউ', 'চৰায়ে কৰিবৰ চিউ', 'আখৈ খাই খাই পেট নভৰিল। নিয়ৰত নিতিতিল ভৰি', 'ইয়া বাঁহৰে শিয়া' ইত্যাদি।

এই খিনিতে এটা কথা উল্লেখ কৰিব পাৰি যে শ্ৰীযোগেশ চন্দ্ৰ তামুলীয়ে কুলকোঁৱৰ আৰু মনিকোঁৱৰৰ গীত দুটি শিৱসাগৰৰ এগৰাকী বৃদ্ধা মুচলমান মহিলাৰপৰা সংগ্ৰহ কৰে। শ্ৰীৰূপেশ্বৰ দত্তই জনাগাভৰুৰ গীতটো কাকজানৰ দাওমুৰ শেখৰপৰা (যি শিৱসাগৰত গীতটো শিকিছিল) পায় আৰু শ্ৰীবেণুধৰ শৰ্ম্মাই চিকণ-সৰিয়হৰ গীতটো কাকজানৰ বংজান আলিৰ পৰা সংগ্ৰহ কৰে। উত্তৰবৈষ্ণৱ যুগত মুচলমান চুফী কবি কুতুবনৰ 'মৃগাৱতী' আৰু কবি মংঝনৰ 'মধুমালতী'ৰ কাহিনীৰ আহিত ৰামবিজৰ 'মৃগাৱতী চৰিত' আৰু এজন অজ্ঞাত কবিৰ 'মধুমালতী' নামৰ অলৌকিক ঘটনাপূৰ্ণ কাব্য দুখনি ৰচিত হোৱাৰ দৰে ওপৰত উল্লেখ কৰা গীতসমূহো এই দেশলৈ অহা কোনো ভাবপ্ৰৱণ মুচলমানে অলৌকিকতাৰ বহণ সানি ৰচনা কৰা বুলিলে ভুল নহব যেন লাগে।

ডুবলাৰ শান্তীৰ মালিতা—এই গীতটো কামৰূপত আধকৰাকৈ পোৱা হৈছে। বিবাহিতা ডুবলাৰ শান্তীৰ ৰূপত এক সাউদৰ পুতেক মোহ যায় আৰু তেওঁক বিয়া কৰাব খোজে। শান্তীয়ে এই প্ৰস্তাৱত আপত্তি কৰে। গীতৰ চানেকি তলত দিয়া হ'ল—

"একদিনা ডুবলাৰ কইনাই গাও চিনান কৰে।
একদিনা সাউদৰ পুতাক বৰশীও বাবে॥
"কি মাছ মাৰছা কুঁৱাৰ কি মাছ মাৰছা।"
"নামাৰু বৰহীৰ মাছ চাওঁ তোৰ ৰূপ॥"

জয়ধন বনিয়াৰ গীত—এই গীতটোত বিৰহ-বেদনা বৰ্ণিত হৈছে।

কমলাকুঁৱৰীৰ গীত—কমলাকুঁৱৰীৰ গীতটোও পুৰণি। দেশত পানীৰ অভাৱ দূৰ কৰিবৰ কাৰণে ৰজাই ৰাণীক উচৰ্গা কৰিবলৈ ইচ্ছা প্ৰকাশ কৰে আৰু ৰাণীয়েও তাত মান্তি হয়।

ঐতিহাসিক গীত

নাহৰৰ গীত—চুখাম্‌ফা বা খোৰা ৰজাৰ (১৫৫২—১৬০৩ খ্ৰীঃ) বৰ মেচলৌ আৰু সৰু মেচলৌ নামৰ দুগৰাকী ৰাণীৰ মৃত্যুৰ পিচত তেওঁলোকৰ লিগিৰী সোণাৰী ছোৱালী এজনীক ৰাণী পাতিলে। এই ৰাণীৰ লগতে নাহৰৰ গুপ্ত প্ৰণয় আছিল। ৰাণীৰ সতি-সন্ততি নোহোৱাৰ কাৰণে নাহৰকে তোলনীয়া কৰি লয়। নাহৰে মহং বেহাই আহোতে বৰডুবৰীয়া নগাচাওৰ মুখত (জনশ্ৰুতিমতে গড়গাবঁৰ ওচৰৰ বৰডুবাৰ) তেওঁক শিৰচ্ছেদ কৰা হয়। এয়ে গীতৰ বিষয়-বস্তু।

"ভাতে বান্ধি দিয়া থাওঁ মই বুঢ়ী আই
পানী আনি দিয়া থাওঁ,
নগৰ সমনীয়া যায় মহং বেহাবলৈ
ময়ো বেহাবলৈ যাওঁ।"

চিকণ-সৰিয়হৰ গীত—চিকণ-সৰিয়হে জীয়েৰ ফুলচেং গাভৰুক খোৱা ৰজালৈ ৰাকচু ৰকতাত বেই সাজি বিয়া দিয়াৰ কথা চিকণ-সৰিয়হৰ গীতত আছে। কোনো কোনোৰ মতে চিকণ-সৰিয়হ জয়ধ্বজসিংহৰ (১৬৫৩—৬৩ খ্ৰীঃ)

শহুৰেক ৰজাশহুৰ নাওবৈচা ফুকনৰ পুতেক। ৰজাৰ মৃত্যুৰ পিচত চিকণৰ সাত ভায়েকে ৰজা হবৰ কাৰণে বাঘচোত ষড়যন্ত্ৰ কৰিলে। ৰজাই সেই কথাৰ ভূ পাই চিকণ-সৰিয়হক সবংশে বধ কৰে। গীতত আছে—

"এশাৰী পুতিলোঁ বাক-বৰছা
লুটিয়াই পুতিলো শেল।
হেলন পেলন সাঁচৰ বৰণ
চিকণ সৰিয়হে কৰিছে
বাকচু নগৰত মেল॥"

গৌৰীনাথসিংহৰ গীত—গৌৰীনাথসিংহ ৰজাই (১৭৮০—১৭৯৫ খ্ৰীঃ) তেওঁৰ গুপ্ত প্ৰণয়িনী সোণধৰ হাৰীৰ জীয়েক তৰাৱতীৰ কাৰণে যোৱা সম্পৰ্কে এটি গীত আছে।

বাধৰ ৰৰাৰ গীত—মোৱামৰীয়া বিদ্ৰোহৰ সময়ত গৌৰীনাথসিংহ নগাৱঁত থকা কালত তেওঁৰ বিষয়াবিলাকে প্ৰজাৰ ওপৰত অত্যাচাৰ কৰে। বাথৰ বৰা নামৰ এজন সম্ভ্ৰান্ত ব্যক্তিক ৰজাৰ ফৰীয়া বুলি ভাবি প্ৰজাই ১৭৯০ খ্ৰীষ্টাব্দত পুৰণি গুদামৰ ওচৰত বধ কৰে। বাথৰ বৰাৰ গীত নগাওঁ অঞ্চলত প্ৰচলিত।

"আঠীয়া কলৰে পাত সক সক
জাতি কলৰে পাত
গা ধুই উঠি মোৰ বাথৰৰ তেমেকাই
খাবলৈ নেপালে ভাত।"

পদ্মকুমাৰীৰ গীত—কমলেশ্বৰসিংহৰ (১৭৯৫—১৮১০ খ্ৰীঃ) দিনত কামৰূপৰ দন্দুৱা বা ডুন্দীয়াদ্ৰোহৰ নায়ক জিকেৰীৰ হৰদত্ত আৰু বীৰদত্ত আৰু হৰদত্তৰ জীয়েক পদ্মকুমাৰীৰ বিষয়েও কেইটামান মালিতা আছে। কিন্তু এই গীত সম্পূৰ্ণ-ৰূপে উদ্ধাৰ হোৱা নাই। গীতৰ এটা কলিত আছে—

"হৰদত্তৰ জীয়াৰী পদ্মকুমাৰী
ধনবাত নাখালে ভাত,
কুমেদান বঙালে হাতত ধৰি নিলে
বঙালে মাৰিলে জাত।"

বদন বৰফুকনৰ গীত—বদন বৰফুকনৰ গীতটো আনবোৰ গীততকৈ পূৰ্ণ ৰূপৰ। এই গীতৰ ৰচনা-কাল ১৮২৪ খ্ৰীষ্টাব্দ। ১৮১৫ খ্ৰীঃৰপৰা ১৮২৪ খ্ৰীষ্টাব্দলৈ ঘটা কিছুমান ৰাজনৈতিক আৰু ঘৰুৱা কথাৰ ওপৰত কল্পনাৰ ৰহণ সানি চহা কবিয়ে ঘিনাই বদন বৰফুকনৰ মান অনাৰ কাহিনীটো ৰচনা কৰিছে। গীত-সংগ্ৰাহক ডঃ সূৰ্য্যকুমাৰ ভূঞাৰ ভাষাৰে কবলৈ হলে "মানৰ আক্ৰমণ আৰু অত্যাচাৰৰ নিচিনা জাতীয় বিপ্লৱত অসমীয়াৰ অন্তৰত যি ভাবৰ সোঁত বৈছিল তাৰ এটি উজ্জল আঁক এই গীতটিত বৈছে"। গীতৰ বৰ্ণনা সজীৱ আৰু ইয়াত সৰল চহা কথাৰ চানেকি পোৱা যায়।

"তাঁতীৰ হাতৰ কাপোৰখনে জগতখন জুৰিলে,
তথাপি তাঁতীৰ গা উদি,
ঘিনাই বৰফুকনক মাৰিবলৈ ধনী বৰবৰুৱাই
ৰাজমাওক সুধিলে বুধি।"

বদন বৰফুকনৰ গীতত কিছুমান অলৌকিক কথাও পোৱা যায়।

মণিৰাম দেৱানৰ গীত—মণিৰাম দেৱানৰ গীতৰ ৰচনা-কাল প্ৰায় ১৮৫৭ খ্ৰীষ্টাব্দ। এই গীতত দেশৰ পৰাধীনতাৰ শিকলি ছিঙিবলৈ চেষ্টা কৰা কলিতা ৰজা মণিৰাম দেৱানৰ কলিকতা-যাত্ৰাৰপৰা ফাঁচী-চাওত উঠালৈকে কাৰ্য্যাৱলী বৰ্ণনা কৰা হৈছে। গীতটো বৰ কৰুণ আৰু ইয়াৰ ওপৰত বিহুনাম আৰু বিয়ানামৰ প্ৰভাৱ পৰিছে। ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহত অভিযুক্ত বুলি ইংৰাজ চৰকাৰে মণিৰাম দেৱানক ফাঁচি দিয়া বাতৰিটো অসমীয়াৰ বুকুত শেলৰ দৰে সোমাল।

"ৰূপৰ ধোঁৱা-খোৱাত খালি ঐ মণিৰাম
সোণৰ ধোঁৱাখোৱাত খালি
ৰজা হবলৈ গৈ মণিৰাম ডিঙিত ফাহে জৰী ললি॥"

হাইদাং গীত—হাইদাং গীত উজনি অসমৰ সোণোৱাল কচাৰীসকলৰ মাজত প্ৰচলিত। প্ৰতি ফাকি গীতৰ অন্তৰালত একোটি সৰু-সুৰা কাহিনী জড়িত আছে। গীতটো ধৰ্ম্মৰ লগত জড়িত যদিও, যাইকৈ বৰ্ষাৰ আগমনী হিচাপে ফাগুণ-চ'ত মাহত আয়োজন কৰা বাইথ বা শিৱপূজাতহে ইয়াৰ বিশেষ সমাদৰ আছে। মহাদেৱৰ সন্তুষ্টিৰ অৰ্থে কৰা শিৱ বা বাথৌ-বাইথ পূজাৰ বলি-বিধানৰ

লগত ম'বা চৰাইৰ পাখী সহ, বাঁহী, পেপা লৈ বাইৰ বন্দিৰৰ সন্মুখত হাইদাং গীত গাই নৃত্য কৰা ৰীতি প্ৰচলিত আছে। গীতৰ আৰম্ভণিত নাৰায়ণ আৰু অগ্নি-নাৰায়ণক (সূৰ্য্য) নমস্কাৰ কৰা হয়। তাৰ পিচত পৃথিৱী, আকাশ, জল-স্থলক লৈ বিশ্ব-ব্ৰহ্মাণ্ডৰ সৃষ্টি পাতনিৰ চাৰি মুঠি জীৱ, ধৰ্ম্মগুৰু আৰু কৰ্ম্ম-গুৰু সৃষ্টিৰ বৰ্ণনা। গীতৰ মতে এজন মাধৱ নামৰ ৰজাই খিৰিং ৰজা, বায়ুৰজা আদি মন্ত্ৰী পাৰিষদৰ সৈতে শঙ্কৰৰ জীয়েকক বিয়া কৰাবলৈ নাও বাই যায়। শঙ্কৰে বিয়াত সন্মত নোহোৱাত দুয়ো পক্ষৰ যুদ্ধ হয় আৰু মাধৱৰ পক্ষই জয় লাভ কৰে। শেহত ৰূপী আৰু সুৰূপী (লক্ষ্মী আৰু সৰস্বতী) দুয়োকে বিয়া কৰাই ঘৰলৈ আনে। ঘৰত দুৱৰী জয়-বিজয়ে দুৱাৰ এৰি নিদিয়ে। এনে সময়তে বিহুনামৰ সৃষ্টি হ'ল আৰু সকলোৱে গীত গাই নাচিবলৈ ধৰিলে

"ললৌ হেমেলু চলৌ লাই
সকলো ৰাজগুৰু একে ঠাই।"

গীতৰ ভাষা মিহলি। যেনে—

"কিহ্ কিহ্ সৃজৈছে সৃজৈছে
কিহ্ কিহ্ সৃজৈছে
পৃথিৱী হেনো হাটৈছে হাটৈছে
পৃথিৱী হেনো হাটৈছে।"

জিকিৰ আৰু জাৰী: ছাহ মিলন বা আজান পীৰৰ নামত উজান অসমত কিছুমান গীত চলে। এইবোৰকে জিকিৰ (আৰবী শব্দ: অৰ্থ—জপ) বোলে। প্ৰবাদমতে জিকিৰৰ সংখ্যা আঠকুৰি। এইবোৰ "অসমীয়া সংস্কৃতিত বিদেশী ভেজাল"। মিৰজুমলাৰ লগত অহা ঐতিহাসিক চাহাবুদ্দিনে উল্লেখ কৰিছে যে সপ্তদশ শতিকামানলৈকে উজনিত কোনো মুচলমানে জনা শুনাকৈ নামাজ পঢ়িব বা গীত গাব নোৱাৰিছিল। কিম্বদন্তি অনুসৰি ছাহ মিলনেই পোনতে আজান দি নামাজ পঢ়া প্ৰথা প্ৰবৰ্ত্তন কৰে। তেওঁৰ আদি ঘৰ বাগদাদত বুলি কয়। সম্ভৱ তেওঁ কিছুদিন বঙ্গদেশত থাকি ২৫।৩০ বছৰ বয়সত অসমলৈ আহে। তেওঁৰ গুৰু ছাহ আচৰফ বঙ্গৰ নিজামীয়া পন্থৰ পীৰ আছিল। ডঃ সূৰ্য্যকুমাৰ ভূঞাই পোৱা এখন পুৰণি বুৰঞ্জীমতে গদাধৰসিংহৰ (১৬৮১—১৬৯৫ খ্ৰীঃ) দিনত ৰূপাই দা-ধৰাই আজান ফকিৰৰ চকু কাঢ়ে। তেওঁৰ অলৌকিক শক্তি দেখি ৰজাই দিখৌপাৰৰ সৰাগুৰি চাপৰিত তেওঁক মাটি বৃত্তি

দি স্থাপন কৰে। সেই ঠাইতে তেওঁৰ কবৰ আছে। "যদি আজান চাহেব ১৬৩৫ চনৰপৰা ১৬৯০ চনমানলৈকে অসমত আছিল বুলি ধৰা হয়, তেনেহলে জিকিৰত উল্লেখ কৰা দহশ বাৱন্ন হিজৰি (১৬৪১ চন) আৰু ১৬৮৬ চনত চকু কঢ়োৱাৰ কথা সঁচা বুলি সাব্যস্ত হয়" (চৈয়দ আব্দুল মালিক)। জিকিৰ ৰচনাৰ দুটা শক পোৱা যায়—

(ক) দহশ দুকুৰি নবিচন হিজৰি
আকৌ পাঁচ বছৰ যায়। (১০৪৫ হিজৰী। ১৬৩৪ খ্ৰীঃ)

(খ) দহশ দুকুৰি নবিচন হিজৰি
আৰু বাৰে বছৰ যায়। (১০৫২ হিজৰী। ১৬৪১ খ্ৰীঃ) জিকিৰত এক ঈশ্বৰৰ নাম মাহাত্ম্য স্মৰণ কৰি আত্মশুদ্ধিৰ পথত অগ্ৰসৰ হবলৈ কোৱা হৈছে। ইয়াৰ জৰীয়তে আজান ফকিৰে তেওঁৰ ধৰ্ম্মমত আৰু নাম-প্ৰসঙ্গ প্ৰচাৰ কৰিবলৈ চেষ্টা কৰে। কিছুমান গীত ৰূপক আৰু নীতিমূলক। জিকিৰবোৰ দেহবিচাৰৰ গীত আৰু আন ধৰ্ম্মমূলক গীতৰ আহিত ৰচিত। দুটামান গীতত বুৰঞ্জীমূলক আখ্যানবো উল্লেখ আছে। যেনে—

'জখলাৰ তিনি থাপ উঠি সি ৰূপায়ে
ৰজাত গোচৰ দিলে অ' আল্লাহে।'

জিকিৰবোৰ দেহবিচাৰৰ গীত আৰু আন ধৰ্ম্মমূলক গীতৰ আহিত ৰচিত—

"আকলৰ দৰিয়াত পৰি তলে গলো
তৰিবৰহে নললো চিন।
হাততে তৰোৱাল ধৰি আজৰাইলে
জীৱক কৰে ভিন ভিন॥"

জাৰী-গীতবোৰ (মৰ্চিয়া) কাৰবালাৰ কৰুণ কাহিনী অৱলম্বন কৰি ৰচনা কৰা। এই গীতবোৰ আজান চাহেবৰ আগতে অসমত প্ৰচলিত আছিল; কিয়নো একাদশ-দ্বাদশ শতিকাতে মুচলমান পীৰ, উলেমা আদি অসমলৈ অহাৰ প্ৰমাণ পোৱা যায়।

(২) ফকৰা, যোজনা আৰু সাঁথৰ

হেমচন্দ্ৰ বৰুৱাৰ মতে ফকৰা, যোজনা আৰু সাঁথৰ এই শব্দবোৰ সমাৰ্থক। ফকৰা আৰু যোজনা জ্ঞানৰ ভঁৰাল। আৰু এইবোৰ জাতীয় জীৱনৰ সঞ্চিত অভিজ্ঞতা। ফকৰাবোৰৰ পৰা এটা জাতিৰ জীৱনৰ পৰিচয় পাব পাৰি।

'আগ গুণে মুগুণে পাচ। লোভত মৰে বৰশীৰ মাছ॥' 'দুবৈৰ বৌ ৰবালি ওচৰৰ পুঠী খলিহা॥' আদি অনেক ফকৰাৰ জাতীয় জীৱনৰ ওপৰত প্ৰভাৱ অপৰিসীম। কিছুমান আধ্যাত্মিক ফকৰাও আছে। শব্দৰ প্ৰকাশ্য অৰ্থৰ উপৰিও ইয়াৰ অন্তৰালত একোটা আধ্যাত্মিক অৰ্থ থাকে। যেনে :—"সাত পুৰুষত নাই গাই, কড়িয়া লৈ খিৰাবলৈ যায়।", "বাৰ হাত জালৰ তেৰ হাত ফটা। ভাল মাৰিলি বাপৰ বেটা॥ বৌ-ৰবালি সৰকি গল। পুঠী খলিহনা পাছে পাছে ৰ'ল॥" ইত্যাদি। হালিৰাম মহন্ত ঠাকুৰে নাৰায়ণ দাস ঠাকুৰ আতাৰ (১৪১৭ শক-১৫১২ শক) ফকৰা সংগ্ৰহ কৰি প্ৰকাশ কৰিছে।

সাধাৰণতে ব্যঙ্গ সুৰত নাইবা সাধাৰণ কথাৰ মুৰ মাৰিবলৈ যোজনা ব্যৱহাৰ কৰা হয়। এনে বচন চুটি আৰু ব্যঞ্জনাবিশিষ্ট। অৱশ্যে কিছুমান যোজনা আধ্যাত্মিক ভাবৰ। কোনো কোনো যোজনাত ৰাজনীতি বিষয়ক জ্ঞানৰ আভাস পোৱা যায়। যেনে—'যাৰ বাপেক মেলত নাই সি শুধীয়া।' ইত্যাদি। পুৰণি বুৰঞ্জীতো অনেক যোজনা পোৱা যায়। যেনে—'একে হাবিতে দুটা মতা বাঘ, হাতী নাথাকে' (দেওধাই বুৰঞ্জী) ইত্যাদি। কিছুমান পটন্তৰে বুৰঞ্জীৰ পম খেদাত সহায় কৰে। তাহানিখন মোগল সেনাক পাৰ কৰো বুলি গড়গাৱঁৰ মানুহে নাওখন নৈৰ মাজলৈ ঠেলি দিছিল। কক্-বকোৱা মোগল সেনাই কবলৈ ধৰিলে—

"কি বুজিবা গড়গঞা মিতিৰৰ ভাও।
মুখে বোলে থাক থাক ভৰিৰে হেঁচোকে নাও॥"

এই কথাৰপৰাই গড়গঞা মিতিবালিতো বিশ্বাস নিদিয়া অৰ্থত খণ্ড-বাক্য-ৰূপেই ব্যৱহৃত হবলৈ ধৰিলে।

সাঁথৰৰপৰা অসমীয়া জীৱনৰ পাৰিপাৰ্শ্বিকতা বুজা যায়। যেনে :—"মাক জুতুলি পুতুলি, পুতেক চোকা টেকেলা", "দুই ফালে ঢাপ, মাজে যায় কাৰ্শলা সাপ", "বাৰ হাত কেৰোলাৰ তেৰ হাত গুটি, আৰু এহাত গুলালে মুৰটো ফুটি।" ইত্যাদি। কিছুমান সাঁথৰ দ্ব্যৰ্থক।

(৩) সাধুকথা

সাধুকথা কোৱা প্ৰথা অতি পুৰণি। বোধহয় গল্পৰ চলেৰে সজ শিক্ষা দিয়া সাধুকথাৰ উদ্দেশ্য আছিল। সাধুকথাৰ মূলত নীতিবচনো থাকে আৰু সাধুকথাত তাৰ উদাহৰণ দিয়া হয়। যেনে :—"তিৰীক নিচিন্তিলা হিত, গাঁতৰে

ভিতৰত মবাই ছালি ধৰে, স্বৰ্গদেৱৰ চঞ্চল চিত।" সাধুকথাৰ পৰা এটা জাতিৰ চিন্তাধাৰা আৰু আচাৰ-নীতি বুজা যায়। এই সাধুকথা কেইবাটাও ভাগত ভগাব পাৰি। যেনে—দেও ভূতৰ কাহিনী লৈ ৰচা সাধু, দেৱ-দেৱী বা পূজা-সেৱা সম্পৰ্কীয় সাধু, ৰূপকথা বা কল্পনা কৰি ৰচা সাধু ইত্যাদি। কিছুমান পুৰণি সাধু লোপ পাইছে, কিন্তু তাৰ লগৰ গীতবোৰ মাথোন ৰৈ গৈছে। যেনে :—"কুটুমে ৰান্ধিলে কুটুমে বাঢ়িলে কুটুমে কুটুমে খালে। কুটুমৰ তেজেৰে বস্তি জ্বলালে, মজিয়া ভকে ভকালে॥" তেজীমলা, চিলনী-জীয়েক আদি দুই চাৰিটা সাধুৰ প্ৰচলন থাকিলেও পাশ্চাত্য সাহিত্যৰ প্ৰভাৱত এইবোৰ তল পৰিছে।

তৃতীয় অধ্যায়

আদি যুগ

বুৰঞ্জীমূলক কথা—

কুমাৰ ভাস্কৰবৰ্ম্মাৰ ৰাজত্বৰ সময়ৰেপৰা অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ কিছু সমল পোৱা যায়। তেওঁৰ ৰাজত্বৰ কথা আমি তিনিটা মূলৰ পৰা পাওঁ— (১) বাণভট্টৰ হৰ্ষচৰিত ; (২) হিউৱেনচাঙৰ ভ্ৰমণ বৃত্তান্ত (৬২৮—৬৪৫ খ্ৰীঃ) আৰু (৩) প্ৰাচীন শাসনাৱলী বা শিলালিপি, যেনে :—নালন্দাত পোৱা কুমাৰ ভাস্কৰবৰ্ম্মাৰ মোহৰ ইত্যাদি। ভাস্কৰবৰ্ম্মা পূব-ভাৰতৰ এজন শক্তিশালী ৰজা আৰু হৰ্ষবৰ্দ্ধনৰ পৰম মিত্ৰ আছিল। তেওঁ কৰ্ণসুবৰ্ণ (বৰ্দ্ধমান, আৰু মুচিদাবাদ) জয় কৰি সেই শিবিৰৰ পৰা মাটিদান কৰা নিধনপুৰ (শ্ৰীহট্ট জিলাৰ পূবফালে) তাম্ৰলিপিৰ পৰা পুষ্যবৰ্ম্মৰ বংশৰ কথা জনা যায়। ইয়াৰ পৰা বুজা যায় যে কৰ্ণসুবৰ্ণ আৰু গৌড় ভাস্কৰবৰ্ম্মাৰ কৰতলগত আছিল। তেওঁ সমতট আৰু পুণ্ড্ৰবৰ্দ্ধন জয় কৰিছিল।

বৰ্ম্মণ বংশৰ ৰজাসকলে খ্ৰীষ্টীয় চতুৰ্থ শতিকাৰ বা সপ্তম শতিকালৈকে ৰাজত্ব কৰিছিল বুলি জনা যায়।

নাম	শতিকা
পুষ্যবৰ্ম্মা ↓ সমুদ্ৰবৰ্ম্মা....(পত্নী দত্তদেৱী) ↓ বলবৰ্ম্মা....(,, ৰত্নৱতী)	....................৪ৰ্থ শতিকাৰ মাজ ভাগ।
কল্যাণবৰ্ম্মা ↓ গণপতিবৰ্ম্মা ↓ মহেন্দ্ৰবৰ্ম্মা ↓ নাৰায়ণবৰ্ম্মা ↓	....................৫ম শতিকা

নাম	শতিকা
মহাভূতিবৰ্ম্মা (পত্নী বিজ্ঞাৱতী) ↓ চন্দ্ৰমুখবৰ্ম্মা („ ভোগবতী) ↓ স্থিতবৰ্ম্মা („ নয়নদেৱী) ↓ সুস্থিতবৰ্ম্মা („ শ্যামাদেৱী) (ওৰফে মৃগাঙ্ক) ↓	৬ষ্ঠ শতিকা
↓ সুপ্ৰতিস্থিতবৰ্ম্মা ↓ ভাস্কৰবৰ্ম্মা	৭ম শতিকাৰ পূৰ্ব্বাৰ্দ্ধ

(কামৰূপ শাসনাৱলী)

চাৰ আলেকজেণ্ডাৰ কানিংহামে কয় যে সপ্তম শতিকাত কমতাপুৰেইহে কামৰূপৰ ৰাজধানী আছিল।

বৰ্ম্মণ বংশৰ কেইবাজনো ৰজাই অশ্বমেধ যজ্ঞ কৰিছিল। গতিকে সেই সময়ত দেশত বেদ-চৰ্চ্চা, বেদ-গীতি, বাদ্য আদিৰ প্ৰচলন আছিল। ৰজা সমুদ্ৰগুপ্তৰ দিনত গুপ্ত কৃষ্টি কামৰূপত সোমায়। মহাভূতিবৰ্ম্মাৰ দিনত বৰ্ত্তমান মিকিৰ পাহাৰ অঞ্চলৰ বৰগঙ্গাত ৫৫৪ খ্ৰীষ্টাব্দত এখন আশ্ৰম পতা হৈছিল। তাত থকা এখন শিলালিপিত মহাভূতিবৰ্ম্মাক 'শ্ৰীপৰম-দৈৱত-পৰম-ভাগৱত' অশ্বমেধ যাজিন বুলি উল্লেখ কৰা হৈছে। কিন্তু বাণৰ হৰ্ষচৰিতত ভাস্কৰবৰ্ম্মাক 'বৈষ্ণৱ বংশঃ' বুলি কলেও সেই একে পুথিতে (হৰ্ষচৰিত—৭ম উচ্ছ্বাস) কামৰূপৰ ৰজাৰ দূত হংসবেগে হৰ্ষবৰ্দ্ধনৰ আগত কৈছে, "কামৰূপাধিৰাজে শৈশৱৰেপৰা শিৱৰ বাহিৰে আন কাকো সেৱা নকৰিবলৈ সঙ্কল্প কৰিছে।" অৱশ্যে ভাস্কৰবৰ্ম্মাৰ শিলৰ ফলিত শিৱক বন্দনা কৰা হৈছে। ৬৪২ খ্ৰীষ্টাব্দত ভাস্কৰবৰ্ম্মাৰ ৰাজকালেওত চীনা-পৰিব্ৰাজক হিউৱেনচাঙক নিতৌ নাচগান আৰু ভোজৰ দ্বাৰা মহাসমাৰোহেৰে সম্বৰ্দ্ধনা জনোৱা হৈছিল। হৰ্ষচৰিতত ভাস্কৰবৰ্ম্মা আৰু তেওঁৰ উপৰি পুৰুষৰ ৪ জন ৰজাৰ নাম পোৱা যায়। এই বংশৰ শেষ ৰজা অৱন্তীবৰ্ম্মাৰ (৬৫০ খ্ৰীঃ) সময়ত দেশত ম্লেছ বিদ্ৰোহ হৈছিল বুলি বিশাখদত্তই 'মুদ্ৰাৰাক্ষস' নামৰ নাটকত উল্লেখ কৰিছে। গিলগিট অঞ্চলত প্ৰাপ্ত ৬৫০ খ্ৰীঃৰ লিপি এখনত উত্তৰ পশ্চিম ভাৰতৰ সীমান্তৰ মকৰসিংহ নামৰ হৰ্ষবৰ্দ্ধন আৰু ভাস্কৰবৰ্ম্মাৰ সমসাময়িক

এজন ৰজাই নিজকে প্ৰাগজ্যোতিষৰ ৰজা ভগদত্তৰ বংশধৰ বুলি গৌৰৱ কৰিছে। এই লিপিৰ পৰাই অসমৰ লগত কাশ্মীৰৰ সম্বন্ধ নিৰূপণ কৰিব পাৰি।

শালস্তম্ভ বংশ ম্লেছ বংশ বুলি জনাজাত। এই বংশই সপ্তম শতিকাৰ মাজভাগৰপৰা ৰাজত্ব কৰে।

নাম		**শতিকা**
শালস্তম্ভ	...	সপ্তম শতিকাৰ মাজ ভাগ।
↓		
বিজয় (বা বিগ্ৰহস্তম্ভ)	....	
↓		
পালক	....	
↓		
কুমাৰ	....	অষ্টম শতিকা
↓		
বজ্ৰদত্ত	....	ঐ
↓		
হৰ্ষ		ঐ
↓		
বলবৰ্ম্মণ	....	ঐ
চক্ৰ আৰু আৰথি	...	ৰাজত্ব কৰা নাছিল
↓		
প্ৰালম্ভ	....	নবম শতিকা
↓		
হজ্জৰ	...	ঐ
↓		
বনমালা	...	ঐ
↓		
জয়মাল (বা বীৰবাহু)	...	ঐ
↓		
বল বৰ্ম্মা	....	ঐ
↓		
ত্যাগসিংহ	....	দশম শতিকা

ডঃ হৰ্ণলিয়ে ত্যাগসিংহৰ শাসন আনুমানিক ৯৭৫ খ্ৰীঃ বা দশম শতিকা বুলিছে।

নেপালৰ ৰজা জয়দেৱৰপৰা বুজিব পাৰি যে শ্ৰীহৰ্ষদেৱ এজন প্ৰবল-প্ৰতাপী ৰজা আছিল। শ্ৰীহৰ্ষৰ অনুগ্ৰহ লাভ কৰা কবি ধাৱক ভাগে ৰত্নাবলী নাটক লিখি শ্ৰীহৰ্ষদেৱৰ নামত প্ৰকাশ কৰিছিল। শ্ৰীহৰ্ষই তেওঁৰ তলতীয়া গৌড়ৰ সামন্ত ৰজাৰ সহায়ত কনৌজৰ ৰজা যশোবৰ্ম্মণৰ লগত যুদ্ধ কৰি যুজত হাৰে। যশোবৰ্ম্মণৰ অনুগ্ৰহ লাভ কৰা কবি বাক্‌পতিৰাজে প্ৰাকৃত ভাষাত লিখা গৌড়বাহা নামে কাব্যত এই তয়ামষা ৰণৰ বিৱৰণ দিছে। 'বাঙ্গালাৰ ইতিহাস'ৰপৰা শ্ৰীহৰ্ষই খ্ৰীঃ অষ্টম শতিকাৰ আগভাগত ৰাজত্ব কৰিছিল বুলি জনা যায়। এওঁ গৌড়, ওড্ৰ, কলিঙ্গ আৰু কোশল দেশ জয় কৰি পূব খণ্ডত এখন সাম্ৰাজ্য স্থাপন কৰিছিল। শঙ্কৰাচাৰ্য্যক তৰ্কত পৰাস্ত কৰা কামৰূপৰ পণ্ডিত কুমাৰিল ভট্ট অষ্টম শতিকাৰ লোক। শ্ৰীহৰ্ষই ৮ম শতিকাৰ মাজভাগত উড়িষ্যা অধিকাৰ কৰি সেই ৰাজ্যত নিজ বংশৰ ক্ষেমঙ্কৰদেৱ নামৰ এজন সামন্ত ৰজা ৰাখিছিল। সেই দেশৰপৰা কলিতা জাতিৰ পাৰ্গত ভাস্কৰসকলক অনাই দেশত মন্দিৰ আদি নিৰ্ম্মাণ কৰাইছিল। ৰজা বনমালৰ (৮৩৫—৮৬০ খ্ৰীঃ) তামৰ ফলিত লিখা আছে যে তেওঁৰ ৰাজ্যৰ দেৱমন্দিৰ-বিলাকত সদায় গীত-বাদ্য ধ্বনিত হৈছিল। হজ্জৰবৰ্ম্মা, বলবৰ্ম্মা আৰু বনমালা-বৰ্ম্মাৰ ফলিত পিনাক-পাণিৰ বন্দনা পোৱা যায়।

শালস্তম্ভই প্ৰাগ্‌জ্যোতিষপুৰৰপৰা ৰাজধানী ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ (বৰ্ত্তমান তেজপুৰৰ ওচৰত) **হাৰূপ্পেশ্বৰলৈ** নিয়ে। হাৰূপ্পেশ্বৰ এটা অষ্ট্ৰিক শব্দ—ইয়াৰ অৰ্থ হৈছে পাচি বা ঠালৰ নিচিনাকৈ ঢাকি থোৱা। হজ্জৰবৰ্ম্মাৰ ৰাজত্ব কালত হাৰূপ্পেশ্বৰৰ পৰা মাটি দান কৰা কথা ৫১০ গুপ্তাব্দৰ (৮২৯—৮৩০ খ্ৰীঃ) এখন তামৰ ফলিত পোৱা যায়। হজ্জৰবৰ্ম্মাৰপৰা বলবৰ্ম্মাৰ দিনলৈকে হাৰূপ্পেশ্বৰ ৰাজধানী আছিল।

শালস্তম্ভৰ পাচত **ভৌমপাল বংশই** ৰাজত্ব কৰে। এই বংশৰ আদি ৰজা হৈছে ব্ৰহ্মপাল।

নাম	শতিকা
ব্ৰহ্মপাল (পত্নী কুলদেৱী) ...	... দশম শতিকাৰ শেহভাগ
↓	
ৰত্নপাল	... একাদশ শতিকা
↓	

নাম	শতিকা
পুৰন্দৰপাল (ৰজা হোৱাৰ আগতে ঢুকায়)	...
↓	
ইন্দ্ৰপাল (ৰত্নপালৰ নাতি)	.... একাদশ শতিকা
↓	
গোপাল (পত্নী নয়না)	ঐ
↓	
হৰ্ষপাল (পত্নী ৰত্না)	
↓	
ধৰ্ম্মপাল	দ্বাদশ শতিকা

এই বংশাৱলীত **জয়পাল** ৰজাৰ নাম নাই। বঙ্গদেশৰ শিলিমপুৰত (মৌজা শিলিমপুৰ, জিলা বগুৰা) পোৱা এখন শিলালিপিত ৰজা জয়পালৰ নাম আছে। লণ্ডনৰ ইণ্ডিয়া অফিচত সংৰক্ষিত "ছান্দোগ্য পৰিশিষ্ট প্ৰকাশ' নামৰ পুথিৰ শ্লোকত ৰজা জয়পালৰ উল্লেখ আছে।

ব্ৰহ্মপাল ৰজাই **দুৰ্জ্জয়ালৈ** ৰাজধানী নিয়ে আৰু ইন্দ্ৰপাল ৰজাৰ দিনলৈকে এই দুৰ্জ্জয়া বা দুৰ্জ্জয়পুৰেই ৰাজধানী থাকে। কিন্তু ধৰ্ম্মপাল ৰজাৰ তৃতীয় তাম্ৰলিপিত **কামৰূপ** নগৰৰ উল্লেখ আছে। সম্ভৱ কামৰূপ নগৰক চতুৰ্থ নতুন ৰাজধানী পাতে।

ৰজা ৰত্নপালে (১০০০—১০৩০ খ্ৰীঃ) ৰাজত্বৰ ২৫ বছৰত প্ৰথম তামৰ ফলি দিয়ে। ডঃ হৰ্ণলিয়ে এই ফলিৰ কাল একাদশ শতিকাৰ আগভাগ বুলি ঠাৱৰ কৰিছে। ৰত্নপালৰ দিনত দেশত অসংখ্য মঠ, মন্দিৰ আৰু অট্টালিকা নিৰ্ম্মাণ হৈছিল। বঙ্গদেশৰপৰা বৌদ্ধ তান্ত্ৰিক ভিক্ষুকসকল কামৰূপলৈ আহি প্ৰভাৱ বিস্তাৰ কৰিবলৈ ধৰে। ৰজা ইন্দ্ৰপাল (১০৩০—১০৫৫ খ্ৰীঃ) "সুকবি, কলাবিলাসিনী, সুভগ, অনবদ্য বিদ্যাধৰ" বুলি তামৰ ফলিত উল্লেখ আছে। এওঁৰ ৰাজত্বৰ সময়ত কামৰূপৰ এজন সিদ্ধ লুইপাদে (লৌহিত্যপাদ) তিব্বত অঞ্চলত সহজীয়া বৌদ্ধধৰ্ম্ম প্ৰচাৰ কৰিছিল আৰু কামৰূপী ভাষা মিশ্ৰিত অপভ্ৰংশ ভাষাত দোহা ৰচনা কৰি গান গাইছিল। তামৰ ফলিত ধৰ্ম্মপাল ৰজাক (১০৯০—১১১৫ খ্ৰীঃ) 'সৰ্ব্বকলা-কলাপ' বুলি উল্লেখ কৰা হৈছে। এই ৰজাৰ স্বৰচিত পুষ্পভদ্ৰালিপিত শিৱৰ বন্দনা নাই, বৰাহৰূপ অৱতাৰৰ স্তুতিহে আছে; সম্ভৱ পৰিণত বয়সত ৰজাই ধৰ্ম্মমত সলনি কৰি বিষ্ণু-ভক্তি-পৰায়ণ হৈছিল।

খ্ৰীষ্টিয় একাদশ শতিকাৰ শেষ ভাগত গৌড়েশ্বৰ ৰামপালৰ পুতেক কুমাৰপালৰ ৰাজত্বকালত বৈদ্যদেৱে কামৰূপ অধিকাৰ কৰে। এই সময়ত তিঙ্গ্যদেৱ বা তিষ্যদেৱ কামৰূপৰ ৰজা আছিল। কুমাৰপালে খ্ৰীষ্টিয় দ্বাদশ শতিকাত বৈদ্যদেৱক কামৰূপৰ ৰজা পাতে। কিন্তু তেওঁ সৰহ দিন ৰাজ্য ভোগ কৰিব নোৱাৰিলে। প্ৰজাবিলাক বিদ্ৰোহী হোৱাত কামৰূপৰ ৰাজ্য খণ্ড খণ্ড হৈ পৰে।

অসমত বৌদ্ধধৰ্ম্ম—

ভাস্কৰবৰ্ম্মা আৰু ইন্দ্ৰপাল ৰজাৰ লিপিত পোৱা ধৰ্ম্ম আৰু তথাগত শব্দৰ ব্যৱহাৰে পুৰণি অসমত বৌদ্ধধৰ্ম্ম প্ৰচাৰৰ সঙ্কেত দিয়ে। অৱশ্যে তামৰ ফলি বা শিলালিপিবিলাকৰপৰা এই ধৰ্ম্ম প্ৰচলনৰ সপক্ষে আহিলা পোৱা নাযায়। **হিউৱেনচাঙৰ** বিৱৰণীৰপৰা পোৱা যায় যে ভাস্কৰবৰ্ম্মাৰ ৰাজ্যৰ ভিতৰত বুদ্ধৰ নীতিসমূহৰ বহুল প্ৰচলন হোৱা নাছিল আৰু যিসকল বৌদ্ধধৰ্ম্মী-লোক কামৰূপত আছিল তেওঁলোকে গোপনকৈ ধৰ্ম্ম আচৰণ কৰিছিল। অধিক কি, তেওঁ সপ্তম শতিকাত এটা সংঘাৰামো দেখা পোৱা নাছিল। হিউৱেনচাঙে কৈছে, "বৌদ্ধধৰ্ম্মত যদিও ৰজাৰ আস্থা নাই, তথাপি তেওঁ পণ্ডিত আৰু জ্ঞানী শ্ৰমণসকলক বৰ আদৰ কৰে।" তিব্বতৰ বুৰঞ্জীবিদ **তাৰানাথে** উল্লেখ কৰিছে যে বৌদ্ধ ভিক্ষু ধীতিকে আচাৰ্য্যপদত অধিষ্ঠিত হৈ কামৰূপৰ মানুহক সূৰ্য্য উপাসনাৰপৰা বৌদ্ধধৰ্ম্মলৈ নিছিল। এওঁৰ এজন শিষ্যই বৌদ্ধধৰ্ম্ম প্ৰচাৰৰ কাৰণে এটা ভোজৰ আয়োজন কৰিছিল; তাৰানাথে আৰু কৈছে যে অশ্বভবে কামৰূপত মহাযান মতবাদ প্ৰচাৰ কৰিছিল। **অভিনৱ গুপ্তই** নবম শতিকাৰ প্ৰসিদ্ধ দাৰ্শনিক শঙ্কৰাচাৰ্য্যৰ লগত ধৰ্ম্ম সম্বন্ধে তৰ্কত প্ৰবৃত্ত হোৱাৰ কথা পোৱা যায়। এইখিনিতে উল্লেখ কৰিব পাৰি যে সপ্তম শতিকাৰ শেষৰপৰা বৌদ্ধ ধৰ্ম্মৰ ঘোৰ পৰিবৰ্ত্তন হোৱাৰ ফলত মন্ত্ৰযান, বজ্ৰযান আৰু তন্ত্ৰযান আদি ৰহস্যবাদী মতবাদে দেখা দিয়ে। বজ্ৰযানৰ কথা প্ৰচাৰ কৰা-সকলক সিদ্ধ বোলা হয় আৰু এওঁলোকৰ সংখ্যা চৌৰাশী।

সাহিত্য

১। **চৰ্য্যাপদ:—চৰ্য্যাপদ**সমূহ অসমীয়া সাহিত্যৰ অতি প্ৰাচীনতম নিদৰ্শন বৌদ্ধ সহজিয়া মতৰ অনুষ্ঠান আৰু সাধন মাৰ্গ সম্পৰ্কে এই গীত-সমূহ ৰচনা কৰা হৈছিল। "পদ-ৰচয়িতা নাথ পন্থী যোগী আছিল। বৌদ্ধধৰ্ম্ম-মতৰ লৈতে তান্ত্ৰিক আৰু অন্যান্য মতৰ সংমিশ্ৰণত ইয়াৰ উৎপত্তি।" মহা-

মহোপাধ্যায় হৰপ্ৰসাদ শাস্ত্ৰীয়ে (১৮৫৩— ৯৩১ খ্ৰীঃ) ১৯০৪ চনত নেপালৰ ৰাজদৰবাৰৰ গ্ৰন্থাগাৰৰ পৰা চৰ্য্যাচৰ্য্যবিনিশ্চয় (চৰ্য্যাশ্চৰ্য্য-বিনিশ্চয়) নামৰ এখন অতি পুৰণি পুথি সংগ্ৰহ কৰে। আৰু এখন পুথিৰে সৈতে বঙ্গীয় সাহিত্য পৰিষদে 'বৌদ্ধগান ও দোহা' নাম দি ১৯১৭ চনত প্ৰকাশ কৰে। "চৰ্য্যাচৰ্য্য-বিনিশ্চয়" পুথিত ২৪ জন কবি বা সিদ্ধ আচাৰ্য্য ৰচিত ৫০টা দোহা বা গীত আছে। ইয়াৰ ভিতৰৰ ২৩ সংখ্যক চৰ্য্যাটো খণ্ডিত। ৪৮ সংখ্যক চৰ্য্যাটো অনাবিষ্কৃত আৰু ২৪ আৰু ২৫ সংখ্যক চৰ্য্যাৰ পাঠ পোৱা নাই। গতিকে ৪৬½টা পদৰ পাঠ পোৱা গৈছে। শাস্ত্ৰীৰ পিচত ডঃ মুহম্মদ শহীদুল্লাহে মূল পাঠটো তিব্বত-অনুবাদৰ সৈতে মিলাই এক সঙ্কলন যুগুত কৰিলে। তৃতীয় ব্যক্তি হল ডঃ প্ৰবোধচন্দ্ৰ বাগচী। তেওঁ ৰাজগুৰু হেমৰাজ শৰ্ম্মাৰ সংগ্ৰহ আৰু দৰবাৰ লাইব্ৰেৰীৰ হস্তলিখিত পুথিবোৰ পঢ়ি 'দোহাকোষ' নামেৰে এটি সংগ্ৰহ প্ৰকাশ কৰে। এই সিদ্ধ-সাহিত্য অধ্যয়ন কৰাৰ চতুৰ্থ ব্যক্তি হ'ল মহাপণ্ডিত ৰাহুল সংকৃত্যায়ন (১৮৯৩—১৯৬৩)। তেওঁ 'হিন্দী কাব্য-ধাৰা' নামেৰে সিদ্ধ-কবিসকলৰ এখন সংগ্ৰহ প্ৰকাশ কৰে।

ব্ৰাহ্মণ্য আৰু অন্যান্য ধৰ্ম্মৰ আচাৰ-নীতি, পূজা মন্ত্ৰ-তন্ত্ৰাদিৰ ক্ৰম প্ৰবেশৰ ফলত মহাযানী ধৰ্ম্মপন্থা দিনে দিনে বিৱৰ্ত্তিত হবলৈ ধৰিলে। ইয়াৰ ফলত ক্ৰমাৎ মন্ত্ৰযান, বজ্ৰযান, সহজযান আদি বিভিন্ন যান-পন্থা উদ্ভৱ হ'ল। বজ্ৰ-যানীসকলে ভাবে যে নিৰ্ব্বাণৰ সত্তামাত্ৰই তিনিটা অৱস্থাত (১। শূন্য ২। বিজ্ঞান আৰু ৩। মহাসুখ) স্থিতি হ'ব পাৰে। এওঁলোকৰ মতে সৰ্ব্ব-শূন্যতাৰ মহাজ্ঞানেই নিৰ্ব্বাণ। এই নিৰ্ব্বিকল্প জ্ঞানকে বজ্ৰযানীসকলে নিৰাত্মা (দেৱী অৰ্থাৎ নাৰী) বুলিছে; আৰু বোধিচিত্ত হ'ল 'দেৱ'-পুৰুষ। যেতিয়া বোধিচিত্ত নিৰাত্মাত বিলীন হয় তেতিয়া মহাসুখৰ উদ্ভৱ হয়। বজ্ৰযানী সাধকসকলে এই উপলব্ধিময় অৱস্থাকে বোধিচিত্ত বুলিছে। এওঁলোকৰ মতে বোধিচিত্তই হৈছে বজ্ৰ, কিয়নো যোগ-সাধনৰ ফলত ইন্দ্ৰিয়ৰ প্ৰবৃত্তি ক্ৰমাৎ লোপ পায় আৰু বোধিচিত্ত বজ্ৰ-তুল্য কঠিন হৈ পৰে। বোধিচিত্তৰ এই বজ্ৰৰূপ সাধনৰ পদ্ধতিয়েই হৈছে বজ্ৰযান। বজ্ৰযানৰ পিচৰ স্তৰ হৈছে সহজযান। দেহ-সাধনৰ জৰীয়তে ব্যক্তিগত সিদ্ধিলাভৰ আকাঙ্ক্ষা সহজযানীসকলৰ ভিতৰত প্ৰবল। চৰ্য্যাপদৰ ভিতৰৰ সাধন-তত্ত্বৰ নাম হ'ল বজ্ৰযান বা সহজযান। চৰ্য্যাপদত সহজীয়া বৌদ্ধধৰ্ম্মৰ গূঢ় আধ্যাত্মিক ব্যাখ্যা কৰা হৈছে।. সহজধৰ্ম্মত দাৰ্শনিক তত্ত্ব বুজাবৰ প্ৰয়াস কৰা হৈছে।

সহজ সাধনাৰ চৰম লক্ষ্য হৈছে আনন্দ বা মহাসুখত নিমজ্জিত হোৱা। চৰ্য্যাপদত আছে—

দিঢ় কৰিঅ মহাসুহ পৰিমাণ—চৰ্য্যা ১
বাটত মিলিল মহাসুহ সাঙ্গা— ,, ৮
চলিল কাহ্ন মহাসুহ সাঙ্গে — ,, ১৩
হাঁউ সুতেলি মহাসুহ-লীলেঁ — ,, ১৮
মহাসুহে বিলসন্তি সবৰো — ,, ৫০

এই মহাসুখ অবাঙ্‌মনসগোচৰ—সেয়ে শূন্য। সেই শূন্যতা সহজীয়াসকলৰ পৰম প্ৰাপ্তি। এওঁলোকৰ মতে সৰ্ব্বশূন্যতাৰ পৰম জ্ঞানেই নিৰ্ব্বাণ।

সিদ্ধসকলৰ সাহিত্যক সাম্প্ৰদায়িক সাহিত্য বোলা হয়। তেওঁলোকে অনুভববেদ্য ধৰ্ম্ম-চেতনাক প্ৰতিষ্ঠিত কৰিবলৈ গৈ বেদ-ধৰ্ম্মৰ দুৰ্ব্বলতাৰ প্ৰতি সঙ্কেত দিছে। লুইপাৰ ২৯ সংখ্যক পদটো ('জাহেৰ বাণচিহ্নৰূব ণ জানী। সো কইসে আগম-বেই বখানী॥') পঢ়িলে এই কথা স্পষ্ট হয়।

চৰ্য্যাৰ প্ৰতিটো গীতেই সাঁথৰৰ নিচিনা। তাৰ ভিতৰৰ অৰ্থ উলিওৱা টান। যেনে :—

ৰাগ-পটমঞ্জৰী

(ক) কাআ তৰুবৰ পঞ্চবি ডাল।
চঞ্চল চীএ পইঠো কাল॥
দিট কৰিঅ মহাসুহ পৰিমাণ।
লুই ভণই গুৰু পুচ্ছিঅ জান॥
সঅল সমাহিঅ কাহি কৰি অই।
সুখে দুখেতেঁ নিচিত মৰি অই॥
এড়ি এউ ছান্দক বান্ধ কৰণক পাটেৰ আস।
সুন্নু পাখ ভিতি লেহৰে পাস॥
ভণই লুই আমহে সানে দিঠা।
ধমণ চমণ বেণি পাণ্ডি বইঠা॥

ভাঙনি—কায়া তৰুৰ দৰে পাঁচোটা ডাল। চঞ্চল চিত্তত কাল প্ৰবিষ্ট হৈছে। দৃঢ় কৰি মহা সুখ পৰিমাণ কৰা। লুয়ে বচনা কৰিছে, গুৰুক সুধি জানি লোৱা। সকলো সমাধি লৈ কি কৰিবা? সুখ-দুখ ভোগ কৰি

(মানুহ) নিশ্চয় মৰে। ছন্দৰ বান্ধোন আৰু কৰুণৰ আশা এৰি শূন্য পক্ষৰ নিবিড় ভাবে কাম চাপা। লুয়ে ভণে, মই ধ্যানত দেখিলোঁ। ধমন-চমন (নিশ্বাস-প্ৰশ্বাস) দুয়ো পীৰা পাৰি বহিছে।

(খ) মন তৰু পাঞ্চ ইন্দি তসু সাহা।
আসা বহল পাত ফলাহা বাহা॥
বৰগুৰু বঅনে কুঠাৰেঁ ছিজঅ।
কাহ্ন ভণই তৰু পুনু ন উইজঅ॥

ভাঙনি—মন হৈছে গছৰ দৰে। পাঁচ ইন্দ্ৰিয় (চকু, কাণ, নাক, জিভা আৰু ছাল) সেই গছৰ পাঁচোটা শাখা। আশা তাৰ পাত আৰু ফল। মানুহক আশাই অসুখী কৰে বুলি ধৰ্ম্ম আচৰণত আশাৰ মূল মনক শান্ত কৰিব লাগে। গুৰুৰ বচনৰূপ কুঠাৰেৰে মন গছক কাটা, তেনেহলে সি আৰু ওপজাব নোৱাৰিব। কাণুৱে ইয়াক ৰচনা কৰিছে।

(গ) দুলি দুহি পিঠা ধৰণ নজাই।
রুখেৰ তেন্তেলি কুম্ভীৰে খাই॥
আঙ্গন ঘৰ পণ সুনতো বিআতী।
কানেট চৌৰি নিল অধৰাতী॥
সসুৰা নিদ গেল বহুৰী জাগঅ।
কানেট চোৰ নিল কাগই মাগঅ॥
দিবসই বহুড়ী কাড়ই ডৰে ভাঅ।
ৰাতি ভইলে কামৰু জাঅ॥
অইসন চৰ্য্যা কুক্কুৰী পাঁএ গাইড়।
কোড়ি মাঝে একুহি অহি সমাইড়॥

ভাঙনি—দুলি (কাছ) দুহি পেটত নধৰা হৈছে। গছৰ তেতেলি কুম্ভীৰে খায়। চোতাল ঘৰৰ পিনে হেৰা বৌতি শুনা। চোৰে আধা ৰাতিতে কাণৰ অলঙ্কাৰ নিলে। শাহুৰেকৰ টোপনি গ'ল। বোৱাৰীয়েক সাৰে আছে। চোৰে কাণৰ ভূষণ নিলে। ক'ত নো মাগিবগৈ (বিচাৰিব)? দিনত বোৱাৰীয়েকে কাকলৈ ভয় কৰে, ৰাতি হলে কামৰূপলৈ যায়। এনে চৰ্য্যা কুক্কুৰীপাদে গালে। কোটিৰ মাজত এজনৰ অন্তৰত সোমাল।

(ঘ) উঁচা, উঁচা, পাবত, তঁহি বসই সবৰী বালী।
মোৰঙ্গি পীচ্ছ পৰহিণ সবৰী গিবত গুঞ্জৰী মালী॥

উমত সবৰো পাগল সবৰো মা কৰ গুলী গুহাড়া তোহৌৰি।
ণিঅ ঘৰিণী ণাম সহজ সুন্দাৰী।
নানা তৰুবৰ মোউলিল ৰে গঅণত লাগেলী ডালী।
একেলী সবৰী এ বণ হিণ্ডই কর্ণকুণ্ডলবজ্রধাৰী॥
তিঅ ধাউ খাট পাড়িলা সবৰো মহাসুহে সেজি ছাইলী।
সবৰো ভুজঙ্গ নৈৰামণি দাৰী পেক্ষ ৰাতি পোহাইলি॥
হিঅ, তাঁবোলা মহাসুহে কাপুৰখাই।
সুন নৈৰামণি কণ্ঠে লইয়া মহাসুহে ৰাতি পোহাই॥
গুৰবাক্ পুচ্ছিঅ: (পুঞ্ছআ) বিন্ধ নিঅমণ বাণে।
একে শৰসন্ধানেঁ বিন্ধহ বিন্ধহ পৰমণিবাণে॥
উমত সবৰো গৰুআ ৰোষে
গিৰিবৰ-সিহৰ-সন্ধি পইসন্তে সবৰো লোড়িব কইসে॥ (চৰ্যা ২৮)

ভাঙনি—ওখ ওখ পৰ্ব্বতত ব্যাধ বালিকা বাস কৰে। ব্যাধ বালিকাই মৰাৰ পুচ্ছ পিন্ধিছে। তাইৰ ডিঙিত গুঞ্জৰী ফুলৰ মালা। উন্মত্ত ব্যাধ, পাগল ব্যাধ, তোমাক মিনতি কৰো, গুলী নকৰিবা। মই তোমাৰ গৃহিণী, নাম সহজ সুন্দৰী।

কায়াতৰু নানাভাৱে মুকুলিত হৈছে আৰু তাৰ ডাল আকাশত লাগিছে। শবৰীয়ে কাণত কেৰু আদি অলঙ্কাৰ পিন্ধি অকলে এই বনত ফুৰিছে। শবৰে ত্ৰিধাতুৰ (কায়বাকচিত্তৰূপ) শয্যাত সুখৰ বিছনা পাৰি নৈৰাত্মৰ সৈতে প্ৰেমত ৰাতি পুৱালে। তাৰ পিচত কৰ্পূৰৰ সৈতে মহাসুখে তামোল খালে আৰু নৈৰাত্মাদেৱীক কণ্ঠত ধাৰণ কৰি ৰজনী দূৰ কৰিলে। গুৰুৰ বাক্যৰূপ ধনুত নিজৰ মনৰূপ বাণ সংযোগ কৰি এপাট শৰ মাৰি পৰম নিৰ্ব্বাণক বিদ্ধ কৰি অবিদ্যাজাত বাসনা-দোষ নাশ কৰা। উন্মাদ শবৰে গুৰুতৰ ৰোষত জ্ঞান আনন্দত মজি থাকি গিৰি-শিখৰৰ সন্ধিত (মহাসুখ চক্ৰৰ ফালে যোৱা) প্ৰবেশ কৰিছে ; তেওঁক কেনেকৈ বিচাৰিম ?

ওপৰৰ গীতবোৰে যে অসমীয়া ভাষাৰ আদি স্তৰৰ ইঙ্গিত দিয়ে তাক **ৰূপতত্ত্ব, ধ্বনিতত্ত্ব, ব্যাকৰণ** আদি সকলো ফালৰপৰা চালে সহজে বুজিব পাৰি।

স্বৰ-সমীভৱনৰ নিয়ম অনুযায়ী পৰৱৰ্ত্তী অক্ষৰত (syllable) 'আ' থাকিলে পূৰ্ব্বস্থিত 'আ'-ধ্বনি 'অ'-লৈ সলনি হয়। যেনে :—চকা (চাকা), বপা (বাপা) ইত্যাদি। এই নিয়ম অসমীয়া ভাষাত দেখা যায়

ব্যাকৰণ বৈশিষ্ট্য

চতুৰ্থী	বিভক্তিৰ	চিন—লৈ (অ, লৈ)—কুললৈ
ষষ্ঠী	„	„ —ৰ (অৰ)—পঞ্চবিষয়ৰ
সপ্তমী	„	„ —ত (অত)—বাটত।

ধাতুৰ পাচত 'ই' আৰু তৃতীয় পুৰুষৰ স্বৰূপভূত কালৰ 'ইলে' প্ৰত্যয় যোগ কৰি অসমাপিকা ক্ৰিয়া, আৰু ধাতুৰ আগত 'ন' যোগ দি নঞাৰ্থক ধাতু সধা হৈছে। যেনে :—শুনি, দেখি, ভইলে, নজানই, নজাই ইত্যাদি। অসমীয়া সৰ্ব্বনামৰ লগতো দোহাৰ মিল আছে। যেনে :—মই, মো, মোহোৰ, অইসন, জৈসন ইত্যাদি। -ই, -ইল প্ৰত্যয়ৰ যোগত অতীত কাল আৰু -ইব প্ৰত্যয়ৰ যোগত ভবিষ্যত কাল হোৱা দেখা যায়। যেমে :—জাই, খাই, গেল ইত্যাদি।

কৰ্ত্তৃ, কৰ্ম্ম, কৰণ আৰু অধিকৰণ কাৰক কেতিয়াবা বিভক্তিমুক্ত নোহোৱাকৈ ব্যৱহৃত হয়, যেনে :—'কাআ তৰুবৰ পঞ্চ বি ডাল'।

উচ্চাৰণৰ ফালৰপৰা দেখা যায় যে শ, ষ, সৰ ঠাইত 'ষ' ব্যৱহাৰ কৰা হৈছে। যেনে :—ষষহৰ (শশধৰ), বাষনা (বাসনা), ষহজে (সহজে) ইত্যাদি। কামৰূপী প্ৰাকৃতৰ গঢ়ো এনেকুৱা।

দোহাত এনে কিছুমান শব্দৰ ব্যৱহাৰ দেখা যায় যিবোৰ অসমীয়া ঘৰুৱা শব্দ যেন লাগে। যেনে :—জো (জুই), মোলান (পদুমৰ), পোইআলি (পোৱালি), বুৰিল, ষাবে (সাবে) ইত্যাদি। অসমীয়া-গঢ়ী শব্দও পোৱা যায়। যেনে :—কুঠাৰ, থাই, বাণ্ডি আজি, ঘিনি, ঘৰিণী, বপা, মিজলি (মিহলি), নিঅ (নিজ) ইত্যাদি।

চৰ্য্যাত ধৰ্ম্ম-তত্ত্বকথা ছন্দোবদ্ধ কবিতা হৈয়ে থকা নাই—ই হৈছে সুৰমূৰ্চ্ছনাময় সঙ্গীত। চৰ্য্যাপদত ভৈৰৱী, কামোদ, ধনশ্ৰী, পটমঞ্জৰী, দেৱকী, শবৰী, মল্লাৰী আদি বিভিন্ন ৰাগৰ উল্লেখ পোৱা যায়। সম্ভৱ পৰবৰ্ত্তী যুগৰ অসমীয়া গীত-সমূহত, ঘাইকৈ বৰগীতত, এই ৰাগ-ৰাগিণীসমূহ সংযোগ হৈছিল। প্ৰত্যেক পদত অন্ত্যানুপ্ৰাস আছে, আৰু এইবোৰ শৌৰসেনী প্ৰাকৃত প্ৰভাৱিত মাত্ৰাবৃত্ত পাদাকুলক ছন্দত ৰচিত। চৰ্য্যাৰ প্ৰতিটি চৰণ সাধাৰণতে চাৰিটা পৰ্ব্বত বিভক্ত। এই ষোল মাত্ৰাৰ ছন্দৰ পৰাই দৈৰ্ঘ্য আথবৰ পয়াৰ ছন্দ গঢ়ি উঠিছে। ইয়াৰ ভাষাকে অসমীয়া ভাষাৰ ভ্ৰূণাবস্থা বুলিব পাৰি। চৰ্য্যাপদত বৌদ্ধমতৰ সাধনাৰ ইঙ্গিত আছে। বৌদ্ধ সহজিয়া তন্ত্ৰমতৰ সৈতে শৈৱ-নাথ ধৰ্ম্মৰ এটা সম্পৰ্ক আছিল বুলি ডঃ সুনীতিকুমাৰ চট্টোপাধ্যায়ে মত পোষণ কৰে।

এই চৰ্য্যাপদবোৰ যে অসমীয়া ভাষাৰ অতি পুৰণি নিদৰ্শন তাক ওপৰৰ উদ্ধৃতিৰপৰা সহজে অনুমান কৰিব পাৰি। চৰ্য্যাপদৰ ভাষাত মাগধী বা জৈন অৰ্দ্ধমাগধী অপভ্ৰংশৰ তুলনাত শৌৰসেনী অপভ্ৰংশৰ পৰিমাণ অনেক বেছি। মন কৰিবলগীয়া যে অসম, বঙ্গ, মিথিলা আৰু উড়িষ্যাৰ মানুহে এই গীতবোৰ সেই সেই প্ৰদেশৰ ভাষাৰ পূৰ্ব্বৰূপ বুলি দাবী কৰে। ডঃ বাণীকান্ত কাকতিয়ে চৰ্য্যাপদৰ ভাষাৰ লগত প্ৰাচীন অসমীয়া ভাষাৰ সাদৃশ্য আলোচনা কৰি ইয়াৰ ভাষা বঙলা আৰু অসমীয়া ভাষা দুয়োৰে পূৰ্ব্বৰূপ (পূৰ্ব্বমাগধী পূৰ্ব্বৰূপ) বুলি অনুমান কৰিছে। মহামহোপাধ্যায় হৰপ্ৰসাদ শাস্ত্ৰীয়ে এই গীতবোৰ বঙলা ভাষাৰ পূৰ্ব্বৰূপ বুলিছে। মহাপণ্ডিত ৰাহুল সংকৃত্যায়ন, ডঃ কে. পি. জয়চোৱাল, মহামহোপাধ্যায় ডঃ উমেশ মিশ্ৰ আদিয়ে চৰ্য্যাপদসমূহ প্ৰাচীন মৈথিলীৰ আৰ্হি বুলিছে। এনে উক্তিত আচৰিত হবলগীয়া একো নাই। কিয়নো সেই কালত উত্তৰ-পূব ভাৰতত শঙ্কলাদিৰ, ভাস্কৰবৰ্ম্মা আদিৰ নিচিনা একোজন ৰজাৰ তলত একে ভাষা আৰু একে সংস্কৃতিয়েই চলিছিল। মৈথিলী সাহিত্যৰ বুৰঞ্জী লেখক ডঃ জয়কান্ত মিশ্ৰই চৰ্য্যাপদসমূহ প্ৰাচীন মৈথিলীৰ পূৰ্ব্বৰূপ বুলি ক'লেও উক্ত বুৰঞ্জীৰ এঠাইত লিখিছে যে পুৰণি কামৰূপ ৰাজ্য আৰু মিথিলাৰ সীমা পুৰ্ণিয়া জিলাৰ কোশী নৈ পৰ্য্যন্ত আছিল; আৰু পুৰণি কামৰূপ ৰাজ্যই ষোড়শ শতিকালৈকে বৰ্ত্তমান অসম, কোচবেহাৰ, জলপাইগুৰি আৰু ৰংপুৰক সামৰিছিল। সেই কাৰণে বঙ্গ, বিহাৰ আৰু অসমৰ প্ৰাচীন ভাষাৰ মিলত আচৰিত হবলগীয়া একো নাই।

চৰ্য্যাপদ-ৰচক সিদ্ধাচাৰ্য্যসকলৰ সময় খ্ৰীঃ ৮০০ৰ পৰা ১১০০ অৰ ভিতৰত ধৰা হয়। ডঃ প্ৰবোধ বাগচীয়ে কয় যে এই গীতবোৰ খ্ৰীঃ অষ্টম—দশম শতিকাৰ ভিতৰৰ ৰচনা। মহাপণ্ডিত ৰাহুল সংকৃত্যায়নৰ মতে এই গীতবোৰৰ ৰচনা কাল অষ্টম—একাদশ শতিকাৰ ভিতৰত। মহামহোপাধ্যায় হৰপ্ৰসাদ শাস্ত্ৰীৰ মতে এই গীতবোৰ খ্ৰীঃ ৮০০ৰ পৰা ১২০০ ভিতৰত ৰচিত হৈছিল। ডঃ সুকুমাৰ সেনৰ মতে গীতবোৰ ৰচনাৰ সময় দশম-দ্বাদশ শতিকা। এই গীত-সমূহৰ এজন ৰচক সৰহপাদ কামৰূপৰ ৰজা ৰত্নপালৰ (১০০০—১০৩০ খ্ৰীঃ) ৰাজসভালৈ আহিছিল। সেইফালৰ পৰা বিচাৰ কৰিলে গীতৰ ৰচনাৰ সময় দশম শতিকাৰ শেহছোৱা বা একাদশ শতিকাৰ আগছোৱা বুলিব পাৰি।

কামৰূপ, বিহাৰ, বঙ্গ আদিৰ বৌদ্ধ সহজীয়া সিদ্ধসকলে নেপাল, ভোটান, তিব্বত আদি দেশলৈ গৈ যি ভাষাৰে নিজৰ মনৰ ভাব প্ৰকাশ কৰিছিল, পণ্ডিত-

সকলে সেই অপভ্ৰংশ ভাষাক **সন্ধ্যা ভাষা** নাম দিছে। মহামহোপাধ্যায় শাস্ত্ৰীয়ে সন্ধ্যা-ভাষাৰ অৰ্থ কৰিছে পোহৰ-আন্ধাৰ ভাষা (আলো-আঁধাৰী ভাষা)। সন্ধ্যাৰ দৰে ৰহস্যময়তা প্ৰতি চৰ্য্যাতে আছে। দৰাচলতে সন্ধ্যা ভাষাৰ অৰ্থ অপভ্ৰংশ ভাষা। পণ্ডিত বিধুশেখৰ শাস্ত্ৰীৰ মতে ইয়াৰ ভাষা সান্ধ্য-ভাষা, সন্ধ্যা-ভাষা নহয়।

চৰ্য্যাপদত ঘাইকৈ শৃঙ্গাৰ আৰু শান্ত ৰস পোৱা যায়। উপমা, অনুপ্ৰাস, শ্লেষ, সমাসোক্তি, বিৰোধ আদি অলঙ্কাৰ এইবোৰত আছে ; আৰু চৰ্য্যাপদত ৰূপকৰ বৰ বেছি আশ্ৰয় লোৱা হৈছে।

চৰ্য্যাপদৰপৰা বুজিব পাৰি যে বণিয়া, কৈবৰ্ত্ত আদি নগৰৰ বাহিৰত আছিল। ব্ৰাহ্মণক স্পৰ্শ কৰাও নিষেধ আছিল। যেনে :—

নগৰৰ বাহিৰিৰে ডোম্বী তোহোৰি কুড়িআ।
ছোই ছোই জাহ সো ব্ৰাহ্মণ নাড়িআ॥ (কাহ্নপা)

চৰ্য্যাপদ ৰচকসকলৰ ভিতৰত কেবাজনো কামৰূপৰ বুলি জনা যায়। সেই-সকলৰ ভিতৰত হৈছে সৰহ পা, নাগাৰ্জ্জুন, লুই পা (লৌহিত্য পাদ), গোৰক্ষ পা, মীন পা (মৎস্যেন্দ্ৰনাথ), কাণ পা (কানুপাদ) ইত্যাদি।

বৌদ্ধ-তান্ত্ৰিক সাহিত্যত এই সিদ্ধসকলৰ নাম বৰ সৰ্বৰহী। তিব্বতীয় গ্ৰন্থ Pag-Sam-Jon-Zong (১৭৪৭) গ্ৰন্থত সৰহ পা বা ৰাহুল ভদ্ৰৰ কথা পোৱা যায়। তেওঁক দেশৰ পূৰফালৰ ৰাজনীৰ এজন ব্ৰাহ্মণ আৰু ডাকিনীৰ সন্তান বোলা হৈছে। ৰত্নপালৰ (১০০০-১০৩০ খ্ৰীঃ) ৰাজসভালৈ এওঁ অহাৰ কথা পোৱা যায়। আৰ্থাৰ গ্ৰাণবেডেল (Arthur Grunwedel) আৰু তুচ্চীএ (Tucci) সৰহক কামৰূপৰ শূদ্ৰ বুলিছে। তেওঁৰ শিষ্য নাগাৰ্জ্জুন কামৰূপ, ভোটান আৰু নেপালত প্ৰসিদ্ধ আছিল। তিব্বতৰ বিশ্বাস মতে লুইপা কামৰূপৰ, আৰু তেওঁক মীননাথ বা মৎস্যেন্দ্ৰনাথ বুলি জনা যায়। ডঃ বাগচী আদি পণ্ডিতসকলে এওঁক ৮ম—১১শ শতিকাৰ ভিতৰত ধৰে। ৰজা ইন্দ্ৰপালৰ সময়ত (১০৩০-১০৫৫ খ্ৰীঃ) বৌদ্ধ তান্ত্ৰিকসকলৰ ধৰ্ম্মৰ প্ৰভাৱ বৰ বেছিকৈ ৰাজ-কাৰেঙত প্ৰবেশ কৰে; আৰু সামন্ত শোভা নামে এজন ৰাজবিষয়াই সহজীয়া বৌদ্ধধৰ্ম্ম গ্ৰহণ কৰি তিব্বত, ভোটান আদি অঞ্চলত ধৰ্ম্মপ্ৰচাৰ কৰে। তেৱেঁই পাচত লুইপা (লৌহিত্যপাদ) নামে জনাজাত হয়। কৌলজ্ঞান-নিৰ্ণয়ৰ পাতনিত ডঃ প্ৰবোধচন্দ্ৰ বাগচীয়ে কয় যে মীননাথ পূব-ভাৰতৰ সাগৰৰ পাৰৰ চন্দ্ৰদ্বীপত ওপজে ; তেওঁ শাক্তধৰ্ম্মৰপৰা

ওলোৱা কৌলমতবাদ প্ৰবৰ্ত্তন কৰে। জয়নাথে উদ্ধৃত কৰা এটা শ্লোকত আছে যে ইয়াক মূলত ভৈৰবীয়ে ভৈৰৱৰপৰা পাইছিল; আৰু পাচত কামৰূপ মহাপীঠৰ পৰমসিদ্ধ মীনে (মচ্ছনাথ) ভৈৰবীৰপৰা শিকে। এইদৰে মীননাথে কামৰূপত যোগিনী-কৌল প্ৰবৰ্ত্তন কৰে। মহাপণ্ডিত ৰাহুল সংকৃত্যায়নে কয় যে মীননাথে কামৰূপৰ প্ৰাচীন অসমীয়া ভাষাৰ লগত সাদৃশ্য থকা ভাষাত 'বাহ্যান্তৰ বোধিচিত্ত বন্ধোপ্ৰদেশ' নামৰ পুথি ৰচনা কৰে।

ইয়াৰপৰা আমি ক'ব পাৰোঁ যে চৰ্য্যাপদ অসমীয়াৰ গৌৰৱৰ বস্তু আৰু এই গীতৰ কেবাজনো ৰচকে কামৰূপত জন্মগ্ৰহণ কৰি দেশৰ নাম বুৰঞ্জীত জিলিকাই ৰাখিছে।

২। **ডাকৰ বচন**:—অসমৰ জাতীয় জীৱনত, বিশেষকৈ গাৰ্হস্থ্য জীৱনত, ডাকৰ বচনসমূহৰ প্ৰভাৱ মন কৰিবলগীয়া। ডাক পুৰুষৰ নামত চলিত বা সম্বন্ধ থকা অসমীয়া বচনসমূহৰ নিচিনা প্ৰবচন পূব ভাৰতৰ সকলো ভাষাত কম বেচি পৰিমাণে পোৱা যায়। এই কাৰণে বঙ্গ, উত্তৰ প্ৰদেশ, অসম আদি প্ৰদেশে ডাকক নিজ নিজ দেশৰ বুলি দাবী কৰে। আনকি মিথিলাৰ মানুহেও ডাকক মৈথিলী বুলিছে। মহামহোপাধ্যায় হৰপ্ৰসাদ শাস্ত্ৰীয়ে ডাকাৰ্ণৱ নামৰ আদি যুগৰ পূব ভাৰতীয় ভাষাৰ এখন পুথি (অনুমান দশম শতিকাৰ) উদ্ধাৰ কৰে।

ডাক নামৰ মানুহজনৰ বিষয়ে ইমানবিলাক লোক-বিশ্বাস জড়িত আছে যে সেই ৰহস্যৰ জাল ভেদ কৰা টান। বঙালী, মিথিলা আদিৰ পুথি অনুসৰি ডাক গোৱালৰ ল'ৰা, কিন্তু অসমীয়াৰ মতে তেওঁ কুমাৰৰ ল'ৰা। ডঃ দীনেশ সেনে তেওঁক বঙ্গৰ চক্ৰেটিচ বুলিছে। ডঃ জয়কৃষ্ণ মিশ্ৰই ডাক পুৰুষৰ ৰহস্যৰ ইন্দ্ৰজাল ভেদ কৰিব নোৱাৰি তেওঁক উত্তৰ-পূব ভাৰতৰ বুলিছে। মহামহোপাধ্যায় ডঃ উমেশ মিশ্ৰই ডাকৰ মৈথিলী বচনসমূহ ষোড়শ শতিকাৰ বুলি ঠাৱৰ কৰিছে। ডাকৰ সময়ৰ বিষয়ে ডঃ জয়কৃষ্ণ মিশ্ৰই কৈছে যে ডাকৰ সময়ৰ কোনো নিৰ্দ্দিষ্ট শকলৈ আঙুলিওৱা টান। ডঃ সেনে ডাকৰ বচনত বৌদ্ধধৰ্ম্মৰ প্ৰভাৱ দেখা পায় আৰু তেওঁ এই বচনবোৰ খ্ৰীঃ ৮ম—১২শ শতিকাৰ বুলি অনুমান কৰে।

অসমীয়া বচনাৱলীৰ অন্তৰঙ্গ প্ৰমাণৰ ফালৰপৰা ডাকক চতুৰ্থ—ষষ্ঠ শতিকাৰ বুলি অনুমান কৰা হয়। ডাকৰ বচনত ৰবাহ মিহিৰৰ নাম উল্লেখ আছে। এই ৰবাহ মিহিৰ বিক্ৰমাদিত্যৰ ৰাজসভাৰ পণ্ডিত আছিল। দেৱেন্দ্ৰনাথ

বেজবৰুৱাৰ মতে বৰাহ মিহিৰে কামাখ্যা দৰ্শন কৰিবলৈ আহি লেহিডঙ্গা গাৱঁত এৰাতি থাকে আৰু ডাকৰ মাকৰ শুশ্ৰূষাত সন্তুষ্ট হৈ তেওঁক পুত্ৰ হ’বৰ কাৰণে এটি বৰ দিয়ে। পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ মতে খ্ৰীঃ অষ্টম শতিকাত ডাকৰ বচনবোৰ লিপিবদ্ধ কৰা হৈছিল। কালিৰাম মেধিয়ে কয় যে ডাক চতুৰ্দ্দশ শতিকাৰ শেহ ভাগত বা পঞ্চদশ শতিকাৰ আগভাগত জন্ম হৈছিল। তেওঁ আৰু কয় যে বিক্ৰমাদিত্য ৰজা কেবাজনো আছিল; আৰু তেওঁ শকাব্দ প্ৰচলন কৰোঁতা বিক্ৰমাদিত্য বা একাদশ শতিকাৰ মালৱৰ ভোজ ৰজা (যাক বিক্ৰমাদিত্য বুলিছিল) হ’ব পাৰে। তেওঁ আৰু উল্লেখ কৰিছে যে ডাকৰ বচনত এফালে বৌদ্ধধৰ্ম্মৰ নীতিমূলক কথা, আনফালে ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰৰ কথাও আছে। অধিক কি, ইয়াত ব্যৱহাৰ হোৱা আৰবী আৰু পাৰ্চী শব্দবোৰ (যেনে:—খত, বাজাৰ, চহৰ, চুক ইত্যাদি) ষষ্ঠ শতিকাত ‘আমাৰ ভাষাত সোমোৱা নাই।’ শ্ৰীযুত দেৱানন্দ ভৰালিয়ে কৈছে যে এই বচনবোৰ ষষ্ঠ শতিকাৰ নহয়; কিয়নো “প্ৰাকৃত যুগৰ ভাষা এনেকুৱা হ’ব নোৱাৰে।” তেখেতে আৰু কয়, “এইটো অৱশ্যে সঁচা যে আমাৰ হাতলৈ যিবোৰ বচন আহিছে সেইবোৰ পূৰ্ব্বৰ গঢ়ৰপৰা বহুত লৰ হৈছে; কিন্তু সেইবুলি সিহঁতক ১০০০ খ্ৰীষ্টাব্দৰ আগলৈ ঠেলিব নোৱাৰি। কাৰণ তেতিয়া হ’লে শব্দবিলাকৰ গঢ় আৰু বচনবোৰৰ ব্যাকৰণ বেলেগ হ’লহেঁতেন।”

ডাকৰ বচনত উল্লেখ আছে যে ‘এদিন এনিশাক লাগি’ ডাকে জন্ম ধৰিলে; আৰু ব্ৰহ্মপুত্ৰৰ পাৰত লগৰ লগৰীয়াই গোটখাই ডাকক পানীত পেলাই মাৰে। এই বিশ্বাসে ডাক পুৰুষৰ শক নিৰ্ণয় কৰাত কোনো সহায় নকৰে। এদিন এনিশালৈ জন্ম ধৰা এজন মানুহৰ গাত শতিকাৰ সাঁচি থোৱা সম্পদ জাপি দিয়া হৈছে। ডাকৰ বচনৰ ভিতৰত সকলো বিধৰ কেনে তাৎপৰ্য্যপূৰ্ণ কথা আছে! জাতীয় জীৱনৰ সুখ-দুখ, অভাব-অভিযোগ, গাৰ্হস্থ্য জীৱনৰ সুখ-সম্ভোগ আদিৰ কথা প্ৰবচনবোৰত পোৱা যায়। ডাক নামৰ এজন মানুহ আছিল নে নাই সেইটো সন্দেহৰ কথা। ডাক নামৰ এজন পুৰুষ নাছিল বুলি ধৰি ল’লে তেওঁৰ বচনবোৰ মানুহৰ মনৰ পৰা জন্ম হোৱা যেন লাগে। উত্তৰ প্ৰদেশ, মিথিলা, বঙ্গ আৰু অসমৰ কিম্বদন্তী, লোকবিশ্বাস আৰু সেই সেই দেশৰ ডাকৰ নামত প্ৰচলিত পুথিবোৰ চালি জাৰি চালে ইয়াকে ক’ব পাৰি যে এই ভাষাসমূহৰ পাতনিৰ সময়ত বা প্ৰাদেশিক বিভাগৰ কালতে ডাকৰ জন্ম হৈছিল।

ডাকৰ বচনত সঞ্চিত জ্ঞানৰ পৰিচয় পোৱা যায়। গাৰ্হস্থ্য জীৱনৰ সকলো লাগতিয়াল সাৰগৰ্ভ কথা ইয়াত পোৱা যায়। ব্যাৱহাৰিক জীৱনত এই বচনবোৰৰ প্ৰভাৱ বিশেষভাবে লক্ষণীয়। ডাকৰ বচনৰ তেৰ-চৈধ্যটা প্ৰকৰণ আছে। এই বচনবোৰ অসমীয়াই 'বেদৰ বাণী'ৰ দৰে চিৰকাল মানি আহিছে।

(১) **জন্মপ্ৰকৰণ :**—*প্ৰসূতি গৃহত পোৱাঁতী বা সন্তানক কেনেভাবে* পৰিচৰ্য্যা কৰিব লাগে আৰু কি কি লোকাচাৰ পালন কৰিব লাগে সকলো এই বচনত পোৱা যায়। যেনে :—

পিৰিক পাৰাক কৰে আগুন।
নালাগে দেখিয়া উঠয় খঙ্গ॥
হেন দেখি পাছে মাতিলা ডাক।
পোৱাতী ৰাখিয়া চা পুতাক॥
এক কাঠে লাৰি চাৰি।
দুই কাঠে ফু মাৰি॥
তিনি কাঠে কৰি এক।
যেনে লাগে তেনে সেক॥
ধুৱাই খুৱাই কোলে লৈবে তেৱে।
ভালে ভালে ফুল পৰিল যেৱে॥
জয়ধ্বনি কৰি নাড়ী কাটিব।
দৃঢ় বুদ্ধি কৰি নাড়ী বান্ধিব॥

(২) **ধৰ্ম্ম প্ৰকৰণ :**—

ব্ৰাহ্মণৰ পিতৃ দেৱ অৰ্চ্চন।
ক্ষেত্ৰিয় সবৰ প্ৰজা পালন॥
শূদ্ৰৰ স্বধৰ্ম্ম নীতি সেৱন।
বৈশ্যৰ বাণিজ্য ধন আৰ্জ্জন॥
যেবেসে ধৰ্ম্মক কৰিব জানি।
পুখুৰী খান্দিয়া ৰাখিব পানী॥
বৃক্ষ ৰোপনত অধিক ধৰ্ম্ম।
মঠ মণ্ডপত শোভন কৰ্ম্ম॥

কোনে কোনো লোকে ভাবে যে ওপৰৰ কথাই বৌদ্ধ প্ৰভাৱৰ ইঙ্গিত দিয়ে; কিন্তু এই ইঙ্গিত কেতিয়াও সুস্পষ্ট নহয়। ইয়াতকৈ ভক্তি ধৰ্ম্মৰ ইঙ্গিত বেচি স্পষ্ট।

(৩) **নীতি প্ৰকৰণ :**—

'উকথা ঘৰত বাৰিষা থাকে।
যুৱতী কন্যাক বাপেকে ৰাখে॥
জাপি লাঠি টনা
ইয়াক এৰিলে দিনতে কণা॥

*　　*　　*

শীয়ে, পীয়ে, লিয়ে।
এই তিনি চাৰি ওপৰত জীয়ে॥

নিষ্ফল জীৱন নিতে লোৰে থৰি।
নিষ্ফল জীৱন থকৱা নিয়ে ধৰি॥
নিষ্ফল জীৱন পৰত কৰে আশ।
নিষ্ফল জীৱন খণ্ড প্ৰবাস॥

*　　*　　*

(৪) ৰাজনীতি প্ৰকৰণ :—

বজাক চিনিবা দানত। খুৰক চিনিবা শাণত।
ঘোৰাক চিনিবা কাণত ॥ তিৰীক চিনিবা স্নানত ॥

*   *   *

কোন সাধু কোন চোৰ চিনা সব টান।
বিত্ত পালে সকলোৱে এবিবেক মান ॥

(৫) ৰন্ধন প্ৰকৰণ :—

চাউল দিবা যতেক ততেক। পকা তেতেলী বুঢ়া ৰৰালী।
পানী দিবা তিনি তেতেক ॥ বিস্তৰ কৰিয়া দিবা জালি ॥
যেবে দেখিবা নিসিজে চাউল। কাঢ়ি থৈয়া দিবা টেঙা জোল।
তেবে বুলিবা ডাকক বাউল ॥ খাইবাৰ বেলা মুণ্ড নোতোল ॥

*   *   *

(৬) গৃহিণী লক্ষণ :—

শুদ্ধভাবে শুদ্ধবংশে উৎপত্তি। সম সক দন্ত লাৱণ্য মত।
পতি পদ বিনে আনত নাই মতি ॥ গৃহে বাতি দেই সন্ধ্যা বেলাত ॥
মধুৰ বচন বোলে সদায়। ৰন্ধন কৰয় বচন মিষ্ট ॥
স্বামীৰ বচন কিছু নেপেলায় ॥ সেই গৃহিণীৰ বোলয় ইষ্ট ॥

*   *   *   *   *   *

ঘৰৰ ঢেঁকী পৰক যায়। টীক বলধা ওলাই মাটি।
ডাকে বোলে তাইক পৰেসে বায় ॥ মাক ভালে জীয়েক জাতি ॥

(৭) পৰিত্যাগ কথন :—

তিনি নাৰী যাৰ একেটি স্বামী। পৰিহৰ শুকটী মৎসৰ কোল।
তাক পৰিহৰ বোলোহো আমি ॥ পৰিহৰ অসতী জনৰ বোল ॥
পৰিহৰ সততে পৰ অন্ন আশ। পৰিহৰ মন্দিৰ সমুখে বাট।
পৰিহৰ শূন্য নগৰে নিবাস ॥ পৰিহৰ যুবতী যি কৰে হাট ॥

বচনবোৰত তিৰোতাৰ প্ৰতি এটা কন্ম মনোভাৱ আৰু কঠোৰ শাসনৰ উদ্দেশ্য প্ৰকট হৈ উঠিছে—

"পাইকক পিয়ল ভাটৌক নিহল।
অস্ত্ৰত শিল তিৰীক কিল ॥"

(৮) **স্বাস্থ্যবিষয়ক কথন :—**

আঁঠত তিতা দাঁতত লোণ । চক্ষুত পানী নাভিত তেল !
উদৰৰ ভৰিবা তিনি কোণ ॥ বোলন্ত ডাকে সিদ্ধৰ মেল ॥

(৯) **বৃষ লক্ষণ :**—ডাকৰ বচনৰ ভিতৰত খেতি আৰু খেতিৰ আৱশ্যকীয় কামৰ কথাবোৰে অধিক ঠাই অধিকাৰ কৰিছে। গৰু, নাঙল, কোৰ, বতৰ, বৰষুণ আদি সকলো কথাৰ বিচাৰ এই বচনত পোৱা যায়। গৰু কিনোতে মানুহে আজিও মনত ৰাখে—

গৰু কিন যদি চিত পাথৰ । গৰু কিনিবা নিঘুণ বগা ।
তাক মেলিয়ো একে আথাৰ ॥ বোলন্ত ডাকে মই হওঁ লগা ॥
টকা নেজা ঠুঁটৰি চুটি । গৰু কিনিবা দীঘল নেজা ।
সেইটো জানিবা গৰিয়া গুটি ॥ মৈত উঠিলে নহয় কুঁজা ॥

(১০) **কৃষি লক্ষণ :—**

ৰ'দ বৰিষণে সমে যাই । মাঘী সপ্তমীত বৰিষে দেৱ ।
তেবেসে কৃষিৰ লাভক পাই ॥ বেহা এৰি কৰ নাঙল সেৱ ॥

(১১) **খেতি বৰ্ণন :—**

ধনৰ মধ্যত ধানেসে শোভন । তিনিশ যাঠি জোপা কৰা কল ।
ধান নহলে মৰা তেতিক্ষণ ॥ মাসেকে পষেকে চিকুণাবা তল ॥
* * * পাত পচলা লাভত খাবা ।
নাঙল বলদত সবাৰে আশ । লঙ্কাৰ বনিজ ঘৰতে পাবা ॥
যাৰ নাই তাৰ সকলে নাশ ॥ আসিন্নাত গোবৰ । মনোহৰত জাধৰ ॥
* * * পুৰাত খাই । মালভোগত ছাই ॥

(১২) **বৰ্ষা লক্ষণ :—**

আহাৰৰ নৱমী শুক্লা পক্ষত । জালুকত গোবৰ পানত মাটি ।
যদি নববিষে ভূমি তলত ॥ কলপুলি কৰা তিনিবাৰ কাটি ॥
হাল ভুনাইবে চিন্তিয়া দেৱ । যদি বৰিষয় জলৰ কণা ।
ৰজাৰ গৃহত কৰিও সেৱ ॥ ৰঙ্গ কৰি নাচে কৃষক জনা ॥
* * *
বৰ্ষা কালত বেঙৰ ৰাও ।
হাল গৰু লৈয়া পথাৰক ধাও ॥

(১৩) জ্যোতিষ প্ৰকৰণ :—

শীত সৰিয়হ মীত মাহ। ভাদৰ চাৰি আহিনৰ চাৰি।
শৰণত নেকাটে বেঁত বাঁহ ॥ মাহ ব'ৰা বিমান পাৰি ॥

ডাকৰ চিনাকি :—ডাক-চৰিতৰপৰা ডাক পুৰুষৰ চিনাকি দিয়া হ'ল—

বৰপেটাৰ ওচৰৰ লেহিডঙ্গৰা গাৱঁত ডাকৰ জন্ম হয়। এই গাৱঁক এতিয়াও ডাকৰ গাওঁ বুলি কয়। ডাক কুমাৰৰ ল'ৰা। বাপেকৰ ককাই-ভাই সাতজন। এই সাতজনৰ ভিতৰৰ সৰু জনৰ ল'ৰালুৰি নাছিল। এদিন মিহিৰ মুনি সেই ঘৰত থাকিব লগা হ'ল। বুঢ়ীমাকে ঘৰত পুতেকহঁত নাই বুলি ক'লে। মিহিৰে একো নেলাগে বুলি কেৱল শুবলৈ দুডালমান খেৰ বিচাৰিলে। বুঢ়ীয়ে সৰু বোৱাৰীয়েকক অতিথিৰ আলপৈচান ধৰিবলৈ ক'লে। মিহিৰ মুনি সন্তুষ্ট হৈ তাইক এটা ল'ৰা হবলৈ বৰ দিলে।......যথাসময়ত সৰু বোৱাৰীয়েকৰ এটি সন্তান জন্ম হ'ল। উপজিয়েই সন্তানে মাকক মাতিলে আৰু এন্ধাৰ দেখি জুই ধৰিবলৈ ক'লে। মাকে ওপজা ল'ৰাৰ মাত শুনি চিঞৰ-বাখৰ কৰাত দুজনীমান তিৰোতা আহিল। তেওঁলোকে তুঁহ জুই জ্বলোৱাত বেলি কৰাত ডাকে কেনেকৈ জুই ধৰিব লাগে ক'লে। জুই জ্বলিল। কেনেকৈ নাভী কাটিব লাগে আৰু প্ৰসূতিৰ কাষত কি কি থ'ব লাগে ডাকে তাকো ক'লে। ডাক উপজিবৰ দিনা ৰাতি বুঢ়ীৰ পুতেকহঁত টঙিত আছিল। ৰাতিপুৱা সন্তান হোৱা বাতৰি পাই তেওঁলোক ঘৰলৈ আহে। কিন্তু ল'ৰাৰ কথা শুনি তেওঁলোকে তাক খেৰণিত থৈ আহে। তিনদিনৰ মূৰত খেৰণিলৈ গৈ তেওঁলোকে ডাকৰ নিৰ্দ্দেশমতে খেৰৰ গোট বান্ধে আৰু ল'ৰাটোক ঘৰলৈ লৈ আহে। বয়সৰ লগে লগে ডাকৰ বিদ্যা বুদ্ধি আৰু অভিজ্ঞতা বাঢ়িবলৈ ধৰিলে। ডাকৰ যশৰ কথা শুনি মিহিৰমুনি দ্বিতীয়বাৰ কামৰূপলৈ আহিল। মিহিৰে ডাকক তৰ্কত পৰাস্ত কৰিব নোৱাৰি 'মাতৃৰ লগত' থাকিবলৈ কৈ দেশলৈ উভতি গ'ল। এদিন ভেঁট তুলিবলৈ যাওঁতে পানীত পৰি কম বয়সতে ডাকৰ মৃত্যু হ'ল। এয়ে ডাকৰ চমু চিনাকি।

৩। **মন্ত্ৰ-সাহিত্য :**—ভাৰতীয় মন্ত্ৰ-সাহিত্যক ডঃ এম্ উইণ্টাৰনিজে গণকাব্য (popular poetry) বুলিছে। তেওঁ কয় যে অথৰ্ব্ববেদৰ মন্ত্ৰসমূহো পোনতে গণকাব্য আছিল। আমাৰ মন্ত্ৰসমূহকো গণকাব্য বুলিব পাৰি। মন্ত্ৰসমূহৰ কাল নিৰ্ণয় কৰা টান আৰু সকলো মন্ত্ৰ একে সময়তে ৰচিত হোৱা

নাই। সম্ভৱ এই মন্ত্রসমূহ বিভিন্ন সময়ত গঢ়ি উঠিছে। "অধিক ভাগ মন্ত্রই যে শঙ্কৰদেৱৰ আবির্ভাৱৰ পূর্ব্বে ৰচনা হৈছিল সেই কথা কেইবাটাও যুক্তিৰে অনুমান কৰিব পাৰি। মন্ত্রসমূহৰ বিষয়-বস্তু বিশ্লেষণ কৰিলে সেইবোৰৰ ওপৰত বৌদ্ধ মহাযান ধৰ্ম্মৰ মন্ত্রযান শাখাৰ প্ৰভাৱ পৰিছে বুলি অনুমান হয়। মন্ত্রযান শাখাৰ অভ্যুদয় কাল খ্ৰীষ্টীয় সপ্তম শতিকাৰ পিছত" (ডঃ বৰুৱা)। কোনো কোনো মন্ত্রত কোৰাণ, কৰমা, ফিৰিঙ্গি আদিৰ ব্যৱহাৰ পোৱা যায়। মিথিলা, বঙ্গদেশ, পাঞ্জাব আদি ঠাইত মন্ত্রৰ প্ৰচলন আছে। চাৰ এডোৱার্ড গেইটৰ মতে প্ৰায়বোৰ তন্ত্রশাস্ত্র কামৰূপত ৰচিত হৈছিল। কামৰূপ তন্ত্রমন্ত্রৰ কাৰণে বিখ্যাত। ডঃ জয়কৃষ্ণ মিশ্ৰই কয় যে শাক্ত আৰু তান্ত্রিক ধৰ্ম্ম প্ৰচলনৰপৰা বহুত মন্ত্র সৃষ্টি হৈছে। উইণ্টাৰনিজে কয় যে শাক্ত আৰু শৈৱ ধৰ্ম্মৰ তান্ত্রিক বা ধৰ্ম্মবিষয়ক কথা অষ্টম শতিকাত অসমৰপৰা তিব্বত আৰু চীন দেশলৈ যায়। এই দেশ অষ্ট্রিক, দ্রাবিড়, আৰ্য্য আৰু তিব্বতী ভাষা-ভাষী সকলৰ মিলন কেন্দ্ৰ আছিল ; আৰু এওঁলোকৰ ৰীতি-নীতি বিশ্বাস আদি মিহলি হৈ তান্ত্রিক ধৰ্ম্মৰ সূচনা কৰিলে। সেই কাৰণে অসম মধ্য যুগত তান্ত্রিক ধৰ্ম্মৰ সাৰুৱা ভূমি হৈ পৰিল। বৌদ্ধ ধৰ্ম্মৰ তান্ত্রিক উপাসনা আৰু সাধনমালাত উল্লেখ থকা কামাখ্যা, শ্ৰীহট্ট, পূর্ণগিৰি আৰু ওদ্দিয়ান এই চাৰিখন পীঠৰ প্ৰথম দুখন অসমত। ভাস্কৰবৰ্ম্মাৰেপৰা আৰম্ভ কৰি ধৰ্ম্মপাললৈকে (প্ৰথম দুখন তামৰ ফলি) শাসন প্ৰশস্তিৰপৰা অসমত শৈৱ-শাক্ত ধৰ্ম্ম প্ৰচলনৰ কথা পাওঁহক। দশম শতিকাৰ কালিকা পুৰাণ আৰু পঞ্চদশ শতিকাৰ যোগিনী তন্ত্র পুথিত পুৰণি অসমত শৈৱ-শাক্ত ধৰ্ম্ম প্ৰচলনৰ কথা পোৱা যায়। খ্ৰীষ্টীয় নৱম শতিকাত কামৰূপলৈ অহা শঙ্কৰাচাৰ্য্যক তান্ত্রিক অভিচাৰ-মন্ত্রেৰে (কুমন্ত্রেৰে) পৰাজিত কৰাৰ কথাও তাৎপৰ্য্যপূর্ণ। শিখ ধৰ্ম্মগ্রন্থ আৰু মোগল বুৰঞ্জীত অসমত প্ৰচলিত তন্ত্র-মন্ত্রৰ উল্লেখ আছে। আইন-ই-আকবৰি গ্ৰন্থত সেই কালৰ অসমৰ তান্ত্রিক ধৰ্ম্মৰ ভীষণ মূৰ্ত্তিৰ কথা পোৱা যায়। কামাখ্যা মন্দিৰ আৰু তাম্ৰেশ্বৰী মন্দিৰৰ দেৱী পূজাত নৰবলি দিয়াৰ প্ৰথা সেই কালত প্ৰচলন আছিল। এসময়ত উত্তৰ লক্ষীমপুৰৰ নাৰায়ণপুৰৰ ফুলবাৰী অঞ্চল আই পূজাৰ কেন্দ্ৰস্বৰূপ আছিল। আইনামত উল্লেখ থকা ঠাই ফুলবাৰী, পিছলা আদি উত্তৰ লক্ষীমপুৰ মহকুমাতে।

"যোগিনী তন্ত্রমতে কামৰূপ গুহ্যতীর্থ। তাৰ্ক্ষ্যতন্ত্র আৰু কুব্জিকা তন্ত্রত কামৰূপক মহাপীঠ বোলা হৈছে। মহানীল তন্ত্রমতে কামৰূপ পীঠৰ ভিতৰত শ্ৰেষ্ঠ আৰু মহাফলপ্ৰদ। কামৰূপক দেৱীক্ষেত্র বোলা হৈছে। যোগিনী তন্ত্রত

আছে, 'অন্যত্র বিৰলা দেৱী কামৰূপে গৃহে গৃহে।' ত্ৰেতাযুগৰেপৰা যুগে যুগে প্ৰাগজ্যোতিষপুৰ বা কামৰূপ ৰাজ্যৰ মাহাত্ম্য পৰিকীৰ্ত্তিত হৈ আছে।"

"মন্ত্ৰ সাহিত্য প্ৰধানকৈ অসমীয়া ধাৰ্ম্মিক বিশ্বাসৰ ইতিহাস। দেৱতা-অপদেৱতা, বিপদ-আপদ, বেমাৰ-আজাৰ, শত্ৰু আৰু জন্তুৰ ভয়ৰপৰা ব্যক্তি, সমাজ, শস্যসম্পদক ৰক্ষা কৰিবলৈ কৰা পূজাপদ্ধতিৰ উল্লেখ মন্ত্ৰ-সাহিত্যত আছে।···দ্বিতীয়তে, এই মন্ত্ৰ-সাহিত্যক ৰামায়ণ, মহাভাৰত, পুৰাণ আদিৰ লোক সংস্কৰণ বুলিব পাৰি।····তৃতীয়তে, মন্ত্ৰসমূহত সংৰক্ষিত হৈছে অসমীয়াৰ প্ৰাচীন আয়ুৰ্ব্বেদ সম্বন্ধীয় জ্ঞান আৰু বিশ্বাস।····কোনো কোনো মন্ত্ৰ ৰাষ্ট্ৰৰক্ষা আৰু শাসন সম্পৰ্কীয়।····কিছুমান মন্ত্ৰ গাৰ্হস্থ্য জীৱনত পালিবলগীয়া নীতি-নিয়ম সম্পৰ্কীয়।

"সম্ভৱতঃ খ্ৰীষ্টিয় দশম-একাদশ শতিকাৰপৰা অসমত মন্ত্ৰৰ প্ৰচলন ব্যাপক-ভাৱে হৈছিল" (ডঃ বিৰিঞ্চি কুমাৰ বৰুৱা)।

অসমীয়া মন্ত্ৰসমূহৰ ওপৰত তান্ত্ৰিক ধৰ্ম্মৰ প্ৰভাৱ অতি স্পষ্ট। এই মন্ত্ৰবোৰ মধ্যযুগৰ লোকবিশ্বাসৰ বুৰঞ্জীৰ নিচিনা। ইয়াৰ ওপৰত মহাযান বৌদ্ধধৰ্ম্মৰ কিছু প্ৰভাৱ পৰাৰ কথা **কথা-গুৰু-চৰিতৰ** ঘটনাৰ পৰাই বুজিব পাৰি। মন্ত্ৰ-পুথিসমূহৰ ভিতৰত **কৰতী পুথি, বীৰাজৰা মন্ত্ৰ পুথি, সাপৰ ধৰণী মন্ত্ৰ, সৰ্ব্বঢাক মন্ত্ৰ, শুচী মন্ত্ৰ** আদি প্ৰধান। অব্ৰাহ্মণ বেজে ব্যৱহাৰ কৰা প্ৰথাৰপৰা এই মন্ত্ৰ যে বেদৰ বাহিৰৰ সাহিত্য তাক সহজে অনুমান কৰিব পাৰি। **ব্ৰহ্ম কৰতীত** ইয়াক 'ওভোটা বেদ' বুলিছে। মন্ত্ৰত অতি-প্ৰাকৃত জীৱৰ উল্লেখ পোৱা যায়। যেনে :—দৈত্য, দানৱ, ভূত, প্ৰেত, পিশাচ, যক্ষ ইত্যাদি। ৰামায়ণ-মহাভাৰতৰ কথা, লৌকিক আখ্যান আৰু পুৰাণ-উপপুৰাণৰ বিবিধ আখ্যান ইয়াত আছে। মন্ত্ৰসমূহ বেদসম্মত কৰিবৰ কাৰণে ওঁ, স্বাহা আদি মঙ্গল-বচন পোৱা যায়। যেনে :—'সৰ্ব্বাক নাশায় স্বাহা। স্বাহা ওকং সৰ্ব্ব গ্ৰহ নাশায় স্বাহা।' কোনো কোনো মন্ত্ৰৰ শেহত উং, আং, হ্ৰীং, উম্, ফট্ আদি গুপ্ত অৰ্থ থকা ধ্বনি পোৱা যায়। বৌদ্ধ তন্ত্ৰতো এনে ব্যৱহাৰ পোৱা যায়। যেনে :—ওম, শ্ৰী, বজ্ৰ, হে, রু-রু, কম্, হুম্-হুম্-ফট্ ইত্যাদি। মন্ত্ৰ-সাহিত্যত গুৰুৰ প্ৰাধান্য মানি লোৱা হৈছে। যেনে :—'গুৰুক সুমৰি সাত প্ৰহৰৰ বাট বাওঁ' (কৰতী পুথি) ইত্যাদি। মন্ত্ৰপুথিৰ গদ্যও পদ্য-ধৰ্ম্মী। "ব্ৰহ্মাৰ বচনে মেলিলো বোলনি, পৃথিৱী লৰিলা লগে। চৈধ্যখান ব্ৰহ্মাণ্ড কম্পিবাক লৈলা শুনিয়া শবদ। মই বোলনি আছো চাই সমস্ত ভূত

প্ৰেতগণ লগ পাই। কুবেৰে বোলে মই লৰি গৈলো। বোলনিৰ লগত মই বাউল ভৈলো।" (বড় হেসুলী মন্ত্ৰ)

মন্ত্ৰবোৰত অদ্ভুত আৰু ভয়ানক ৰসেই বেছি দেখা যায়। মোহিনী-মন্ত্ৰত শৃঙ্গাৰ ৰসৰ আভাস পোৱা যায়।

তন্ত্ৰবোৰ সাধাৰণতে হৰ-পাৰ্ব্বতীৰ কথোপকথনেৰে আৰম্ভ হয়। ইয়াৰ ভাষা সংস্কৃত। সম্ভৱ বৌদ্ধযুগ বা তাৰ পিচত এই তন্ত্ৰবোৰ ৰচিত হৈছিল। তন্ত্ৰ-শাস্ত্ৰত কামৰূপৰ মাহাত্ম্য বিস্তৃতভাৱে বৰ্ণোৱা আছে।

চতুৰ্থ অধ্যায়
উমৈহতীয়া সাহিত্য

নাথ-ধৰ্ম্ম—নাথ-ধৰ্ম্মৰ বুৰঞ্জী আলোচনা কৰিলে দেখা যায় যে মৎস্যেন্দ্ৰনাথ এই ধৰ্ম্মৰ প্ৰতিষ্ঠাতা আছিল। কিন্তু এই ধৰ্ম্মৰ স্বৰূপ সম্বন্ধে দুটা মত পোৱা যায়। কোনো কোনোৱে ভাবে যে নাথ সম্প্ৰদায় মূলতঃ বৌদ্ধ-তান্ত্ৰিক ধৰ্ম্মসম্প্ৰদায়ৰপৰা উদ্ভুত। কোনো কোনোৱে আকৌ শৈব-সম্প্ৰদায়ৰ সৈতে নাথ-সম্প্ৰদায়ৰ সম্পৰ্ক স্থাপন কৰিব খোজে। এইটো নিসন্দেহে কব পাৰি যে এই ধৰ্ম্ম-আচৰণৰ আদৰ্শত বৌদ্ধ আৰু বিভিন্ন হিন্দু-তান্ত্ৰিকতাৰ প্ৰভাৱ স্পষ্ট। তথাপি মূলতঃ নাথ-ধৰ্ম্ম সিদ্ধসকলৰ ধৰ্ম্মৰেই এটা বিশেষ ৰূপ। সিদ্ধই যি বাটৰ সঙ্কেত দিলে তাক ৰাজ-মাৰ্গ কৰাৰ কাম নাথ-সম্প্ৰদায়ে কৰিলে। মহাপণ্ডিত ৰাহুল সংকৃত্যায়নে নাথ-পন্থ চৌৰাশী সিদ্ধৰপৰা ওলোৱা বুলি কৈছে ('নাথপন্থ চৌৰাসী সিদ্ধোঁ সে নিকলা হে।')। এই প্ৰসঙ্গত ডঃ শশিভূষণ দাসগুপ্তই একে সিদ্ধান্ত কৰিছে—'The Nath Cult seems to represent a particular phase of the Siddha Cult of India. This Siddha Cult is a very old religious Cult of India with its main emphasis on a psychochemical process of Yoga, known as the Kaya Sadhana or the culture of body with a view to making it perfect and immutable

and thereby attaining an immortal spiritual life." ইয়াৰপৰা অনুমান কৰিব পাৰি যে নাথ সম্প্ৰদায় সিদ্ধ-সম্প্ৰদায়ৰ বিকশিত আৰু শক্তিশালী ৰূপ। নাথ-সম্প্ৰদায়ৰ ওপৰত কৌল-পন্থৰ কিছু প্ৰভাব পৰিছে। কৌল-পন্থত অষ্টাঙ্গযোগৰ যি ধাৰণা আছে সেইটো সাধনাৰ ৰূপত নাথ-সম্প্ৰদায়ত চলি আহিছে। নাথ সিদ্ধসকলৰ ঘাই আদৰ্শ জীৱন-মুক্তিৰ সাধনা। তেওঁলোকে নিৰীশ্বৰবাদী শূন্যক ঈশ্বৰবাদী শূন্য কৰিছে। নাথ-সম্প্ৰদায়ৰ শূন্যক কবীৰে আগবঢ়াই "সহস্ৰদলকমল" শূন্য বুলি মানিলে। নাথ-সম্প্ৰদায়ত গুৰু-মন্ত্ৰ নাইবা গুৰু-দীক্ষাৰ বিশেষ স্থান আছে। এই সম্প্ৰদায়ত সংসাৰৰ বান্ধোনৰপৰা মুক্ত হোৱাৰ বিধি-ব্যৱস্থা আছে আৰু এই বৈৰাগ্য গুৰুৰ সাহায্যত হয়। নাথ-সম্প্ৰদায়ে নৱনাথৰ চৰ্চ্চা কৰে। পৰৱৰ্ত্তী কবিসকলেও চৌৰাশী সিদ্ধ আৰু নৱনাথৰ সঙ্কেত দিছে। কবীৰে লিখিছে, "সিধ চউৰাসীহ মাইআ মহি খেলা" আৰু "নাৱৈনাথ সুৰুজ অৰ চন্দা" (সন্ত কবীৰ, পৃষ্ঠা ২১৯—১২০, সাহিত্য ভৱন এলাহাবাদ)। শিৱই নাথ-সম্প্ৰদায়ৰ আৰাধ্য দেৱতা। শিৱই পোনতে যোগৰ শিক্ষা পাৰ্ব্বতীক দিয়ে। মৎস্যেন্দ্ৰনাথে মাছৰ ৰূপ ধৰি মনে মনে তাক শুনিলে। এইদৰে মৎস্যেন্দ্ৰনাথে যোগ শিক্ষা লাভ কৰি স্বীয় শিষ্য গোৰক্ষনাথক তাৰ জ্ঞান দিয়ে। গুপ্তভাবে যোগৰ শিক্ষা লাভ কৰাৰ কাৰণে যেতিয়া মৎস্যেন্দ্ৰনাথ মোহৰ জৰীৰে বান্ধ খাবলৈ অভিশপ্ত হৈছিল তেতিয়া গোৰক্ষনাথে গুৰুক উদ্ধাৰ কৰে।

নাথ-সম্প্ৰদায়ৰ 'নৱনাথ' হৈছে—(১) আদিনাথ, (২) মৎস্যেন্দ্ৰনাথ, (৩) গোৰখনাথ, (৪) গাহিনীনাথ, (৫) চৰ্পটনাথ, (৬) চৌৰঙ্গীনাথ, (৭) জ্ঞানেন্দ্ৰনাথ, (৮) ভৰ্ত্তৃনাথ, আৰু (৯) গোপীচন্দ্ৰনাথ।

নাথ-সম্প্ৰদায়ৰ সৰ্ব্বপ্ৰথম আচাৰ্য্য হৈছে আদিনাথ। পৰৱৰ্ত্তী সন্তসকলে শিৱক আদিনাথ বুলি মানে। মৎস্যেন্দ্ৰনাথক মীননাথ আৰু মছন্দৰ বোলে। এওঁ চতুৰ্থ বোধিসত্ত্ব অৱলোকিতেশ্বৰ নামেৰেও প্ৰসিদ্ধ। এওঁক নেপালত আৰাধ্যদেৱ ৰূপত গোৰখনাথৰ আগতে মানে। এওঁ কামৰূপৰ সিদ্ধ। গোৰক্ষনাথ ধৰ্ম্ম-সাহিত্যৰ এক ডাঙৰ সন্ত-কবি। এওঁৰ সংস্কৃত গ্ৰন্থসমূহৰ ভিতৰত গোৰক্ষশতক, চতুৰ্শীত্যাসন, জ্ঞানামৃত, যোগচিন্তামণি, যোগসিদ্ধান্তপদ্ধতি, বিবেকমাৰ্ত্তণ্ড, সিদ্ধসিদ্ধান্ত পদ্ধতি আদি উল্লেখযোগ্য। নাথ সিদ্ধসকলৰ ভিতৰত যিসকল শ্ৰেষ্ঠ তেওঁলোক দশম-একাদশ-দ্বাদশ শতিকাৰ ভিতৰত আবিৰ্ভূত হৈছিল। পৰৱৰ্ত্তী কালত ক্ৰমশঃ এই ধৰ্ম্ম-সম্প্ৰদায়ৰ বিপৰ্য্যয় ঘটে।

নাথ-সাহিত্য—নাথ-ধৰ্ম্মৰ গৌৰৱৰ যুগতেই নাথ-সাহিত্যৰো বিকাশ হৈছিল। মীননাথ, গোৰক্ষনাথ, হাড়ীপা, কানুপা আৰু ময়নামতীৰ জীৱদ্দশাতেই হয়তো তেওঁলোকৰ বিষয়ে কোনো আখ্যায়িকা বা কাব্য ৰচনা নহব পাৰে তথাপি তেওঁলোকৰ অব্যৱহিত পৰবৰ্ত্তী কালতে সেইবোৰ কাহিনী-কাব্যৰ জঁকাটো অন্ততঃ সৰ্ব্বভাৰতীয় ভাষাতেই প্ৰচলিত আছিল বুলি ডঃ শশিভূষণ দাসগুপ্তই মত প্ৰকাশ কৰে।

গোপীচন্দ্ৰ আৰু ময়নামতী—চাৰ জৰ্জ্জ গ্ৰীয়াৰ্চনে পোনতে ১৮৭৮ চনত ভাটীৰ ৰংপুৰত প্ৰচলিত কিছুমান লোক গীতি সংগ্ৰহ কৰি এচিয়াটিক চোচাইটিৰ জৰ্নেলত (প্ৰথম ভাগ ৩নং) "মানিকচন্দ্ৰ ৰাজাৰ গান" বুলি প্ৰকাশ কৰে। তাৰ পিচত কলিকতা বিশ্ববিদ্যালয়ে গোপীচন্দ্ৰৰ গান আৰু ময়নামতীৰ গানৰ দুটা সংগ্ৰহ প্ৰকাশ কৰে। এই গীতবোৰ বঙ্গদেশে দাবী কৰিলেও মূলতে যে এইবোৰ অসমীয়া তাক ভালকৈ চালে বুজিব পাৰি।

গোপীচন্দ্ৰৰ (গোপীচন বা গোবিন্দচন্দ্ৰ) গান বিহাৰ, অযোধ্যা, পঞ্জাব, ৰাজপুতনা, মধ্যভাৰত, মহাৰাষ্ট্ৰ আদি ঠাইত সৰবৰহী। গোপীচন্দ্ৰই একাদশ-দ্বাদশ শতিকাত ৰাজত্ব কৰিছিল। খ্ৰীষ্টীয় একাদশ শতিকাৰ প্ৰথম ভাগৰ দাক্ষিণাত্যৰ ৰজা ৰাজেন্দ্ৰ-চোলৰ তিৰুমলয়ৰ উৎকীৰ্ণ শিলালিপিৰপৰা বুজা যায় যে ৰজা ৰাজেন্দ্ৰচোলে গোবিন্দচন্দ্ৰক পৰাস্ত কৰিছিল। ৰাজেন্দ্ৰচোল ১০৬৩ৰ পৰা ১১১২ খ্ৰীষ্টাব্দলৈকে জীয়াই আছিল। এই গোবিন্দচন্দ্ৰই মাণিকচন্দ্ৰ ৰজাৰ পুতেক। গোপীচন্দ্ৰৰ গানৰ ভাব বৌদ্ধ জগতৰ বুলি চাৰ গ্ৰীয়াৰ্চন, ডঃ দীনেশ সেন আদিয়ে অনুমান কৰে। গীতত বৌদ্ধসকলৰ উপাস্য ধৰ্ম্মৰ (যেনে—ধৰ্ম্মেৰ শৰণ কৰিয়া, ধৰ্ম্মেৰ থান ইত্যাদি) উল্লেখ আছে। নাথ-ধৰ্ম্মৰ মহাজ্ঞানৰ কথাও ইয়াত পোৱা যায়। বৌদ্ধধৰ্ম্মৰ অৱনতিৰ যুগৰ দেৱতা যম আৰু নাথ-যোগীৰ ধৰ্ম্মমত এক কৰি গান ৰচা হৈছে। একাদশ আৰু দ্বাদশ শতিকাৰ পৃথিবীৰ লৌকিক সাহিত্যত ডাইনী, পুৰোহিত আৰু সিদ্ধসকলৰ অলৌকিক শক্তিৰ প্ৰতি জনসাধাৰণৰ যি বিশ্বাস আছিল গোপীচন্দ্ৰৰ গান আৰু ময়নামতীৰ গান তাৰে নিদৰ্শন। গোপীচন্দ্ৰৰ (গোবিন্দচন্দ্ৰৰ) কাহিনী সৰ্ব্বভাৰতত অভূতপূৰ্ব্ব জনপ্ৰিয় হোৱাৰ কাৰণ নিৰ্ণয় কৰিবলৈ গৈ ডঃ নলিনীকান্ত ভট্টাশালীয়ে মন্তব্য কৰিছে, "গোবিন্দচন্দ্ৰৰ দৰে এজন ভাগ্যবান যুৱকে নবীন যৌৱনত ওঠৰ বছৰ বয়সত সকলো ৰাজ্য-ধন সুখ-সম্পদ বিসৰ্জ্জন দি সন্ন্যাসী হৈ যোৱাৰ নিচিনা কৰুণ ঘটনা জগতত বৰ বেচি ঘটা নাই"। সেই গোপীচন্দ্ৰৰ গানে কৰুণৰসৰ উদ্ৰেক

কৰে। গীতৰ বিষয়বস্তু হৈছে মাণিকচন্দ্ৰৰ মৃত্যুৰ পাচত পুত্ৰ গোপীচন্দ্ৰ জন্ম হয়। হৰিচন্দ্ৰ ৰাজাৰ জীয়েক অদুনা আৰু পদুনাৰ সৈতে গোপীচন্দ্ৰৰ বিয়া হয়। জ্ঞানসিদ্ধা ময়নামতীৰ বুজনিত গোপীচন্দ্ৰই সন্ন্যাস অৱলম্বন আৰু হাড়ীপাৰ শিষ্যত্ব গ্ৰহণ কৰে আৰু শেষত হাড়ীপাৰ কৃপাত ৰাজ্যলাভ কৰে ইত্যাদি। নেপালত ৰচিত 'গোপীচন্দ্ৰৰ নাটক' নামৰ এখন পুথি পোৱা গৈছে বুলি ডঃ সুকুমাৰ সেনে উল্লেখ কৰিছে।

ময়নামতীৰ গানৰ বিষয়বস্তু হৈছে তিলকচন্দ্ৰৰ কন্যা শিশুমতীয়ে গোৰক্ষনাথৰপৰা মহাজ্ঞান লাভ কৰি ময়নামতী নাম লোৱা, ময়নামতীৰ মাণিকচন্দ্ৰ ৰজাৰ সৈতে বিয়া, স্বামীয়ে ১০৮গৰাকী তিৰোতা বিয়া কৰোৱাৰ কাৰণে তেওঁৰ ফেৰুচা নগৰত বাস, স্বামীৰ মৃত্যুত সহমৃতা হবলৈ ওলোৱা, দেৱতাৰ অনুগ্ৰহত বৰ-লাভ, গোপীচন্দ্ৰৰ জন্ম, বাৰ বছৰ বয়সত গোপীচন্দ্ৰই অদুনা আৰু পদুনা নামৰ দুগৰাকী ৰাজকুমাৰীক বিবাহ কৰা, যৌৱনোন্মাদ পত্নীসকলৰ প্ৰেৰণাত গোপীচন্দ্ৰই মাকৰ চৰিত্ৰত সন্দেহ প্ৰকাশ কৰা, ময়নামতীয়ে গোপীচন্দ্ৰক বশ কৰা, গুৰু হাড়ীপাৰ আদেশত গোপীচন্দ্ৰৰ যোগীবেশ ধাৰণ আৰু গুৰুপ্ৰদত্ত কষ্টসাধ্য পৰীক্ষাত উত্তীৰ্ণ হৈ শেষত যোগসিদ্ধ অৱস্থাত গৃহ-প্ৰত্যাগমন ইত্যাদি। শব্দাৱলী আৰু ব্যাকৰণৰ ফালৰপৰা গীতসমূহ যে অসমীয়া তাক তলৰ উদ্ধৃতিৰ পৰাই বুজিব পাৰি—

> "ৰাজা বোলে শুন কন্যা হৰিচন্দ্ৰেৰ বেটী।
> কত ৰঙ্গে কৰ মায়া সইবাৰ নপৰাটি।
> বংশ হৰিৰ গুয়া খাইয়ে দন্ত কৰিলে শোলা।
> কথা কহিতে জ্বলে দন্ত গুঞ্জৰে ভ্ৰমৰা॥
>
> * * * * *
>
> নাৰী চোৰা অতিথি বৈলে গিৰস্থ নাদিবে ঠাঞি।
> তোৰ আমাৰ বড়ুৱাৰ বেটী কহিবাৰ লজ্জাত নাই॥"
> "ধাৰ্ম্মিক ৰাজাৰ মুখত দিল তুলিয়া।"
> "ডাকিবাৰ লাগিল" ; আগুন পাটৰ শাৰী॥"

শূন্য পুৰাণ :—ডঃ দীনেশচন্দ্ৰ সেনৰ মতে শূন্য পুৰাণ প্ৰণেতা ৰামাই পণ্ডিতে দ্বিতীয় ধৰ্ম্মপালৰ ৰাজত্ব কালত খ্ৰীষ্টীয় দশম শতিকাৰ শেষ ভাগত যজৰ ঘাৰকা নামে ঠাইত জন্মগ্ৰহণ কৰে। এওঁ ধৰ্ম্মপূজাৰ থাই পুৰোহিত আছিল। ৮০ বছৰ বয়সত ধৰ্ম্মপূজা প্ৰচলনৰ কাৰণে তেওঁ কেশৰতী নামৰ এজনী তিৰোতাক

বিয়া কৰায়। এই ধৰ্ম্মপূজা মহাযান মতাৱলম্বী বৌদ্ধধৰ্ম্মৰ বিকৃত আকাৰ। ৰামাই পণ্ডিতে চাপাতলা আৰু ময়নাপুৰৰ মাজৰ হাকন্দ নামে ঠাইত মোক্ষ লাভ কৰে। বৌদ্ধসকলৰ শূন্যবাদৰ কথা শূন্য পুৰাণত পোৱা যায়। পুথিখন ত্ৰয়োদশ শতিকাৰ ৰচনা বুলি পুথিৰ অন্তৰ্গত 'নিৰঞ্জনৰ ৰুষ্মা' আধ্যাৰপৰা বুজিব পাৰি। ডঃ সুনীতিকুমাৰ চট্টোপাধ্যায়ৰ মতে শূন্য পুৰাণ ১৪০০ খ্ৰীষ্টাব্দৰ আগৰ ৰচনা নহয় আৰু যোগেশচন্দ্ৰ বিদ্যানিধিৰ মতে ই ১৩০০ খ্ৰীষ্টাব্দৰ আগৰ নহয়।

শূন্য পুৰাণত একাৱন্নটা অধ্যায় আছে। তাৰে পাঁচোটাত সৃষ্টি-পাতনৰ কথা আছে। তাৰ পাচৰ অধ্যায়ত ধৰ্ম্মঠাকুৰৰ পূজা পদ্ধতিৰ কথা আছে। অসমত মনসাপূজাৰ লগত ধৰ্ম্ম-দেৱতাক এভাগ পূজা দিয়া হয়। কথা-গুৰুচৰিতত অনন্ত কন্দলিয়ে ধৰ্ম্মপূজা কৰাৰ কথা পোৱা যায়। শূন্য পুৰাণৰ অনাদিপাতনৰ বৰ্ণনাৰ লগত মনকৰৰ মনসা-গীতৰ ভাষা আৰু বিষয়-বস্তুৰ কিছু সাদৃশ্য দেখা যায় এই পুথিৰ ভাষা আৰু ব্যাকৰণৰ ৰূপৰ লগত প্ৰাচীন কামৰূপী ভাষাৰ সাদৃশ্য মন কৰিবলগীয়া। যেনে—'সংখ **উপজিল কৰ সংখৰ** বিচাৰ', '**পিতাৰ খুড়াক কৰিলেন্ত** নমস্কাৰ' ইত্যাদি। ভাষাৰ চানেকি স্বৰূপে ডঃ দীনেশচন্দ্ৰ সেনৰ 'বঙ্গ সাহিত্য পৰিচয়ৰ পৰা উদ্ধৃতি দিয়া হ'ল—

নহি ৰেক নহি ৰূপ নহি ছিল বন্ন চিন।
ৰবি শশী নহি ছিল নহি ৰাতি দিন॥
নহি ছিল জল থল নহি ছিল আকাশ।
মেৰু মন্দাৰ ন ছিল ন ছিল কৈলাস॥
নহি ছিল ছিষ্টি আৰ ন ছিল চলাচল।
দেহৰো দেউল না ছিল পূজিবাৰ সকল॥

শ্ৰীকৃষ্ণ-কীৰ্ত্তন :—শ্ৰীকৃষ্ণ-কীৰ্ত্তন ৰচয়িতা চণ্ডিদাসে সম্ভৱ খ্ৰীষ্টীয় চতুৰ্দ্দশ শতিকাৰ শেষ ভাগৰ বীৰভূম জিলাৰ নান্নুৰ গাৱঁত জন্মগ্ৰহণ কৰে। তেওঁৰ আন নাম অনন্ত। তেওঁ বাসুলীৰ সেৱক আৰু সহজীয়া পন্থৰ কবি। শ্ৰীকৃষ্ণ-কীৰ্ত্তনত ৰামী বা নান্নুৰৰ উল্লেখ নথকাৰ কাৰণে পদ-কৰ্ত্তা চণ্ডীদাস আৰু শ্ৰীকৃষ্ণ-কীৰ্ত্তন ৰচয়িতা চণ্ডীদাস একেজন মানুহ নহয় যেন লাগে।

ডঃ সুনীতিকুমাৰ চট্টোপাধ্যায়ে শ্ৰীকৃষ্ণ-কীৰ্ত্তনৰ ভাষাক আদি-মধ্যযুগৰ বঙলা ভাষাৰ (আনুঃ ১২০০-১৫০০খ্ৰীষ্টাব্দ) একমাত্ৰ আদৰ্শ নিদৰ্শন বুলিছে। ডঃ সুকুমাৰ সেনেও ইয়াক আদি-মধ্যযুগৰ বঙলা ভাষাৰ আদৰ্শৰূপে গ্ৰহণ কৰিছে। হস্তলিপি-বিশেষজ্ঞ ৰাখালদাস বন্দোপাধ্যায়ৰ মতে এই পুথিত তিনিজন লিপি-

কাৰৰ হাতৰ আখৰ থাকিলেও ই কোনোমতে ১৩৮৫ খৃষ্টাব্দৰ পাচৰ হ'ব নোৱাৰে। ডঃ বাণীকান্ত কাকতিয়ে ৰূপতত্ত্ব আৰু ধ্বনিতত্ত্বৰ বৈশিষ্ট্যবোৰলৈ লক্ষ্য ৰাখি মন্তব্য কৰিছে যে অসমীয়া আৰু বঙলা ভাষা পৃথক হৈ ওলোৱাৰ যিটো পূৰ্ব্বাৱস্থা শ্ৰীকৃষ্ণ-কীৰ্ত্তন তাৰে নিদৰ্শন। শ্ৰীদেৱানন্দ ভৰালীৰ মতে শ্ৰীকৃষ্ণ-কীৰ্ত্তনৰ "ভাষা সম্পূৰ্ণৰূপে অসমীয়া।" আৰু "গোটেইখন পুথি অসমীয়া শব্দ আৰু ব্যকৰণেৰে ভৰা"। যেনে—আই, জিঠী, পিন্ধা, পানী, তপত, টেটন, মোই, ধেমালি/ধামালি, ৰাতি, পেলা, বুলিলে, বিচাৰি, পাসৰিল, জীয়াই থাক ইত্যাদি।

আৰু

"আছাৰ **খাইয়া কৰে** ছটফট, জীয়ন্তে **মৰিয়া** যায়।"
"জিহ্বাৰ সহিত দন্তেৰ পীৰিতি, সময় **পাইলে** কাটে।"
"ৰাতি **কৈলোঁ** দিবস, দিবস **কৈলোঁ** ৰাতি।'
"দৈত্য **মাৰিলো** অসুৰ **সংহাৰিলো**,।
ৰাম ৰূপে **বধিলো**
লঙ্কা **কৰিলোঁ ছাৰখাৰ**।" ইত্যাদি।

এই অসমীয়া গঢ়লৈ লক্ষ্য কৰি যোগেশচন্দ্ৰ বিদ্যানিধিয়ে মন্তব্য কৰিছে যে শ্ৰীকৃষ্ণ-কীৰ্ত্তন পুথিখন প্ৰকাশ হোৱাৰ আগতে আসাম আৰু উত্তৰ বঙ্গ ঘূৰি আহিছে।

শ্ৰীকৃষ্ণ-কীৰ্ত্তন এখন শৃঙ্গাৰ ৰসৰ কাব্য। এই পুথিখন বাৰটা খণ্ডত বিভক্ত। যেনে :—জন্মখণ্ড, তাম্বুলখণ্ড, দানখণ্ড, নৌকাখণ্ড, ভাৰখণ্ড, ভাৰখণ্ডান্তৰ্গত ছত্ৰখণ্ড বৃন্দাবনখণ্ড, যমুনা-খণ্ডাৰ্গত কালিয়দমন খণ্ড, যমুনাখণ্ড, বাণখণ্ড, বংশীখণ্ড আৰু ৰাধাৰ বিৰহখণ্ড। কাব্যখনি সংলাপবহুল আৰু আখ্যান-ধৰ্ম্মী হলেও ইয়াৰ মাজে মাজে যি হৃদয় উচ্ছ্বাসে কৰুণ সুৰৰ মৰ্চ্ছনাত আত্মপ্ৰকাশ কৰিছে সেয়ে ইয়াক গীতি-কবিতাৰ আসনত প্ৰতিষ্ঠিত কৰিছে। শ্যাম-নামৰ ভাবাবেশত পদাৱলীৰ কবি চণ্ডীদাসৰ ৰাধাই বিৱশ-হৃদয়েৰে কৈছে—

'সই কেবা শুনাইল শ্যাম নাম।
কাণেৰ ভিতৰ দিয়া মৰমে পশিল গো
আকুল কৰিল মোৰ প্ৰাণ।'

আত্মলীন প্ৰেমানুভূতিৰ ইয়াতকৈ অধিক নিষ্ঠাপূৰ্ণ আৰু স্বাভাৱিক অভিব্যক্তি কল্পনা কৰা টান। পুথিৰ বেচি ভাগ পদ বা পয়াৰ ছন্দত লিখা আৰু মাজে মাজে ত্ৰিপদী ছন্দও আছে। জয়দেৱৰ প্ৰভাৱো কাব্যৰ ওপৰত পৰিছে।

পঞ্চম অধ্যায়

প্ৰাক্‌বৈষ্ণৱ-যুগ

বিষ্ণু উপাসনা ঃ—

অসমত পুৰণি কালৰে পৰা বৈষ্ণৱ উপাসনা প্ৰচলিত আছিল যেন লাগে ; কিয়নো, কামৰূপৰ ৰজাসকলে নিজকে নৰকৰ যোগেদি বিষ্ণুৰ সন্তান বুলিছিল। বাণভট্টৰ হৰ্ষচৰিতত খ্ৰীষ্টীয় সপ্তম শতিকাৰ আগ ভাগৰ ভাস্কৰ বৰ্ম্মণক "বৈষ্ণৱ বংশঃ" বোলা হৈছে। নগাওঁৰ মিকিৰ পৰ্ব্বতত পোৱা বৰ-গঙ্গাৰ শিলালিপিত (৫৫৩-৫৫৪ খ্ৰীঃ) পুৰণি কামৰূপত ভাগৱতী ধৰ্ম্ম সোমোৱা তথা বিষ্ণুৰ উপাসনাৰ কথা পোৱা যায়। ইয়াত ভাস্কৰবৰ্ম্মাৰ পিতৃৰ আজো-ককাক মহাভূতিবৰ্ম্মণক "শ্ৰীপৰমদৈৱত-পৰম ভাগৱত" বোলা হৈছে। এই খিনিত উল্লেখযোগ্য যে ৩২০-৫০০ খ্ৰীষ্টাব্দলৈকে ৰাজত্ব কৰা গুপ্ত ৰজাসকলকো (দ্বিতীয় চন্দ্ৰগুপ্ত, কুমাৰগুপ্ত আৰু চন্দ্ৰগুপ্ত) তেওঁলোকৰ মোহৰত পৰম ভাগৱত বোলা হৈছিল। ৰজা সমুদ্ৰবৰ্ম্মাৰ দিনত গুপ্তকৃষ্টি কামৰূপত সোমায়। গুপ্তযুগৰ ভাগৱতী-ধৰ্ম্মৰ প্ৰভাৱ সুদূৰ কামৰূপত পৰিছিল। এই গুপ্তযুগৰ বিষ্ণু বিভিন্ন ভাবধাৰাৰ (যেনে, বৈদিক ব্ৰাহ্মণধৰ্ম্মৰ বিষ্ণু, পঞ্চৰাত্ৰৰ নাৰায়ণ, সত্বৰ কৃষ্ণ, বাসুদেৱ আদি, আভিৰ উপজাতিৰ গোপাল) সানমিহলি আছিল। বৈষ্ণৱ ধৰ্ম্মৰ অৱতাৰ উপাসনা কৰা এই যুগৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য। এই উপাসনাৰ মতবাদ কামৰূপতো প্ৰচলন আছিল। বনমাল, বলবৰ্ম্মণ, ৰত্নপাল ইন্দ্ৰপাল আৰু ধৰ্মপালৰ লিপিয়ে বিষ্ণুৰ বৰাহ অৱতাৰৰ কথা উল্লেখ কৰে। নৱম শতিকাৰ এটি খোদিত বিষ্ণুমূৰ্ত্তি পোৱা গৈছে। এই মূৰ্ত্তিয়ে নাৰায়ণৰ মূৰ্ত্তি স্থাপন কৰাৰ কথা উল্লেখ কৰিছে। কে, এম, দীক্ষিতৰ অনুসন্ধানৰ পৰা দশম আৰু একাদশ শতিকাৰ এটা ডাঙৰ বিষ্ণুমূৰ্ত্তি থকাৰ কথা পোৱা যায়। দশম শতিকাত ৰচিত কালিকা পুৰাণত বিষ্ণুক প্ৰথম অৱতাৰ স্বৰূপে পোৱা যায়।

বৰ্ম্মণ, শালস্তম্ভ আৰু পালবংশৰ ৰাজত্বৰ কথা আগৰ অধ্যায়ত আলোচনা কৰা হৈছে। পালবংশৰ শেষ ৰজা ধৰ্ম্মপালৰ মৃত্যুৰ পাচৰপৰা ১২২৮ খ্ৰীষ্টাব্দত আহোমসকল অহাৰ আগলৈকে এই কালছোৱাৰ আমি সঠিক বিৱৰণ নাপাওঁ। সম্ভৱ শক্তিশালী বিভিন্ন ৰাজপৰিয়ালৰ মাজত ৰাজ্য ভাগ হয়।

প্ৰাক্‌বৈষ্ণৱ যুগৰ সাহিত্যতো বিশেষ পৰিবৰ্ত্তন দেখা পাওঁহক। এই যুগত প্ৰাদেশিক ভাষাৰ স্বকীয়া গঢ় সুস্পষ্ট হৈ উঠে। শূন্য পুৰাণ, শ্ৰীকৃষ্ণ কীৰ্ত্তন আৰু গোপীচন্দ্ৰৰ গানত—যাক বঙ্গলা সাহিত্যৰ অন্তৰ্গত বুলি ধৰা হৈছে—কামৰূপী ভাষাৰ বৈশিষ্ট্য দেখা পাওঁহক। এই যুগত মহাভাৰত আৰু ৰামায়ণৰ পদ-ভাঙনি আৰম্ভ হয়। কিন্তু বৈষ্ণৱ যুগৰ মাজেদি সৰকি অহাৰ কাৰণে এই পুথিসমূহৰ ভণিতাত যুগৰ প্ৰভাৱ পৰাটো একো অস্বাভাৱিক কথা নহয়।

প্ৰাক্‌বৈষ্ণৱ কবিসকল

এই যুগৰ সাহিত্য যাইকৈ অনুবাদমূলক বা মহাকাব্যৰ কাহিনী অৱলম্বন কৰি লিখা। প্ৰাক্‌বৈষ্ণৱ যুগৰ কবিসকলৰ ৰচনাত পয়াৰ আৰু ত্ৰিপদী ছন্দই পূৰ্ণ গঢ় লয়। কিন্তু বৈষ্ণৱ যুগৰ মাজেদি সৰকি অহাৰ কাৰণে এই যুগৰ সাহিত্যত বৈষ্ণৱ যুগৰ প্ৰভাৱ পৰিলক্ষিত হয়। এই যুগৰ কবিসকল হৈছে হেম সৰস্বতী, হৰিবৰ বিপ্ৰ, কবিৰত্ন সৰস্বতী, ৰুদ্ৰ কন্দলি আৰু মাধৱ কন্দলি।

হেম সৰস্বতী :—"প্ৰহ্লাদ চৰিত্ৰ" পুথিত কবি হেম সৰস্বতীয়ে নিজৰ চিনাকি দিছে—

কমতা মণ্ডল দুৰ্লভ নাৰায়ণ
নৃপবৰ অনুপাম।
তাহান ৰাজ্যত ৰুদ্ৰ সৰোচতি
দেৱযানী কন্যা নাম॥

তাহান তনয় হেম সৰোচতি
ধ্ৰুৱৰ অনুজ ভাই।
পদবন্ধে তেহেঁ প্ৰচাৰ কৰিলা
বামন পুৰাণ চাই॥

ইয়াৰপৰা বুজিব পাৰি যে দুৰ্লভনাৰায়ণ ৰজাৰ ৰাজত্ব কালত ৰুদ্ৰ সৰস্বতী আৰু দেৱযানীৰ পুত্ৰ হেম সৰস্বতীয়ে বামণ পুৰাণ চাই পুথি লিখিছে। কিন্তু কবিৰ উক্তিয়ে আমাক বিমোৰত পেলায়। তেওঁ কৈছে যে ৰুদ্ৰ সৰস্বতীৰ জীয়েক দেৱযানী; দেৱযানীৰ পুত্ৰ হেম সৰস্বতী আৰু হেম সৰস্বতী ধ্ৰুৱৰ সৰু ভায়েক। এয়ে হলে কবি দুৰ্লভ নাৰায়ণৰ সময়ৰ বা তাৰ পাচৰো হ'ব পাৰে।

কিন্তু হৰগৌৰী-সংবাদ নামৰ কবিৰ ভণিতা থকা এখন পুথিত আছে—

"ভূপ দুৰ্লভনাৰায়ণ পাত্ৰ পাশুপতি-সুত
সৰ্ব্ব শাস্ত্ৰে পণ্ডিত সুজান।
তাহাৰ তনয় চাৰি ধনঞ্জয় আদি কবি
ধ্ৰুৱ ভৈল কুলত প্ৰধান॥
অপৰ হেমন্ত কবি হৰগৌৰীপদ সেৱি
হেম সৰস্বতী ভৈল নাম।"

ইয়াৰপৰা বুজিব পাৰি যে হেম সৰস্বতী দুৰ্লভনাৰায়ণৰ বিষয়া (পাত্ৰ) আৰু পশুপতিৰ পুত্ৰ আছিল। পশুপতিৰ পুত্ৰ হল ধনঞ্জয়, ধ্ৰুব, হেমন্ত ওৰফে-হেম সৰস্বতী ইত্যাদী। ইয়াত পশুপতি আৰু ৰুদ্ৰ সমাৰ্থক শব্দ বুলি ধৰিব পাৰি। ওপৰৰ প্ৰথম উদ্ধৃতিৰ 'কন্যা' শব্দে (দেৱযানী কন্যা নাম) ভাৰ্য্যাও বুজাব পাৰে। সেয়ে হলে হেম সৰস্বতী দুৰ্লভনাৰায়ণৰ ৰাজত্ব কালৰ কবি।

দুৰ্লভনাৰায়ণ ৰজাৰ ৰাজত্ব কালৰ বিষয়ে মতবিৰোধ দেখা যায়। চাৰ এডোৱাৰ্ড গেইট আৰু গুণাভিৰাম বৰুৱাই তেওঁক ত্ৰয়োদশ শতিকাৰ শেহ ভাগৰ ৰজা বুলিছে। কনকলাল বৰুৱাই দুৰ্লভনাৰায়ণক চতুৰ্দ্দশ শতিকাৰ আগভাগৰ (১৩৩০—১৩৫০ খ্ৰীঃ) ৰজা বুলিছে। কালিৰাম মেধিয়ে প্ৰহ্লাদ চৰিত্ৰৰ পাতনিত দুৰ্লভনাৰায়ণৰ সময় ১২৪৯ খ্ৰীঃ বুলিছে। ডঃবাণীকান্ত কাকতিয়ে দুৰ্লভনাৰায়ণৰ সময় ত্ৰয়োদশ শতিকাৰ শেষ নাইবা চতুৰ্দ্দশ শতিকাৰ আগভাগ বুলিছে। ৰামচৰণ ঠাকুৰৰ চৰিত পুথিৰ কথা বৰ স্পষ্ট নহয়। ৰামচৰণ ঠাকুৰৰ চৰিত পুথিৰ ওপৰত ভিত্তি কৰি শ্ৰীডিম্বেশ্বৰ নেওগে কয়, "ৰামচৰণ ঠাকুৰে দুৰ্লভনাৰায়ণ ৰজাৰ সম্পূৰ্ণ বংশাৱলী দিয়াৰ উপৰিও তেওঁক ধৰ্ম্মপালৰ প্ৰতিদ্বন্দ্বী ৰজা আৰু 'বেলেগীয়া ভাই' বুলি স্পষ্টভাবে লিখিছে।" তেওঁ আৰু কয় যে ধৰ্ম্মপাল ৰজাৰ ৰাজত্ব দ্বাদশ শতিকাত সুপ্ৰতিষ্ঠিত কাৰণে দুৰ্লভনাৰায়ণক দ্বাদশ শতিকাৰ বুলিব পাৰি। কিন্তু এই চৰিত পুথিত আছে যে গৌড়েশ্বৰ (পৰ্বাৱতী-পুত্ৰ দুৰ্লভনাৰায়ণ) আৰু কামেশ্বৰৰ (ধৰ্ম্মপাল বা ধৰ্ম্ম নাৰায়ণ) ভিতৰত যুদ্ধ হয় আৰু পাচত মিত্ৰতা সূত্ৰত আবদ্ধ হয়; গৌড়েশ্বৰে কামেশ্বৰক ৭ ঘৰ বামুণ আৰু ৭ ঘৰ কায়স্থ দিয়ে। গতিকে দুৰ্লভনাৰায়ণ ৰজাৰ ৰাজত্ব কালৰ বিষয়ে নিৰ্দ্দিষ্ট শতিকালৈ আঙুলিয়াব নোৱাৰি। সেই কাৰণে দুৰ্লভনাৰায়ণক দ্বাদশ শতিকাৰ ৰজা নুবুলি ডঃ বাণীকান্ত কাকতি আৰু কালিৰাম মেধিৰ মত অনুসৰি ত্ৰয়োদশ শতিকাৰ শেহ ভাগৰ বা চতুৰ্দ্দশ শতিকাৰ দ্বিতীয় চতুৰ্থাংশৰ ৰজা বুলিলে সমীচীন হ'ব যেন লাগে।

হেম সৰস্বতীয়ে ১০০টা চৰণত **প্ৰহ্লাদ চৰিত্ৰ** পুথি ৰচনা কৰিছিল। কবিয়ে হিৰণ্যকশিপু আৰু তেওঁৰ পুত্ৰ প্ৰহ্লাদৰ ভিতৰত হোৱা কাজিয়াৰপৰা আৰম্ভ কৰি হিৰণ্যকশিপুৰ মৃত্যুত শেষ কৰিছে। তেওঁ নৰসিংহক ঈশ্বৰৰ অৱতাৰ বুলিছে, কিন্তু হিৰণ্যকশিপুৰ হাতত তেওঁক পৰাজিত হোৱা দেখুৱা হৈছে। পুথিত বৈষ্ণৱ যুগৰ ভণিতাও পোৱা যায়। কথাৰ যুক্তি মন কৰিবলগীয়া। ভাষাই প্ৰাচীনতাৰ চিনাকি দিয়ে। 'জোজন, এনুআ, মক্রি, য়োক', আদি

শব্দৰ ব্যৱহাৰ পোৱা যায়। মৈথিলী শব্দৰ বেচি ব্যৱহাৰ নাথাকিলেও 'আহ্ণ', 'ভাঙ্ক' আদি উড়িয়া শব্দৰ ব্যৱহাৰ পোৱা যায়। এটা যাবনিক শব্দও (নফৰ) পোৱা যায়। কবিয়ে অতি কম কথাৰে বেচি অৰ্থ প্ৰকাশ কৰিব পাৰে। যেনে :—

"পুৰিবাৰ প্ৰভাৱে অধিক জ্বলে কান্তি।
তপ্ত সুবৰ্ণত কৰি অধিকে জ্বলন্তি॥"
"কেহো সুখী কেহো দুখী বহুত অন্তৰ।
কেহো কাকো বাৰে কেহো কৰয় নফৰ॥"

কালিৰাম মেধিয়ে কয় যে প্ৰাকৃতৰ সময়ত সংস্কৃত শব্দাৱলীৰ যি বৰ্ণ-বিন্যাসৰ বিভ্ৰাট ঘটিছিল প্ৰহ্লাদ-চৰিত্ৰত তাৰ চিন পূৰ্ণ মাত্ৰাই দেখা যায়। মূৰ্দ্ধণ্য 'ণ' আৰু 'ী' কাৰ আৰু 'দ'ৰ ব্যৱহাৰ বৰ কম।

হেম সৰস্বতীয়ে ৰচনা কৰা **হৰ-গৌৰী সম্বাদ** নামৰ এখন পদ-পুথিও আছে।

হৰিহৰ (হৰিবৰ) বিপ্ৰ :—কবিয়ে নিজৰ চিনাকি দিছে—

"জয় জয় নৃপতি দুৰ্ল্লভনাৰায়ণ ৰজা
কমতাপুৰে ভৈল বীৰবৰ।
সপুত্ৰ বান্ধৱে যেৱে সুখ ৰাজ কৰন্তোক
জীৱন্তোক সহস্ৰ বৎসৰ॥
তাহান ৰাজ্যত থিত সাধুজন মনোনীত
অশ্বমেধ বিৰচিত সাৰ।
বিপ্ৰ হৰিহৰ কই গৌৰীৰ চৰণে সেই
পদবন্ধে কৰিলো প্ৰচাৰ॥"

কবিয়ে কমতাপুৰৰ ৰজা দুৰ্ল্লভনাৰায়ণৰ ৰাজত্ব কালত অশ্বমেধ পৰ্ব্ব ৰচনা কৰিছিল আৰু তেওঁ দেৱী-উপাসক (শাক্ত) আছিল। শ্ৰীশ্ৰীবংশীগোপালদেৱৰ চৰিত্ৰত উল্লেখ আছে যে শ্ৰীবংশীগোপালদেৱৰ পিতামহ হৰিহৰ (হৰিবৰ?) বিপ্ৰ উত্তৰ লক্ষীমপুৰৰ ওচৰৰ ব্যাঘ্ৰপিঙা গাৱঁৰ গ্ৰামেশ্বৰ (ভূঞা) আৰু পণ্ডিতসকলৰ ভিতৰত অগ্ৰগণী আছিল। কোনো কোনো লোকে এই হৰিহৰ আৰু যুদ্ধ-কাব্যৰ হৰিহৰক একেজন লোক বুলিব খোজে।
হৰিহৰ বিপ্ৰৰ ভণিতা থকা দুখন পদপুথি আছে—

(১) জৈমিনীয় অশ্বমেধ পৰ্ব্বৰ পৰা লিখা **বভ্ৰুবাহনৰ যুদ্ধ** আৰু (২) **লৱকুশৰ যুদ্ধ**। ইয়াৰ উপৰি তাম্ৰধ্বজৰ যুদ্ধ নামৰ এখন কাব্যও পোৱা যায়।

(১) **বভ্ৰুবাহনৰ যুদ্ধ** পদপুথিত ৬০৫টা চৰণ আছে। অৰ্জ্জুন আৰু বভ্ৰুবাহনৰ যুদ্ধৰ কাহিনী জৈমিনীয় অশ্বমেধৰ দ্বাদশ-চতুৰ্দ্দশ অধ্যায় আৰু সাতত্ৰিশ-চল্লিশ অধ্যায়ৰ পৰা, আৰু মাহিষ্মতীপুৰৰ ৰজা নীলধ্বজৰ আৰু ৰাণী জ্বালাৰ কাহিনী চতুৰ্দ্দশ-পঞ্চদশ অধ্যায়ৰ পৰা লৈছে। কবিয়ে মূলৰ প্ৰতি লক্ষ্য ৰাখিছে যদিও ঠায়ে ঠায়ে নিজৰ মৌলিকতাৰ চিনাকি দিছে। যেনে :—অৰ্জ্জুনলৈ নিক্ষেপ কৰা অৰ্দ্ধচন্দ্ৰ বাণৰ বৰ্ণনা, বৃষকেতুৰ আগত অৰ্জ্জুনৰ অতীত কীৰ্ত্তি স্মৰণ কৰা ইত্যাদি।

বিভিন্ন পৰিবেশৰ কাৰণে কবিয়ে ঘৰুৱা উপমা দক্ষতাৰে ব্যৱহাৰ কৰিছে। যেনে :—

> "কপাস কাটিয়া শশা দিৱয় লৱৰ।
> লোকক জনায়ে বৃক্ষ পাৰিলোহো বৰ॥
> সেহিমতে কুৰুসেনা মাৰি ভৈলা গহ।
> মোৰ পৰাক্ৰম আজি থানিতেক সহ॥"
> "চোৰৰ হাতত চেঙ্গ সেন্দুৰ নেৰাই।
> আগে দোষ কৰিলে দেখেৰ ফল পাই॥"

স্বামী অৰ্জ্জুন মৰাৰ পাচত চিত্ৰাঙ্গদা আৰু উলুপীৰ মনোভাৱ বৰ্ণনা কৰা অংশ অতি মনোৰম। তিৰোতাবিলাকৰ কথাবাৰ্ত্তা আৰু কাৰ্য্য প্ৰকৃত বিধৱাৰ আহি। মণিপুৰ নগৰৰ বৰ্ণনা জৈমিনীতকৈ বেচি বিশদ আৰু উজ্জ্বল। বাৰৰ চৰাই-চিৰিকতিৰ বৰ্ণনাত কবিৰ পৰ্যবেক্ষণ শক্তিৰ চিনাকি পোৱা গৈছে। ডাকিনী আৰু যোগিনীৰ কথা এঠাইত মাথোন পোৱা যায়। যুদ্ধৰ পাচত মণিপুৰ নগৰত উৎসৱৰ বৰ্ণনা কবিয়ে নিজ ৰুচি অনুযায়ী দিছে।

বভ্ৰুবাহনৰ যুদ্ধ পদ-পুথিৰ কিছুমান বাক্য অতি সৰবৰহী। যেনে :—'ছাগ বুলি বাঘৰ লাগত দেই জৰি'; 'ভালৰেসে ভাল মন্দৰেসে মন্দবাণী'; 'লাভক চাহন্তে জানো মূলো হেৰুৱায়'; 'হস্তীৰো পিছলে পাব সুজনৰো বুৰে নাও'; 'হেন জানো যমে পাত মলাচে তোমাৰ'; 'ছাগে কি কৰিব পাৰে বাঘৰ আগত'; 'সিংহ হয়া মৃত্যু ভৈলি মৃগৰ হাতত'; 'হাস্তি গুচি মাখি ভৈলো গো খোজতে তল গৈলো, কচুতে ভাঙ্গিলো যেন কাছি' ইত্যাদি। পুথিত পদ, ছবি,

তুলড়ি আৰু ঝুনা ছন্দ ব্যৱহাৰ কৰিছে। প্ৰাক্‌বৈষ্ণৱ যুগৰ বৈয়াকৰণিক ৰূপ, ভূতাৰ্থত '-ইবা' প্ৰত্যয় (যেনে—হৰাইবাৰ মুণ্ডগোট, পাসৰিবাৰ অস্ত্ৰ ইত্যাদি) আৰু সংযোজক প্ৰত্যয় '-এৰ' ব্যৱহাৰ (যেনে—লগাএৰ বিষ ইত্যাদি) পোৱা যায়।

(২) **লৱকুশৰ যুদ্ধ** :—পুথিখন বিষয়-বস্তুৰ ফালৰপৰা বক্ৰবাহনৰ যুদ্ধৰ লগত মিলে। দুয়োখনতে অশ্বমেধ যজ্ঞ প্ৰসঙ্গত পিতৃকুলৰ লগত পুত্ৰৰ যুদ্ধৰ বৰ্ণনা আছে। লৱকুশৰ যুদ্ধত আছে—

"জয় মুনি বদতি শুনিও জন্মিজয়। ৰামক জিনিল জেন লৱকুশৰ সবে।
ৰামঠৈৰ বাপতেৰ এহি যুদ্ধ চয় ॥ অৰ্জ্জুনক জিনিলেক মণিপুৰেশ্বৰে ॥"

পুথিৰ কাহিনী জৈমিনীয় অশ্বমেধৰ পঞ্চবিংশ-ষট্‌ত্ৰিংশ অধ্যায়ৰপৰা লোৱা হৈছে।

কবিয়ে ঠায়ে ঠায়ে কথা চমু কৰিছে যদিও মূলৰপৰা আঁতৰি যোৱা নাই। সীতা উদ্ধাৰ, অগ্নি পৰীক্ষা, ৰাম অযোধ্যালৈ ঘূৰি অহা, অযোধ্যাত ৰাম সীতা আৰু লক্ষ্মণক আদৰ-সাদৰ কৰা কথা কবিয়ে মূলৰ দৰে উল্লেখ কৰি গৈছে। কুশ আৰু লৱৰ যুদ্ধৰ বৰ্ণনা কবিয়ে চমু অথচ ৰসাল কৰিছে। কবিয়ে ছবি, পদ আৰু তুলড়ি ছন্দ ব্যৱহাৰ কৰিছে। হৰিহৰৰ ভাষা সহজ আৰু সৰল। জতুৱা খণ্ডবাক্যৰ ব্যৱহাৰো পোৱা যায়। যেনে :—

"পাঞ্চে কি কৰিবে পাৰে মুখে উকষন্তে ॥" ১৩৮
"ফৰিঙ্গাৰ ঝাসে আসে মৰিবাক লাই ॥" ২৯০
"সাম্বুৰি পিম্পৰা পাৰ হয় কি সাগৰে ॥" ৩৪৮
"হাতী গুচি মাখি ভৈলো, গো খোজত তল গৈলোঁ ॥" ৫৫২

এই পুথিত প্ৰাক্‌শঙ্কৰী যুগৰ বৈয়াকৰণিক ৰূপ, ভূতাৰ্থত 'ইবা' প্ৰত্যয় আৰু সংযোজক প্ৰত্যয় '—এৰ—' ব্যৱহাৰ পোৱা যায়। যেনে :—'**শিখিবাৰ শৰচয় শনাইবাৰ শৰ ; পাসৰিবাৰ অস্ত্ৰ-শস্ত্ৰ 'চিণ্ডিয়েৰো গাল, লগায়েৰ বিষ**' ইত্যাদি। ৩৫—১

(৩) **তাম্ৰধ্বজৰ যুদ্ধ**—জৈমিনীয়াশ্বমেধৰপৰা বিষয়বস্তু লৈ তাম্ৰধ্বজৰ যুদ্ধ নামৰ (খণ্ডিত ৰূপত সংগৃহীত আৰু প্ৰকাশিত হৈছে) আন এখনি কাব্য ৰচনা কৰিছে। প্ৰকাশিত পুথিত কবিৰ নাম হৰিদাস ('অশ্বমেধ কথা হৰিদাস বিপ্ৰভণে,) বুলিহে আছে।

পাণ্ডৱৰ যজ্ঞৰ ঘোঁৰা ৰাণপুৰ প্ৰবেশ কৰিলত ময়ূৰধ্বজ ৰজাৰ পুত্ৰ তাম্ৰধ্বজে

সেই ঘোঁৰা আটক কৰে। যুদ্ধত অনিৰুদ্ধ, বৃষকেতু, কৃতবৰ্ম্মা, বভ্রুবাহন, হংসধ্বজ আদি পৰাস্ত হয়। কৃষ্ণ আৰু অৰ্জ্জুনো মূৰ্চ্ছা যায়, আৰু তাম্ৰধ্বজে পাণ্ডৱৰ ঘোঁৰা লৈ আহে। কৃষ্ণ-ভক্তিপৰায়ণ ময়ূৰধ্বজে পাণ্ডৱৰ ঘোঁৰা ঘূৰাই দিয়ে। এয়ে কাব্যৰ বিষয়-বস্তু।

কাব্যৰ কিছুমান বাক্য বৰ সৰবৰহী। যেনে—'হস্তীৰ আগত যেন কদলীৰ পথা'; অনাবাৰে খলকিল সাগৰৰ জল। উচ্ছিত বহ্নিত যেন ত্ৰাস পতঙ্গৰ; 'সেৱকে আছন্তে কেনে যুজে নাৰায়ণ' ইত্যাদি। প্ৰাক্‌বৈষ্ণৱ যুগৰ বৈয়াকৰণিক গঢ়ো পোৱা যায়। যেনে—'পৰিবাৰ দেখি'; 'শিখিবাৰ শৰ'; 'মাতিবাক দিলা হাক' ইত্যাদি।

কবিৰত্ন সৰস্বতী:—কবিৰত্ন সৰস্বতীয়ে মহাভাৰতৰ দ্ৰোণপৰ্ব্বৰপৰা **জয়দ্ৰথ বধৰ** পদ ভাঙনি কৰোঁতে নিজৰ চিনাকি দি কৈছে যে নৃপ-শিৰোমণি দুৰ্ল্লভনাৰায়ণৰ পুতেক হ'ল ইন্দ্ৰনাৰায়ণ; তেওঁ এজন শক্তিমন্ত ৰজা আৰু সদাশিৱই তেওঁক পাঞ্চি গৌৰেশ্বৰ হৈ পুত্ৰ সমন্বিতে দীৰ্ঘায়ুস হ'বলৈ বৰ দিয়ে। ছোটশীলা গাৱঁত (সম্ভৱ বৰপেটাৰ শীলাগাওঁ) বিদ্বান, যশস্বী, নিষ্কলঙ্ক আৰু দেৱ-দ্বিজ উপাসক চক্ৰপাণি শিকদাৰ নামৰ এজন কায়স্থ প্ৰবৰ বাস কৰিছিল। ৰজা দুৰ্ল্লভনাৰায়ণে তেওঁক ভাল পাইছিল আৰু তেওঁৰ মৃত্যুত জনসাধাৰণে বৰ বেজাৰ পাইছিল। তেওঁৰ পুত্ৰ কবিৰত্ন সৰস্বতীয়ে **জয়দ্ৰথ বধৰ** কথা নিবেদন কৰিবৰ কাৰণে দ্ৰোণপৰ্ব্ব পদ ৰচনা কৰিলে।

"ছোটশীলা নাম আছে এক গ্ৰাম
যত গ্ৰাম মধ্যে সাৰ।
আছিল তথাত জগত প্ৰখ্যাত
চক্ৰপাণি শিকদাৰ॥

পটু নৰবৰ কায়স্থ প্ৰবৰ
ধৰ্ম্মৰত মহাযশা।
পণ্ডিত তিলক কুল প্ৰকাশক
নিষ্কলঙ্ক যেন শশী॥

তাহান তনয় অতি শুভনয়
কবিৰত্ন সৰস্বতী।
দ্ৰোণ পৰ্ব্ব পদ জয়দ্ৰথ বধ
কৌতুহলে নিগদতি॥"

এই জয়দ্ৰথ বধ পদ পুথি মহাভাৰতৰ হুবহু অনুবাদ নহয়, কিন্তু বৰং তাৰ পৰা কাহিনী লৈ লিখা। কবিৰ ভাষা আৰু ৰচনা ৰীতি সৰল কিন্তু হৰিহৰ বিপ্ৰতকৈ তল থাপৰ। তেওঁৰ বৰ্ণনা অতি সূক্ষ্ম আৰু বিস্তৃত। কুৰুক্ষেত্ৰ

বণৰ সুক্ষ্ম বিৱৰণ পোৱা যায়। কৈলাস বৰ্ণনা অংশটোৰপৰা কবিৰ কবিত্ব প্ৰতিভাৰ কিছু আভাস পাব প্ৰাৰি।

ৰুদ্ৰ কন্দলি :—ৰুদ্ৰ কন্দলিয়ে **সাত্যকি-প্ৰৱেশত** ৰজা তাম্ৰধ্বজ আৰু তেওঁৰ ভায়েকক প্ৰশংসা কৰিছে—দুয়োৰে স্নেহ ৰাম-লক্ষ্মণৰ স্নেহৰ নিচিনা। ৰজা বিষ্ণুৰ ভকত আৰু মহামায়াৰ সেৱক। হৰিৰ সেৱক ৰুদ্ৰ কন্দলিয়ে সাত্যকি-প্ৰৱেশ ইমানতে শেষ কৰিলে। ইয়াৰপৰা বুজিব পাৰি যে ৰুদ্ৰ কন্দলি তাম্ৰধ্বজৰ সময়ৰ কবি।

"শ্ৰীমন্ত তাম্ৰধ্বজ অনুজে সহিতে।
বৃদ্ধৰ সমান ধৰ্ম্ম শিশু বয়সতে॥
* * *
বিষ্ণুৰ ভকত মহামায়াৰ সেৱক।
পুত্ৰৰ সমান দৰিদ্ৰ পালক॥
* * *
হৰিৰ সেৱক ৰুদ্ৰ কন্দলি বদতি।

ৰামচৰণ ঠাকুৰৰ চৰিত পুথিত তাম্ৰধ্বজক ধৰ্ম্মনাৰায়ণৰ (ধৰ্ম্মপাল) পুতেক বোলা হৈছে। কামেশ্বৰ ধৰ্ম্মনাৰায়ণে সাতঘৰ বামুণ আৰু সাতঘৰ কায়স্থক নাৱত লৈ ৰংপুৰ জিলাৰ ঘোৰাঘাট পোৱা প্ৰসঙ্গত চৰিতকাৰে লিখিছে—

"ঘৰঘাটে গৈয়া পাচে নৌকা চপাইলন্ত।
তাম্ৰধ্বজে শুনিলেক পিতৃ আসিলন্ত॥

ইয়াৰপৰা আমি অনুমান কৰিব পাৰোঁ যে তাম্ৰধ্বজ ধৰ্ম্মনাৰায়ণ বা ধৰ্ম্মপালৰ পুত্ৰ। কিন্তু ৰামচৰণ ঠাকুৰৰ চৰিত পুথিৰ কথা অন্যান্য চৰিত পুথিয়ে সমৰ্থন নকৰে। আন চৰিতপুথিত দুৰ্লভনাৰায়ণেই কামেশ্বৰ বুলি উল্লেখ আছে। কনকলাল বৰুৱাই ঘৰঘাটৰ অৰ্থ কৰি কৈছে যে ৰংপুৰৰ ঘৰঘাটত কামেশ্বৰৰ ৰাজধানী আছিল, আৰু ধৰ্ম্মনাৰায়ণৰ পুত্ৰ তাম্ৰধ্বজ কমতা-কামৰূপৰ ৰজা আছিল। কোনো কোনো সমালোচকে এই তাম্ৰধ্বজ ৰজাক খাচপুৰৰ কছাৰী ৰজা তাম্ৰধ্বজ (১৭০৬-০৮ খ্ৰী:) বুলিব খোজে।

মহাভাৰতৰ দ্ৰোণপৰ্ব্বৰ অন্তৰ্গত জয়দ্ৰথ-বধ পৰ্ব্বৰ **সাত্যকি-প্ৰৱেশ** এটা পালি পৰ্ব্ব। **সাত্যিক-প্ৰৱেশ** পুথিত যদু-বংশৰ শিনিৰ পুত্ৰ সাত্যকিৰ শক্তিৰ পৰিচয় পোৱা যায়। মূল পুথিৰ লগত সাধাৰণতে সামঞ্জস্য ৰাখি ভাঙনি কৰা হৈছে। সাত্যকি-প্ৰৱেশত কুৰুক্ষেত্ৰৰ যুদ্ধৰ ভিন ভিন বীৰসকলৰ ভিতৰত

হোৱা যুদ্ধৰ (যেনে :—সাত্যকি আৰু ত্ৰিগৰ্ত্ত, দ্ৰোণ আৰু ধৃষ্টদ্যুম্ন, দ্ৰোণ-বৃহৎক্ষেত্ৰ) বৰ্ণনা পোৱা যায়। বৰ্ণনা অতি মনোগ্ৰাহী। কবিৰ উদ্ভাৱনা-শক্তিও মন কৰিবলগীয়া। দ্ৰোণক ঘৰুৱা কথাবাৰ্ত্তাৰে চেদি আদিয়ে নিন্দা কৰিছে। ছন্দ নিখুঁত। ভাষা আৰু ৰচনা-ৰীতিও জতুৱা অসমীয়া। কবিয়ে মূলৰ উপমা ৰাখিছে, কিন্তু কেতিয়াবা বাদ দিছে বা সলাইছে।

মাধৱ কন্দলি :—মাধৱ কন্দলিৰ আগলৈকে কমতাপুৰৰ ৰজাৰ পৃষ্ঠ-পোষকতাত অসমীয়া পুথি ৰচনা হৈছিল। চতুৰ্দ্দশ শতিকাৰ শেহত কমতা-পুৰৰ শক্তি দুৰ্ব্বল হৈ পৰে, আৰু অসমৰ মাজ ঠাইত নগাওঁৰ কপিলী উপত্যকাত আন এটা শক্তিৰ অভ্যুদয় হয়। এই শক্তি হৈছে কছাৰী শক্তি। কছাৰী জাতিয়ে সুৰমা উপত্যকাত, অসমৰ বিভিন্ন অঞ্চলত আৰু ত্ৰিপুৰা ৰাজ্যত বাস কৰিছিল। সম্ভৱ ত্ৰয়োদশ আৰু চতুৰ্দ্দশ শতিকাৰ ভিতৰত ৰাজকীয় শক্তি কমতাপুৰৰপৰা নগাওঁলৈ সলনি হয় আৰু নগাওঁ সংস্কৃতিৰ কেন্দ্ৰস্থান হয়।

উত্তৰাকাণ্ড ৰামায়ণৰ ভাওনিত মহাপুৰুষ শঙ্কৰদেৱে মাধৱ কন্দলিৰ বিষয়ে যি কৈছে তাৰ পৰাই মাধৱ কন্দলি যে এজন শ্ৰেষ্ঠ কবি তাক সহজে অনুমান কৰিব পাৰি—

"পূৰ্ব্ব কবি অপ্ৰমাদী মাধৱ কন্দলি আদি
বিৰচিলা পদে ৰাম-কথা।
হস্তীৰ দেখিয়া লাদ শশা যেন ফাৰে মাৰ্গ
মোৰ ভৈল তেহ্নয় অৱস্থা॥"

ৰামায়ণৰ লঙ্কাকাণ্ডৰ ভাওনিত মাধৱ কন্দলিয়ে কৈছে যে তেওঁ বৰাহ ৰজা শ্ৰীমহামাণিক্যৰ অনুৰোধত সকলোৱে বুজিব পৰাকৈ সাতকাণ্ড ৰামায়ণ পদত ৰচনা কৰিছে।

"কবিৰাজ কন্দলিযে আমাকেসে বুলি কয়
মাধৱ কন্দলি আৰো নাম।
সপোন সচিতে মঞি জ্ঞান কায় বাক্য মনে
অহৰ্নিশে চিন্তো ৰাম ৰাম॥
শ্লোক সংস্কৃতে আমি গঢ়িবাক পৰিচয়
কৰিলোহো সৰ্ব্বজন বোধে।
ৰামায়ণ সুপয়াৰ শ্ৰীমহামাণিক্য যে
বৰাহ ৰজাৰ অনুৰোধে॥"

মাধৱ কন্দলিৰ ৰচনাৰ শ্ৰীমহামাণিক্য ৰজা নো কোন বা ক'ৰ মানুহ এই বিষয়ে পণ্ডিতসকল একমত নহয়। কন্দলি ৰামায়ণৰ প্ৰথম সম্পাদন কৰোঁতা মাধৱচন্দ্ৰ বৰদলৈয়ে অনুমান কৰে যে মাণিক উপাধি লোৱা জয়ন্তাপুৰৰ বিজয়-মাণিক, ধনমাণিক আৰু যশমাণিক নামৰ তিনিজন কছাৰী ৰজাৰ ভিতৰৰ এজন হ'ব। জয়ন্তাপুৰৰ কছাৰী ৰজাসকল বৰাহী-ৰাজ নামে জনাজাত, আৰু তেওঁলোকে নিজকে জয়ন্তাপুৰেশ্বৰ বুলিছিল। তেওঁলোকে দ্বাদশ আৰু চতুৰ্দ্দশ শতিকাৰ ভিতৰত নগাওঁ জিলালৈকে এক বিশাল ৰাজ্যত ৰাজত্ব কৰিছিল। মাধৱ বৰদলৈয়ে বাৰাহ শব্দৰ লগত বড়ো বা বৰো শব্দৰ সম্বন্ধ আছে বুলি কৈছে। তেওঁ কন্দলিৰ ৰামায়ণ চতুৰ্দ্দশ-পঞ্চদশ শতিকাৰ বুলি অনুমান কৰিছে। তেওঁৰ মতে কবিৰ ঘৰ নগাওঁ জিলাত; কিন্তু চাৰ এডোৱাৰ্ড গেইটে বিজয়-মাণিক আৰু যশমাণিকৰ ৰাজত্ব কাল যথাক্ৰমে খ্ৰীঃ ১৫৬৪-৮০ আৰু খ্ৰীঃ ১৫৯৬-১৬০৫ বুলিছে। কিন্তু এই সময় শ্ৰীমহামাণিক্যৰ সময় নহয়, যেহেতু মাধৱ কন্দলি শঙ্কৰদেৱৰ (১৪৪৯-১৫৬৮ খ্ৰীঃ) আগৰ কবি। পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে কয় যে মহামাণিক্য বৰাহী কছাৰীৰ এজন ৰজা আছিল আৰু তেওঁ চতুৰ্দ্দশ শতিকাৰ মাজভাগত ডিমাপুৰত ৰাজত্ব কৰিছিল। তেওঁ আৰু কয় যে এখন পুৰণি আহোম বুৰঞ্জী মতে বৰাহী ৰজাৰ সপ্তম পুৰুষৰ মহামাণিক্য ৰজাৰ পৰিনাতি ডেটচিং আহোম ৰজা দিহিঙ্গীয়া স্বৰ্গদেৱৰ (১৪২৫-১৫৩৯ খ্ৰীঃ) সমসাময়িক আছিল। 'অসমীয়া হাতে-লেখা পুথিৰ বিস্তৃত তালিকা'ত পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে মহামাণিক্যৰ আনুমানিক সময় ১৩৪৭ চন বুলিছে। দিহিঙ্গীয়া ৰজাৰ ৰাজত্ব কালৰ লগত মিলাই চালে মহামাণিক্যৰ সময় চতুৰ্দ্দশ শতিকাৰ মাজভাগ হয়। এই মতৰ ওপৰত নিৰ্ভৰ কৰি ৰামায়ণ সম্পাদন কৰোঁতা পণ্ডিত কনকচন্দ্ৰ শৰ্ম্মাই কৈছে, "মহামাণিক্যৰ তলৰ পঞ্চম পুৰুষৰ ৰজা দিহিঙ্গীয়া ৰজাৰ লগত সমসাময়িক হলেও ইয়াৰ দ্বাৰা অনুমান কৰিব পাৰি যে মহামাণিক্যে ১৩৫০ খ্ৰীষ্টাব্দৰ পৰা ১৩৭৫ খ্ৰীষ্টাব্দৰ ভিতৰত ডিমাপুৰত ৰাজত্ব কৰিছিল আৰু সেই সময়তে মাধৱ কন্দলীয়ে ৰামায়ণ লিখিছিল।" কনকলাল বৰুৱাই পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ মত সমৰ্থন কৰি মাধৱ কন্দলিক চতুৰ্দ্দশ শতিকাৰ শেষৰ ভাগৰ ৰজা বুলিছে আৰু বৰাহী ৰজাসকলে এসময়ত কপিলী উপত্যকাত ৰাজত্ব কৰিছিল বুলি কৈছে। শ্ৰীবেণুধৰ শৰ্ম্মাই বৰ্ত্তমান শিৱসাগৰ জিলাৰ সোণাৰি, মানকেৰা, বৰাহী আদি চাহ-বাগিচা থকা কোনো অঞ্চলতে কছাৰীসকলৰ ৰাজধানী আছিল বুলি অনুমান কৰে। কালিৰাম মেধিয়ে কয় যে ত্ৰিপুৰাৰ ৰজা

ৰত্নফাই ত্ৰয়োদশ শতিকামানত মাণিক্য উপাধি লয় আৰু ৰত্নফা ৰজাৰ পৰিনাতি হৈছে মহামাণিক্য বৰাহী ৰজা।` তেওঁ আৰু কয় যে ৰাজমালা গ্ৰন্থৰ সম্পাদকৰ মতে বাণেশ্বৰ আৰু শুক্ৰেশ্বৰ নামৰ দুজন অসমীয়া ব্ৰাহ্মণ পণ্ডিত ত্ৰিপুৰা ৰজা শ্ৰীধৰ্ম্মমাণিক্যৰ (১৪০৭-১৪৩৯ খ্ৰীঃ) ৰাজকবি আছিল আৰু সম্ভৱ মাধৱ কন্দলিও সেই ৰাজ্যৰ ৰাজকবি আছিল। শ্ৰীদেৱানন্দ ভৰালিয়ে কয়, "দ্বাদশ শতাব্দীৰপৰা চতুৰ্দ্দশ শতাব্দীলৈকে জয়ন্তাপুৰৰ কছাৰী ৰজাসকলে 'বৰাহী ৰজা' বুলি নগাওঁ জিলালৈকে ৰাজত্ব কৰিছিল আৰু মাধৱ কন্দলিৰ জন্মস্থান নগাৱঁৰ আলিপুখুৰীত ('বৰ্ত্তমান নগাৱঁৰ মৈৰাবাৰী অঞ্চল'), সেই কাৰণে তেওঁ জয়ন্তাৰ ৰজাৰ প্ৰজা আছিল। নিজ ৰজা জয়ন্তাপুৰেশ্বৰৰ আদেশমতে ৰামায়ণ অসমীয়া ভাষাত ভাঙ্গি পদ কৰিছিল।" ডঃ বাণীকান্ত কাকতিয়ে শ্ৰীমহামাণিক্যক জয়ন্তাপুৰৰ কছাৰী ৰজা আৰু মাধৱ কন্দলিক মধ্য অসমৰ, বৰ্ত্তমান নগাওঁ জিলাৰ বাসিন্দা বুলিছে। তেওঁ কন্দলিৰ সময় ভাষাতত্ত্বৰ ফালৰপৰা চতুৰ্দ্দশ শতিকা বুলিছে। অধ্যাপক উপেন্দ্ৰচন্দ্ৰ লেখাৰুৱে কয়, "ৰত্নফা ৰজাৰ নাতি বিজয়মাণিক্যেই (১৩৫০-১৪০৪ খ্ৰীঃ) সম্ভৱ এই মহামাণিক্য ৰজা।"

ওপৰৰ বিভিন্ন মত আলোচনাৰপৰা দেখা যায় যে মাধৱ কন্দলিৰ কাল বিষয়ে যদিও খাটাংভাবে একো ক'ব নোৱাৰি তথাপি অধিক সংখ্যক পণ্ডিতৰ মতে তেওঁ চতুৰ্দ্দশ শতিকাৰ লোক। তেওঁ উত্তৰ ভাৰতৰ প্ৰাদেশিক ভাষাত পোনতে ৰামায়ণ ভাঙনি কৰে। এঘাৰ শতিকাত জৈন ধৰ্ম্মাৱলম্বী পণ্ডিত হেমচন্দ্ৰ আচাৰ্য্যই জৈন ৰামায়ণ ৰচনা কৰে। খ্ৰীঃ নৱম শতিকাত (৮৮৫ খ্ৰীঃ) কম্বনে তামিল ভাষাত ৰামায়ণ ৰচনা কৰে। এয়ে প্ৰাদেশিক ভাষাৰ প্ৰথম ৰামায়ণ দ্বাদশ শতিকাত কানাড়ী ভাষাত ৰামায়ণৰ ভাঙনি হয়। হিন্দী ভাষাত ১৫৭৬ খ্ৰীঃত আৰম্ভ হয় আৰু বঙলা ভাষাত ষোড়শ শতিকাতহে ৰামায়ণ অনুবাদ হয়।

মহামাণিক্য ৰজাৰ আদেশত কাব্য-ৰস মিহলি কৰি আৰু সাৰোদ্ধৃত কৰি মাধৱ কন্দলিয়ে **সাতকাণ্ড ৰামায়ণ** 'পদবন্ধে' নিবন্ধিছিল। তেওঁ কাহিনীত একো নতুন কথা জোৰা দিয়া নাই বুলি কৈছে—

"পুস্তক বিচাৰি যেৱে তৈত কথা নপাৱাহা
তেবে সবে নিন্দিবা আমাক ॥" (লঙ্কাকাণ্ড)

কথা-গুৰু চৰিত পুথিত উল্লেখ আছে যে মাধৱ কন্দলিয়ে স্বপ্নত শঙ্কৰদেৱক দেখা দি কয় যে অনন্ত কন্দলিয়ে তেওঁৰ ৰচিত ৰামায়ণখন লুপ্ত কৰিবলৈ চেষ্টা কৰিছে আৰু শঙ্কৰদেৱেক তেওঁৰ ৰামায়ণখন লুপ্ত হোৱাৰপৰা ৰক্ষা কৰিবলৈ

কয়। সেই কাৰণে শঙ্কৰদেৱ পুৰণি পুথিখনক নতুন জীৱন দিয়ে। কছাৰী আৰু আহোমৰ সংঘৰ্ষৰ ফলত কছাৰী ৰজাক নগাৱঁৰপৰা খেদি পঠোৱা হয়; আৰু এই কছাৰী মাৰণৰ সময়ত মাধৱ কন্দলিৰ আদি আৰু উত্তৰাকাণ্ড হেৰাবও পাৰে। আনহাতে বাল্মীকি ৰামায়ণৰ প্ৰথম আৰু সপ্তমকাণ্ড প্ৰক্ষিপ্ত; পণ্ডিত-সকলে কেৱল দ্বিতীয়ৰ পৰা ষষ্ঠকাণ্ড মৌলিক আৰু প্ৰামাণিক বুলি ভাবে। সি যি হওক শঙ্কৰদেৱে দুইকাণ্ড নোপোৱাত মাধৱদেৱে আদিকাণ্ড আৰু শঙ্কৰদেৱে উত্তৰাকাণ্ডৰ পদ কৰে আৰু 'ৰামায়ণখনত ভক্তিৰ আঁচুফুল বাছি' দিয়ে।

মাধৱ কন্দলিৰ লিখনী স্বাভাৱিক, সুৰলা আৰু মনোগ্ৰাহী। তেওঁ মূল ৰামায়ণৰ ঘটনাৰ অলপো লৰচৰ নকৰাকৈ কবিত্বপূৰ্ণ ভাষাত ৰামায়ণৰ ভাঙনি কৰিছে। প্ৰাকৃতিক দৃশ্য, স্থান, মানৱ সৌন্দৰ্য্য, কুৎসিত ৰূপ, ৰাজকাৰেং আৰু যুদ্ধ-বিগ্ৰহ আদিৰ বৰ্ণনা অতি হৃদয়গ্ৰাহী আৰু ৰসাল। সুন্দৰাকাণ্ডত এনে চিত্ৰ বহুত পোৱা যায়। লঙ্কাৰ বৰ্ণনা, বিভিন্ন ফুলগছ আৰু ফুলৰ নামেৰে জকমকাই উঠে। ৰাক্ষসবিলাকৰ ভেঙুচা-ভেঙুচি ৰৰ হাঁহি উঠা। জতুৱা ঠাচ আৰু জাতীয় জীৱনৰ লগত খাপখোৱা ঘৰুৱা বৰ্ণনা আৰু কথাবাৰ্ত্তাই পুথি-খন মোহনীয় কৰিছে। সেই সময়ৰ অসমীয়া সমাজৰ চিত্ৰ আৰু বৰ্ণাশ্ৰম ধৰ্ম্মৰ কথা কন্দলিৰ ৰচনাত পোৱা যায়। অযোধ্যাকাণ্ডত 'সন্দিকৈ' শব্দৰ ব্যৱহাৰে আহোমসকলৰ প্ৰভাৱৰ ইঙ্গিত দিয়ে। সেই একে কাণ্ডৰ "যুগী" শব্দৰ ব্যৱহাৰে নাথ সম্প্ৰদায়ৰ লোক বসতিৰ সঙ্কেত দিয়ে। বিষ্ণু আৰু বাসুদেৱৰ উল্লেখ থাকিলেও শৈৱ আৰু শাক্ত ধৰ্ম্মৰ সৈতে কবি অধিক পৰিচিত যেন লাগে। কন্দলিৰ ৰচনাত বাস্তৱ জীৱনৰ সাঁচ আৰু মধুৰ কবিতা পোৱা যায়। পুথি পঢ়িলে সকলো ঘটনা চকুৰ আগত বিৰিঙি উঠে। লৌকিকতাপূৰ্ণ বৰ্ণনা কন্দলিৰ ৰামায়ণৰ এটা বৈশিষ্ট্য। তেওঁৰ ভাষা শঙ্কৰদেৱতকৈ দুৰ্ব্বোধ্য; কিন্তু সংস্কৃতীয়া শব্দতকৈ ঘৰুৱা শব্দৰ প্ৰচলন বেচি। তেওঁৰ ৰামায়ণত ৰূপক, উপমা, শ্লেষ, বিৰোধ, নিদৰ্শনা, ব্যতিৰেক আদি নানা অলঙ্কাৰৰ যথেষ্ট প্ৰয়োগ দেখা যায়। ডঃ সত্যেন্দ্ৰনাথ শৰ্ম্মাই কৈছে, "এটা বাক্যত কবলৈ গলে চিত্ৰপ্ৰধান কবিত্বপূৰ্ণ বৰ্ণনা আৰু লৌকিক স্পৰ্শই মাধৱ কন্দলিৰ ৰামায়ণৰ প্ৰধান বিশেষত্ব।"

দৃষ্টান্তত তেওঁ পটু আৰু মানুহৰ মুখে মুখে চলি অহা ঘৰুৱা দৃষ্টান্তও তেওঁ ব্যৱহাৰ কৰিছে। যেনে :—'বটালি নকাটে যেন বিনা হাঠুৰীয়ে'; 'গাওঁত বসতি নাই সীমাক শুনয়'; 'ঢোলৰ ভিতৰে যেন নিঙ্গনিয়ে পশি'; 'ঢোল হেন

ডিমা পাৰে চুঙ্গাৰ বাহুলি'; 'লঙ্কা পুৰীখান কাংস পৰি জিম গেলা'; 'কাকো তুলি আচাৰন্ত বস্ত্র যেন ধোৱে'; 'বৰশীয়া ৰাৱণৰ পুঙ্গাতেসে দৃষ্টি ॥'; 'তপত খোলাত দিলে যেন মৎস্য মৰে'; ইত্যাদি।

তেওঁৰ ৰচনা পাণ্ডিত্যপূর্ণ আৰু অকৃত্রিম। যেনে:—

"দেখি তোৰ লীলাগতি অতি বৰ লাজে।
মত্ত গজ গুচি গৈল সৰোবৰ মাজে॥"

"বঙলা ৰামায়ণৰ পাঠকৰ মনোৰঞ্জনৰ কাৰণে মূল ৰামায়ণত নথকা কিছুমান কথা জোৰা দিয়া হৈছে; কিন্তু মাধৱ কন্দলীয়ে মূলৰপৰা আঁতৰি যোৱা নাই। তেওঁৰ ৰচনা মনোগ্রাহী হৈছে। কৃত্তিবাসৰ ৰামায়ণত বহুত পুৰাণ, উপ-পুৰাণৰ কথা সোমাই আছে। ৰামচন্দ্রৰ দুর্গোৎসৱৰ অকালবোধন, ভগৱতীৰ পূজালৈ হাজাৰ পদ্মৰ এটি কম হোৱাত ৰামে চকু দিবলৈ ওলোৱা কথা বাল্মীকি ৰামায়ণত নাই। দুর্গোৎসৱৰ কথা পুৰাণৰ ভেজা, বাল্মীকিত নাই। বাল্মীকিৰ ৰাম আদর্শ পুৰুষ, কিন্তু কৃত্তিবাসৰ পূর্ণব্রহ্ম। বাল্মীকিৰ সীতা আদর্শ সতী গৃহিনী; কিন্তু কৃত্তিবাসৰ সীতা দেৱী, সাক্ষাৎ লক্ষ্মী। বাল্মীকিৰ সীতা নির্ভীকা বীৰাঙ্গনা, কিন্তু কৃত্তিবাসৰ সীতা ভয়াতুৰা।

মাধৱ কন্দলিৰ ৰামায়ণত বঙলা ৰামায়ণৰ অলীক ঘটনাৰ সমাবেশ নাই। অসমীয়া ৰামায়ণৰ আদি কাণ্ডত দুটামান অতিৰিক্ত কথা পোৱা যায়। যেনে:— দশৰথৰ ৰাজ্যত শনিৰ দৃষ্টি, শনিৰ দৃষ্টিত অনাবৃষ্টি ইত্যাদি। কিন্তু মূলত নথকা কেইটামান ঘটনা প্রসঙ্গত এই দুয়ো ৰামায়ণৰ কিছু মিল আছে। যেনে:—সীতাক কাউৰীয়ে আক্রমণ কৰা, ৰামে কাউৰীৰ চকু বিন্ধা, ৰাৱণে বিভীষণক লাঠি মৰা আৰু হনুমন্তই ঔষধ আনিবলৈ যাওঁতে কালনেমিক বধ কৰা।"

মাধৱ কন্দলিৰ ৰামায়ণত থকা বৈষ্ণৱ ধর্ম্ম সম্পর্কীয় বহুত কথা হয়তো পাচত যোগ হব পাৰে। সম্ভৱ বৈষ্ণৱ যুগত কন্দলিৰ ৰামায়ণৰ ওপৰত হাত ফুৰাই উপদেশ-পাঠ সংযোগ কৰা হৈছিল। শঙ্কৰদেৱ, অনন্ত কন্দলি, ৰঘুনাথ মহন্ত আদিৰ ৰচনাতো কন্দলিৰ প্রভাৱ পৰিলক্ষিত হয়। দুর্গাবৰৰ গীতি-ৰামায়ণৰ ওপৰতো এই ৰামায়ণৰ প্রভাৱ পৰিছে।

দেৱজিত:—মাধৱ কন্দলিৰ নামত প্রচলিত দেৱজিত নামৰ এমন পুথি আছে। পণ্ডিত হেমচন্দ্র গোস্বামীৰ 'অসমীয়া পুথিৰ বিস্তৃত তালিকা'ত এইখন যদিও কন্দলিৰ ৰচনা বোলা হৈছে তথাপি ই অপ্রমাদী কবিৰ নামৰ উপযুক্ত

নহয়। কবিয়ে ৰচনাত মাধৱ বুলিহে চিনাকি দিছে। ভাষাই পুথিৰ প্ৰাচীনতাৰ প্ৰমাণ নিদিয়ে। পুথিত তপ-যজ্ঞতকৈ নাম-ধৰ্ম্মক শ্ৰেষ্ঠ বোলা হৈছে। কোনো কোনো ঠাইত জীৱন, যৌৱন, সম্বন্ধ আৰু সম্পত্তি নিৰৰ্থক বোলা হৈছে। কাহিনী অষ্টাদশ পুৰাণৰপৰা লোৱা—

"অষ্টাদশ পুৰাণৰ কথা অনুসাৰ।
কৰিলোহো মঞি দেৱজিতক প্ৰচাৰ॥"

নাৰদে ইন্দ্ৰক কৃষ্ণক পূজা কৰিবলৈ কয়। ইন্দ্ৰ অমান্তি হয় আৰু নাৰদে এই কথা কৃষ্ণক জনায়। কৃষ্ণই ইন্দ্ৰৰে সৈতে যুঁজ কৰিবলৈ সাজু হয়। তেওঁ অৰ্জ্জুনৰ সৈতে বীজেন্দ্ৰিয় বনত মৃগয়া কৰিবলৈ যায় আৰু তাত দেৱতাসকলৰ সৈতে অৰ্জ্জুনৰ যুদ্ধ হয়। দেৱতাসকল পৰাস্ত হয়। ইন্দ্ৰ কৃষ্ণৰ চৰণত পৰে। এয়ে পুথিৰ চমু কাহিনী।

ষষ্ঠ অধ্যায়

বৈষ্ণৱ যুগ

ভাৰতীয় বৈষ্ণৱ ধৰ্ম্মৰ ধাৰা:—ভাগৱত, পুৰুষোত্তম, নাৰায়ণ আৰু হৰি নামেৰেও জনা বিষ্ণুৰ অস্তিত্ব স্বীকাৰ কৰা ভক্তিধৰ্ম্মকে বৈষ্ণৱ ধৰ্ম্ম বোলে। বিষ্ণুৰ উপাসনা ঋগ্বেদৰ সমান পুৰণি। বিষ্ণু আদিত্যসকলৰ এজন। ঋগ্বেদৰ এঠাইত তেওঁক 'ঋতস্য গৰ্ভম' অৰ্থাৎ যজ্ঞ বা নৈতিকতাৰ বীজ বোলা হৈছে। তেওঁক ইন্দ্ৰৰে সৈতে প্ৰশংসা কৰা হৈছে। বৈদিক যুগৰ আগভাগত বিষ্ণুক এজন ডাঙৰ দেৱতা বোলা হৈছে কিন্তু তেওঁ একমাত্ৰ ডাঙৰ নহয়। পৰৱৰ্ত্তী বৈদিক সাহিত্যত বিষ্ণুৰ স্থান অতি ওখ। তেওঁক যজ্ঞৰ প্ৰতীক বোলা হৈছে। ব্ৰাহ্মণ-আৰণ্যক আদি শাস্ত্ৰৰ সময়ত নাৰায়ণক দেৱতাৰূপে কল্পনা কৰা হৈছিল। ব্ৰাহ্মণ গ্ৰন্থত বিষ্ণুৰ ৰূপ সলনি হ'ল। শতপথ ব্ৰাহ্মণত প্ৰথমতে নাৰায়ণৰ নাম পোৱা যায়; কিন্তু বিষ্ণুৰ লগত সম্বন্ধ নাই। তৈত্তিৰীয় আৰণ্যকত নাৰায়ণক বিষ্ণুৰ সৈতে পোনপটীয়া সম্বন্ধ স্থাপন কৰা হয়। ঐতৰেয় ব্ৰাহ্মণত বিষ্ণুক দেৱতাসকলৰ ভিতৰত শ্ৰেষ্ঠ আসন দিয়া হৈছে আৰু তেওঁক অসুৰৰ বিৰুদ্ধে ইন্দ্ৰক সহায় কৰোঁতা বোলা হৈছে। ধৰ্ম্ম সম্প্ৰদায় বুজোৱা বৈষ্ণৱ নামটো মহাভাৰতৰ শেহৰকালে পোৱা যায়। শান্তিপৰ্ব্বৰ নাৰায়ণীয় শাখা

(৩৩৪-৪৮ অধ্যায়) আৰু ভীষ্মপৰ্ব্বৰ বিশ্বোপাখ্যানত ভাগৱত, সাত্বত, একান্তিক বা পঞ্চৰাত্ৰ ধৰ্ম্মৰ উল্লেখ আছে। মহাভাৰতৰ মতে নাৰদে স্বয়ং নাৰায়ণৰপৰা এই ধৰ্ম্ম পাইছিল। শ্ৰীমদ্ভগৱত গীতাত ইয়াক সংক্ষেপে কোৱা হৈছে। বিষ্ণু-পুৰাণ, ব্ৰহ্মবৈৱৰ্ত্তপুৰাণ আৰু ভাগৱত পুৰাণত বিষ্ণুক সৰ্ব্বশ্ৰেষ্ঠ স্থান দিয়া হৈছে। তেওঁ সৰ্ব্বশক্তিমান বিষ্ণু। খ্ৰীষ্টধৰ্ম্মৰ পূৰ্ব্বে ভাগৱত বা ভক্তিপন্থা থকাৰ লিপি-মূলক প্ৰমাণ পোৱা যায়। বেচনগৰত (প্ৰাচীন বিদিশাপুৰ) পোৱা খ্ৰীঃ পূঃ দ্বিতীয় শতিকাৰ লিপি এখনত গ্ৰীক ৰজা অন্তলিখিতৰ (Antialkidas) দূত তক্ষশীলা-বাসী যৱন (অৰ্থাৎ গ্ৰীক) দিয়নৰ পুত্ৰ ভাগৱত হেলিঅ'ডোৰে (Heliodoros) বাসুদেৱৰ সন্মানৰ কাৰণে গৰুড়ধ্বজ প্ৰতিষ্ঠা কৰাৰ কথা আছে। আন এখন লিপিত 'ভাগৱত' আখ্যা পোৱা যায়। দাক্ষিণাত্যৰ নানাঘাটৰ সন্তৰ খ্ৰীঃ পূঃ প্ৰথম শতিকাৰ এখন লিপিত সঙ্কৰ্ষণ আৰু বাসুদেৱৰ উপাসনাৰ উল্লেখ আছে। এই কথাই ইঙ্গিত দিয়ে যে পানিনিৰ (খ্ৰীঃ পূঃ ষষ্ঠ শতিকা) যুগতো এই ভাগৱত সম্প্ৰদায় আছিল, যেহেতু তেওঁ 'বাসুদেৱক' শব্দটো বাসুদেৱ এওঁৰ ভক্তিৰ পাত্ৰ এই অৰ্থত সিদ্ধ কৰিছে। ছান্দোগ্য উপনিষদত বাসুদেৱৰ কথা থকাৰ পৰা অনুমান কৰিব পাৰি যে কৃষ্ণ খ্ৰীঃ পূঃ ৬০০ৰ আগতে আছিল।

হিন্দু, জৈন আৰু বৌদ্ধ পুৰাণে ইঙ্গিত দিয়ে যে বাসুদেৱ ৰাজকুলজাত আৰু আচল বাসুদেৱ হল মথুৰাৰ যাদৱ বৃষ্ণি বা সাত্বত। গোপালকৃষ্ণ আৰু তেওঁৰ শৈশৱৰ বিষয়ে কিছুমান পৌৰাণিক আখ্যান বৈদিক সাহিত্যৰ বিষ্ণু আখ্যানৰ পৰা ধাৰ কৰা। কৃষ্ণৰূপে বিষ্ণুৰ অৱতাৰবাদ তৈত্তিৰীয় আৰণ্যকত পোৱা যায়। ব্ৰাহ্মণ সাহিত্যত অৱতাৰবাদ পোৱা যায় আৰু শতপথ ব্ৰাহ্মণত কচ্ছপ, বামন, বৰাহ আদি আকাৰ ধাৰণ কৰাৰ কথা পোৱা যায়। খ্ৰীষ্টীয় প্ৰথম শতিকাৰপৰা তৃতীয় শতিকালৈকে ভাগৱত ধৰ্ম্মৰ স্পষ্ট বুৰঞ্জী পোৱা নাযায়। চাৰিখন লিপিত কৃষ্ণৰ উল্লেখ আছে। এই যুগৰ শক আৰু কুশান ৰজাসকল শৈৱ বা বৌদ্ধ আছিল আৰু দুই এজনৰ বাহিৰে বেচিভাগেই ভাগৱত ধৰ্ম্মৰ প্ৰতি সহানুভূতিসম্পন্ন নাছিল। ভাগৱত ধৰ্ম্মৰ প্ৰতি অনুৰক্ত থকাৰ উপৰিও মগধৰ কেইজনমান বিখ্যাত গুপ্ত সম্ৰাটে নিজকে পৰম ভাগৱত বুলিছিল। ভাস্কৰ্য্য আৰু লিপিত ইয়াৰ নিদৰ্শন পোৱা যায়। এই সময়ত ভাগৱত ধৰ্ম্ম বৈষ্ণৱ ধৰ্ম্মৰ সমাৰ্থক হয়। অৱতাৰবাদ আৰু লক্ষ্মীৰ উপাসনা গুপ্ত যুগৰ লক্ষণ বুলিব পাৰি। গুপ্ত ৰজাসকলৰ পতনৰ লগে লগে উত্তৰ ভাৰতত ভাগৱত ধৰ্ম্মৰ প্ৰাধান্য কমি আহে। এই সময়তে ঘাই পুৰাণবিলাক ৰচিত হয়। হৰ্ষবৰ্দ্ধনৰ

দিনত ভাগৱত ধৰ্ম্মৰ প্ৰাধান্য কমি আহিলেও শঙ্কৰাচাৰ্য্যৰ সময়ত খ্ৰীঃ নৱম শতিকাত ইয়াৰ যথেষ্ট প্ৰভাৱ আছিল। লাহে লাহে গঙ্গা উপত্যকা আৰু মধ্যভাৰতৰপৰা এই ধৰ্ম্মৰ সোঁত দাক্ষিণাত্যৰ ফালে যায় আৰু তামিল দেশ ভাগৱত ধৰ্ম্মৰ কেন্দ্ৰস্থান হৈ পৰিল।

ৰামানুজে প্ৰচাৰ কৰাৰ আগতে খ্ৰীঃ পূঃ প্ৰথম শতিকাত ভাগৱত ধৰ্ম্ম দাক্ষিণাত্যত সোমায়। যজ্ঞ শাতকৰ্ণিৰ সময়ৰ চীনা লিপিয়ে প্ৰমাণ কৰে যে খ্ৰীঃ পূঃ দ্বিতীয় শতিকাত এই ধৰ্ম্মৰ প্ৰচলন আছিল। খ্ৰীষ্টীয় ষষ্ঠ শতিকাৰ চালুক্য ৰজা মঙ্গলেশক পৰম ভাগৱত বোলা হৈছে। ভাগৱত পুৰাণৰপৰা দ্ৰাবিড় দেশত ভাগৱত ধৰ্ম্ম প্ৰচলন হোৱাৰ কথা পোৱা যায়।

তামিল দেশত ষষ্ঠ/সপ্তম শতিকাত ভক্তি আন্দোলনৰ সূচনা হয়। খ্ৰীষ্টীয় সপ্তম আৰু নৱম শতিকাৰ ভিতৰত স্ত্ৰী-পুৰুষ নিৰ্ব্বিশেষে নানা জাত-কুলৰ আল্বাৰসকলে প্ৰায় ৪ হেজাৰ তামিল ধৰ্ম্ম-সঙ্গীত ৰচনা কৰি ভক্তি আৰু কৃষ্ণৰ উপাসনাৰ কথা প্ৰচাৰ কৰে। বাৰজন আল্বাৰৰ ভিতৰত এগৰাকী মহিলাও (আণ্ডল)। এই আল্বাৰসকলক ভক্তি-আন্দোলনৰ গুৰুতৰা বুলিব পাৰি। এওঁলোকৰ গীতসমূহত ভগবানৰ প্ৰতি অচল ভক্তি প্ৰকাশ পাইছে আৰু জীৱনত ভোগ কৰা কষ্টৰপৰা উদ্ধাৰৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰা হৈছে। কিছুমান গীতত বিষ্ণুৰ অৱতাৰৰ কথা আছে। কিছুমানত শ্ৰীকৃষ্ণৰ ঐশ্বৰীক মহত্ত্ব প্ৰকাশ পাইছে। এওঁলোকৰ প্ৰথম তিনিজনে (পেয় আল্বাৰ, ভূতম আল্বাৰ, আৰু পোই গই আল্বাৰ) নাৰায়ণক শ্ৰেষ্ঠ দেৱতা বোলে, বিষ্ণুৰ প্ৰথম অৱতাৰৰ কথা (যাইকৈ ত্ৰিবিক্ৰম বা বামন) কয় আৰু কৃষ্ণ অৱতাৰৰ ভূয়সী প্ৰশংসা কৰে। তেওঁলোকৰ মতে গুৰু আৱশ্যক। আল্বাৰসকলৰ পাচতে আচাৰ্য্যসকলে বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰ কৰে। প্ৰথম আচাৰ্য্য নাথমুনিয়ে (সম্ভৱ দশম শতিকাৰ) আল্বাৰসকলৰ ধৰ্ম্ম-সঙ্গীতসমূহ (নালয়িৰপ্ৰবন্ধম) গোটাইছিল। এওঁৰ নাতি চোল সাম্ৰাজ্যৰ গৌৰৱৰ কালৰ যমুনাচাৰ্য্য ৰামানুজৰ গুৰু। যমুনাচাৰ্য্যই প্ৰাচীন ভাগৱত, পঞ্চৰাত্ৰ বা সাত্বতধৰ্ম্মৰ এক সংশোধিত আৰু সঙ্গত আকাৰ উলিয়াই বিশিষ্টাদ্বৈতবাদ প্ৰৱৰ্ত্তন কৰে। তেওঁৰ আধ্যাত্মিক উত্তৰাধিকাৰী ৰামানুজ বৈষ্ণৱ ধৰ্ম্মৰ দ্বিতীয় প্ৰৱৰ্ত্তক। আচাৰ্য্যসকলে জাতিভেদ মানি চলিছিল। সেইকাৰণে ৰামানুজী শিষ্য-পৰম্পৰাৰ পঞ্চম পুৰুষৰ ৰামানন্দই (চতুৰ্দ্দশ শতিকাৰ শেহৰ) সামাজিক মৰ্য্যাদাত অপমানিত হৈ উত্তৰ ভাৰতত সকলোলৈকে ভক্তিধৰ্ম্মৰ দুৱাৰ মুকলি কৰে। তেওঁ ৰাম-ভক্তি প্ৰচাৰ কৰে। তেওঁ দাস্য

ভাবৰ পৰকাষ্ঠা দেখুৱালে। এই ধৰ্ম্মৰ পৰৱৰ্ত্তী প্ৰচাৰকসকল হৈছে কবীৰ (১৪৪০—১৫১৮ খ্ৰীঃ), গোস্বামী তুলসীদাস (১৫৩২—১৬২৩ খ্ৰীঃ) ইত্যাদি। ৰামানন্দৰ শিষ্য কবীৰে যদিও ৰাম নামক আশ্ৰয় কৰি সন্তমতৰ ৰূপৰেখা নিৰ্ধাৰিত কৰিলে তথাপি ৰাম-ভক্তিৰ পূৰ্ণবিকাশ তুলসীদাসৰ ৰচনাত হয়। হিন্দু-মুছলমানৰ আধ্যাত্মিক মিলন আৰু নানা ক্ৰিয়া প্ৰতিক্ৰিয়াৰ ফলত উত্তৰ ভাৰতীয় সাহিত্যত চাৰিটা ধাৰাৰ সৃষ্টি হৈছিল। ইয়াৰ দুটা নিৰাকাৰ উপাসনা আৰু দুটা সগুণ আৰু সাকাৰ উপাসনা। এয়ে সাহিত্যত ভক্তি-কাল।

ভক্তি-কাল

- নিৰাকাৰ উপাসক
  - কালাশ্ৰয়ীশাখা (সন্ত কবি)
  - প্ৰেমমাৰ্গীশাখা (চুফী কবি)
- সাকাৰ উপাসক
  - ৰামাশ্ৰয়ীশাখা (ভক্তি কবি)
  - কৃষ্ণাশ্ৰয়ীশাখা (ভক্তি কবি)

এইদৰে বৈষ্ণৱধৰ্ম্ম পোনতে দক্ষিণ ভাৰতত প্ৰচলন হৈ পাচত উত্তৰ ভাৰত জুৰি পৰিল। এই ধৰ্ম্মপ্ৰচাৰত চাৰিজন আচাৰ্য্যই (ৰামানুজাচাৰ্য্য, মধ্বাচাৰ্য্য, বিষ্ণুস্বামী আৰু নিম্বাৰ্ক) সহযোগ কৰিলে। তেওঁলোকৰ পৰৱৰ্ত্তী কেইবাজনো আচাৰ্য্যই বৈষ্ণৱধৰ্ম্ম অধিক ব্যাপক কৰিলে। প্ৰত্যেকেই বিষ্ণুক ভিন ভিন ৰূপত ধাৰণা কৰিলে। ৰামানুজাচাৰ্য্যই বিশিষ্টাদ্বৈতৰূপ, মধ্বাচাৰ্য্যই দ্বৈতৰূপ, বিষ্ণুস্বামীয়ে শুদ্ধাদ্বৈতৰূপ আৰু নিম্বাৰ্কই দ্বৈতাদ্বৈতৰূপ স্থাপন কৰিলে।

এই চাৰিজন আচাৰ্য্যৰ ভিতৰত তলৰ কথাখিনিত মিল আছে—

(১) ভক্তিৰ কাৰণে জাতি-বন্ধন থাকিব নালাগে। অন্যান্য জাতিতকৈ ব্ৰাহ্মণ শ্ৰেষ্ঠ হলেও শূদ্ৰৰ ভগবদভক্তিৰ অধিকাৰ আছে।

(২) অদ্বৈতবাদৰ দ্বাৰা ব্ৰহ্মৰ নিৰূপণ যি কোনো এটা ৰূপত অৱশ্যে বেলেগ।

(৩) ভক্তিৰ চৰম উদ্দেশ্য হৈছে গোলোক বা বৈকুণ্ঠপ্ৰাপ্তি। এই মত পোনতে ভক্তিসূত্ৰৰ লেখক শাণ্ডিল্যৰ দ্বাৰা প্ৰতিপাদিত হয়।

ৰামানুজাচাৰ্য্যই (জন্ম সং ১০৭৪—মৃত্যু ১১৯৪) কেৱল বিষ্ণু বা নাৰায়ণৰ ভক্তি আৰু জ্ঞানৰ ওপৰত জোৰ দিলে। তেওঁৰ নিচিনাকৈ ৰামানন্দই বিষ্ণু বা নাৰায়ণক ৰূপান্তৰিত কৰি ৰাম-ভক্তি প্ৰচাৰ কৰিলে। নিম্বাৰ্ক, মধ্বাচাৰ্য্য আৰু বিষ্ণুস্বামীয়ে বিষ্ণুৰ ৰূপত কৃষ্ণৰ ভক্তি প্ৰচাৰ কৰাৰ পক্ষপাতী আছিল।

শঙ্কৰদেৱ, চৈতন্যদেৱ আৰু বল্লভাচাৰ্য্যই কৃষ্ণৰ ভক্তি প্ৰচাৰ কৰিলে। ৰামানুজ আৰু আন তিনিজন আচাৰ্য্যৰ ভক্তিতো কিছু পাৰ্থক্য আছে। ৰামানুজৰ ভক্তি শ্বেতাশ্বেতৰ উপনিষদৰপৰা লোৱা যেন লাগে আৰু ইয়াৰ ৰূপ গীতাত অধিক স্পষ্ট। গীতাৰ পাচত পুৰাণ, তন্ত্ৰ আৰু দ্বাদশ শতিকাৰ শাণ্ডিল্যৰ ভক্তি-সূত্ৰত ভক্তিৰ 'শাস্ত্ৰীয় বিবেচন' পোৱা যায়। অন্যান্য তিনিজন আচাৰ্য্যৰ ভক্তি ভাগৱত পুৰাণৰপৰা লোৱা হৈছে আৰু ইয়াত জ্ঞানতকৈ প্ৰেমৰ অধিক মহত্ত্ব আছে। ৰামানুজে তেওঁৰ সিদ্ধান্তত ভক্তি আৰু জ্ঞানৰ সমুচ্চয় মানে, কিন্তু অন্যান্য আচাৰ্য্যসকলে কেৱল আত্মসমৰ্পণমূলক ভক্তি মানে।

বিবিধ আচাৰ্য্যৰ দ্বাৰা প্ৰতিপাদিত তলত দিয়া ৰূপত বৈষ্ণৱ সাহিত্য ৰচিত হৈছে—

	বিষ্ণুৰ ৰূপ	ভক্তি-কেন্দ্ৰ
১।	ৰাম	অযোধ্যা, চিত্ৰকূট, নাসিক
২।	কৃষ্ণ	মথুৰা, বৃন্দাবন, গোকুল, নাথদ্বাৰা, দ্বাৰকা
৩।	জগন্নাথ	পুৰী, বদ্ৰীনাথ
৪।	বিট্‌ঠোবা	পন্ধৰপুৰ (চোলাপুৰ), কাঞ্চীবৰম।

তেওঁলোক জনতাৰ ভাষা প্ৰয়োগ কৰি ধৰ্ম্মপ্ৰচাৰ কৰে। সংস্কৃতত থকা ধাৰ্ম্মিক সিদ্ধান্তবোৰ জনতাৰ ভাষাত কোৱা হয় আৰু ইয়াৰ দ্বাৰা ধৰ্ম্মৰ ধাৰণা অধিক ব্যাপক হয়। মুচলমান ৰাজত্বত সংস্কৃত চৰ্চ্চাৰ কোনো উৎসাহ পোৱা নগৈছিল। সেইকাৰণে স্থানীয় ভাষাৰ ব্যৱহাৰ হ'ল।

ওপৰত চাৰিজন আচাৰ্য্যৰ সিদ্ধান্তৰ ফলস্বৰূপে ভাৰতত ৪ সম্প্ৰদায়ৰ সৃষ্টি হ'ল—(১) শ্ৰীসম্প্ৰদায়, (২) ব্ৰহ্মসম্প্ৰদায়। (৩) ৰুদ্ৰসম্প্ৰদায় আৰু সনকাদি সম্প্ৰদায়।

কৃষ্ণ-কথা—শ্ৰীকৃষ্ণৰ ধাৰণাৰ আবিৰ্ভাৱ খ্ৰীষ্টীয় চতুৰ্থ শতিকাৰ পূৰ্ব্বত। তেওঁৰ বহুত নামৰ ভিতৰত 'বাসুদেৱ' এটা। হপকিন্সে কয় যে মহাভাৰতত কৃষ্ণ কেৱল মনুষ্যৰূপত আছে আৰু পাচতহে দেৱত্ব পদলৈ উন্নীত হৈছে। কীথৰ বিচাৰ অনুসাৰে মহাভাৰতত শ্ৰীকৃষ্ণৰ ব্যক্তিত্ব পূৰ্ণৰূপত দেৱত্বৰ ধাৰণাৰে সৈতে যুক্ত। কিন্তু এইটো ঠিক যে খ্ৰীষ্টৰ ৪০০ বছৰমানৰ পূৰ্ব্বত কৃষ্ণৰ দেৱত্বৰ ধাৰণা প্ৰচলিত আছিল, কিয়নো পানিনিৰ ব্যাকৰণত বাসুদেৱ আৰু অৰ্জ্জুন যুগ্মহে। মেগেস্থানিছে লিখিছে যে কৃষ্ণৰ পূজা মথুৰা আৰু কৃষ্ণপুৰত হৈছিল। এই সময় হ'ল খ্ৰীষ্টৰ ৩০০ বছৰৰ আগত। 'যদি বাসুদেৱ কৃষ্ণৰ পূজা প্ৰথম মৌৰ্য্যৰ

সময়ৰপৰা প্ৰচলিত হয় তেন্তে এই পূজাৰ আৰম্ভ মৌৰ্য্য বংশ স্থাপনৰ আগতে হ'ব। সম্ভৱ এই পূজাৰ আৰম্ভ উপনিষদৰ লগতে হ'ল। কিয়নো মহানাৰায়ণ উপনিষদতবিষ্ণুৰ পৰ্য্যায়বাচী শব্দ হ'ল বাসুদেৱ। কৃষ্ণ বাসুদেৱৰ পৰ্য্যায়বাচী হয়। সেইকাৰণে কৃষ্ণ বিষ্ণুৰ দ্যোতক। চাৰ ভাণ্ডাৰকাৰৰ মতে বাসুদেৱ সাত্বত বংশৰ এক ক্ষত্ৰিয় মহাপুৰুষ আৰু তেওঁৰ সময় ৬০০ খ্ৰীষ্টাব্দৰ আগত। গতিকে চাৰ ভাণ্ডাৰকাৰে বাসুদেৱ আৰু কৃষ্ণ দুয়োকে স্বকীয়া বুলি ভাবে। শ্ৰীমদ্ভগৱত গীতা এই সাত্বত বংশৰে গ্ৰন্থ, 'এইদৰে বাসুদেৱৰ প্ৰথম ৰূপ নাৰায়ণ, পাচত বিষ্ণু আৰু অন্তত গোপাল কৃষ্ণ'।

কৃষ্ণ এক বৈদিক ঋষিৰ নাম। 'অনুক্ৰমণী'ৰ লেখকে তেওঁক আঙ্গিৰস নাম দিছে; আৰু ছান্দোগ্য উপনিষদত ঘোৰ আঙ্গিৰস ঋষিৰ শিষ্য দৈৱকীনন্দন কৃষ্ণৰ কথা আছে। 'যদি কৃষ্ণও আঙ্গিৰস হয় তথাপি ঋগ্বেদৰ সময়ৰপৰা ছান্দোগ্য উপনিষদৰ সময়লৈকে তেওঁৰ সম্বন্ধেও জনশ্ৰুতি চলি আহিছিল।' খ্ৰীঃ পূঃ ২০০ৰ পৰা দুশ বছৰ পিচলৈকে এই ৪০০ বছৰত মহাভাৰতত কৃষ্ণ দেৱতাৰ অৱতাৰত দেখা যায়। সভাপৰ্ব্বত ভীষ্মই শ্ৰীকৃষ্ণক অব্যক্ত প্ৰকৃতি আৰু সনাতন কৰ্ত্তা বুলিছে। মহাভাৰতত গোপালৰ ধাৰণা আছে। ইয়াৰ কৃষ্ণৰ আন এটা নাম গোবিন্দ। মহাভাৰতত শ্ৰীকৃষ্ণক বিষ্ণুৰ অৱতাৰৰূপে মনা হয়। মহাভাৰতৰ পিচতে শ্ৰীমদ্ভগৱতগীতাত শ্ৰীকৃষ্ণ বিষ্ণুৰ পূৰ্ণ অৱতাৰ। নাৰায়ণীয়ত ছয় অৱতাৰৰ (বাৰাহ, নৃসিংহ, বামন, পৰশুৰাম, ৰাম আৰু বাসুদেৱ কৃষ্ণ) কথা আছে আৰু ইয়াত আন অৱতাৰৰ ভিতৰত কংস-বধৰ নিমিত্তে বাসুদেৱৰ অৱতাৰৰ বৰ্ণনা আছে। হৰিবংশ, বায়ুপুৰাণ আৰু ভাগৱত পুৰাণৰ আগতে গোপাল কৃষ্ণৰ কথা প্ৰচলিত আছিল। বিষ্ণুৰ অৱতাৰৰ সংখ্যা পুৰাণসমূহত যিদৰে পোৱা যায় তাক তলত দিয়া হল—

(১) হৰিবংশ—ছয় অৱতাৰ

(২) বায়ুপুৰাণ—দ্বাদশ অৱতাৰ (৯৭ অধ্যায়) আৰু
দশাৱতাৰ (৯৮ অধ্যায়)

(৩) বাৰাহ পুৰাণ—দশাৱতাৰ

(৪) অগ্নিপুৰাণ—দশাৱতাৰ

(৫) ভাগৱতপুৰাণ—(ক) প্ৰথম স্কন্ধ, তৃতীয় অধ্যায়—২২ অৱতাৰ
(খ) দ্বিতীয় ,, সপ্তম ,, —২৩ ,,
(গ) একাদশ ,, চতুৰ্থ ,, —১৭ ,,

(৬) নৃসিংহ পুৰাণ—দশাৱতাৰ

গোপাল কৃষ্ণৰ ধাৰণা পোনতে হৰিবংশত পোৱা যায়। পণ্ডিতসকলে কয় যে ব্রজ আৰু বৃন্দাবন কেন্দ্রত দ্বিতীয় আৰু তৃতীয় শতিকাত আভীৰ জাতি আছিল। তেওঁলোকে পিচত ৰাজনীতিত ভাগ লৈছিল আৰু মহাৰাষ্ট্ৰৰ উত্তৰে নিজ ৰাজ্য স্থাপন কৰিছিল। তেওঁলোকৰ ডাঙৰ ৰজাজনৰ নাম ঈশ্বৰসেন। সম্ভৱ গোপাল কৃষ্ণ এই আভীৰ জাতিৰে দেৱতা। যি বাসুদেৱ কৃষ্ণ মহাভাৰতলৈকে ব্ৰহ্ম আৰু ব্ৰহ্মৰ অৱতাৰস্বৰূপ আছিল তেওঁ আভীৰবিলাকৰ গোপাল কৃষ্ণলৈ ৰূপান্তৰিত হ'ল আৰু পৌৰাণিক কৃষ্ণৰ বাল্যলীলা গোপাল-কৃষ্ণৰ বাল্য-লীলাত পৰিণত হল। নাৰদ পঞ্চৰাত্ৰৰ 'জ্ঞানামৃত-সাৰ-সংহিতাত কৃষ্ণৰ বাল্য-লীলাৰ নিৰ্দ্দেশ আছে। এইদৰে বাসুদেৱ কৃষ্ণৰ সত্তা গোপাল কৃষ্ণৰ গোটেই শিশু-চৰিত্ৰত লীন হ'ল। ধাৰ্ম্মিকক্ষেত্ৰত শ্ৰীকৃষ্ণৰ ধাৰণাৰ বিকাশ হ'ল।

ভাগৱত পুৰাণ খ্ৰীষ্টীয় দশম শতিকাৰ ৰচনা। 'ইয়াৰ আধাৰৰ ওপৰত নাৰদ ভক্তিসূত্ৰ আৰু শাণ্ডিল ভক্তিসূত্ৰ নিৰ্ম্মাণ হ'ল'। ভাগৱত পুৰাণত শ্ৰীকৃষ্ণৰ বাল্য-জীৱনৰ কথা আছে। পৰবৰ্ত্তী জীৱনৰ কেৱল মাথোন সঙ্কেত আছে। ভাগৱতত গোপীৰ কথা থাকিলেও ৰাধাৰ উল্লেখ নাই। অৱশ্যে শ্ৰীকৃষ্ণৰ লগত একান্তভাৱে এজনী গোপী ফুৰাৰ কথা পোৱা যায়। মহাৰাষ্ট্ৰৰ জ্ঞানেশ্বৰ (১২৭১—১৩৫০ খ্ৰীঃ) আৰু সেই গোষ্ঠীৰ অন্যান্য সন্তই ৰাধাৰ বৰ্ণনা কৰা নাই। মাধৱ সম্প্ৰদায়ে শ্ৰীকৃষ্ণৰ উপাসনাত জোৰ দিলেও ৰাধাৰ উল্লেখ কৰা নাই। বিষ্ণুস্বামী আৰু নিম্বাৰ্ক সম্প্ৰদায়ত ৰাধাৰ উল্লেখ আছে। 'ভাগৱত পুৰাণৰ ভেটিৰ ওপৰত প্ৰায় একাদশ শতিকাত ৰাধাৰ উপাসনা বৃন্দাবনত আৰম্ভ হয়'। চৈতন্যদেৱ আৰু বল্লভাচাৰ্য্যৰ সম্প্ৰদায়ত ৰাধাৰ বিশেষ স্থান আছে।

অসম-কামৰূপীয় বৈষ্ণৱ ধৰ্ম্ম :—অসমত পুৰণি কালৰেপৰা বৈষ্ণৱ উপাসনাৰ প্ৰচলন আছিল। ভাস্কৰবৰ্ম্মাৰেপৰা আৰম্ভ কৰি কামৰূপৰ ৰজাই নিজকে নৰকৰ যোগেদি বিষ্ণুৰ সন্তান বুলিছিল। মিকিৰ পৰ্ব্বতৰ বৰগঙ্গা অঞ্চলত আবিষ্কৃত ভাস্কৰবৰ্ম্মাৰ আজোককাক মহাভূতি বৰ্ম্মাৰ ২৪৩ গুপ্তাব্দ (৫৫৩—৫৫৪ খ্ৰীঃ) থকা এখন শিলালিপিত মহাভূতি বৰ্ম্মাক "শ্ৰীপৰমদৈৱত-পৰম ভাগৱত" বোলা হৈছে। পাচৰ কেইশতিকামান বৈষ্ণৱ ধৰ্ম্মৰ বন্তি ঢিমিক-ঢামাক কৈ জ্বলি আছিল। বাণৰ হৰ্ষচৰিতত ভাস্কৰবৰ্ম্মাক "বৈষ্ণৱ-বংশঃ" বুলি কলেও, ভাস্কৰবৰ্ম্মাৰ দূতে হৰ্ষবৰ্দ্ধনৰ আগত কৈছে যে কামৰূপৰ ৰজাই শিৱৰ বাহিৰে কাৰো ওচৰত মূৰ নোদোৱাবলৈ সৰু কালৰেপৰা সঙ্কল্প

কৰিছে। হৰ্জ্জৰ বৰ্ম্মা, বনমাল বৰ্ম্মা, বলবৰ্ম্মা আৰু ৰত্নপাল ৰজাৰ ফলিত পিনাক-পাণিৰ বন্দনা আছে। ৰজা ধৰ্ম্মপালৰ স্বৰচিত পুষ্পভদ্ৰা লিপিত বিষ্ণুৰ বৰাহ অৱতাৰৰ স্তুতি আছে। অৱতাৰ উপাসনা বৈষ্ণৱ ধৰ্ম্মৰ এটা বৈশিষ্ট্য। এই অৱতাৰৰ মতবাদ অসমতো প্ৰচলন আছিল। ৰজাৰ তাম্ৰশাসনবোৰতো বৰাহ, নৰসিংহ, যামদগ্ন্যৰাম আদিৰ উল্লেখ আছে। ভাস্কৰ্য্য-স্থাপত্যয়ো বৈষ্ণৱ ধৰ্ম্ম প্ৰচলনৰ কথা সমৰ্থন কৰে। কামৰূপত সপ্তম শতিকামানৰেপৰা কৃষ্ণ-কথা বৈষ্ণৱ ধৰ্ম্মৰ লাগতিয়াল উপাদান স্বৰূপে প্ৰচলন আছিল। কালিকা পুৰাণত বিষ্ণুক প্ৰথম অৱতাৰ স্বৰূপে পোৱা যায়।

আহোমসকল ত্ৰয়োদশ শতিকাত অসমলৈ আহে। তেওঁলোকৰ আগৰ ৰাজশক্তি কছাৰী, চুতীয়া, বাৰভূঞা আদি যে ঘোৰ শাক্ত আছিল তাক আইন-ই-অকবৰি গ্ৰন্থয়ো সমৰ্থন কৰে। শাক্ত, তান্ত্ৰিক, শৈৱ, বৌদ্ধ আদি নানা ধৰ্ম্মৰ সংমিশ্ৰণ হৈ যি অদ্ভুত আকাৰ ধাৰণ কৰিছিল শদিয়াৰ কেচাইখাতী তাম্ৰেশ্বৰী-মন্দিৰ আৰু গুৱাহাটীৰ কামাখ্যা মন্দিৰেই তাৰ চানেকি। কামাখ্যাৰ নৰবলিৰ কথা কালিকা পুৰাণত পোৱা যায় আৰু তাম্ৰেশ্বৰী মন্দিৰৰ নৰবলিৰ কথা বুৰঞ্জীত পোৱা যায়। এই সময়ত ভোগী নামৰ যি এটা শ্ৰেণীৰ সৃষ্টি হৈছিল তাৰ পৰা অসমীয়া সমাজ কিমান তললৈ গৈছিল তাক সহজে অনুমান কৰিব পাৰি। বৌদ্ধ, তান্ত্ৰিক আদি ধৰ্ম্মই সমাজত যি ব্যভিচাৰ ঘটাইছিল বৈষ্ণৱ পুথিত তাৰ বৰ্ণনা পোৱা যায়। এই তান্ত্ৰিকতাৰ প্ৰতিক্ৰিয়া স্বৰূপে মহাপুৰুষ শঙ্কৰদেৱৰ আন্দোলনৰ যোগেদি দেশলৈ বিষ্ণু কথাৰ 'সাড়ম্বৰ আগমন' আৰু নৱ বৈষ্ণৱ ধৰ্ম্মৰ প্ৰৱৰ্ত্তন হয়।

বৈষ্ণৱ সাহিত্যৰ উদ্দেশ্য আৰু সীমাবদ্ধতা:—ভগবান শ্ৰীকৃষ্ণই উদ্ধৱক ভক্তি-সাধনৰ উপদেশ দিওঁতে কৈছে—

উপগায়ন্ গৃণন্ নৃত্যন্ কৰ্ম্মাণ্যভিনয়ন্ মম।
মৎকথা শ্ৰাৱয়ন্ শৃণ্বন্ মুহূৰ্ত্তং ক্ষণিকো ভবেৎ॥

—শ্ৰীমদ্ভাগৱত (১১।২৭।৪৪)

—অৰ্থাৎ হে উদ্ধৱ, তুমি মোৰ গুণগান কৰি, সেই বিষয়ে কথা-বতৰা হৈ নৃত্য কৰি, মোৰ কাৰ্য্যাৱলীৰ ভাওনা কৰি, মোৰ লীলাৰ কথা নিজে শুনি আৰু আনক শুনাই খন্তেকৰ কাৰণে হলেও ভক্তি পৰায়ণ হোৱা। এই শ্লোকৰ পৰাই বুজিব পাৰি যে নৃত্য, গীত, কাব্য আদিয়ে ভক্তিৰসত আপ্লুত হবৰ কাৰণে সহায় কৰে। এই কথাৰ পৰাই বৈষ্ণৱ গীত, নাট, কাব্য আদিৰ উদ্দেশ্য সহজে

উপলব্ধি কৰিব পাৰি। গতিকে বৈষ্ণৱ সাহিত্য ৰচনাৰ দুটা উদ্দেশ্য স্পষ্ট হৈ উঠে—(১) এইবোৰ ৰচনা কৰি কবিসকলে নিজৰ অন্তৰত ভক্তিসুখ লাভ কৰে আৰু (২) পাঠক, শ্ৰোতা বা দৰ্শকৰ অন্তৰতো সেই ভক্তিৰসৰ ঢৌ উঠে। গোস্বামী তুলসীদাসে ৰামায়ণৰ আৰম্ভণিত নিজৰ সুখৰ কাৰণে (স্বান্তঃ সুখায়) অৰ্থাৎ ভক্তি সুখৰ কাৰণে ৰামায়ণ ৰচনা কৰিছে বুলি কৈছে। নামঘোষাৰ সামৰণিত মাধৱদেৱে কৈছে, "এই ৰস মাধৱ মুৰুখমতি গাৱে'—আৰু এই ৰস হৈছে ভক্তিৰস। কবীৰ, মীৰাবাই আদি বৈষ্ণৱ কবিৰ গীতবোৰতো অন্তৰৰ ৰসানুভূতি প্ৰকাশ পাইছে।

গীত আৰু ভাওনাৰ উদ্দেশ্য প্ৰায় একে। গীতে মানুহৰ অন্তৰ স্পৰ্শ কৰে আৰু গীতৰ দ্বাৰা মানুহ কৃষ্ণপ্ৰেমত আপ্লুত হয় ; আৰু ভাওনাৰ দ্বাৰা ভাৱৰীয়া আৰু দৰ্শকসকল কৃষ্ণলীলাত তন্ময় হয়। কীৰ্ত্তনত আছে—

"কৃষ্ণগুণ গান্তে প্ৰেম উপজয়
কৃষ্ণতে মন সমুদায় মজে।"

পাৰিজাত হৰণ নাটৰ সামৰণিত আছে—

'শ্ৰীজগতানন্দ দলপতি জান।
হৰিকো পদ পঙ্কজ ভজমান॥
কৰাৱত নাট ওহি বহু ছন্দে।
কৃষ্ণক ভকতি কৰিতে প্ৰবন্ধে॥'

এই উক্তিৰপৰা বুজিব পাৰি যে কৃষ্ণত ভক্তি কৰিবৰ কাৰণে নাট ৰচনা আৰু তাৰ ভাওনা কৰা হৈছিল।

জনসাধাৰণে পৰম তত্ত্ব বুজি আৰু তাক শুনি আনন্দ লাভ কৰাটোও বৈষ্ণৱ কবিৰ এটা উদ্দেশ্য আছিল। অনন্ত কন্দলিৰ মধ্য দশমত আছে—

"শ্লোক সংস্কৃত আমি, লিখিবাক ভাল জানি
তথাপি কৰিলো পদবন্ধ।
স্ত্ৰী, শূদ্ৰ আদি যত জানোক পৰম তত্ত্ব
শ্ৰৱণত মিলয় আনন্দ॥"

সমগ্ৰ বৈষ্ণৱ সাহিত্যক ঘাইকৈ দুই ভাগত ভগাব পাৰি—(১) বিষ্ণুৰ কথা আৰু (২) বৈষ্ণৱৰ কথা। কীৰ্ত্তন, দশম আদি হ'ল বিষ্ণুৰ কথা আৰু মহাভাৰতৰ পৰ্ব্ব, বধকাব্য আৰু চৰিত পুথিসমূহ হ'ল বৈষ্ণৱৰ কথা। বৈষ্ণৱ কবিসকলে গীত, নাট, কাব্য আদি ভক্তিৰেই সাধন স্বৰূপে ৰচনা কৰিছিল আৰু তাৰ

দ্বাৰা যদি ধৰ্ম্মপ্ৰচাৰ হৈছিল সিয়ো আনুসঙ্গিক ভাবেহে। গতিকে শঙ্কৰদেৱ আৰু তেওঁৰ সহযোগীসকলে জাতি-বৰ্ণ নিৰ্ব্বিশেষে সকলো মানুহৰ ভিতৰত সৰস ভক্তিৰস প্ৰচাৰ কৰিছিল আৰু বৈষ্ণৱ শাস্ত্ৰিসমূহ এই ভক্তিধৰ্ম্ম প্ৰচাৰৰ সহায়ক আছিল।[১]

বৈষ্ণৱ সাহিত্যৰ উদ্দেশ্য আগত ৰাখি সেই সাহিত্যৰ সীমাবদ্ধতাৰ কথা আলোচনা কৰিব লাগিব।

অসমৰ বৈষ্ণৱ গুৰুসকলে তেওঁলোকৰ নতুন মত প্ৰচাৰ কৰিবলৈ যাওঁতে তেওঁলোকৰ প্ৰতিটো কথাই যে শাস্ত্ৰসন্মত তাক তেওঁলোকে ডাঠি কবলগীয়াত পৰিছিল আৰু তেওঁলোকে প্ৰায় সকলো ভাঙনিতেই মূল শাস্ত্ৰৰ উল্লেখ কৰিছে। আনকি মহাপুৰুষ শঙ্কৰদেৱেও কীৰ্ত্তন পুথিৰ আৰম্ভণিত লিখিছে—

"নকৰিবা নিন্দা মোক মহন্তে।
আসিল শাস্ত্ৰ বাৰাণসী হন্তে॥
তাহাঙ্ক চাই নিবন্ধিলো পদ।
হৰি হৰি বুলি তৰা আপদ॥"

সেই সময়ত সংস্কৃত শাস্ত্ৰগ্ৰন্থসমূহ অসমীয়া পদত ভঙা ধৰ্ম্মবিৰোধী কাৰ্য্য বুলি পৰিগণিত হৈছিল। এই প্ৰসঙ্গত ডঃ সূৰ্য্যকুমাৰ ভূঞা সম্পাদিত তুংখুঙীয়া বুৰঞ্জীত এষাৰ তাৎপৰ্য্যপূৰ্ণ ঘটনাৰ উল্লেখ আছে। ৰজা ভঙা-পতা আদি দুষ্কৰ্ম্মত লিপ্ত থকা ডেবেৰাক ধৰাই অনাই বুঢ়াফুকনে সুধিলে; 'ডেবেৰা, কিয় এনে কৰিলি? ডেবেৰাই বোলে, "সুগুনিছহঁকনে? এক দেহ। দশমৰ পদ মইহে কৰিছোঁ তয়ো কৰিবি"। অৰ্থাৎ দশমৰ পদ ৰচনা কৰাৰ নিচিনা অকাৰ্য্য দুজনে কৰিছিল। ইয়াৰ পৰাই অনুমান কৰিব পাৰি যে দশমৰ পদ কৰাটো ধৰ্ম্ম-বিৰোধী কাৰ্য্য বুলি পৰিগণিত হৈছিল। সি স্থলত ভাবানুবাদ কৰাই ধৰ্ম্মবিৰোধী কাম তেনে স্থলত মূলৰ লগত সামঞ্জস্য নাৰাখি ভাঙনি কৰাৰ সাহস কত? সেয়েহে কবিসকলে কবলগীয়াত পাৰিছে—

"যেৱে টীকা ভাষ্য চাই দেখা ইটো কথা নাই
নিন্দা তেৱে কৰিবা আমাক।"

আকৌ বঢ়া-টুটা দোষ নধৰিবৰ কাৰণে অনুৰোধ কৰিছে—

"যিবা কিছু বঢ়া দেখা ইটো অপৰাধ এৰা
ব্যাসো দেন্ত কথাত ৰঞ্জন।
আনো মহা কবিচয় কাব্যৰস নিবন্ধয়।
তাক নিন্দে কোন সাধুজন॥"

---

১ শ্ৰীতীৰ্থনাথ শৰ্ম্মাদেৱৰ বৈষ্ণৱ সাহিত্যৰ উদ্দেশ্য প্ৰবন্ধৰ সহায়ত।

পুৰাণৰেই হওক বা ভাগৱতৰেই হওক যি আখ্যান ভাগোতে ভক্তিৰস পৰিস্ফুট হৈ নোলায় তেনে আখ্যানৰ কোনো মূল্য নাছিল। সেইকাৰণে পুৰণি সাহিত্য লৌকিক নহল। নাইবা সেই কৱিসকলেও সংস্কৃত লৌকিক সাহিত্য অনুবাদ নকৰিলে।

সপ্তম অধ্যায়

বৈষ্ণৱ যুগৰ অবৈষ্ণৱ সাহিত্য

পাঁচালী সাহিত্য—পঞ্চদশ শতিকাৰ শেষাৰ্দ্ধৰপৰা ষোড়শ শতিকাৰ দ্বিতীয়াৰ্দ্ধৰ ভিতৰত কেইজনমান কবি আবিৰ্ভাৱ হৈছিল যাৰ ৰচনাৰ ওপৰত বৈষ্ণৱ আন্দোলনৰ প্ৰভাৱ পৰা নাছিল। এওঁলোক হৈছে পীতাম্বৰ, মনকৰ, দুৰ্গাবৰ আৰু নাৰায়ণদেৱ। এওঁলোকে ৰচনা কৰা গীতৰ আহিক পাঁচালী বোলা হয়। পাঁচালী শব্দৰ মূল সংস্কৃত 'পাঞ্চালী' বা 'পাঞ্চালিকা' (অৰ্থ—পুতলা) যেন লাগে। সম্ভৱ পুতলানাচৰ সূত্ৰধাৰৰ আৰ্হিত ওজাই পৌৰাণিক কাহিনীযুক্ত আখ্যান ৰচনা কৰি গীত আৰু অঙ্গভঙ্গীৰ সহায়ত সামাজিকৰ আগত প্ৰকাশ কৰে। আকৌ কোনো কোনোৱে ভাবে যে পাঞ্চাল দেশৰপৰা অহা ৰীতি কাৰণেই ই পাঞ্চালী বা পাঁচালী। আকৌ কোনো কোনোৰ মতে পাঁচজনে অৰ্থাৎ বহুতে মিলি গান গায় কাৰণে ইয়াক পাঁচালী বোলে। এইবিধ ৰচনাক পীতাম্বৰ আৰু নাৰায়ণদেৱে লাচাৰীও বুলিছে (সুকবি নাৰায়ণদেৱৰ সুৰস পাঁচালি। কালীৰ বচন বুলি একই লাচাড়ি॥)। কোনোৱে লাচাৰীক লহৰি বোলে আৰু কোনোৱে ইয়াক নৃত্য বোলে। কথা-গুৰু-চৰিতত পাঁচালী গীতৰ আহিক 'বঙ্গদেশীমত' বোলা হৈছে। আকৌ বিপ্ৰানন্দৰ 'ঠাকুৰ-চৰিত'ত আছে যে চতুৰ্ভুজ ঠাকুৰ বিপ্ৰাই ওজা নামৰ এজন ভকতৰ ঘৰলৈ নিমন্ত্ৰিত হৈ গৈছিল, আৰু তাত সুখিয়া ওজাই পাঞ্চালীৰ ছন্দত গীত গোৱা শুনি চতুৰ্ভুজ ঠাকুৰে সেই সভাৰপৰা উঠি যায়।

অসমীয়া ওজা-পালি অনুষ্ঠান মহাপুৰুষ শঙ্কৰদেৱৰ আবিৰ্ভাৱৰ পূৰ্ব্বৰ পৰা চলি আহিছিল, "কিয়নো তেওঁৰ ধৰ্ম্মপ্ৰচাৰৰ প্ৰথম অৱস্থাত ওজা-পালি অনুষ্ঠানৰ ভিতৰেদি তেওঁৰ পদ-পুথিবোৰৰ সাৰমৰ্ম্ম লোক-সমাজত জনাজাত কৰাইছিল"। ওজা-পালি অনুষ্ঠানক দুভাগে ভগাব পাৰি—মহাভাৰত, পুৰাণ পদ্দিৰ কাহিনী লৈ ৰচা বিয়াহ (ব্যাহ) গোৱা ওজা-পালি আৰু মনসাৰ মাহাত্ম্য-

সূচক কাহিনী লৈ ৰচা মাৰৈ গোৱা ওজা-পালি। আকৌ সভাগোৱা ওজাকে বিয়াহৰ ওজা বা ব্যাসগোৱা ওজা বোলে। মনসা বা সুকনান্নি গোৱা 'ওজাই নাচ, পদ আৰু মুদ্ৰাৰ সহায়ত তালমান ঠিক ৰাখে', কিন্তু "বিয়াহৰ ওজাৰ তালৰ সম্বন্ধ থাকে ভৰিৰ নেপুৰত। নেপুৰ জোকাৰি বিশেষ ধ্বণৰ ঝনৎকাৰ কৰিলেই পদ সামৰিবৰ হ'ল বুলি পালিসকলে জানে আৰু সেইমতে হাতৰ খুটি তাল আৰু পদ সামৰে। সুকনান্নিৰ ওজাই তাৰ পৰিবৰ্ত্তে পদৰ মাজতেই 'সুকবি নাৰায়ণদেৱৰ সৰস পাচালি। দেৱীৰ ক্ৰন্দন বুলি এক যে লাছাৰি॥' বুলি তদনুৰূপ পদেৰে সামৰণি মাৰে"। নৃত্য-গীত-বাদ্যত পটু ওজাক গুণিন বোলে।

পাচালী কাব্যসমূহ গীত আৰু পদৰ সমষ্টি। সাধাৰণ ঘটনা-ক্ৰমৰ বিৱৰণ পদত দিয়া হয়; কিন্তু গীতত আবেগ-অনুভূতি প্ৰকাশ পায়। এই সাহিত্যক লৌকিক সাহিত্যও বোলা হয়। পীতাম্বৰ, দুৰ্গাবৰ আদিয়ে ৰামায়ণ-পুৰাণৰ আখ্যান প্ৰেমৰসাত্মক গীতৰ আকাৰত ভাঙিছে। এই কাব্যসমূহ গ্ৰাম্য কথাৰে সমৃদ্ধ। পাঁচালী কবিসকলৰ ভিতৰত পীতাম্বৰৰ বাহিৰে বাকী তিনি-জনক মনসা কবিও বোলা হয়।

(ক) পীতাম্বৰ কবি

মহাপুৰুষ শঙ্কৰদেৱৰ প্ৰবীণ সমসাময়িক হলেও তেওঁৰ প্ৰভাৱৰ বাহিৰত থকা কবিসকলৰ ভিতৰত পীতাম্বৰ উল্লেখযোগ্য। পীতাম্বৰ কমতা নগৰত বাস কৰিছিল, আৰু তেওঁ কোচবেহাৰৰ যুৱৰাজ সমৰসিংহৰ অনুৰোধত কেইখনমান পুথি ৰচনা কৰিছিল। ৰামানন্দ দ্বিজৰ শঙ্কৰ-চৰিতত উল্লেখ আছে যে যেতিয়া ভৱানন্দ সাউদ বা নাৰায়ণ ঠাকুৰে ভাটি অঞ্চলৰপৰা পাটবাউসীত শঙ্কৰদেৱৰ শৰণ লবলৈ আহে তেতিয়া শঙ্কৰদেৱে সেই অঞ্চলৰ প্ৰধান প্ৰধান লোকসকলৰ পৰিচয় সুধিলে। নাৰায়ণ ঠাকুৰে পীতাম্বৰ নামৰ কবিৰ পৰিচয় দি ক'লে যে তেওঁ দশমৰ পদ ভাঙিছে। শঙ্কৰদেৱৰ আদেশ অনুসাৰে নাৰায়ণ ঠাকুৰে ৰুক্মিণীয়ে কৃষ্ণক চাবলৈ উদ্‌গ্ৰীৱ হৈ থকা পদ মাতি শুনালে। তাৰে এফাকিত আছিল,

"বিলাপ কৰি কান্দে মাই ৰুকমিনী।
কোন অঙ্গে থুন দেখি নাইলা যদুমনি॥"

এই পদফাকিত পৰম পুৰুষৰ প্ৰেমত বিভোল ৰুক্মিণী দেৱীক কদৰ্য্য নায়িকাৰ দৰে চিত্ৰিত কৰা হৈছে। তাকে শুনি শঙ্কৰদেৱে নাৰায়ণ ঠাকুৰক আৰু পদ গাবলৈ মানা কৰি কলে,

"গৰ্ব্ব পৰ্ব্বতত সিটো উঠিয়া আছয়॥
ধৰ্ম্ম ধৰিবাৰ সিটো যোগ্য নোহে লোক॥"

এই সময়ত পীতাম্বৰে কবি স্বৰূপে খ্যাতি লাভ কৰিছিল। তেওঁ ১৫৪৬ খ্ৰীষ্টাব্দৰ আগতে **দশমৰ** ভাঙনি আৰম্ভ কৰে।

ভাগৱত পুৰাণ **দশমৰ** উপৰিও তেওঁ আৰু চাৰিখন পুথি ৰচনা কৰিছিল বুলি ভবা হয়। এই কেইখন হৈছে ভাগৱত পুৰাণ **প্ৰথম স্কন্ধ**, **উষা-পৰিণয়** **মাৰ্কণ্ডেয় পুৰাণ** আৰু **নল-দময়ন্তী**। পীতাম্বৰে ২০।২১ বছৰ বয়সত ১৫৩৩ খ্ৰীষ্টাব্দত (১৪৫৫ শক) **উষা-পৰিণয়** কাব্য ৰচনা কৰে। এই কাব্যত কবিয়ে নিজকে 'শিশুমতি' বুলি চিনাকি দিছে। কাব্যখন ঘাইকৈ হৰিবংশক অনুসৰণ কৰি ৰচনা কৰা হৈছে। "হৰিবংশত উষাৰ কাহিনী যেনেকৈ মেৰপাক খোৱা ভাবে আছে, পীতাম্বৰৰ কল্পনাই সকলোকে সমানভাৱে সামৰিবৰ চেষ্টা কৰি যজ্ঞভুক্ অগ্নিৰ দৰে ৰোগগ্ৰস্ত হৈ পৰিছে। কিন্তু ঠায়ে ঠায়ে উৎকট লৌকিক ভাবৰ চিত্ৰ বৰ প্ৰকটভাৱে ফুটি ওলাইছে" (ডঃ বাণীকান্ত কাকতি)। কাব্যখন আদি-ৰসাত্মক বুলিব পাৰি যদিও শেহলৈ বীৰ ৰসো পোৱা যায়। উষাৰ যৌৱন, হৰগৌৰীৰ কাম-ক্ৰীড়া দেখি উষাৰ পৰিবৰ্ত্তিত মনোভাব, অনিৰুদ্ধৰ মদন স্বপ্নৰ অৱতাৰণা আদি বৰ্ণনাৰপৰা কবিয়ে আদি-ৰসৰ সঞ্চাৰ কৰিছে। কামসেনা, যক্ষিণী আৰু কোকিলা ধাইৰ চৰিত্ৰ কবিৰ নিজা সৃষ্টি। কাব্যখন গীত আৰু পদৰ সমষ্টি। পদসমূহে কবিৰ পাণ্ডিত্যৰ চিনাকি দিয়ে। গীতত কবিৰ কবিত্বৰ পৰিচয় পোৱা যায়। কিছুমান গীতক (যেনে—'বিষাদ বিমন উষাহে' ইত্যাদি) 'পুৰণিকলীয়া লৌকিক গীতৰ চানেকি' বুলিব পাৰি। পীতাম্বৰৰ কাব্যত ব্যাকৰণৰ এনে কিছুমান বিশেষত্ব দেখা যায়, যিবিলাক মাধৱ কন্দলি আদি প্ৰাক্‌বৈষ্ণৱ যুগৰ কবিসকলৰ ৰচনাত পোৱা যায়।

কোচবেহাৰৰ ৰাজকীয় পুথিভঁৰালত আগতে সংৰক্ষিত পীতাম্বৰৰ **ভাগৱত পুৰাণ প্ৰথম স্কন্ধৰ** বিষয়ে একো জনা নাযায়। এই পুথিভঁৰালত **ভাগৱত পুৰাণ দশম স্কন্ধ** (অসম্পূৰ্ণ) আৰু **মাৰ্কণ্ডেয় পুৰাণ** (চণ্ডী আখ্যান) সংৰক্ষিত হৈছে। **দশমৰ** কথা ওপৰত উল্লেখ কৰা হৈছে। কবিয়ে ভাগৱত-খনি কুমাৰ সমৰসিংহৰ আদেশত ৰচনা কৰিছে বুলি ভণিতাত উল্লেখ কৰিছে। 'বিশ্বসিংহ-সুত যে সমৰসিংহ নাম' এই উক্তিৰ পৰাই সমৰসিংহ মহাৰাজ বিশ্বসিংহৰ পুত্ৰ বুলি অনুমান কৰিব পাৰি। দৰং-ৰাজবংশাৱলী অনুযায়ী মহাৰাজ নৰনাৰায়ণে ৰাজপাটত উঠি ভায়েকক 'সংগ্ৰামসিংহ' নাম দি যুৱৰাজ পদত অভিষিক্ত কৰে। চাৰ এডোৱাৰ্ড গেইটৰ মতে মহাৰাজ নৰনাৰায়ণৰ

সিংহাসন আৰোহণৰ সময় প্ৰায় ১৫৪০ খ্ৰীষ্টাব্দ। গতিকে এই পুথি ৰচনাৰ সময় ১৫৪৬ খ্ৰীষ্টাব্দৰ পিচলৈ নিব নোৱাৰি, কিয়নো শঙ্কৰদেৱ কামৰূপলৈ আহোঁতে নাৰায়ণ ঠাকুৰৰ মুখে দশমৰ পদ শুনিছিল। সেই কাৰণে এই পুথি ষোড়শ শতিকাৰ মাজভাগত লিখা হৈছিল। এই দশম ভাগৱত-পুৰাণ দশম স্কন্ধৰ হুবহু অনুবাদ নহয়। পুথিখন ত্ৰিপদী আৰু পয়াৰ ছন্দত ৰচিত। কবিয়ে কুমাৰ সমৰসিংহ বা শুক্লধ্বজৰ আদেশত **মাৰ্কণ্ডেয়-পুৰাণ** (চণ্ডী আখ্যান) ৰচনা কৰে। এই পুথি ৰচনাকালত কোঁৱৰক ভৱানীৰ উপাসক বোলা হৈছে। কবিয়ে কৈছে যে যেহেতু সংস্কৃত পুৰাণৰ কথাবোৰ সংস্কৃতজ্ঞ পণ্ডিতসকলেহে বুজিব পাৰে, সেই কাৰণে শুক্লধ্বজে কবিক দেশীয় ভাষাৰ পদত ('নিজ দেশ ভাষা (বন্দে ছন্দে) ৰচিয়ো পয়াৰ') ইয়াক ভাঙিবলৈ কয়। এই পুথিত কবিয়ে সহজ সৰল ভাষাত দেৱী চণ্ডীয়ে কেইবাটাও অসুৰৰ সৈতে যুদ্ধ কৰা আৰু জয়লাভ কৰাৰ কাহিনী বৰ্ণনা কৰিছে। এই পুথি ৰচনাৰ সময় ১৫২৪ শক ('বেদ পক্ষ বাণ আৰু শশাঙ্ক শকত') বা ১৬০২ খ্ৰীঃ বুলি পোৱা যায়। কিন্তু এই শক বিশ্বাসযোগ্য নহয়। কিয়নো ৰজা শুক্লধ্বজৰ (ওৰফে সমৰসিংহ) ১৫৭১ খ্ৰীষ্টাব্দত মৃত্যু হয়। ই লিপিকাৰৰ প্ৰমাদো হ'ব পাৰে। এই পুথিখনো পয়াৰ আৰু ত্ৰিপদী ছন্দত ৰচিত। এই পুথিখন শাক্ত কাব্যৰ আপুৰুগীয়া চানেকি। পীতাম্বৰে **নল-দময়ন্তী** নামৰ পয়াৰ, লাছাৰি আৰু দীৰ্ঘ ছন্দত এখন কাব্য ৰচনা কৰে। ডঃ সুকুমাৰ সেনে এই পুথি ৰংপুৰ জিলাৰপৰা সংগ্ৰহ কৰে। পুথিৰ ৰচনাৰ সময় হৈছে ১৫৪৪-৪৫ খ্ৰীষ্টাব্দ।

পীতাম্বৰ অবৈষ্ণৱ (বা অনা-বৈষ্ণৱ) কবিসকলৰ ভিতৰত অগ্ৰণী। তেওঁ পণ্ডিত, কবি আৰু সঙ্গীতজ্ঞ আছিল। আদি-ৰসযুক্ত কাব্য ৰচনাত তেওঁ সিদ্ধহস্ত। সম্ভৱ মাধৱ কন্দলিৰ পিচতে তেওঁৱেই এজন প্ৰতিভাশালী লেখক।

(খ) মনসা কবিসকল

মনসা পূজা—মনসা পূজা আৰু কাহিনীৰ উৎপত্তি সম্বন্ধে পণ্ডিতসকল একমত নহয়। এটা মত হৈছে যে সৰ্পপূজা পোনতে ভাৰতৰ বাহিৰৰ তুৰাণীয় জাতিৰ মাজত উদ্ভূত হয় আৰু কালক্ৰমত এই জাতি ভাৰতৰ উত্তৰ পশ্চিম পথেদি এই দেশত সোমাই সৰ্পপূজা প্ৰচলন কৰে। দ্ৰাবিড় আৰু আৰ্য্যসকলে এই তুৰাণীয় জাতিৰপৰা সৰ্পপূজাৰ শিক্ষা লাভ কৰে। দ্বিতীয় মত এয়ে যে ভাৰতীয় নাগসকল এটা জাতি বিশেষ। তেওঁলোকে হয়তো সাপক জাতীয়

প্ৰতীকৰূপে ('টোটেম') ব্যৱহাৰ কৰিছিল। ইয়াৰ বাহিৰে সৰ্পৰ লগত এওঁলোকৰ কোনো সম্বন্ধ নাছিল। সৰ্প আৰু নাগ একে অৰ্থবাচক শব্দ নহয়। *তৃতীয় মত এয়ে যে নাগ বুলিলে সৰ্প-নৰ নামৰ একজাতীয় অৰ্দ্ধ-নৰ আৰু অৰ্দ্ধ-নাগ জাতীয় জীৱক বুজায়। চতুৰ্থ মত এয়ে যে এই পূজাৰ মূলতে হৈছে দ্ৰাবিড়সকল, আৰু দাক্ষিণাত্যত এই পূজাৰ প্ৰচলন অধিক। এই মতবোৰ ইমান একদেশদৰ্শী আৰু আনুমানিক যে কোনোটাকে সমগ্ৰভাৱে গ্ৰহণ কৰিব নোৱাৰি। তথাপি এইটো সঁচা যে প্ৰাচীন ভাৰতীয় সংস্কাৰত নাগ আৰু সৰ্প একে অৰ্থবাচক নাছিল। নাগ বুলিলে সম্ভৱ গন্ধৰ্ব্ব, কিন্নৰ, যক্ষ এইবিধৰ কোনো উপজাতিক আৰু সৰ্প বুলিলে প্ৰকৃত প্ৰাণীটোক বুজাইছিল।

ঋগ্বেদত সৰ্পৰ কোনো উল্লেখ নাই। সৰ্প শব্দ প্ৰচলিত অৰ্থত পোনতে যজুৰ্ব্বেদত ব্যৱহৃত হয়, কিন্তু ইয়াত সৰ্পপূজাৰ মন্ত্ৰ নাই; কোনো কোনোৱে কব খোজে যে ঋগ্বেদত 'অহিবুধ্ন্য' নামৰ এটা শক্তিমান জীৱৰ দুই এবাৰ উল্লেখ আছে। কিন্তু প্ৰকৃত সৰ্প অৰ্থত অহি শব্দৰ ব্যৱহাৰ আৰু পিচত। অথৰ্ব্ববেদ আৰু বিশেষকৈ আশ্বলায়ন গৃহ্যসূত্ৰত সৰ্পৰ মন্ত্ৰ আৰু পূজাচাৰৰ বৰ্ণনা আছে। ইয়াৰপৰা অনুমান কৰিব পাৰি যে বৈদিক আৰ্য্যসকলৰ প্ৰথমৰেপৰা সৰ্পৰ সৈতে কোনো পৰিচয় নাছিল। যজুৰ্ব্বেদৰ কালৰ পৰাহে তেওঁলোকৰ মাজত সৰ্প-জ্ঞান ক্ৰম-বিকশিত হৈছে। কিন্তু আৰ্য্য-পূৰ্ব্ব যুগৰপৰা সৰ্প আৰু সৰ্প-ভীতি দুয়োটাই প্ৰচলিত আছিল। এই ক্ষেত্ৰত দ্ৰাবিড়ীসকলৰ অৱদান উল্লেখযোগ্য। তেওঁলোকৰ আগতে এই দেশত বাস কৰা অষ্ট্ৰিক জাতিৰ মাজতো সৰ্পপূজাৰ প্ৰচলন দেখা যায়। কালক্ৰমত আৰ্য-অনাৰ্য্য ধৰ্ম্ম-সংস্কৃতিৰ সমন্বয়ত এটি নতুন ধৰ্ম্ম-সংস্কৃতিৰ উদ্ভৱ হৈছিল। এই দুয়ো সংস্কৃতিৰ সমন্বয়ৰ চিন মনসা কাব্যৰ ভিতৰত পোৱা যায়। পৌৰাণিক দেৱ-দেৱীৰ সৈতে লৌকিক দেৱ-দেৱীৰ, আৰু আৰ্য্য কল্পনাৰ সৈতে অনাৰ্য্য কল্পনাৰ পৰিচয় এই কাব্যসমূহৰ ভিতৰত পোৱা যায়। বহুত অনাৰ্য্য দেৱ-দেৱী পৌৰাণিক আদৰ্শত ৰূপান্তৰিত হৈ নতুনভাৱে হিন্দু সমাজত প্ৰতিষ্ঠা লাভ কৰে (১)।

---

(১) অনাৰ্য্যভাষাদেৰ দ্বাৰা আৰ্য্য ভাষা গৃহীত হবাৰ সঙ্গে সঙ্গে এদেৰ ধৰ্ম্ম, দেবতা, আচাৰ—অনুষ্ঠানও আৰ্য্যীকৃত হয়ে গেল। সেগুলি সৰ্ব্বজন গৃহীত হয়ে পড়ল—পৌৰাণিক দেবতাবাদ, ভক্তিবাদ ইত্যাদি এল—বৈদিক ধৰ্ম্মেৰ চেয়ে গভীৰতৰ উন্নততৰ ধৰ্ম্মজীবন—ভাৰতীয় সমাজে এল। অনাৰ্য্যদেৰ বড়ো বড়ো দেবতা—শিব, উমা, বিষ্ণু—অনুৰূপ আৰ্য্যদেৰ দেবতাদেৰ সঙ্গে মিশে এক হয়ে গেলেন।'—ডঃ সুনীতিকুমাৰ চট্টোপাধ্যায়।

বৈদিক সাহিত্য, মহাভাৰত আৰু পুৰাণতো সৰ্প বা সৰ্পদেৱতাৰ পূজা আৰু আখ্যান আছে। বৌদ্ধস্থাপত্য আৰু জাতক আদিতো নাগ-কাহিনীয়ে স্থান লাভ কৰিছে। দ্বাদশ শতিকাৰ আগৰেপৰা তান্ত্রিক মহাযান সম্প্রদায়ৰ সাধন-পদ্ধতিত জাঙ্গুলী দেৱীৰ নাম পোৱা যায়। এই দেৱী সৰ্পবিষমুক্তিৰ সহায়িকাৰূপে মহাযান সম্প্রদায়ৰ সাধন-পদ্ধতিত কল্পিত হৈছে। বৌদ্ধযুগৰ এই জাঙ্গুলী দেৱী পৰবৰ্ত্তীকালৰ মনসাৰ সৈতে একাত্ম হৈ গৈছে। কালক্রমত জাঙ্গুলী নাম লুপ্ত হৈ এই দেৱী বিষহৰি, মনসা, পদ্মা বা পদ্মাৱতী নামে জনাজাত হয়। মুঠৰ ওপৰত মনসা দেৱী দ্রাবিড়, বৌদ্ধ আৰু ব্রাহ্মণ্য ধৰ্ম্মৰ শঙ্কৰ সৃষ্টি।

মনসা নামৰ প্ৰথম উল্লেখ ব্ৰহ্মবৈবৰ্ত্ত পুৰাণত পোৱা যায়। দ্বাদশ শতিকাত ৰচিত পদ্মাপুৰাণ, দেৱী ভাগৱত আদি সংস্কৃত গ্ৰন্থত মনসাৰ নাম আছে। ব্ৰহ্মবৈবৰ্ত্ত পুৰাণত কাশ্যপ ঋষিৰ মনৰপৰা জন্মা কাৰণে মনসা বোলা হৈছে, কিন্তু পাচত আন এঠাইত শঙ্কৰৰ কন্যা বোলা হৈছে। এই পুৰাণত মনসা শিৱৰ শিষ্যা আৰু কৃষ্ণভক্তা। পদ্মাপুৰাণত এওঁৰ নাম বিষহৰি আৰু পদ্মা।

মনসা এই নামটো অনাৰ্য্য শব্দৰ সংস্কৃত ৰূপ। কোনো কোনোৱে এই নামটো দক্ষিণ ভাৰতৰপৰা উদ্ভূত বুলি ভাবে। চ্যাংমুডি বা চ্যাংমুড় (মনসা গছ) শব্দটোৱেই তাৰ সাক্ষী। কোনো কোনোৱে ভাবে যে, মনসা শব্দটো দ্রাবিড়ী 'মঞ্চম্মা' শব্দৰ ৰূপান্তৰ। দক্ষিণৰ কৰ্ণাট অঞ্চলৰ এটা জাতিয়ে 'মনে মঞ্চাম্মা' নামৰ সৰ্পিনীক পূজা কৰে। মহীশুড়ৰ ফালে 'মন্চা আম্মা' নামৰ এক সৰ্পদেৱীৰ পূজা হয়। সংস্কৃত পুৰাণত মনসাদেৱীৰ মাহাত্ম্যসূচক কথা পোৱা নাযায়। অসমৰ পশ্চিম অঞ্চল (কামৰূপ, গোৱালপাৰা আৰু মঙলদৈ), বঙ্গ আৰু বিহাৰৰ কোনো কোনো অংশত মনসা পূজাৰ প্ৰচলন আছে। অসমত এই পূজা কেতিয়াৰপৰা প্ৰচলন হ'ল তাক কোৱা টান যদিও সুমলীগড় অঞ্চলত খ্ৰীষ্টীয় একাদশ শতিকামানৰ হাতীৰ ওপৰত উঠা নাগেন্দ্ৰবাহিনী মনসাৰ মূৰ্ত্তি পোৱা যায়। খ্ৰীষ্টীয় ত্ৰয়োদশ শতিকাৰপৰা সঘনে মুচলমান আক্ৰমণ হোৱাৰ ফলত বহুত মুচলমানে ইয়াত স্থায়ীভাৱে বসতি কৰে আৰু বঙ্গদেশৰ প্ৰচলিত লৌকিক ধৰ্ম্মপদ্ধতিও অসমত সোমায়।

মনসা দেৱীক শক্তিৰ এক অভিব্যক্তি বুলি ধৰা হয়। তেওঁ সৰ্পৰ অধিষ্ঠাত্ৰী দেৱী হোৱাৰ উপৰিও মাৰি-মৰক, অপায়-অমঙ্গল বিনাশিনী, আৰু পুত্ৰ, ধন আৰু ঐশ্বৰ্য্যদাত্ৰী দেৱীত পৰিণত হৈছে। তেওঁ মাৰি-মৰকৰ অধিষ্ঠাত্ৰী দেৱী কাৰণেই বোধকৰো কামৰূপত তেওঁৰ আন নাম মাৰৈ দেৱী। বড়োসকলেও

নাগ পূজাক মাৰৈ পূজা বোলে। এই পূজাৰ লগত দেওধনী নৃত্য জড়িত আছে। মনসা দেৱীৰ কীৰ্ত্তি-কাহিনী শ্ৰৱণ-কীৰ্ত্তন আৰু অভিনয়ৰ নিচিনা নৃত্য দৰ্শন কৰিলে ভক্তৰ মঙ্গল হয় বুলি বিশ্বাস। দক্ষিণ ভাৰতত কলেৰা, বসন্ত আদি সংক্ৰামক ৰোগৰ অধিষ্ঠাত্ৰী দেৱী হ'ল মাৰাম্মা বা মাৰি আম্মা।

আৰ্য্যসকলৰ দেৱতা কাৰুণিক কিন্তু মনসা-কাব্যৰ দেৱতা স্বাৰ্থপৰ, নীচ, অনুদাৰ, সঙ্কীৰ্ণ, ছলনাময় আৰু প্ৰতিহিংসাপৰায়ণ। পদ্মা নামত দেৱী হলেও ঈৰ্ষা, নীচতা আৰু হৃদয়হীনতাৰহে পৰিচয় দিছে। সৰ্ব্বনাশ-বৰ্ষণত মনসা দ্বিধাহীন। তেওঁ উদ্দেশ্যত ধীৰ, স্থিৰ, আৰু উপায়ৰ নীতি, ন্যায় তেওঁৰ বিচাৰৰ বাহিৰত। বেউলা আখ্যানত মানুহ দেৱতাৰ শাৰীলৈ উঠিছে আৰু দেৱতা মানুহৰ শাৰীলৈ নামি আহিছে। এই কাব্য অতিপ্ৰাকৃত আৰু অলৌকিক ঘটনাৰে পৰিপূৰ্ণ। ই কেৱল দেৱী মনসাৰ মঙ্গল গীতেই নহয়, ই বিদ্ৰোহী মানৱাত্মাৰ যশোগান। এই কাব্য অলৌকিক ঘটনা আৰু দৈৱী শক্তিৰ বিৰুদ্ধে মনুষ্যত্ব মহিমাৰ বিজয় ঘোষণা। কাব্যৰ নায়ক (চন্দ্ৰধৰ) স্বাতন্ত্ৰত প্ৰোজ্জ্বল আৰু আত্মশক্তিত নিৰ্ভৰশীল। কাব্যত করুণ ৰসৰ আধিক্য দেখা যায়।

মনসা কাব্যৰ অন্তৰালত তৎকালীন সমাজৰ চিত্ৰ পোৱা যায়। ইয়াত শাক্ত আৰু শৈৱৰ দ্বন্দৰ কথা সুস্পষ্ট হৈছে। প্ৰতিষ্ঠিত দেৱতা শিৱৰ ঠাইত লৌকিক দেৱতা মনসাৰ পূজা আৰু প্ৰতিষ্ঠা লাভৰ কাহিনীকেই মনসা-কাব্যত বৰ্ণিত হৈছে।

মনসা কবিসকল হৈছে **মনকৰ দুৰ্গাবৰ** আৰু **নাৰায়ণদেৱ**। এওঁলোকৰ গীতক ক্ৰমে মনকৰী, দুৰ্গাবৰী আৰু সুকনান্নী (সুকবিনাৰায়ণী) বুলি জনা যায়। এওঁলোকৰ ৰচনা প্ৰকৃত পুৰাণৰ আহিৰ নহলেও ইয়াক পদ্মপুৰাণ বোলা হয়।

মনকৰ ঃ—তিনিজন কবিৰ ভিতৰত মনকৰক প্ৰাচীন যেন লাগে। হৰ-পাৰ্ব্বতীৰ বিবাহখণ্ডৰ আৰম্ভণিত আছে—

“কমতাইৰ ৰজা বন্দো, ৰাজা জল্লেশ্বৰ।
একশত মহিষী বন্দো, আঠাৰ কুমাৰ ॥

কনকলাল বৰুৱাই “তবাকত্-ই-নচিৰি”ত উল্লেখ থকা ১২০৬ খ্ৰীঃত মহম্মদ বখতিয়াৰক পৰাস্ত কৰা কামৰূপৰ বৃথু ৰজাই এই পৃথু বা জল্লেশ্বৰ বুলি কয়; কালিৰাম মেধিয়ে এই মত সমৰ্থন কৰে। বুকানন্ হেমিল্টনে পৃথু আৰু জল্লেশ্বৰ একেজন ৰজা বুলি নাভাবে; কিন্তু জলপাইগুৰিৰ কিংবদন্তি অনুসৰি পৃথু

ৰজা জল্পেশ্বৰ ৰজাৰ বংশৰ। জলপাইগুৰি জিলাৰ গেজেটিয়াৰৰ মতেও পৃথু আৰু জল্পেশ্বৰ একেজন ৰজা নহয়। জল্পেশ্বৰ মন্দিৰৰ ইতিবৃত্ত লেখকৰ মতে জল্পেশ্বৰ ৰজাই নৱম শতিকাত তিস্তা নদীৰ পাৰত ৰাজত্ব কৰিছিল। প্ৰকৃততে কমতা ৰাজ্য আৰু কমতা নগৰ চতুৰ্দ্দশ শতিকাৰ মাজভাগৰ পৰাহে পোহৰলৈ অহাৰ কথা বুৰঞ্জীবিদসকলে স্বীকাৰ কৰে। কোচবেহাৰৰ কোচ ৰজাসকলে ষোড়শ শতিকাত কমতা নাম ব্যৱহাৰ কৰিছিল। মনকৰৰ 'একশত মনিষী বন্দো, আঠাৰ কুমাৰ' আৰু দুৰ্গাবৰৰ 'আঠচল্লিশ মহিষী বন্দো ওঠৰ কোঁৱৰ' উক্তিৰ ভিতৰত সাদৃশ্য আছে। দুয়োজনে কমতাৰ ৰজাক বন্দনা কৰিছে ; কিন্তু মনকৰে জল্পেশ্বৰ আৰু দুৰ্গাবৰে বিশ্বসিংহ নাম উল্লেখ কৰিছে। সেইকাৰণে অনুমান কৰিব পাৰি যে মনকৰে সম্ভৱতঃ বিশ্বসিংহক 'জল্পেশ্বৰ আৰু কমতাইৰ ৰজা' বুলিছে। সেয়ে হলে মনকৰ ষোড়শ শতিকাৰ আগভাগৰ কবি। কিন্তু ৰাজমহিষীৰ বিষয়ে দৰং ৰাজবংশাৱলীৰ সংখ্যা (১৮ গৰাকী),* আৰু মনকৰ (১০০ মহিষী) আৰু দুৰ্গাবৰৰ (৪৮ গৰাকী) ৰচনাত উল্লেখ থকা সংখ্যাৰ ভিতৰত মিল নাই।

মনকৰে **পদ্মাপুৰাণ** কাব্য ৰচনা কৰে। এই কাব্যত হৰ-গৌৰীৰ বিবাহ আৰু অযোনীসম্ভৱা পদ্মাৰ জন্মৰ কথা আছে। ইয়াত মৰ্ত্ত্যত পদ্মাদেৱীৰ পূজা প্ৰচাৰ, চন্দ্ৰধৰৰ বিৰোধ, বেউলাৰ জন্ম আদি কথা পোৱা নাযায়। হেমন্ত ঋষিয়ে সাগৰৰ পাৰত তপস্যা কৰি থাকোঁতে এটি দিব্য কন্যা উটি অহা পালে। এৱেঁই দুৰ্গা। পাচত হৰ-গৌৰীৰ বিবাহ হয়। শিৱৰ ঔৰসৰপৰা অযোনীসম্ভৱা পদ্মাৰ জন্ম হয়। কবিয়ে সৃষ্টি-তত্ত্ব, দেৱতাসকলৰ উৎপত্তি, হেমন্ত ঋষিৰ আশ্ৰমত গৌৰীৰ লালন-পালন, মনসা ধৰ্ম্মৰ উৎপত্তি আদি কথা আলোচনা কৰিছে মহাদেৱৰ ভাগিন টেটোন নাৰদৰ চৰিত্ৰাঙ্কণ বৰ আমোদজনক। এই কাব্যৰ সৃষ্টি-তত্ত্বৰ লগত শূন্য পুৰাণৰ সৃষ্টি-তত্ত্বৰ সাদৃশ্য আছে। বিশ্বকৰ্ম্মাৰ শাল, হেমন্ত ঋষিৰ পত্নীয়ে শৃকোণাত হাট বেহোৱা, নাৰদৰ চতুৰালি, কুচুনী বেশত দুৰ্গা, দুৰ্গাৰ সতীত্ব পৰীক্ষা আদি বৰ্ণনাত অসমীয়া সামাজিক জীৱনৰ চিত্ৰ ফুটি উঠিছে। কাব্যত লৌকিকতাৰ প্ৰাধান্য দেখা যায়। ইয়াত বুদ্ধৰ (বৌদ্ধৰূপ) উল্লেখো আছে। কদম তল, দ্বাৰকা পুৰী, বৃন্দাবন, ভকত আদি শব্দৰ ব্যৱহাৰে কৃষ্ণ-কথা প্ৰচলন থকাৰ প্ৰমাণ কৰে। কবিৰ ভাষা কথিত ভাষাৰ বেচি ওচৰ চাপিছে ; তেওঁৰ ভাষা গোৱালপাৰা আৰু কামৰূপৰ ভাষাৰ লগত মিলে। কোচ মানুহৰ কথাও ঘনাই উল্লেখ পোৱা যায়। বড়োসকলে ব্যৱহাৰ কৰা

'গোমানা' বাদ্যযন্ত্ৰৰো উল্লেখ আছে। কবি মনসা সেৱক হলেও নাৰায়ণ, ব্ৰহ্মা, পাৰ্ব্বতী, কামাখ্যা আদি দেৱতা আৰু দেৱীৰ ওচৰত স্তুৱ দোহাইছে। মনকৰে গোটেই কাব্যখন গীতৰ আকাৰত ৰচনা কৰিছে। গীতসমূহ পয়াৰ আৰু ত্ৰিপদী ছন্দত ৰচিত। তেওঁৰ ৰচনাত শৃঙ্গাৰ আৰু হাস্যৰসৰ প্ৰাধান্য দেখা যায়।

দুৰ্গাবৰ :—দুৰ্গাবৰ খ্ৰীঃ ষোড়শ শতাব্দীৰ বিশ্বসিংহ (খ্ৰীঃ ১৫১৫-১৫৪০) ৰজাৰ দিনৰ মানুহ। বেউলা আখ্যানৰ আৰম্ভণিতে কবিয়ে আত্ম-পৰিচয় প্ৰসঙ্গত কৈছে—

"কমতাই ৰজা বন্দো, বন্দো বিশ্বসিংহ নৃপবৰ।
আঠচল্লিশ মহিষী বন্দো ওঠৰ কোঁৱৰ॥"

দুৰ্গাবৰ জাতিত কায়স্থ আৰু এজন কৃতবিদ্য সঙ্গীতৰ অধ্যাপক আছিল। এওঁৰ পিতৃ চন্দ্ৰধৰ, আৰু ঘৰ কামৰূপৰ কামাখ্যাত। বাহুবল্ল শিকদাৰ কবিৰ পৃষ্ঠপোষক বা অনুপ্ৰেৰণা যোগাওঁতা।

"কায়স্থ শ্ৰীচন্দ্ৰধৰ তান পুত্ৰ দুৰ্গাবৰ
বিৰচিলা গীত বিতোপন।
বাহুবল্ল শিকদাৰ গন্ধৰ্ব্ব যে অৱতাৰ
সৰ্ব্বক্ষণে ব্ৰহ্মাণী প্ৰসন্ন॥"

দুৰ্গাবৰ একেধাৰে কবি, সঙ্গীতজ্ঞ আৰু ওজা গায়ক। তেওঁ **বেউলা আখ্যান** আৰু **গীতি-ৰামায়ণ** নামৰ দুখন পুথি ৰচনা কৰে।

দুৰ্গাবৰে বেউলা আখ্যান গীতৰ আকাৰত লিখি সতীৰ সতীত্বৰ কথা প্ৰচাৰ কৰি গৈছে। গীতত ৰাগৰো উল্লেখ আছে। মনসা দেৱীৰ পৃথিবীত ক্ষমতা বিস্তাৰ, চান্দ সদাগৰৰ বিৰুদ্ধ ভাব, চান্দৰ ছয় পুত্ৰৰ মৃত্যু, লক্ষীন্দাৰৰ জন্ম, বেউলা-লক্ষীন্দাৰৰ বিবাহ, লক্ষীন্দাৰৰ সৰ্প-দংশন, শিৱৰ অনুগ্ৰহত বেউলাই স্বামীক ঘূৰাই পোৱা, চান্দ সদাগৰে বাওঁহাতেৰে মনসা দেৱীক পূজা দিয়া ইত্যাদিয়েই বেউলা কাব্যৰ মূল কথা। ডঃ বিৰিঞ্চি কুমাৰ বৰুৱা আৰু ডঃ সত্যেন্দ্ৰনাথ শৰ্ম্মাই মনসা-কাব্যৰ পাতনিত লিখিছে, "পদ্মা নামত দেৱী হলেও ঈৰ্ষা, নীচতা আৰু হৃদয়হীনতাৰহে পৰিচয় দিছে। বেউলা আখ্যানত মানুহ দেৱত্বলৈ পৰিণত হৈছে আৰু দেৱতা মানুহৰ শাৰীলৈ নামি আহিছে।"

দুৰ্গাবৰে লাহৰ পাকৰ এটা মনোৰম চিত্ৰ আঁকিছে। তেওঁৰ ধুৱাৰ লালিত্য আৰু ৰাগ-ৰাগিণীৰ মধুৰতাই শ্ৰোতাৰ কাণত মৌ বৰষায়। তেওঁৰ গীতবোৰ কামাখ্যাত মনসা পূজাৰ সময়ত ওজাপালিয়ে গায়। কবিৰ ঘটনা

আৰু প্ৰাকৃতিক দৃশ্যৰ বৰ্ণনা অতি শক্তিশালী আৰু তাত বাস্তৱতাৰ সাঁচ পোৱা যায়। দুৰ্গাবৰৰ ৰচনাত বৈষ্ণৱ ধৰ্ম্মৰ প্ৰভাৱ পৰা নাই।

দুৰ্গাবৰৰ **গীত-ৰামায়ণ** এখন তালমান যুক্ত পুথি। ইয়াত গীতৰ বাহিৰে পদো আছে। গীতেৰে প্ৰকাশ নোহোৱা কথা পদেৰে পূৰণ কৰা হৈছে। ভিন ভিন ভাবৰ গীতত ভিন ভিন সুৰ বন্ধা আছে। যেনে:—ৰাগ—বেলোৱাৰ, বৰাৰি, ধনশ্ৰী, ৰামগিৰি, পটমঞ্জৰি, দেৱমোহন, আকাশ মণ্ডলি, বসন্ত, সুহাই ইত্যাদি। সাধাৰণ মনস্তত্ত্বৰ ওপৰত নিৰ্ভৰ কৰি কাব্যখন লিখা হৈছে। "যি যি ঠাইত কেৱল ঘটনা-পৰম্পৰা আৰু যুদ্ধৰ বৰ্ণনা আছে সেইবোৰ দুই-চাৰি কথাৰেই কবিয়ে সম্বৰণ কৰিছে"—(ডঃ কাকতি)। যেনে:—সীতা-হৰণৰ করুণ কাহিনী বিতংকৈ বৰ্ণনা কৰি লঙ্কাকাণ্ডৰ বিস্তৃত যুদ্ধ কেইটামান পদতেই মুঠিকৈ কৈ গৈছে। মায়া হৰিণৰ প্ৰতি সীতাৰ আকৰ্ষণত কবিয়ে সীতাক তিৰোতাৰ চঞ্চলতা দোষত দোষী কৰিছে। গীতি-ৰামায়ণ বাল্মীকিৰ মহাকাব্যৰ গাৱঁলীয়া সংস্কৰণ—কেৱল লৌকিকতাৰ আৱেশ"—(ডঃ কাকতি)। এই কাব্যৰ অৰণ্যকাণ্ড অতি মনোৰম। ইয়াত কবিয়ে মৌলিক প্ৰতিভাৰ চিনাকি দিছে। পাৰিবাৰিক জীৱনৰ সুখ-দুখ আৰু দ্বন্দ্বৰ চিত্ৰণ পোৱা যায়। অৰণ্যকাণ্ডত কবিৰ কল্পনাৰ মুক্ত স্ফুৰণ দেখা যায়। মাধৱ কন্দলিৰ প্ৰভাৱ আৰু প্ৰতিধ্বনি পৰিলক্ষিত হয়। অৰণ্যকাণ্ডৰ শেহৰফালে লক্ষ্য কৰিলে গীতি-ৰামায়ণক 'মাধৱ কন্দলিৰ পদ ৰামায়ণৰ ওজাপালি তাণ্ডৱণ' বুলিব পাৰি। কোনো ঠাইত মাধৱ কন্দলিৰ অধ্যায় সংক্ষিপ্ত (যেনে—সুন্দৰাকাণ্ড) কৰা হৈছে। কোনো ঠাইত কন্দলিৰ শব্দ সলনি বা আগ পিচ কৰা হৈছে। যেনে—"ত্বৰিতে ওলাইলা বীৰ হুঙ্কাৰক ছাৰি। সূৰ্য্যৰ উদয় যেন মেঘগণ ফাৰি॥" ৬২৬ (ত্বৰিতে বজাইল বীৰ ওৰাৰিক ছাৰি। সূৰ্য্যৰ উদয়ে যেন মেঘগণ ফাৰি॥ ১৩ কন্দলি) ইত্যাদি। আনকি কন্দলি ৰামায়ণত ব্যৱহৃত কিছুমান জতুৱা ঠাচ আৰু খণ্ড-বাক্য ইয়াত পোৱা যায়। যেনে—'জিভাখনি মেলি চাহা কলীয়া নে গোৰা।' ৬৩০ (জিভাখান মেলি চাহা কলীয়ানি গোৰা॥ ৬৩০-কন্দলি), হস্তীক লাগিয়া যেন কেশৰী কিটাই। ৫৬৭ (হস্তীক লাগিয়া যেন সিংহয়ে কিটাইল ১১৩০ কন্দলি) ইত্যাদি। ৰামায়ণৰ চৈত্ৰাৱলী-চতুৰ্দ্দশী উৎসৱ পালনৰ উল্লেখৰপৰা অনুমান কৰিব পাৰি যে সেই সময়ত কামৰূপত এই উৎসৱৰ বিশেষৰূপে প্ৰচলন আছিল। সীতাৰ বালি-পিণ্ডদান, সীতাই নিজকে মন্দোদৰাৰ কন্যা বুলি কোৱা ইত্যাদি কথা মূল ৰামায়ণ বা কন্দলি ৰামায়ণত নাই। সম্ভৱ জনশ্ৰুতিৰ ওপৰত

নির্ভৰ কৰি লিখা হৈছে। গীতত কাব্যৰ বিষয় নিৰ্ব্বাচন, ঘটনা-পৰম্পৰাৰ বৰ্ণনা, ৰচনাৰ মাধুৰ্য্য আৰু নৈপুণ্য, ৰাগৰ সংযোজন আদিত লেখকে নিজকে এজন প্ৰকৃত শিল্পীৰূপে চিনাকি দিব পাৰিছে। পুথিৰ ভাষা প্ৰাচীন হলেও সহজ আৰু ই 'কথ্য ভাষাৰ বেচি ওচৰ চপা'। গীতি-ৰামায়ণৰ ওপৰত নব-বৈষ্ণৱ-আন্দোলনৰ প্ৰভাৱ পৰা যেন লাগে। ভক্তৰ দুখত কাতৰ হোৱা, অৱতাৰবাদ, ৰাম-নাম কীৰ্ত্তনৰ মহিমা, ভগৱন্তৰ কৃপাত সংসাৰ নিকাৰৰ হাত সৰা ইত্যাদি কথাই নৱ-বৈষ্ণৱ আন্দোলনৰ প্ৰভাৱ প্ৰমাণ কৰে। ৰামক নাৰায়ণৰ অৱতাৰ, আৰু কবিয়ে নিজকে 'ৰামৰ কিঙ্কৰ' বা 'ৰাম-পদ কিঙ্কৰ' বুলিছে। উল্লেখযোগ্য যে ৰামায়ণৰ অৰণ্য, কিষ্কিন্ধ্যা, সুন্দৰ আৰু লঙ্কাকাণ্ডহে পোৱা গৈছে। বাকী তিনি কাণ্ড (আদি, অযোধ্যা আৰু উত্তৰাকাণ্ড) যে ৰচিত হৈছিল তাক তলৰ উদ্ধৃতিৰ পৰাই অনুমান কৰিব পাৰি।

"অযোধ্যাকাণ্ডৰ কথা ভৈলা সমাপতি।
অৰণ্যকাণ্ডৰ কথা শুনিয়ো সম্প্ৰতি ॥" (অৰণ্যকাণ্ড)

নাৰায়ণদেৱ :—নাৰায়ণদেৱ মনকৰ আৰু দুৰ্গাবৰতকৈ কেইবা শতিকা পিচৰ। **চৈতন্য বন্দনা গীতি** ৰচনাৰ পৰা তেওঁক চৈতন্যদেৱৰ পাচৰ বোলা হয়। তেওঁক সপ্তদশ শতিকাৰ আগছোৱাৰ দৰঙৰ ৰজা বলিনাৰায়ণ বা ধৰ্ম্মনাৰায়ণৰ (১৬১৫-১৬৩৭ খ্ৰীঃ) ৰাজকবি বুলি ধৰা হয়।

নাৰায়ণদেৱ বাসন্তৰীয় ব্ৰাহ্মণৰ ঘৰৰ। তেওঁৰ পিতৃৰ নাম নৰসিংহ। মাকৰ বিষয়ে সঠিক জনা নাযায়। তেওঁৰ গীতত হুচেইন চাহ (১৪৯৩-১৫১৯ খ্ৰীঃ) আৰু পদ্মাৱতীৰ উপাসকৰ ভিতৰত যুদ্ধ হোৱাৰ কথা পোৱা যায়। গতিকে তেওঁ কেতিয়াও ষোড়শ শতিকাৰ আগৰ কবি হ'ব নোৱাৰে।

সুকবি নাৰায়ণদেৱৰ **পদ্মাপুৰাণ** বৰ সৰবৰহী। ইয়াক **সুকনান্নীও** বোলে। কাব্যত পদ্মা আৰু চন্দ্ৰধৰৰ জন্ম, পাৰ্ব্বতীৰ বৰ, বণিজ যাত্ৰা, চণ্ডীয়ে চান্দোক হেমতাল দিয়া, চান্দোৰ পদ্মাৰে সৈতে বিৰোধ আৰু ছয় পুত্ৰৰ মৃত্যু, পত্নী সনেকা ঋতুৱতী হোৱা, উজনীৰ চাহে ৰজাৰ ঘৰত বেউলাৰ জন্ম, লক্ষীন্দাৰৰ জন্ম, বেউলা-লক্ষীন্দাৰৰ বিবাহ, মেৰঘৰ নিৰ্ম্মাণ, সৰ্পদংশন, বেউলাই স্বামীৰ জীৱন ঘূৰাই পোৱা, চান্দোৱে বিষহৰিৰ পূজা দিবলৈ সম্মতি জনোৱা, হেমতাল সাগৰত পেলোৱা, বেউলা-লক্ষীন্দাৰ আৰু ছয় ভাই স্বৰ্গলৈ যোৱা ইত্যাদি কথা আছে।

কবিয়ে গৃহজীৱনৰ চিত্ৰ আৰু গৃহসামগ্ৰী অতি উজ্জ্বল কৰি তুলিছে। তাৰ-

পৰা সেই সময়ৰ মানুহৰ স্বভাব-চৰিত্ৰৰ অকৃত্ৰিম আভাস পোৱা যায়। ছন্দৰ ঝঙ্কাৰ, পদৰ লালিত্য, শব্দৰ সংযোজনা, ভাবৰ গাম্ভীৰ্য্য, ৰচনাৰ মাধুৰ্য্য আৰু সৌন্দৰ্য্য দেখি মোহিত হব লাগে। নাৰায়ণদেৱৰ প্ৰতিভা আৰু ৰচনাৰ মাধুৰ্য্যৰ কাৰণে তেওঁৰ বেউলা পুথি দুৰ্গাবৰতকৈ অধিক সৰবৰহী। এইথন এখন গীতি কাব্য আৰু গোৱাৰ সুবিধাৰ নিমিত্তে প্ৰতি অধ্যায়ত একোটা ধুৰা লগোৱা হৈছে। গীতৰ হাচান-হচেন অংশই মনসা পূজা প্ৰচলনত মুচলমানৰ অৱদানৰ বিষয়ে ইঙ্গিত দিয়ে।

করুণ ৰসৰ স্বাভাৱিক বৰ্ণনাত নাৰায়ণদেৱ সিদ্ধহস্ত। কেৱল শোক-বৰ্ণনাতেই নহয়—শোক দুখ, আনন্দ-উল্লাস, স্বাৰ্থপৰতা, ঔদাৰ্য্য আদি সকলো ফালৰ পৰা আদিম মনুষ্যত্বৰ ধীৰোদাত্ত স্বভাৱ বৰ্ণনাত নাৰায়ণদেৱ অতুলনীয়।

অন্যান্য কবিসকল :—(ক) **সঞ্জয়** আৰু (খ) **কবীন্দ্ৰ পাত্ৰৰ** পদ-মহাভাৰত অসমীয়াৰ মূল্যবান সম্পদ। এওঁলোকৰ **মহাভাৰতৰ** অনুবাদ কন্দলি ৰামায়ণৰ পিচতে অসমীয়াৰ গৌৰৱৰ বস্তু।

সঞ্জয় :—পুথিৰ ভণিতাত **সঞ্জয়ৰ** নামৰ বাহিৰে আন চিনাকি নাই—

"ভাৰতেৰ পুণ্যকথা নানা ৰসময়।
সঞ্জয় কহিল কথা ৰচিল সঞ্জয়॥"

বঙ্গ চৰকাৰৰ গ্ৰন্থাগাৰত সংৰক্ষিত পুথিৰ পৰা সঞ্জয় 'ভৰদ্বাজ উত্তম বংশ'ত উপজিছিল বুলি জনা যায়। বিক্ৰমপুৰ, শ্ৰীহট্ট, ত্ৰিপুৰা, নোৱাখালী, চট্টগ্ৰাম ফৰিদপুৰ, ৰাজসাহী আদি ঠাইত **সঞ্জয়-মহাভাৰত** প্ৰচলন থকাৰ কাৰণে বঙ্গালীয়ে এইথনক বঙ্গলা মহাভাৰত বুলিছে। পুথিৰ ভাষা বুজিব নোৱাৰি ডঃ দীনেশ চন্দ্ৰ সেনে কৈছে যে গাৱঁলীয়া ভাষা আৰু প্ৰাচীন বিভক্তিৰ জটিলতা অনেক ঠাইত বিৰক্তিকৰ, সেইবোৰ আগৰপৰা শেহলৈকে পঢ়িবৰ ধৈৰ্য্য কেৱল অসামান্য সহিষ্ণু পাঠকৰ থাকিব পাৰে। ডঃ সেনৰ বুৰঞ্জীৰ উদ্ধৃতিয়ে পুথিৰ ভাষা যে অসমীয়া তাক প্ৰমাণ কৰে—

(ক) "চক্ষু পাকায় ভীম যেন কাল যম।
বন্ধনে থাকিয়া যেন সৰ্পেৰ বিক্ৰম।"

(খ) "সৰ্প যেন ধাইয়া যায় মাৰিতে গৰুড়ক।
সেইমত চাহ তুমি মাৰিতে অৰ্জ্জুনক॥"

কবীন্দ্ৰ—**কবীন্দ্ৰ পাত্ৰৰ** কথা দৰং-ৰাজবংশাৱলীত পোৱা যায়। তেওঁ

মল্লদেৱ (নৰনাৰায়ণ) আৰু শুক্লধ্বজৰ (চিলাৰায়) সহচৰ আছিল, যুৱৰাজ শুক্লধ্বজৰ যুদ্ধযাত্ৰাত সন্মতি দি নৰনাৰায়ণে কৈছিল—

"ৰাজা বোলে যায়ো বাপু বিলম্ব নকৰি
কবীন্দ্ৰ পাত্ৰক নিয়োক লগে কৰি ॥"

কবীন্দ্ৰ মন্ত্ৰী, যোদ্ধা আৰু কবি। এওঁ ৰাজমন্ত্ৰী হৈ পাত্ৰ উপাধি পাইছিল। তেওঁৰ পিতামহৰ নাম নৰহৰি আৰু বাপেক পয়োনিধি। মৈথিলী সাহিত্যৰ নৱজ্ঞী লেখক ডঃ জয়কৃষ্ণ মিশ্ৰই কয়, 'কোচবেহাৰৰ বিশ্বসিংহ ৰজাৰ দিনত বহুত মৈথিলী লোক অসমলৈ গৈছিল। তাৰ ভিতৰত কেইবাজনো কায়স্থ আছিল। নৰহৰি কায়স্থ সেই ৰজাৰ প্ৰধান মন্ত্ৰী হৈছিল। তেওঁৰ পুত্ৰ পয়োনিধিও মন্ত্ৰী আছিল। পাচত মিথিলাৰ নিচিনাকৈ অসমৰ কায়স্থসকলৰ মাজত তেওঁৰ পুত্ৰ কবীন্দ্ৰ পাত্ৰই কুলীন মত প্ৰচাৰ কৰে। পাচত কবীন্দ্ৰৰ সতি-সন্ততিয়ে সিংহাসন লাভ কৰে আৰু গৌৰীপুৰ ৰাজ্যত তেওঁলোকৰ ক্ষমতা অটুত আছে।" কবীন্দ্ৰই মোগল সম্ৰাট হোচেন চাহৰ সেনাপতি **পৰাগল খাঁৰ** অনুৰোধ মতে অশ্বমেধ পৰ্ব্বৰ আগলৈকে **মহাভাৰত** অনুবাদ কৰিছিল। পৰাগল খাঁৰ থকা ঠাই চট্টগ্ৰামত এই পুথি ওলালেও, এইখন পুথি যে অসমীয়া আৰু কবীন্দ্ৰ যে নৰনাৰায়ণ ৰজাৰ মন্ত্ৰী তাক গৌৰীনাথ শাস্ত্ৰীৰ দ্বাৰা সম্পাদিত মহাভাৰতত ভালকৈ দেখুৱা হৈছে। এই পুথি ৰচনাৰ কাল হৈছে ১৪৯৫-১৫১০ খ্ৰীঃ। ইয়াত প্ৰায় ১৭০০০ শ্লোক আছে। ভাষা প্ৰাঞ্জল আৰু ব্যাকৰণৰ গঢ় শুদ্ধ অসমীয়া। সেইকাৰণে ডঃ দীনেশ সেনে কৈছে যে চট্টগ্ৰামৰ প্ৰাচীন ভাষা ঠায়ে ঠায়ে ইমান জটিল যে তাৰ অৰ্থ উলিয়াব নোৱাৰি। পুথিৰ ভাষা মন কৰিবলগীয়া—

"মোক বল কৰে হেন আছে কোন জন।
কি কৰিতে পাৰে সে বিৰাট মহাজন ॥
কিন্তু মুঞি পৰিহাৰ মাগোহোঁ তোমাত।
নাখাওঁ উচ্ছিষ্ট আৰু পাত্ৰে না দেওঁ হাত ॥" (বিৰাট পৰ্ব্ব)

অষ্টম অধ্যায়

বৈষ্ণৱ যুগ—বৈষ্ণৱ সাহিত্য

নৱ-বৈষ্ণৱ ধৰ্ম্ম আৰু শ্ৰীশঙ্কৰদেৱ :—ভাৰতীয় আৰু কামৰূপীয় বৈষ্ণৱ ধৰ্ম্মৰ বিষয়ে আগত কৈ অহা হৈছে। চতুৰ্দ্দশ আৰু পঞ্চদশ শতিকাত এটা নতুন ভাৰতীয় ধৰ্ম্মৰ সোঁত ববলৈ ধৰে। ভাগৱত পুৰাণৰ ভক্তিবাদৰ ওপৰত ভিত্তি কৰি ধৰ্ম্ম-সম্প্ৰদায়-নিৰপেক্ষ এটা নতুন ধৰ্ম্মই গঢ় লয়। কেইবাজনো সন্ত-সাধু বা অৱতাৰী মহাপুৰুষে জন্মগ্ৰহণ কৰি সংস্কৃত পুৰাণসমূহ প্ৰাদেশিক ভাষালৈ ভাঙনি কৰে। এই মহাত্মাসকলৰ ভিতৰত **ৰামানন্দ** (খ্ৰীঃ ১৪০০—১৪৭০) অগ্ৰগণী। তেওঁ ৰাম-মন্ত্ৰৰ মহিমা প্ৰচাৰ কৰে। তেওঁ ভক্তিক অধিক মহত্ত্ব দিয়ে আৰু শ্ৰীসম্প্ৰদায়ৰ নাৰায়ণ আৰু লক্ষ্মীৰ ঠাইত ৰাম আৰু সীতাৰ ভক্তিৰ ওপৰৰ গুৰুত্ব দিয়ে। **কবীৰ** (১৪৪০—১৫১৮ খ্ৰীঃ) তেওঁৰ প্ৰধান শিষ্যসকলৰ ভিতৰত এজন। কবীৰে হিন্দুধৰ্ম্মৰ ঘাই মতবাদক ইচলাম ধৰ্ম্মৰ মূল সিদ্ধান্তৰ সৈতে মিলাই এক নতুন পন্থৰ প্ৰৱৰ্ত্তন কৰিলে। তেওঁ সন্তমতৰ প্ৰৱৰ্ত্তক। তেওঁৰ মতে ঈশ্বৰ এক কিন্তু তেওঁ নিৰ্গুণ আৰু সগুণ। সন্তমতৰ মূল কথা হৈছে—(১) ঈশ্বৰ এক—নিৰাকাৰ আৰু নিৰ্গুণ; (২) মূৰ্ত্তিপূজা ব্যৰ্থ—তাৰ দ্বাৰা ঈশ্বৰৰ ব্যাপকতা সীমাবদ্ধ হয়; (৩) গুৰুৰ মহত্ত্ব ঈশ্বৰতকৈ অধিক; আৰু (৪) ঈশ্বৰ ভক্তিত জাতি-ভেদৰ বন্ধন নাই—সকলো সমান। দাক্ষিণাত্যৰ **বল্লভাচাৰ্য্য** (খ্ৰীঃ ১৪৭৯—১৫৩১) নৱ-বৈষ্ণৱ ধৰ্ম্মৰ আন এজন গুড়ি ধৰোঁতা আছিল। মহাৰাষ্ট্ৰ দেশত জাতিত দৰ্জ্জি **নামদেৱে** (খ্ৰীঃ ১৪০০—১৪৩০) ভক্তিধৰ্ম্ম প্ৰচাৰ কৰে। তেওঁ নিৰ্গুণ সম্প্ৰদায়ৰ মহাসাধক আছিল। নামদেৱ আৰু তুকাৰামে (১৬০৮—১৬৪৯ খ্ৰীঃ) ৰাধাকৃষ্ণৰ ধাৰণা নামানি বিষ্ণুৰ ৱিট্‌ঠন বা ৱিঠোবা নামৰ উদ্ভাৱনা কৰিলে। ইয়াত প্ৰেমৰ সলনি উপাসনা আৰু শাস্ত্ৰীয় ভক্তিৰ ধাৰণাই প্ৰধান। বঙ্গদেশত **শ্ৰীচৈতন্যই** (খ্ৰীঃ ১৪৮৩—১৫৩৩) নৱ-বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰ কৰে। অসমত **শ্ৰীশঙ্কৰদেৱে** (খ্ৰীঃ ১৪৪৯—১৫৬৯) জন্মগ্ৰহণ কৰি ধৰ্ম্ম, সমাজ, সাহিত্য আৰু সংস্কৃতিক এটা গঢ় দিলে।

মহাপুৰুষ শঙ্কৰদেৱে যি সময়ত জন্মগ্ৰহণ কৰিছিল সেই সময়ত অসম ৰাজনৈতিক ফালৰপৰা কেইবাটাও ৰাজকীয় শক্তিত ভাগ হৈ আছিল।

পূবফালে চুটীয়াবিলাকে, দক্ষিণ-পূবে কছাৰীসকলে, চুটীয়াৰ পশ্চিমফালে বাৰভূঞাসকলে, পশ্চিমফালে কমতা ৰাজ্যৰ কোচ ৰজাসকলে আৰু ব্ৰহ্মপুত্ৰ উপত্যকাত আহোমসকলে ৰাজত্ব কৰিছিল। এনে ৰাজনৈতিক অস্থিৰতাৰ সময়ত মহাপুৰুষ শঙ্কৰদেৱৰ আবির্ভাৱ হৈ সকলো সম্প্ৰদায়কে সামৰি এটা ধৰ্ম্ম আৰু এটা উমৈহতীয়া জাতীয় ভাষাৰে জাতীয় ঐক্য সাধন কৰিলে। "পদৰেণু সেৱা বা দাস্যভাবেই শঙ্কৰ আৰু মাধৱদেৱৰ সাধক জীৱনৰ মূল ভাব আৰু এই ভাবতেই তেওঁলোকৰ সকলো সাহিত্যই ডুব গৈ আছে।" (ডঃ কাকতি)।

জীৱনী :—মহাপুৰুষ শঙ্কৰদেৱে (১৪৪৯—১৫৬৯ খ্ৰীঃ) নগাওঁৰ আলিপুখুৰী নামে ঠাইত জন্মগ্ৰহণ কৰে। তেওঁৰ পিতৃ কুসুম্বৰ আৰু মাতৃ সত্যসন্ধা। সৰুতে মাক-বাপেক ঢুকুৱাত বুঢ়ীমাক খেৰসূতীয়ে তেওঁক তুলি-তালি ডাঙৰ দীঘল কৰে। দহ-বাৰ বছৰলৈকে খেল-ধেমালিত মগ্ন থাকি পাচত বুঢ়ীমাকৰ কথামতে তেৰ বছৰ বয়সত মহেন্দ্ৰ কন্দলিৰ পঢ়াশালিলৈ যায়। 'ক' ফলা শিকি বাৰে-মতৰা জোঁটাবলৈ নৌ পাওঁতেই "কৰতল-কমল-কমল-দল-নয়ন" শীর্ষক গীতটি ৰচনা কৰি অদ্ভুত মেধাশক্তিৰ চিনাকি দিছিল। এই কাল ছোৱাত যোগ-সাধনৰ দ্বাৰা শৰীৰৰ পুষ্টি সাধন কৰিছিল। গুৰু-গৃহত কোষ, পুৰাণ, মহাভাৰত, ৰামায়ণ, চৈধ্য শাস্ত্ৰ, কাব্য আদি অধ্যয়ন কৰে। ছাত্ৰকালতে হৰিশ্চন্দ্ৰ উপাখ্যান লিখি ভক্তিমাৰ্গ নিৰ্দ্দেশ কৰে; ৰামচৰণৰ মতে সোতৰ বছৰত (আৰু আচাৰ্য্য সংহতি অনুসৰি ১০ বছৰ গুৰু-গৃহত অধ্যয়ন কৰাৰ পাচত) শিক্ষা সাং কৰি ঘৰলৈ ওলটে। পিতৃৰ আকস্মিক বিয়োগত ককাক সূৰ্য্যবৰ আৰু দুই খুড়াক জয়ন্ত আৰু মাধৱে চলোৱা শিৰোমণি ভূঞাৰ বিষয় গ্ৰহণ কৰে। কম বয়সতে এই বিষয় আৰু দায়িত্ব লোৱাৰ কাৰণে তেওঁৰ নাম হল ডেকাগিৰি। ২১ বছৰ বয়সত তেওঁ সূৰ্য্যৱতীক বিয়া কৰে। বিয়াৰ তিনি বছৰৰ পাচত সূৰ্য্যৱতীয়ে এটি কন্যা (মনু) প্ৰসৱ কৰি কেইদিনমানৰ পিচত ঢুকায়। সাত বছৰীয়া কন্যা মনুক ৰামচন্দ্ৰ কায়স্থৰ পুত্ৰ হৰিলৈ বিয়া দি শঙ্কৰদেৱে তীৰ্থলৈ যাবৰ আয়োজন কৰে। ১৪৮১ চনত ৩২ বছৰ বয়সত ৰামৰাম গুৰু, সৰ্ব্বজয়, পৰমানন্দ, মহেন্দ্ৰ কন্দলি আদি সোতৰ জন সঙ্গীৰে সৈতে ১২ বছৰীয়া তীৰ্থ ভ্ৰমণৰ কাৰণে ওলায়। 'এই ভ্ৰমণেই তেওঁৰ হৃদয়ত জড়মূৰ্ত্তিৰ অসাৰতা আৰু চৈতন্যময় ঈশ্বৰৰ পূজাৰ শ্ৰেষ্ঠতা দৃঢ়কৈ সুমাই দিয়ে।' শ্ৰীক্ষেত্ৰ, মথুৰা, বৃন্দাবন, বদৰিকাশ্ৰম আদি ঠাই চাই আৰু দাক্ষিণাত্যৰ ৰামেশ্বৰ

পৰ্য্যন্ত (?) ভ্ৰমণ কৰি, ৪৪ বছৰ বয়সত এপৰ নিশা যোৱাত আলিপুখুৰী পায়হি। এই সময়ত বুঢ়ীমাক খেৰসূতী আলৰ বুঢ়ী। জয়ন্ত, মাধৱ, বুঢ়াখাঁ আদি বৃদ্ধসকলে টানি ধৰাত ৫৪ বছৰ বয়সত শঙ্কৰদেৱে ৰাম ভূঞাৰ কন্যা কালিন্দীক বিয়া কৰায়। আলিপুখুৰীত অসুবিধা পাই আন ভূঞাৰ লগত টেম্বুৱানী বৰদোৱালৈ বসতি কৰিবৰ কাৰণে যায়। তাত নামঘৰ মণিকূট সাজি সত্ৰ স্থাপন কৰি ধৰ্ম্ম প্ৰচাৰিত মন দিয়ে। কছাৰীৰ সৈতে ভূঞাসকলৰ বিবাদ হোৱাত শঙ্কৰদেৱে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ গাংমৌ আৰু ধুঞাহাটালৈ ষায়। এই ধুঞাহাটা বা বেলগুৰিত প্ৰায় চৈধ্য বছৰ থাকে। এই ধুঞাহাটাতে ১৪৪৪ শকত শ্ৰীশঙ্কৰ-মাধৱৰ মিলন হয়। ইয়াতে হাতী-খেদা লৈ ভূঞাসকল আহোম ৰজাৰ ৰাজ-ৰোষত পৰিল। কেইবাজনে ভূঞাৰে সৈতে সন্দিকৈয়ে মাধৱদেৱ আৰু হৰি জোঁৱাইক ধৰি নিয়ে। বিচাৰত শঙ্কৰদেৱৰ জোঁৱায়েকক চাওডাঙে কাটিলে। উল্লেখযোগ্য যে এই কালতে ব্ৰাহ্মণ পণ্ডিতসকলে শঙ্কৰদেৱে প্ৰচাৰ কৰা ধৰ্ম্মৰ বিৰুদ্ধতা আচৰণ কৰিছিল আৰু তেৱেঁ৷ আহোম ৰাজসভাত ব্ৰাহ্মণসকলক তৰ্কত ঘটুৱায়। আহোম ৰাজ্যত থকা নিৰাপদ নহয় বুলি ভাবি তেওঁ নাৱেৰে ভটিয়াই গৈ কোচবেহাৰৰ ৰজাৰ অধীনত থকা বৰপেটা (১৫৪৩ খ্ৰীঃ) পায়। তেওঁ পাটবাউসীত সত্ৰ স্থাপন কৰি চৈধ্য বছৰ আছিল। ইয়াতে বেচিভাগ গীত, কাব্য আৰু নাটক ৰচনা হয়। ১৫৪৮ খ্ৰীষ্টাব্দত শঙ্কৰদেৱ ৯৭ বছৰ বয়সত ছকুৰি শিষ্যৰে সৈতে দ্বিতীয়বাৰ তীৰ্থভ্ৰমণৰ কাৰণে যায়। ছমাহৰ মূৰত ঘূৰি আহি পুনৰ নাম-কীৰ্ত্তন আৰু ধৰ্ম্মপ্ৰচাৰ কৰাত লাগিল; ব্ৰাহ্মণসকলে শঙ্কৰদেৱৰ বিৰুদ্ধে কোচবেহাৰৰ ৰজা নৰনাৰায়ণত গোচৰ দিয়ে। তেওঁ ৰাজসভাত উপস্থিত হৈ ব্ৰাহ্মণসকলৰ অভিযোগ মিছা বুলি প্ৰমাণ কৰিলে। ৰজাৰ তেওঁৰ প্ৰতি শ্ৰদ্ধা জন্মিল আৰু ভক্তিধৰ্ম্মত শৰণ লবলৈ ইচ্ছা কৰিলে। মহাপুৰুষে এবাৰ নোৱাৰি পাচদিনা শৰণ দিব বুলি ক'লে; কিন্তু পাচদিনাৰ পৰা তেওঁৰ অসুখ হল আৰু তিনিদিনৰ মূৰত ছকুৰি বছৰ বয়সত কাকতকুটা মধুপুৰ সত্ৰত বৈকুণ্ঠ প্ৰয়াণ কৰে।

মহাপুৰুষ শঙ্কৰদেৱে ভাগৱত পুৰাণৰ পৰা সৎসঙ্গ, গীতাৰ পৰা একশৰণ আৰু পদ্মপুৰাণৰ সহস্ৰ নামখণ্ডৰ পৰা নামধৰ্ম্ম লৈ অসম, কামৰূপ আৰু কোচবেহাৰত ভক্তিবাদ প্ৰচাৰ কৰে। ভক্তিধৰ্ম্মৰ উপাস্যদেৱতা কৃষ্ণ—যি পৰম ব্ৰহ্ম, জ্ঞানময় আৰু আনন্দময়। ভাগৱত পুৰাণৰ সগুণ ঈশ্বৰৰ প্ৰেমসূচক ধৰ্ম্মই শঙ্কৰদেৱৰ ধৰ্ম্ম। নৱবিধ ভক্তিৰ ভিতৰত নিগুৰ্ণ কৃষ্ণৰ শ্ৰৱণ-কীৰ্ত্তনকে শ্ৰেষ্ঠ স্থান দিয়া হৈছে।

মহাপুৰুষে দাস্যভাবৰ উৎকৃষ্টতা প্ৰমাণ কৰিছে। দাস্যভাবৰ মূল্য কথা হৈছে ঈশ্বৰত সমস্ত ধৰ্ম্ম সমৰ্পণ কৰা—'নিষ্কামে কৰিয়া সকল কৰ্ম্ম। বিষ্ণুত অপিব সি সব ধৰ্ম্ম (কীৰ্ত্তন)।' ভক্তিয়েই সকলো উপাসনাৰ সাৰ—'ভকতিত পৰে ধৰ্ম্ম নাহি সংসাৰত' (কীৰ্ত্তন)। তেওঁ নিষ্কাম বা নিস্পৃহ ভক্তি প্ৰৱৰ্ত্তন কৰে। তেওঁৰ ভকতিৰ চাৰিখুটি হল নাম, দেৱ, গুৰু আৰু ভকত। বাহ্যিক অনুষ্ঠানৰ ঠাইত বিশুদ্ধ আন্তৰিক উপলব্ধিয়েই সাধনাৰ ক্ষেত্ৰ বুলিছে। এই ভক্তি-ধৰ্ম্মত জাতি-অজাতি নাই।

মুঠৰ ওপৰত 'ভিন ভিন ভাবৰ শতমুখী জুৰি—জান একমুখী হৈ অসমৰ মাজেদি ব্ৰহ্মপুত্ৰ নৈৰ দৰে যি ধৰ্ম্মৰ মহাস্ৰোত বব লাগিছে—তাৰ অধিষ্ঠাতৃ দেৱ শ্ৰীশঙ্কৰ'।

ৰচনাৱলীঃ—মহাপুৰুষে ৰচনা কৰা পুথিসমূহ হৈছে **হৰিশ্চন্দ্ৰ উপাখ্যান** (মাৰ্কণ্ডেয়-পুৰাণ), **ভক্তি-প্ৰদীপ, ৰুক্মিণীহৰণ কাব্য, কীৰ্ত্তন-ঘোষা, গুণমালা, বলি-ছলন** (অষ্টম স্কন্ধ), **অনাদি পাতন** (তৃতীয় স্কন্ধ), ভাগৱতৰ **প্ৰথম, দ্বিতীয়, ষষ্ঠ, নৱম, দশম, একাদশ** আৰু **দ্বাদশ** স্কন্ধ, **নিমি-নৱসিদ্ধ-সম্বাদ, লীলামালা, বৃহৎ অজামিল উপাখ্যান, উত্তৰাকাণ্ড ৰামায়ণ, পত্নীপ্ৰসাদ, কালিদমন, কেলি গোপাল, ৰুক্মিণীহৰণ, পাৰিজাতহৰণ, ৰামবিজয় নাট, বৰগীত** ইত্যাদি। ডঃ মহেশ্বৰ নেওগে সময় অনুসাৰে শঙ্কৰদেৱৰ ৰচনা বিভাগ তলত দিয়া দৰে কৰিছে—

১। **আদি বা বাৰভূঞা ৰাজ্যত কটোৱা কাল**—তাৰুণ্যৰ চপলতা আৰু সমৃদ্ধিভৰা কাল (১৪৩৮ শকলৈকে বিস্তৃত)—

(ক) ভাগৱতৰ বাহিৰৰ কাহিনী—

(১) হৰিশ্চন্দ্ৰ উপাখ্যান (মাৰ্কণ্ডেয় পুৰাণ),

(২) ভক্তি-প্ৰদীপ (গৰুড় পুৰাণ),

(৩) কীৰ্ত্তন-ঘোষাৰ উৰেষা-বৰ্ণন (ব্ৰহ্ম-পুৰাণ),

(খ) ভাগৱতৰ বাহিৰৰ কাহিনীৰ লগত সংমিশ্ৰিত ভাগৱতৰ কাহিনী; কিন্তু শ্ৰীধৰী টীকাৰ প্ৰভাৱৰ পৰা মুক্ত—

(৪) ৰুক্মিণী-হৰণ কাব্য (হৰিবংশ),

(গ) গীত—(৫) প্ৰথম বৰগীত 'মন মেৰি ৰাম-চৰণহি লাগু',

(ঘ) দশম স্কন্ধৰ বাহিৰৰ ভাগৱতৰ কথাৰে প্ৰথম থূল—

(৬) ষষ্ঠ স্কন্ধ বা অজামিল উপাখ্যান,

(৭) অষ্টম স্কন্ধ বা গজেন্দ্ৰোপাখ্যান আৰু অমৃত-মথন (কীৰ্ত্তন-ঘোষাৰ 'হৰমোহনে' সৈতে),

(৩) কীৰ্ত্তন-ঘোষাৰ অজামিল-উপাখ্যান (ষষ্ঠ স্কন্ধ), প্ৰহ্লাদ চৰিত্ৰ (তৃতীয়, সপ্তম স্কন্ধ), চতুৰ্ব্বিংশতি অৱতাৰ বৰ্ণন, ধ্যান বৰ্ণন,

(ঙ) (৮) গুণমালা, দ্বিতীয়—ষষ্ঠ অধ্যায় (?)।

২। **মধ্য বা অসম-ৰাজ্যত কটোৱা কাল**—অশান্তি, বিৰোধ, আত্ম-সমালোচনা আৰু শেহান্তৰত অগ্ৰসৰৰ কাল (১৪৩৮ শকৰ পৰা ১৪৬৫ শক মানলৈকে)—

(ক) ভক্তি-বিৰোধী-দলন যুক্তি—

(৩) কীৰ্ত্তন-ঘোষাৰ পাষণ্ড মৰ্দ্দন, নাম-অপৰাধ (ভাগৱত, পদ্ম, বিষ্ণুধৰ্ম্মোত্তৰ, বৃহন্নাৰদীয় পুৰাণ আৰু সুত সংহিতা),

৯। পত্নী-প্ৰসাদ নাট (ভাগৱত দশম স্কন্ধ)।

(খ) ভাগৱতৰ দশম স্কন্ধৰ পূৰ্ব্বাৰ্দ্ধৰ কৃষ্ণৰ শিশুজীৱনৰ বৰ্ণনা—

(৩) কীৰ্ত্তন-ঘোষাৰ শিশুলীলা, ৰাস-ক্ৰীড়া, কংসবধ, গোপী-উদ্ধৱ-সম্বাদ, কুঁজীৰ বাঞ্ছা-পূৰণ, অক্ৰুৰৰ বাঞ্ছা-পূৰণ।

৩। **শেষ বা কোচ ৰাজ্যত কটোৱা কাল**—অপেক্ষাকৃত শান্তি, ভক্তি আন্দোলনৰ সম্পূৰ্ণতালাভ আৰু শঙ্কৰদেৱৰ পূৰ্ণোত্তম মনোবিকাশৰ কাল (১৪৬৫ শকমানৰপৰা ১৪৯০ শকলৈকে)—

(ক) দশম স্কন্ধৰ বাহিৰৰ ভাগৱত-কথাৰে দ্বিতীয় থূল—

(১০) বলি-ছলন (অষ্টম স্কন্ধ),

(১১) অনাদি-পাতন (তৃতীয় স্কন্ধৰ বামণ পুৰাণ আৰু অন্যান্য কথাৰে লিখিত),

(খ) ভাগৱত দশম স্কন্ধৰ উত্তৰাৰ্দ্ধৰ আৰু একাদশ-দ্বাদশ স্কন্ধৰ কাহিনীৰ কীৰ্ত্তন—

কীৰ্ত্তন-ঘোষাৰ জৰাসন্ধ-যুদ্ধ, কাল-যৱন বধ, মুচুকুন্দ স্তুতি, স্যমন্ত-হৰণ, নাৰদৰ কৃষ্ণদৰ্শন, বিপ্ৰ-পুত্ৰ-আনয়ন, দামোদৰ বিপ্ৰৰ আখ্যান, দৈৱকীৰ পুত্ৰ-আনয়ন, বেদ-স্তুতি, লীলা-মালা, ৰুক্মিণীৰ প্ৰেম-কলহ, ভৃগু-পৰীক্ষা (দশম স্কন্ধ ; শেষ দুই খণ্ড বৰ্ত্তমানে কীৰ্ত্তন-ঘোষাৰ বহিষ্কৃত ; অনন্ত কন্দলিৰ মধ্য, শেষ দশম ৰচনাৰ আগতে সকলো ৰচিত হৈ কন্দলিক প্ৰভাবান্বিত কৰিছে), (তিনিটা উপখণ্ডেৰে, তৃতীয় স্কন্ধৰ সংযোগেৰে) শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ, ভাগৱতৰ তাৎপৰ্য্য।

(গ) বহুলভাৱে ভাগৱতৰ স্কন্ধৰ ভাঙনি আৰু কাহিনী—

(১২) দশম স্কন্ধ, আদি ; (১৩) একাদশ স্কন্ধ (আন সংমিশ্রণেৰে) ;

(১৪) দ্বাদশ স্কন্ধ ; (১৭) নৱম স্কন্ধ ;

(১৫) প্রথম স্কন্ধ ; (১৮) কুৰুক্ষেত্র ;

(১৬) দ্বিতীয় স্কন্ধ ; (১৯) নিমি-নৱসিদ্ধ-সম্বাদ ;

(৮) গুণমালা,প্রথম অধ্যায় ;

(ঘ) ৰাম-কথা—(২০) ৰামায়ণ, উত্তৰাকাণ্ড।

(ঙ) গীত—(৫) বৰগীত (সঙ্কলন), ০। তোটয়, ০। ভটিমা।

(চ) প্রকৰণ-গ্রন্থ—(২১) ভক্তি-ৰত্নাকৰ।

(ছ) নাট—(২২) কালি-দমন ; (২৫) পাৰিজাত-হৰণ ;

(২৩) কেলি-গোপাল ; (২৬) ৰাম-বিজয়,

(২৪) ৰুক্মিণী-হৰণ, অন্ত্যৰচনা, ১৪৯০ শক

উৎকল-মালা, বৈষ্ণৱামৃত, ৰাম-মালিকা, কালিকা পুৰাণ (হৰগৌৰী বিবাহ), আদি-যামল আদিত শঙ্কৰদেৱৰ নাম পোৱা গলেও সেইবিলাক যে জাল পুথি তাত কোনো সন্দেহ নাই।

পদ-পুথি—কীৰ্ত্তন-ঘোষা—দ্বাদশ স্কন্ধ ভাগৱত, গীতা, পদ্মপুৰাণ, ব্রহ্মপুৰাণ আদি শাস্ত্রৰ সাৰ সংগ্রহ কৰি শঙ্কৰদেৱে ধৰ্ম্মজীৱনৰ আগছোৱা কালত বৰদোৱাত গীতৰ ছন্দত কীৰ্ত্তন-ঘোষা ৰচনা কৰিছিল। পাচত কোচ ৰাজ্যত থকা কালত ইয়াক সম্পূৰ্ণ কৰা হয়। ১৫৯৫ চনলৈকে আহোম ৰাজ্য, হাজো, বৰপেটা, কালজাৰ, ভৱানীপুৰ আদি ঠাইত বিবিধ খণ্ডবোৰ সিঁচৰতি হৈ আছিল। গুৰুজনে প্রিয় শিষ্য মাধৱদেৱক একেলগ কৰিবলৈ দিয়ে ; কিন্তু হঠাৎ বেহাৰলৈ যাব লগা হোৱাত মাধৱদেৱে ভাগিনীয়েক ৰামচৰণ ঠাকুৰক ভাৰ দিয়ে। ৰামচৰণে এবছৰমান ফুৰি পুথিখন একগোট কৰি লিখি ১৫১৮ শকৰ জেঠ মাহত বেহাৰত মাধৱদেৱক দিয়ে। কীৰ্ত্তনত বলিছলন, ওবেষা বৰ্ণন, প্রহ্লাদ চৰিত্র, অজামিল উপাখ্যান আদি বিবিধ বিষয় যদিও আছে, তথাপি শ্রীকৃষ্ণৰ জন্মৰপৰা কংসবধলৈকে যি কেইটা অধ্যায় আছে সেইখিনিহে ৰসাল, লোকপ্রিয় আৰু মনোগ্রাহী। কৃষ্ণ হৈছে মনুষ্যত্বৰ সৰ্ব্বশ্রেষ্ঠ গুণবিলাকেৰে আচ্ছাদিত পূৰ্ণব্রহ্ম পৰমেশ্বৰ। লক্ষ্মীনাথ বেজবৰুৱাই কৈছে, 'ভাষাৰ লালিত্য, ছন্দৰ ঝঙ্কাৰ, সুৰৰ লাৱণ্য, ভাৱৰ মাধুৰ্য্য, ভক্তিৰ দৃঢ়তা, চিন্তাৰ উচ্চতা আদিৰ

সমষ্টিৰে শঙ্কৰদেৱৰ কীৰ্ত্তন ৰচিত।' ইয়াৰ ভাষাৰ কবিত্বময় সৌন্দৰ্য্য আৰু জটিল কথাৰ সৰ্ব্বজনগ্ৰাহ্য সৰল অথচ সূক্ষ্ম প্ৰকাশ মন কৰিবলগীয়া। ক্ষীৰ সাগৰ, ত্ৰিকূট পৰ্ব্বত আৰু হৰমোহনৰ বৰ্ণনা পঢ়িলে তেওঁৰ কবিত্ব-ভাবপূৰ্ণ ৰচনাৰ আভাস পোৱা যায়। ওৰেষা বৰ্ণনত ইন্দ্ৰদ্যুম্নৰ স্তুতিত দাৰ্শনিক তত্ত্ব উজু কথাত পোৱা যায়। কীৰ্ত্তনত পদ, দুলড়ি, ছবি, লেছাৰী, কুসুম-মালা, ঝুমুৰী আদি বিবিধ ছন্দ পোৱা যায়। কীৰ্ত্তন পুথিয়ে অসমীয়া জাতীয় আৰু ধৰ্ম্ম জীৱনত ওখ ঠাই অধিকাৰ কৰিছে। "আজিও শঙ্কৰদেৱৰ অমৃতনিস্যন্দিনী লেখনীৰপৰা ওলোৱা দশম, কীৰ্ত্তন আদি মহাশাস্ত্ৰসমূহে জীৱন্ত, জ্বলন্ত মূৰ্ত্তি ধৰি অসমীয়াক এন্ধাৰ বাটত উজ্জ্বল পোহৰেৰে বাট দেখুৱাই" দিব লাগিছে। কীৰ্ত্তন পুথিখন ধৰ্ম্মগ্ৰন্থসমূহৰ ভিতৰত 'শিৰৰ মুকুট' স্বৰূপ।

দশম (আদি)—গুৰুজনে ধৰ্ম্মজীৱনৰ শেহছোৱা কালত পাটবাউসীত থাকোতে দশম স্কন্ধৰ আদিছোৱা ভাঙনি কৰিছিল। দশমৰ পদ ভাঙনি গুৱলা। ইয়াৰ কথা সাৰুৱা আৰু অতি সুন্দৰ। পুথিখন প্ৰায় ঘৰুৱা নিভাঁজ শব্দেৰে ৰচনা কৰা হৈছে। কিছুমান বাক্য যোজনা স্বৰূপে প্ৰচলিত আছে। যেনে :—"কিবা দৈৱকীৰ গৰ্ভে পুত্ৰ নোপজয়," "কিবা কংস মৰি আগে যায় যমালয়", "প্ৰথম ব্যাধিত যদি নেদয় ঔষধি। পাছে পীড়া কৰন্তে হৰয় সব বুদ্ধি॥", "চিৰকাল প্ৰাণী একত্ৰে নাথাকে, বিষম দৈৱৰ গতি।" ইত্যাদি। ধৰ্ম্ম ভাবৰ সোঁত বৈছে যদিও, দশমত শিশু জীৱনৰ মাতৃস্নেহ আৰু মাতৃ-শোকৰ, প্ৰকৃতিৰ প্ৰতি উদাৰ দৃষ্টিৰ আৰু মানব অন্তৰ চিৰকাল আলোড়িত কৰা ভাবসমূহৰ এটা গাঢ় মানবী আৰু বাস্তৱ চিত্ৰ পোৱা যায়। আদি-দশমৰ বিষয়-বস্তু হৈছে শ্ৰীকৃষ্ণৰ ল'ৰাকাল, যেনে :—বিভিন্ন অসুৰক বালক কৃষ্ণই বধ কৰা, সঙ্গীসকলৰ সৈতে পথাৰ আৰু হাবিত গৰু চৰোৱা আৰু ন ন ক্ৰীড়া কৰা, গাখীৰ, মাখন আৰু দৈ চুৰ কৰা আৰু গোপীসকলৰ সৈতে কাজিয়া কৰা, যশোদাৰ তিৰস্কাৰ ইত্যাদি। অসমৰ বৈষ্ণৱ ধৰ্ম্মৰ চাবি পুথিৰ ভিতৰত এই দশম পুথি সোমৰা হয়। লক্ষ্মীনাথ বেজবৰুৱাই আদি দশম ১৫৩২-৩৩ খ্ৰীষ্টাব্দৰ ভিতৰত ৰচনা বুলি ভাবে।

ভক্তি-প্ৰদীপ :—গুৰুজনাই প্ৰথমবাৰ তীৰ্থ ভ্ৰমণ কৰাৰ কিছুদিনৰ পাচত ভক্তি-প্ৰদীপ পুথি ৰচনা কৰিছিল বুলিব পাৰি, কিয়নো প্ৰথম তীৰ্থ যাত্ৰাত তেওঁই যিবিলাক তীৰ্থ পাই গৈছিল সিবিলাকৰ উল্লেখ এই পুথিত পোৱা যায়। মাধৱদেৱৰ মাতৃৰ শ্ৰাদ্ধৰ নাম-কীৰ্ত্তনৰ পাচত নাৰায়ণ ঠাকুৰে

ঘৰলৈ নিবৰ কাৰণে গুৰুজনাক এখন পুথি বিচাৰিলে। গুৰুজনে আশীৰ্ব্বাদ কৰি 'দেৱ নিবাৰণী, গৰুড় পুৰাণী, ভকতি প্ৰদীপ' দিলে। এই সময়ত গুৰুজনাৰ বয়স ৮৭।৮৮ বছৰ। নিশ্চয় ১৪৫৯ শকৰ আগত ভক্তি-প্ৰদীপ লিখা হৈছিল। পুথিখনৰ উপনাম 'গৰুড় পুৰাণ কৃষ্ণ-অৰ্জ্জুন সম্বাদ।' গৰুড় পুৰাণৰ ওপৰত নিৰ্ভৰ কৰি এই পুথি লিখা হৈছে। শ্ৰীকৃষ্ণ একমাত্ৰ উপাস্য দেৱ, আৰু আন আন দেৱতাৰ পূজা নিবাৰণ কৰাই ভক্তি-প্ৰদীপৰ যাই উদ্দেশ্য। তপ, যপ, যাগ, যজ্ঞ সকলো নিৰৰ্থক। আধ্যাত্মিক ভাবৰ সুসংযত সৰল প্ৰকাশেৰে ভক্তি-প্ৰদীপ গুৰুজনাৰ এখন শ্ৰেষ্ঠ ৰচনা। ইয়াত অব্যভিচাৰিণী ভক্তিৰ লক্ষণ ব্যাখ্যা কৰা হৈছে। ইয়াক ভক্তি ৰসেৰে ৰসাল কৰা হৈছে—"দেৱ নিবাৰণ, গৰুড় পুৰাণ, কৃষ্ণৰ নাম মহত্ব।"

ৰুক্মিণী-হৰণ কাব্য ঃ—ৰুক্মিণীহৰণ কাব্য শঙ্কৰদেৱৰ 'অমৃতময় লেখনীৰ অমৃতৰ ধাৰ'। কাব্যৰ অনেক ঠাইত 'কায়স্থ' শঙ্কৰৰ উল্লেখে, পুথিখনক ডকাকালৰ ৰচনা বুলি প্ৰমাণ কৰে। হৰিবংশ আৰু ভাগৱতৰ কথা মিহলাই কাব্যখন সোৱাদ লগা কৰি ৰচনা কৰা হৈছে। শ্ৰীকৃষ্ণ অকলসৰে কুণ্ডিনলৈ যোৱা বুলি জানিব পাৰি দৈৱকীয়ে বলভদ্ৰক সংগত পঠোৱা কথা গুৰুজনাৰ নিজা সৃষ্টি। বিবাহ পদ্ধতি, দৈৱকী আৰু শচীপ্ৰভাৰ বিয়নীমেলে বিয়াখনক অসমীয়া বিয়াৰ আহিৰ কৰিছে। বেদনিধি আৰু সুমালিনী ধাইৰ চৰিত্ৰ অসমীয়া পুৰোহিত আৰু ধাইৰ চৰিত্ৰ। ৰুক্মিণীয়ে জেঠালেক বলভদ্ৰক দেখি ওৰণী লোৱা কথাও মন কৰিবলগীয়া। গোটেই কাব্যখন অসমীয়া ঘৰুৱা আৰু সামাজিক জীৱনৰ ওপৰত নিৰ্ভৰ কৰি ৰচনা কৰা হৈছে। হাস্যৰসৰো সমাবেশ দেখা যায়। ৰথৰ বেগত ব্ৰাহ্মণ মূৰ্চ্ছা যোৱা, শ্ৰীকৃষ্ণৰ বিয়াৰ সময়ত মহাদেৱ অন্তৰ্ধ্যান হোৱা আদি কথা কৌতুকপূৰ্ণ। কাব্যখনত নিভাঁজ ঘৰুৱা কথা ব্যৱহাৰৰ প্ৰাচুৰ্য্যতা দেখা যায়। 'মাধৱৰ নামে সিটো জুইতো নেদে খেৰ', 'আনৰ অৰ্থত কোনে আনে পিয়ে পানী', 'অমৃতক বাঞ্ছে যেন চুকৰ ভেকুলি,' 'স্বতন্ত্ৰৰ ৰুগীয়াক কি কৰে ঔষধি,' 'মিছা বাদ নকৰস যেন নাকে খুৰে' 'শিশুপাল ভৈল যেন লাগুৰুকটা বাঘ' ইত্যাদি। মাধৱ কন্দলিৰ ৰামায়ণৰ দুই চাৰিটা বাক্যাংশ বা উপমাৰ প্ৰভাবো পৰিছে। যেনে 'অশুচিতে পিম্পৰাবো নিচিন্তন্ত মাৰ' (অশুচিতে পিম্পৰাবো নিচিন্তয় মাৰ —মা০ ক০), 'হাৰিয়া জিনয় কেহো জিনিয়া হাৰয় আছি কৈতো সৰ্ব্বকালে নাহি জয়' (হাৰিয়া জিনিয় কতো জিনিয়া হাৰয়। কহিতে শুনিলা সৰ্ব্বকালে

হোৱে জয়—মা০ ক০) ইত্যাদি। ডঃ কাকতিয়ে কৈছে, "অনুপম উপমা, যত্নৰ যোজনা-পটন্তৰযুক্ত অবাধ গতিৰ ভাষাৰে চৰিত্ৰসমূহৰ স্বাভাৱিকতা, জাতীয়তা আদৰ্শত্ব ফুটাই তোলা হৈছে। স্বভাৱৰ স্বৰূপ বৰ্ণনা, যুদ্ধাদিৰ হুবহু বৰ্ণনা আদিয়ে কবিৰ শক্তিৰ বিজয় ঘোষণা কৰিছে।" এই কাব্যত আদি, করুণ, বীৰ আৰু হাস্য ৰসৰ সমাবেশ হৈছে। 'শঙ্কৰদেৱৰ যতবিলাক সুমধুৰ ললিত ৰসাল ৰচনা আছে সেইবোৰৰ ভিতৰত ৰুক্মিণীহৰণ শ্ৰেষ্ঠ' (লক্ষ্মীনাথ বেজবৰুৱা).

গুণমালা :—গুৰুজনাই **দ্বাদশ স্কন্ধ** ভাগৱতৰ সাৰ সংগ্ৰহ কৰি গুণমাল ৰচনা কৰে। বহি ভাত বান্ধোতে গাব পৰাকৈ ভাগৱতখন চমু কৰি লিখিবলৈ মহাৰাজ নৰনাৰায়ণে কোৱাত তেৰাই একে নিশাতে গুণমালাৰ বৰ্ত্তমান প্ৰথম অধ্যায় ৰচনা কৰে। বাকী পাঁচ অধ্যায় বৰদোৱাত থাকোতে ৰচনা কৰে। গুণমালাৰ আন এটা নাম **গুণ-চিন্তামণি**। এই পুথিত বিষ্ণু আৰু কৃষ্ণৰ প্ৰশংসাৰ স্তুতি আছে। শঙ্কৰদেৱে চুনপোৰাত সত্ৰ কৰি থাকোতে নাৰায়ণ দাসক (ঠাকুৰ আতা) শৰণ দি এই শাস্ত্ৰখন দিয়ে।

নিমি-নৱসিদ্ধ সম্বাদ :—**একাদশ স্কন্ধ** ভাগৱতৰ কথা লৈ এই পুথি ৰচনা কৰা। নাৰদে বাসুদেৱৰ আগত ৰজা নিমি আৰু নজন ঋষিৰ ভিতৰত হোৱা আলোচনা বিবৃত কৰিছে। ইয়াত ৰজা আৰু সিদ্ধৰ কথোপকথনৰ যোগেদি ভক্তিতত্ত্ব আলোচনা কৰা হৈছে। ৰজাৰ প্ৰশ্নৰ উত্তৰত আত্যন্তিক ক্ষেম, মহাভক্তৰ লক্ষণ, মায়া, মায়াৰ পৰা উদ্ধাৰ, ব্ৰহ্মযোগ, কৰ্ম্মযোগ, অভক্তৰ গতি, ভগৱন্তৰ পূজা-বিধি আৰু ঈশ্বৰৰ অৱতাৰৰ বিষয় বিবৃত কৰে। ইয়াত কিছুমান জটিল তত্ত্বৰ আলোচনা কৰা হৈছে।

অনাদি পাতন :—**তৃতীয় স্কন্ধ** ভাগৱতৰ কথাৰে বামন পুৰাণৰ কথা মিলাই অনাদি পাতন (মহাভাগৱত পদ অমৃত সাক্ষাত। বামন পুৰাণৰ কিছু মিশ্ৰ দিলো তাত॥) ৰচনা কৰিছে। ইয়াত সৃষ্টিতত্ত্ব বিচাৰ কৰা হৈছে। "প্ৰকৃতি আৰু তত্ত্বসকলৰ উৎপত্তি, চৰাচৰ প্ৰাণীৰ বিকাশ, সপ্ত দ্বীপ, সপ্ত সাগৰ, নব বৰ্ষ, জ্যোতিশ্চক্ৰ, নৰক, দেহতত্ত্ব (ব্ৰহ্মাণ্ডৰ গুণমণি আছে শৰীৰতে) আদিৰ বৰ্ণনা দক্ষতাৰে দিয়া হৈছে" (ডঃ মহেশ্বৰ নেওগ)। ইয়াত দুৰ্জ্ঞেয় দাৰ্শনিক তত্ত্ববোৰ জনসাধাৰণে বুজিব পৰাকৈ পদত ৰচনা কৰা হৈছে।

হৰিশ্চন্দ্ৰ উপাখ্যান :—মহেন্দ্ৰ কন্দলিৰ ছাত্ৰশালিতে মাৰ্কণ্ডেয় পুৰাণৰ (সপ্তম-নৱম অধ্যায়) বিষয়-বস্তু লৈ এই কাব্য ৰচনা কৰে। পাচত পাটবাউসীত থাকোঁতে হৰিশ্চন্দ্ৰ উপাখ্যানৰ কথা এইদৰে কৈছিল, 'ভকতিৰ চাবি খুটি মাৰি

পুথিখনি কৈলোঁ।' কাব্যত লেখকে ভক্তিৰ গুণ গান কৰিছে। 'বৈষ্ণৱ কৃপাৰ মহত্ত্ব' দেখুৱাবৰ কাৰণে প্ৰসঙ্গ অনুসন্ধি কাব্যৰস সঞ্চাৰ কৰিছে।

বলিছলন :—**অষ্টম স্কন্ধ** ভাগৱতৰ কাহিনী লৈ ("অষ্টম স্কন্ধৰ সাৰ বলিক ছলন") বামন পুৰাণৰ কিছু কথা মিহলাই শুকুজনে পাটবাউসীত বলিছলন কাব্য লিখে। ভক্তিবাদ, ঘাইকৈ দাস্যভাব, কাব্যৰ দীঘে বাণিয়ে সোমাইছে। দানৰ গুণ, আধ্যাত্মিক উন্নতিত ধন ঐশ্বৰ্য্যৰ অন্তৰায়, ইন্দ্ৰিয়-সংযম জনিত সন্তুষ্টি আদি কথা ইয়াত পোৱা যায়। বলিৰ অত্যাচাৰ, অদিতিৰ বিলাপ, বলি আৰু বটুৰ কথোপকথন, বটুৱে তিনিপদ ভূমি বিচৰা, শুক্ৰৰ উপদেশ নুশুনাৰ কাৰণে বলিৰ দুৰ্গতি, বলিৰ পত্নী বিন্ধ্যাৱলীৰ কাকুতি ইত্যাদি কথাৰ বিশদ বৰ্ণনা এই কাব্যত পোৱা যায়।

অমৃত মন্থন :—এই পুথি **অষ্টম স্কন্ধ** ভাগৱতৰ কথাৰে লেখা। দেৱতা আৰু অসুৰৰ ভিতৰত হোৱা যুদ্ধ আৰু অমৃত মন্থনৰ কথা ইয়াত পোৱা যায়। ব্ৰহ্মাৰ ভুবনৰ বৰ্ণনা, ব্ৰহ্মৰূপী হৰিৰ বৰ্ণনা, বিষ্ণুৰ বৰ্ণনা আদি বৰ্ণনা অতি স্পষ্ট।

অঙ্কীয়া নাট :—সংস্কৃত নাট্যশাস্ত্ৰত উল্লেখ থকা দহবিধ ৰূপকৰ সৈতে অসমীয়া অঙ্কীয়া নাটৰ সম্বন্ধ স্থাপন কৰা টান। অঙ্কীয়া নাটক শঙ্কৰদেৱে নিজে নাট বা যাত্ৰা বুলিছে আৰু চৰিতকাৰসকলে অঙ্ক বুলিছে। মহাপুৰুষে সংস্কৃত ৰূপকৰ বৈশিষ্ট্যবোৰ চালি জাৰি তাৰ আদৰ্শত নাটসমূহ ৰচনা কৰিছিল। অঙ্কীয়া নাট নামকৰণ-প্ৰসঙ্গত ডঃ কাকতিয়ে কৈছে যে সংস্কৃতৰ একাঙ্ক ভাণৰ লগত অসমীয়া নাটৰ কিবা সম্বন্ধ থাকিব পাৰে। কালিৰাম মেধিয়ে ভাবে যে চৰিত পুথিত উল্লেখ থকা অঙ্কৰ সৈতে সংস্কৃত একাঙ্ক নাটক অঙ্কৰ বেচি মিল আছে। অঙ্কীয়া নাটৰ বিষয়-বস্তুও সংস্কৃতমূলক। সূত্ৰধাৰৰ সংযোগ আৰু সংস্কৃতত লিখা নান্দী শ্লোক আদিয়ে সংস্কৃত নাটকৰ প্ৰভাৱৰ ইঙ্গিত দিয়ে। নাটৰ ভাষা, বিষয় আৰু গীত আদিলৈ মন কৰিলে মৈথিলী কবি বিদ্যাপতিৰ নাটৰ প্ৰভাৱে নুই কৰিব নোৱাৰি। ডঃ কাকতিৰ ভাষাৰে কবলৈ হ'লে অঙ্কীয়া নাটবোৰ কৃষ্ণলীলা প্ৰচাৰ কৰিবৰ উদ্দেশ্যে লিখা। আনহাতে "শ্ৰীকৃষ্ণ চৰিত্ৰকেই কেন্দ্ৰ কৰি সকলো বৈষ্ণৱ-সাহিত্য বৰ্ত্তি আছে।" "অঙ্কীয়া নাট আকৃতিৰ বিচাৰত নাটক; কিন্তু প্ৰকৃতিৰ বিচাৰত গীতিকাব্য"—(ডঃ বিৰিঞ্চি কুমাৰ বৰুৱা)। শঙ্কৰদেৱৰ নাটৰ পাঁচোটা ভাগ আছে। যেনে :—(১) **শ্লোক**, (২) **ভটিমা**, (৩) **গীত**, (৪) **পয়াৰ** আৰু (৫) **কথা**। অঙ্কীয়া নাটত **প্ৰথম অসমীয়া গদ্য** পোৱা যায়। নাটৰ ভাষা **ব্ৰজাৱলী**।

শঙ্কৰদেৱে ৰচনা কৰা নাটসমূহৰ তালিকা ওপৰত দিয়া হৈছে। এই ছখন নাটৰ উপৰিও ৰামচৰণ ঠাকুৰৰ চৰিতপুথিত পাটবাউসীত জন্মযাত্ৰা নাট লিখি ভাওনা কৰাৰ কথা আছে; কিন্তু এই নাট পাবলৈ নাই। বৰদোৱা চৰিতত ছখন নাটৰ উপৰিও কংসবধ নাট আৰু এখন নাট হেৰোৱা কথাৰ উল্লেখ আছে। এই হেৰোৱা নাট কংসবধ নহৈ জন্মযাত্ৰা হব পাৰে। মহাপুৰুষৰ প্ৰথম ৰচনা বুলি কথিত চিহ্নযাত্ৰাক আঙ্গিক অভিনয় বুলিব পাৰি। ই অসমীয়া সঙ্গীত আৰু নাট্যকলাৰ এটি নতুন অধ্যায়ৰ সূচনা কৰে। চৰিত পুথিত চিহ্নযাত্ৰাৰ ভাৱৰীয়াসকলৰ উল্লেখ নাই। শঙ্কৰদেৱে সাত বৈকুণ্ঠৰ চিত্ৰ আঁকিছিল আৰু অঙ্কিত দৃশ্যপট আৰু মুখা ব্যৱহাৰ কৰিছিল। নৃত্যই প্ৰাধান্য লাভ কৰিছিল। শঙ্কৰদেৱে নিজে বায়ুমণ্ডল বাগ দিছিল। এই ভাৱনা সাত দিন সাত ৰাতি চলিছিল।

(১) **পত্নী-প্ৰসাদ**:—চৰিত পুথিত আছে যে শঙ্কৰদেৱ ধুৱাহাটাত থাকোতে ব্ৰাহ্মণসকলে তেৰাৰ বিৰুদ্ধাচৰণ কৰি আহোম ৰজাৰ ওচৰত গোচৰ দিছিল। সম্ভৱ এই সময়তে নাটখন ৰচনা কৰা হৈছিল। এই নাটত নাট্যশাস্ত্ৰৰ নিয়ম পালন কৰা হোৱা নাই। ইয়াত নান্দী শ্লোক নাই আৰু সূত্ৰধাৰেও নাট সূচনা কৰা শ্লোক নাই। কেৱল মঙ্গলাচৰণ আছে, কিন্তু সামৰণিত মুক্তিমঙ্গল ভটিমা নাই। পত্নী-প্ৰসাদ নাটৰ মূল ভাগৱত দশমস্কন্ধ। ব্ৰাহ্মণ পত্নীসকলে স্বামীৰ হাক-বচন নামানি শ্ৰীকৃষ্ণৰ প্ৰতি অনুৰক্ত হয়। ব্ৰাহ্মণসকলে হাবিত যজ্ঞ কৰা ঠাইত কৃষ্ণ-বলোৰাম সঙ্গীসকলেৰে সৈতে উপস্থিত হয়। কৃষ্ণই ক্ষুধাৰ্ত্ত সঙ্গীসকলক ব্ৰাহ্মণসকলৰ ওচৰলৈ আহাৰ বিচাৰি পঠিয়ালে। বিমুখ হৈ তেওঁলোক ব্ৰাহ্মণ-পত্নীৰ ওচৰলৈ যায়। ব্ৰাহ্মণ-পত্নীবিলাকে তেওঁলোকক উপাদেয় খাদ্য দিলে। সন্তুষ্ট হৈ কৃষ্ণই তেওঁলোকক দেৱতা দৰ্শনৰ সুবিধা দিয়ে। এই নাটৰ পয়াৰ শুধ অসমীয়াত ৰচিত, কিন্তু আনবোৰ নাটৰ পয়াৰৰ ভাষা ব্ৰজাৱলী। এই নাট ৰচনাৰ কাল ১৫৩৫ খ্ৰীষ্টাব্দ হব পাৰে; কিন্তু ডঃ বিৰিঞ্চি বৰুৱা আৰু কালিৰাম মেধিৰ মতে ই প্ৰায় ১৫২১ খ্ৰীষ্টাব্দৰ।

(২) **কালি-দমন**:—এই নাট ৰামৰায়ৰ (জগতানন্দ) অনুৰোধত লিখা। কালিৰাম মেধি আৰু ডঃ বিৰিঞ্চি কুমাৰ বৰুৱাৰ মতে এইখন প্ৰথম নাট। কালিৰাম মেধি আৰু ডঃ বৰুৱাই ইয়াক প্ৰায় ১৫১৮ খ্ৰীষ্টাব্দত বৰদোৱাত ৰচনা কৰা বুলিছে। ভাগৱতৰ দশম স্কন্ধৰ কাহিনী অনুসৰণ কৰি এই নাট ৰচনা

কৰা হৈছে। মাজে মাজে শ্ৰীধৰ স্বামীৰ ভাগৱতৰ টীকা, হৰিবংশ আৰু ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণৰো সহায় লোৱা হৈছে। এই নাট বীৰ-ৰসাশ্ৰিত। কৃষ্ণ আৰু তেওঁৰ সঙ্গীসকলে কালীয় হ্ৰদৰ পানী খাই অজ্ঞান হৈ পৰে। পাচত কৃষ্ণই তেওঁলোকক জীয়ালে। কালি নাগক শাস্তি দিবৰ কাৰণে কৃষ্ণ হ্ৰদত জাপ মাৰি পৰিল আৰু নাগে তেওঁক মেৰাই ধৰিলে। নন্দ, যশোদা আৰু গোপীসকলে কৃষ্ণক চাবলৈ আহিল। কৃষ্ণই নাগক পৰাস্ত কৰি এশ ফণাৰ ওপৰত জপিয়াবলৈ ধৰিলে আৰু নাগৰ মৃত্যু হয়। নাগ-পত্নীৰ অনুৰোধত কৃষ্ণই কালি-নাগক পুনৰ জীৱন দিলে। সি কৃষ্ণৰ চৰণত পৰিল। এয়ে নাটৰ বিষয়-বস্তু।

(৩) **কেলি-গোপাল** :—এই নাট ৰামৰায়ৰ অনুৰোধত লিখা। সম্ভৱ পাটবাউসীত ১৫৪০ খ্ৰীষ্টাব্দত ইয়াক ৰচনা কৰা হয়। ভাগৱতৰ দশম স্কন্ধৰ পৰা কাহিনী লোৱা হৈছে। বৃন্দাবনত গোপীসকলৰ আগত এটা যক্ষ ওলালত গোপীসকলে বৰ ভয় খালে। কৃষ্ণই তেওঁৰ অনুৰক্তা ৰাধাক লৈ আঁতৰি যায়। ৰাধাৰ মনত অহঙ্কাৰ ভাব হোৱাত কৃষ্ণ অন্তৰ্ধ্যান হয়। ৰাধাই সখীসকলৰ সৈতে কৃষ্ণক বিচাৰিবলৈ ধৰে। কৃষ্ণই দেখা দিয়ে। কৃষ্ণৰ সৈতে যমুনাত জলক্ৰীড়া কৰিবৰ নিমিত্তে যাওঁতে শঙ্খচূড় নামে এটা যক্ষ ওলায়। কৃষ্ণই শঙ্খচূড়ক খেদায়। এয়ে কেলি-গোপাল নাটৰ কাহিনী। নাটত ৰাধা নামৰ ব্যৱহাৰ মন কৰিবলগীয়া। নাটৰ ঘাই ৰস শৃঙ্গাৰ। নাটৰ গীতসমূহ আকৰ্ষণীয়।

(৪) **ৰুক্মিণী-হৰণ** :—কেলি-গোপাল নাট ৰচনা কৰাৰ কিছু দিনৰ পাচতে ৰামৰায়ৰ উদগনিত পাটবাউসীত ৰুক্মিণী-হৰণ নাট ৰচনা কৰা হয়। নাটৰ মূল ভাগৱতৰ দশমস্কন্ধ। তাৰ লগতে হৰিবংশৰ কথা মিহলোৱা হৈছে। ৰুক্মিণীৰ কৃষ্ণক স্বামীৰূপে পাবৰ ইচ্ছা, ৰুক্মিণীৰ ৰূপ-লাৱণ্যৰ কথা শুনি কৃষ্ণৰ কুণ্ডিনলৈ আগমন, স্বয়ম্বৰৰ দিনা ৰুক্মিণী হৰণ, কৃষ্ণৰ হাতত শিশুপাল আদি কৰি ৰজাসকলৰ পৰাজয়, দ্বাৰকাত বিবাহ ইত্যাদি কথা এই নাটত আছে। এই নাটৰ কলেবৰ আন কেইখনি নাটতকৈ ডাঙৰ। ৰুক্মিণীহৰণ কাব্যৰ প্ৰভাৱ নাটৰ ওপৰত পৰিছে। ইয়াৰ ভটিমা কেইটা মনোৰম। নাটৰ ঘাই ৰস শৃঙ্গাৰ আৰু বীৰ।

(৫) **পাৰিজাত-হৰণ** :—ৰামৰায়ৰ অনুৰোধত লিখা। পাৰিজাত-হৰণ নাটৰ মূল হৈছে বিষ্ণুপুৰাণ আৰু হৰিবংশ। এই নাট বীৰৰস-প্ৰধান। নাৰদে ইন্দ্ৰৰ ফুলনিৰপৰা অনা পাৰিজাত কৃষ্ণক দিয়ে আৰু কৃষ্ণই সেই ফুল

ৰুক্মিণীক দিয়ে। টুটকীয়া নাৰদে সেইকথা সত্যভামাক জনোৱাত তেওঁ ৰোহ পাতিলে। কৃষ্ণই অমৰাৱতীৰপৰা পাৰিজাত ফুল আনি দিব বুলি অঙ্গীকাৰ কৰে। তেওঁ ইন্দ্ৰক পৰাস্ত কৰি পাৰিজাত ফুল আনি সত্যভামাৰ ঘৰৰ আগত ৰোৱে। সংলাপ, চৰিত্ৰাঙ্কন আৰু নাটকীয় পৰিস্থিতি এই সকলো ফালৰপৰা নাটখনি শ্ৰেষ্ঠ।

(৬) **ৰাম-বিজয় বা সীতা-স্বয়ম্বৰ** :—মহাৰাজ নৰনাৰায়ণৰ ভায়েক যুৱৰাজ শুক্লধ্বজ বা চিলাৰায়ৰ অনুৰোধত **শেষ নাট** ৰাম বিজয় ৰচনা কৰি গুৰুজনে 'কাপ কাঠি' এৰে। নাটখন ১৪৯০ শকত ৰচনা কৰা হৈছিল। নাটৰ বিষয়-বস্তু **আদিকাণ্ড ৰামায়ণ**ৰপৰা লোৱা হৈছে আৰু তাৰ ওপৰত **মহানাটক** বা **হনুমন্তী কাব্যৰ** প্ৰভাৱ পৰাও দেখা যায়। বিশ্বামিত্ৰই ৰাম-লক্ষ্মণক অসুৰ বধৰ কাৰণে লৈ যায়। তেওঁলোকক প্ৰথমতে সীতা-স্বয়ম্বৰলৈ নিয়ে আৰু বিশ্বামিত্ৰই ৰামক হৰধনু ভাঙিবলৈ কয়। ৰামে ধনু দুডোখৰ কৰিলে। সমবেত ৰজাসকলৰ সৈতে হোৱা যুদ্ধত তেওঁ তেওঁলোকক পৰাস্ত কৰি সীতাক লৈ আহে। বাটত পৰশুৰামক লগ পায়। হৰধনু ভঙা বুলি শুনি পৰশুৰামে খঙতে তেওঁক আহ্বান কৰে। ৰামে অব্যৰ্থ শৰ মাৰিলে। পৰশুৰামে সেই শৰ ঘূৰাই নিবলৈ অনুৰোধ কৰিলত ৰক্ষা পৰিল। কিন্তু সেই শৰে তেওঁৰ সৰগলৈ যোৱা বাট বন্ধ কৰিলে। নাট্য বস্তু উপস্থাপন ৰীতিৰ ফালৰপৰা ৰুক্মিণী-হৰণ নাট আৰু ৰাম-বিজয়ৰ যথেষ্ট সাদৃশ্য আছে। ৰাম-বিজয় নাটত অনাৱশ্যক ঘটনাৰ অৱতাৰণা কৰা নাই। ইয়াত সীতা জাতিস্মৰ কন্যা।

বৰগীত :—"ভক্তি আন্দোলন প্ৰধানতঃ অনুভূতি-প্ৰৱণ আৰু ই প্ৰাণৰ উচ্ছ্বাসক মুখৰ কৰি তোলে। ভাৰতৰ বিভিন্ন প্ৰদেশৰ বৈষ্ণৱ আন্দোলন-সমূহে বিভিন্ন ভাষাত 'লিৰিক' বা গীতি কবিতাৰ জন্মদান দিয়ে। অসমতো বৈষ্ণৱ আন্দোলন এই বিষয়ত সৃষ্টিশীল হৈ উঠে আৰু তাৰ ফলস্বৰূপে গীতসমূহে সেই আন্দোলনক বিস্তাৰ লাভত সহায় কৰি ঋণমুক্ত হয়। অসমীয়া বৈষ্ণৱ গীতি-সাহিত্যৰ প্ৰধান দুটা ধাৰা বৰগীত আৰু ভটিমা ।"—(ডঃ মহেশ্বৰ নেওগ)।

ডঃ বাণীকান্ত কাকতিয়ে বৰগীতক 'Noble numbers' বুলিছে। এই গীতিবোৰ 'ওখ নৈতিক আৰু আধ্যাত্মিক ভাবৰ ওপৰত প্ৰতিষ্ঠিত।' বৰগীত ৰচনাৰ আগতে যে ভাৰতীয় সঙ্গীত শাস্ত্ৰৰ চৰ্চ্চা অসমত আছিল তাক ওজা-পালি অনুষ্ঠানে প্ৰমাণ কৰে। গীতবোৰে নৱ-বৈষ্ণৱ আন্দোলনক বিশেষভাৱে

সহায় কৰিছিল। এইবোৰে নৱ-আধ্যাত্মিক ভাবৰ গুটি সিচিছিল। বৰগীতত 'ভগৱান কৃষ্ণৰ বিশাল পুৰুষত্ব ফুটি ওলাইছে।' এই কৃষ্ণ একালে পৰম পুৰুষ, আনফালে মানৱ-মূৰ্ত্তিৰ প্ৰকাশ। বালক কৃষ্ণৰ বিশ্ব-বিমোহন ৰূপ বৰগীতৰ মাজেদি বিৰিঙি উঠে। হৰি-ভকতি বিপদ তাৰণৰ একমাত্ৰ উপায়। বেদান্তৰ মৰ্ম্ম বৰগীতবোৰত সহজ সৰল ভাষাত পোৱা যায়। শঙ্কৰদেৱৰ প্ৰায় গীতবোৰ ব্ৰজাবলীত লিখা। অসম, বঙ্গ আৰু উড়িষ্যাত কৃষ্ণক কেন্দ্ৰ কৰি গীত-মাতত এই উপভাষাৰ সৃষ্টি হৈছিল। গতিকে ভাব আৰু ভাষাৰ ফালৰ পৰা বৰগীত সম্পূৰ্ণ স্বকীয়া এক শ্ৰেণীৰ গীত। বিষয়বস্তু আৰু উপলক্ষ্য অনুসৰি শঙ্কৰদেৱে প্ৰতি বৰগীতৰ সুৰ সংযোজনা কৰি গৈছে। "বাৰকুৰি বৰগীত, তেৰকুৰি ফকৰা"ৰ কথা আমি শুনিছোঁ আৰু শঙ্কৰদেৱে নিজে বাৰকুৰি বৰগীত ৰচনা কৰাৰ কথা গুৰু-চৰিতত আছে। বৰপেটাৰ কমলা গায়নে এই গীতবোৰ আওৰাবলৈ নিয়ে। কিন্তু চ'তমহীয়া বনপোৰা জুইত ঘৰ পোৰাত সেই গীতসমূহ নষ্ট হ'ল। "গুৰুজনে খেদকৈ বোলে, বঢ়াৰ পো, অনেক শ্ৰমকৈ গীতখানি কৈলো, পুইলে। গীত কিছু কৰা। আমি নকৰোঁ আৰু।" গুৰুবাক্য অনুযায়ী মাধৱদেৱে নকুৰি এঘাৰটা বৰগীত ৰচনা কৰিলে। 'আতৈ সৱৰ মুখত বোৰা আগে শুৰি ৰিহা গাৰি ক্ৰমে দি মাজত চোট আতাই গীত কৈলে নকুৰি এঘাৰটা বৰগীত, ছয় ৰসে, চোৰ চাতুৰী।' সেইকাৰণে বৰ্ত্তমান মাধৱদেৱতকৈ শঙ্কৰদেৱৰ বৰগীত কম পোৱা যায়। প্ৰথমবাৰ তীৰ্থ ভ্ৰমণ কৰোঁতে শঙ্কৰদেৱে বদৰিকাশ্ৰমত (আনুঃ ১৪৯০ খ্ৰীঃ) "মন মেৰি ৰাম চৰণহি লাগু" এই বৰগীতটি ৰচনা কৰে। নাৰায়ণ ঠাকুৰে থৰিকটীয়া ভকত কেতবোৰৰ মুখত এই গীতৰ ভণিতাত শঙ্কৰদেৱৰ নাম শুনি শঙ্কৰদেৱৰ পদপ্ৰান্তত উপস্থিত হয়হি। ৰামৰায় আতাৰ কন্যা কমলাপ্ৰিয়াৰ মুখে 'পামৰ ৰাম চৰণে চিত্ত দেহ' এই গীতটো শুনি চিলাৰায় দেৱানে শঙ্কৰদেৱৰ মহিমা বুজি তেওঁৰ 'শৰণ প্ৰাৰ্থনা' কৰে। শঙ্কৰদেৱৰ ৰচিত প্ৰায়বোৰ গীতেই প্ৰাৰ্থনাসূচক। "মানৱ জীৱন দুষ্পাপ্য অথচ ক্ষণভঙ্গুৰ আৰু মায়াময়, হৰিভকতি মোহাচ্ছন্ন জীৱন সমুদ্ৰত ধ্ৰুৱতৰা ; এয়ে নানান ভাৱ আৰু ভাষাত শঙ্কৰদেৱৰ গীতবোৰৰ সাধাৰণ তাৎপৰ্য্য" (ডঃ কাকতি)। গীত ৰচনাৰ একোটা উপলক্ষ্যও দেখা যায়। যেনে—গাংমৌত শঙ্কৰদেৱে ভকত আৰু ভূঞাসকলৰ সৈতে কথা আলচ কৰি থাকোতে চন্দৰী নামৰ বুঢ়ী দাসী এজনীয়ে ৰমানন্দ ঠাকুৰৰ জন্মৰ বাতৰি দিয়ে। শঙ্কৰদেৱে "পাৱে পৰিহৰি, কৰোহো কাতৰি, প্ৰাণ ৰাখবি মোৰ" এই বৰগীতটি ৰচনা কৰি গাবলৈ ধৰিলে।

বৰগীতবিলাক কাব্যতকৈ বেচি কবিত্বপূর্ণ। চর্য্যাপদসমূহ বৰগীতৰ গাঠনিৰ আৰ্হিও হ'ব পাৰে। দুই এটা বৰগীতৰ ওপৰত চর্য্যাপদৰ প্রভাৱো পৰিলক্ষিত হয়।

চতিহ্না :—শঙ্কৰদেৱৰ আন এবিধ পদ ৰচনা হৈছে চতিহা। বাৰাণসীত তীর্থ পর্য্যটন কৰোঁতে গুৰুজনাই কবীৰৰ কিছুমান শিষ্যক লগ পায় আৰু কবীৰৰ চৌতিচা ছন্দ শুনি আনন্দ পায়। চৌতিচাত ব্যঞ্জনবর্ণৰ আধ্যাত্মিক তাৎপর্য্য ব্যাখ্যা কৰা হয়। এই চৌতিচাৰ পৰা চতিহা ওলোৱা সম্ভৱ। শঙ্কৰদেৱৰ ই এটা ডাঙৰ কৃতিত্ব।

ভটিমা :—ইয়াৰ অর্থ হৈছে স্তুতি বা প্রশস্তি। ভাটে ইয়াক গায়। শঙ্কৰদেৱৰ তীর্থ যাত্রাৰ কালত বিদেশী ভাট লগ পোৱাৰ কথা চৰিতত পোৱা যায়। "শঙ্কৰদেৱৰ ভটিমাবিলাকক তিনিটা শ্রেণীত ভাগ কৰিব পাৰি-নাটকীয় ভটিমা, নাটকৰ বাহিৰৰ দেৱ-ভটিমা আৰু ৰাজ-ভটিমা। এই তিনি শ্রেণীৰ লগত মাধৱদেৱে আৰু এক শ্রেণীৰ ভটিমা যোগ দিয়ে—গুৰু-ভটিমা" (ডঃ মহেশ্বৰ নেওগ)। দেৱ-ভটিমা নাটৰ ভিতৰুৱা নহয়, বৰং নাটৰ বাহিৰৰ দেৱ-স্তুতি। 'ছন্দ আৰু শব্দ সংযোজনৰ চাতুর্য্য আৰু গাম্ভীর্য্য, অনুপ্রাসৰ ধ্বনি-প্রতিধ্বনি ভটিমাসমূহৰ বিশিষ্ট লক্ষণ আৰু ভটিমাৰ ভাষা বৰগীতৰ দৰে কৃত্রিম ব্রজবুলি।'

টোটয় :—শঙ্কৰদেৱে নাৰনাৰায়ণ ৰজাৰ দৰবাৰৰ সাত খলপাৰ ওপৰলৈ এখলপা এখলপাকৈ উঠি যাওঁতে সংস্কৃত তোটক ছন্দৰ আৰ্হিত ৰচনা কৰা "মধু-দানৱ-দাৰণ-দেৱ-ৱৰম্" আদি বিষ্ণু কৃষ্ণৰ স্তোত্র গাইছিল। এই টোটয়টি তেৰাৰ পাণ্ডিত্যৰ পৰিচায়ক।

অসমৰ সামাজিক, সাংস্কৃতিক আৰু আধ্যাত্মিক জীৱনৰ ওপৰত শঙ্কৰদেৱৰ প্রভাৱ অপৰিসীম। গণতান্ত্রিকতাৰ আদর্শেৰে অনুপ্রাণিত বৈষ্ণৱ সাহিত্যই অসমৰ জাতীয় সাহিত্য স্বৰূপে প্রতিষ্ঠা লাভ কৰে। 'বহু দেৱতাৰ মাজত প্রধান দেৱতাৰ সন্ধান দান' 'বহু সত্যৰ ভিতৰত সনাতন সত্যৰ উপলব্ধিৰ প্রতি আমাৰ সামাজিক চৈতন্যৰ জাগৰণ', 'কর্ম্মৰ বিভীষিকা নিবাৰণ', 'বাহ্যিক অনুষ্ঠানৰ ঠাইত বিশুদ্ধ অন্তৰক উপলব্ধিৰ প্রধান লীলাক্ষেত্র বুলি ডাঠকৈ প্রতিপাদন কৰা,' 'কর্ম্মৰ বিভীষিকা আৰু সামাজিক শ্রেণী-ভেদৰ ব্যৱধানৰ কুঁৱলী আঁতৰ কৰা'—এয়ে ডঃ বাণীকান্ত কাকতিৰ মতে 'অসমীয়াৰ আধ্যাত্মিক জীৱনৰ উৎকর্ষ' বিষয়ত মহাপুৰুষ শঙ্কৰদেৱৰ চতুৰঙ্গ দান। অসমৰ জাতীয় জীৱনৰ সন্ধিক্ষণত ৰচনা কৰা "বৈষ্ণৱ সাহিত্যই নতুন প্রাণৰ সঞ্চাৰ

কৰি সৰ্ব্বভাৰতীয়, মহাজাতীয় চৈতন্যৰ লগত ইয়াৰ ঐক্য-ভাব স্থাপন কৰে।* বৈষ্ণৱ সাহিত্যই অসমৰ জাতীয় সাহিত্য স্বৰূপে প্ৰতিষ্ঠা লাভ কৰে। নব-বৈষ্ণৱ ধৰ্ম্ম সৰবৰহী কৰিবৰ কাৰণে তেৰাই মূল সংস্কৃত শাস্ত্ৰৰ অনুবাদ, সাৰসংগ্ৰহ আৰু সংস্কৃত গ্ৰন্থৰপৰা বিষয়বস্তু লৈ মৌলিক ৰচনা কৰে। নব-বৈষ্ণৱ আন্দোলনৰ ফলত ভাৰতৰ বিভিন্ন প্ৰদেশৰ দৰে অসমতো নতুন গীতি-কবিতাৰ জন্ম হয়। সত্ৰ আৰু নামঘৰেৰে মহাপুৰুষে যেনেদৰে অসমীয়া সমাজত শৃঙ্খলা স্থাপন কৰিলে, ধৰ্ম্মেৰে যেনেদৰে শ্ৰেণীভেদৰ ব্যৱধান দূৰ কৰি সকলোকে একে ডোলেৰে বান্ধিলে, তেনেদৰে কাব্য, গীত আৰু নাট ৰচনা কৰি অসমীয়া সাহিত্যৰ স্বৰ্ণ-সৌধ নিৰ্ম্মাণ কৰিলে। অসমীয়া ভাষা, সাহিত্য, সঙ্গীত, কলা, ধৰ্ম্ম-জীৱন, সামাজিক জীৱন আদিৰ ওপৰত শঙ্কৰদেৱৰ প্ৰভাৱ প্ৰভূত। তেৰাৰ হাতত 'অসমীয়া জাতি আৰু অসমীয়া সংস্কৃতিয়ে' এক নিৰ্দ্দিষ্ট গঢ় ললে। অসমীয়া জাতিৰ যদি এটা প্ৰাণ আছে তেন্তে সেই প্ৰাণ হৈছে শঙ্কৰদেৱৰ। শঙ্কৰদেৱৰ ৰচনাৱলী অসমীয়া সাহিত্যৰ 'শিৰোভূষণ-স্বৰূপ।' মুঠৰ ওপৰত 'সাহিত্যৰ গুৰু শঙ্কৰ, সাহিত্য ৰাজ্যৰ ৰজা শঙ্কৰ, সমাজ গঢ়োতা শঙ্কৰ, সমাজৰ নেতা শঙ্কৰ'।

মাধৱদেৱ ঃ—মহাপুৰুষ শঙ্কৰদেৱৰ আজো-ককাক চণ্ডীবৰৰ সমসাময়িক হৰি ভূঞাৰ বংশত বৰ্ত্তমান উত্তৰ লক্ষীমপুৰৰ নাৰায়ণপুৰ অঞ্চলৰ কাচিকটা নৈৰ পাৰত গোবিন্দগিৰি ভূঞাৰ পত্নী মনোৰমাৰ গৰ্ভত ১৪৮৯ খ্ৰীঃত মাধৱদেৱৰ জন্ম হয়। গোবিন্দগিৰিয়ে কছাৰীৰ আক্ৰমণত টেম্বুৱানিত থাকিব নোৱাৰি উত্তৰ পাৰলৈ গ'ল। তাত হৰিশিঙ্গা বৰাৰ ঘৰত কিছুকাল থাকি তেওঁৰ ঘৰৰ ওচৰতে সুকীয়াকৈ ঘৰ সজাই ললে। ইয়াতে মাধৱদেৱৰ জন্ম হয়। গোবিন্দগিৰি (আন নাম মহোদৰ, ৰামকণা আতা, দীঘলাগিৰি) আদিতে ভাটিৰ ৰংপুৰৰ ধৱলা নৈৰ পাৰৰ বান্দুকাত মজিন্দাৰ আছিল। হৰিশিঙ্গা বৰাৰ মৃত্যুৰ পাচত গোবিন্দগিৰি পুত্ৰ-ভাৰ্য্যাৰে সৈতে বহুত ঠাই ঘূৰি ফুৰি হাবুং অঞ্চলৰ ঘাগৰি মাজিৰ ঘৰত বছৰদিয়েক থাকে, আৰু তাতে উৰ্ব্বশীৰ জন্ম হয়। উৰ্ব্বশীৰ দহ বছৰ বয়সত গোবিন্দগিৰিয়ে ভাৰ্য্যা-পুত্ৰ আৰু কন্যাৰে সৈতে ভটীয়াই আহি বৌটা পায়হি আৰু উৰ্ব্বশীক গয়াপাণি (পাচত ৰামদাস) ভূঞালৈ বিয়া দিয়ে। ইয়াৰ পাচত পত্নীক জীয়েক উৰ্ব্বশীৰ লগত থৈ গোবিন্দগিৰি মাধৱদেৱৰ সৈতে বান্দুকালৈ যায়। ইয়াত মাধৱদেৱে ককায়েক (মাহীমাকৰ পুতেক) দামোদৰক লগ পায়। কিছুকাল থকাৰ পিচত বাপেক

ঢুকায়। পিতৃৰ শ্ৰাদ্ধাদি কৰি কিছুকাল তাত থাকি মাধৱদেৱে মাকক চাবলৈ আহে। পুনৰ বান্দুকালৈ গৈ মজিন্দাৰৰ কামত সোমায়। ছমাহ মজিন্দাৰী কৰাৰ পিচত আকৌ অসমলৈ উভতি আহে। বাটতে মাকৰ নৰিয়াৰ কথা শুনি দুৰ্গা গোসানীলৈ ছাগলি আগ কৰে। বৈনায়েক ৰামদাসে গোসানীলৈ আগ কৰা ছাগলি আনি নিদিয়া বাবে ১৫২২ খ্ৰীষ্টাব্দত বেলগুৰিত শঙ্কৰদেৱৰ লগত তেওঁৰ বাদ হয়। তেওঁ শঙ্কৰদেৱৰ তৰ্ক-যুক্তিত সৈমান হয় আৰু আগতে নেঘেৰীটিঙত জোৰোণ পিন্ধোৱা কন্যা এৰি ভক্তি-ধৰ্ম্মত শৰণ লৈ চিৰকুমাৰ হৈ গুৰুৰ সেৱাত জীৱন উছৰ্গা কৰে। বৈষ্ণৱ-বিদ্বেষী-সকলৰ উচটনিত চুহুংমুং দিহিঙ্গীয়াই মাধৱদেৱক ধৰাই নি প্ৰায় আঠ মাহ ৰংপুৰত বন্দী কৰি ৰাখে। পাচত প্ৰায় ১৫৪৬ চনত মাধৱদেৱে শঙ্কৰদেৱৰ সৈতে কামৰূপ ৰাজ্যলৈ যায়। বাটত কপলাবাৰিত মাধৱদেৱৰ মাতৃ ঢুকায়। মাধৱদেৱ পোনতে বাৰাদিত আছিল। পিছত গণককুচিত থাকিবলৈ লয়। গুৰুজনাৰ লগত তেওঁ দ্বিতীয়বাৰ তীৰ্থযাত্ৰা কৰে। শঙ্কৰদেৱে ১৫৬৮ চনত তেওঁৰ ওপৰত সম্প্ৰদায়ৰ ভাৰ দি বৈকুণ্ঠ প্ৰয়াণ কৰে। মাধৱদেৱে পাটবাউসীত কিছুদিন থাকি সুন্দৰীদিয়াত স্থায়ীভাৱে সত্ৰ পাতি নামধৰ্ম্ম প্ৰচাৰ আৰু শাস্ত্ৰ ৰচনাত মন দিয়ে। ইয়াতে হৰিহৰ আতাই মাধৱদেৱত শৰণ লয়। ইয়াৰ পাচত তেওঁ বৰপেটা সত্ৰ স্থাপন কৰে। ভক্তি বিদ্বেষী লোকসকলে তেওঁৰ বিৰুদ্ধে কোচ-কামৰূপৰ ৰজাক লগাবলৈ ধৰিলে। ৰঘুদেৱ ৰজাই তেওঁক ধৰাই নি পুনৰ মুক্তি দিয়ে। ৰজাৰ আদেশত তেওঁ হাজোত থাকিব লগা হয়। তাত থকা নিৰাপদ যেন নেদেখি তেওঁ সোণকোষ পাৰ হৈ কোচবেহাৰলৈ যায়। তাত ৰাজমাও, কোঁৱৰ, কুঁৱৰী আৰু অনেক বিষয়াই মাধৱদেৱত শৰণ লয়। বীৰূপাক্ষ কাৰ্যীয়ে তেওঁক নানা আহকাল দিয়ে। পাচত ৰজা লক্ষ্মী-নাৰায়ণে (১৫৮৭—১৬২৭ খ্ৰীঃ) মাধৱদেৱৰ প্ৰচাৰিত ধৰ্ম্মক ৰাজধৰ্ম্ম বুলি ঘোষণা কৰিলে। মাধৱদেৱে ১৫৯৬ চনত কোচবেহাৰত বৈকুণ্ঠ প্ৰয়াণ কৰে।

ৰচনাৱলী :—শঙ্কৰদেৱৰ পিছতে অসমৰ ধৰ্ম্ম আৰু সাহিত্যক্ষেত্ৰত তেৰাৰ প্ৰধান শিষ্য আৰু ধৰ্ম্মৰ উত্তৰাধিকাৰী মাধৱদেৱৰ স্থান। শঙ্কৰদেৱৰ কীৰ্ত্তন আৰু দশমৰ দৰে মাধৱদেৱৰ নামঘোষা আৰু ৰত্নাৱলী কীৰ্ত্তি-স্তম্ভ আৰু এই দুয়োখন পুথি ধৰ্ম্মগ্ৰন্থৰ ভিতৰত সামৰা হয়। তেওঁৰ ৰচিত পুথিসমূহ হৈছে **নাম-মালিকা, আদিকাণ্ড ৰামায়ণ, জন্ম-ৰহস্য, ৰাজসূয় কাব্য, চোৰধৰা, পিম্পৰা গুচুৱা, ভোজন ব্যৱহাৰ, অৰ্জ্জুন ভঞ্জন, ভূমি-**

লোটৌৰা-আদি। ৰাস-ঝুমুৰা, ভূষণ-হেৰোৱা, ব্ৰহ্ম-মোহন আৰু কোটোৰা খেলোৱা নাট কোনো কোনোৰ মতে মাধৱদেৱৰ ৰচনা হলেও সন্দেহৰ যথেষ্ট স্থল আছে। আদি চৰিত, গুপ্তমণি, অমূল্য ৰত্ন আদি কেবাখনো জ্ঞান পুথিত মাধৱদেৱৰ নাম পোৱা যায়। তেওঁৰ ভটিমা অতি সুন্দৰ। মাধৱদেৱৰ বৰ-গীত লেখত সৰহ আৰু গুৰুজনাৰ ৰচিত বৰগীত ঘৰ পোৰাত নষ্ট হোৱাত গুৰুৰ আদেশ অনুযায়ী মাধৱদেৱে নকুৰি এঘাৰটা বৰগীত ৰচনা কৰিলে। 'মাধৱদেৱৰ সুগায়কত্ব' বৰগীত লোকপ্ৰিয়তাৰ এটি কাৰণ। মাধৱদেৱৰ ৰচিত বেছিভাগ গীতত 'শিশুকৃষ্ণৰ বাল্য-জীৱনৰ' চিত্ৰ ফুটি উঠিছে। ড: বাণীকান্ত কাকতিয়ে কৈছে, "বাৎসল্য-প্ৰেম মাধৱদেৱৰ ভক্ত জীৱনৰ সৰ্ব্বস্ব। গীত, পদ, নাট সকলোবোৰতেই তেওঁ শ্ৰীকৃষ্ণৰ শিশুচৰিত্ৰ সজীৱ কৰি তুলিছে।" "ঈশ্বৰভক্তি-অনুভূতিৰ তীক্ষ্ণতা, দাৰ্শনিক গাঢ়তা, একশৰণৰ এক-নিষ্ঠতা, শ্ৰীশঙ্কৰগুৰুত পৰম অনুৰাগ, বালক চৰিত্ৰৰ আহ্লাদদায়ক চিত্ৰণ আৰু প্ৰকাশৰ তীব্ৰতা মাধৱদেৱৰ ৰচনাৱলীৰ কেইটামান বিশেষ লক্ষণ" (ড: মহেশ্বৰ নেওগ)।

নামঘোষা:—'নামঘোষা' পৰমভক্ত মাধৱদেৱৰ আধ্যাত্মিক অভিজ্ঞতাৰ শ্ৰেষ্ঠতম প্ৰকাশ আৰু ইয়াক বিষয়-বাসনাযুক্ত সংসাৰত আসক্ত হৈ থকা আত্মাৰ আধ্যাত্মিক বাসনাৰ অভিব্যক্তি বুলিব পাৰি। শঙ্কৰদেৱ কোচবেহাৰলৈ যোৱাৰ পাচত মাধৱদেৱে নামঘোষা আৰম্ভ কৰে। শ্ৰীশ্ৰীগোপালদেৱৰ চৰিতত আছে, "শ্ৰীশঙ্কৰদেৱে কলে,—বঢাৰ পো এখনি ঘোষাশাস্ত্ৰ কৰা। শ্ৰীমাধৱদেৱ—ঈশ্বৰ পুৰুষ, কোন প্ৰকাৰে। শ্ৰীশঙ্কৰদেৱ—পকা বগৰীৰ দৰে বাহিৰে থাৱলৈ কোমল, ভিতৰে গুটিটি টান। শ্ৰীমাধৱদেৱ—ভাল। এই বুলি 'মৎস্য কূৰ্ম্ম' ঘোষাটি লেখিলে। শ্ৰীশঙ্কৰদেৱে (হাঁহি):—বঢাৰ পো, মোক দিয়াচোন। এই বুলি 'মুক্তিত নিস্পৃহ যিটো' ঘোষাটিৰ প্ৰথম চৰণ লেখোন্তেই শ্ৰীমাধৱদেৱে কলে,—আমাক দিবলৈ হক, এই বুলি দ্বিতীয় চৰণ লেখিলে।" ঘোষা পুথি-খনৰ বেচিভাগ মাধৱদেৱ কোচবেহাৰত থকা কালত (১৫৯৩—১৫৯৬ চনৰ ভিতৰত) ৰচনা কৰা হয়। মাধৱদেৱৰ তিৰোভাৱৰ পাচত অসমৰ বৈষ্ণৱ-ধৰ্ম্মাধিকাৰীৰ পবিত্ৰ আসনত কাক বহুৱাবলৈ ইচ্ছা কৰে বুলি সোধাত তেওঁ ঘোষাশাস্ত্ৰখনলৈহে আঙুলিয়াইছিল। ঘোষাত তিনিটা বিভাগ আছে। প্ৰথমটো হৈছে নামধৰ্ম্মবিষয়ক, দ্বিতীয়টো হৈছে শৰণ ছন্দ আৰু তৃতীয়টো প্ৰসঙ্গৰ কাৰণে বিষ্ণুৰ নাম আৰু গুণৰ মহিমা। ডঃ বাণীকান্ত কাকতিয়ে

নামঘোষাৰ **তিনিটা বৈশিষ্ট্য** উল্লেখ কৰিছে—(১) গুৰুগৰিমা বা পুণ্যশ্লোক শঙ্কৰ-স্মৃতি, (২) মাধৱদেৱৰ আত্মলঘিমা বা দাস্য ভাব আৰু (৩) কৃষ্ণ-ভক্তি মাহাত্ম্য। নামঘোষাত যদিও সংস্কৃত গ্ৰন্থৰ শ্লোক অনুবাদ কৰি মাজে মাজে সুমুৱাই দিছে তথাপি মাধৱদেৱৰ ৰচনাই সৰহ। ভাগৱত পুৰাণৰ উদ্ধৃতি বেচি।

নামঘোষাখন বিষ্ণুপুৰীৰ ভক্তি-ৰত্নাৱলীৰ কান্তিমালা টীকাৰ শ্লোকৰ ভাঙনিৰে আৰম্ভ হৈছে। শঙ্কৰদেৱৰ ভক্তি-ৰত্নাকৰ আৰু শঙ্কৰাচাৰ্য্যৰ মোহমুদগৰৰ শ্লোকৰ প্ৰভাৱো পৰিলক্ষিত হয়। ইয়াৰ উপৰি গীতা, বৃহৎ-নাৰদীয় পুৰাণ, ব্ৰহ্মপুৰাণ, স্কন্দপুৰাণ, পদ্মপুৰাণৰ স্বৰ্গ আৰু উত্তৰখণ্ড, বিষ্ণুপুৰাণ, বামনপুৰাণ, মৎস্যপুৰাণ আদিৰ কিছুমান শ্লোক নামঘোষাৰ মূলস্বৰূপে পোৱা যায়। নামঘোষাৰ বিশেষত্ব হৈছে ইয়াৰ গভীৰ দাৰ্শনিক তত্ত্ব আলোচনাত। ইয়াৰ ভেটি হৈছে বেদান্ত, আৰু ভাগৱত পুৰাণ হ'ল 'সমস্ত বেদান্ত সাৰ'। জ্ঞান, কৰ্ম্ম আৰু ভক্তিৰ ভিতৰত ঈশ্বৰলাভৰ প্ৰশস্ত উপায় কি, ঈশ্বৰ সগুণ নে নিৰ্গুণ, সাকাৰ নে নিৰাকাৰ, ব্ৰহ্মাৰ লগত জীৱ আৰু জগতৰ সম্বন্ধ কেনে ইত্যাদি প্ৰশ্নৰ সমাধান নামঘোষাত পোৱা যায়। ঈশ্বৰক মানৱী মনে যিমান উপায়েৰে স্তুতি কৰিব পাৰে সকলো ইয়াত পোৱা যায়। সেইকাৰণে নামঘোষাক ভক্তিতত্ত্ব নিৰূপক গ্ৰন্থ বুলিব পাৰি। ডাঃ মহেশ্বৰ নেওগে কৈছে, 'অৱতাৰবাদ, প্ৰসাদ (পুষ্টি বা পোষণ) বা অনুগ্ৰহবাদ ; মায়া-তৰণৰ উপায়স্বৰূপ সকলো ধৰ্ম্মৰ ভিতৰত, জ্ঞান কৰ্ম্মৰ ওপৰতো, ভক্তিৰ শ্ৰেষ্ঠতা ; ভক্তিৰ পুৰুষোত্তম-প্ৰেম-স্বৰূপতা ; ভক্তিৰ অহৈতুকিতা বা অনিমিত্ততা ; ভক্তিৰ শ্ৰৱণকীৰ্ত্তন-প্ৰধানতা ; সৎসঙ্গ মাহাত্ম্য ; দাস্য ; জড়-ৰূপী অন্য-দেৱ-সেৱা-নিবাৰণপূৰ্ব্বক চৈতন্য-স্বৰূপ এক দেৱ আৰু এক নামৰ বিশ্বাসেৰে একশৰণবাদ মহাপুৰুষীয়া ধৰ্ম্মৰ (অসমৰ ভক্তি সম্প্ৰদায়) এই মূল সূত্ৰবোৰ "নামঘোষাৰ" নানা ঠাইত নানাভাৱে ব্যাখ্যা কৰা হৈছে।"

এই পুথি অসমীয়া জাতীয় সুৰৰ ভঁৰাল বুলিব পাৰি। সাহিত্য স্বৰূপে ইয়াৰ মূল্য হৈছে গভীৰ ভক্তিৰসত। ভাৱৰ প্ৰগাঢ়তা, ভাষাৰ ছন্দোময় প্ৰাঞ্জলতা আৰু শব্দৰ ঝঙ্কাৰৰ কাৰণে ঘোষাখিনি ভক্ত কবিৰ ভক্তি-কাতৰ অন্তৰৰপৰা ওলাই অহা যেন লাগে। নামঘোষা মাধৱদেৱৰ হিয়া বুলিব পাৰি।

ভক্তিৰত্নাৱলী :—বৈষ্ণৱসকলৰ ই **চতুৰ্থ** ধৰ্ম্মগ্ৰন্থ। মূল পুথি **বিষ্ণুপুৰী সন্ন্যাসীয়ে** ৰচনা কৰা। এই পুথি পোৱাৰ বিষয়ে চৰিতকাৰসকল একমত নহয়। **ৰামচৰণ ঠাকুৰৰ** চৰিতত আছে যে বিষ্ণুপুৰীৰ শিষ্য ব্ৰহ্মানন্দই

গুৰুৰ লিখিত ,ভবিষ্যৎবাণী অনুসৰি শঙ্কৰদেৱলৈ ভক্তি-ৰত্নাৱলীখন কণ্ঠভূষণই হাতত দি পঠায়। **ভূষণ দ্বিজৰ** মতে ব্ৰহ্মানন্দই ভক্তিৰ চিন স্বৰূপে এই পুথি শঙ্কৰদেৱলৈ পঠিয়ায়। **দৈত্যাৰি ঠাকুৰৰ** মতে কণ্ঠভূষণে পুথিখন কাশীৰপৰা কিনি আনিছিল। **দ্বিজ ৰামানন্দৰ** মতে বিষ্ণুপুৰীৰ শিষ্য ৰামভট্টই কামৰূপত ভাগৱত ধৰ্ম্ম প্ৰচাৰৰ কাৰণে ৰত্নাৱলীখন শঙ্কৰদেৱলৈ পঠিয়াই দিয়ে। শঙ্কৰদেৱে পুথিৰ শেষত শৰণ অধ্যায় দেখি বৰ আনন্দ পালে আৰু প্ৰিয় শিষ্য মাধৱদেৱক সংস্কৃত গ্ৰন্থৰ পদ কৰিবলৈ দিয়ে। মাধৱদেৱে ভাঙনি কৰোঁতে বিষ্ণুপুৰীৰ কান্তিমালা টীকাৰ সহায় লৈছিল। মৈথিলী সাহিত্যৰ বুৰঞ্জী লিখক ডঃ জয়কান্ত মিশ্ৰৰ মতে বিষ্ণুপুৰী পঞ্চদশ শতিকাৰ মাজভাগৰ লোক আৰু তেওঁ কৰ্ম্মহা তৰৌণীৰ বংশত উপজিছিল। তেওঁৰ ককাক শ্ৰীধৰ আৰু বাপেক ৰতিধৰ। সন্ন্যাসী হোৱাৰ আগতে বিষ্ণুপুৰীৰ নাম আছিল ৰমাপতি বা ৰামপতি।

ভক্তি-ৰত্নাৱলী পুথিখন তেৰটা বিৰোচনত বিভক্ত। এই পুথিৰ প্ৰথম বিৰোচনত ভক্তিধৰ্ম্ম আৰু বিষ্ণুৰ শ্ৰেষ্ঠত্বৰ কথা কোৱা হৈছে। দ্বিতীয় বিৰোচনত গীতা, ভাগৱত আৰু পুৰাণৰ মত সংগ্ৰহ কৰি সৎসঙ্গৰ কথা কোৱা হৈছে; তৃতীয় বিৰোচনত ভক্তিমাৰ্গ আৰু নৱবিধ ভক্তিৰ কথা বিবৃত কৰিছে। চতুৰ্থৰ পৰা দ্বাদশ বিৰোচনলৈকে প্ৰতিবিধ ভক্তিকে ব্যাখ্যা কৰা হৈছে আৰু মত সমৰ্থনৰ কাৰণে গীতা, পুৰাণ আৰু ভাগৱতৰ মত উল্লেখ কৰা হৈছে। ত্ৰয়োদশ বিৰোচনত শৰণ সম্পৰ্কে আলোচনা কৰিছে। এই পুথি সুন্দৰীদিয়াত থকা কালত ভাঙনি কৰা হৈছিল।

ৰাজসূয় কাব্য :—এই পুথি ১৫৬৫—১৫৬৮ খ্ৰীষ্টাব্দৰ ভিতৰত ৰচনা কৰা হয়। শঙ্কৰদেৱ কোচবেহাৰলৈ যোৱাৰ আগতে মাধৱদেৱে ৰাজসূয় কাব্যখনি আৰম্ভ কৰে। কিন্তু পাচতহে শেষ হয়। কৃষ্ণৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিবৰ কাৰণে মাধৱদেৱে ৰাজসূয় যজ্ঞৰ কাহিনী লৈছে। পুথিখন কাব্যৰ আকাৰত লিখা হৈছে। কাব্যৰ স্বভাবোক্তিয়ে পুথিখন মনোৰম কৰিছে। দ্বাৰকা আৰু ইন্দ্ৰপ্ৰস্থ, কৃষ্ণৰ ইন্দ্ৰপ্ৰস্থ যাত্ৰা, জৰাসন্ধ আৰু ভীমৰ যুদ্ধ আদিৰ বৰ্ণনাই এটি অপূৰ্ব্ব কাব্যক সৌন্দৰ্য্য দান কৰিছে। এই কাব্যতে মাধৱদেৱৰ সাহিত্যিক জীৱনৰ প্ৰথম ছোৱা অন্ত পৰে। এই কাব্য শঙ্কৰদেৱৰ আদেশক্ৰমে শুক্লধ্বজৰ উৎসাহ পাই ৰচনা কৰা।

নাম-মালিকা :—সংস্কৃত সংগ্ৰহৰ পদ-ভাঙনি নাম-মালিকা পুথিখন

মাধৱদেৱে **কোচবেহাৰত** থকা কালত (১৫৯৩-১৫৯৬ খ্ৰীঃ) ৰচনা কৰে। কোচবেহাৰৰ ৰজাৰ বৃদ্ধ মন্ত্ৰী বিৰূপাক্ষ কাৰ্যীয়ে উৰিষ্যাৰপৰা পোৱা পুৰুষোত্তমৰ নাম-মালিকা পুথিখন পদ কৰিবলৈ অনুৰোধ কৰাত মাধৱদেৱে পদ ভাঙনি কৰে। মাধৱদেৱৰ পুথিখনৰ প্ৰতি অনুৰাগ নাছিল ; কিন্তু মন্ত্ৰীৰ অনুৰোধতহে ভাঙনি কৰে।

মাধৱদেৱৰ নাট :—মাধৱদেৱে কেইবাখনো সৰু সৰু নাটক ৰচনা কৰিছিল। অন্তৰঙ্গ প্ৰমাণৰপৰা ৰাস-ঝুমুৰা, ভূষণ-হেৰোৱা, ব্ৰহ্ম-মোহন আৰু কোটোৱা-খেলোৱা মাধৱদেৱৰ ৰচনা নহয় বুলিব পাৰি। তেওঁৰ নাটত শিশু-কৃষ্ণৰ লীলা প্ৰকাশ পাইছে। তেওঁ কৃষ্ণৰ বাল্যলীলা কীৰ্ত্তন কৰিছে। বাৎসল্য প্ৰেমৰ ভিতৰেদি কৃষ্ণৰ শিশুলীলা কীৰ্ত্তন কৰিছে। ডেকা কৃষ্ণ আৰু গাভৰু ৰাধাৰ চৰিত্ৰ তেওঁৰ ৰচনাত পোৱা নাযায়। ৰাস-ঝুমুৰা, ভূষণ-হেৰোৱা আৰু কোটোৱা-খেলোৱাতহে তেনে চিত্ৰ পোৱা যায়। মাধৱদেৱৈ ৰচনা কৰা পাঁচখন নাট—**চোৰ ধৰা, পিম্পৰা গুচুৱা, ভূমি-লোটোৱা, ভোজন-ব্যৱহাৰ** আৰু **অৰ্জ্জুন-ভঞ্জন** পোৱা গৈছে। ইয়াৰ ভিতৰত প্ৰথম চাৰিখন আৰু শেহৰখনক যাত্ৰা বোলা হয়। চৰিত পুথিত তেওঁৰ আৰু দুখন নাট **গোবৰ্দ্ধনযাত্ৰা** আৰু **ৰামযাত্ৰা** পোৱা যায়। চৰিতৰ মতে দুয়োখন নাট অভিনীত হৈছিল কিন্তু বৰ দীঘলীয়া বুলি ৰামযাত্ৰা নাট নষ্ট কৰা হৈছিল।

মাধৱদেৱে শঙ্কৰদেৱৰ দৰে ব্ৰজাৱলী ব্যৱহাৰ কৰিছিল আৰু তেওঁৰ নাটত সূত্ৰধাৰ মঞ্চত উপস্থিত থাকিও ঘাই অংশ গ্ৰহণ নকৰিছিল। নাটকীয় কথা-কৌশলৰ ফালৰপৰা মাধৱদেৱৰ নাটকেইখন শঙ্কৰদেৱৰ লগত নিমিলে। মাধৱদেৱৰ নাটত প্ৰস্তাৱনা, প্ৰৱেশ শ্লোক, পয়াৰ আৰু মুক্তিমঙ্গল ভটিমা নাই। শঙ্কৰদেৱৰ নাটৰ আৰ্হিত মাধৱদেৱৰ 'অৰ্জ্জুন ভঞ্জন'খনিকহে পূৰ্ণাঙ্গ নাট বুলিব পাৰি। ইয়াত এটি পূৰ্ণ ঘটনা বা উপাখ্যানক ৰূপ দিয়া হৈছে। মাধৱদেৱে **সাহিত্যিক জীৱনৰ দ্বিতীয় ভাগতে**—মহাপুৰুষ শঙ্কৰদেৱৰ বিয়োগ আৰু ১৬৯৩ চনত কোচবেহাৰলৈ যোৱাৰ আগতে **নাট** আৰু **বৰগীত** ৰচনা কৰে।

চোৰধৰা :—চোৰধৰা নাটত দুটা বিৰুদ্ধভাৱে কাম কৰিছে। এফালে গোৱালিনীসকলে লৰনু চোৰ বুলি কৃষ্ণক ধৰিছে আৰু আনফালে যশোদাই কৃষ্ণ হেৰাল বুলি আকুল হৈ বিচাৰি ফুৰিছে। বহুত বিচাৰি বিচাৰি যশোদাই কৃষ্ণক গোৱালিনীসকলৰ হাতৰপৰা এৰুৱাই লৈ যায়। মাতৃস্নেহৰ প্ৰৱল সোঁতত পুত্ৰৰ ওপৰত লোকনিন্দা কৰবালৈ উটি ভাহি গল। তেওঁ গোপী-

সকলক 'ঠেঙনা' দি খেদালে আৰু পুত্ৰক কোলাত লৈ চুমা খালে। চৰিত পুথিমতে এই নাটখন **সুন্দৰীদিয়াত** অৰ্থাৎ ১৫৬৮-৮০ খ্ৰীষ্টাব্দৰ ভিতৰত ৰচনা কৰা হয়। কালিৰাম মেধিৰ মতে এই নাট মাধৱদেৱে সণ্ডোৱাত থকা কালত প্ৰায় ১৫৫৭ খ্ৰীষ্টাব্দত ৰচনা কৰা। এই নাটখন বিল্বমঙ্গল স্তোত্ৰৰ এটা শ্লোক অৱলম্বন কৰি ৰচনা কৰা হৈছে।

পিম্পৰা গুচুৱা ঃ—ধেমেলীয়া বাৎসল্য-ৰস-প্ৰধান এই নাটত টেঙৰ কানাইৰ চিত্ৰ ফুটি উঠিছে। বিষয়বস্তু হৈছে কৃষ্ণই লৱনু চুৰ কৰি খোৱা আৰু গোৱালিনীক অপযশ দিয়া। গোপীসকলে কৃষ্ণক দোষাৰোপ কৰা, যশোদাৰ তিৰস্কাৰ আৰু মাকৰ ওপৰত কানাইৰ ভেম—এই তিনিটা কথা ইয়াত ফুটি উলাইছে। গোৱালিনীয়ে কৃষ্ণক চোৰ বুলিলত তেওঁ সিইঁতকহে ভেকাহি মাৰিছে—'ভতাৰক ভয়ে হামাক অপযশ দেৱস। হামাৰ গৃহে লৱনু কে পুচত। খাইবাক নপাই ইহাৰি গৃহে চোৰি কৰি লৱনু খাৱল॥" চৰিত পুথিমতে মাধৱদেৱে **সুন্দৰীদিয়াত** থাকোঁতে এই নাট ৰচে। বিল্বমঙ্গল স্তোত্ৰৰ দুটা শ্লোকৰ আধাৰত নাটখনি ৰচনা কৰা হৈছে। এই দুটাৰ এটা শ্লোক (কস্বং বাল........পাতু বঃ) শ্ৰীধৰস্বামীৰ ব্ৰজ-বিহাৰ কাব্যতো আছে।

অৰ্জ্জুন-ভঞ্জন ঃ—নাটৰ কাহিনী **ভাগৱত-পুৰাণৰ** দশম স্কন্ধৰপৰা লোৱা হৈছে। যশোদাই কৃষ্ণক কোলাত লৈ স্তনপান কৰাইছিল। এনেতে গোপী-সকলে যশোদাক জনালে যে খীৰ উতলি পৰোঁ পৰোঁ হৈছে। যশোদাই পুত্ৰক নমাই থৈ খীৰ চাবলৈ গল। কৃষ্ণই খণ্ডতে 'মথন-মাঠি' ভাঙিলে আৰু বান্দৰক মাখন খাবলৈ দিলে। মাকৰ এই কথাত খং উঠিল। তেওঁ কৃষ্ণক ধৰি পঘাৰে মেৰাই উৰালত বান্ধি থলে। বন্ধনমুক্ত হবলৈ চেষ্টা কৰোঁতে অৰ্জ্জুন গছ দুজোপাৰ মাজত পৰি কৃষ্ণই গছ উঘালি পেলালে। উদ্ভিদ জীৱন যাপন কৰা কুবেৰৰ দুজন পুত্ৰ শাপমুক্ত হল। নন্দই ঘৰলৈ উলটি আহি পুত্ৰক তেনে অৱস্থাত দেখি বন্ধনমুক্ত কৰিলে।

অৰ্জ্জুন-ভঞ্জন নাটক যাত্ৰা বোলা হয়। ইয়াত বিল্বমঙ্গল স্তোত্ৰৰ তিনিটা শ্লোকৰ কথা সুমুৱাই নাটৰ সৌন্দৰ্য্য বৰ্দ্ধন কৰা হৈছে। ইয়াৰ চাৰিটা শ্লোক (নান্দীসহ) বিল্বমঙ্গল স্তোত্ৰ বা লীলাশুকৰ কৃষ্ণ-কৰ্ণামৃত পুথিৰপৰা লোৱা হৈছে। এই নাটত এটি পূৰ্ণ ঘটনা বা উপাখ্যানক ৰূপ দিয়া হৈছে। শঙ্কৰদেৱে এই নাটৰ অভিনয়ত ভাগ লৈছিল। কালিৰাম মেধিৰ মতে অৰ্জ্জুন-ভঞ্জনৰ সময় ১৫৩৮ খ্ৰীষ্টাব্দ। ডঃ সত্যেন্দ্ৰনাথ শৰ্মাৰ মতে এই নাট ১৫৫০ খ্ৰীষ্টাব্দৰ আগৰ হ'ব নোৱাৰে।

ভোজন-ব্যৱহাৰ—এই নাটত ভাগৱত-পুৰাণৰ দশম স্কন্ধ কাহিনীটো সামান্য সলনি কৰি লোৱা হৈছে। নাটখনিও শেষৰফালে হঠাতে সমাপ্ত হোৱা যেন লাগে। কালিৰাম মেধিৰ মতে এই নাট ১৫৭২ খ্ৰীষ্টাব্দত বৰপেটাত ৰচনা কৰা; কিন্তু চৰিত পুথিমতে এই নাট ১৫৮০-৯০ খ্ৰীষ্টাব্দৰ ভিতৰত বৰপেটাত ৰচনা কৰা।

ভুমি-লোটোৱা—নাটখনি লীলাশুকৰ কৃষ্ণ-কৰ্ণামৃত পুথিৰ বা বিল্বমঙ্গল স্তোত্ৰৰ শ্লোকত উল্লেখ থকা ঘটনাৰ ওপৰত ভেটি কৰি ৰচা হৈছে। নাটৰ নান্দী শ্লোক আৰু ভিতৰৰ শ্লোক কেইটা লীলাশুকৰপৰা লোৱা হৈছে।

মাধৱদেৱৰ নাটসমূহত বালক কৃষ্ণৰ চৌৰ্য্য, চাতুৰী, ভেম, অভিমান আদি কাৰ্য্যাৱলীৰ যোগেদি বিস্ময়ভাৱ জাগ্ৰত কৰি মোক্ষৰ পথ নিৰ্দ্দেশ কৰে। লঘু বিষয়বস্তু, সৰল হাস্যৰস আৰু বাৎসল্য ভাবৰ প্ৰাধান্য—এই কেইটাই হৈছে মাধৱদেৱৰ নাটৰ বিশেষত্ব।

বৰগীতঃ—বৰগীতবোৰ পুৰি নষ্ট হোৱাত শঙ্কৰদেৱৰ আজ্ঞা অনুসৰি মাধৱদেৱে ন-পুৰণি গীতৰ মুঠ নকৈ এঘাৰটা বৰগীত ৰচনা কৰিলে। বৰগীতক বিষয়বস্তু অনুসৰি 'জাগৰণৰ গীত, চলনৰ গীত আৰু দোলৰ গীত' বুলি ভাগ কৰিব পাৰি। এই গীতসমূহ গোৱাৰ নিৰ্দ্দিষ্ট সময় আছে। আন কিছুমান বৰগীতত শান্ত আত্মাৰ ঔৎসুক্য প্ৰকাশ পায়—যেন সুদীৰ্ঘ প্ৰচণ্ড যামিনীৰ পাচত পুৱাৰ সাগৰৰ অৱস্থা। এই সময়ত খৰতৰ আৰু প্ৰবল বেগেৰে বৈ অহা নৈখনিৰ সাগৰ সঙ্গমত নিজৰ সত্তা হেৰুৱাৰ নিচিনা অৱস্থা হয়। দয়াৰ ঠাকুৰ যদুমণিৰ চৰণত দীন মুৰুখ মাধৱে আত্মসমৰ্পণ কৰে। এনে বিধৰ প্ৰায় আঠৈ কুৰি বৰগীত আছে। মাধৱদেৱৰ বৰগীতবোৰৰ ভাবৰ গাম্ভীৰ্য্য আৰু ৰচনাৰ মাধুৰ্য্য মন কৰিবলগীয়া। তেওঁ নিজে মৰ্ম্মস্পৰ্শী কবি আৰু মনোমুগ্ধকাৰী সুগায়ক। মাধৱদেৱৰ বৰগীতবোৰ ইমান সৰবৰহী আছিল যে দেহবিচাৰৰ গীতৰ ভণিতাতো তেওঁৰ নাম পোৱা যায়। তেওঁৰ কিছুমান বৰগীত ৰচনাৰো উপলক্ষ্য আছে। তেওঁৰ প্ৰধান শিষ্য হৰিহৰ আতাই মধুপুৰ থান এৰি যোৱাৰ সময়ত "হৰি হেৰবে বাপ, পশিলো শৰণে", আৰু "মোৰ পতিত পাৱন প্ৰভু, হৰি হেৰবে", এই দুটি বৰগীত ৰচনা কৰে। হৰি জোঁৱাইৰ মৃত্যু দণ্ড হোৱাত মাধৱদেৱেও তেওঁৰ লগে লগে গল আৰু 'ভয়ো ভাই সাৱধান'গীতটি ৰচনা কৰি গাই শুনাই হৰিৰ মন স্থিৰ কৰিলে।

জন্ম-ৰহস্যঃ—শঙ্কৰদেৱ কোচবেহাৰত থাকোঁতে চিলাৰায় দেৱানৰ

পত্নী ভুবনেশ্বৰীয়ে ঈশ্বৰৰ উৎপত্তি, লীলা আৰু প্ৰলয়ৰ কথা থকা এখন শাস্ত্ৰ তেওঁক ৰচনা কৰিবলৈ অনুৰোধ কৰে। পাচত শঙ্কৰদেৱ পাটবাউসীলৈ আহি মাধৱদেৱৰ হতুৱাই সেই পুথি ৰচনা কৰাই ৰামৰায়ৰ যোগে ভুবনেশ্বৰী লৈ পঠিয়াই দিয়ে। জন্ম-ৰহস্য পুথিৰ মূল জন্ম পুৰাণ বোলা হৈছে, কিন্তু এই পুৰাণ পাবলৈ নাই। এই পুৰাণৰ লগত ভাগৱতৰ কথাও মিহলোৱা হৈছে।

ৰাম সৰস্বতী :—ৰাম সৰস্বতী ষোড়শ শতিকাৰ কোচৰজা **নৰনাৰায়ণ** (১৫৪০—১৫৮৪) **ৰাজকবি** আছিল। তেওঁ নৰনাৰায়ণ ৰজাৰ দিনৰ পৰা আৰম্ভ কৰি ৰঘুদেৱ (১৫৮১—১৬০৩ খ্ৰীঃ), পৰীক্ষিত নাৰায়ণ (১৬০৩—১৬১৭ খ্ৰীঃ), বলি বা ধৰ্ম্মনাৰায়ণ (১৬১৫—১৬৩৭ খ্ৰীঃ) আৰু সুন্দৰনাৰায়ণলৈকে কেইবা-জনো ৰজাৰ পৃষ্ঠপোষকতাত নানা পুথি ৰচনা কৰে। তেওঁ সপ্তদশ শতিকাৰ প্ৰথমাৰ্দ্ধলৈকে জীৱিত আছিল যেন লাগে। তেওঁৰ বাপেকৰ নাম কবি চূড়ামণি। কবিৰ আচল নাম **অনিৰুদ্ধ**। কবিচন্দ্ৰ, ভাৰতচন্দ্ৰ, ভাৰতভূষণ আৰু সৰস্বতী এওঁৰ উপাধি মাত্ৰ। প্ৰথম দুটা নাম তেওঁক গুৰুৱে দিয়া। তেওঁ বন-পৰ্ব্বত আত্মপৰিচয় প্ৰসঙ্গত লেখিছে—

"হেন নাৰায়ণ নৃপতি প্ৰধান।
তাহান আজ্ঞাত ভাৰতৰ উপাখ্যান॥
বিপ্ৰ কুলে জাত হুয়া পঢ়িলো শাস্ত্ৰক।
গুৰুবাক্যে চিনিলোহো ঈশ্বৰ কৃষ্ণক॥
পিতৃয়ে মাতৃয়ে অনিৰুদ্ধ নাম দিলা।
কবিচন্দ্ৰ নাম গোট দেৱানে বুলিলা॥
ৰাম সৰস্বতী নাম নৃপতি দিলন্ত।
ভাৰতৰ পদ মোক কৰা বুলিলন্ত॥"

আকৌ মণিচন্দ্ৰ ঘোষ পৰ্ব্বত আছে—"শূদ্ৰকুলে জাত হয়া পঢ়িলো শাস্ত্ৰক।" 'শূদ্ৰ' শব্দটো ব্যৱহাৰ কৰিলেও দুজন ৰাম সৰস্বতী বিশ্বাসযোগ্য নহয়। কবিয়ে বিনয় ভাৱত এই শব্দটো ব্যৱহাৰ কৰিব পাৰে।

ৰাম সৰস্বতী বিৰচিত পুথিসমূহত তলত দিয়া দৰে কবিৰ বিভিন্ন নাম পোৱা যায় :—

কবিচন্দ্ৰ—মণিচন্দ্ৰ ঘোষ, বিজয়পৰ্ব্ব আৰু কুলাচল বধ।

ভাৰতচন্দ্ৰ—বিজয়পৰ্ব্ব, যজ্ঞপৰ্ব্ব, অশ্বকৰ্ণবধ, বঘাসুৰ বধ, কুলাচল বধ আৰু কালকুঞ্জ বধ।

ভাৰতভূষণ—আদিপৰ্ব্ব, বনপৰ্ব্ব, যজ্ঞপৰ্ব্ব, অশ্বকৰ্ণ বধ, কুলাচল বধ আৰু বঘাসুৰ বধ।

অনিৰুদ্ধ—আদিপৰ্ব্ব, সভাপৰ্ব্ব, ভীষ্মপৰ্ব্ব আৰু মণিচন্দ্ৰ ঘোষ পৰ্ব্ব।

জন্মস্থান সম্বন্ধে কবিয়ে ভীষ্মপৰ্ব্বত 'চমৰিয়া' গ্ৰাম আৰু বিৰাট পৰ্ব্বত 'পচৰিয়া' গ্ৰাম বুলিছে। দ্ৰোণ পৰ্ব্বৰ পদ ভাঙনিত গোপীনাথ পাঠকে নিজকে পাটচৌৰাৰ চিনাকোন গাৱঁৰ জ্ঞানী আৰু ধাৰ্ম্মিক ব্ৰাহ্মণ ভীমসেন দ্বিজৰ নাতি আৰু যুৱৰাজ শুক্লধ্বজৰ পাঠক ৰাম সৰস্বতীৰ পুত্ৰ বুলিছে। ৰাম সৰস্বতীৰ পিতৃয়েও কবি চূড়ামণি উপাধি পাইছিল। ৰাম সৰস্বতীৰ গুৰু মুকুন্দদেৱ—'প্ৰণামো মুকুন্দদেৱ মোৰ নিজ গুৰু' (ব্যঞ্জন পৰ্ব্ব, ৮৮); বিজয়পৰ্ব্বতো কৈছে, "প্ৰণামো মুকন্দদেৱৰ চৰণে গুণে নাহি সমসৰ।"

অসমৰ বিক্ৰমাদিত্য মহাৰাজ নৰনাৰায়ণ বিদ্যোৎসাহী আৰু সংস্কৃতিৰ পৃষ্ঠপোষক আছিল। তেওঁ পণ্ডিতসকলৰ হতুৱাই বিভিন্ন গ্ৰন্থ অসমীয়ালৈ অনুবাদ কৰাৰ ব্যৱস্থা কৰে। পণ্ডিতসকলৰ অভাৱ দূৰ কৰিবৰ কাৰণে তেওঁ দাস-দাসী, মাটি-বৃত্তি, পুথি-পাঁজি আদি উপহাৰ দিছিল। শঙ্কৰদেৱে দ্বাত্ৰিংশক ভটিমাত তেওঁৰ পাণ্ডিত্যানুৰাগৰ কথা কৈছে :—

'জয় জয় মল্ল নৃপতি ৰসজান।
যাকেৰি গুণগণ সম নহে আন॥
নাটক ভাটক পশ্চিম দেশক।
যত যত পণ্ডিত আৱে।
ঘোটক কম্বল বহুত ৰজত
আপনহি মন পূৰি পাৱে॥'

এইদৰে মহাৰাজ নৰনাৰায়ণৰ উৎসাহত অসমীয়া সাহিত্যৰ এটি নতুন যুগৰ সৃষ্টি হ'ল। শ্ৰীমন্তশঙ্কৰ, শ্ৰীধৰ, পুৰুষোত্তম ঠাকুৰ বিদ্যাবাগীশ, বকুল কায়স্থ আদিয়ে মূল্যৱান গ্ৰন্থ প্ৰণয়ন কৰে। নৰনাৰায়ণ ৰজাই মহাভাৰত প্ৰচাৰ আৰু সৰবৰহী কৰিবৰ উদ্দেশ্যে ৰাম সৰস্বতীক সংস্কৃত মহাভাৰতৰ ভাঙনি কৰিবলৈ আদেশ দিয়ে—"শুনিয়োক আজ্ঞা মোৰ ৰাম সৰস্বতী। ভাৰতৰ পদ তুমি কৰিয়ো সম্প্ৰতি॥" (দৰং ৰাজবংশাৱলী)। ৰাজকীয় পুথি-ভঁৰালৰ সংস্কৃত মহাভাৰতৰ টীকা, ভাষ্য আদি পুথি গৰুগাড়ীত কবিৰ ঘৰলৈ পঠিয়ায়। ইয়াৰ উপৰি তেওঁ কবিক ধন, বস্ত্ৰ, অলঙ্কাৰ আদিও দিছিল। এই বিষয়ে কবিয়ে পুষ্পহৰণ বনপৰ্ব্বৰ এঠাইত কৈছে—

জয় নৰনাৰায়ণ ৰাজ শিৰোমণি।
সন্তৰ পৰম মিত্র দুষ্টৰ অগনি॥
আমাক কৰিলা আজ্ঞা সাদৰ বচনে।
ভাৰত পয়াৰ তুমি কৰিয়ো যতনে॥
আমাৰ ঘৰত আছে ভাষ্য টীকা যত।
নিয়োক আপোন গৃহে দিলোহো সমস্ত॥
এহি বুলি ৰাজা পাছে বলধি যোৰাই।
পঠাইলা পুস্তকসৱ আমাসাৰ ঠাই॥
ধন বস্ত্র অলঙ্কাৰ দিলা বহুতৰ।
দাস-দাসী দিয়া মান কৰিলা বিস্তৰ॥'

ৰাম সৰস্বতীয়ে বনপৰ্ব্বত নিজে ত্রিশ হাজাৰ পদ ৰচনা কৰা বুলিছে, কিন্তু কুলাচল বধত ২৪ হেজাৰ পদ ৰচনা কৰা বুলিছে। মহাভাৰতৰ পদ ভাঙনি প্রায় মূলৰ সাদৃশ্যক্রমে কৰা হৈছে; কিন্তু **বনপৰ্ব্বত** কবিয়ে মৌলিক প্রতিভা, ৰচনাকৌশল আৰু ভক্তিৰ মাহাত্ম্য দেখুৱাইছে। এই খিনিতে সংস্কৃত মহাভাৰতৰ বনপৰ্ব্ব আৰু ৰাম সৰস্বতীৰ বনপৰ্ব্বৰ পাৰ্থক্য ওলাই পৰে।

ৰচনা :—তেওঁ মহাভাৰতৰ **আদিপৰ্ব্ব, বনপৰ্ব্ব, বিৰাটপৰ্ব্ব, উদ্যোগ পৰ্ব্ব, ভীষ্মপৰ্ব্ব, শান্তিপৰ্ব্ব, কৰ্ণপৰ্ব্ব, সিন্ধুৰা পৰ্ব্ব, পুষ্পহৰণ পৰ্ব্ব, বিজয় পৰ্ব্ব, মণিচন্দ্রঘোষ পৰ্ব্ব, যজ্ঞপৰ্ব্ব, কালকুঞ্জ বধ, ভোজকুট বধ, জঙ্ঘাসুৰ বধ, কুলাচল বধ, বঘাসুৰ বধ, খটাসুৰ বধ, অশ্বকৰ্ণ বধ, সিন্ধুযাত্রা, ঘোষাযাত্রা, ভীমচৰিত, ব্যাসাশ্রম, ব্যাধচৰিত, পাঞ্চালী বিবাহ,** জয়দেৱৰ **গীতগোবিন্দ** আদিৰ পদ-ভাঙনি কৰে। **শান্তিপৰ্ব্ব** তেওঁৰ কাব্যিক জীৱনৰ শেষ ৰৰঙণি। তেওঁৰ নামত **লক্ষ্মণৰ শক্তিশেল** নামৰ এখন কাব্য প্রচলিত আছে।

ৰাম সৰস্বতীৰ **মহাভাৰত** মূল মহাভাৰতৰ ভাঙনি নহয়। ঠায়ে ঠায়ে কিছুমান কথা চুটি কৰা হৈছে, কিছুমান বাদ দিয়া হৈছে আৰু কিছুমান নকৈ সজোৱা হৈছে। ভাঙনিত বৈষ্ণৱ শাস্ত্রৰ সাঁচ দেখা যায়। ৰাম সৰস্বতীয়ে বনপৰ্ব্বৰ ভাঙনিত বিশেষ কৃতিত্ব দেখুৱাইছে। ৰাম সৰস্বতীৰ ভাষা সৰল আৰু মধুৰ, আৰু ৰচনাও ওখ খাপৰ। তেওঁৰ চৰিত্র নিৰহ-নিপানীকৈ অসমীয়া; বৰ্ণনাও অতি সূক্ষ্ম। তেওঁক মহাভাৰতৰ কবিও বুলিব পাৰি।

বধ-কাব্য :—ৰাম সৰস্বতীৰ কৃতিত্ব ফুটি উঠিছে বধ-কাব্যবোৰত। ইয়াৰ মূল পুৰাণ, যামল সংহিতা, হংসকাকি, শিৱৰহস্য আদি। এই কাব্যৰ মূল

কথা হৈছে অসুৰ বা অনিষ্টৰ প্ৰতিমূৰ্ত্তি অসুৰক বিনাশ কৰা। তাৰ যোগেদি জগতত সাম্যভাৱ প্ৰবৰ্ত্তনৰ প্ৰচেষ্টা আৰু একান্ত ভক্তৰ বিজয় ঘোষণা। পঞ্চ-পাণ্ডৱ আৰু দ্ৰৌপদীয়ে সাময়িকভাৱে পৰাজয় আৰু বিপদৰ সন্মুখীন হ'ব লগা হয়; কিন্তু শ্ৰীকৃষ্ণৰ প্ৰতি অচলা ভক্তি আৰু অনুৰাগ থকাৰ কাৰণে উদ্ধাৰ পায়। বধ-কাব্যবোৰ বৰ সৰবৰহী। ইয়াত জাতীয় বৈশিষ্ট্য ফুটি উঠিছে। ডঃ কাকতিয়ে কৈছে, "খটাসুৰ, বঘাসুৰ, কুলাচল, অশ্বকৰ্ণ, কুম্ভাৱলী, জঙ্ঘাসুৰ বধ আদি আখ্যানবোৰে পুৰণি সাহিত্যত আজিকালিৰ উপন্যাস, গল্প আদিৰ ঠাই অধিকাৰ কৰি আছে"।

খটাসুৰ বধ :—দুৰ্য্যোধনৰ হাত সাৰিবৰ কাৰণে পাণ্ডৱসকলে গন্ধৰ্ব্ববনৰ পৰা নৈমিষাৰণ্যলৈ যায়। পাঁচ ভাই ওলাই যোৱাত দ্ৰৌপদী কুটীৰত অকলে থাকে। আপচু খটাসুৰ তাত উপস্থিত হৈ দ্ৰৌপদীক তেওঁক বিয়া কৰাবলৈ কয়। দ্ৰৌপদীয়ে পাণ্ডৱক স্মৰণ কৰে। তেওঁলোক ইজনৰ পাছত সিজনকৈ সেই ঠাইত উপস্থিত হয়। কিন্তু তেওঁলোক অসুৰৰ হাতত পৰাস্ত হয়। দ্ৰৌপদীয়ে মাধৱক স্মৰণ কৰিলে আৰু তেওঁৰ নিৰ্দ্দেশ অনুযায়ী দ্ৰৌপদীয়ে দক্ষিণ হাতৰ কঙ্কণেৰে অসুৰক আঘাত কৰিলে। তাৰ মূৰ কটা গ'ল। পাণ্ডৱসকলেও নৈমিষাৰণ্য ত্যাগ কৰে। কাব্যত ভক্তি-ধৰ্ম্মৰ মহিমা প্ৰচাৰ কৰা হৈছে।

অশ্বকৰ্ণ বধ :—এদিন ভীম আৰু অৰ্জ্জুনে মৃগয়া কৰিবলৈ গৈ এটা কুঁৱাত পানী চাওঁতে তলীত এজনী ধুনীয়া ছোৱালী দেখা পালে। তাই তেওঁলোকক তুলি আনিবলৈ অনুৰোধ কৰিলে। ভীমে ধনুৰে তুলিবলৈ চেষ্টা কৰোঁতেই তেওঁক তললৈ টানি নিলে। অৰ্জ্জুনে সেই ধনুখনত ধৰিলত ছোৱালীজনীয়ে দুয়োকে পাতাললৈ নিলে। তাই নিজৰ চিনাকি দি কলে যে তাই উশীনৰ ৰজাৰ জীয়েক, নাম হেমা। তাই অপেশ্বৰীৰ গৰ্ভজাত আৰু গৌৰীৰ বৰত অনন্ত যৌৱনা; শিৱৰ বৰ লাভ কৰি পাতালৰ দৈত্যৰ অধিনায়ক অশ্বকৰ্ণই উশীনৰ ৰজাক বধ কৰি ষোলজন পুতেকক দাস কৰি লৈ গৈছে। অশ্বকৰ্ণৰ লগত ভীম-অৰ্জ্জুনৰ যুদ্ধ হল আৰু হেমা সুন্দৰীৰ ইঙ্গিতমতে বৰাহ মূৰ্ত্তি বিষ্ণুৰ পৰা অস্ত্ৰ শস্ত্ৰ লাভ কৰি দুয়ো অসুৰক বধ কৰে। মহাদেৱে হেমাক অৰ্জ্জুনক সঁপি দিলে। অশ্বকৰ্ণ বধ **বীৰৰসমিশ্ৰিত আদি-ৰসাত্মক** কাব্য। কবিয়ে গল্পৰ ছলেৰে ধৰ্ম্ম বা নীতি শিক্ষা দিছে।

কুলাচল বধ :—বনবাসত ঘূৰি ফুৰি পাণ্ডৱসকল ঋষিৰ আশ্ৰম এখনলৈ আহিল। ঋষিয়ে তেওঁলোকক আদৰ আশ্বাস কৰিলে আৰু অসুৰ ৰজা

ধূম্ৰাক্ষ বা কুলাচলৰ ৰাজ্যত সোমাবলৈ নিষেধ কৰিলে, কিয়নো শান্তিকামী ঋষি আৰু সন্তসকলে তাক ভয় কৰিছিল। বৈষ্ণৱ ৰজাৰ পুত্ৰ ধূম্ৰাক্ষই ঘাইকৈ বৈষ্ণৱসকলৰ ওপৰত উৎপীড়ন কৰিবলৈ ধৰিলে। এবাৰ সি যজ্ঞস্থলীত সোমাই ফলমূল খাই ঋষিসকলৰ যজ্ঞ নষ্ট কৰাত ঋষিয়ে তাক শাপ দি ছাগলীৰ মৰেৰে অসুৰ কৰিলে। ঋষিৰ ওপৰত প্ৰতিশোধ লবলৈ অহা ধূম্ৰাক্ষৰ পিতৃ কৰ্ণদত্ত সসৈন্যে শিলা হৈ পৰিল। এটা উপায় ৰ'ল যে বিষ্ণুয়ে কৃষ্ণ-অৱতাৰত শিলৰ ওপৰত ভৰি দিলে সিহঁত শাপমুক্ত হ'ব। ধূম্ৰাক্ষৰ কুখ্যাত পুত্ৰক এখন ৰাজ্য দিলে আৰু সেই সীমাৰ বাহিৰ হলে ধূপৰ বঠাৰে মাথোঁ তাক মাৰিব পাৰিব। এদিন পাণ্ডৱসকলক কুলাচলৰ কদাকাৰ সঙ্গীসকলে আক্ৰমণ কৰিলে। ভীমে সিহঁতক মাৰিলে। কুলাচল সেই ঠাইত উপস্থিত হৈ যুধিষ্ঠিৰৰ বাহিৰে পাণ্ডৱসকলক মাৰিলে। শ্ৰীকৃষ্ণই তেওঁলোকক জীয়ালে। কুলাচলে কৃষ্ণৰ সৈতে যুঁজি উদ্ধাৰ পাবলৈ যত্ন কৰিলে। সি মৰি বৈকুণ্ঠলৈ গ'ল। কৃষ্ণৰ চৰণ স্পৰ্শত কুলাচলৰ বাপেক আৰু সৈন্যবিলাকে আগৰ ৰূপ পালে।

কুলাচল বধ কাব্যত শ্বেত মাধৱৰ উল্লেখ আছে। এই কাব্যত কবিয়ে "শ্ৰীমন্ত শঙ্কৰ, আপুনি ঈশ্বৰ, নৰৰূপে জাত ভৈলা" বুলি শঙ্কৰদেৱৰ গুণ কীৰ্ত্তন কৰিছে। ইয়াত ১৮৪৭টা পদ আছে।

সিন্ধু-যাত্ৰা :—এই কাহিনী বনপৰ্ব্বৰ অন্তৰ্গত। সিন্ধুদেশৰ ৰজা সুৰবিন্দৰ পুত্ৰ সিন্ধুৰা প্ৰকৃততে চন্দ্ৰৰ ঔৰসত কুন্তীৰ গৰ্ভত জন্মে। অকালত লাভ কৰা সন্তানক কুন্তীয়ে গঙ্গাত উটুৱাই দিয়ে আৰু অপুত্ৰক সুৰবিন্দই সেই সন্তানক ডাঙৰ দীঘল কৰে। পঞ্চপাণ্ডৱে ধৰ্ম্মক্ষেত্ৰৰ ওচৰৰ কুটীৰত বাস কৰে আৰু সেই ঠাইত সিন্ধুৰাই এটা যজ্ঞ পাতে। তেওঁৰ হাতীয়ে পাণ্ডৱৰ কুটীৰৰ ওচৰৰ গছ ভাঙে। ইয়াকে লৈ পাণ্ডৱ আৰু সিন্ধুৰাৰ সৈন্যৰ ভিতৰত তয়াময়া ৰণ হয়। অৰ্জ্জুনে সিন্ধুৰাৰ সৈন্যৰ সৈতে যুদ্ধত ব্যস্ত থাকোঁতে সিন্ধুৰাই কালকূট শৰ মাৰি চাৰি ভাইক বধ কৰে। দ্ৰৌপদীয়ে জুইত জাপ দি মৰিবলৈ ওলোৱাত সিদ্ধাঙ্ক মুনিয়ে ক'লে যে চাৰি পাণ্ডৱ মূৰ্চ্ছা গৈছে আৰু অৰ্জ্জুন মৰা নাই। কালকেতু, সুচৰিত আদি বীৰসকলক বধ কৰাৰ পাচত সিন্ধুৰাৰ লগত অৰ্জ্জুনৰ ঘোৰ যুদ্ধ হয়। অস্ত্ৰ শেষ হোৱাত এবাৰ দিন মল্লযুদ্ধ চলিল। দেৱতাসকলৰ ভয় হ'ল। দুয়ো বীৰে নাৰদৰ কথাত যুদ্ধ এৰে। ৰামসৰস্বতীয়ে ৰজা ধৰ্ম্মনাৰায়ণৰ আজ্ঞা অনুসৰি 'ৰচিলো পৰাৰ ইটো' বুলিছে।

ভীম চৰিত :—ৰাম সৰস্বতীৰ অতি সৰৰৰহী ৰচনা হৈছে ভীম চৰিত।

মহাভাৰতৰ **আদিপৰ্ব্বৰ** অন্তৰ্গত কাহিনী অৱলম্বন কৰি লিখা এইখন **হাস্যৰসাত্মক পুথি**। ভীমে ককায়েকৰ অনুমতি লৈ মহাদেৱৰ ঘৰত গৰু চৰাই পেট প্ৰৱৰ্ত্তাবলৈ গ'ল। শিৱ-পাৰ্ব্বতীৰ ঘৰত সদায় অভাৱ, কিন্তু পাৰ্ব্বতীয়ে ভীমক "যত মানে লাগে অন্ন" দিবলৈ মান্তি হ'ল। এদিন ভীমে কাৰ্ত্তিক আৰু গণেশৰ লগত গৰু চৰাবলৈ গৈ গৰু এৰি তিনিও মধুফল খাবলৈ লাগিল। গৰখীয়াই গৰু মোচোৱা দেখি বিশ্বামিত্ৰৰ খং উঠিল। ভীমৰ খং উঠি গৰুৰ নেজত ধৰি পাক দিয়াত গৰু দূৰৈত পৰিল। কাৰ্ত্তিক আৰু গণেশে আপত্তি কৰাত ভীমে ভেকাহিহে মাৰিলে। বিশ্বামিত্ৰই কিবা কোৱাত ভীমে বিশ্বামিত্ৰই গৰু মাৰিলে বুলি ক'লে। অপবাদৰ ভয়ত ঋষি আঁতৰি গ'ল। ভীমৰ পেট নভৰাত এদিন হৰ-পাৰ্ব্বতীক কটূক্তি কৰিলে। শিৱই খণ্ডতে খেতি কৰিলে; কিন্তু ধান পালে তিনি মুঠি। খণ্ডতে জুই লগাই দিলে। এদিন ভীমে খৰি লুৰিবলৈ গৈ কুবেৰৰ সোণৰ কাঠি কামি আজুৰিবলৈ ধৰিলে। কুবেৰৰ মূৰত ধনৰ বোজা দি ভীম হৰ-পাৰ্ব্বতীৰ আগত উপস্থিত হ'ল। ভীমে ছলেৰে শিৱৰ খং মাৰ নিয়ালে। ভীমৰ খাৱন, সাংসাৰিক কাৰ্য্যত শিৱৰ অভিজ্ঞতাৰ অভাৱ, দেৱতা আৰু ঋষিসকলৰ অসহায় অৱস্থা—এই সকলোবোৰে পুথিখনিক দুখীয়া চহা জীৱনৰ চিত্ৰণেৰে অতি মনোগ্ৰাহী কৰি তুলিছে। পুথিৰ বাক্যৰীতি জতুৱা আৰু শব্দৰ বাছনিও ঘৰুৱা।

ব্যাসাশ্ৰম :—ভীষ্মৰ জীৱনৰ বিৱৰণ থকা **ব্যাসাশ্ৰম** নামৰ এখন দীঘলীয়া পুথিৰো ৰাম সৰস্বতী লেখক বুলি ধৰা হয়। পৰশুৰামৰ সৈতে ভীষ্মৰ যুদ্ধ আৰু তেওঁৰ হাতত পৰশুৰামৰ পৰাজয়, অহঙ্কাৰ আৰু উদ্ধতালিৰ ওপৰত প্ৰকৃত বৈষ্ণৱ যোদ্ধাৰ জয় বুলি ধৰা হয়। পৰশুৰাম অহঙ্কাৰ আৰু উদ্ধতালিৰ প্ৰতীক। সন্তৱ বিভিন্ন পুৰাণৰপৰা সংগৃহীত তত্ত্বমূলক কথাৰে সৈতে কাহিনীটো গথা হৈছে। জীৱনৰ উচ্চ আদৰ্শৰপৰা আঁতৰি আহি পাৰ্থিব ভোগ-সম্ভোগত আসক্ত থকা ব্ৰাহ্মণ আৰু বৈষ্ণৱসকলৰ কথা ইয়াত পোৱা যায়। পুথিত নৰনাৰায়ণ ৰজাৰ উল্লেখ আছে।

জয়দেৱ-কাব্য :—**জয়দেৱ-কাব্য** ৰাম সৰস্বতীৰ কাব্যিক জীৱনৰ **শেষ ৰচনা**। ই জয়দেৱৰ গীতগোবিন্দৰ হুবহু ভাঙনি নহয়। ইয়াত দৰঙী ৰজা ধৰ্ম্মনাৰায়ণৰ উল্লেখ আছে। কবিয়ে ভাগৱতৰ ৰাস-পঞ্চাধ্যায় আৰু শুক্লধ্বজৰ সাৰৱতী টীকা মিহলাই পদ কৰিছে। ভাৰতীয় সঙ্গীত আৰু অলঙ্কাৰৰ কথাও ৰাম সৰস্বতীয়ে ইয়াত সুমুৱাইছে।

অনন্ত কন্দলি :—অনন্ত কন্দলি ষোড়শ শতিকাৰ কবি। তেওঁ শঙ্কৰদেৱৰ মৃত্যুৰ পাচত জীৱিত থকা বুলি দশমৰ পৰা (কৃষ্ণ স্মৰি মৰি স্থিত ভৈল বৈকুণ্ঠত) বুজিব পাৰি। অনন্ত কন্দলিৰ জন্মস্থান হাজো। তেওঁৰ পিতৃৰ নাম ধ্বজ বা ৰত্নপাঠক আৰু মাতৃ বনমালা। অনন্ত কন্দলিৰ সংস্কৃতৰ জ্ঞান গভীৰ আছিল বুলি কবিৰ উক্তিৰ পৰাই বুজিব পাৰি—

"শ্লোক সংস্কৃত আমি লিখিবাক ভাল জানি
তথাপি কৰিলো পদবন্ধ।
স্ত্ৰী শূদ্ৰ আদি যত জানোক পৰম তত্ত্ব
শ্ৰৱণত মিলোক আনন্দ।"

তেওঁ ৰামায়ণত আত্ম-পৰিচয় দিছে—

"হাজো হেন নাম, পবিত্ৰ উত্তম থান, কামৰূপ মাজে।
* * * * *
তথা দ্বিজবৰ, বিষ্ণুৰ কিঙ্কৰ, আছিলা ৰত্ন পাঠক॥"

তেওঁ তৰ্কত অনন্ত কন্দলি নাম লাভ কৰে কিন্তু মাক-বাপেকে দিয়া নাম হ'ল **হৰিচৰণ**—

ৰতন পাঠক নাম পণ্ডিত পৰম।
ভাগৱত শাস্ত্ৰে যাৰ আছিল বিক্ৰম॥
শ্ৰীহৰিচৰণ নামে তাহান সন্ততি।
এতেকেসে ভৈল নাম শ্ৰীচন্দ্ৰভাৰতী॥
তৰ্কত লভিলা নাম অনন্ত কন্দলি।
ভাগৱতে আচাৰ্য্য পদবী ভৈল বলী॥ (শেষ দশম)

আন এঠাইত আছে—"কৃষ্ণৰ প্ৰসাদে, ভাগৱত শাস্ত্ৰে, ভৈল কিছু তান মতি।
শিৱাই মণ্ডলে, নাম দিলা পাছে. প্ৰসদ্ধি চন্দ্ৰ ভাৰতী॥"
(ষষ্ঠস্কন্ধ)

কোচৰজা নৰনাৰায়ণ ১৫৫১ খ্ৰীষ্টাব্দত কামৰূপলৈ আহোতে কামৰূপৰ পণ্ডিত-সকলৰ উমানন্দত এখন সভা হৈছিল আৰু তাত মহাভাৰত পাঠ হৈছিল। সেই সভালৈ চন্দ্ৰভাৰতীও নিমন্ত্ৰিত হৈছিল। কবিক সম্বৰ্দ্ধনা জনাবৰ কাৰণে মণিকৰ্ণেশ্বৰৰ এঠাইত মণ্ডপ সজোৱা হৈছিল বুলি সেই শকৰ এখন শিলৰ ফলিত আছে—

**"শীতে তৰণি তাপেন গ্ৰীষ্মে লোহিত্যবায়ুনা।
সুখদোহখিল লোকানাং মণ্ডপঃ চন্দ্ৰভাৰতেঃ॥"**

অনন্ত কন্দলি শঙ্কৰদেৱৰ একান্ত অনুগত। গুৰু-চৰিতমতে তেওঁ শঙ্কৰদেৱৰ উচ্ছিষ্ট ভোজন কৰিবলৈ স্বপ্নত আদেশ পায়। তেওঁ গুৰুৰ প্ৰসাদ বিচাৰিলত গুৰুৱে কলে, "ভাগৱতৰ যি কেইছোৱা মোৰ পদ কৰিবলৈ বাকী আছে সেইবোৰৰ পদ তুমি কৰা। সেয়ে মোৰ পাতৰ হ'ব।" তেওঁ **মধ্য-দশম** আৰু **শেষ-দশম** ভাঙনি কৰে। তেওঁৰ আন ৰচনাসমূহ হৈছে **ৰামায়ণৰ** পাঁচকাণ্ড, **বৈষ্ণৱামৃত** (ভক্তিসাধন), **বৃত্ৰাসুৰ বধ, মহীৰাৱণ বধ, কুমৰ হৰণ, জন্মৰহস্য, অভিমন্যুৰ যুদ্ধ** আদি।

কুমৰ-হৰণ :—কুমৰ-হৰণ কাব্যৰ মূল **দশম** আৰু **হৰিবংশ**। উষাক কেন্দ্ৰ কৰি কাব্য আৰম্ভ হৈছে। উষাৰ যৌৱনকাল উপস্থিত হলত মন্ত্ৰী কুম্ভাণ্ডৰ কন্যা চিত্ৰলেখা তেওঁৰ প্ৰধান সখী স্বৰূপে অন্তেষপুৰত থাকিল। উষাই গৌৰীৰ বৰ অনুযায়ী সপোনত স্বামী পায় আৰু চিত্ৰলেখাই সেই পুৰুষৰ ছবি আঁকে। চিত্ৰলেখাই দ্বাৰকালৈ গৈ সেই পুৰুষক আনে। কুঁজীয়ে উষাৰ অন্তেষপুৰত অনিৰুদ্ধ থকাৰ কথা ৰজাক জনায়। বাণে অনিৰুদ্ধক নাগ পাশেৰে বন্দী কৰে। কৃষ্ণ আৰু বাণৰ যুদ্ধত বাণ পৰাস্ত হয়। পাচত উষা আৰু অনিৰুদ্ধৰ বিয়া হয়। চিত্ৰলেখাকো গদলৈ বিয়া দিয়ে। কবিয়ে উষাৰ কামাবেগ ছবিছন্দত বৰ্ণনা কৰিছে।

কুমৰ-হৰণ এখন সৰৱৰহী পুথি। কাব্যত কবিৰ সাহিত্যিক প্ৰতিভা, অসমীয়া জতুৱা ঠাঁচৰ ব্যৱহাৰ আৰু সৰল বচন ভঙ্গীৰ নিদৰ্শন পোৱা যায়। ডঃ বাণীকান্ত কাকতিয়ে কৈছে, "ইয়াৰ পদবোৰত নবীন কবিৰ প্ৰাচুৰ্য্য আৰু আড়ম্বৰ পৰিলক্ষিত হয়" আৰু "গোটেই কবিতাটো জোনাকী নিশাৰ আকাশী পৰীৰ লীলা-খেলা যেন লাগে।" এই কাব্যত কবিৰ আন এটা নাম কবিচন্দ্ৰ পোৱা যায়। যেনে :—'দ্বিজ কবিচন্দ্ৰ কহে এৰা আন কাম।'

ৰামায়ণ :—অনন্ত কন্দলিৰ **ৰামায়ণখনক** মাধৱ কন্দলিৰ ৰামায়ণৰে 'ভক্তিমূলক সংস্কৰণ' বুলিব পাৰি। মাধৱ কন্দলিৰ ৰামায়ণকে ভেটি কৰি ঠায়ে ঠায়ে দুই এটা বাক্য আৰু শব্দ সাল-সলনি কৰি অনন্ত কন্দলিয়ে ৰামায়ণখন ৰচনা কৰে। ৰামায়ণখন ভাগৱতৰ আদৰ্শত ৰচনা কৰা হৈছে।

এই প্ৰসঙ্গত তেওঁ কৈছে—

"মাধৱ কন্দলি বিৰচিলা ৰামায়ণ।
তাক শুনি আমাৰ আকুল কৰে মন॥

ৰামৰ সামান্য সত্ত্ব কথা যথাৰত।
ভজনীয় গুণ যাত নভৈল বেকত ॥
এতেক যতন কৰো ভকতিক পদে।
মুবুলিবা নিন্দা সদা শুনা সভাসদে ॥" (আযোধ্যাকাণ্ড)

মহীৰাৱণ বধ :—মহীৰাৱণ বধ এখন খণ্ডকাব্য। ইয়াৰ বিষয়-বস্তু বাল্মীকি ৰামায়ণৰ নহয়। হনুমানে বগলীৰ পিঠিত উঠি পাতালপুৰীলৈ যায় আৰু ছল কৰি মহীৰাৱণক বধ কৰি ৰাম-লক্ষ্মণক উদ্ধাৰ কৰে। কাব্যখনত গাম্ভীৰ্য্য নাই। কাব্যত অনন্ত কন্দলিৰ ভণিতা থাকিলেও ভাব আৰু ভাষাৰ ফালৰপৰা অনন্ত কন্দলিৰ যেন নালাগে। সাধাৰণ পাঠকক আমোদ দিবৰ কাৰণে ঠায়ে ঠায়ে অসঙ্গতিপূৰ্ণ বৰ্ণনাও আছে

অনন্ত কন্দলিয়ে **সীতাৰ পাতাল প্ৰবেশ** নামৰ এখন নাট ৰচনা কৰে। এই নাটখনৰ বিষয়ে দেবেন্দ্ৰ নাথ বেজবৰুৱাই কৈছে, "এইখন এখনি সৰ্ব্বাঙ্গ সুন্দৰ নাট আৰু শঙ্কৰদেৱৰ নাটকতকৈ কোনো গুণে হীন নহয়।"

অনন্ত কন্দলিয়ে শঙ্কৰদেৱৰ দৰে বস্তুবোৰ ভালকৈ আৰু সূক্ষ্মভাৱে বৰ্ণনা কৰিব পাৰে। এই প্ৰসঙ্গত কৈলাসৰ দৃশ্য বৰ্ণনা উল্লেখ কৰিব পাৰি—

"চম্পা পাৰিজাত শাৰি শাৰি তাত
মন্দাৰ ফুল বিশেষ।
শাল তাল ভাল তমাল বিশাল
আৰ্জ্জুন আছে আশেষ ॥
অশোক বকুল কদম্ব বহুল
আম্ৰ চূত নাগেশ্বৰ।
পাৰলী পাতক কুন্দ কুৰুবক
বেলৰ জাতি বিস্তৰ ॥"

শ্ৰীধৰ কন্দলি :—শ্ৰীধৰ কন্দলি এজন সৰবৰহী কবি। তেওঁৰ ঘৰ হাজোত। তেওঁ অনন্ত কন্দলিৰ সম-সাময়িক। তেওঁৰ **ঘুনুচা-যাত্ৰা** কাব্য কীৰ্ত্তনৰ ভিতৰত সামৰা হয়। ইয়াৰ মূল জগন্নাথ পুৰাণ। ইয়াৰ উপৰি তেওঁ **অশ্বমেধ পৰ্ব্বৰ** পদ-ভাঙনি আৰু **কাণখোৱা** পুথি ৰচনা কৰে। তেওঁৰ ৰচনাৰ ভিতৰত কাণখোৱা পুথিখন সৰবৰহী।

কাণখোৱা :—কাণখোৱা পুথি বৈষ্ণৱ কবিৰ "অন্তৰ্মুখী কল্পনাৰ মনোৰম

ৰচনা” (ডঃ কাকতি)। পুথিখন অতি সহজ, সৰল কিন্তু কৌশলপূৰ্ণ। শিশুজীৱনৰ মনোৰম প্ৰতিচ্ছবি ফুটি উঠাৰ লগে লগে প্ৰশান্ত ভক্তিভাৱৰ নিজৰা বৈ গৈছে। আকৃতিত নিচুকণি গীত বুলিব পাৰি। কবিতা দুটাত বালক কৃষ্ণৰ কাৰ্য্যৰ যোগেদি তেওঁৰ আলৌকিক শক্তিৰ চিনাকি পোৱা যায়। প্ৰথমটোত আছে যে যশোদাই কাণখোৱা আহিছে বুলি গীত গাই শিশু কৃষ্ণক শুৱাবলৈ যত্ন কৰিছে। কৃষ্ণই মাকক কেনেকুৱা গোটে কাণ খাই ফুৰে বুলি সুধিলে। তেওঁ বিভিন্ন অৱতাৰৰ কথা স্মৰণ কৰিলে কিন্তু কাণখোৱাৰ কথা মনত নপৰিল। তেওঁ মাকক “মই নজানিলো সিটো কাণখোৱা প্ৰজিলেক ‘কোন জনা” বুলি কৈ কাণখোৱাটো চিনাক্ত কৰিবলৈ ক’লে। যশোদাই মিছা বুলি পুত্ৰৰ মুখত স্তন দি সাৱটি ধৰিলে। দ্বিতীয় কবিতাটিত কৃষ্ণৰ ঠেহ লগাৰ চিত্ৰ পোৱা যায়। পুৰা গোপশিশুবিলাকে কৃষ্ণৰ কাৰণে আহি বৈ আছে। কৃষ্ণ সুঠা দেখি মাকে ক’লে,—“এত নিদ্ৰা কৰ, কিসৱ ভাগিব, আদিত্য উদয় ভৈলা।” কৃষ্ণৰ ঠেহ লাগিল। তেওঁ ক’লে যে তেওঁ ৪।৫ দিন সুঠে আৰু নাখায়। তেওঁ আৰু ক’লে যে তেওঁ গৰু চৰাইহে ভাত খাইছে। তেওঁ নাৰায়ণ স্বৰূপে কৰা কাৰ্য্যাৱলীৰ কথা উল্লেখ কৰি কলে,—“তুমি কাঠবাজী হৈ আছিলা আৰু মই উপজি সেই দোষ দূৰ কৰিলোঁ।” পুত্ৰৰ চকুত চকুপানী দেখি যশোদাই “মই অভাগীৰ দোষ মৰষিও বনমালী” বুলি ক’লে। সন্তোষিত হৈ কৃষ্ণই যশোদাৰ কোলাত উঠি পিয়াহ খালে।

দামোদৰদেৱ (১৪৮৮—১৫৯৮ খ্ৰীঃ):—১৪৮৮ চনত দামোদৰদেৱে বৰদোৱাৰ দক্ষিণে নলচা গাৱঁত জন্মগ্ৰহণ কৰে। তেওঁৰ পিতৃৰ নাম সদানন্দ দ্বিজ আৰু মাতৃৰ নাম সুশীলা। দামোদৰৰ তিনি ভাতৃ—সৰ্ব্বেশ্বৰ, ৰত্নাকৰ আৰু দামোদৰ। তেওঁলোক বৰলচুঙ্গ বা পাটবাউসীত বাস কৰিছিল। দামোদৰ-দেৱৰ জন্মৰ সময়ত শঙ্কৰদেৱ বৰদোৱাত আছিল। চৰিতকাৰ ৰামৰায়ৰ মতে শঙ্কৰদেৱে তেওঁৰ নাম দামোদৰদেৱ থয়। দামোদৰে কলাপবল্লভ (ভট্টাচাৰ্য্য ?) পণ্ডিতৰ তলত অধ্যয়ন কৰিছিল। কিছুদিনৰ পাচত তেওঁৰ পিতৃ-মাতৃৰ বিয়োগ হয়। সেইকাৰণে তেওঁ নলচা এৰি হাজোৰ ওচৰৰ ৰত্নেশ্বৰ গাৱঁলৈ যায়, আৰু তাৰ পাচত বিয়াসপাৰালৈ যায়। ইয়াত পত্নীয়ে এটি কন্যা জন্ম দিয়ে; কিন্তু পত্নী-কন্যা দুয়ো ইহলীলা সম্বৰণ কৰে। তেওঁ পুনৰ বিয়া নকৰালে। সংসাৰৰ আশা এৰি ধৰ্ম্মবস্তু লাভ কৰে। দামোদৰদেৱে প্ৰথমতে ভতিজাক (ৰত্নাকৰৰ পুত্ৰ) মুকুন্দদেৱক ভাগৱতী ধৰ্ম্মত শৰণ দিয়ে। তাৰ পাচত ৰামৰায় দ্বিজ

(চৰিতকাৰ নহয়) তেওঁৰ শিষ্য হয়। দামোদৰদেৱে ১৫৪০ খ্ৰীষ্টাব্দত বিয়াস-পাৰাত **পাটবাউসী** নামৰ প্ৰথম সত্ৰ স্থাপন কৰে। উজনীৰ বংশীদেৱ বা বংশীগোপাল নামে এজন পণ্ডিত ব্ৰাহ্মণ তেওঁৰ শিষ্য হয় আৰু দামোদৰদেৱে তেওঁক উজনি খণ্ডত সত্ৰ স্থাপন কৰিবলৈ আদেশ (শুনা বংশীদেৱ তুমি পূৰ্ব্বদিশে চলি যাহা) দিয়ে। বৰনগৰৰ ভেড়াগাওঁ নিবাসী **বৈকুণ্ঠনাথ** দামোদৰদেৱৰ শিষ্য হয় আৰু দামোদৰদেৱে ভট্টদেৱক (বৈকুণ্ঠনাথ) পাটবাউসীৰ অধিকাৰ পাতি পৰীক্ষিত ৰজাৰ নগৰলৈ যায়। পৰীক্ষিত ৰজাৰ আদেশত ৮৫ বছৰ বয়সত দামোদৰদেৱে সেই ঠাই এৰি লক্ষ্মীনাৰায়ণৰ ৰাজ্যলৈ যায়। লক্ষ্মীনাৰায়ণ ৰজাৰ সমাদৰ পাই তাতে এখন সত্ৰ পাতি ধৰ্ম্ম প্ৰৱৰ্ত্তাই জীৱনৰ শেষকাল কটায়। ১৫২০ শকৰ বহাগৰ শুক্লা প্ৰতিপদ তিথিত তেওঁ স্বৰ্গগামী হোৱাৰ পিচত সেই সত্ৰৰ নাম বৈকুণ্ঠপুৰ হয়। দামোদৰদেৱে দাস্য ভক্তিক শ্ৰেষ্ঠ বুলিছে।

ৰত্নাকৰ কন্দলি :-কীৰ্ত্তনৰ ভিতৰত সামৰা সহস্ৰনাম-বৃত্তান্তৰ তেওঁ ৰচক। "কবিত্ব, শব্দ-যোজনা আৰু পদৰ লালিত্যত এই ৰচনা নিশ্চয় অতি সুন্দৰ; গতিকে, শঙ্কৰদেৱে তাক তেওঁৰ অতি মৰমৰ কীৰ্ত্তন পুথিৰ ভিতৰত ঠাই দি সন্মানিত কৰাটোৰ মানে সহজে বুজিব পাৰি। ৰত্নাকৰ কন্দলি অসম আকাশত শঙ্কৰৰূপী চন্দ্ৰক পৰিবেষ্টন কৰি থকা বৈষ্ণৱ-তৰাসকলৰ ভিতৰৰে এজন আছিল" (৺লক্ষ্মীনাথ বেজবৰুৱা)। তেওঁক কবিশেখৰ বা সুকবিশেখৰো বোলা হয়—"সুকবি শেখৰ তুৰা দাসৰো যে দাস" (সহস্ৰনাম বৃত্তান্ত)। দৈত্যাদি ঠাকুৰৰ চৰিতত 'ৰত্নাকৰ কন্দলি পঢ়ন্ত গীতাত্ৰয়' বুলি আছে। **ৰত্নাকৰ মিশ্ৰৰ** বিষয়ে সঠিক জনা নাযায়। তেওঁ গীতা-কীৰ্ত্তন আৰু ব্ৰহ্ম-গীতা ৰচনা কৰে, আৰু চতুৰ্থ স্কন্ধ ভাগৱতৰ পুৰঞ্জয়ৰ কাহিনী ভাঙে।

গোপাল আতা (১৫৪০—১৬১১ খ্ৰীঃ) :—এই ভৱানীপুৰীয়া গোপাল আতাৰ আদি ঘৰ নাজিৰাৰ গড়গাৱঁৰ ওচৰত। তেওঁৰ পিতৃৰ নাম কামেশ্বৰ ভূঞা আৰু মাক ৰত্নাঙ্গী (ৰজৰঙ্গী)। জন্মৰ পাচতে পিতাক ঢুকুৱাত মাকে তুলি-তালি ডাঙৰ দীঘল কৰে। গোপাল আতাৰ এঘাৰ বছৰ বয়সত, মাক পুতেকে দুয়ো আহোম ৰাজ্য এৰি বৰপেটাৰ ভৱানীপুৰত থাকিবলৈ লয়। ইয়াতে তেওঁৰ বিয়া হয়। গোপাল আতা মাধৱদেৱৰ শিষ্য হয় আৰু কালঝাৰ সত্ৰ স্থাপন কৰে। তেওঁ কালঝৰীয়া বা কালসংহতিৰ প্ৰৱৰ্ত্তক। তেওঁক শাস্ত্ৰব্যাখ্যাৰ কাৰণে 'কথাৰ সাগৰ' বা 'কথা-ৰাজ' বোলে। তেওঁ **জন্মযাত্ৰা, নন্দোৎসৱ**

আৰু **উদ্ধৱ-যান** (উদ্ধৱযাত্রা) নামৰ তিনিখন নাট আৰু কিছুমান **গীত** ৰচনা কৰে। "মাধৱদেৱ কামৰূপত থাকোতে গোপাল আতাই শ্ৰীকৃষ্ণৰ জন্মযাত্রাৰ পাঁচতিৰ গীত-নাট-সূত্র কৰি গুৰুজনক যাত্রা কৰি দেখুৱালে ; পিচ দিনা বোকা ভাওনা বা নন্দোৎসৱ হল।" স্বৰূপতে জন্মযাত্রা আৰু নন্দোৎসৱ একেখন নাটৰ দুটা ভাগ বুলিব পাৰি।

জন্মযাত্রা :—জন্মযাত্রা নাটত কৃষ্ণ জন্ম, নন্দ আৰু যশোদাৰ ঘৰলৈ কৃষ্ণক স্থানান্তৰ, ৰাম কৃষ্ণক গৰ্গ মুনিয়ে জাত কৰ্ম্ম কৰা আদি কথা আছে। নাটখন প্ৰথম অভিনীত হোৱাৰ পিচত গোপাল আতাই মাধৱদেৱক তেৱাঁৰ ৰচিত এটি গীত তাত দিবলৈ ক'লে। মাধৱদেৱে শঙ্কৰদেৱৰ "হৰিক বয়ন হেৰি মাই" গীতটি সুমুৱাই দিয়ে। ইয়াত নাটকীয় গঢ কমেই পোৱা যায়। নাটকৰ বিষয়-বস্তু ঘাইকৈ শঙ্কৰদেৱৰ দশমৰপৰা লোৱা হৈছে। জন্মযাত্রাত নাটকীয় সংঘাত আছে, কিন্তু নন্দোৎসৱত নাই।

উদ্ধৱ-যান (উদ্ধৱ সম্বাদ) :—গোপাল আতাই কালঝাৰত থাকোতে উদ্ধৱ-যান (উদ্ধৱ-যাত্রা) অঙ্কখনি ৰচনা কৰে। পূৰ্ণানন্দৰ চৰিতত আছে—

"উদ্ধৱ গোপীৰ প্ৰেম-সঙ্কেত ৰচন।
অঙ্কৰূপে শঙ্কৰে কৰিলা নিৰূপণ॥
নত্ত ব্যক্ত হোন্তে সিটো অগ্নিত পুৰিলা।
পুনুহু গোপালে সেহি কথা নিবন্ধিলা।"

শঙ্কৰদেৱৰ নাটখনি নষ্ট হোৱাত গোপালে ভকতসকলৰ অনুৰোধত উদ্ধৱ যান নাট ৰচনা কৰে। এইখন নাট নাটকীয় গঢত জন্মযাত্রাতকৈ পূৰ্ণতৰ। নাটৰ কাহিনী **ভাগৱত পুৰাণৰ** পৰা লোৱা হৈছে। কৃষ্ণই কংসক বধ কৰি উগ্ৰসেনক মথুৰাৰ সিংহাসনত বহুৱালে। নন্দ, যশোদা আৰু গোপীসকলক কৃষ্ণ বিৰহত প্ৰবোধ দিবৰ কাৰণে উদ্ধৱক দূত স্বৰূপে পঠিয়ায়। উদ্ধৱে ব্ৰজধামলৈ গৈ কৃষ্ণৰ বাতৰি দিয়ে। নাটত শঙ্কৰদেৱ আৰু মাধৱদেৱ ৰচিত প্ৰায় ২৫টা গীত সন্নিবেশ কৰা হৈছে। এই নাটখন অনুভূতিপ্ৰধান। ইয়াৰ ঘাই ৰস কৰুণ।

গোপাল মিশ্ৰ :—গোপাল মিশ্ৰৰ ককাক হৰিবৰ আচাৰ্য্য আৰু পিতৃ বলদেৱ বা ধৰ্ম্মাই। তেওঁৰ জন্ম মালিপুৰত। তেওঁ কবিৰত্ন উপাধি পাইছিল। শঙ্কৰদেৱৰ আদেশমতে তেওঁ দামোদৰদেৱৰ শৰণ লয়। তেওঁ উলুবাৰী আৰু খুদীয়া সত্ৰ পাতে। তেওঁৰ শিষ্য নিৰঞ্জনদেৱে জয়ধ্বজসিংহ (১৬৫৪—

১৬৬৩) স্বৰ্গদেৱক শৰণ দিয়ে। গোপাল মিশ্ৰই প্ৰায় ১৫৮৮ খ্ৰীষ্টাব্দত গীতা-ভাগৱতৰ নানা শ্লোকৰ ভাঙনিৰে **ঘোষা-ৰত্ন** পুথি লিখে। ইয়াৰ উপৰি **শঙ্খচূড় বধ, মহিষাসুৰ বধ, পৰধৰ্ম্ম নিৰূপণ** আদি পুথি লিখে।

গোবিন্দ মিশ্ৰ :—হৰিনাৰায়ণ দত্তবৰুৱা সম্পাদিত কৃষ্ণ-গীতাত গোবিন্দ মিশ্ৰৰ পূৰ্ব্বপুৰুষ অজ্ঞানন্দ বুলিছে; কিন্তু অধ্যাপক নলিনী কুমাৰ মিশ্ৰই দেখুৱাইছে যে তেওঁৰ পূৰ্ব্বপুৰুষ পীতাম্বৰ চক্ৰবৰ্ত্তীৰ পুতেক ভট্টনাৰায়ণ শঙ্কৰদেৱৰ পূৰ্ব্বপুৰুষ চণ্ডীবৰৰ সমসাময়িক। এওঁৰ পিতৃৰ নাম তাৰাপতি। "গোবিন্দ মিশ্ৰক কিছুমানে দৰঙ্গ অঞ্চলৰ আৰু কিছুমানে বৰপেটা মহকুমাৰ কপলা গাৱঁৰ বুলি কয়।" এওঁ **গীতাৰ** পদ-ভাঙনি (কৃষ্ণ-গীতা) কৰে আৰু **গীতাৰ মাহাত্ম্য** নামে এখন পদ-পুথি ৰচনা কৰে। তেওঁৰ ৰচনাৰ ওপৰত শঙ্কৰদেৱৰ প্ৰভাৱ পৰা দেখা যায়। পদৰ লালিত্য আৰু অনুপ্ৰাসপূৰ্ণ অলঙ্কাৰৰ কাৰণে তেওঁৰ ৰচনা ৰসাল আৰু মনোগ্ৰাহী। গীতাত তেওঁ নিজৰ ভাষাৰে দাৰ্শনিক সত্য বৰ্ণাইছে। গীতাৰ ভাব নিভাঁজ কৰি ৰাখিবৰ কাৰণে তেওঁ মূলৰপৰা আঁতৰা নাই। গীতাৰ মহিমা দেখুৱাবলৈ বন্দনা অধ্যায় আৰু পুথিৰ সামৰণিত "গীতাৰ মাহাত্ম্য" যোগ দিছে।

সাৰ্ব্বভৌম ভট্টাচাৰ্য্য :—সাৰ্ব্বভৌম ভট্টাচাৰ্য্য কোচবেহাৰৰ ৰজা নৰনাৰায়ণৰ **সভাপণ্ডিত** আছিল। তেওঁ এজন বিখ্যাত পণ্ডিত আছিল আৰু তেওঁৰ পত্নীও বিদুষী আছিল। বঙ্গদেশৰ পণ্ডিত ৰঘুনন্দন ভট্টাচাৰ্য্যক (স্মাৰ্ত্ত ভট্টাচাৰ্য্য) তেওঁৰ পত্নীয়ে স্মাৰ্ত্ত আৰু প্ৰাচীনৰ বিষয়ে তৰ্কত পৰাস্ত কৰি নৰনাৰায়ণৰ ৰজাৰ অনুগ্ৰহ লাভ কৰিছিল আৰু তাৰ ফলত অসমত প্ৰাচীন মত চলি থাকিল। ডঃ জয়কান্ত মিশ্ৰই কয় যে কোচবিহাৰৰ ৰজা বিশ্বসিংহই এজন সাৰ্ব্বভৌম মৈথিলী ব্ৰাহ্মণক ৰাজ-পুৰোহিত হ'বলৈ নিমন্ত্ৰণ কৰিছিল আৰু তেওঁৰ দিনত বহুত মৈথিলী ব্ৰাহ্মণ আৰু কায়স্থ অসমলৈ গৈছিল। নগেন্দ্ৰ নাথ বসুৰ 'চোচিয়েল্ হিষ্টৰী অব্ কামৰূপত' আছে যে ৰজা বিশ্বসিংহই কুলদেৱতা পূজাৰ কাৰণে মিথিলাৰপৰা বশিষ্ঠ গোত্ৰৰ সাৰ্ব্বভৌম ভট্টাচাৰ্য্যক অনাইছিল। ৰজা হৰেন্দ্ৰ নাৰায়ণৰ বৃহৎ ৰাজবংশাৱলীতো এই কথাৰ উল্লেখ আছে।

সাৰ্ব্বভৌম শঙ্কৰৰ পৰম অনুগত আছিল। তেওঁ **ভৱিষ্যপুৰাণ, স্বৰ্গখণ্ড-ৰহস্য** আৰু **ভাগৱত** ৰচনা কৰিছিল। তেওঁ স্বৰ্গখণ্ডত আত্মজীৱনী দিয়াৰ উপৰিও শঙ্কৰদেৱৰ জীৱনী দিছে। তেওঁ প্ৰথমে দেৱী উপাসক আছিল আৰু

'শঙ্কৰক বহুত্তৰ বাদ' কৰিছিল ; পাচত শাস্ত্ৰ পঢ়ি ঘুৰি আহি 'শঙ্কৰক গুৰু মানি শৰণ' ললে।

কংসাৰি পীতাম্বৰ কায়স্থ :—কংসাৰি ৰাম সৰস্বতীৰ সমসাময়িক। ৰাম সৰস্বতীয়ে বনপৰ্ব্বত লিখিছে, 'কংসাৰি প্ৰমুখ্যে ঋষি আছা যত যত। সি সবেও পদচয় কৰিলা পাচত॥' ৰাম সৰস্বতীয়ে বিৰাটপৰ্ব্বৰ কীচক বধলৈকে দুহেজাৰ শ্লোক লেখিছিল আৰু কংসাৰিয়ে গাভৰু থাঁৰ কথা মতে মাধৱদেৱৰ সত্ৰত থাকি বিৰাট পৰ্ব্বৰ **দক্ষিণ গো-গ্ৰাহ** আৰু **উত্তৰ গো-গ্ৰাহৰ** এক অংশ ৰচনা কৰে (প্ৰায় ১৫৮০ খ্ৰীঃত)। কংসাৰিয়ে বন পৰ্ব্বৰ অন্তৰ্গত **কিৰাট পৰ্ব্ব** নামৰ এটা সৰু পৰ্ব্ব ৭২৫টা শ্লোক বা পদত লিখে। অৰ্জ্জুনে ইন্দ্ৰৰ অধীনত অস্ত্ৰ শিক্ষা কৰা, তেওঁ উৰ্ব্বশীৰ আকৰ্ষণৰ হাত সৰা, নিবাত কৱচ, কালকেয়ী আৰু পৌলমক বধ কৰা, যুদ্ধত শঙ্কৰ সন্তুষ্ট হোৱা আৰু তেওঁৰ পৰা পাশুপাত অস্ত্ৰ লাভ কৰা, পুনৰ ভাতৃসকলৰ ওচৰলৈ আগমন—এয়ে কিৰাট পৰ্ব্বৰ বিষয়-বস্তু। তেওঁ বাল্মীকি ৰামায়ণৰ উত্তৰাকাণ্ডৰ কাহিনী লৈ ৰাৱণৰ দিগ্বিজয় নামৰ এখন পুথি ৰচনা কৰে।

বিদ্যাপঞ্চানন :—ৰাম সৰস্বতীৰ **ভীষ্মপৰ্ব্বৰ** পদ-ভাঙনিৰ লগতে বিদ্যাপঞ্চাননৰ নাম পোৱা যায়। তেওঁ কুৰুক্ষেত্ৰৰ নৱম দিনৰ বৰ্ণনাৰপৰা অশ্বাৰ চৰিত্ৰলৈকে লেখিছে। অশ্বাৰ চৰিত্ৰৰ উপৰিও তেওঁ কৰ্ণ-পৰ্ব্বৰ ভাঙনি কৰে। তেওঁৰ আত্মপৰিচয়ৰপৰা বুজা যায় যে মানাহ নৈৰ পাৰৰ মৰ্ত্ত্যদেৱে যত্নেৰে নিৰ্ম্মাণ কৰা আৰু পাটৰ কাপোৰ উৎপন্ন হোৱা বৃহৎ নগৰত (বৰনগৰত) দ্বিজ কণ্ঠভূষণ নামৰ এজন পৰম মহন্ত আছিল। তেওঁ জাতিত দৈৱজ্ঞ আছিল আৰু মাণ্ডৰিত বাস কৰিছিল। তেওঁৰ কনিষ্ঠ পুত্ৰ হৈছে বিদ্যাপঞ্চানন আৰু তেওঁ গোপাল আতাৰ (সম্ভৱ) শিষ্য। তেওঁ **পাতালি কাণ্ড ৰামায়ণ** ৰচনা কৰে।

গোপীনাথ পাঠক :—মহাভাৰতৰ **সভাপৰ্ব্ব, দ্ৰোণ পৰ্ব্ব** আৰু **স্বৰ্গাৰোহণ পৰ্ব্বৰ** পদ-কৰোঁতা গোপীনাথ জাতিত ব্ৰাহ্মণ আছিল আৰু পাটচৌৰাৰ চিনাকোন গাওঁ নিবাসী পণ্ডিত ভীমসেন দ্বিজৰ নাতি আছিল বুলি দ্ৰোণ পৰ্ব্বত উল্লেখ কৰিছে। ৰাম সৰস্বতী তেওঁৰ পিতৃ।

দ্বিজ শুভনাথ :—তেওঁ **ধৰ্ম্ম-সম্বাদ** নামৰ এখন সৰু পুথি ৰচনা কৰে। পুথিৰ বিষয়-বস্তু মহাভাৰতৰ অশ্বমেধ পৰ্ব্বৰপৰা লোৱা হৈছে। এই পুথিত ধৰ্ম্মৰাজ বা যমৰজাই চণ্ডালৰ বেশ ধৰি তেওঁৰ পুতেক যুধিষ্ঠিৰক পৰীক্ষা কৰাৰ

কথা আছে। বেদৰ উৎপত্তি, মানুহৰ জন্ম, তীৰ্থ ভ্ৰমণ আৰু দান-দক্ষিণাদিৰ ফলৰ বিষয়ে চণ্ডালে বহুত সাৰগৰ্ভ কথা কয়। শেহত যুধিষ্ঠিৰে পিতৃ ধৰ্ম্মৰাজক চিনি পায়। কোনো কোনো লোকে এই পুথি শিৱসিংহ ৰজাৰ দিনত ৰচিত বুলি ভাবে। প্ৰত্নতত্ত্ববিদ সোণাৰাম চৌধুৰীয়ে কয় যে তলৰ ভণিতাটোত স্বৰ্গদেৱ শিৱসিংহৰ উল্লেখ নাই, কিন্তু নৰনাৰায়ণ ৰজাৰ কথাহে আছে—

"শিৱসিংহ ধৰ্ম্ম ৰাজা গুণে নাৰায়ণ।
কৰন্ত ভকতি সদা কৃষ্ণৰ চৰণ॥
তাহান আদেশ পাই দ্বিজ ভুভনাথে।
ৰচিলা পয়াৰ হৰিপদ ধৰি মাথে॥"

ইয়াৰপৰা দ্বিজ ভুভনাথক ষোড়শ শতিকাৰ কবি বুলিব পাৰি।

নৱম অধ্যায়

বৈষ্ণৱ যুগ—কথা-প্ৰতিভা

বৈকুণ্ঠনাথ ভট্টদেৱ (১৫৫৮-১৬৩৮ খ্ৰীঃ) :—ভট্টদেৱৰ ঘাই নাম বৈকুণ্ঠ; কবিৰত্ন তেওঁৰ উপাধি আৰু ভাগৱত ভট্টাচাৰ্য্য পদৱীহে। তেওঁৰ ঘৰ কামৰূপৰ বৰনগৰৰ ওচৰৰ ভেড়াগ্ৰামত। পিতৃৰ নাম পুৰুষোত্তম বা কবি সৰস্বতী আৰু মাতৃৰ নাম তাৰাদেৱী। বৈকুণ্ঠনাথে বৰনগৰৰ গোপালদেৱ নামৰ এজন প্ৰসিদ্ধ পণ্ডিতৰ টোলত পঢ়া-শুনা কৰে। তেওঁ যথাসময়ত বিবাহ কৰে। মাতৃবিয়োগৰ পাচত বাপেকৰ আদেশ অনুসৰি তেওঁ দামোদৰদেৱৰ শৰণ লয়। গুৰুৱে তেওঁক কবিৰত্ন উপাধি দিয়ে। দামোদৰদেৱে পৰীক্ষিত নাৰায়ণৰ ৰাজ্য এৰি বিজয়নগৰলৈ যাবৰ সময়ত ভট্টদেৱক মতাই নি পাটবাউসী সত্ৰৰ ৰথীয়া পাতে আৰু স্ত্ৰী-শূদ্ৰ সকলোৱে বুজিব পৰাকৈ এখন কথা-ভাগৱত ৰচনা কৰিবলৈ কয়।

"আৰু এক জগত ঈশ্বৰ আজ্ঞা ধৰা।
কথা বন্ধে একখণ্ড ভাগৱত কৰা॥
পূৰ্ব্বে মহাপুৰুষে কৰিলা দশস্কন্ধ।
কীৰ্ত্তন, ভটিমা, ছবি, তুলৰী সুছন্দ॥৩০৮
তাতো কৰি সুগম কৰিয়ো ভাগৱত।
স্ত্ৰী-শূদ্ৰ সৰ্ব্বলোকে বুঝে যেন মত॥" (ৰামৰায়)

তেওঁৰ আজ্ঞানুসাৰে ভট্টদেৱে কথা-ভাগৱত আৰু কথা-গীতা ৰচনা কৰে। তেওঁ ৰচনা কৰা পুথিসমূহ হৈছে—(ক) **সাত্বত তন্ত্ৰ, প্ৰসঙ্গ মালা, কথা ভাগৱত, ভক্তি-ৰত্নাৱলী, কথা-গীতা, নন্দোৎসৱ, বিষ্ণু সহস্ৰ নাম গুৰুবংশাৱলী** (অসমীয়াত); (খ) **ভক্তি-সাৰ, ভক্তি-বিৱেক, ভাগৱত অধিকৰণ, শৰণ মালিকা** (সংস্কৃতত)।

ভট্টদেৱৰ কথা-সাহিত্যলৈ দান :—মহাপুৰুষ শঙ্কৰদেৱে অঙ্কীয়া নাটত গদ্য ৰচনাৰ বীজ সঞ্চাৰ কৰি গল আৰু ভট্টদেৱৰ হাতত সি এনে' লহ-পহকৈ বাঢ়ি আহিল যে জটিল দাৰ্শনিক তত্ত্বকো গদ্যত শুৱলাকৈ বৰ্ণনা কৰিব পৰা হল। স্বৰূপতে উত্তৰ ভাৰতত **এওঁেই প্ৰথম প্ৰকৃত গদ্য লেখক**। তেওঁ অসমীয়া গদ্যক পোনপটীয়া আৰু প্ৰধানকৈ সাহিত্য ৰচনাত ব্যৱহাৰ কৰে। "তেওঁৰ হাততেই অসমীয়া গদ্য ৰীতিৰ বান্ধ দৃঢ় হৈ গদ্য সাহিত্যই পৰিপুষ্টি লভে; আৰু চিন্তাবস্তু পৰিস্ফুটভাৱে প্ৰকাশ কৰিবলৈ সমৰ্থ হয়" (ডঃ বৰুৱা)।

ভট্টদেৱৰ লেখনীৰ মূলতে আছিল দামোদৰদেৱ। পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে কৈছে, "অসমীয়া গদ্য সাহিত্যৰ সৃষ্টি কাৰ্য্যত ভট্টদেৱ যন্ত্ৰ মাথোন, দামোদৰদেৱহে যন্ত্ৰী।" ভট্টদেৱে তেওঁৰ ৰচনাত কথিত ভাষা ব্যৱহাৰ কৰিছে। শঙ্কৰদেৱ আৰু মাধৱদেৱে যি ব্ৰজাৱলী মিহলি গীতি-মূলক গদ্য প্ৰৱৰ্ত্তন কৰিলে ভট্টদেৱৰ হাতত প্ৰায় এশ বছৰৰ পাচত সেই গদ্যই পৰিপুষ্টি লাভ কৰে। অসমীয়া গদ্য ভাব-প্ৰকাশৰ উজু বাহন হৈ পৰিল। ডঃ বিৰিঞ্চি কুমাৰ বৰুৱাৰ ভাষাত ক'বলৈ হলে অসমীয়া কথ্য ভাষাই ভট্টদেৱৰ হাতত দ্বিজত্ব লভিলে। অসাধাৰণ ৰচনা কৌশলৰ দ্বাৰা তেওঁ কথ্য ভাষাক বিতোপন কৰি তুলিলে। তেওঁৰ লেখনী ব্যাখ্যা বা অনুবাদমূলক হলেও আৰু তাৰ ওপৰত সংস্কৃত বাক্যৰীতিৰ প্ৰভাৱ পৰিলেও তাৰ ভিতৰতে তেওঁৰ মৌলিকতা প্ৰকাশ পাইছে। তেওঁৰ ৰচনা ৰীতিকে অনুকৰণ কৰি অনেক সমসাময়িক লোকে সংস্কৃত পুথি অসমীয়া গদ্যলৈ ভাঙনি কৰে।

কথা-ভাগৱত :—ভট্টদেৱে ৰৰনগৰত ভাগৱত ব্যাখ্যা কৰি থাকোঁতে কথা-ভাগৱত ৰচনা আৰম্ভ কৰে। দামোদৰদেৱ বিজয়নগৰত (বৰ্ত্তমান বিজনী) এবছৰ থকাৰ পিচত পৰীক্ষিতনাৰায়ণৰ আজ্ঞামতে সেই ৰাজ্য এৰি লক্ষ্মী-নাৰায়ণৰ ৰাজ্য কোচবেহাৰলৈ যায়। ভট্টদেৱে এই বাতৰি পাই দামোদৰদেৱ সোণকোষ নৈ পাৰ হবৰ সময়ত গুৰুৰ হাতত ভাগৱতৰ প্ৰথম স্কন্ধৰ ভাঙনি

অৰ্পণ কৰে। গুৰুৱে পুথিখন ভাল বুলি চমুকৈ সাৰ লৈ (সংখেপ কৰিয়া সাৰ মাত্ৰ লৈয়া) লেখিবলৈ ক'লে। ভট্টদেৱ **পাটবাউসীলৈ** আহি তাতে কথা-ভাগৱত লেখি শেষ (১৫৯৩-১৫৯৭ খ্ৰী:) কৰে। পাটবাউসী সত্ৰত দামোদৰদেৱৰ ভতিজাক কৃষ্ণদেৱ আৰু ভট্টদেৱৰ ভিতৰত মনোমালিন্য ঘটাত দামোদৰদেৱে দুয়োকো কোচবেহাৰলৈ মাতি পঠিয়ায় আৰু লগত কিছু সুখাদ্য লৈ যাবলৈ কয়। ভট্টদেৱে কথা-ভাগৱত আৰু কৃষ্ণদেৱে ফল-মূল নি গুৰুক দিয়ে। ফল-মূললৈ কেৰাহিকৈ নাচাই ভট্টদেৱৰ কথা-ভাগৱত 'পৰম সুখাদ্য' বুলি তেওঁ গ্ৰহণ কৰিলে। সেই দিনাই তেওঁ ভট্টদেৱক পাটবাউসী সত্ৰৰ অধিকাৰ পাতিলে আৰু কৃষ্ণদেৱক ভাগৱতী হৈ থাকিবলৈ ক'লে। কথা-ভাগৱত দ্বাদশ স্কন্ধ ভাগৱতৰ সংক্ষিপ্ত সাৰ। অসমীয়া ভাঙনিত কেৱল মূলৰ লাগতিয়াল কথাৰ সাৰ সংগ্ৰহ কৰিছে। সংস্কৃত শ্লোকৰ গুৱলা ভাঙনি কৰা হৈছে। সংস্কৃত শব্দৰ অধিক ব্যৱহাৰ দেখা যায়। ৰচনাত কথিত আৰু লিখিত ভাষাৰ ভিতৰত এটা সমন্বয় স্থাপন কৰা হৈছে। বাক্য ছন্দময় আৰু চুটি চুটি। যেনে :—"সুখৰ অৰ্থে যত্ন নকৰোক : যেমনে দুখ নুখুজিলেই পাই : তেমন সুখো মিলিবেক। এতেকে মহা গুণৱন্ত তুমি : জগতৰ মুক্তিৰ অৰ্থে : ভগৱন্তৰ লীলা কহ : বুলিবা কোন ভগৱন্ত : কিবা তান লীলা : তাক কহো শুনা। সৃষ্টি স্থিতি লয় তাহান লীলা : আৰু আপুনিও জানা : তথাপি সংখেপে কহিলো।" (কথা-ভাগৱত ১।৫)। কথা-ভাগৱতত শ্ৰীধৰ স্বামীৰ টীকাৰ প্ৰভাৱ পৰিছে আৰু প্ৰতিটো অধ্যায়ৰ আৰম্ভণিতে শ্ৰীধৰস্বামীৰ শ্লোকৰ আহিত অধ্যায়টোৰ বিষয়বস্তুৰ ইঙ্গিত থকা শ্লোকো পোৱা যায়। আকৌ প্ৰতি অধ্যায়ৰ সামৰণিত সংস্কৃত শ্লোকৰ ওপৰত কৃষ্ণ-স্তুতি থকা দুই এটা বাক্যও লিখিছে।

কথা-গীতা :—কথা-ভাগৱতৰ পাচতে কথা-গীতা (১৫৯৮-৯৯ খ্ৰী:) ৰচনা কৰা হয়। চৰিতপুথিৰ মতে তেওঁ কথা-ভাগৱত লিখোঁতে অৰ্জুনক লগৰীয়া কৰি লৈছিল। কিন্তু কথা-গীতা ৰচনা কৰোঁতে পাচৰ অৱস্থাত তেওঁক একেবাৰে **আত্মসাৎ** কৰি পেলাইছিল—

"যি কালে গীতাৰ কথা কৰা মহাসন্ত।
সেহিকালে 'আত্মসাৎ' কৰি ধৰিলন্ত॥
দ্বাদশ স্কন্ধৰ কথা যি কালে দিলন্ত।
সেহিকালে আত্মসঙ্গী কৰি ধৰিলন্ত॥ (ৰামৰায়)

পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে কথা-ভাগৱত ৰচনাৰ সময় প্ৰসঙ্গত কৈছে,

"কথা-ভাগৱতৰ ভাষাতকৈ কথা-গীতাৰ ভাষা বেচি কোমল আৰু সৰল। কথা-ভাগৱতত যিমান পুৰণি অপ্ৰচলিত শব্দৰ ব্যৱহাৰ দেখিবলৈ পোৱা যায় কথ-গীতাত সিমান নাই। কথা-ভাগৱতৰ ৰচনাতকৈ কথা-গীতাৰ ৰচনাও প্ৰাঞ্জল আৰু মধুৰ।"

কথা-গীতা অসমীয়া সাহিত্যৰ অমূল্য সম্পদ। "কথা-গীতাৰ ভাষা গুৰু-গম্ভীৰ সাধুভাষা; চুটি চুটি বাক্য সংযোগেৰে গধুৰ বিষয়-বস্তু বুজোৱাত লিখকৰ অতুলনীয় ৰচনা ক্ষমতা পৰিলক্ষিত হৈছে।........কথোপকথন, প্ৰশ্ন উত্তৰ আৰু তৰ্ক পদ্ধতিৰ ৰীতিৰে গোটেই পুথিখনি ৰচনা কৰা হৈছে।" (ডঃ বৰুৱা।) জটিল আৰু দাৰ্শনিক তত্ত্বকথা অতি সহজ সৰলভাৱে বুজাইছে। কথা-গীতাত তৎসম শব্দৰ প্ৰচুৰ ব্যৱহাৰ পোৱা যায়। ইয়াৰ ওপৰত সংস্কৃত বাক্যৰীতিৰ প্ৰভাৱো পৰিছে।

ভক্তি বিৱেক আৰু **শৰণসংগ্ৰহ বা শৰণমালিকা** ভট্টদেৱৰ আন দুখন সংস্কৃত গ্ৰন্থ। ভক্তি-বিৱেক ১৫৪৩ শকত লেখে আৰু ইয়াত ভক্তিবাদৰ কথা আছে। শৰণ সংগ্ৰহ এখন ভক্তি শাস্ত্ৰ। ইয়াত শৰণৰ উদ্দেশ্য, অৰ্থ আৰু প্ৰণালী স্পষ্টকৈ বৰ্ণনা কৰিছে। প্ৰসঙ্গমালা আৰু গুৰুবংশাৱলী পুথি পদত ৰচনা কৰা। ভট্টদেৱে দামোদৰদেৱৰ বিষয়ে ৰচা এটি ভটিমাও আছে।

ভট্টদেৱৰ ৰচনাৰ বৈশিষ্ট্য:—ভট্টদেৱে সাহিত্য ৰচনাত অসমীয়া গদ্য ব্যৱহাৰ কৰি চিন্তাবস্তু স্পষ্টৰূপে প্ৰকাশ কৰিছে। কথা-ভাগৱত আৰু কথা-গীতা দুয়োখন অসমীয়া সাহিত্যৰ অমূল্য সম্পদ। কথ্যভাষা ব্যৱহাৰ কৰি লেখক কৃতকাৰ্য্য হৈছে। মহাপুৰুষ শঙ্কৰদেৱ আৰু মাধৱদেৱৰ যি গদ্য গীতিমূলক আৰু ব্ৰজাৱলী প্ৰভাৱান্বিত আছিল, ভট্টদেৱৰ হাতত প্ৰায় এশ বছৰৰ পাচত সি পৰিপুষ্টি লাভ কৰে। ভট্টদেৱৰ গদ্য কৃত্ৰিম যদিও ব্ৰজাৱলী মিহলি নহয়। কেৱল ভাৱৰ বাহনস্বৰূপে গদ্য সাহিত্য ৰচনা কৰি ভট্টদেৱে গদ্য সাহিত্যৰ পোন প্ৰথমতে বাট দেখুৱায়। ভট্টদেৱৰ ৰচনা-কৌশল মন কৰিবলগীয়া; তেওঁৰ লেখনী ব্যাখ্যামূলক বা অনুবাদমূলক হলেও তাৰ ভিতৰতে সম্পূৰ্ণ মৌলিকতা আছে আৰু অসামান্য প্ৰকাশ-শক্তিয়ে তাক মনোৰম কৰি তুলিছে।

তেওঁৰ শব্দ সংগঠন আৰু বাক্যৰীতি সংস্কৃত প্ৰভাৱান্বিত। তৎসম শব্দৰ ব্যৱহাৰ বেচি হলেও সি আড়ম্বৰপূৰ্ণ আৰু দুৰ্ব্বোধ্য নহয়। ই তেওঁৰ ৰচনা গম্ভীৰ আৰু শক্তিশালী কৰি তুলিছে। অলাগতিয়াল শব্দৰ ব্যৱহাৰ কম দেখা যায়। যেৰে তেৰে, যি-সি, যাৰ-তাৰ আদি শব্দেৰে বাক্য গঠন কৰা ৰীতি

অনুসৰণ কৰা হৈছে। অসমাপিকা ক্ৰিয়াৰ যথেষ্ট ব্যৱহাৰ দেখা যায়। তেওঁৰ ৰচনাত ক্ৰিয়াপদৰ বিভিন্ন ৰূপৰ সামঞ্জস্য ঘটিছে।

মুঠতে, ভট্টদেৱৰ হাতত অসমীয়া গদ্য ৰীতিৰ বান্ধ দৃঢ় হৈ পৰিল। তেওঁ গদ্যত পুথি ৰচনা কৰি কথ্য ভঙ্গিমাক সাহিত্যত ঠাই দিলে। মহাপুৰুষ শঙ্কৰদেৱে নাটত গদ্যৰ যি বীজ সঞ্চাৰ কৰি থৈ গ'ল ভট্টদেৱৰ হাতত সি এনে সুন্দৰ আৰু সৰ্বাঙ্গীন হ'ল যে জটিল দাৰ্শনিক তত্ত্বকো শুৱলাকৈ বৰ্ণনা কৰিব পৰা হ'ল। তেৱেঁই **কাব্যধৰ্মী অসমীয়া সাহিত্যক গদ্যৰ পিনে** ঢাল খুৱায়। স্বৰূপতে তেওঁৰ কথা ভাগৱত আৰু কথা-গীতাই ষোড়শ শতিকাত অসমীয়া সাহিত্যক সুপ্ৰতিষ্ঠিত কৰে; আৰু উত্তৰ ভাৰতৰ প্ৰাদেশিক ভাষা-সমূহৰ ভিতৰতে এই গদ্য অতি প্ৰাচীন।

ভাগৱত পুৰাণৰ বিভিন্ন স্কন্ধৰ ভাঙনি :—মহাৰাজ নৰনাৰায়ণৰ (১৫৪০—১৫৮০ খ্ৰীঃ) অনুপ্ৰেৰণাত **কলাপচন্দ্ৰই** ভাগৱতৰ চতুৰ্থ স্কন্ধ ভাঙনি কৰে আৰু ৰাধাবিজয় বা ৰাধাচৰিত্ৰ ৰচনা কৰে। তেওঁৰ ৰাধাচৰিত্ৰ হৈছে কবিৰ কল্পনাৰ পৰা উদ্ভূত বৈষ্ণৱ ৰূপ। দামোদৰদেৱৰ তিৰোভাৱৰ আগতে গাজোৰ **হৰিদেৱে** ভাগৱতৰ পঞ্চম স্কন্ধ অনুবাদ কৰে। মায়ামৰা সম্প্ৰদায় স্থাপন কৰোঁতা **অনিৰুদ্ধদেৱে** ভাগৱতৰ চতুৰ্থ আৰু পঞ্চম স্কন্ধ ভাঙনি কৰে। তেওঁৰ পূৰ্ব্বপুৰুষ মহীপাল উত্তৰ পাৰৰ নাৰায়ণপুৰৰ বিষ্ণুবানী কোঁচগাৱৰ ৰিষ্ণু বালিকুঞ্চি গ্ৰাম এজন মুখীয়াল লোক আছিল। মহীপালৰ পুত্ৰ গোন্দাগিৰি হৈছে অনিৰুদ্ধৰ পিতৃ। অনিৰুদ্ধৰ সময় ১৫৫৩—১৬২৬ খ্ৰীঃ ধৰা হয়। পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে তেওঁক কোচৰজা পৰীক্ষিতৰ (১৫৯৩—১৬১২ খ্ৰীঃ) সময়ৰ বুলিছে; কিন্তু চাৰ এডোৱাৰ্ড গেইট আৰু নগেন্দ্ৰনাথ বসুৱে তেওঁক শঙ্কৰদেৱৰ সমসাময়িক বুলিছে। তেওঁ এজন বিদগ্ধ পণ্ডিত আৰু কবি শক্তিসম্পন্ন পুৰুষ আছিল। তেওঁ ভৱানীপুৰীয়া গোপাল আতাৰ শিষ্য—'কহে অনিৰুদ্ধ পৰম পণ্ডিত গোপালৰ পদ দাস।' তেওঁ মহাভাৰতৰ সভাপৰ্ব্বৰ ভাঙনিৰ উপৰিও **ধৰমৰ গীত** আৰু **ভক্তিমঙ্গল ঘোষা** ৰচনা কৰে। দামোদৰপন্থী আৰু কিছুকাল বৈকুণ্ঠপুৰ সত্ৰত থকা **গোপালচৰণ দ্বিজই** (১৬।১৭শ শতিকা) ভাগৱতৰ তৃতীয় আৰু অষ্টম স্কন্ধৰ পদ ভাঙনি কৰে। হৰিবংশৰ (পাৰিজাত হৰণ) ভাঙনিত তেওঁ নিজকে দামোদৰদেৱৰ শিষ্য আৰু সহকৰ্ম্মী গোপাল মিশ্ৰৰ শিষ্য বুলিছে। তেওঁ শঙ্কৰদেৱৰ ভক্তি ৰত্নাকৰৰ কথা-ভাঙনি কৰে। এই পুথিৰ ভাষা সৰল আৰু প্ৰাঞ্জল। গোপালচৰণ

দ্বিজ এজন পণ্ডিত আছিল আৰু বৰনগৰত তেওঁৰ এখন টোল আছিল। তেওঁ কোচৰজা ৰঘুদেৱৰ (প্ৰায় ১৫৫৮ খ্ৰীঃ) সময়ৰ আছিল। শঙ্কৰদেৱৰ ভায়েকৰ (বনগঞাগিৰী বা হলধৰ) নাতিয়েক **কেশৱ দাস কায়স্থই** (১৭শ শতিকা) ভাগৱতৰ সপ্তম, অষ্টম আৰু নৱম স্কন্ধৰ পদ ভাঙনি কৰিছিল।

পুৰুষোত্তম গজপতিৰ দীপিকা ছন্দ :—কোনো কোনোৱে জীতাৰি বংশী ৰজা ৰামচন্দ্ৰক (১৩২০ খ্ৰীঃ) পুৰুষোত্তমৰ পূৰ্ব্বপুৰুষ বুলি কয়। কোনোৱে আকৌ তেওঁক ষোড়শ শতিকাৰ বেলতলাৰ ৰজা বোলে। কনকলাল বৰুৱাৰ মতে কপিলেন্দ্ৰ গজপতিৰ পুত্ৰ পুৰুষোত্তম গজপতি উড়িষ্যাৰ এজন (১৪৭৬ —১৪৯৭ খ্ৰীঃ) শক্তিশালী ৰজা আছিল আৰু তেওঁৰ সাম্ৰাজ্য বঙ্গৰ হুগলী জিলাৰপৰা মাদ্ৰাজ প্ৰেচিডেন্সিৰ গণ্টুৰ জিলা পৰ্য্যন্ত বিস্তৃত আছিল। পুৰুষোত্তমৰ পিতৃৰ দুশ হেজাৰ যুদ্ধৰ হাতী থকাৰ কাৰণে তেওঁ গজপতি উপাধি লৈছিল। ষোড়শ শতিকাত অসম আৰু উড়িষ্যাৰ ঘনিষ্ঠ সম্বন্ধ আছিল। পুৰুষোত্তমৰ সংস্কৃত নাম-মালিকাৰ অসমীয়া পদ-ভাঙনিৰ দৰে এই **দীপিকা ছন্দ** পুথিখন অসমলৈ আনি কোনোবাই পদ কৰিছিল। এই পুথিত ব্ৰাহ্মণ আৰু বৌদ্ধসকলৰ পতন বৰ্ণাই সকলো ধৰ্ম্মৰ ওপৰত বৈষ্ণৱ ধৰ্ম্মৰ প্ৰাধান্য দেখুৱাবৰ চেষ্টা কৰা হৈছে। পুথিখন ছয়টা কলা বা অধ্যায়ত বিভক্ত। যেনে :—দেৱতা কলা, ব্ৰহ্মা কলা, পাষণ্ড কলা, বৈষ্ণৱ কলা, ৰাজ কলা, শূদ্ৰ কলা ইত্যাদি। এই পুথিৰ মূল হৈছে আদি যামল আৰু হংসকাকি।

ৰুদ্ৰ যামল :—পুৰুষোত্তম গজপতিৰ **ৰুদ্ৰ যামল** নামৰ আন এখন অসমীয়া পদ ভাঙনি পোৱা যায়। পুথিৰ মূল হৈছে হংসকাকি আৰু যামল সংহিতা। এই পুথিখন **দীপিকা ছন্দৰ সংক্ষিপ্ত তাণ্ডৱণ** ('দীপিকা ছন্দক চাই সংক্ষেপিয়া থৈলো')। উক্ত পুথিৰ দৰে দীপিকা ছন্দতো কলা বিভাগ আছে আৰু ইয়াৰ কথাও একে।

চৰিত সাহিত্য :—চৰিত পুথিসমূহে অসমৰ বৈষ্ণৱ ধৰ্ম্মৰ ধাৰা আৰু তাৰ নীতি বুজাত, আৰু সেই ধৰ্ম্মৰ বুৰঞ্জী-জনাত সহায় কৰে। এই চৰিত পুথি-সমূহ দুই শ্ৰেণীৰ—একবিধত ব্যক্তিবিশেষৰ জীৱন বৃত্তান্ত থাকে ; আৰু আন-বিধত একাধিক সন্ত-মহন্তৰ গুণগৰিমাৰ বৰ্ণনা থাকে। সত্ৰীয়া বংশাৱলীসমূহ এই শ্ৰেণীত পৰে। মহাপুৰুষসকলক কেন্দ্ৰ কৰি অসমৰ সামাজিক আৰু সাংস্কৃতিক জীৱনৰ আভাস এই চৰিত পুথিৰপৰা পাব পাৰি। তলত কেইজনা-মান চৰিত-পুথি ৰচোতাৰ অৱদানৰ কথা উল্লেখ কৰা হ'ল।

দ্বিজভূষণ:—কালিৰাম মেধিৰ মতে দ্বিজভূষণৰ সময় আনুমানিক ১৫০৭-১৫৭৭ খ্ৰীঃ। বৰনগৰৰ অন্তৰ্গত ডিঙানগৰত চক্ৰপাণি দ্বিজ নামৰ এজন পণ্ডিত আছিল। তেওঁ ঠাকুৰ আতাৰ উপদেশমতে নামধৰ্ম্মত শৰণ লয়। চক্ৰপাণিৰ পুত্ৰ বৈকুণ্ঠ আৰু তেওঁৰ পুতেক ভূষণ দ্বিজ। দ্বিজভূষণৰ ঘৰ নাচিগ্ৰামত, গণককুচিৰপৰা ৪ দণ্ডৰ বাট। তেওঁ ঠাকুৰ আতাৰ (ভৱানন্দ) পুৰোহিত আছিল। পুৰুষোত্তম আৰু চতুৰ্ভুজ দ্বিজভূষণৰ মিত্ৰ আছিল। তেওঁ পুৰুষোত্তম ঠাকুৰৰ মৃত্যুৰ পাচত **শঙ্কৰ চৰিত** ৰচনা কৰে। এই পুথিৰ জোৰণিত আছে—"নাহিকে আৰিসে যাক চাহিয়া লিখিবো।" এই চৰিতৰ উপাদান পুৰুষোত্তম, চতুৰ্ভুজ আৰু সেই সময়ৰ আন আন সন্তৰপৰা সংগ্ৰহ কৰিছিল। লক্ষ্মীনাথ বেজবৰুৱাৰ মতে এই চৰিতখন ৰামচৰণৰ পুথিৰ পিছত নিশ্চয় ৰচিত। দ্বিজভূষণে **অজামিল উপাখ্যান** আৰু **স্যমন্ত-হৰণ** নামৰ দুখন নাট ৰচনা কৰে।

ৰামচৰণ ঠাকুৰ (১৫১০-১৬০০ খ্ৰীঃ):—ৰামচৰণ ঠাকুৰ ৰামদাস বা গয়াপাণিৰ পুত্ৰ আৰু মাধৱদেৱৰ ভাগিনীয়েক। তেওঁৰ মাকৰ নাম উৰ্ব্বশী। তেওঁৰ জন্ম পাটবাউসীত। কালিৰাম মেধিৰ মতে তেওঁৰ সময় ১৫২১-১৬০০ খ্ৰীঃ (আনু)। মাধৱদেৱ কোচবেহাৰলৈ যোৱাৰ পিচত তেওঁ সুন্দৰীদিয়াত থাকে। তেওঁ শঙ্কৰদেৱৰ **ভক্তি-ৰত্নাকৰৰ** সংস্কৃত পদ-ভাঙনি কৰি পাণ্ডিত্যৰ চিনাকি দিয়ে। তেওঁৰ **শঙ্কৰ-চৰিত** এখন উল্লেখযোগ্য জীৱন-চৰিত। তেওঁ কিছুমান **গীত, ভক্তি-ৰত্ন** নামৰ এখন সৰু ভক্তিবাদৰ পুথি আৰু **কংসবধ** নামৰ নাট ৰচনা কৰে। এই নাটৰ ভটিমাটি শঙ্কৰদেৱৰ ৰচনা। তেওঁ মাধৱদেৱৰ আজ্ঞাৰে কীৰ্ত্তনখন সংগ্ৰহ কৰে।

দৈত্যাৰি ঠাকুৰ (আনুঃ ১৫৬৪—১৬২২ খ্ৰীঃ):—মাধৱদেৱে সুন্দৰীদিয়াত সত্ৰ পতাৰ (প্ৰায় ১৫৫৭ খ্ৰীঃ) ছবছৰৰ পাছত ৰামচৰণ ঠাকুৰে তেওঁৰ থবৰ লবৰ কাৰণে যায়। ৰামচৰণ ঠাকুৰে চিৰকুমাৰ হৈ থাকিব নোৱাৰিম বোলাত মাধৱদেৱে তেওঁ ৰন্ধা ভাত থায়। ইয়াৰ কিছুদিনৰ পাচত ঠাকুৰৰ বিয়া হয়। তেওঁৰ পুত্ৰ দৈত্যাৰি ১৫৬৪ খ্ৰীঃত (আনুমানিক) জন্ম হয়। মাধৱদেৱ বৈকুণ্ঠী হোৱাৰ তিনিমাহৰ পাচত শ্ৰীৰাম আতাই কোচবেহাৰৰপৰা আহোঁতে দৈত্যাৰিক নিজ ঘৰত লগ পায়। পিতৃ বিয়োগৰ পাচত দৈত্যাৰি ঠাকুৰ সুন্দৰীদিয়া সত্ৰৰ অধিকাৰ হয়। তেওঁ ১৫৪২ শকমানৰ আগতে **শঙ্কৰদেৱ-মাধৱদেৱ চৰিত্ৰ** ৰচনা কৰে। এই চৰিতত শঙ্কৰদেৱৰ জীৱনী চমুকৈ আৰু মাধৱদেৱৰ জীৱনী বিশদভাৱে আলোচনা কৰা হৈছে। এওঁ চৰিত পুথি

লিখোঁতে কোনো আহি নোপোৱা (নাহিকে আৰিহি) কথা মন কৰিবলগীয়া। পুত্ৰই পিতৃৰ চৰিত পুথিখন নোপোৱা কথাটোৱে ৰামচৰণ ঠাকুৰৰ চৰিতখনৰ বিষয়ে সন্দেহৰ সৃষ্টি কৰে। দৈত্যাৰি ঠাকুৰে **নৃসিংহযাত্ৰা, স্যমন্তহৰণ যাত্ৰা** আৰু কিছু **গীত** ৰচনা কৰে। দ্বিজ ৰামানন্দৰ চৰিতমতে মাধৱদেৱে নৃসিংহযাত্ৰা ভাওনাত ছোঁ পিন্ধি নৃসিংহৰ ভাও লৈছিল। নাট দুখনৰ ওপৰত যথাক্ৰমে শঙ্কৰদেৱৰ প্ৰহ্লাদ চৰিত্ৰ আৰু স্যমন্ত-হৰণৰ প্ৰভাৱ পৰিছে। নৃসিংহযাত্ৰাৰ বিষয়-বস্তু ভাগৱতৰ সপ্তম স্কন্ধ আৰু স্যমন্তহৰণৰ ভাগৱতৰ দশম স্কন্ধৰপৰা লোৱা হৈছে।

ৰামানন্দ দ্বিজ:—ৰামানন্দ দ্বিজ সপ্তদশ শতিকাৰ লোক। তেওঁ ভৱানীপুৰীয়া গোপাল আতাৰ শিষ্য শ্ৰীৰামদেৱ ভাটি আতাৰ পুত্ৰ আৰু আইতগুৰি সত্ৰৰ অধিকাৰ। তেওঁ আতন বুঢ়াগোহাঁইৰ (১৬৪৮—৭৯) পুষ্টপোষকতাত মাজুলীত এই সত্ৰ পাতে আৰু বুঢ়াগোহাঁইৰ আজ্ঞাৰে গুৰুচৰিত ৰচনা কৰে। তেওঁ **শঙ্কৰদেৱ-মাধৱদেৱ চৰিত**, ভৱানীপুৰীয়া **গোপাল আতাৰ চৰিত** আৰু কিছুমান **গীত** ৰচনা কৰে।

ৰামৰায় দাস:—কোচৰজা চন্দ্ৰনাৰায়ণৰ (১৬৪০-১৬৬০ খ্ৰীঃ) ৰাজত্বকালত ৰামৰায় দাসে **গুৰুলীলা** ৰচনা কৰে। এই চৰিতপুথিত দামোদৰদেৱৰ জন্মৰপৰা ভট্টদেৱৰ সময়লৈকে সকলো কথাৰ বিবৰণ আছে। ৰামৰায় দাস লোচসত্ৰৰ অৰ্জ্জুনদেৱৰ শিষ্য আছিল।

ওপৰত উল্লেখ কৰা চৰিত পুথিৰ উপৰিও **নীলকণ্ঠ দাসৰ** "দামোদৰদেৱৰ চৰিত্ৰ", **ৰামানন্দ** আৰু **শ্ৰীৰাম যন্ত্ৰমণিৰ** "গোপাল আতাৰ চৰিত্ৰ", ৰমাকান্ত দ্বিজৰ "**বনমালীদেৱৰ চৰিত**" **ৰামানন্দ দ্বিজৰ** "বংশীগোপাল দেৱৰ চৰিত্ৰ", **অম্বাৰীশ দ্বিজৰ** "কেশৱদেৱৰ চৰিত্ৰ", **অনিৰুদ্ধৰ দাসৰ** "গুৰু বৰ্ণনা", **দামোদৰ দাসৰ** "গুৰুচৰিত্ৰ", **শ্ৰীকৃষ্ণমিশ্ৰৰ** "দামোদৰ চৰিত", কবি **কৃষ্ণ আচাৰ্য্যৰ** পদ-পুথি "সন্ত-চৰিত", বেদান্ত পণ্ডিত **কৃষ্ণভাৰতীৰ** কথা-ৰচনা "সন্ত-নিৰ্ণয়" (অসমীয়া গদ্য আৰু মাজে মাজে সংস্কৃত শ্লোক), **জয়নাৰায়ণৰ** ৰামগোপাল চৰিত (শ্ৰীৰামদেৱ, ৰামানন্দ আৰু ৰামগোপাল দেৱৰ চৰিত), **বিষ্ণানন্দ ওজাৰ** "ঠাকুৰ চৰিত্ৰ" আদি অনেক চৰিত পুথি পোৱা যায়।

জ্ঞান-বিজ্ঞান বিষয়ক চৰ্চ্চা:—কোচৰজাসকল এহাতে যেনেকৈ সংস্কৃত শাস্ত্ৰ চৰ্চ্চাৰ প্ৰতি আগ্ৰহান্বিত আছিল, আনহাতে তেনেকৈ মাতৃভাষালৈ সংস্কৃতৰ

জ্ঞান-শাস্ত্ৰসমূহ ভাঙনি কৰাই সৰ্ব্বসাধাৰণে বুজিব পৰা কৰিছিল। ৰজাই পণ্ডিতসকলক শাস্ত্ৰ অধ্যয়ন আৰু পুথি ৰচনাৰ সকলো সুবিধা দিছিল।

দৰং ৰাজবংশাৱলীত আছে ঃ—

"শুনিও শ্ৰীধৰ তুমি মোৰ বাক্য ধৰা।
জ্যোতিষক ভাঙি তুমি সাধ্য খণ্ড কৰা॥
বকুল কায়স্থ তুমি ভাঙা লীলাৱতী।
অল্পতে বুজয় যেন কায়স্থ সম্প্ৰতি॥
শুনিয়ো পুৰুষোত্তম ভট্টাচাৰ্য্য দ্বিজ।
কৰিয়োক ৰত্নমালা ব্যাকৰণৰ বীজ॥

নৰনাৰায়ণ ৰজাৰ আদেশ অনুযায়ী **শ্ৰীধৰ কন্দলিয়ে** জ্যোতিষৰ সাধ্য খণ্ড আৰু **বকুল কায়স্থই** লীলাৱতীৰ অঙ্কশাস্ত্ৰৰ অসমীয়া ভাঙনি কৰি ব্যাৱহাৰিক জ্ঞান-শাস্ত্ৰৰ চৰ্চ্চা বঢ়াইছিল। বকুল কায়স্থৰ এই **কিতাবত মঞ্জৰী** নামৰ অঙ্কৰ পদপুথিত হিচাপ-পত্ৰ কেনেকৈ ৰাখিব লাগে তাৰ নিয়ম দিয়া আছে। ইয়াত ঘাইকৈ গণিত, জৰীপ আদিৰ কথা পোৱা যায়। পুথিৰ সামৰণিৰ ফালে নাৰায়ণ দাস, উমাপতি সিদ্ধ, হৃদয়ানন্দ কায়স্থ, দুৰ্গাদাস প্ৰভৃতি গ্ৰন্থকাৰৰ পৰা উদাহৰণ তুলি দিয়া আছে। পুথি ৰচনাৰ সময় ১৪৩০ শক। ১৩৯০ শকত লীলাৱতীৰ মূল পুথিখন মজিন্দাৰ বংশৰ আদি পুৰুষ দুৰ্গাৰাম কায়স্থই অসমলৈ আনে আৰু কোনো এজন **কবিৰত্ন দ্বিজই** ইয়াক অসমীয়ালৈ ভাঙে। গণিত, জ্যোতিষ আৰু জৰীপ সম্বন্ধীয় এখন **"জ্যোতিষ চূড়ামণি"** নামৰ পদপুথি পোৱা হয় আৰু বকুল কায়স্থ আদিৰ উল্লেখৰ পৰা এই পুথি এই সময়ৰ ৰচনা বুলিব পাৰি। কামৰূপৰ বিদগ্ধ পণ্ডিত আৰু মহাৰাজ নৰনাৰায়ণৰ ৰাজসভাৰ অন্যতম সভাপণ্ডিত মহামহোপাধ্যায় **পুৰুষোত্তম ঠাকুৰ বিদ্যাবাগীশে** ৰাণী ভানুমতীৰ আদেশ মতে ১৫৬৮ খ্ৰীঃত সংস্কৃতত **"প্ৰয়োগ ৰত্নমালা"** ব্যাকৰণ ৰচনা কৰে। মহাবীৰ চিলাৰায়ে গৌড়ৰ ৰাজসভাৰপৰা অনা খ্যাতনামা পণ্ডিত **পীতাম্বৰ সিদ্ধান্তবাগীশে কৌমুদী** নামৰ স্মৃতি-গ্ৰন্থ ১৮ খণ্ডত ৰচনা কৰে; ইয়াৰ উপৰি তেওঁ **ভাগৱতৰ প্ৰথম আৰু দশম স্কন্ধ আৰু মাৰ্কণ্ডেয় পুৰাণ** ৰচনা কৰে। এই পুৰাণৰ ৰচনা যুৱৰাজ শুক্লধ্বজৰ ইচ্ছানুসাৰে ১৫২৪ শক বা ১৬০২ খ্ৰীষ্টাব্দত (বেদ পক্ষ বাণ আৰু শশাঙ্ক শকত আৰম্ভ কৰিলো মাৰ্কণ্ডেয় কথা মত) হয়। পুৰুষোত্তম ঠাকুৰ আৰু পীতাম্বৰ সিদ্ধান্তবাগীশ নৰনাৰায়ণৰ ৰাজসভালৈ অহাৰ বিষয়ে দুটা মত পোৱা যায়। ৰজা

হৰেন্দ্ৰনাৰায়ণৰ বৃহৎ ৰাজবংশাৱলীত আছে যে এওঁলোক দুয়ো তীৰ্থভ্ৰমণৰ কাৰণে কামৰূপলৈ আহে; আৰু নৰনাৰায়ণ ৰজাই তেওঁলোকক আদৰ অভ্যৰ্থনা কৰে আৰু নথন গাঁও দিয়ে। আন এটা মত হৈছে যে চিলাৰায়ে গৌড়ৰ বাদশাহৰ মাকক সৰ্প-দংশনৰপৰা আৰোগ্য কৰে। উপহাৰস্বৰূপে চিলাৰায়ক মুক্তি দিয়া হয় আৰু দুজন বিদ্বান পণ্ডিত লগত নিবলৈ দিয়ে। তেতিয়াৰপৰা এই দুজন পণ্ডিত নৰনাৰায়ণৰ ৰাজসভাত থাকে।

গীত-ৰচনা :—এই যুগত বৰগীতৰ আহিত বিভিন্ন গীত ৰচনা হৈছিল। গোপাল আতা শ্ৰীৰাম আতা আদিৰ গীতৰ আহিত অনেক গীত ৰচিত হৈছিল। মথুৰাদাস আতাৰ শিষ্য জগদানন্দ, ভৱানীপুৰীয়া গোপাল আতাৰ কন্যা পদ্মাপ্ৰিয়া, সনাতনদেৱ, কৈৱল্যনন্দনদেৱ, বল্লভচন্দ্ৰদেৱ আদি বিৰচিত অনেক গীত পোৱা যায়। সম্প্ৰতি গোপাল আতা (শ্ৰীজগৰাম বৰুৱা ; শ্ৰীকুমুদ চন্দ্ৰ মহন্ত বি-এ, বি-টি সম্পাদিত), শ্ৰীৰাম আতা আৰু শ্ৰীৰামানন্দ দেৱ (ডঃ বিৰিঞ্চি কুমাৰ বৰুৱা সম্পাদিত), আদি অনেক সন্ত-মহন্তৰ গীত সংগ্ৰহ আৰু প্ৰকাশ হৈছে।

দশম অধ্যায়

উত্তৰবৈষ্ণৱ যুগ বা বিস্তাৰ যুগ

পাতনি—স্বৰূপতে বৈষ্ণৱ যুগ আৰু উত্তৰবৈষ্ণৱ যুগৰ ভিতৰত সীমাৰেখা টানিব নোৱাৰি। কিয়নো উত্তৰবৈষ্ণৱ-যুগ বৈষ্ণৱ-যুগৰে ক্ৰম বিস্তাৰ মাথোন। ৰচনা-ৰীতিৰ ফালৰ পৰা এই যুগ ঘাইকৈ কথা-সাহিত্যৰ যুগ বুলিব পাৰি। শঙ্কৰদেৱ আৰু মাধৱদেৱে আদিয়ে নাটত যি গদ্য আৰম্ভ কৰিলে আৰু ভট্টদেৱৰ হাতত যি গদ্য ভাব প্ৰকাশৰ উজু বাহন হৈ পৰিল, বিস্তাৰ যুগতো ৰঘুনাথ মহন্ত আদিয়ে সেই গদ্যৰ উৎকৰ্ষ সাধন কৰিলে। ভট্টদেৱৰ ৰচনা-ৰীতি অনুকৰণ কৰি সমসাময়িক অনেক পণ্ডিতে সংস্কৃত শাস্ত্ৰৰ কথা-ভাঙনি কৰে। আহোম ৰজাসকলে বুৰঞ্জী লিখা প্ৰথা প্ৰবৰ্ত্তন কৰে। ৰাজনৈতিক ফালৰপৰা এই যুগ আহোম ৰাজত্বৰ গৌৰৱৰ যুগ। কিন্তু শেহৰ ফাললৈ মায়ামৰা বিদ্ৰোহ, মানৰ আক্ৰমণ আদিৰ ফলত আহোম শক্তি দুৰ্ব্বল হৈ পৰে আৰু ইয়াণ্ডাবু-সন্ধিমতে (১৮২৬ চন ২৪ ফেব্ৰুৱাৰী) অসম ইংৰাজৰ হাতলৈ যায়।

মহাভাৰতৰ বিভিন্ন পৰ্ব্বৰ পদ-ভাঙনি :—বৰপেটাৰ শিলাৰ **সাগৰ খড়িয়ে** (১৮শ শতিকা) বনপৰ্ব্বক আশ্ৰয় কৰি **কুৰ্ম্মাৱলী বধ কাব্য** ৰচনা কৰে। **বিষ্ণুৰাম দ্বিজই দাতাকৰ্ণ** পুথি ৰচনা কৰে। **শিষ্ট ভট্টাচাৰ্য্যই** সভাপৰ্ব্ব **শিশুপাল বধ** ভাঙনি কৰে। ভট্টদেৱৰ শিষ্য **দামোদৰ দাসে** ৰঘুদেৱৰ পুতেক ধৰ্ম্মনাৰায়ণৰ ৰাজত্ব কালত **দ্ৰোণ** পৰ্ব্ব আৰু **শল্য পৰ্ব্বৰ** (১৬৩৮ খ্ৰীঃ) ভাঙনি কৰে। স্বৰ্গদেৱ জয়ধ্বজ সিংহৰ (১৬৫৪—১৬৬৩ খ্ৰীঃ) শহুৰেক নেওঁগ গোহাঁই বা নেওঁগ ফুকনৰ আদেশমতে দিচৈগ্ৰাম নিবাসী **ৰাম মিশ্ৰই** বীৰত্বব্যঞ্জক ভাষাত **ভীষ্ম পৰ্ব্বৰ** পদ ভাঙনি কৰে। তেওঁৰ পূৰ্ব্বপুৰুষ হৈছে নাৰায়ণপুৰৰ কলাপ চন্দ্ৰদ্বিজ—কলাপচন্দ্ৰৰ পুত্ৰ হৰি ভাৰতি—হৰি ভাৰতিৰ পুত্ৰ মাধৱ কন্দলি (আহোম কটকী) আৰু এই কন্দলি হৈছে ৰাম মিশ্ৰৰ বাপেক। **কবিৰাজ মিশ্ৰই** (আন নাম কবিচন্দ্ৰ) **গদা পৰ্ব্বৰ** ভাঙনি কৰে আৰু হেলচি গাৱঁৰ **লক্ষ্মীনাথ দ্বিজই** (অষ্টাদশ শতিকাৰ শেষ ভাগ) **শান্তি পৰ্ব্বৰ** ভাঙনি কৰে। অষ্টাদশ শতিকাত ৰঘুনাথৰ পুত্ৰ **পৃথুৰাম দ্বিজই মহাপ্ৰস্থানিক পৰ্ব্ব** আৰু ৰজা কমলেশ্বৰ সিংহৰ (১৭৯৫—১৮১০ খ্ৰীঃ) মন্ত্ৰী প্ৰতাপবল্লভৰ (কলিয়া ভোমোৰা বৰফুকন) অনুৰোধত **মুষল পৰ্ব্ব** ৰচনা কৰা বুলি কবিৰ ভণিতাৰ পৰা বুজা যায়। তেওঁ **স্বৰ্গাৰোহণ পৰ্ব্বৰো** (১৮০১ খ্ৰীঃ) পদ ভাঙনি কৰে।

অনন্ত ঠাকুৰ আতা (বা হৃদয়ানন্দ কায়স্থ) :—খ্ৰীষ্টীয় সপ্তদশ শতিকাৰ অনন্ত ঠাকুৰৰ পিতৃৰ নাম যদুগিৰি আৰু মাকৰ নাম বিষ্ণুপ্ৰিয়া। বিষ্ণুপ্ৰিয়া হৈছে শঙ্কৰৰ ভাতৃপৌত্ৰী। অনন্ত ঠাকুৰ বৰপেটাৰ ওচৰৰ বাৰাদিত বাস কৰিছিল; তেওঁ চতুৰ্ভুজ ঠাকুৰৰ পত্নী আই কনকলতাৰ আজ্ঞা লৈ নগাৱঁৰ মায়াঙত কালশিলা সত্ৰ পাতে। তেওঁৰ **প্ৰেমলতা** আগ বয়সৰ আৰু **শ্ৰীৰাম-কীৰ্ত্তন** শেষ বয়সৰ ৰচনা। শ্ৰীৰাম-কীৰ্ত্তন ৰচনাৰ সময় হৈছে ১৫৭৪ শক (অশ্বমুনি বাণচন্দ্ৰ শকত। আদ্ৰাণ তৃতীয়া শুক্ল পক্ষত। শ্ৰীৰাম কীৰ্ত্তন ভৈলা উপশাম)। এই পুথি কলাপচন্দ্ৰ দ্বিজৰ **"ৰামায়ণ-চন্দ্ৰিকা"** নামৰ সংস্কৃত কাব্যৰ সৰু সংস্কৰণ—

> "সাতকাণ্ড ৰামায়ণ বাল্মীকিৰ কৃত।
> তাৰ সাৰ উদ্ধাৰিয়া কৰিলা বিদিত॥
> ৰামায়ণ চন্দ্ৰিকা থৈলন্ত তাৰ নাম।
> কলাপ চন্দ্ৰ যে দ্বিজ মহন্ত উপাম॥

তাৰ সাৰ অৰ্থ মই কি কৈবো অধিক।

* * *

কীৰ্ত্তনৰ ছন্দে বিৰচিলো পদসাৰ।
শ্ৰীৰাম-কীৰ্ত্তন নাম বুজিবা ইহাৰ॥"

কীৰ্ত্তনৰ আহিত ঘোষা, পদ আদিৰে পুথিখন ৰচনা কৰা হৈছে। কবিৰ ৰামৰ কথাত কৃষ্ণৰ ভাব উদয় হৈছে। ইয়াত বিষ্ণুৰ অৱতাৰ, ৰামৰ অৱতাৰ আদি বৰ্ণনা কৰা হৈছে। শঙ্কৰদেৱৰ লেখনীৰ প্ৰভাবো পৰিলক্ষিত হয়। স্বৰূপতে এই ৰামায়ণখনি লৰা-ছোৱালীৰ কাৰণে শিশুৰামায়ণ আৰু ভক্তৰ পক্ষে কীৰ্ত্তন ঘোষা। ৰামৰ কাহিনী নিত্য প্ৰসঙ্গৰ উপযোগী কৰিবৰ কাৰণে ৰামায়ণখন ৰচনা কৰা হৈছে। মুঠতে ৰামায়ণ-চন্দ্ৰিকাৰ ছাঁ লৈ কীৰ্ত্তনৰ ছন্দেৰে ৰচনা কৰি অনন্ত ঠাকুৰে ৰামায়ণখন অতি মনোগ্ৰাহী কৰি তুলিছে। ইয়াত এহেজাৰ পদ আছে। তেওঁৰ **প্ৰেমলতা** এখন ভক্তিতত্ত্ব-বিষয়ক পদ-পুথি।

ৰঘুনাথ মহন্ত :—ৰঘুনাথ মহন্তৰ পিতৃ কৃষ্ণনাথ এজন নীতিজ্ঞ পণ্ডিত আছিল আৰু তেওঁৰ পাণ্ডিত্যত সন্তুষ্ট হৈ সন্দিকৈ ফুকনে দৈয়াঙত সত্ৰ স্থাপন কৰা বুলি উল্লেখ আছে। ৰঘুনাথ এলেঙ্গি গোসাঁইসকলৰ আদিপুৰুষ সন্তানন্দ বৰভকতৰ পৰা ষষ্ঠপুৰুষ (?) আৰু এই সন্তানন্দই তীৰ্থ লৈ যাওঁতে শঙ্কৰদেৱত শৰণ লৈ বৰভকত উপাধি পাইছিল। ৰঘুনাথ মহন্তই **কথা-ৰামায়ণ**, **শক্ৰঞ্জয়** আৰু **অদ্ভুত ৰামায়ণ** পুথি ৰচনা কৰে।

ভট্টদেৱৰ কথা-গীতা, কথা-ভাগৱত আদিৰ দৰে ৰঘুনাথ মহন্তৰ **কথা-ৰামায়ণ অসমীয়া গদ্য-সাহিত্যৰ অন্যতম কীৰ্ত্তিস্তম্ভ**। ডঃ সত্যেন্দ্ৰনাথ শৰ্ম্মাই কথা-ৰামায়ণ ৰচনাৰ সময় ১৬০৩ শক বুলিছে। ভট্টদেৱৰ প্ৰায় এশবছৰৰ পাচৰ কথা-ৰামায়ণ অসমীয়া গদ্য-সাহিত্যৰ আন এটা মাইলৰ খুটি। ই অসমীয়া সাহিত্যৰ অমূল্য সম্পদ। এতিয়ালৈকে কথা-ৰামায়ণৰ চাৰি কাণ্ডহে—আদি, অযোধ্যা, অৰণ্য আৰু কিষ্কিন্ধ্যা কাণ্ড—পোৱা গৈছে। কথা-ৰামায়ণ মূল ৰামায়ণৰ সংক্ষিপ্ত অনুবাদ হলেও ইয়াৰ ওপৰত মাধৱ কন্দলি, অনন্ত কন্দলি, মাধৱদেৱ আদিৰ ৰামায়ণৰ প্ৰভাৱ পৰিলক্ষিত হয়। অধিক কি, আদিকাণ্ডৰ ওপৰত মহাপুৰুষ শঙ্কৰদেৱৰ ৰাম-বিজয় নাটৰ প্ৰভাৱো পৰিছে। গোটেই পুথিখন নাটকীয় ভঙ্গীৰে লিখা হৈছে অৰ্থাৎ ইয়াত কথোপকথনৰ প্ৰাধান্য দেখা যায়। উদাহৰণ-স্বৰূপে সীতা-ৰামৰ ভিতৰত হোৱা কথোপকথনৰ একাংশ উদ্ধৃত কৰা হ'ল। "নাৰদে কহন্ত, জনকনন্দিনী, স্বামি

আসিবাৰ দেখি আগবাঢ়ি, স্বামীক নমিলা। শ্ৰীৰামৰ ভাব দেখি বুলিলা, হে প্ৰাণনাথ, কেহে তোমাৰ মুখপঙ্কজ ম্লান ভেল, ৰাজ চিহ্ন কেনে নাহি। শ্ৰীৰামে বোলন্ত, হে পৃয়ে হামাৰ ৰাজ্যপদ গুচি বনপদ ভৈল। চতুৰ্দ্দশ বৰ্ষ বনবাস কৰিতে হামো আজু যাত্ৰা কৰব। এথানে ভৰত ৰাজা হৈব। এহিতো কাৰ্জ্জে। অনুসোচ কৰো। অযোধ্যাৰ নৰনাৰীসৱে মোৰ পদে তাপ লভিব"। কথা-ৰামায়ণত ৰামক বিষ্ণুৰ অৱতাৰ আৰু কৃষ্ণৰ সৈতে অভেদ দেখুৱা হৈছে। কথা-গীতাতকৈ কথা-ভাগৱতৰ গদ্যৰ লগতহে কথা-ৰামায়ণৰ সাদৃশ্য দেখা যায়। কিন্তু এটা বিষয়ত ৰামায়ণৰ গদ্য আৰু ভট্টদেৱৰ গদ্যৰ ভিতৰত বিশেষ পাৰ্থক্য আছে। ভট্টদেৱৰ গদ্য কৃত্ৰিম অথচ ব্ৰজাৱলী মিহলি নহয়। সাধাৰণ পাঠকৰ মন যোগাবৰ কাৰণে কথা-ৰামায়ণত স্বাভাৱিক গাম্ভীৰ্য্য হ্ৰাস কৰি ঠায়ে ঠায়ে গ্ৰাম্য ভাবো প্ৰকাশ কৰিছে। কথা-ৰামায়ণৰ ভাষা ঠায়ে ঠায়ে 'অনুভূতিপূৰ্ণ আৰু স্বাভাৱিক উচ্ছ্বাসযুক্ত'। প্ৰতি অধ্যায়ৰ শেষত থকা বৈষ্ণৱধৰ্ম্ম বিষয়ক উপদেশ আৰু কাকুতিসমূহে ৰামায়ণক ভক্তিমূলক গ্ৰন্থৰ সাঁচ দিছে। কথা-ৰামায়ণত মাজে মাজে ব্ৰজাৱলীৰ ক্ৰিয়াপদ আৰু সৰ্ব্বনামৰ প্ৰয়োগ দেখা যায়। ব্ৰজাৱলীৰ উপৰিও ক্ৰিয়াৰ আন দুটা ৰূপ (কথিত ৰূপ আৰু পদ পুথিৰ ৰূপ) দেখা যায়। (১) সম্ভাব্য অতীতকাল বুজাবলৈ 'হন্তে' সংযোগ কৰিছে। যেনে—'যদি স্বামী আগে পূৰ্ব্বে তই মিলিলি হন্তে' ইত্যাদি। (২) 'ইল' আৰু 'ইব' প্ৰত্যয়ান্ত অতীত কৃদন্ত পদৰ ব্যৱহাৰো আছে। যেনে—'বিয়াইল ব্যাঘ্ৰী সমে খেড়ি খেলায়'। 'দশৰথ ৰাজাও অস্তাঙ্গত ৰবি হৈবাৰ দেখি ভৰদ্বাজ আশ্ৰমে ৰহিলা'। (৩) নামধাতুৰ প্ৰচুৰ প্ৰয়োগ দেখা যায়। যেনে—আৰম্ভিলা, গোচৰিলা ইত্যাদি। তৎসম আৰু তদ্ভৱ শব্দৰ প্ৰয়োগেই বেচি, দেশজ শব্দৰ ব্যৱহাৰ কম। দুটা ফাৰ্চী শব্দৰ ('নেফৰ' আৰু 'হুকুম') ব্যৱহাৰ পোৱা যায়। সন্ধি আৰু সমাসৰ ব্যৱহাৰ বৰ কম। কেৱল সংস্কৃত-প্ৰধান বৰ্ণনাত সমাসৰ প্ৰয়োগ দেখা যায়। যেনে—'অভিনৱ-জলদ-সদৃশ-শ্যামতনু' ইত্যাদি। বৰ্ণিত বিষয় অনুসৰি গদ্যৰ ঠাঁচ কোনো ঠাইত গম্ভীৰ আৰু অলঙ্কাৰ-প্ৰধান, কোনো ঠাইত সহজ আৰু ঘৰুৱা আৰু কোনো ঠাইত ওজস্বিতাপূৰ্ণ। কিছুমান ঠাইত ভাষা বৃত্তগন্ধি। কিন্তু কিষ্কিন্ধ্যাকাণ্ডৰ ৰচনাভঙ্গী অলপ বেলেগ। এই কাণ্ডৰ ৰচক কোনো এজন শিষ্ট (শিষ্ট ভট্টাচাৰ্য্য)। এই কাণ্ডত ব্ৰজাৱলী পদৰ ব্যৱহাৰ একেবাৰেই নাই।' ডঃ সত্যেন্দ্ৰ নাথ শৰ্ম্মাই কয়, "গদ্যত ৰচিত ৰামায়ণ স্বৰূপে অসমীয়া সাহিত্যৰ বুৰঞ্জীত কথা-ৰামায়ণৰ বিশেষ স্থান আছে।" ১৫৯৬ খ্ৰীঃত জৈন

লেখক দেৱবিজয় গণিনে প্ৰাকৃত ভাষাত ৰাম-চৰিত্ৰ নামৰ এখন গদ্য-পুথি লেখে। নব্য ভাৰতীয় আৰ্য্য ভাষাত ৰঘুনাথ মহন্তৰ কথা-ৰামায়ণেই অতি প্ৰাচীন।

ৰঘুনাথ মহন্তৰ **অদ্ভূত ৰামায়ণৰ** কাহিনীৰ লগত সংস্কৃত অদ্ভূত ৰামায়ণৰ কাহিনীৰ মিল নাই। এই পদ-ৰামায়ণৰ কাহিনী মাৰ্কণ্ডেয়ই যুধিষ্ঠিৰক কৈছিল বুলি কোৱা হৈছে; কিন্তু মহাভাৰতত অন্তৰ্ভুক্ত ৰামায়ণৰ কথাৰ লগত অদ্ভূত ৰামায়ণৰ কথাৰ কোনো মিল নাই।

সীতাৰ অনুৰোধত বাল্মীকীয়ে ছল কৰি লৱকুশক বিদ্যাবিলাসিনীপুৰলৈ লৈ আহিল। ৰামৰ কথামতে হনুমন্তই যোগবলত লৱকুশক নিবলৈ আহিল। তেওঁ নাৰীবেশ ধৰি সীতাৰ ওচৰ পালেগৈ। পিছত নাগ আৰু হনুমন্তৰ ভিতৰত যুদ্ধ হয় আৰু নাগ পৰাস্ত হয়। হনুমন্তৰ অনুৰোধত লৱকুশৰে সৈতে সীতা অযোধ্যালৈ যাবলৈ সন্মত হ'ল। ৰত্ন-সিংহাসনত উঠি সীতা আৰু লৱকুশ ৰামৰ আগত উপস্থিত হ'ল। এয়ে অদ্ভূত ৰামায়ণৰ চমু কথা।

শত্ৰুঞ্জয় কাব্যত বালীৰ দিগ্বিজয় আৰু বিক্ৰম বৰ্ণোৱা হৈছে। এই দিগ্বিজয় অভিযানত কামপীঠৰ নৰকাসুৰেও পক্ষ অৱলম্বন কৰিব লগা হৈছিল। নৰকাসুৰে যোগবলেৰে সসৈন্যে মানসগিৰিৰ কপিৰজা মলয়াজৰ ঠাইত উপস্থিত হ'ল। যোগপথৰ শেষত কবিয়ে লিখিছে—'অৱতাৰ কথাৰ প্ৰেসঙ্গ কৰি যথা। প্ৰাসঙ্গিক কৈলো শত্ৰুঞ্জয় কথা॥' পুথি ৰচনাৰ সময় হৈছে ১৬৫৮ শঁক। **অদ্ভূত ৰামায়ণ** আৰু **শত্ৰুঞ্জয়** 'চিত্তচমৎকাৰী কৌতুহলাত্মক লঘু কল্পনামূলক বৰ্ণনাৰ নিদৰ্শন'।

মহাপুৰুষ শঙ্কৰদেৱে পোনতে অঙ্কীয়া নাটত পদ্যধৰ্ম্মী গদ্য ব্যৱহাৰ কৰে। তেওঁৰ প্ৰায় ১০০ বছৰৰ পাচত ভট্টদেৱে প্ৰকৃত গদ্য ব্যৱহাৰ কৰে। তেওঁৰ প্ৰায় ১০০ বছৰৰ পাচত ভট্টদেৱৰ কালৰ সাধু ভাষাই কথা-ৰামায়ণৰ গঢ় লয়। কথা-গীতা বা কথা-ভাগৱতৰ ভাষাতকৈ কথা-ৰামায়ণৰ ভাষা বেচি সহজ আৰু সৰল। অধ্যাপক উপেন্দ্ৰচন্দ্ৰ লেখাৰুৰ কথাৰে ক'ব পাৰি যে কথা সাহিত্যৰ গুৰিয়াল ভট্টদেৱৰ পিচত এনে সহজ সৰল সাধুভাষাৰ গদ্য সাহিত্য ৰচিত হোৱা নাই।

আন আন অসমীয়া ৰামায়ণ :—গঙ্গাৰাম দাসে সীতাৰ বনবাস নামৰ পদ-ৰামায়ণ ৰচনা কৰে। ইয়াৰ বিষয়বস্তু হৈছে সীতাৰ বনবাস আৰু অশ্বমেধ যজ্ঞ কৰা কালত লৱকুশৰ সৈতে ৰাম আদিৰ যুদ্ধৰ বৰ্ণনা। সীতাৰ বনবাসৰ শেষৰ ফালে শঙ্কৰদেৱৰ উত্তৰাকাণ্ডৰ প্ৰভাৱ পৰিলক্ষিত হয়।

ভৱদেৱ বিপ্ৰই শ্ৰীৰামচন্দ্ৰৰ **অশ্বমেধ যজ্ঞ** নামৰ পদ-ৰামায়ণ ৰচনা কৰে। **কৃত্তিবাস পণ্ডিতে** দুৰ্গাবৰৰ গীতি-ৰামায়ণৰ আৰ্হিত **অঙ্গদৰায়বৰ** ৰচনা কৰে। হনুমন্তই জুই লগাই লঙ্কা ছাৰখাৰ কৰাত বালীৰ পুত্ৰ অঙ্গদে ৰামৰ হতুৱাই সীতাক সমৰ্পণ কৰিবলৈ ৰাৱণক কয়। পুথিত গীতৰ সুৰ দিয়া আছে। কবি **ধনঞ্জয়ৰ** (কন্দলি ?) **গণক চৰিত্ৰ** বা মন্দোদৰীৰ মণিহৰণ লঙ্কাকাণ্ডৰ অন্তৰ্গত এখন পদ-ৰামায়ণ। ইয়াত হনুমন্তৰ মাহাত্ম্য দেখুৱা হৈছে। অশোক বনত ৰাৱণে মায়া ৰাম, লক্ষ্মণ, সুগ্ৰীৱ, হনুমন্ত আদিক উপস্থিত কৰাই ৰামৰ হতুৱাই সীতাক অৰ্পণ কৰোৱাৰ আয়োজন কৰিছিল। হনুমন্তই গণক বেশেৰে লঙ্কাত সোমাই ৰাৱণৰ চেষ্টা ব্যৰ্থ কৰে। এয়ে গণক চৰিত্ৰৰ কথা। পুথিৰ আখ্যানটো কল্পনা-প্ৰসূত ।

কবি দ্বিজৰামে ৰচনা কৰা **কাব্যপুৰাণ** নামৰ এখন পদ-ৰামায়ণ পোৱা যায়। ৰাম-লক্ষ্মণে বালীক বধ কৰি সুগ্ৰীৱৰ লগত মিত্ৰতা কৰে। সীতাক লঙ্কাত বিচাৰি যোৱা হনুমন্তক সীতাই 'দলাফল' খাবলৈ দিয়ে। লঙ্কাত সকলো কাম শেষ কৰি হনুমন্তই দলাফলৰ গছত উঠি ডালপাত ভাঙি সকলো খাই পেলালে। সেই গছজোপা গৰুড় পক্ষীৰ। গৰুড় আৰু হনুমন্তৰ ঘোৰ যুদ্ধ হ'ল। শেহত হনুৱে দদায়েক গৰুড়ক ক্ষমা প্ৰাৰ্থনা কৰিলে। মহাদেৱে পৃথিবীক পাতালৰ পৰা উদ্ধাৰ কৰিলে। এয়ে কাব্যৰ কাহিনী ।

অসমীয়া ৰামায়ণ সাহিত্য—অসমীয়া ভাষাত লেখা ৰীতি অনুসাৰে মাইকৈ চাৰি প্ৰকাৰৰ ৰামায়ণ পোৱা যায়—

(ক) পদ-ৰামায়ণ (খ) কথা-ৰামায়ণ, (গ) গীতি-ৰামায়ণ আৰু (ঘ) কাৰ্ত্তনীয়া ৰামায়ণ। প্ৰাকবৈষ্ণৱ যুগৰ পৰা উত্তৰ বৈষ্ণৱ যুগলৈকে ৰামায়ণ অনুবাদক বা ৰচয়িতা সকলৰ কথা ওপৰত আলোচনা কৰা হৈছে। ইয়াত মাথোন লেখা ৰীতি অনুসৰি ৰামায়ণসমূহক শ্ৰেণীবদ্ধ কৰা হ'ল।

(ক) **পদ-ৰামায়ণ** ঃ—(১) হৰিহৰ (বৰ) বিপ্ৰ—লৱকুশৰ যুদ্ধ
(২) মাধৱ কন্দলি—ৰামায়ণ সাতকাণ্ড (?)
(৩) অনন্ত কন্দলি—পদ-ৰামায়ণ আৰু মহীৰাৱণ বধ
(৪) শঙ্কৰদেৱ—উত্তৰাকাণ্ড ৰামায়ণ
(৫) মাধৱদেৱ—আদিকাণ্ড ৰামায়ণ
(৬) ৰঘুনাথ মহন্ত—অদ্ভুত ৰামায়ণ
(৭) গঙ্গাৰাম দাস—সীতাৰ বনবাস

(৮) ভৱদেৱ বিপ্ৰ—শ্ৰীৰামচন্দ্ৰৰ অশ্বমেধ পৰ্ব্ব
(উত্তৰাকাণ্ড)

(৯) কবি ধনঞ্জয়—গণক চৰিত্ৰ

(১০) কবি দ্বিজৰাম—কাব্য-পুৰাণ

(খ) **কথা-ৰামায়ণ ঃ**—ৰঘুনাথ মহন্ত—কথা-ৰামায়ণ

(গ) **গীতি-ৰামায়ণ ঃ**—(১) দুৰ্গাবৰ—গীতি ৰামায়ণ

(২) কৃত্তিবাস পণ্ডিত—অঙ্গদৰায়বৰ

(ঘ) **কীৰ্ত্তনীয়া ৰামায়ণ ঃ**—অনন্ত ঠাকুৰ আতা—শ্ৰীৰাম কীৰ্ত্তন

ওপৰৰ চাৰিবিধ ৰামায়ণৰ উপৰিও ৰামায়ণৰ বিষয়-বস্তু লৈ **নাট ৰচনা** কৰা হৈছিল। এই প্ৰসঙ্গত শঙ্কৰদেৱৰ ৰামবিজয় নাট আৰু অনন্ত কন্দলিৰ সীতাৰ পাতাল প্ৰবেশ নাট উল্লেখ কৰিব পাৰি।

অসমীয়া মহাভাৰত সাহিত্য :—ৰামায়ণৰ দৰে মহাভাৰতৰ বিভিন্ন পৰ্ব্ব বা পৰ্ব্বৰ একোটা অংশ অসমীয়াত ভাঙনি কৰা হৈছিল আৰু মহাভাৰতৰ আখ্যান লৈ পদ-পুথিও ৰচনা কৰি হৈছিল। প্ৰাক্‌বৈষ্ণৱ যুগৰ পৰা মহাভাৰতৰ ভাঙনি আৰম্ভ হোৱাৰ কথা ঠায়ে ঠায়ে আলোচনা কৰা হৈছে। সম্প্ৰতি বিভিন্ন কবিৰ ভাঙনি বা ৰচনাসমূহ একে ঠাইতে সংক্ষেপে দিয়া হ'ল।

প্ৰাক্‌-বৈষ্ণৱযুগৰ কবিসকল হ'ল—

(১) হৰিহৰ (বৰ) বিপ্ৰ—বব্ৰুবাহনৰ যুদ্ধ (পদৰ সংখ্যা ৬০৫)

(২) কবিৰত্ন সৰস্বতী—দ্ৰোণ পৰ্ব্বৰ জয়দ্ৰথ বধ

(৩) ৰুদ্ৰ কন্দলি—দ্ৰোণ পৰ্ব্বৰ সাত্যকি প্ৰবেশ

বৈষ্ণৱ যুগৰ কবিসকল হ'ল—

(৪) ৰাম সৰস্বতী- (ক) আদি পৰ্ব্ব (২০৩৬ পদ)

(খ) সভা পৰ্ব্ব (১০৭০ পদ)

এই পৰ্ব্বৰ ভাঙনিত পুত্ৰ গোপীনাথ পাঠকে ৮১২—১০২৮ পদলৈকে সহায় কৰে।

(গ) বন পৰ্ব্ব—
- আদি বনপৰ্ব্ব,
- পুষ্পহৰণ বনপৰ্ব্ব (পুত্ৰ গোপীনাথৰ সৈতে)
- মণিচন্দ্ৰ ঘোষ পৰ্ব্ব,
- বিজয় পৰ্ব্ব—মুঠ ৫৪৪১ পদ

{ তীৰ্থযাত্ৰা পৰ্ব্ব,
সিন্ধুৰা পৰ্ব্ব বা সিন্ধু যাত্ৰা পৰ্ব্ব—মুঠ
১১৪২ পদ

(ঘ) বিৰাট পৰ্ব্ব—কীচক বধলৈকে (২০০০ পদ)

(ঙ) উদ্যোগ পৰ্ব্ব (১০৯৯ পদ)

(চ) ভীষ্ম পৰ্ব্ব (১৫৮৭ পদ) ঃ ইয়াত বিদ্যাপঞ্চাননৰ নামো আছে।
—ভীষ্ম পৰ্ব্বৰ গীতা অংশ ৫৭ টা পদত (১৫৮—২১৫)

(ছ) দ্ৰোণ পৰ্ব্ব (৪২২৬ পদ) ঃ গোপীনাথ পাঠকৰ সৈতে।

(জ) কৰ্ণ পৰ্ব্ব (৫৫৬ পদ)

(গ) বনপৰ্ব্বৰ উপপৰ্ব্বৰে বধকাব্য ৰচনা—(১) কুলাচল বধ (১৯২৫ পদ), (২) বঘাসুৰ বধ (৩৯০০ পদ), (৩) খটাসুৰ বধ (১৮২ পদ), (৪) অশ্বকৰ্ণ যুদ্ধ (৫) জটাসুৰ বধ (৬) জঙ্ঘাসুৰ বধ (৩০৩ পদ) (৭) ভোজকূট বধ'

(৫) শ্ৰীধৰ কন্দলি—(ঝ) অশ্বমেধ পৰ্ব্বৰ সুধন্বা বধ

(৬) কংসাৰি—(গ) বনপৰ্ব্বৰ পালিপৰ্ব্ব কিৰাট পৰ্ব্ব (৭২৫ পদ)
(ঘ) বিৰাট পৰ্ব্বৰ (১) উত্তৰ গো-গ্ৰাহ
আৰু (২) দক্ষিণ গো-গ্ৰাহ

(৭) ভট্টদেৱ—(চ) কথাগীতা

(৮) ৰত্নাকৰ মিশ্ৰ—(চ) গীতা কীৰ্ত্তন

(৯) গোবিন্দ মিশ্ৰ—(চ) কৃষ্ণ-গীতা

(১০) গোপীনাথ দ্বিজ—(এ) স্বৰ্গাৰোহণ পৰ্ব্ব (৩০৮ পদ)

(১১) বিদ্যা পঞ্চানন—(জ) কৰ্ণপৰ্ব্ব

উত্তৰ বৈষ্ণৱ যুগৰ কবিসকল হৈছে—

(১২) সাগৰখড়ি—(খ) বনপৰ্ব্বৰ কুৰ্ম্মাৱলী বধ (৩৬৬ পদ)

(১৩) দামোদৰদাস—(ছ) দ্ৰোণ পৰ্ব্ব আৰু (ট) শল্য পৰ্ব্ব (৭৯১ পদ

(১৪) গঙ্গাদাস সেনা, সুবুদ্ধি ৰায়
আৰু ভৱানী দাস—(ঝ) অশ্বমেধ পৰ্ব্ব (৩৬০০ পদ)

(১৫) বিষ্ণুৰাম দ্বিজ—(জ) দাতাকৰ্ণ

(১৬) দ্বিজ ৰামানন্দ—(ঙ) উদ্যোগ পৰ্ব্ব

(১৭) দ্বিজ ভুভনাথ—(ঝ) অশ্বমেধ পৰ্ব্বৰ ধৰ্ম্মসম্বাদ

(১৮) পৃথুৰাম দ্বিজ—(ঠ) মৌষল পৰ্ব্ব

(১৯) লক্ষ্মীনাথ দ্বিজ—(ড) সৌপ্তিক পৰ্ব্ব

(২০) দেৱৰাম (ওৰফে দুৰ্গা প্ৰসাদ)—(ঢ) শান্তি পৰ্ব্ব (২৮৫৯ পদ)

হৰিবংশক মহাভাৰতৰ পৰিপূৰক পৰ্ব্ব বা উনবিংশ পৰ্ব্ব বুলি ধৰা হয়। সমগ্ৰ হৰিবংশখনিৰ অসমীয়াত ভাঙনি হোৱা নাই কিন্তু ইয়াৰ আংশিক অনুবাদহে হৈছে। হৰিবংশৰ লগত আন কথা মিহলাই পুথি ৰচনা কৰা হৈছে। শঙ্কৰদেৱৰ প্ৰবীণ সমসাময়িক পীতাম্বৰৰ ঊষা-পৰিণয় কাহিনী হৰিবংশৰ পৰা লোৱা হৈছে। শঙ্কৰদেৱৰ ৰুক্মিণীহৰণ নাট আৰু কাব্যৰ, আৰু পাৰিজাতহৰণ নাটৰ কিছু বিষয়-বস্তু হৰিবংশৰ পৰা লোৱা হৈছে। অনন্ত কন্দলিৰ কুমৰহৰণ কাব্যৰ মূল হৰিবংশ। ভৱানন্দ মিশ্ৰ আৰু বিদ্যাচন্দ্ৰ কবিশেখৰ ভট্টাচাৰ্য্য আগমাচাৰ্য্যই যথাক্ৰমে হৰিবংশৰ কথাৰে হৰিবংশ নামৰ পুথি ৰচনা কৰে। গোপালচৰণ দ্বিজই হৰিবংশ, ভাগৱত আৰু বিষ্ণুপুৰাণৰ কথাৰে হৰিবংশ ৰচনা কৰে। দ্বিজ শুভনাথে হৰিবংশৰ আখ্যান লৈ ধৰ্ম্ম-সম্বাদ পুথি ৰচনা কৰে।

ৰামনাথ মহন্ত আৰু ৰামচন্দ্ৰ বৰপাত্ৰ গোসাঁই:—**ৰামনাথ মহন্ত** তেজপুৰৰ অন্তৰ্গত বৰগাওঁ মৌজাৰ বৰগঞা গোসাঁইৰ পূৰ্ব্বপুৰুষ, আৰু তেওঁ বৰকলা সত্ৰ পাতে। এওঁ ১০৭৮ খ্ৰীঃ মানত **সন্ত-মুক্তাৱলী** পুথি ৰচনা কৰে। ৰামনাথ মহন্তৰ পূৰ্ব্বপুৰুষ সতানন্দই তীৰ্থ লৈ যাওঁতে সোণকোষ নৈৰ **দাতিত** শঙ্কৰদেৱক লগ পাই তেৰাত শৰণ লৈ 'বৰভকত' উপাধি লোৱাৰ কথা পুথিত আছে। শঙ্কৰদেৱে তেওঁৰ হাতত অসমীয়া ভাগৱত একাদশ স্কন্ধখন দি মানৰ সমাজত ভাগৱত ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ আদেশ দিয়াৰ কথাও পুথিত আছে।

"মহাযত্নে শ্লোক ভাঙ্গি কৰিছো পদক।
তোমাক দিলোহে আজি চলিয়ো গৃহক॥
নাম মাত্ৰ জপিবাহা হাতে মালা ধৰি।
লোককো শিখাইবা অতিশয় যত্ন কৰি॥"—সন্ত-মুক্তাৱলী

ৰামচন্দ্ৰ বৰপাত্ৰ গোসাঁঞিৰ ঘৰ শিৱসাগৰৰ বেতবাৰী মৌজাৰ দিলিহ নৈৰ ওচৰৰ কেন্দুগুৰি গাৱঁত। তেওঁ **হয়গ্ৰীৱ মাধৱৰ আখ্যান** আৰু **যোগিনী তন্ত্ৰ** নামে দুখন পদ-পুথি ৰচনা কৰে। "হয়গ্ৰীৱ মাধৱৰ আখ্যান" পুথিৰ ৰচনাৰ কাল ১৬০৮ শক আৰু ইয়াৰ লেখাৰ ধৰণ কীৰ্ত্তনীয়া অৰ্থাৎ কীৰ্ত্তনৰ দৰে—প্ৰথমতে এটা ঘোষা, তাৰ পাচত পদ—এনেদৰে লেখা। পুথিৰ

পাতবিলাকত মুঠতে ১৩৬ বিধৰ ধুনীয়া লতাৰ চিন আঁকা আছে। যোগিনী তন্ত্র পুথি ৰচনাৰ কাল ১৬০৮ শকৰ আহিন বুলি পুথিত উল্লেখ কৰা হৈছে।

শিষ্ট ভট্টাচাৰ্য্য:—ৰঘুনাথ মহন্তৰ কথা-ৰামায়ণৰ কিষ্কিন্ধ্যাকাণ্ডটো এজন শিষ্টৰ ৰচনা। এই শিষ্ট নামধেয় ব্যক্তিয়েই অষ্টাদশ শতিকাৰ শিষ্ট ভট্টাচাৰ্য্য। এওঁৰ **শিশুপাল** বধ নামৰ এখন কাব্য আছে। এই পুথিৰ ভাষা কথিত ভাষাৰ অনুৰূপ। ইয়াত গ্রাম্য হাস্যৰসৰ সোৱাদ পোৱা যায়।

আহোম ৰাজত্বত অসমীয়া সাহিত্য

শৈব-শাক্ত ধৰ্ম্মৰ প্ৰভাৱ—মহাৰাজ নৰনাৰায়ণৰ দৰে আহোম ৰজাসকলো অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ ঘাই পৃষ্ঠপোষক আৰু উৎসাহদাতা আছিল। কালক্ৰমত স্বৰ্গদেৱসকলে এই দেশৰ ধৰ্ম্মৰ প্ৰতি অনুৰাগ দেখুৱাবলৈ ধৰিলে। **চুডাংফা** বা বামুণীকোঁৱৰৰ (১৩৯৭—১৪০৭ খ্ৰী:) ৰজাৰ দিনত আহোমসকলৰ ভিতৰত হিন্দুধৰ্ম্মৰ গুটি সিচা হয়। তেওঁৰ দিনতে চাওত লক্ষ্মীনাৰায়ণ শালগ্ৰামৰ পূজা প্ৰচলিত হয়। সেই গুটি **চুহুম্মুং** বা দিহিঙ্গীয়া (১৪৯৭—১৫৩৯ খ্ৰী:) ৰজাৰ দিনত অঙ্কুৰিত হয়। তেৱেঁই পোনতে ‘স্বৰ্গনাৰায়ণ’ এই হিন্দুনাম লৈ দেশত হিন্দু শকাব্দ প্ৰচলন কৰে। **বুঢ়াস্বৰ্গনাৰায়ণ** বা চুচেংফা বা বুঢ়া ৰজাৰ (১৬০৩—৪১ খ্ৰী:) দিনত সেই অঙ্কুৰ পুলি হয়। দেওঁৰ দিনত হিন্দুধৰ্ম্মৰ প্ৰতিপত্তি বাঢে। তেওঁ কোচবেহাৰলৈ মানুহ পঠিয়াই খনিকৰৰ কাম শিকাই অনালে আৰু মূৰ্ত্তি গঢ়ি দুৰ্গা পূজা কৰাৰ নিয়ম প্ৰচলন কৰিলে। তেৱেঁই বিশ্বনাথ আৰু দেৱৰগ্ৰামৰ দৌল নিৰ্ম্মাণ কৰাই তাত হিন্দুমতে পূজা-সেৱা চলাই থকাৰ নিয়ম কৰে। এই সময়ত বৈষ্ণৱ ধৰ্ম্মই যদিও গা কৰিছিল তথাপি ৰজাঘৰীয়া উৎসাহ আৰু অনুপ্ৰেৰণা পোৱা নাছিল। **জয়ধ্বজসিংহৰ** (১৬৪৮-৬৩ খ্ৰী:) ৰাজত্ব কালত সেই পুলি বাঢ়ি গছ হয়; কিয়নো তেওঁ প্ৰকাশ্যভাবে হিন্দুধৰ্ম্মত দীক্ষিত হৈ হিন্দুধৰ্ম্মক ৰাজধৰ্ম্মৰ মৰ্য্যাদা দিলে। তেওঁৰ দিনৰে পৰা বৈষ্ণৱ সন্ত-মহন্তসকলে দেখাদেখিকৈ ৰজাঘৰীয়া সহায় আৰু পৃষ্ঠপোষকতা লাভ কৰে। গদাধৰসিংহৰ (১৬৮১—৯৬ খ্ৰী:) দিনত শাক্ত-প্ৰভাৱৰ সূচনা হয়। তেওঁৰ পুত্ৰ **ৰুদ্ৰসিংহৰ** (১৬৯৬—১৭১৪ খ্ৰী:) জীৱনৰ শেহৰ ফালে শাক্তধৰ্ম্মৰ প্ৰতি অনুৰাগ জন্মে। তেৱেঁই বঙ্গদেশৰ শান্তিপুৰৰ ওচৰৰ মালিপোতাৰ শাক্ত সম্প্ৰদায়ৰ বিখ্যাত প্ৰচাৰক কৃষ্ণৰাম ভট্টাচাৰ্য্য ন্যায়বাগীশক মাটি বৃত্তি দি এই দেশত স্থাপন কৰে। ৰজা শাক্তধৰ্ম্মত আস্থাশীল আছিল। তেওঁ

ৰাজভৱনত আড়ম্বৰেৰে দুৰ্গোৎসৱ পালন কৰে। ৰুদ্ৰসিংহৰ পুত্ৰ **শিৱসিংহই** (১৭১৪—৪৪ খ্ৰীঃ) পিতৃৰ আদেশক্ৰমে কৃষ্ণৰাম ভট্টাচাৰ্যৰ ওচৰত দীক্ষা ললে। ক্ৰমে ব্ৰাহ্মণসকলৰ বল বাঢ়ে। বৰৰজা **ফুলেশ্বৰীয়ে** ঠাকুৰীয়া মহন্তসকলক মূৰ্ত্তি শালগ্ৰাম সেৱা কৰিবলৈ বাধ্য কৰায় আৰু তেনে মূৰ্ত্তিকেই লুইতত পেলাই দিয়ে। ৰজা শৈৱ আৰু শাক্ত ধৰ্ম্মৰ প্ৰতি অনুৰক্ত হোৱাত পূৰ্ব্বে গা কৰিব নোৱাৰা শৈৱ-শাক্ত সাহিত্যৰ পৰিপুষ্টি সাধন হ'ল। আহোম ৰজাসকলে নিজ ধৰ্ম্ম আৰু নিজ ভাষা এৰি হিন্দুধৰ্ম্ম আৰু অসমীয়া ভাষা গ্ৰহণ কৰি প্ৰজাবৎসলতাৰ উজ্জ্বল দৃষ্টান্ত দেখুৱালে।

ৰজাসকলৰ সাহিত্য চৰ্চ্চা ঃ—স্বৰ্গদেৱ **জয়ধ্বজসিংহৰ** ভণিতা থকা কেইটামান গীত আছে। সীতাক ৰাৱণে হৰি নিয়াৰ পিচত ৰামৰ মনৰ অৱস্থা বৰ্ণনা কৰি লিখা এটা গীতত তলত দিয়া দৰে ভণিতা পেলাইছে—

'ৰামৰ চৰণে ভাবি একমনে
জয়ধ্বজসিংহে গায়।'

গোৰীনাথে সঙ্কলন কৰা বাঁহবাৰী সত্ৰৰ যদুমণি-নাতীয়েক 'উদিতৰাম চৰিত্ৰ' পুথিৰ পৰা **ৰুদ্ৰসিংহ** স্বৰ্গদেৱৰ সঙ্গীত আৰু পাণ্ডিত্যলিপ্সাৰ কথা জানিব পাৰি; তেওঁ বিদ্যোৎসাহী, ৰসিক আৰু ক্ষমতাশালী নৃপতি আছিল। তেওঁ বিদেশৰ পৰা পাখোৱাজ আদি নতুন বাদ্য-যন্ত্ৰ অনাই অসমত প্ৰচলন কৰে। তেওঁ আন ঠাইৰ পৰা গুণী-গায়ন অনাই দেশত থাপে। তেওঁ বিদেশী গান-বাজনাৰ 'চাল-চলন আৰু সাজ-গাৰ শিকিবৰ কাৰণে খাউন্দ আৰু বৈৰাগীৰ দল' সৃষ্টি কৰি বিদেশত ভ্ৰমিবলৈ পঠিয়ায়। তেওঁ ১৬৩৩ শকত 'পণ্ডিতৰ দ্বাৰা যোগিনীতন্ত্ৰ, কালিকাপুৰাণ আদি পুথিত উল্লেখ থকা ক্ষেত্ৰ পৰ্ব্বত নিৰ্ণয়' কৰায় আৰু সেই পৰ্ব্বত সমূহৰ এখন তালিকাও যুগুত কৰায়। তেওঁ কবিৰাজ চক্ৰবৰ্ত্তীৰ পৰা শাস্ত্ৰ-শিক্ষা লাভ কৰাৰ কথা শকুন্তলা কাব্যত উল্লেখ আছে—

'যাত হন্তে শাস্ত্ৰ পঢ়ি ৰুদ্ৰসিংহ ৰাই।
পণ্ডিত হৈমন্ত নানা শাস্ত্ৰ তত্ত্ব পাই॥' ১০৫৬

স্বৰ্গদেৱ ৰুদ্ৰসিংহই জয়দেৱৰ ছন্দৰ অনুকৰণত কেইটামান গীত ৰচনা কৰে আৰু এই গীতত ৰাধা-কৃষ্ণৰ কাহিনীৰ পৰশ পৰিছে। তেওঁ ৰচনা কৰা এটা গীতৰ চানেকি দিয়া হ'ল—

ৰাগ—গান্ধাৰ

আইল ৰে গৌৰী প্ৰসন্ন মন ।
পূৰ্ণিমাৰ শশীসম জ্বলয় বদন ॥
শিৰত কিৰীটি গাৱে অমূল্য বসন ।
কৰ্ণে কুণ্ডল শোভে কণ্ঠে কণ্ঠাভৰণ ॥
দশভূজে দশ অস্ত্ৰ ধৰিছা সঘনে ।
কটিত কিঙ্কিনী বাজে নেপুৰ চৰণে ॥
ৰূপৰ উপমা দিব পাৰে কোন জনে ।
নমি গৌৰী পাৱে ৰুদ্ৰসিংহ নৃপ ভণে ॥

ৰুদ্ৰসিংহৰ দৰে স্বৰ্গদেৱ শিৱসিংহও ৰসিক, বিলাসী আৰু বিদ্যোৎসাহী আছিল। তেওঁৰ দিনত কবি-সাহিত্যিকসকল শৃঙ্গাৰাত্মক আৰু কামোদ্দীপক গ্ৰন্থ ৰচনা কৰে। ৰজাৰ ৰাজসভাত কবিৰাজ চক্ৰৱৰ্ত্তী আৰু গোপালচন্দ্ৰৰ নিচিনা বিচক্ষণ ৰাজকবিও আছিল। শিৱসিংহৰ আদেশত 'মনোহৰ নামৰ এজন লিখকে ৰূপুত নামৰ' এখন অসম বুৰঞ্জী লিখে। তেওঁ ৰচনা কৰা কেইবাটাও গীতত ৰাধা-কৃষ্ণৰ কাহিনীৰ পৰশ পৰিছে। তেওঁৰ গীতৰ চানেকি দিয়া হ'ল—

ৰাগ—দেৱগান্ধাৰ

শাৰদ পূৰ্ণিমা হিমকৰ বদনী ।
চঞ্চল নীল নলিনীদল নয়নী ॥
চঞ্চল লোচনে কাজৰ ৰঙ্গি ।
ভাবুক মনে কুটিলতৰ ভঙ্গি ॥
প্ৰাতৰুদিত ৰবি সিন্দুৰকান্তি ।
সজল মুকুতা ফল দশন পান্তি ॥
সজল জলদ ইব কুণ্ডল জালে ।
পৰিমলে শোভিত মালতী মালে ॥
মৃগমদ কুঙ্কুম চৰ্চ্চিত দেহা ।
তৰল ঘনান্তৰ দামিনী ৰেহা ॥
শ্ৰীফল বিকশিত কুচ যুগ লোলে ।
মত্ত দ্বিৰদ গতি অতিশয় দোলে ॥
ৰাজা শিৱসিংহ ইহৰস ভণিতম্ ।
ৰমনী শিৰোমণি ৰাধাচৰিতম্ ॥

শিৱসিংহই ব্যক্তিগত জীৱনৰ প্ৰেমৰ প্ৰতিচ্ছবি দেখা পায় আৰু কবিসকলে আদি-ৰসাত্মক গ্ৰন্থ ৰচনা বা অনুবাদ কৰে। এই সময়তে বঙ্গীয় বৈষ্ণৱ ধৰ্ম্মৰ প্ৰভাৱৰ ফলত ব্ৰহ্মবৈবৰ্ত্তপুৰাণে ৰাজকাৰেঙত প্ৰবেশ লাভ কৰে। সেই কাৰণে এই যুগৰ পুথিত সংযম আৰু ইন্দ্ৰিয়বিমুখ ভাৱৰ অভাৱ পৰিলক্ষিত হয়। শিৱসিংহৰ পত্নী বৰৰজা **ফুলেশ্বৰী** এগৰাকী বিদ্যোৎসাহী মহিষী আছিল। তেওঁ ব্ৰাহ্মণসকলৰ শিক্ষাৰ কাৰণে ৰংপুৰত এখন পঢ়াশালি পাতে।

ৰুদ্ৰসিংহ আৰু শিৱসিংহৰ দিনত চিত্ৰাঙ্কন বিদ্যাই দেশত প্ৰসাৰতা লাভ কৰে। সংস্কৃতৰ পৰা অনূদিত পুথিসমূহৰ আখ্যানবিলাক যথাযথভাৱে নিপুণ চিত্ৰকৰৰ হতুৱাই চিত্ৰিত কৰায়।

ৰাজেশ্বৰসিংহ (১৭৫১-৬৯ খ্ৰীঃ) এজন বিদ্বান ৰজা আছিল। তেওঁ পণ্ডিতসকলৰ লগত সততে শাস্ত্ৰ, পুৰাণ, বুৰঞ্জী আদি আলোচনা কৰিছিল। সেইকাৰণে তেওঁক কবিচূড়ামণি উপাধি দিয়া হৈছিল। ৰাজেশ্বৰ সিংহৰ পিচত মটক-মৰাণৰ উপদ্ৰৱত দেশ উছন হোৱাৰ দৰে হৈছিল। সেই কাৰণে **লক্ষ্মীসিংহ** (১৭৬৯-৮০খ্ৰীঃ) আৰু **গৌৰীনাথসিংহৰ** (১৭৮০-৯৫খ্ৰীঃ) দিনত সাহিত্যৰ উন্নতিৰ কথা জনা নাযায়। **কমলেশ্বৰসিংহৰ** (১৭৯৫-১৮১০খ্ৰীঃ) দিনত দেশৰ অৱস্থা সুস্থ হয়। পুনৰ ৰজাঘৰীয়া পৃষ্ঠপোষকতাত সাহিত্যৰ অৱস্থা টনকিয়াল হয়।

ডঃ সূৰ্য্যকুমাৰ ভূঞা সম্পাদিত তুংখুঙ্গীয়া বুৰঞ্জীত আছে যে বিশেষ বিশেষ সময়ত ৰাজধানীত **ভাওনাও** হৈছিল। ৰাজেশ্বৰসিংহই কুৰঙ্গনয়নীক বিয়া কৰোৱাৰ পিচত কাছাৰ আৰু মণিপুৰৰ ৰজাৰ আগমন উপলক্ষে ৰাৱণ-বধ ভাওনা কৰা হয় আৰু ইয়াত ৭০০ ভাৱৰীয়া আৰু গায়নে অংশ গ্ৰহণ কৰে। পহুমৰাৰ ন-গোসাঁইৰ পুত্ৰসকলে গৌৰীনাথসিংহৰ আগত প্ৰায় ১৭০৬ শকত পদ্মাৱতীহৰণ ভাওনা কৰে। ১৭২৭ শকৰ ফাগুন মাহত কমলেশ্বৰসিংহৰ আজ্ঞাৰে বাৰেঘৰীয়া মহন্তই ৰুক্মিণীহৰণ ভাওনা আৰু চ'ত মাহত দিহিঙৰ নমাটিৰ মহন্তই অক্ৰুৰাগমন ভাওনা কৰে। অভিনয়ৰ উপৰিও নাট ৰচনাতো স্বৰ্গদেৱসকলে উৎসাহিত কৰিছিল। ৰজাঘৰীয়া পৃষ্ঠপোষকতাত অঙ্কীয়া নাটৰ লগতে এবিধ **নতুন সংস্কৃত নাটক** ৰচনা কৰা হৈছিল। ইয়াৰ ভিতৰত ধৰ্ম্মদেৱ ভট্টৰ ধৰ্ম্মোদয়, কবি সূৰ্য্য বিপ্ৰৰ বিঘ্নেশ জন্মোদয়, কবিচন্দ্ৰ দ্বিজৰ কামকুমাৰ হৰণ আৰু দীন দ্বিজৰ শঙ্খচূড়বধ নাটক উল্লেখযোগ্য। এইবোৰৰ ভিতৰৰ ধৰ্ম্মোদয় নামৰ ৰূপকাত্মক নাটকখনি স্বৰ্গদেৱ লক্ষ্মীসিংহৰ (১৭৭০ খ্ৰীঃ) পুনৰ অভিষেক

উৎসৱৰ উপলক্ষে ৰাজধানীত ভাওনা কৰিছিল। এইদৰে স্বৰ্গদেৱ, মহিষী আৰু পাত্ৰমন্ত্ৰীসকল দেশৰ সাহিত্য, শিক্ষা আৰু পাণ্ডিত্যৰ উৎসাহদাতা আৰু পৃষ্ঠপোষক আছিল।

এই যুগৰ লেখকসকল

কবিৰাজ চক্ৰৱৰ্ত্তী—ৰমানন্দ সৰস্বতীৰ পুত্ৰ কবিৰাজ চক্ৰৱৰ্ত্তী (আচল নাম ৰামনাৰায়ণ চক্ৰৱৰ্ত্তী—'তাহান তনয় ৰামনাৰায়ণ নাম। কবিৰাজ চক্ৰৱৰ্ত্তী যাৰ পৰ নাম'॥) ৰুদ্ৰসিংহ আৰু তেওঁৰ পুত্ৰ শিৱসিংহ ৰজাৰ সভাকবি আছিল। তেওঁ অষ্টাদশ শতিকাৰ প্ৰথমাৰ্দ্ধৰ কবি। তেওঁ **ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণৰ কৃষ্ণজন্মখণ্ড, শঙ্খচূড়বধ, গীতগোবিন্দ, শকুন্তলা** আৰু কিছু **গীত** ৰচনা কৰে। অসমীয়া সাহিত্যৰ চানেকিত সন্নিবেশ কৰা 'মাধৱ-সুলোচনা' কাহিনীটো তেওঁৰ ৰচনা বুলি অনুমান কৰা হয়। তেওঁ ৰুদ্ৰসিংহৰ আদেশত জয়দেৱৰ **গীত-গোবিন্দৰ** পদ-ভাঙনি কৰে। এই অনুবাদ মূলানুগামী। কবিৰাজ চক্ৰৱৰ্ত্তীয়ে শিৱসিংহ আৰু বৰৰজা ফুলেশ্বৰীৰ আদেশ অনুসৰি ১৬৪৮ শকত (১৭২৬ খ্ৰীঃ) ব্ৰহ্মবৈৱৰ্ত্তপুৰাণৰ প্ৰকৃতিখণ্ডত থকা দানৱৰাজ শঙ্খচূড় আৰু সতী তুলসীৰ কাহিনী অৱলম্বন কৰি **শঙ্খচূড় বধকাব্য** ৰচনা কৰে।

> "হেন নৃপতিৰ মহিষীৰো আজ্ঞা পাই।
> কবিৰাজ বিপ্ৰে ব্ৰহ্মবৈৱৰ্ত্তক চাই॥
> পদবন্ধে বিৰচিলা পুৰাণ প্ৰবন্ধ।
> শঙ্খচূড় নামে ৰাজা যিটো সত্যসন্ধ॥"

কবিৰাজ চক্ৰৱৰ্ত্তীয়ে শিৱসিংহ আৰু মহিষী প্ৰমথেশ্বৰীৰ (ফুলেশ্বৰী) 'আদেশ মালা শিৰোগত কৰি' **ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণৰ কৃষ্ণ জন্মখণ্ড** 'পদবন্ধে দেশভাষা ধৰি' ৰচনা কৰে। ইয়াত কৃষ্ণৰ জন্মৰপৰা বৈকুণ্ঠ প্ৰয়াণলৈকে সকলো কথা আছে যদিও ৰাধাকৃষ্ণৰ বিহাৰ আৰু ৰাসলীলাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা যেন লাগে। তেওঁ শিৱসিংহ আৰু বৰৰজা ফুলেশ্বৰীৰ আদেশ অনুসৰি মহাভাৰতৰ আদিপৰ্ব্বৰ বিষয়-বস্তু লৈ **শকুন্তলা** কাব্য ৰচনা কৰে।

> "হেন শিৱসিংহ ৰাজা গুণৰ সাগৰ
> কল্পতৰু সম উপাসক সমস্তৰ।
>
> * * *

তাহান আছিল জায়া নামে ফুলেশ্বৰী ।

* * *

হেন নৃপতিৰ আজ্ঞা মহিষীৰো বাণী ।
কবিৰাজ চক্ৰবৰ্ত্তী মালা হেন মানি ॥
শিৰত ধৰিয়া আদিপৰ্ব্ব ভাৰতৰ ।
ৰচিলো পয়াৰ দুষ্মন্তৰ চৰিত্ৰৰ ॥" ১০৪৯

এই কাব্যৰ আখ্যানৰ ওপৰত কালিদাসৰ অভিজ্ঞান-শকুন্তলম্ নাটকৰ সামান্য প্ৰভাৱ পৰিছে। গৰ্গ মুনিয়ে কোৱা চন্দ্ৰকেতু-কামকলাৰ আখ্যানে (৪৮৯—৯১৯ পদ) বেচি ঠাই অধিকাৰ কৰিছে। কাব্যত ঠায়ে ঠায়ে কবিত্ব শক্তিৰ চানেকি পোৱা যায়।

কবিৰাজ চক্ৰবৰ্ত্তীয়ে সংস্কৃতত ৰচনা কৰা **বিহু উৎসৱৰ** তলত উদ্ধৃতি দিয়া হ'ল—

"ৰতিপতিসদনং জলৰুহবদনং
তনুজিতকনকবিকাৰম্ ।
ঘনকুচকলসং পৰিলসদলসং
চলদনুপম (পাদভাৰম্) ॥
নৃত্যতি ললিতং হৰিগুণ বলিতং
গায়তি বিহুবিলাসম্ ।
কলিত যুৱানং মুখৰিতৰসনং
নটিপটলমৃদুহাসম্ ॥

* * *

শ্ৰীৰুদ্ৰসিংহ ধৰণী পতিসিংহ
নিৰুপম বচন সমাজে ।
ইদমপি গানং হৰিগুণ ভাণং
শৃণুত ভণিত কবিৰাজে ॥"

তেওঁ জ্যোতিষ বিষয়ক কথা-গ্ৰন্থ **ভাস্বতী** ৰচনা কৰে।

অনন্ত আচাৰ্য্য—ৰংপুৰৰ অনন্ত আচাৰ্যই শিৱসিংহ আৰু প্ৰথমেশ্বৰীৰ আদেশক্ৰমে ১৭১৮ খ্ৰীষ্টাব্দমানত **আনন্দ-লহৰী** নামৰ এখন তত্ত্বমূলক পদ-পুথি ৰচনা কৰে। এই পুথি শঙ্কৰাচাৰ্য্যৰ সংস্কৃত সৌন্দৰ্য্য-লহৰী স্তোত্ৰৰ

নুকলি অনুবাদ। পুথিত আদ্যাশক্তি দুর্গাদেৱীৰ স্তুতি, ৰূপধাৰণ, মাহাত্ম্য বর্ণনা আদি আছে।

দ্বিজ ৰামানন্দ—তেওঁ শিৱসিংহ আৰু অম্বিকা দেৱীৰ আদেশক্রমে **উদ্যোগ পর্ব্বৰ** ভাঙনি কৰে।

কবিচন্দ্র দ্বিজ—কবিচন্দ্র দ্বিজই সচিত্র **ধর্ম্মপুৰাণ** আৰু **কামকুমাৰ-হৰণ** নাট ৰচনা কৰে। তেওঁ শিৱসিংহ আৰু ৰাণী অম্বিকাদেৱী আৰু তেওঁলোকৰ পুত্র উগ্রসিংহ এই তিনি গৰাকীৰ আদেশ অনুসাৰে ১৬৬৭ শকত ধর্ম্মপুৰাণৰ পদ-ভাঙনি কৰে। **কামকুমাৰহৰণ** নাটকখন অসমীয়া নাটৰ আহিত ৰচিত ছয় অঙ্কৰ সংস্কৃত নাটক। এই নাটক শিৱসিংহ আৰু প্রমথেশ্বৰীৰ আদেশক্রমে ৰচিত (১৭২৪—৩১ খ্রীষ্টাব্দৰ ভিতৰত) হৈছিল। নাটকৰ সংলাপ আৰু সূত্রধাৰৰ কথা সংস্কৃতত, কিন্তু মাজে মাজে অসমীয়া গীতো আছে। নাটকৰ বিষয়-বস্তু হৰিবংশৰপৰা লোৱা হৈছে আৰু ইয়াৰ ওপৰত অনন্ত কন্দলিৰ কুমৰহৰণ কাব্যৰ প্রভাৱ পৰিলক্ষিত হয়। প্রতি অঙ্কৰ সামৰণিত বিষয়-বস্তুৰ মূলৰ ইঙ্গিত (শ্রীভাগৱত-হৰিবংশ সমুদ্ধৃত কামকুমাৰহৰণ নাটক) দিয়া আছে। দুটামান গীতৰ ওপৰত জয়দেৱৰ গীত-গোবিন্দৰ প্রভাৱ পৰিছে।

ৰুচিনাথ কন্দলি—ৰংপুৰৰ কৃষ্ণাচার্য্য আৰু ৰুক্মিণীৰ পুত্র ৰুচিনাথ কন্দলিয়ে ৰাজেশ্বৰসিংহৰ দিনত ১৭৭৫ খ্রীষ্টাব্দমানত **কল্কিপুৰাণ** আৰু ১৭৫৯ খ্রীষ্টাব্দত **মার্কণ্ডেয় চণ্ডীৰ** পদ কৰে। **মার্কণ্ডেয় চণ্ডীত** কবিয়ে আত্ম-পৰিচয় প্রসঙ্গত স্বর্গদেৱ ৰুদ্রসিংহই ব্রাহ্মণসকলক উৎসাহ দিয়াৰ কথা উল্লেখ কৰিছে। ৰুচিনাথ কন্দলি নাৰায়ণপুৰৰ (উত্তৰ লক্ষীমপুৰ) বত্ন কন্দলিৰ ষষ্ঠ পুৰুষ। তেওঁৰ পিতৃক স্বর্গদেৱ ৰুদ্রসিংহই বৃত্তি-বিধান দিয়াৰ কথাও (সি স্থানতে বিপ্রবৰ, নানাগুণে গুণাকৰ, ভৈল কৃষ্ণাচার্য্য শুদ্ধমতি) কবিয়ে উল্লেখ কৰিছে। তেওঁ মার্কণ্ডেয় চণ্ডীৰ এঠাইত কৈছে—

'কল্কি পুৰাণৰ পদ কৰিলোহো আগে।
ৰচিলো চণ্ডীৰ পদ এবে অনুৰাগে॥'

ইয়াৰপৰা বুজিব পাৰি যে তেওঁ পোনতে কল্কিপুৰাণ আৰু পিচত চণ্ডীৰ পদ কৰে। এই চণ্ডী ৰচনা কৰাৰ সময় হৈছে ১৬৮১ শক বা ১৭৫৯ চন।

'চণ্ডীৰ চৰণ চিন্তি মই মূঢ়মতি।
একাহি শকত পদ লিখিলো সম্প্রতি॥'

মার্কণ্ডেয় চণ্ডীৰ মূল হৈছে মার্কণ্ডেয় পুৰাণ। ইয়াৰ উপৰি কালিকা

পুৰাণ, বামন পুৰাণ আৰু ব্ৰহ্মবৈবৰ্ত্ত পুৰাণৰপৰা কিছু কথা লোৱা হৈছে। এই পুথিত দেৱীৰ বিভিন্ন ৰূপৰ উৎপত্তিৰ বিবৰণ দিয়া হৈছে।

দুৰ্গেশ্বৰ দ্বিজ—স্বৰ্গদেৱ প্ৰতাপসিংহই ভূধৰ আগমাচাৰ্য্যক কণৌজৰপৰা অনাই দেৰগাঁৱৰ শিৱমন্দিৰৰ পূজা-সেৱা চলোৱাৰ ভাৰ দিয়ে। তেওঁৰে পৰিণাতি দুৰ্গেশ্বৰ দ্বিজই **ব্ৰহ্মবৈবৰ্ত্ত পুৰাণৰ প্ৰকৃতিখণ্ড** পদ কৰে। সম্ভৱ এওঁ ৰাজেশ্বৰসিংহৰ দিনত এই পুথি লিখে। পুথিত বিভিন্ন দেৱ-দেৱীৰ উৎপত্তিৰ বৰ্ণনা আছে আৰু শঙ্খচূড়ৰ মৃত্যুত পুথি শেষ হৈছে।

ৰঙ্গনাথ দ্বিজ চক্ৰৱৰ্ত্তী—নীলাচলৰ বাসিন্দা ৰামচন্দ্ৰ বিদ্যাভূষণৰ পুত্ৰ ৰঙ্গনাথ দ্বিজ চক্ৰৱৰ্ত্তীয়ে (অষ্টাদশ শতিকা) **মাৰ্কণ্ডেয় চণ্ডীৰ** পদ কৰে। তেওঁ মুকলিভাবে চণ্ডীৰ ভাঙনি কৰিছে।

মধুসূদন মিশ্ৰ—মধুসূদন মিশ্ৰই **মাৰ্কণ্ডেয় চণ্ডীৰ** পদ কৰে।

ৰাম মিশ্ৰ—দিচৈগ্ৰামনিবাসী ৰাম মিশ্ৰই জয়ধ্বজসিংহৰ (১৬৪৮—৬৩ খ্ৰী:) ৰাজত্ব কালত নেওগ গোহাঁই বা নেওগ ফুকনৰ আদেশত **ভীষ্মপৰ্ব্বৰ** পদ-ভাঙনি কৰাৰ কথা ওপৰত উল্লেখ কৰা হৈছে। তেওঁ জয়ধ্বজসিংহৰ শহুৰেকৰ কনিষ্ঠ পুত্ৰ ভদ্ৰসেন গোহাঁই ফুকনৰ আদেশত বিষ্ণুশৰ্ম্মা বিৰচিত **হিতোপদেশৰ** পদ-ভাঙনি কৰে আৰু তকৰা নৰৰা বৃহৎফুকনৰ আদেশত বৰৰুচিৰ **পুতলা চৰিত্ৰ** বা বত্ৰিচ সিংহাসন পদ কৰে। তেওঁ ৰচনা কৰা এখন **ক্ষোভক্ষুতি** বা খোৱাখুৰি পুথি পোৱা যায়।

বিদ্যাচন্দ্ৰ কবিশেখৰ ভট্টাচাৰ্য্য—ৰাজেশ্বৰসিংহৰ পুত্ৰ চাৰুসিংহ আৰু তেওঁৰ পত্নী প্ৰেমদাৰ 'আজ্ঞা মুক্তামালা শিৰে ধৰি' বিদ্যাচন্দ্ৰ কবিশেখৰ ভট্টাচাৰ্য্যই **হৰিবংশ** ৰচনা কৰে (ভাবাবন্ধে নিবন্ধিত হৰিবংশ পদ)। এই পুথিত ৰাধাক 'দয়িতা স্বৰূপে' অঙ্কিত কৰা হৈছে। ঠায়ে ঠায়ে ৰুচি বৰ সংযত নহয়।

বাগীশ—কমলেশ্বৰসিংহৰ (১৭৯৫—১৮১০ খ্ৰী:) আদেশত বাগীশ উপাধিধাৰী এজন পণ্ডিতে **নীতি-লতাঙ্কুৰ** ৰচনা কৰে। এই পুথি কমণ্ডকৰ সংস্কৃত নীতিসাৰৰ সংক্ষিপ্ত সাৰ আৰু কথা-ভাঙনি।

পৃথুৰাম দ্বিজ—প্ৰাগজ্যোতিষপুৰৰ ৰঘুনাথৰ পুত্ৰ পৃথুৰাম দ্বিজই কলীয়া ভোমোৰা বা প্ৰতাপবল্লভ বৰফুকনৰ পৃষ্ঠপোষকতাত মহাভাৰতৰ **স্বৰ্গাৰোহণ পৰ্ব্ব** (১৮০১ খ্ৰী:), **মুষলপৰ্ব্ব** আৰু **মহাপ্ৰাস্থানিক পৰ্ব্বৰ** পদ ভাঙনি কৰে। কামৰূপত দন্দুৱাদ্ৰোহ দমন কৰাৰ কাৰণে কমলেশ্বৰসিংহই কলীয়া ভোমোৰা বৰফুকনক 'প্ৰতাপবল্লভ' উপাধি দিয়ে।

ধনেশ্বৰ শৰ্ম্মা—কমলেশ্বৰসিংহৰ আদেশত ধনেশ্বৰ শৰ্ম্মাই ১৭২৭ শকত **টেটোন চৰিত্ৰ** সঙ্কলন কৰে।

সম্ভৱ কমলেশ্বৰসিংহৰ দিনত **হৰগৌৰী সম্বাদ** নামৰ এখন পুৰাণ ইতিহাসৰ শাৰীৰ পুথি কথোপকথনৰ ভঙ্গীত অনুবাদ কৰা হয়।

গৌৰীকান্ত দ্বিজ—কবি সূৰ্য্য শৰ্ম্মা বা গৌৰীকান্ত দ্বিজই স্বৰ্গদেৱ কমলেশ্বৰসিংহৰ দিনত ব্ৰহ্মবৈবৰ্ত্তপুৰাণৰ গণপতিখণ্ডৰ কাহিনীৰে তিনি অঙ্কৰ সংস্কৃত নাটক **বিঘ্নেশজন্মোদয়** ১৭২১ শকত ৰচনা কৰে। নাটকখন অঙ্কীয়া নাটৰ আৰ্হিত ৰচনা কৰা হৈছে। কাহিনী আৰু চৰিত্ৰাঙ্কণত কোনো বৈশিষ্ট্য নাই। সংস্কৃত গীতবোৰ ছবি, লেছাৰী আৰু দুলৰী ছন্দৰ আৰ্হিত ৰচনা কৰা হৈছে।

দীন দ্বিজ—দীন দ্বিজই মন্দিকৈবংশজন্মা শ্ৰীবৃহৎফুকন বা কলীয়া ভোমোৰা বৰফুকনৰ আদেশত ব্ৰহ্মবৈবৰ্ত্ত পুৰাণৰ প্ৰকৃতিখণ্ডৰ কাহিনী লৈ **শঙ্খচুড় বধ** নামৰ সংস্কৃত নাটকো অঙ্কীয়া নাটৰ আৰ্হিত ৰচিত। লিখকে মূল কাহিনীৰ কোনো পৰিবৰ্ত্তন কৰা নাই। নাটকৰ গীতবোৰ অসমীয়া।

দীন দ্বিজবৰে পদ্মপুৰাণৰ উত্তৰখণ্ডৰ মাধৱ আৰু সুলোচনাৰ আখ্যানেৰে **মাধৱ-সুলোচনাৰ পাঁচালী** ৰচনা কৰে। কাব্য আৰু নাটক ৰচোঁতা একেজন লোক বুলি নিসন্দেহে ক'ব পাৰি।

ধৰ্ম্মদেৱ ভট্ট—গোপাল ভট্টৰ পুত্ৰ ধৰ্ম্মদেৱ ভট্ট বা ভট্টাচাৰ্য্যই ১৭১৮ শকত ভাগৱতৰ বৰ্ণনাৰ লগত মিলাই কীৰ্ত্তনৰ আৰ্হিত **গীত-গোবিন্দৰ** তৃতীয় পদ-ভাঙনি কৰে। এওঁক **ধৰ্ম্মোদয় নাটক** প্ৰণেতা ধৰ্ম্মদেৱ ভট্টৰ সৈতে একেজন লোক বুলিব পাৰি।

বুৰঞ্জী সাহিত্য—আহোম ৰজাসকলৰ অসমীয়া সাহিত্যলৈ শ্ৰেষ্ঠ অৱদান হৈছে বুৰঞ্জী। বুৰঞ্জী সাহিত্য হৈছে আমাৰ কথা-সাহিত্যৰ অনুপম সুনীয়া পঁকুৰা। ৰাজসভাৰ পৰিবেশত বুৰঞ্জী সাহিত্য গঢ়ি উঠিছিল। এই বুৰঞ্জীৰ মাজেদি অসমীয়া গদ্যই আধুনিক ৰূপ পাইছে। অসমীয়াই বাস্তৱিকতে এইবিধ জাতীয় সাহিত্য লৈ গৌৰৱ কৰিব পাৰে। এই প্ৰসঙ্গত ডঃ গ্ৰীয়াৰ্চনৰ (George Abraham Grierson) মন্তব্য প্ৰণিধানযোগ্য—"The Assamese are justly proud of their national culture. In no department have they been more successful than in a branch of

study in which India, as a rule, is curiously deficient. ...The historical works, or Buranjis as they are styled by the Assamses, are numerous and voluminous. According to the custom of the country, a knowledge of the Buranjis was an indispensable qualification to an Assamese gentleman" (L. S. I., vol I, Part I).

আহোমসকলে পোনতে নিজৰ ভাষাত বুৰঞ্জী লিখিছিল। কালক্ৰমত অসমীয়া ভাষাত বুৰঞ্জী লিখা প্ৰথা প্ৰচলন হয়। আহোম যুগৰ বুৰঞ্জীবোৰ চাৰি ভাগত ভগাব পাৰি—(১) আহোম লিপি আৰু আহোম ভাষাৰে, (২) আহোম লিপি আৰু অসমীয়া ভাষাৰে, (৩) অসমীয়া লিপি আৰু আহোম ভাষাৰে আৰু (৪) অসমীয়া লিপি আৰু অসমীয়া ভাষাৰে। এই চাৰিবিধৰ ভিতৰত (১) আহোম লিপি আৰু আহোম ভাষা আৰু (৪) অসমীয়া লিপি আৰু অসমীয়া ভাষাৰে লিখা বুৰঞ্জীয়েই সৰহ। আকৌ আহোম ভাষাৰ বুৰঞ্জীবোৰ লাইলিক্ আৰু লীৎ বুৰঞ্জী নামে দুই ভাগত বিভক্ত। টাই-আহোমসকলেই পোনতে গদ্যত তাওচিঙা আৰু লাক্নি অনুযায়ী বুৰঞ্জী লিখা প্ৰণালী খ্ৰীষ্টীয় ত্ৰয়োদশ শতিকাৰ আগভাগত প্ৰচলন কৰে।

বুৰঞ্জীবোৰ পোনতে আহোম ভাষাত লিখা হৈছিল বুলি কোৱা হৈছে। পিচলৈ দিহিঙীয়া (১৪৯৭-১৫৩৯ খ্ৰীঃ) ৰজাৰ দিনৰপৰা ৰজাই প্ৰজাৰ ভাষাতো বুৰঞ্জী লিখিবলৈ ধৰে। সেই সময়ত বৰগোহাঁই ডাঙৰীয়াই বুৰঞ্জী লিখাত চকু দিব লাগিছিল। আহোম ভাষাৰ বুৰঞ্জীবোৰ চিৰিঙৰ ঘৰৰ মানুহে (চিৰিংফুকন) লিখিছিল; আৰু অসমীয়া ভাষাত লিখাবোৰ ব্ৰাহ্মণ পণ্ডিত আদিৰ দ্বাৰা লিখোৱা হৈছিল। পিচত জয়ধ্বজসিংহৰ দিনত লিখক বুলি এখেল মানুহৰ সৃজন কৰা হয়। স্বৰ্গদেৱ লক্ষ্মীসিংহৰ দিনত (১৭৬৯-৮০ খ্ৰীঃ) মুমলী বৰগোহাঁই ৰাজমন্ত্ৰীয়ে চকৰিফেটী নামৰ বুৰঞ্জী উলিয়াই সেই সময়ৰ ক্ষমতাশালী বৰুৱীয়ালৰ ঘৰৰ কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাক জলমৰটাৰ ঘৰৰ বুলি লিখাত দেশৰ সকলো বুৰঞ্জী গোটাই যি কেইখনত বিষম পালে সেইবোৰ পুৰি পেলালে আৰু যি কেইখন ভাল পালে ৰাখি থুৱাই দিলে। তেতিয়াৰে পৰা বুৰঞ্জী লিখোৱা আৰু ৰখাৰ ভাৰ বৰবৰুৱাৰ হাতলৈ আহিল। এইকাৰণে অষ্টাদশ শতিকাত ৰঙাচিৰলা দুৱৰাৰ ঘৰৰ শ্ৰীনাথ বৰবৰুৱাই বুৰঞ্জী ৰচনা কৰে।

বুৰঞ্জী ৰাজ-পৰিয়ালৰ ঘৰুৱা বৃত্তান্ত। প্ৰাচীন বুৰঞ্জী 'বৈষয়িক ব্যক্তিৰ

ঐহিক উক্তি'। ৰজাঘৰীয়া উচ্চপদস্থ কৰ্ম্মচাৰীয়ে ৰচনা কৰা কেইবাখনো বুৰঞ্জী পোৱা গৈছে। সেই কাৰণে বুৰঞ্জীৰ ভাষা 'গাম্ভীৰ্য্যপূৰ্ণ আৰু সম্ভ্ৰমসূচক' আৰু লিখনী হৃদয়গ্ৰাহী। বুৰঞ্জী কথ্য-ভাষাত ৰচিত কাৰণে ইয়াৰ ভাষা সহজ, সৰল, প্ৰাঞ্জল আৰু অনাড়ম্বৰ। বুৰঞ্জীত কোনো ঘটনাৰ অতিৰঞ্জন নাই। সেই কাৰণে ভাষাই ভাবপ্ৰবণতা আৰু অত্যধিক বাক্যালঙ্কাৰৰপৰা অব্যাহতি লাভ কৰিছে। বুৰঞ্জীৰ শব্দ-যোজনা আৰু জতুৱা ঠাচ ঘৰুৱা। ইয়াৰ প্ৰকাশভঙ্গী মনোৰম। প্ৰসঙ্গ অনুসৰি উপযোগী ভাষাৰ প্ৰয়োগ বুৰঞ্জীৰ গদ্য-ৰীতিৰ এটা বৈশিষ্ট্য। শাস্ত্ৰ-সম্বন্ধীয় কোনো কথা লিখিব লগা হ'লে সংস্কৃতগন্ধী ভাষা ব্যৱহাৰ কৰা হয়। নৈৰ্ব্যক্তিক নিৰপেক্ষতা বুৰঞ্জীৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য। ব্যক্তিগত ৰুচি, অভিৰুচি জলাঞ্জলি দি নিৰপেক্ষভাবে সকলো কথাৰ বিৱৰণ লিখা হয়। ঘটনাৰ বিৱৰণত শক, তাৰিখ আন কি ঠাই বিশেষে পল-দণ্ডলৈকে উল্লেখ থাকে। ঠায়ে ঠায়ে উপকথা, প্ৰবাদ আদি সন্নিবেশ কৰাত বুৰঞ্জীৰ বিৱৰণ ৰসাল হৈছে। ডঃ সূৰ্য্যকুমাৰ ভূঞাদেৱে 'পাদশ্বাহ বুৰঞ্জী'ৰ বিষয়ে মন্তব্য কৰিছে, "বুৰঞ্জীৰ কথাখিনি শুকান হাড়চাল নহয়, তাত ভাবৰ সমাবেশ আৰু আবেগৰ সৌৰভ লক্ষ্য কৰিব পাৰি। সেই দেখি এই বুৰঞ্জীখনি বুৰঞ্জীৰ শাৰীৰপৰা বিশুদ্ধ সাহিত্যৰ অঙ্গীভূত কৰা হৈছে।" এই মন্তব্য আহোম যুগৰ আন বুৰঞ্জীৰ ক্ষেত্ৰতো প্ৰয়োগ কৰিব পাৰি।

পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে কথা-গীতা ১৫১৬ শকৰ আৰু পুৰণি অসম বুৰঞ্জী সপ্তদশ শতিকাৰ ৰচনা বুলিছে। গতিকে কথা-গীতা আৰু পুৰণি অসম বুৰঞ্জীৰ ভিতৰত প্ৰায় এশ বছৰৰ ব্যৱধান। এই এশ বছৰৰ ভিতৰত অসমীয়া ভাষাই যি গঢ় ললে পুৰণি বুৰঞ্জীয়েই তাৰ জ্বলন্ত নিদৰ্শন। বুৰঞ্জীৰ ভাষাই সমসাময়িক কথ্য ভাষাৰ প্ৰতিনিধিত্ব কৰে আৰু ইয়াৰ অনুকৰণতে 'অৰুনোদই'ৰ সহজ সৰল গদ্য গঢ়ি উঠিছিল। বুৰঞ্জীৰ বাক্যসমূহ চুটি চুটি আৰু ভাষাও প্ৰাঞ্জল। যেনে—

(১) 'কাঠৰ গড় বান্ধিম পচিব, মাটিৰ গড় বান্ধিম খহিব। মই কথাৰ গড় বান্ধি দিছোঁ, প্ৰাণ-পৰিভুগী হ'ব।'—দাতিয়ালীয়া বুৰঞ্জী

(২) 'আৰু মহাৰাজা লগ এড়া মানুহক থংকৈ কাটিব খোজোতে ৰজাৰ শহৰে মাতিলে বোলে মুড়ৰ চুলি দুই এক ডাল পকিলে, তাক কাটিলে সোভা দেখি; সকল যদি পকিল, তাক কাটিলে আপোনাৰ মুড়ত দুখ পাবলৈহে আছে।'—পুৰণি অসম বুৰঞ্জী।

(৩) 'গড়গাওঁ জয়ন্তী দুই নাহয়। পূৰ্ব্বাৱধি সত্য নিবন্ধ প্ৰীতি পূৰ্ব্বকে চলিয়া গৈছে। পূৰ্ব্ব ছাৰিয়া সূৰ্য্য পশ্চিমে উদয় হৈব, ক'লা কাক ধৱল, হৈব, ভাঠী লোহিত উজান চলিব তথাপি প্ৰীতি ৰাস নহৈব।'—জয়ন্তীয়া বুৰঞ্জী

বুৰঞ্জীৰ শব্দ-যোজনা মন কৰিব লগীয়া। যেনে:—টুপীয়া জাপি, সুনীয়া হেংদান, চাউল-সমলীয়া, গ্ৰাম মাৰিলে, ডাঙৰ অসন্তোষ, ৰূপাৱলী পটুকা ইত্যাদি। বৰ্ত্তমান অসমীয়া ভাষাত অপ্ৰচলিত ভালেমান শব্দ বুৰঞ্জীত পোৱা যায়। যেনে—আৰোৱান, আগাৰিত, গোনাওঁতা, লেহেতীয়া, বিলৈগুটি, পয়জাৰ ইত্যাদি।

উপমা, ৰূপক আদি অলঙ্কাৰেৰ বুৰঞ্জী খুন্দ খাই আছে। যেনে:—'বেজী হলেহে বটীয়া, ম'ৰা হলেহে চালি', 'দশমৰ পদ মইহে কৰিছো, তয়ো কৰিবি', 'বাৰীৰ ভিতৰত পুখুৰী, সিচোতেও আঠোটা-দহোটা মাছুহক শিঙীয়ে ফুটে' ইত্যাদি।

সম্ভৱ অসমীয়া বুৰঞ্জী সাহিত্যৰ জন্ম বোল শতিকাৰ শেহ ভাগত। সকলো বুৰঞ্জীৰ সময় নিৰ্ণয় কৰা টান। "কালক্ৰমণিস্বৰূপে কামৰূপ অনুসন্ধান সমিতিয়ে প্ৰকাশ কৰা **'পুৰণি অসম বুৰঞ্জী'**কেই প্ৰাচীনতম বুলি ধৰিব পাৰি। পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে এই বুৰঞ্জীৰ পাতনিত লিখিছে "....এই বুৰঞ্জীৰ ভাষা ১৭ শতিকাৰ অসমীয়া গদ্য ভাষাৰ চানেকি বুলি ধৰিলে ভুল কৰা নহব।" সেই একে সময়ৰে 'স্বৰ্গনাৰায়ণদেৱ মহাৰাজাৰ আখ্যান' শীৰ্ষক বুৰঞ্জীখন বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগে 'অসম বুৰঞ্জী' নামেৰে প্ৰকাশ কৰিছে। অসমৰ ভালেখিনি পুৰণি বুৰঞ্জী এতিয়াও অপ্ৰকাশিত। **'আহোম বুৰঞ্জী'** নামৰ আহোম ভাষাত লিখা বুৰঞ্জী এখন ৰায়চাহেব গোলাপচন্দ্ৰ বৰুৱাই সম্পাদনা কৰে আৰু অসম চৰকাৰে এই পুথি ১৯৩০ চনত প্ৰকাশ কৰে।

কামৰূপ অনুসন্ধান সমিতিয়ে 'পুৰণি অসম বুৰঞ্জী' (১৯২২ চন) আৰু 'পাদশ্বাহ বুৰঞ্জী' (১৯৩৫) নামৰ দুখন বুৰঞ্জী প্ৰকাশ কৰিছে। পাদশ্বাহ বুৰঞ্জীৰ লেখকজন সম্ভৱ মুছলমান আছিল। এই বুৰঞ্জীৰ ভাষা অসম বুৰঞ্জীৰ নিচিনা নহয়। ইয়াত বহুত আৰবী আৰু পাৰ্চী শব্দ আছে। যেনে—বিলায়ত, তমাম, হাৰামজাদা, ফৰমান, কাজী ইত্যাদি। বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগে প্ৰকাশ কৰা বুৰঞ্জীসমূহ হৈছে—হৰকান্ত বৰুৱা সদৰামিনৰ অসম বুৰঞ্জী (১৯৩০ চন), শ্ৰীনাথ দুৱৰাবৰুৱাৰ তুংখুঙীয়া বুৰঞ্জী (ৰচনা ১৮০৩, প্ৰকাশ ১৯৩২), কছাৰী বুৰঞ্জী (১৯৩৬), জয়ন্তীয়া বুৰঞ্জী (১৯৩৭), বন্ত কন্দলি শৰ্ম্মাকটকী আৰু অৰ্জুন

দাস বৈৰাগীৰ ত্ৰিপুৰা বুৰঞ্জী (ৰচনা ১৭২৪, প্ৰকাশ ১৯৩৮), কামৰূপৰ বুৰঞ্জী (১৯৩০), দেওধাই অসম বুৰঞ্জী (১৯৩২), জয়ন্তীয়া বুৰঞ্জী (১৯৩৭), অসম বুৰঞ্জী (সুকুমাৰ মহন্তৰ ঘৰৰ পৰা পোৱা, ১৯৪৫), অসম বুৰঞ্জী (১৯৩৮), ইংৰাজী বুৰঞ্জী—তুংখুঙ্গীয়া বুৰঞ্জী (১৯৩৩), 'এনালচ্ অব ডি ডেলহি বাদশাহেত্ (Annals of the Delhi Badshahate, ১৯৪৭) ইত্যাদি।

ডঃ সূৰ্য্যকুমাৰ ভূঞাই সম্পাদনা কৰা সাতখন পুৰণি বুৰঞ্জী 'সাতসৰী অসম বুৰঞ্জী' (১৯৬০) নামেৰে গুৱাহাটী বিশ্ববিদ্যালয়ে প্ৰকাশ কৰিছে।

ৰজাঘৰীয়া **চিঠিপত্ৰ** আৰু **ভূমিদান ফলিৰ** গদ্য, মামলা-মকৰ্দ্দমাৰ সিদ্ধান্ত আৰু **পেড়া-কাকতত** ব্যৱহৃত গদ্যৰ পৰা অসমীয়া গদ্যই এই যুগত এক সুনিৰ্দ্দিষ্ট গঢ় লয় বুলিব পাৰি। **বুৰঞ্জীমূলক চিঠিৰ** ভাষা সংস্কৃত, অসমীয়া, বঙলা, উৰ্দ্দু, পাৰ্চী আদি বিভিন্ন ভাষাৰ সানমিহলি। এনে চিঠি-পত্ৰৰ ভিতৰত কোচবেহাৰৰ নৰনাৰায়ণ ৰজাই ১৫৫৫ খ্ৰীষ্টাব্দত স্বৰ্গদেৱ স্বৰ্গনাৰায়ণলৈ দিয়া চিঠিয়েই প্ৰথম। এই চিঠিখনৰ নকল দিয়া হ'ল।

"স্বস্তি সকল দিগদন্তিকৰ্ণতানাস্ফান সমীৰণ প্ৰচলিত হিমকৰ হৰ হাৰ হাস কাশ কৈলাস পাণ্ডুৰ যশোৰাশি বিৰাজিত ত্ৰিপিষ্টপ ত্ৰিদশতৰঙ্গিনী সলিল নিৰ্ম্মাণ পবিত্ৰ কলেৱৰ ভীষণ প্ৰচণ্ড ধীৰ ধৈৰ্য্য মৰ্য্যাদা পাৰাবাৰ সকল দিক্কামিনী গীয়মান গুণ সন্তান শ্ৰীশ্ৰীস্বৰ্গনাৰায়ণ মহাৰাজা প্ৰচণ্ড প্ৰতাপেষু।

লেখনং কাৰ্য্যঞ্চ। এথা আমাৰ কুশল। তোমাৰ কুশল নিৰন্তৰে বাঞ্ছা কৰি। অথন তোমাৰ আমাৰ সন্তোষ সম্পাদক পত্ৰাপত্ৰি গতায়াত হৈলে উভয়ানুকুল প্ৰীতিৰ বীজ অঙ্কুৰিত হৈতে ৰহে। তোমাৰ কৰ্ত্তব্যসে বৰ্দ্ধতাক পাই পুষ্পিত ফলিত হইবেক। আমৰা সেই উদ্যোগতে আছি। তোমাৰো এগোট কৰ্ত্তব্য উচিত হয়। নাকৰ তাক আপনে জান। অধিক কি লেখিম। সতানন্দ কাৰ্যি ও ৰামেশ্বৰ শৰ্ম্মা কালকেতু ও ধুৰা সৰ্দ্দাৰ উদণ্ড চাউনিয়া শ্যামৰাই ইমৰাক পাঠাইতেছি। তামৰাৰ মুখে সকল সমাচাৰ বুঝিয়া চিত্তাপ বিদায় দিবা। অপৰ উকীলৰ সঙ্গে ঘুড়ি ২ ধনু ১ ছেঙ্গ মৎস্য ১ জোৰ বালিস ১ জকাই ১ সাৰি ৫ থান এই সকল দিয়া গৈছে। আৰ সমাচাৰ বুজি কহি পঠাইবেক আৰ তোমাৰ অৰ্থে সন্দেশ গোমচেং ১ চিট ৫ ঘাগৰি ১০ কৃষ্ণামৰ ২০ শুক্ল চামৰ ১০। ইতি শক ১৪৭৭ মাস আষাঢ়।"

এই চিঠিৰ বাক্যৰীতি সংযত আৰু বৰ্ণনা গাম্ভীৰ্য্যপূৰ্ণ।

পেড়া-কাকত অৰ্থে আহোম ৰজাৰ দিনৰ মহৰ আৰু মাটিৰ লেখৰ

কাকতক বুজায়। এই কাকত পেৰাত ভৰাই থৈছিল কাৰণে পেড়া-কাকত বোলা হয়। এই কাকতবোৰ বুৰঞ্জীৰ ঘাই সম্বল। স্বৰ্গদেৱ শিৱসিংহৰ ((১৭১৪—৪৪ খ্ৰীঃ) দিনত কামৰূপ আৰু বকটাত মাটি আৰু মানুহ পিয়ল হয়। 'পেড়া-কাকত ঘাইকৈ তুলাপাতত লিখা হৈছিল।' সাঁচিপাতত লিখা পেড়া-কাকতো পোৱা গৈছে। পেড়া-কাকতবোৰ দুয়ো পিঠিয়ে লিখি কাপোৰ জপাদি জাপি থোৱা হৈছিল। জমাবন্দি থকা পেড়া-কাকতত ৰজাৰ নাম বা বৰফুকনৰ নাম সাধাৰণতে নাথাকে। এই বিধ কাকতত কোন মৌজাত, কি গাৱঁত, কি হদৰ ভিতৰত কিমান মাটি কাৰ নামত আছে তাৰ হিচাপ পুৰা, কঠা, লোচা বা পোৱাত লিখা থাকে।

ব্যাৱহাৰিক জ্ঞানৰ পুথি—এই যুগৰ বিভিন্ন বিষয়ক সংস্কৃত গ্ৰন্থ অসমীয়ালৈ অনূদিত হৈছিল। তাৰ ভিতৰত অঙ্কৰ আৰ্য্যা, জ্যোতিষ, নৃত্য-গীতৰ পুথি, নিদান, আয়ুৰ্ব্বেদ শাস্ত্ৰ আদিৰ অনুবাদ উল্লেখযোগ্য। এই ব্যাৱহাৰিক জ্ঞানৰ পুথিবোৰ গদ্যত ৰচনা কৰা হৈছে। **কবিৰাজ চক্ৰৱৰ্ত্তীৰ ভাস্বতী** (১৬৯৫ খ্ৰীষ্টাব্দ) নামৰ জ্যোতিষ পুথিৰ কথা-ভাঙনিৰ কথা ওপৰত উল্লেখ কৰা হৈছে। এই পুথি সংস্কৃত সূৰ্য্য-সিদ্ধান্তৰ সংক্ষিপ্ত ভাঙৰণ। শুভঙ্কৰৰ (১৫৮৩—১৬১৯*) **শ্ৰীহস্তমুক্তাৱলী** অভিনয়ত ব্যৱহৃত হোৱা মুদ্ৰা-বিষয়ক পুথি। 'শ্লোকসমূহ নাট্য-বিদ্যা সম্বন্ধীয় বিভিন্ন শাস্ত্ৰৰ পৰা সংগ্ৰহ কৰা হৈছে'। মূল শ্লোকৰ লগত অসমীয়া কথা-ভাঙনি দিয়া হৈছে। ইয়াত ৩৯ বিধ বিভিন্ন নৃত্যৰ কথা আছে। পুথিৰ গদ্যৰ চানেকি দিয়া হ'ল।

"এখন শুভঙ্কৰি গ্ৰন্থৰ সমাপ্তিত নৃপাদিৰ আশীৰ্ব্বাদ বিধান কৰে সমস্তে জয়যুক্ত ৰাজাসকলৰ পৰস্পৰে মৈত্ৰী ৰহোক। সন্ত সকলৰো আপদ নষ্ট হোক। পুণ্যৱন্ত সকলৰো কীৰ্ত্তি বৃদ্ধি হোক। নীতিয়ে বেশ্যা স্ত্ৰীৰ সদৃশ আনন্দে পূৰ্ণ বদন হৈয়া সৰ্ব্বদায়ে হৃদয়ত আশ্লেষ কৰিয়া প্ৰতি দিৱসে মন্ত্ৰীসকলৰ বদন চুম্বন কৰক।"

শ্ৰীদেৱানন্দ ভৰালীয়ে এই পুথি প্ৰায় ১৬৮০ খ্ৰীষ্টাব্দৰ বুলিছে। ডঃ জয়কান্ত মিশ্ৰই তেওঁৰ মৈথিলী সাহিত্যৰ বুৰঞ্জীত (প্ৰথম খণ্ড) উল্লেখ কৰিছে যে নেপালৰ ৰজা জগজ্জ্যোতিৰ্মল্লৰ (১৬১৭—৩৩ খ্ৰীঃ) জীয়েকৰ পুত্ৰেক অনন্তৰ কথামতে এজন ঘনশ্যামে শ্ৰীহস্তমুক্তাৱলীৰ টোকা লিখে আৰু মূল শ্ৰীহস্ত-মুক্তাৱলীৰ লিখক সম্ভৱ মহাৰাজা মহেশ ঠাকুৰৰ পুত্ৰ শুভঙ্কৰ ঠাকুৰ। উক্ত বুৰঞ্জীত কোৱা হৈছে যে নেপালৰ পুথি-ভঁৰালত তেওঁৰ এখন নৃত্য-বিষয়ক পুথি আছে আৰু সম্ভৱ তেৱেঁই সঙ্গীতদামোদৰ প্ৰণেতা। এই সঙ্গীত-

দামোদৰত শ্ৰীহস্তমুক্তাৱলীৰ উল্লেখ আছে। ডঃ মিশ্ৰৰ মতে ঘনশ্যামৰ পুথি ৰচনাৰ সময় ১৬৭৫ খ্ৰীষ্টাব্দ। অঙ্কৰ পুথিৰ ভিতৰত কাশীনাথৰ অঙ্কৰ আৰ্য্যা উল্লেখযোগ্য। এই পুথি ৰচনাৰ সময় সম্ভৱ ১৭০০ খ্ৰীষ্টাব্দ। ইয়াত অঙ্কৰ উপৰিও মাটি জোখৰ নিয়ম আৰু বৰ্গমূল উলিওৱা প্ৰণালী আলোচনা কৰা হৈছে। পুথিত মাজে মাজে সংস্কৃত শ্লোক আছে। ভাষাৰ চানেকি তলত দিয়া হ'ল—

"পুনু সেই হাৰকেৰে হৰি তৃতীয় লব্ধ লব; তৃতীয় লব্ধবো বৰ্গ অপৰ ভাগত কাটি দুয়ে পুৰি হাৰকে কটা ভাগৰ তলত ৰাখিব এই ক্ৰমে হৰিলে যি লব্ধ পাই তাকে মূল বুলি।"

স্বৰ্গদেৱ শিৱসিংহ আৰু ৰাণী অম্বিকা দেৱীৰ 'আজ্ঞা ৰত্নমালাক শিৰত ধৰি' সুকুমাৰ বৰকাথে ১৬৫৬ শকত হস্তিবিদ্যাৰ্ণৱ পুথি ৰচনা কৰে। পুথিৰ কথা শম্ভুনাথ প্ৰণীত গজেন্দ্ৰ-চিন্তামণি নামৰ সংস্কৃত শাস্ত্ৰৰ পৰা লোৱা হৈছে। দিলবৰ আৰু দোছাই নামৰ দুজন মোগল শিল্পীয়ে এই পুথিৰ ছবি আঁকিছে। ইয়াত বিভিন্ন হাতীৰ বৰ্ণনা, হাতীৰ ৰোগ আৰু ঔষধৰ ব্যৱস্থা, হাতী বশ কৰা প্ৰণালী আদি কথা আছে। অধিক কি কোন শ্ৰেণীৰ হাতীত কোন উঠিব পাৰে তাকো কোৱা হৈছে। 'আখৰ জোটনি উচ্চাৰণ মতে আৰু ৰচনা-ৰীতি কথ্য-ভাষা অনুযায়ী' কৰা হৈছে। হাতীৰ সুলক্ষণ বৰ্ণনা কৰা হৈছে—"সিলৰ আগমন্নহৰ পৰা জি জাত হস্তি হৈছে তাৰ লক্ষণ কাণৰ ওপৰ ভাগ ডুখৰিয়া হেঙুলৰ বৰ্ণৰ সদৃশ তাৰ প্ৰকৃতি বালকে ওমোলাভাৱে উমলি থাকে। এই হস্তি চন্দনৰ গন্ধ থকা হাবিত থাকে। এক দেউ বুলিএ অৰণ্যত ফুৰোতে সেই হস্তীক দেখি সাম্পতি নামে ৰাজাত কলেহি। পাছে ৰাজায়ে গৈ সেই হস্তিক ধৰি আনিলে। তাৰে পৰা অনেক ৰাজ্যলৈ বিয়াপিল। এতেকে ৰাজা সকলে এনে হস্তিক ছিনি ৰাজ্যলৈ আনিব তেহে ৰাজাৰ সম্পত্তি বাঢ়ে।" ৰচনা-ৰীতি, বাক্যৰীতি আৰু শব্দকোষৰ ফালৰ পৰা এই পুথিৰ গদ্যৰ বুৰঞ্জীৰ গদ্যৰ লগত অধিক মিল দেখা যায়। এজন অজ্ঞাত লেখকৰ ঘোৰা নিদান নামৰ পুথিত (সম্ভৱ ১৭৪০ খ্ৰীষ্টাব্দত ৰচিত) নানা জাতিৰ ঘোৰা, সিহঁতৰ ৰোগ আৰু চিকিৎসা সম্পৰ্কে আলোচনা কৰা হৈছে। গদ্যৰ নিদৰ্শন তলত দিয়া হ'ল—

"টাঙনৰ তিনি জাতি। টাটুকীৰ তিনি জাতি। টাটুকীৰ বুকু বহল ভিজি ডাঙৰ। তাজীৰ বুকু চেপেটা ভিজি সৰু। ভাল আচোৱাৰি হব্দে

বিচাৰি পাব। জিঞ্জিনীয়া বাত হলে তিনি খোজ মানক লাগি ঠেঙ্গ চোচোৰাই। যত বাথৰ আছে মানে সবাকো লব আৰু কলাখাৰ মাহ ডালি সহিতে বান্ধি থুৱাব নাশ।

শেনৰ বিদ্যা নামৰ শেনৰ শিক্ষা আৰু চিকিৎসা সম্পৰ্কীয় এখন পুথি পোৱা গৈছে। এই যুগৰ **কামৰত্ন তন্ত্ৰ** গোৰক্ষনাথৰ নামত অভিহিত এখন সংস্কৃত তান্ত্ৰিক শাস্ত্ৰৰ অসমীয়া কথা-ভাঙনি। এইখন তান্ত্ৰিক মন্ত্ৰৰ আচৰিত সংগ্ৰহ। ইয়াত ভালেমান গছ-গছনি, ঔষধ, দ্ৰব্য আদিৰ নাম আছে। ইয়াত শঙ্কৰে পাৰ্ব্বতীক বশ, আকৰ্ষণ, বিদ্বেষণ স্তম্ভন, মাৰণ আদি কৰ্ম্মবিলাক কোন কালত কি নিয়মে কৰিব লাগে তাক কৈছে। ইয়াৰ গন্থৰ চানেকি দিয়া হল—

"ঘিউ, ভৃঙ্গৰাজৰ মূলৰ ঠাৰিৰ ৰস তেলসম কৰি পগাই তেল ৰাখিব, নবীন ভাণ্ডত থৈ মাটিত পুতিব। মাসেক অন্তৰে তুলি ৰতাহ নপৰা ঠাইত থব। মূৰত দি কলাপাতেৰে চেৰি ভৰণ থব সাত দিন ভৰণ গুচাই নিতে খিৰখাব। কেশ দীৰ্ঘ হয়।"

ঘৰ-দুৱাৰ, মঠ-মন্দিৰ আদি নিৰ্ম্মাণ সম্পৰ্কেও পুথি ৰচিত হৈছিল। এই নিৰ্ম্মাণ কাৰ্য্যৰ ভাৰপ্ৰাপ্ত বিষয়া হ'ল চাংৰুং ফুকন। নিৰ্ম্মাণ কাৰ্য্যৰ বিৱৰণ থকা পুথিক **চাংৰুং ফুকনৰবুৰঞ্জী** বোলে। বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগত এনে পুথি সংৰক্ষিত হৈছে।

বিভিন্ন পুৰাণৰ ভাঙনি:—সপ্তদশ শতিকাৰ আগভাগত **ভাগৱত মিশ্ৰই বিষ্ণুপুৰাণৰ** প্ৰথম অসমীয়া পদ ভাঙনি কৰে। তেওঁ **সাত্বত-তন্ত্ৰ** নামৰ এখন পুথি ভাঙনি কৰে। এই পুথিত আছে যে মিশ্ৰ দামোদৰ দেৱৰ শিষ্য আৰু দামোদৰ দেৱৰ আন এজন প্ৰধান শিষ্য ভগবানদেৱৰ গোবিন্দপুৰ সত্ৰত তেওঁ ভাগৱত পাঠ আৰু ব্যাখ্যা কৰিছিল। তেওঁ সম্ভৱ সপ্তদশ শতিকাৰ আগভাগত বিষ্ণুপুৰাণ ভাঙনি কৰে। **কালিদাসে** বিষ্ণুপুৰাণৰ প্ৰথম শাখাৰ **যম-গীতা** অধ্যায় ভাঙনি কৰে। **পৰশুৰাম দ্বিজই** উনবিংশ শতিকাৰ প্ৰথম ভাগত ১৮৩৬ খ্ৰীষ্টাব্দত **বিষ্ণু পুৰাণৰ** সম্পূৰ্ণ ভাঙনি কৰে। তেওঁ **ধৰ্ম্মপুৰাণ** সম্পূৰ্ণ অনুবাদ কৰে। **ৰামগোবিন্দই ব্ৰহ্মাণ্ড পুৰাণ** আৰু **বিষ্ণু পুৰাণ** ভাঙনি কৰে।

কবিৰাজ চক্ৰবৰ্ত্তীয়ে ব্ৰহ্মবৈবৰ্ত্ত পুৰাণৰ প্ৰথম অসমীয়া ভাঙনি কৰাৰ কথা আগতে কোৱা হৈছে। অষ্টাদশ শতিকাৰ শেষ ভাগত যশোৱন্ত দ্বিজই

ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণৰ কৃষ্ণজন্ম খণ্ড ভাঙনি কৰে। তেওঁ বংশীগোপালদেৱৰ (১৫৪৮-১৬৬২ খ্ৰীঃ) সমসাময়িক হৰিভাৰতীৰ সপ্তম পুৰুষ। তেওঁলোকে আগতে উত্তৰ লক্ষীমপুৰৰ হাবুঙত বাস কৰিছিল। **বলোৰাম দ্বিজই** সংস্কৃত পুথিৰ হুবহু ভাঙনি কৰিছে। দেৱগ্ৰাম নিবাসী **দুৰ্গেশ্বৰ দ্বিজই ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণৰ প্ৰকৃতি-খণ্ডৰ** পদ-ভাঙনি কৰাৰ কথা আগত উল্লেখ কৰা হৈছে। অষ্টবিংশ শতিকাৰ শেহত দৰঙৰ কুমাৰ হয়নাৰায়ণৰ আমোলত **ৰতিকান্ত দ্বিজ, নন্দেশ্বৰ দ্বিজ, নৰোত্তম দ্বিজ,** আৰু **যশোধৰ দ্বিজই** ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ ভাঙনি কৰাৰ কথা পিচত কোৱা হ'ব। ভুবনেশ্বৰ বাচস্পতি মিশ্ৰই বৃহন্নাৰদীয় পুৰাণৰ পদ-ভাঙনি কৰে। **যশোধৰ দ্বিজই** ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণৰ প্ৰকৃতি খণ্ডৰ মনসাদেৱীৰ কাহিনীৰ কেইটামান অধ্যায় ভাঙে।

আহোম ৰাজত্বৰ সময়ত **ধৰ্ম্মপুৰাণৰ** পদ-ভাঙনিও কৰা হয়। স্বৰ্গদেৱ শিৱসিংহৰ দিনত **কবিচন্দ্ৰ দ্বিজই ধৰ্ম্মপুৰাণৰ** পদ-ভাঙনি কৰাৰ কথা আগতে উল্লেখ কৰা হৈছে। বিষ্ণুপুৰাণ ভাঙোতা **পৰশুৰাম দ্বিজই ধৰ্ম্মপুৰাণৰ** পদ-ভাঙনি কৰে। তেওঁৰ পিতৃৰ নাম সভানন্দ।

কছাৰী ৰজাৰ পৃষ্ঠপোষকতা ঃ—খাচপুৰত ৰাজত্ব কৰা কছাৰী ৰজা সুৰদৰ্পনাৰায়ণ (১৭০৮-২১ খ্ৰীঃ) ৰজাৰ মাতৃ (তাম্ৰধ্বজৰ পত্নী) চন্দ্ৰপ্ৰভাৰ আদেশক্ৰমে ব্ৰহ্মপুত্ৰ উপত্যকা নিবাসী **ভুবনেশ্বৰ বাচস্পতি মিশ্ৰই নাৰদীয় কথামৃত** ৰচনা কৰে। যদিও পুথিখন নাৰদীয় পুৰাণ বোলা হৈছে (নাৰদীয় কথামৃত ৰচিলা পয়াৰ) তথাপি ই আচলতে বৃহন্নাৰদীয় পুৰাণৰহে ভাঙনি। খাচপুৰত ৰচনা কৰাৰ কাৰণে পুথিৰ ভাষা মিহলি। ইয়াত বিষ্ণু-ভক্তি, বৈষ্ণৱ মাৰ্গ আদিৰ মাহাত্ম্য বৰ্ণনা কৰা হৈছে। কছাৰী আহোমৰ প্ৰীতিভাৱৰ সময়ত ভুবনেশ্বৰ মিশ্ৰ সম্ভৱ কছাৰী ৰাজ্যলৈ গৈছিল। আন এজন হেড়ম্বেশ্বৰ কৃষ্ণচন্দ্ৰৰ আদেশক্ৰমে তেওঁৰ সভাৰ পণ্ডিত **ভৱানীনাথ দ্বিজবৰে** 'ব্যাস-সঙ্গীত চাইয়া' পয়াৰ আৰু লেছাৰী ছন্দত **শ্ৰীৰামচন্দ্ৰ-অভিষেক** ৰচনা কৰে। কাব্যখনি পাঁচালী কাব্যৰ আৰ্হিত ৰচিত।

দৰঙী ৰজাৰ পৃষ্ঠপোষকতা ঃ—মহাৰাজ নৰনাৰায়ণৰ মৃত্যুৰ পুৰ্ব্বে কোচবেহাৰ আৰু কোচ-হাজো (সোণকোষ নৈৰ পূবখণ্ড) নামে দুখন কোচ ৰাজ্যৰ সৃষ্টি হ'ল। পূবখণ্ডৰ ৰজা পৰীক্ষিত নাৰায়ণক মোগল বাদচাহে দিল্লীলৈ ধৰাই নিয়াত তেওঁৰ ভায়েক বলিনাৰায়ণে আহোমৰ আশ্ৰয় লয়। স্বৰ্গদেৱ প্ৰতাপসিংহই (১৬০৩-৪১ খ্ৰীঃ) বলিনাৰায়ণক **ধৰ্ম্মনাৰায়ণ** নাম দি

১৬১৫ খ্ৰীষ্টাব্দত দৰং অঞ্চলৰ ৰজা পাতে। তেওঁৰ পুত্ৰ সুন্দৰনাৰায়ণে মঙ্গলদৈত ৰাজধানী পাতি আহোমৰ কৰতলীয়া ৰজা হ'ল।

দৰঙী ৰজাসকলৰ পৃষ্ঠপোষকতাত অসমীয়া সাহিত্যৰ শ্ৰীবৃদ্ধি সাধন হয়, আৰু ৰাজাবংশাৱলী নামৰ পদ্য বুৰঞ্জীসমূহেই তেওঁলোকৰ ঘাই অৱদান। বৈষ্ণৱ যুগৰ কবি ৰাম সৰস্বতী আৰু তেওঁৰ পুত্ৰ গোপীনাথ পাঠকৰ কথা আগতে আলোচনা কৰা হৈছে। **ৰাম সৰস্বতীয়ে** ধৰ্ম্মনাৰায়ণ ৰজাৰ আদেশত **সিন্ধু-যাত্ৰা আৰু উদ্যোগ পৰ্ব্ব** পদ কৰে। তেওঁৰ কাব্যিক জীৱনৰ শেষ ৰৰঙণি জয়দেৱ কাব্য এই ৰজাৰ ৰাজত্বকালৰ ৰচনা। **গোপীনাথ পাঠকে** দৰঙী ৰজাৰ পৃষ্ঠপোষকতাত দ্ৰোণ পৰ্ব্ব আৰু স্বৰ্গাৰোহণ পৰ্ব্বৰ পদ কৰে। ধৰ্ম্মনাৰায়ণ ৰজাৰ ৰাজকবি **সুকবি নাৰায়ণদেৱে মনসা গীত** বা পদ্মাপুৰাণ ৰচনা কৰাৰ কথা আগতে আলোচনা কৰা হৈছে।

ব্ৰহ্মবৈৱৰ্ত্তপুৰাণ ঃ—ব্ৰহ্মবৈৱৰ্ত্তপুৰাণৰ বিভিন্ন খণ্ডৰ ভাঙনিৰ কথা ওপৰত কোৱা হৈছে। গোটেই ব্ৰহ্মবৈৱৰ্ত্তপুৰাণৰ ভাঙনি উনবিংশ শতিকাৰ আগভাগত সম্পূৰ্ণ হয়। অষ্টবিংশ শতিকাৰ শেহত দৰঙী কোঁৱৰ হয়নাৰায়ণৰ আমোলত **ৰতিকান্ত দ্বিজ, নন্দেশ্বৰ দ্বিজ, নৰোত্তম দ্বিজ** আৰু **যশোধৰ দ্বিজই** এই কাম সমাধা কৰে। ইয়াৰ তিনি-চতুৰ্থাংশ কাম ৰতিকান্ত দ্বিজই অকলে আৰু বাকী এক-চতুৰ্থাংশ নন্দেশ্বৰ দ্বিজ, নৰোত্তম দ্বিজ আৰু যশোধৰ দ্বিজই কৰে। পুথিখনত ৫০০০ পদ আছে। এই কাম ১৭১৭ শকত সম্পূৰ্ণ কৰা হয়। **যশোধৰ দ্বিজই** ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণৰ প্ৰকৃতিখণ্ডৰ মনসাদেৱীৰ কাহিনীৰ কেইটামান অধ্যায় ১৭৩৯ শকত ভাঙি শেষ কৰে।

বংশাৱলী ঃ—সূৰ্য্যখড়ি দৈৱজ্ঞৰ দৰং ৰাজবংশাৱলী (১৭৯১ খ্ৰীঃ), ৰতিকান্ত দ্বিজৰ ৰাজবংশাৱলী (১৮০২ খ্ৰীঃ) আদি পদত লিখা ৰাজমালাৰেও এক শ্ৰেণীৰ বংশাৱলী সাহিত্য সৃষ্টি হৈছিল আৰু ই বুৰঞ্জীৰ পৰিপূৰক স্বৰূপ আছিল।

সূৰ্য্যখড়ি দৈৱজ্ঞই অষ্টাদশ শতিকাৰ শেহ ভাগত মঙ্গলদৈত জন্ম-গ্ৰহণ কৰে। তেওঁ দৰঙী ৰজা সমুদ্ৰনাৰায়ণৰ আদেশ ক্ৰমে কোচ ৰজাসকলৰ বুৰঞ্জীকে লৈ পদত **দৰং-ৰাজবংশাৱলী** নামৰ সচিত্ৰ ৰাজমালা ৰচনা কৰে। তেওঁ **ৰাজমাৰ্ত্তণ্ড** নামৰ এখন জ্যোতিষ পুথিৰ সংস্কৃতত টীকা লিখে। তেওঁৰ বিদ্যা আৰু ধৰ্ম্মানুৰাগৰ বাবে আহোম ৰজাই ১৭২০ শকত দানপত্ৰৰ দ্বাৰা তেওঁক ভূমি দান কৰে।

গদাধৰৰ নাতি **ৰতিকান্ত দ্বিজৰ** ঘৰ মঙ্গলদৈ অঞ্চলত। তেওঁ দৰঙী

ৰজাৰ ৰাজসভাৰ পণ্ডিত আছিল। তেওঁ খড়্গনাৰায়ণ ৰজাৰ আদেশত দৰঙী ৰজাসকলৰ বুৰঞ্জী **ৰাজবংশাৱলী** নামৰ পদ-পুথি ৰচনা কৰে আৰু ১৭২৪ শকত এই পুথি ৰচনা শেষ হয়। তেওঁৰ **ব্ৰহ্মবৈবৰ্ত্ত পুৰাণৰ** ভাঙনিৰ কথা ওপৰত কোৱা হৈছে।

সূৰ্য্যদেৱ—পীতাম্বৰ সিদ্ধান্তবাগীশৰ বংশধৰ সূৰ্য্যদেৱে ৰজা জগৎনাৰায়ণৰ পুত্ৰ গন্ধৰ্ব্বনাৰায়ণৰ আদেশক্ৰমে প্ৰায় ১৮৪০ চনত **ৰাজবংশাৱলী** বা গন্ধৰ্ব্ব-নাৰায়ণৰ বংশাৱলী ৰচনা কৰে।

ভৱানন্দ মিশ্ৰ—শিৱানন্দৰ পুত্ৰ ভৱানন্দৰ এখন হৰিবংশৰ পদ-ভাঙনি পোৱা গৈছে। ইয়াক ঢাকা বিশ্ববিদ্যালয়ে বঙলা পুথি বুলি প্ৰকাশ কৰিলেও ইয়াত পশ্চিম অসমৰ কথিত ভাষাৰ চানেকি পোৱা যায়। ইয়াত শ্ৰীকৃষ্ণৰ লীলা সুন্দৰ ভাবে বৰ্ণোৱা আছে। তেওঁ **গোবিন্দ চৰিত** বা গোবিন্দ ঠাকুৰৰ জীৱনী ৰচনা কৰে। এই পুথিত দৰঙত ৰাজত্ব কৰা চন্দ্ৰনাৰায়ণ ৰজাৰ নাম উল্লেখ আছে—

"কতো পিৰী বহি গৈ চন্দ্ৰনাৰায়ণ নৃপ হৈ
পশিলন্ত থানক সম্প্ৰতি।"

গতিকে এই চৰিত পুথি চন্দ্ৰনাৰায়ণ ৰজাৰ (১৬৪৩-১৬৬০ খ্ৰীঃ) দিনত বা অলপ পিচতে ৰচিত হৈছিল।

মধুনাৰায়ণ কোঁৱৰঃ—শুক্লধ্বজ বংশজাত মধুনাৰায়ণ কোঁৱৰে **অগ্নি-পুৰাণ** ৰচনা কৰে। যমৰ পত্নী ধূমা মহাদেৱৰ জীয়া মানুহ চাবৰ মন গলত যমদূতে ৰূপাঙ্গদ ৰজাৰ ৰাজ্যৰ পোতাশালত ১৫ বছৰ বন্দী হৈ থকা এটা মানুহ লৈ আহে। তাক দেখি যমৰজা আৰু ৰাণীয়ে সিংহাসন এৰি আঁতৰি গ'ল। এই কৃষ্ণভক্ত বন্দীটো ৰূপাঙ্গদ ৰজাৰ ৰাজ্যলৈ ঘূৰি যোৱাত ৰূপাঙ্গদে তাক ৰজা পাতিলে। পুথিখন ৰচনাৰ বিষয়ে কৈছে—

"পুৰাণভাৰত একত্ৰ কৰিয়া
ৰচিলো কৃষ্ণ চৰিত্ৰ।"

কৱিৰাজ মিশ্ৰঃ—দৰঙৰ চপৰাৰ কৱিৰাজ মিশ্ৰই **শিয়াল গোসাঁই** নামৰ এখন পদ-পুথি ৰচনা কৰে। তেওঁ জাতিত দৈৱজ্ঞ আছিল আৰু ভিক্ষা বৃত্তি অৱলম্বন কৰিছিল। ধৰ্ম্মদেৱৰ পত্নী কুন্দতবাই গাৰ্হৰ পাচজনী বুঢ়ীৰে সৈতে বুদ্ধি কৰি সতিনীয়েক চন্দ্ৰোতবাৰ প্ৰসৱ কালত চকু বান্ধি, ওপজা সন্তানটো চকত ভবাই পেলাই দিলে আৰু চন্দ্ৰোতবাৰ সন্তান ওপজা নাই বুলি ক'লে।

লবাটো শিয়ালে গাঁতলৈ লৈ গ'ল। এদিন ধৰ্ম্মদেৱে গা ধুবলৈ যাওঁতে শিয়ালে সৈতে খেমালি কৰি থকা লবাটো দেখিলে। ঘৰলৈ আহি বুঢ়ী কেইজনীক সোধাত সিহঁতে সৈ কাঢ়িলে। পাচদিনা তেওঁ গাঁত খান্দি লবাটো আনিলে। এয়ে শিয়াল গোসাঁই পুথিৰ কাহিনী। পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে এই পুথিৰ সময় ১৬১৬ খ্ৰীষ্টাব্দ বুলি ঠাৱৰ কৰিছে।

ধৰ্ম্ম সম্বন্ধীয় গদ্য-পুথি :—ৰঘুনাথ মহন্তৰ কথা-ৰামায়ণৰ বিষয়ে আগতে আলোচনা কৰা হৈছে। **পৰশুৰামৰ কথা-ঘোষাত** অসমীয়া শাস্ত্ৰৰ টীকা কৰাৰ প্ৰথম প্ৰয়াস দেখা যায়। এই পুথি মাধৱদেৱৰ নামাঘোষাৰ কথা-ভাঙনি। কামৰূপ অনুসন্ধান সমিতিত সংৰক্ষিত হাতে লিখা কথা-ঘোষাৰ সময় ১৬৩৭ শক। নাম-ঘোষাৰ পদৰ ব্যাখ্যাৰ লগতে লিখকে অন্যান্য শাস্ত্ৰৰ কথাও উদ্ধৃত কৰিছে। এজন অজ্ঞাত লেখকৰ সংস্কৃত সাত্বত-তন্ত্ৰৰ কথা-ভাঙনি **সাত্বত-তন্ত্ৰ** এই যুগৰে ৰচনা। **কৃষ্ণানন্দ দ্বিজৰ পূৰ্ণভাগৱত** পদ-পুথি যদিও, ঠায়ে ঠায়ে গদ্যৰ ব্যৱহাৰো পোৱা যায়। **পদ্মপুৰাণ** নামৰ আচাৰ আৰু নীতি-বিষয়ক গদ্য-পুথিখন ১৭১৮ শকত (১৭৯৬ খ্ৰীঃ) ৰচিত বুলি পণ্ডিত গোস্বামীয়ে কৈছে। ইয়াত প্ৰাঞ্জল কথা-ৰীতিৰ নিদৰ্শন পোৱা যায়। ইয়াত ব্ৰহ্মপুত্ৰত স্নান কৰাৰ ফল, একাদশী, জন্মাষ্টমী ব্ৰত পালনৰ মহিমা আৰু বিভিন্ন মাহত পালিব লগীয়া নিয়মৰ কথা আছে।

✓ **কথা-চৰিত** :—অধ্যাপক উপেন্দ্ৰচন্দ্ৰ লেখাৰুৰ দ্বাৰা সম্পাদিত **কথা-গুৰুচৰিতত** 'দুজনা গুৰু, নজনা আতা, দুজনা ঠাকুৰদেৱ'ৰ চৰিত বৰ্ণোৱা হৈছে। গতিকে কথা-গুৰুচৰিতৰ বিষয়বস্তু হ'ল 'মহাপুৰুষ দুজনাৰ জীৱনী আৰু তেখেতসকলৰ লগত সম্বন্ধ থকা সন্ত-মহন্তৰ বৃত্তান্ত'। 'সত্ৰীয়া পৰিবেশত গঢ়ি উঠাৰ হেতু' ইয়াৰ গদ্যত এটি ভকতীয়া ঠাঁচো পৰিলক্ষিত হয়। এই চৰিতখন আন সকলো চৰিততকৈ বেচি বিশদ। ইয়াৰ বিষয়-বস্তু সামান্যভাৱে হলেও 'আত্মনিষ্ঠ'। চৰিত পুথি ৰচোঁতাৰ নাম নাই। সম্পাদক শ্ৰীলেখাৰুৰ মতে 'আনুমানিক ১৬৩৮ শক বা ১৭১৬ খ্ৰীষ্টাব্দৰ থিক পিচত এই গ্ৰন্থ লিখা হয় বুলি ধৰিব পাৰি'। কথা-গুৰুচৰিতত পঞ্চদশ আৰু ষোড়শ শতিকাৰ ভিতৰত ঘটা ঘটনাৰ বিৱৰণ আছে। সেই কাৰণে 'গুৰুসকলৰ জীৱনৰ বিতং বিৱৰণৰ উপৰিও ইয়াত সেই কালৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক আদি অৱস্থা আৰু ধৰ্ম্ম সংস্কাৰ আদিৰ বিষয়ে বিশেষৰূপে বুজিব পাৰি'। ইয়াত প্ৰচলিত আচাৰ-অনুষ্ঠানৰ বিৱৰণ, তীৰ্থ যাত্ৰাৰ কাহিনী

আদি পোৱা যায়। এই পুথিখন 'মধ্যযুগৰ অসমীয়া গদ্য-সাহিত্যৰ উৎকৃষ্ট নিদৰ্শন'। জতুৱা ঠাচ আৰু খণ্ডবাক্যৰ সুপ্ৰয়োগে এই পুথিৰ গদ্যক প্ৰাণৱন্ত কৰি তুলিছে। 'একেটা সৰু সৰু বাক্যৰ ভিতৰতে, একোটি খণ্ডবাক্যৰ ভিতৰতে একোটি মহৎ আৰু স্পষ্টভাব প্ৰকাশ পাইছে'। যেনে—'ৰজাৰ হেংডাল পাত্ৰৰ কি?' 'ৰবে চোট হব পাইলে সংসাৰ হাত সৰকি সাৰিব পাৰি' ইত্যাদি। পুথিৰ ঠায়ে ঠায়ে ফকৰা-যোজনাও আছে। যেনে—

'পশু নকৰিবা শৰ
মৰাও নানিবা, জীয়াও নানিবা
শুদা হাতে নপশিবা ঘৰ'।

কথা-গুৰুচৰিতত সৰল আবেগময়ী কথ্য ভাষা ব্যৱহৃত হৈছে।

লক্ষ্মীনাথ বেজবৰুৱাৰ বাহীত পুৰাৰাম মহন্তই নতুনকৈ লিখা এখন 'গুৰু-চৰিত্ৰ' প্ৰকাশ হৈছিল। ইয়াকে **বৰাদোৱা চৰিত** বুলি জনা যায়।

স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ ৰাজত্বকালত ৰচিত **গোবিন্দ দাসৰ** গদ্য-পুথি **সন্ত-সম্প্ৰদায় কথা** বা এটকা মহন্তৰ চৰিত্ৰত অসমৰ বৈষ্ণৱ ধৰ্ম্ম তথা সত্ৰ স্থাপন কৰোতাসকলৰ চিনাকি পোৱা যায়। পুথি-ৰচয়িতা দক্ষিণপাট সত্ৰৰ অধিকাৰ শ্ৰীশ্ৰীবনমালীদেৱৰ সেৱক।

মহামোহ কাব্য—অসমৰ বৈষ্ণৱ ধৰ্ম্মৰ বুৰঞ্জীত কেইবাজনো ৰামানন্দ দ্বিজৰ নাম পোৱা যায়। পাপ আৰু পুণ্যৰ সংগ্ৰামৰ বৰ্ণনা থকা **ৰামানন্দ দ্বিজ** বিৰচিত **মহামোহ কাব্য** অসমীয়া বৈষ্ণৱ সাহিত্যত এখন অনুপম ৰূপক কাব্য। কাব্যত আছে যে মূল পুথিখন বাৰাণসীৰ পৰা অহা আৰু শ্ৰীৰামানন্দই অসমীয়াত মহামোহ নাট এখনো ৰচনা কৰিছিল। আউনিআটী সত্ৰত নিৰঞ্জনদেৱ অধিকাৰৰ চেষ্টাত এই নাটৰ প্ৰথম অভিনয় হৈছিল। সেয়ে হলে ৰামানন্দ সপ্তদশ শতিকাৰ হ'ব। হস্তলিপিৰ ফালৰ পৰা বিচাৰ কৰি পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে কাব্যখন ১৮৪৪ খ্ৰীষ্টাব্দৰ বুলিছে; আৰু পুথিৰ অন্তৰঙ্গ প্ৰমাণৰ পৰা ইয়াক অষ্টাদশ শতিকাৰ ৰচনা বুলিব পাৰি। কিন্তু ৰামানন্দ দ্বিজ ৰচিত মহামোহ নাটখন নোপোৱাৰৈকে কাব্য প্ৰণেতাৰ কাল নিৰ্ণয় কৰা টান।

অন্যান্য লেখকসকল:—ওপৰত উল্লেখ কৰা লোকসকলৰ উপৰিও সৰু-বৰ বহুত লেখকে এই যুগত পুথি ৰচনা কৰিছিল। নৰোত্তম ঠাকুৰৰ ভক্তি প্ৰেমাৱলী, কৃষ্ণাচাৰ্য্য ভট্টাচাৰ্য্যৰ ভৱিষ্য সংগ্ৰহ আৰু হৰগৌৰী-সম্বাদ, চন্দ্ৰচূড়

আদিত্যৰ উৎকল খণ্ড (স্কন্দপুৰাণৰ উৎকল খণ্ডৰ ভাঙনি), সুন্দৰ কৱিৰ ব্যাধ চৰিত্ৰ, জগন্নাথ দ্বিজৰ লক্ষ্মী চৰিত্ৰ, হৰি ৰায়ৰ অজামিল উপাখ্যান, শ্ৰীবিষ্ণু ভাৰতিৰ ভাগৱত-ৰত্ন আৰু ধ্ৰুৱ চৰিত্ৰ, গোপাল মিশ্ৰৰ জন্মাষ্টমী শ্লোকৰ কীৰ্ত্তন আৰু নাৰায়ণৰ লক্ষ্মীপতি চৰিত্ৰ, কামদেৱ বিপ্ৰৰ অশোক-চৰিত্ৰ, পুৰুষোত্তম ঠাকুৰৰ ন-ঘোষা, বৰগীত আৰু বুঢ়াভাইষ, বালকানন্দৰ অৰ্জ্জুন গীতা, লক্ষ্মীপতিৰ অৰ্জ্জুন সংবাদ, গুপ্তসাৰ আৰু বৈষ্ণৱী গীতা, বিষ্ণুদাসৰ নাৰদ চৰিত্ৰ, পৰশুৰামৰ নৱঘোষা, ৰুদ্ৰৰামৰ নীতিৰত্ন, (আচাৰ্য্য কবিশেখৰ বিৰচিত সংস্কৃত নীতি-ৰত্নৰ ভাঙনি), ৰামৰায়ৰ শীতলা, ভগীৰথৰ তুলসী চৰিত্ৰ, আদি উল্লেখযোগ্য।

ইচলামী সাহিত্যৰ প্ৰভাৱ

প্ৰেমাখ্যান কাব্যঃ—হিন্দু আৰু মুচলমানৰ প্ৰেমপূৰ্ণ সন্মিলনৰ অভিব্যক্তি হৈছে প্ৰেমাখ্যান কাব্য। ভাৰতত মুচলমানৰ আধিপত্য স্থাপন হোৱাত হিন্দু আৰু মুচলমান দুয়ো সম্প্ৰদায়ৰ ভিতৰত মানৱতাৰ প্ৰতি প্ৰেমভাৱ থকা মানুহ ওলাল। সেইকাৰণে প্ৰেমাখ্যান-কাব্যসমূহ চুফী মুছলমানৰ কোমল হৃদয়ৰ অভিব্যক্তি।

চুফীবাদৰ ওপৰত ভাৰতীয় ব্ৰহ্মবাদৰ প্ৰভাৱ পৰিছে আৰু চুফী সম্প্ৰদায়ৰ মল ৰূপটো বেদান্তৰ ৰূপান্তৰ মাথোন। হিন্দুধৰ্ম্মৰ পৰিবেশত চুফী সিদ্ধান্ত প্ৰচাৰ কৰাটো এনে কাব্যৰ উল্লেখযোগ্য বৈশিষ্ট্য। এই চুফী কবিসকলৰ প্ৰেম-কাহিনী হ'ল ভাৰতীয় কিন্তু তাৰ ওপৰত উৰণীয়া নাৰী তথা পৰীৰ কল্পনাত পাৰ্চী ঢং পৰে। পশুপক্ষীয়ে কাহিনীত ভাগ লোৱা কথাটো ভাৰতীয় পৰম্পৰাৰপৰা পোৱা। হিন্দু আৰু মুচলমান উভয় সম্প্ৰদায়ৰ লোকে প্ৰেমাখ্যান-কাব্য ৰচনা কৰিছে। মুচলমানে লিখা প্ৰেম-কাব্যত চুফী মত প্ৰতিপাদন কৰাৰ কথা থাকে, কিন্তু হিন্দু লিখকৰ কাব্যত প্ৰেমৰ ৰসময়ী কাহিনী থাকে। এই কাব্যসমূহ দোহা আৰু চৌপাই ছন্দত ৰচিত। এই প্ৰেমাখ্যান কাব্যবোৰ লৌকিক হলেও ইয়াত আধ্যাত্মিক প্ৰেমৰ ব্যঞ্জনা আছে। এই প্ৰেমাখ্যান কাব্য অৱধী ভাষাত ৰচিত আৰু ইয়াৰ ঘাই ৰস শৃঙ্গাৰ। প্ৰেমমাৰ্গী শাখাৰ বিখ্যাত কবি মালিক মুহম্মদ জায়সীয়ে পদ্মাৱত (পদ্মাৱতী) কাব্যত তেওঁৰ পূৰ্ব্বে চাৰিখন প্ৰেমাখ্যান-কাব্য (মৃগাৱতী, মুগ্ধাৱতী, মধুমালতী আৰু প্ৰেমাৱতী) ৰচিত হোৱা বুলি উল্লেখ কৰিছে। এইবোৰৰ উপৰি

মাধৱানল-কামকন্দলা, কুতুবন সতক, ৰস ৰতন, নল দমন, মধুমালতী (নিগম কায়স্থ) আদি অনেক কাব্য ৰচিত হৈছে। পছিমৰ পৰা আহি অসমত বসতি কৰা মুচলমানসকলে "ইৰাণী-ফাৰ্চী-উৰ্দু-হিন্দী-মূল" কোনো প্ৰণয়-গীত অসমলৈ লৈ আহিছিল বুলি পণ্ডিতসকলে অনুমান কৰে। **কবিৰাজ চক্ৰৱৰ্ত্তীয়ে** ৰচনা কৰা শকুন্তলা কাব্যৰ উপকাহিনী চন্দ্ৰকেতু আৰু কামকলাৰ আখ্যান 'পাঁচালীৰ আহিত ৰচিত'। এই কাব্যৰ কথা আগতে আলোচনা কৰা হৈছে। দীন দ্বিজবৰৰ মাধৱ সুলোচনা পাঁচালী, এজন অজ্ঞাত লেখকৰ মধুমালতী, ৰামদ্বিজৰ মৃগাৱতী চৰিত্ৰ আৰু দ্বিজ পশুপতিৰ প্ৰণয় কাব্য 'চন্দ্ৰাৱলী-বিশ্বকেতু' এই যুগৰ প্ৰেমাখ্যান-কাব্য

দীন দ্বিজবৰে পদ্মপুৰাণৰ উত্তৰখণ্ডৰপৰা মাধৱ আৰু সুলোচনাৰ প্ৰেমাখ্যান লৈ "সুলোচনা মাধৱৰ ইতিহাস" বা **মাধৱ সুলোচনাৰ পাঞ্চালী**" প্ৰণয়-গীতি ৰচনা কৰে। মাধৱে মৃগয়া কৰিবলৈ গৈ সৰোবৰত স্নান কৰি সুলোচনাৰ দাসী চন্দ্ৰকলাক দেখা, চন্দ্ৰকলাৰ পৰা সুলোচনাক লাভ কৰাৰ উপায়, মালিনী গন্ধনীৰ ঘৰত আশ্ৰয়, মালিনীৰ সহায়ত সুলোচনাৰ সৈতে প্ৰেমালাপ, বীৰবৰ-ৰূপিণী সুলোচনাৰ সাধনা, মাধৱৰ লগত সুলোচনা আৰু জয়ন্তীৰ বিবাহ ইত্যাদি কথা গীতত বৰ্ণোৱা হৈছে। **মধুমালতী** কাব্যখনি চুফী কবি মঞ্জনৰ 'মধুমালতী' (১৫৪৫ খ্ৰীঃ) প্ৰণয় কাব্যৰ বিষয়-বস্তু লৈ ৰচনা কৰা যেন লাগে। অৱশ্যে অসমীয়া কবিয়ে আখ্যানটো পুৰাণৰ পৰা লোৱা হৈছে বুলি কৈছে—

'সুনা সামাজিকচয় ইতো কথা হয় নয়
দেখিয়োক পুৰাণ বিচাৰি।'

মধুমালতী কাব্যৰ বিষয়-বস্তু হৈছে ৰজা সূৰ্য্যভানুৰ পুতেক মনোহৰ কোৱঁৰে মহাৰস নগৰৰ কন্যা মালতীক সপোনত দেখা পাই বাস্তৱত লাভ কৰিবলৈ ইচ্ছা কৰি বিচাৰি যায়। প্ৰেমা নামে এক ৰাজকন্যাৰ সহায়ত মালতীৰ বাৰ্ত্তা পায়। মালতীৰ লগত গোপনে মিলন হয়, আৰু তাই মাকৰ শাপত চৰাইলৈ ৰূপান্তৰিত হয়। পাচত মালতীয়ে আগৰ ৰূপ পায়, আৰু তাইৰ মনোহৰৰ লগত বিয়া হয়। মঞ্জনৰ মধুমালতীত কনেসৰৰ ৰজা সূৰজভাণৰ পুত্ৰ মনোহৰ আৰু মহাৰসৰ ৰাজকুমাৰী মধুমালতীৰ পাৰস্পৰিক প্ৰেম আৰু বিয়োগৰ বৰ্ণনা আছে। এই কাব্যত উপনায়ক তাৰাচন্দ্ৰ আৰু উপনায়িকা প্ৰেমৰ কথা আছে। এইখন কাব্য মৃগাৱতীতকৈ অধিক ভাবাত্মক আৰু আকৰ্ষণীয়।

ৰামধ্বজৰ চাহাপৰী-উপাখ্যান বা মৃগাৱতী চৰিত্ৰৰ বিষয় বস্তুৰ ইঙ্গিত আৰম্ভণিতে দিয়া হৈছে—

দেৱৰ ৰমণী মৃগাৱতী অপসৰী।
কুমৰে কৰিলা বন্দী তাঙ্ক কেন কৰি॥
ছয়মাস থাকি কন্যা কেনমতে গৈল।
পুত্ৰ কেন কৰি দুয়ো একখান ভৈল॥

কুণ্ডিল নগৰৰ ৰজা আমিৰছাহাৰ পুতেক মালিকজাদা কোঁৱৰ মৃগয়ালৈ গৈ মৃগীৰূপী পৰীক দেখি প্ৰণয়পাশত আবদ্ধ হয়, আৰু সেই ঠাইতে থাকিবলৈ লগে। গা ধুবলৈ অহা চাৰি-পৰীৰ সৰু জনীয়েই চাহাপৰী। কোঁৱৰে তাইক বুদ্ধিৰে ধৰে, কিন্তু পাচত পলাই সাৰে। তেওঁ বহুত বিপদ আপদ পাৰহৈ ৰোকাম চহৰ পালেগৈ আৰু তাত মালিকজাদা আৰু চাহাপৰীৰ (মৃগাৱতীৰ) বিবাহ হয়। সময়ত চাহাপৰীৰ আমিৰা আৰু সামিৰা নামৰ দুটি যঁজা সন্তান উপজিল। পাচত আমিৰাক ৰজা আৰু সামিৰাক যুৱৰাজ পাতি মালিকজাদা আৰু চাহাপৰী কুণ্ডিল নগৰলৈ ঘূৰি আহিল, আৰু মালিকজাদা তাত ৰাজপাটত উঠে। এয়ে চাহাপৰী উপাখ্যানৰ কাহিনী। ডঃ মহেশ্বৰ নেওগে কৈছে, "চাহাপৰী উপাখ্যানৰ চৰিত্ৰ আৰু স্থানৰ নামবোৰতো ইচলামী ঢং এটি বৰ্ত্তমান।" তেওঁ আৰু কয়, "ইয়াৰ চৰিত্ৰবিলাকৰ ইচলামী নামৰ ফাললৈ লক্ষ্য কৰিলেও অনুমান হয়, কোনো মুচলমান লোকৰ পৰা দ্বিজৰামে তেওঁৰ বস্তু গ্ৰহণ কৰিছিল।" ইয়াৰ কাহিনীৰ লগত কুতবনৰ মৃগাৱতীৰ ৰচনা (১৫৫৮।১৫৬৬ সংবৎ) কিছু মিল আছে। কুতুবনৰ কাব্যৰ বিষয়বস্তু হৈছে কঞ্চনপুৰৰ ৰজাৰ ৰাজকুমাৰী মৃগাৱতীক দেখি চন্দ্ৰগিৰিৰ ৰজা গণপতিদেৱৰ পুত্ৰ মোহিত হয়। ৰাজকুমাৰ যোগী হৈ ওলাই যায় আৰু তেওঁ বহুত কষ্ট অতিক্ৰম কৰি শেহত মৃগাৱতীক লাভ কৰে।

ওপৰত উল্লেখ কৰা কাব্যসমূহ বৈষ্ণৱ কাব্যৰ আহিত ৰচিত হলেও ইয়াত লৌকিক প্ৰেমৰ আভাস পোৱা যায়। মধুমালতী আৰু মৃগাৱতীৰ কাহিনী যি কোনো ৰূপত এসময়ত গোটেই উত্তৰ ভাৰতত সৰবৰহী আছিল।

একাদশ অধ্যায়

বৰ্ত্তমান যুগ

আমেৰিকাৰ বেপ্‌টিষ্ট্‌ মিছন সমাজৰ আগমন ঃ

১৮২৬ খ্রীষ্টাব্দত ইয়াণ্ডাবু সন্ধিমতে অসমৰ শাসন-ভাৰ ইংৰাজৰ হাতলৈ যায় আৰু তেতিয়াৰ পৰা আজিলৈকে এই যুগেই অসমীয়া সাহিত্যৰ আধুনিক যুগ। ইংৰাজে অসমৰ শাসন-ভাৰ হাতত লৈ অসমীয়া ভাষাক আদালতৰ ভাষা কৰিলে। ইংৰাজে অসমদেশ লোৱাৰ লগে লগে অসমৰ আদালত বঙ্গালী কৰ্ম্মচাৰীৰে ভৰি পৰিল। তেওঁলোকে ইংৰাজসকলক অসমীয়া ভাষা বঙালা ভাষাৰ চহা অৱস্থা বুলি বুজাই দিলে আৰু তাৰ ফলত ১৮৩৬ চনত অসমৰ আদালতত অসমীয়া ভাষাৰ সলনি বঙলা ভাষাৰ প্ৰচলন হ'ল। অসমৰ পঢ়াশালিৰ পৰা বহুত অসমীয়া কৰ্ম্মচাৰীয়ে বিদায় লবলগীয়া হৈছিল। অসমীয়া মানুহৰ এনে সঙ্কটৰ অসময়ত আমেৰিকাৰ বিখ্যাত **বেপ্‌টিষ্ট মিছন চোচাইটিৰ** সভ্যসকল অসমলৈ আহে। ইয়াৰ আগতে ইংৰাজ মিছনেৰীসকলে নগাওঁৰ কলিয়াবৰৰ আত্মাৰাম শৰ্ম্মা নামৰ এজন পণ্ডিতক শ্ৰীৰামপুৰলৈ নিয়াই ইংৰাজী বাইবেলখনৰ অসমীয়া ভাঙনি কৰাই ১৮১৩ খ্রীঃত ছপা কৰে। ১৮৩৩ চনত ইয়াৰ দ্বিতীয় তাঙৰণ ওলায়। ৰেভাৰেণ্ড উইলিয়ম কেৰীৰ তলত আত্মাৰাম শৰ্ম্মাই এই ভাঙনিৰ কাম কৰে।

১৮৩৫ চনৰ ২০ নবেম্বৰত **ৰেভাৰেণ্ড্‌ নেথন ব্ৰাউন্‌** আৰু **অলিবাৰ টি. কট্টৰে** নিজ নিজ পৰিয়াল আৰু এটি ছপাকল লগত লৈ কলিকতা এৰি ১৮৩৬ চনৰ ২৩ মাৰ্চ্চত শদিয়া পায়হি। সেই বছৰৰ ২৭ জুনত ব্ৰাউন আৰু কট্টৰৰ পত্নীয়ে যথাক্ৰমে এটি লৰা আৰু এটি ছোৱালীৰ পঢ়াশালি পাতে। ১৮৩৭ চনৰ এপ্ৰিল মাহৰ ২৬ তাৰিখে ডঃ **মাইলচ্‌ ব্ৰন্সন্‌** আৰু ৰেভাৰেণ্ড জেকব্‌ থমাছে নিজ নিজ পৰিয়াল লগত লৈ শদিয়া অভিমুখে বাওনা কৰে; কিন্তু বাটতে থমাছৰ মৃত্যু হয়। বাকীখিনিয়ে ১৭ জুলাইত শদিয়া পায়গৈ। মিছনেৰীসকলে পৰ্ব্বতীয়া জাতিৰ মাজত খ্রীষ্টান ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ আহিছিল। কিন্তু ১৮৩৯ চনত তেওঁলোকৰ খামতিৰ লৈতে বিবাদ হয়। খামতিবিলাকৰ অত্যাচাৰত তেওঁলোক জয়পুৰলৈ পলাই

যায়। ব্ৰাউন আৰু কট্টৰে জয়পুৰত আৰু ব্ৰন্সনে নামচাঙত প্ৰচাৰ কাৰ্য্য চলায়। ১৮৪০ চনত ছাইৰচ্ বাৰ্কাৰ সপৰিবাৰে আমেৰিকাৰ পৰা জয়পুৰলৈ আহে। পাছৰ বছৰত মিছনেৰীসকলে ভৈয়ামত প্ৰচাৰ কাৰ্য্য সুবিধা হব ভাবি অসমৰ উজনি-নামনি জুৰি পৰে। ১৮৪১ চনত বাৰ্কাৰ শিৱসাগৰলৈ যায়; আৰু পাচত ব্ৰাউন আৰু কট্টৰৰ পৰিয়ালো তালৈ যায়। ১৮৪১ চনৰ মে মাহত ব্ৰাউন আৰু বাৰ্কাৰে শিৱসাগৰত আৰু অক্টোবৰ মাহত ব্ৰন্সনে নগাৱঁত মিছনৰ কুঠি পাতে। ১৮৪৩ চনত তেওঁ নগাৱঁত এটা পঢ়াশালি পাতে আৰু এটা মাউৰা ঘৰ স্থাপন কৰে। বাৰ্কাৰে ১৮৪৩ চনত গুৱাহাটীৰ মিছন স্থাপন কৰে; কিন্তু ১৮৫০ চনত তেওঁ আমেৰিকালৈ যাওঁতে বাটতে ঢুকায়। তেওঁৰ মৃত্যুত ব্ৰন্সন গুৱাহাটীলৈ যায়। গুৱাহাটীৰ পৰা মিছনেৰীসকলে গাৰো, কছাৰী আৰু মিকিৰসকলৰ মাজত প্ৰচাৰ কাৰ্য্য চলায়। এইদৰে মিছনেৰীসকলে উজনি-নামনি বিয়পি পৰি স্থানীয় অৱস্থা বুজি ললে। তেওঁলোকে উপলব্ধি কৰিলে যে অসমীয়া ভাষাৰ যোগেদি প্ৰচাৰকাৰ্য্য ফলপ্ৰদ হব পাৰে; আৰু শিৱসাগৰত ছেপাকল বহুৱাই খ্ৰীষ্টধৰ্ম্মৰ পুথি অসমীয়া ভাষাত লিখি প্ৰকাশ কৰিবলৈ ধৰিলে। তেওঁলোকে প্ৰচাৰপুস্তক (ট্ৰেক্ট্) উলিয়াই হিন্দুসমাজৰ আচাৰ-বিচাৰ আদি আক্ৰমণ কৰিবলৈ ধৰিলে। ১৮৭০ চনত 'আপত্তি নাসক' নামৰ এখন ট্ৰেক্ট বা প্ৰচাৰ পুস্তিকা বঙলাৰ পৰা অসমীয়ালৈ অনুবাদ কৰা হয়। এইখন ৰচনা কৰে এ-এইচ্চ-ডেনফৰ্থে। ১৮৭১ খ্ৰীঃত শিৱসাগৰৰ পৰা True Refuge বা 'স্বৰূপ আশ্ৰই' নামৰ ২৮ পিঠিৰ পুস্তিকাৰ ষষ্ঠ তাঙৰণ ওলায়। The Golden Tool: 'সুবৰ্ণৰ তুল' নামৰ আন এখন প্ৰচাৰ গ্ৰন্থৰ ১৮৭৬ খ্ৰীঃত শিৱসাগৰৰ পৰা দ্বিতীয় তাঙৰণ ওলায়। মাইলছ ব্ৰন্সনে এই পুথি অনুবাদ কৰিছিল। কথোপকথনৰ জৰীয়তে খ্ৰীষ্টধৰ্ম্মৰ মহিমা প্ৰচাৰ কৰা হৈছে। মিছনেৰীসকলে তেতিয়ালৈকে অসমীয়া ভাষা চৰ্চ্চাত কোনো মন দিয়া নাছিল বুলিব নোৱাৰি। কিয়নো ১৮৩৯ খ্ৰীঃতে শ্ৰীৰামপুৰৰ পৰা উইলিয়াম ৰবিন্‌চন্ চাহাবে এখন অসমীয়া ভাষাৰ ব্যাকৰণ (Grammar of the Assamese Language) ছপা কৰে আৰু এইখনেই প্ৰথম অসমীয়া ভাষাৰ ব্যাকৰণ। ১৮২৮ খ্ৰীঃত বি-এইচ-হডচন চাহাবে অসমীয়া ভাষা সম্পৰ্কে এচিয়াটিক চোচাইটিৰ কাকতত কিছু কথা (Notices On The Languages, Literature And Religion of the Buddhas of Nepal And Bhot) লেখিছিল। ১৮৩৭ খ্ৰীঃত কলিকতাৰ পৰা

বেভাবেণ্ড নেথন ব্ৰাউনে লিখা অসমীয়া ভাষাৰে সৈতে সম্বন্ধ থকা এটি প্ৰবন্ধ (Comparison of Indo-Chinese Languages with comparative vocabularies of Bengali, Assamese, Khamti, Siamese, Aka, Abor, Mishmi, Burmese etc.) এচিয়াটিক চোচাইটিৰ কাকতত ওলায়।

মিছনেৰীসকলে ১৮৪৬ খ্ৰীষ্টাব্দত শিবসাগৰত ছুটা ছেপাকল বহুৱায় আৰু আলোচনী, ধৰ্ম্মপুথি, পঢ়াশালিৰ পুথি আদি মুগুত কৰে। ইয়াৰ পৰাই কাশীনাথ তামুলী ফুকনৰ আসাম বুৰঞ্জী ওলায়, আৰু অন্যান্য কিতাপ ওলাবলৈ ধৰে। তেওঁলোকৰ যত্নত অসমীয়া ভাষাৰ ভেটি দৃঢ় কৰিবৰ কাৰণে লগা ব্যাকৰণ, অভিধান, বুৰঞ্জী, আলোচনী আদি মুগুত হ'ল। ইয়াৰ ফলত ১৮৭২ চনত চাৰ জৰ্জ্জ কেম্বেলৰ অনুগ্ৰহত অসমৰ আদালত আৰু পঢ়াশালিত অসমীয়া ভাষা পুনৰ প্ৰতিষ্ঠিত হ'ল। অসমীয়া ভাষাৰ পুনৰ প্ৰচলন হোৱাত 'আসাম লিটাৰেৰি চোচাইটি' নামৰ এখন অনুষ্ঠানে অসমীয়া শব্দৰ বানান আৰু উচ্চাৰণ সম্পৰ্কে কিছুমান নিয়ম বান্ধি দিলে।

মিছনেৰীসকলৰ বৰঙণি :

অসমীয়া সাহিত্যলৈ মিছনেৰীসকলৰ বৰঙণি অতুলনীয়। যিসকল খ্ৰীষ্টান মিছনেৰীয়ে অসমীয়া সাহিত্যৰ উন্নতিৰ কাৰণে আপ্ৰাণভাৱে যত্ন কৰিছিল তাৰ ভিতৰত **ৰেভাৰেণ্ড নেথন্ ব্ৰাউন, ডঃ মাইলচ্ ব্ৰন্সন্** আৰু **নিধিলেৱি ফাৰৱেলৰ** নাম উল্লেখযোগ্য।

ৰেভাৰেণ্ড নেথন্ ব্ৰাউন্ (১৮০৭—১৮৮৬):—তেওঁ অলিবাৰ টি. কট্টৰৰ সৈতে নিজ পৰিয়াল সহ ১৮৩৬ চনত অসমলৈ আহে আৰু ইয়াতে অহাৰ আটৈ মাহমানৰ পিচতে শিক্ষা বিস্তাৰৰ কাৰণে পঢ়াশালি পাতে আৰু পাঠ্য পুথি প্ৰকাশ কৰে। তেওঁ ১৮৪৬ চনত কট্টৰৰে লগ লাগি **অৰুণোদই** আলোচনী প্ৰকাশ কৰে। তেওঁ ১৮৪৮ চনত পোনতে নিউ টেষ্টামেণ্টৰ ভাঙনি কৰে। এই বছৰত তেওঁ ইংৰাজী ভাষাত এখন অসমীয়া ভাষাৰ ব্যাকৰণ (Grammatical Notices On The Assamese Language) ৰচনা কৰে। এইখনেই অসমীয়া ভাষাৰ দ্বিতীয় ব্যাকৰণ। ইয়াৰ উপৰি তেওঁ ১৮৪০-৫০ চনৰ ভিতৰত ৪০খন মান বিবিধ বিষয়ৰ পুথি সংগ্ৰহ কৰে। ১৮৪৪ চনত প্ৰকাশিত কাশীনাথ তামুলী ফুকনৰ আসাম বুৰঞ্জী, ১৮৫০ চনত প্ৰকাশিত ছুটীয়া বুৰঞ্জী, ১৮৪৫ চনত বকুল কায়স্থৰ গণিত পুথিৰ ছইখণ্ড আদিৰ প্ৰকাশ

ব্ৰাউনৰ পৰিশ্ৰমৰ ফল। ১৮৫৫ চনত ব্ৰাউনে অসম এৰে। ব্ৰাউনৰ পত্নী এলিজা ব্ৰাউনো সু-শিক্ষিতা আৰু সাহিত্যিক ৰুচি-সম্পন্না আছিল। এওঁ গণনাৰ অঙ্ক পুথি আৰু ১৮৫০ চনত প্ৰথম অসমীয়া সাধুৰ কিতাপ প্ৰকাশ কৰে। তেওঁ পিটাৰ পাৰ্লিৰ অনুকৰণত এখন 'ভূগোলৰ বিৱৰণ' প্ৰকাশ কৰে।

ডঃ মাইলচ্ ব্ৰন্সন্ (১৮১২—১৮৮৩) :—ব্ৰন্সন্ ১৮৩৭ চনত ২৪ বছৰ বয়সত অসমলৈ আহে। তেওঁ চিংফৌৰ মাজত খ্ৰীষ্টধৰ্ম্ম প্ৰচাৰৰ কাৰণে কিছুমান কিতাপ লিখে। তেওঁ নামচাঙৰ নগাৰ মাজত প্ৰচাৰ কাৰ্য্য চলায়। কিন্তু সেই ঠায়ে সুগুজাত জয়পুৰ এৰি নগাৰৈলৈ যায়। তেওঁ ১৮৪১ চনত নগাৰত এটা পঢ়াশালি ,আৰু এটা মাউৰা-ঘৰ স্থাপন কৰে। তেওঁ ১৮৪৮ চনলৈকে লৰা-ছোৱালী শিক্ষা-দান কাৰ্য্যত আত্ম-নিয়োগ কৰে। তেওঁ বাইবেলৰ ভালেমান কথা আৰু একুৰি স্তুতিগান অসমীয়ালৈ ভাঙে। তেওঁৰ উল্লেখযোগ্য বস্তুগণি হৈছে ১৮৬৭ খ্ৰীঃত প্ৰকাশিত অসমীয়া-ইংৰাজী অভিধান আৰু এইখনেই অসমীয়া ভাষাত প্ৰকাশিত প্ৰথম অভিধান। তেওঁ ইয়াৰ কাৰণে ৪ বছৰ পৰিশ্ৰম কৰিছিল। হেমকোষ প্ৰকাশৰ আগলৈকে (১৯০০ চন) এই অভিধানে নথৈ উপকাৰ কৰিছিল। তেওঁ এই অভিধান প্ৰণয়নত যাদুৰাম ডেকা বৰুৱাৰ বন-বিন্যাসৰ ৰীতিকে মানি লৈছে। অসমীয়া ভাষাৰ উচ্চাৰণ অনুসৰণ কৰি তেওঁ মূৰ্দ্ধন্য বৰ্ণসমূহ, দীৰ্ঘস্বৰ, অন্তস্থ য আদি ব্যৱহাৰ কৰা নাছিল। ইয়াত ১৪,০০০ মান শব্দ আছিল। ১৮৭৮ চনত তেওঁ অসম এৰে। তেওঁ ১৮৮৩ খ্ৰীষ্টাব্দৰ ১০ নবেম্বৰত মিছিগানত ঢুকায়।

নিধি লেৱি ফাৰৱেল:—তেজপুৰৰ কলংপুৰ মৌজাৰ সূতাৰ গাৱঁত নিধিৰাম কেওঁটৰ জন্ম হয়। তেওঁ শিৱসাগৰত পঢ়িবলৈ গৈ সেই ঠাইৰ মিছনেৰীসকলৰ লগত চিনাকি হয়। তেওঁ মিছনেৰীসকলৰ লগত শদিয়া আৰু জয়পুৰত থাকে। ১৮৪১ চনত ব্ৰন্সনে তেওঁক জয়পুৰত খ্ৰীষ্টধৰ্ম্মত শৰণ দিয়ে। তেওঁৰ নতুন নাম হ'ল নিধি লেৱি ফাৰৱেল। তেৱেঁই খ্ৰীষ্টধৰ্ম্ম গ্ৰহণকাৰী প্ৰথম অসমীয়া। মিছনেৰীসকলে কৰা সকলো কামতে তেওঁৰ ভাগ আছিল। অৰুনোদই কাকতত তেওঁৰ বিভিন্ন গদ্য-পদ্য ওলাইছিল। ধৰ্ম্মবিষয়ক কবিতা বচোতাসকলৰ ভিতৰত নিধি লেৱি ফাৰৱেলৰ ("ন, ল, ফ" এই নামত) নাম বিশেষ উল্লেখযোগ্য। তেওঁৰ নিস্তাৰৰ উপাই, সবগৰ বিৱৰণ, নৰকৰ বিৱৰণ, বিনই বচন, প্ৰভু য়িচু খ্ৰিষ্টৰ অৱতাৰ বিৱৰণ আদিৰ উপৰিও অৰুনোদয়ৰ ১৮৫২ চনৰ ৭ম সংখ্যাৰ পৰা ১৮৫৩ চনৰ ১ম সংখ্যালৈকে ধাৰাবাহিকৰূপে ন

অধ্যায়ত লিখা তীৰ্থৰ বিৱৰণত লিখকৰ কবিসুলভ স্বাভাবিকতা আৰু আন্তৰিকতা প্ৰকাশ পাইছে।" ইয়াক ছবি, পদ, ডুলড়ি আৰু লেছাৰি ছন্দত ৰচনা কৰা হৈছে। এই কাকতত ফাৰবেলৰ **হিন্দুস্থানৰ বুৰঞ্জী** আদি গদ্য ৰচনা আৰু চিঠি ওলাইছিল। তেওঁ খ্ৰীষ্টধৰ্ম্মৰ বিষয়ে কনি **বেছেকৰাৰ সাধু** নামৰ এখন সৰু সাধুৰ পুথি ৰচনা কৰিছিল। তেওঁৰ **ভাৰতবৰ্ষৰ দণ্ডবিধি আইন** নামৰ অনুবাদ পুথিখন ১৮৬৫ চনত ওলায়। বঙলাৰ পৰা অনূদিত তেওঁৰ **পদাৰ্থ বিজ্ঞাৰ সাৰ** অৰ্থাৎ 'ইশ্বৰে স্ৰজা বস্তুৰ কথাত শিক্ষক আৰু ছাত্ৰৰ কথোপকথন' নামৰ পুথিখন ১৮৫৫ খ্ৰীঃত প্ৰকাশিত হয়। এই পুথি ১২৫ পিঠিত সম্পূৰ্ণ। ইয়াত চৈধ্যটা কথোপকথনৰ অধ্যায় আছে। তেওঁ ব্ৰাউন্-ব্ৰন্সনৰ সোঁ-হাত স্বৰূপ আছিল। তেওঁ ব্ৰন্সনক অসমীয়া অভিধান লিখাত সহায় কৰিছিল। বাইবেল অনুবাদ কৰা কামতো মিছনেৰীসকলক সহায় কৰিছিল।

এই তিনিজনৰ বাহিৰেও **অলিবাৰ টি. কট্টৰ, উইলিয়ম ৱাৰ্ড, এ. কে. গাৰ্ণী** আদিৰ সাহিত্যিক অৱদান উল্লেখযোগ্য। মিচেচ এচ. আৰ. ৱাৰ্ডে ইংৰাজী-অসমীয়া শব্দকোষ (১৮৬৪ খ্ৰীঃ) আৰু অলিবাৰ কট্টৰৰ পত্নীয়ে (Mrs. H. B. L. Cutter) ইংৰাজী-অসমীয়া খণ্ডবাক্যকোষ (১৮৭৭ খ্ৰীঃ) প্ৰকাশ কৰে।

এ. কে. গাৰ্ণী :—এ-কে-গাৰ্ণী ১৮৪৫ খ্ৰীঃৰ ২৯ মেত আমেৰিকাৰ যুক্তৰাষ্ট্ৰৰ কাম্বাৰলেণ্ড নামে ঠাইত জন্ম হয়। ১৮৭৪ খ্ৰীঃত তেওঁ অসমলৈ আহে আৰু সেই বছৰৰ ডিচেম্বৰ মাহৰপৰা শিৱসাগৰৰ মিছনত থাকে। ১৮৭৭ খ্ৰীঃত তেওঁ মেৰী এফ্-লৰেন্সক বিয়া কৰায়। ১৮৮৩ খ্ৰীঃত তেওঁ স্বদেশলৈ যায়; আৰু পুনৰ ১৮৮৫ খ্ৰীঃৰ অক্টোবৰ মাহত অসমলৈ আহে। তেওঁ ঘাইকৈ বাগিচাৰ বনুৱাক দীক্ষা দিছিল। তেওঁ ১৯০৭ খ্ৰীষ্টাব্দলৈকে শিৱসাগৰত থাকে।

গাৰ্ণীয়ে হিব্ৰু ভাষাৰ পৰা ওল্ড্ টেষ্টামেণ্টৰ ভাঙনি কৰে। ইয়াৰ কিছু অংশ 'যিহুছুৱাৰ আৰু বিচাৰ কৰ্ত্তাৰ পুথি আৰু ৰূথৰ বিৱৰণ' এই নামত ১৮৮০ খ্ৰীঃত প্ৰকাশিত হয়। ৰূথ আৰু যোচেফৰ কাহিনী ১৮৮০-৮১ খ্ৰীঃত সুকীয়াকৈ ছপাই বিতৰণ কৰা হয়। গাৰ্ণীৰ গোটেই পুথিখন ১৯০৩ খ্ৰীঃত প্ৰকাশ হয়। তেওঁ মিছ এম-ই-লেছলিৰ উপন্যাসখনি অনুবাদ কৰে। এই পুথিৰ নাম হৈছে—**এলোকেশী বেশ্যাৰ বিষয়** (১৮৭৭ খ্ৰীঃ)। ইয়াৰ কাহিনীৰ মূল বিষয় হৈছে কুলতে বাঁৰী হোৱা ছোৱালী এলোকেশীৰ জীৱন আৰু

তাইৰ খ্ৰীষ্টধৰ্ম্ম গ্ৰহণ। তেওঁ ১৮৭৮ খ্ৰীঃত কানি বেহেকবাৰ বিষয় নামৰ এখন আখ্যানমূলক (অথচ ধৰ্ম্মৰ মহিমা বৰ্ণনা কৰা) সৰু পুথি লিখে। তেওঁৰ উল্লেখযোগ্য বৰঙণি হৈছে ১৮৭৭ খ্ৰীঃত শিৱসাগৰৰ বেপটিষ্ট মিছন ছপাখানাৰ পৰা ওলোৱা প্ৰথম অসমীয়া উপন্যাস **কামিনীকান্ত**। এই পুথিৰ ২য় তাঙৰণত (অসম সাহিত্য সভাৰ দ্বাৰা প্ৰকাশিত) উপন্যাসৰ নাম কামিনীকান্তৰ চৰিত্ৰ দিয়া হৈছে। এই সময়তে মিচেচ মুলেন্সৰ ফুলমণি আৰু কৰুণা নামৰ উপন্যাস প্ৰকাশ হয়। এই উপন্যাস দুখনৰ কথা যথাস্থানত আলোচনা কৰা হ'ব।

মিছনেৰীসকলে ধৰ্ম্মবিষয়ক পুথি, পঢ়াশলীয়া পাঠ্য, সাধুৰ পুথি আদি প্ৰকাশ কৰে। যেনে :—ধৰ্ম্ম-বিষয়ক—আমাৰ ত্ৰাণকৰ্ত্তা যীশুখ্ৰীষ্টৰ নতুন নিয়ম, ডেভিদৰ গীত, নিস্তাৰৰ উপায়, যাত্ৰিকৰ ভ্ৰমণ, স্তুতি গান, বাইবেলৰ কাহিনী আদি; পঢ়াশলীয়া পাঠ্য—বাৰে মতৰা, প্ৰথম কিতাপ, প্ৰথম গণনা আদি; সাধুৰ পুথি—শুৱনি সাজ, আফ্ৰিকাৰ কোঁৱৰ, ঈগলৰ বাহ, ৰামগতিৰ কাহিনী, ইত্যাদি। মিছনেৰীসকলে বাইবেলৰ অনুবাদৰ উপৰিও ১৮৭০ খ্ৰীঃত শিৱসাগৰৰ পৰা এ. এইছ. ডেনফৰ্থৰ 'আপত্তি নাসক' (Hindu Objections To Christian Religion Answered) নামৰ এখন প্ৰচাৰ গ্ৰন্থ উলিয়াইছিল। ইয়াত অনুবাদকে মূল পুথিৰ লেখক জি. মাণ্ডিৰ (G. Mundy) নাম উল্লেখ কৰা নাই।

অসমৰ বাহিৰতো অসমীয়া ভাষা আৰু সাহিত্য বিষয়ক পুথি প্ৰকাশ হোৱা দেখা যায়। আত্মাৰাম শৰ্ম্মা আৰু ৰবিনচনৰ পুথিৰ কথা আগতে কোৱা হৈছে। ১৮৯৪ চনত লণ্ডনৰ এলেন কোম্পানীয়ে প্ৰফেচৰ জি. এফ্. নিকলৰ 'অসমীয়া ব্যাকৰণে সৈতে বঙলা ভাষাৰ ব্যাকৰণ' আৰু ১৮৯৬ চনত কলিকতাৰ এগুাৰচনে অসমীয়া আৰু বঙলা নামে পুথি উলিয়ায়।

এইদৰে অসমীয়া পুথি লেখি মিছনেৰীসকলে অসমীয়া ভাষা চহকী কৰিলে আৰু অসমীয়াৰে স্বকীয়া ভাষা তাকো তেওঁলোকে প্ৰতিপন্ন কৰিলে। "তেওঁলোকে ইংৰাজী ভাষাৰ আহি আৰু পোহ লৈ বহুত অসমীয়া কথা সাজিলে; আৰু ওচৰৰ পৰ্ব্বতীয়া ঠাইৰ মাত-কথাও আমাৰ ভাষাত বহুত লগালে। তেওঁবিলাকে ভাষাক এটা নতুন ভাঁজ দি আমাক এটা নতুন ঠাঁচ শিকাই গ'ল। তেওঁবিলাকে পাশ্চাত্য-সভ্যতা আৰু ভাৰতীয় সভ্যতা দুয়োৰে সুৰ মিলাই এটি নতুন সুৰ বান্ধি থৈ গ'ল; আৰু তাক আজিও প্ৰত্যেক অসমীয়া লেখকৰ লেখাত পোৱা যায়" (দেবেন্দ্ৰনাথ বেজবৰুৱা)।

অৰুনোদই (১৮৪৬-১৮৮২)

১৮৪৬ খ্ৰীষ্টাব্দৰ জানুৱাৰী মাহত অসমীয়া ভাষাৰ প্ৰথম মাহেকীয়া আলোচনী আৰু বাতৰি কাকত **অৰুনোদই** প্ৰকাশিত হয়। এই কাকত পকাবাটৰ ওচৰত ধাই আলিৰ মূৰত বহুৱা মিছনৰ ছপাখানাত ছপা হয়। খ্ৰীষ্টধৰ্ম্মৰ বাণী প্ৰচাৰ কৰাই ইয়াৰ মূল উদ্দেশ্য আছিল যদিও, সাহিত্য-বুৰঞ্জী-বিজ্ঞান বিষয়ে বাছকবণিয়া প্ৰবন্ধ, জীবনী, চুটি কাহিনী আদি ইয়াত ঠাই পাইছিল। কবিতাৰ বিষয়বস্তু নতুন হলেও ছন্দ ব্যৱহাৰত বৈষ্ণৱ কবিতা অনুকৰণ কৰা হৈছিল। দেশী-বিদেশী বাতৰি আৰু বিভিন্ন ছবিৰে কাকতখনে পাঠকৰ মন আকৰ্ষণ কৰিছিল। এই কাকতত 'সম্পাদকলৈ চিঠি' এই বিষয়ৰ সাহিত্য গঢ়ি উঠে। কাকতৰ আকাৰ আছিল ডবল ক্ৰাউন আৰু প্ৰতি সংখ্যাত ১৬ৰ পৰা ২৪ পিঠিলৈকে আছিল। বছেৰেকীয়া বৰঙণি এটকা আছিল। ১৮৬৭ খ্ৰীঃত ইয়াৰ গ্ৰাহক প্ৰায় ৭০০ মান হৈছিল। আনন্দৰাম ঢেকিয়াল ফুকন, হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা, পূৰ্ণানন্দ ডেকাবৰুৱা, বলৰাম ফুকন আদিয়ে এই কাকতৰ যোগেদি দেশত স্বদেশানুৰাগৰ ভাব জগাই তোলে। অৰুনোদই কাকতৰ প্ৰথম সম্পাদক আছিল অলিবাৰ টি. কট্টৰ। মিছনেৰীসকলে এই কাকত সম্পাদনাত পণ্ডিত কাশীনাথ শৰ্ম্মাৰ বিশেষ সহায় লৈছিল আৰু তেওঁ সম্পাদকৰ কামো চলাইছিল। বছৰ লেখেৰে এই কাকত ৩৭ বছৰ চলিছিল। ইলাষ্ট্ৰেটেড্ লণ্ডন নিউজৰ পৰা অনা ছবি অসমীয়া বাঢ়ৈৰ হতুৱাই কাঠত কটাই অৰুনোদইত ছপোৱা হৈছিল। "কাকতৰ ঠাঁচ কথ্য-ভাষাৰ দৰে সৰল আৰু সাধৰ-জোটনি কাণত শুনা কথা অনুসৰি গঢ়ি তোলা"। ১৮৮৩ চনত নাজিৰাৰ অসম কোম্পানীয়ে অৰুনোদই ছপাখানাটো কিনি লয়।

আধুনিক যুগৰ প্ৰথম ভাগৰ লেখকসকল :—

মিছনেৰীসকলৰ সাহিত্য চৰ্চ্চাৰ কথা ওপৰত আলোচনা কৰা হৈছে। তেওঁলোকৰ উপৰিও এই সময়তে কেইবাজনো বিশিষ্ট দেশীয় লোকে অসমীয়া সাহিত্য চৰ্চ্চা কৰিছিল। তেওঁলোক হৈছে—

(১) **যাদুৰাম বৰুৱা** (১৮০১-৬৯)—প্ৰথম অসমীয়া ভাষাতত্ত্ববিদ যাদুৰাম বৰুৱা যোৰহাটত ওপজে। তেওঁৰ পিতৃৰ নাম কৃষ্ণদাস ভৱানী বৰুৱা। যাদুৰাম বৰুৱা যোৰহাটত কিছুকাল মুন্সিফ্ হৈ আছিল। ১৮৫৭ চনত উত্তৰ লক্ষীমপুৰ মহকুমাৰ অধিপতি বাব পাইছিল। তিনি বছৰৰ মূৰত বৰপেটালৈ সদৰামীন হৈ যায় আৰু পাচত ডিব্ৰুগড়লৈ বদলি হয়। তেওঁ ১৮৩৯ চনত প্ৰথম বঙলা-

অসমীয়া শব্দকোষ লেখি কৰ্ণেল জেনকিন্সক উপহাৰ দিয়ে; কিন্তু এই অভিধান প্ৰকাশ নহল। "যাদুৰাম বৰুৱাৰ এই অভিধানখনিকে গঢ়িলা লৈহে পিচত ব্ৰন্সন ছাহাবে অসমীয়া ভাষাৰ প্ৰথম অভিধানখনি লিখে" (অসমীয়া সাহিত্যৰ চানেকি)। যাদুৰাম বৰুৱাই মিছনেৰীসকলক সততে সহায় কৰিছিল।

(২) **হলিৰাম ঢেকিয়াল ফুকন** (১৮০২-১৮৩২)—তেওঁৰ পিতৃ পৰশুৰাম বৰুৱা বঙ্গালহাট বা হাদিৰাচকীৰ দুৱৰীয়া আছিল। হলিৰামে ১৪ বছৰ বয়সত দুৱৰীয়া পদ পায়। চন্দ্ৰকান্তসিংহ গুৱাহাটীত থাকোঁতে তেওঁ ঢেকিয়াল ফুকনৰ বাব পায়। হলিৰাম ফুকনে নগাওঁ আৰু দৰঙৰ প্ৰথম বন্দবস্ত কৰে। তেওঁ কলেক্টৰীৰ চিৰস্তাদাৰ আছিল আৰু কামৰূপৰ বন্দবস্তৰ কাম কৰিছিল। ১৮২৯ চনত তেওঁ বঙলা ভাষাত **আসাম বুৰঞ্জী** লিখে এইখন এচিয়াটিক চোচাইটিৰ জৰ্ণেলত ওলাইছিল। এই বুৰঞ্জীখনে অসম আৰু অসমীয়া জাতিক বহুত ওপৰলৈ তুলিছিল। বঙ্গদেশৰ সমাচাৰ দৰ্পণ আৰু সমাচাৰ চন্দ্ৰিকায়ো এই পুথি প্ৰশংসা কৰিছিল। ১৮৩১ খ্ৰীঃত '**কামাখ্যা যাত্ৰা পদ্ধতি**" নামৰ এখন সংস্কৃত পুথি লেখি প্ৰকাশ কৰে। এই পুথিত অসমৰ ৰজাসকলৰ বুৰঞ্জী, ধৰ্ম্ম-কৰ্ম্ম, উপাসনা, ৰাজ্যশাসন, আচাৰ-ব্যৱহাৰ, চৰিত্ৰ, নদ-নদীৰ বিৱৰণ, বেপাৰ-বাণিজ্যৰ ৰীতি আদি কথা আছে।

(৩) **মণিৰাম দেৱান বৰভাণ্ডাৰ বৰুৱা** (১৮০৬-৫৮)—তেওঁ চাৰিঙৰ ৰামদত্ত দোলাকাষৰীয়া বৰুৱাৰ পুত্ৰ; তেওঁ বঙলা আৰু ফাৰ্চি ভাষা জানিছিল। তেওঁ ক্ৰমে কলেক্টৰীৰ মিৰমুন্সি আৰু পেচকাৰ হয়; পাচত কোম্পানীৰ দেৱান হৈছিল। এওঁ ১৮৩৮ চনত "বুৰঞ্জীবিবেক ৰত্ন" নামৰ এখন বুৰঞ্জী সঙ্কলন কৰিছিল।

(৪) **বিশ্বেশ্বৰ বৈদ্যাধিপ বা বিকাৰাম বেজবৰুৱা** (১৯শ শতিকা)—তেওঁ আহোম ৰজাৰ এজন বিষয়া আছিল, আৰু ৰাজ-আজ্ঞা (সম্ভৱ পুৰন্দৰ সিংহৰ) অনুসৰি "**বেলিমাৰৰ পদ্য বুৰঞ্জী**" নামৰ অসমৰ এখন পদ্য বুৰঞ্জী লিখিছিল। ইয়াত ১৭৮৮ খ্ৰীঃৰ পৰা ১৮১৯ খ্ৰীঃলৈকে ঘটনাৰ বিৱৰণ আছে। ডঃ সূৰ্য্যকুমাৰ ভূঞাৰ মতে এই পুথিৰ ৰচনা কাল ১৮৩৩ আৰু ১৮৪৬ চনৰ ভিতৰত ধৰিব পাৰি।

(৫) **দুতিৰাম হাজৰিকা** (১৮০৬-১৯০১ খ্ৰীঃ)—পিতৃ সোনাৰাম হাজৰিকা। যোৰহাটৰ দুতিৰাম হাজৰিকাই "**কলি-ভাৰত**" নামৰ এখন পদ্য-বুৰঞ্জী ৰচনা কৰে। এই বুৰঞ্জী ১৮৬২ খ্ৰীঃত সংশোধন কৰা হয়। ইয়াত

১৭৭৯ খ্ৰীঃৰ পৰা ১৮৫৮ খ্ৰীঃলৈকে অসমৰ ঘটনাৰ বিৱৰণ আছে। তেওঁৰ আন ৰচনা হৈছে **ৰসিক-পুৰাণ** (ৰাগীয়াল বস্তুৰ বিষয়ে ব্যঙ্গাত্মক ৰচনা) আৰু **বণিয়াসকল অসমলৈ অহাৰ বৃত্তান্ত**।

(৬) **কাশীনাথ তামুলী ফুকন** (১৮১০-১৮৮০)—তেওঁ শিৱসাগৰৰ কাকতীয়াৰৰ ঘৰৰ আৰু তেওঁৰ পিতৃৰ নাম শ্ৰীনাথ। তেওঁ মহাৰাজ পুৰন্দৰ সিংহৰ বিষয়া আছিল। তেওঁ ইংৰাজৰ অধীনত মুন্সিফ্ হয়। তেওঁ আহোম, বঙলা আৰু ফাৰ্চী ভাষা জানিছিল। তেওঁ ৰাধানাথ বৰুৱাৰে লগ লাগি এখন **অসম বুৰঞ্জী** লিখে। এই বুৰঞ্জী ১৮৪৪ খ্ৰীঃত প্ৰকাশিত হয়।

(৭) **হৰকান্ত বৰুৱা সদৰামীন** (১৮১৩-১৯০০)—তেওঁৰ ঘৰ উত্তৰ গুৱাহাটীত। তেওঁ ১৮৭০-১৮৮০ খ্ৰীঃৰ ভিতৰত এখন **অসম বুৰঞ্জী** লিখে। এই পুথি ১৯২৮ খ্ৰীঃত অসমৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগে প্ৰকাশ কৰিছে।

(৮) **দীননাথ বেজবৰুৱা** (১৮১৩-১৮৯৫)—তেওঁ স্কন্দ পুৰাণৰ অন্তৰ্গত **উৎকল খণ্ড** আৰু ৰুদ্ৰ যামলৰ অন্তৰ্গত হৰগৌৰী সম্বাদৰ **আচাৰ্য্য-সংহতি** নামৰ পুথিৰো অসমীয়া পদ কৰিছিল। তেওঁ এখন **গুৰু-চৰিত** পদত ৰচনা কৰিছিল।

(৯) **বলৰাম খাৰঘৰীয়া ফুকন**—তেওঁ গুণাভিৰাম বৰুৱাৰ অনুৰোধত ১৭৯১ শকত 'হৰ্ষবিসাদ বিষয়ক ৰচনা' নাম দি এখন কিতাপ লিখিছিল আৰু এই পুথি গুণাভিৰাম বৰুৱাক অৰ্পণ কৰিছিল। ভাষাৰ চানেকি দিয়া হল—"পাঁচ গুৰু জনাই কপে এই পুথিসকল অচ মিয়া ভাসাৰে অতি সহজে বুজিব পৰাকৈ প্ৰস্তুত কৰিব নোআৰি, এনে নহই, বিসেস মাত্ৰি ভাসাৰে লিখা পুথিসকল পহিৰলৈ জে সুগম হলহেতেঁন তাৰ কোনো সন্দেহ নাই।" তেওঁ ৰাগবিশিষ্ট ৰামায়ণৰ উপৰি আৰু এখন পুথি (নোমগোৰা কবিতা) লিখিছিল।

যজ্ঞৰাম দেওধাই বৰুৱাই আহোম ভাষাৰ পৰা ভঙা 'পুৰণি বুৰঞ্জী' আৰু অসমীয়া **পূৰ্ণানন্দ ডেকা বৰুৱাৰ** আসাম দেশ হিতৈষিণী সভাৰ ৰচনাৰ সাৰ সংগ্ৰহ (১৮৫৮ চন) অসমীয়া সাহিত্যৰ চানেকিত সন্নিবেশ কৰা হৈছে।

আধুনিক অসমীয়া সাহিত্যৰ বাট দেখুৱাওঁতাসকল :—

আনন্দৰাম ঢেকিয়াল ফুকন (১৮২৯-৫৯ খ্ৰীঃ)—আনন্দৰাম ঢেকিয়াল ফুকন ১৭৫১ শকৰ ৭ আহিনত গুৱাহাটীত জন্ম হয়। তেওঁৰ পিতৃৰ নাম হলিৰাম ঢেকিয়াল ফুকন আৰু মাতৃৰ নাম প্ৰেহতি দেৱী। তেওঁ ১৮৩৭ চনত গুৱাহাটীৰ ইংৰাজী বিদ্যালয়ত ভৰ্ত্তি হয়। মেথী আৰু জেন্‌কিন্সৰ উপপনিত

তেওঁ ১৮৪১ চনত কলিকতাৰ হিন্দু কলেজৰ জুনিয়ৰ বিভাগৰ তৃতীয় শ্ৰেণীত নাম লগায়। ১৮৪৪ চনত চিনিয়ৰ বিভাগৰ তৃতীয় শ্ৰেণীলৈ উঠি ঘৰলৈ ওলটে আৰু ১৭৬৭ শকত মাহিন্দ্ৰী দেৱীক বিয়া কৰে। ১৮৪৭ খ্ৰীঃত তেওঁ খাতা পৰগণাৰ জিম্মাদাৰ নিযুক্ত হয়; আৰু নবেম্বৰ মাহত অস্থায়ী মুন্সিফ্ ৰূপে বিজনী ৰজাৰ দেৱানৰ পদ লয়। ১৮৫২ চনত তেওঁ বৰপেটাৰ চব্ এচিষ্টেণ্ট কমিচনাৰ পদত নিযুক্ত হয়। ১৮৫৪ চনত তেওঁ জুনিয়াৰ এচিষ্টেণ্টৰ ক্ষমতা পায়। ১৮৫৯ খ্ৰীঃৰ ১৬ জুনত ২৯ বছৰ ৯ মাহ ২৯ দিনত ফুকন ঢুকায়।

ফুকনে অৰুণোদই কাকতত মাজে সময়ে প্ৰবন্ধ লিখিছিল। ১৮৪৯ চনত তেওঁ 'অসমিয়া লৰাৰ মিত্ৰ' নামৰ জ্ঞান-বিজ্ঞানৰ কথা থকা দুই কাণ্ড (দুতীয় আৰু ত্ৰিতিয় কাণ্ড) পুথি প্ৰকাশ কৰে। দুতীয় কাণ্ড হৈছে "বালকোপদেসক; অৰ্থাৎ অসম দেসৰ লৰা বিলাকৰ উপকাৰলৈ নিতি ধৰম, আৰু নানা বিগ্যা বিসয়ক উপদেশ।" ত্ৰিতিয় কাণ্ড হৈছে "ভূগোল প্ৰকৰং; অৰ্থাৎ প্ৰিথিবিত জি সকল দেস আছে, তাৰ নদী, পৰ্বত, নগৰ, অদ্ভুত বস্তু, ৰাজ্য সাসন, উতপন দ্ৰব্য, বাণিজ্য আৰু লোক সকলৰ ৰিতি, চৰিত্ৰ, ধৰম ইত্যাদিৰ বিবৰণ।" এই কিতাপত ঢেকিয়াল ফুকনৰ নামৰ পৰিবৰ্ত্তে আছিল "অসম দেসৰ লোক এজনৰ দোআৰাই ইংৰাজী অসমিয়া ভাসাই ভাসান্তৰ হ'ল।" এই পুথিৰ বিষয়ে ১৮৪৯ খ্ৰীঃৰ অক্টোবৰ মাহৰ অৰুণোদই কাকতত ওলোৱা প্ৰথম অসমীয়া পুথি সমালোচনা প্ৰসঙ্গত কোৱা হৈছে, "লোকৰ আগত আপোনাৰ নামত প্ৰসংসা পাবৰ ইচা নাই দেখি ফুকনে সেই কিতাপৰ ওপৰত আপুনি কৰা বুলি নাম নিদিলে। অসমীয়া লোকৰ মাজত প্ৰথমে আপোনাৰ দেসৰ উপকাৰ চিন্তি এনে কোনো গিয়ানৰ কিতাপ কৰি চপোআত এই পুৰুষৰ আগত জদি তেওঁৰ প্ৰসংসা নোলাই তথাপি ইয়াৰ পাচে অনেক পুৰুসলৈকে তেওঁৰ সুজসস্তা থাকিব।" ১৮৫৩ চনত মিলচ্ বিপৰ্টৰ লগত ফুকনৰ টোকাও পৰিশিষ্ট স্বৰূপে প্ৰকাশ হৈছিল। ১৮৫৫ চনত শিৱসাগৰৰ বেপটিষ্ট্ মিচন ছপাখানাৰপৰা তেওঁৰ এজন দেশীয় লোকে লিখা 'অসমীয়া ভাষা সম্পৰ্কে কেইটামান কথা' (A Few Remarks on the Assamese Language by a Native) নামৰ এখন ইংৰাজী পুথি প্ৰকাশিত হয়। ১৮৫৬ চনৰ ভিতৰতে ফুকনে বৰ্ত্তমান আখৰ-জোটনি প্ৰণালীৰে ইংৰাজী-অসমীয়া আৰু অসমীয়া-ইংৰাজী দুখন অভিধান লিখে, কিন্তু দুৰ্ভাগ্যক্ৰমে প্ৰকাশ নহ'ল।

ফুকনৰ বিষয়ে কৰ্ণেল হপ্‌কিনচনে লেখি গৈছে—"বঙ্গদেশত ৰামমোহন ৰায় যেনে অসমত আনন্দৰাম ফুকনো তেনে; কিন্তু এই দুই দেশৰ অৱস্থাৰ প্ৰভেদ লৈ আৰু আনন্দৰাম ফুকনৰ নিজৰ উন্নতিৰ নিমিত্তে বিমান অসুবিধা আছিল, তালৈ চাই তেওঁক ৰামমোহন ৰায়তকৈ অসাধাৰণ বোলা উচিত।" স্বৰূপতে আনন্দৰাম আধুনিক অসমীয়া গদ্যৰ প্ৰথম প্ৰবৰ্ত্তক আৰু তেওঁ অসমীয়া সাহিত্যৰ নতুন আদৰ্শ দাঙি ধৰে। তেওঁৰ ব্যক্তিগত প্ৰভাৱেই সমসাময়িক সাহিত্যিকক প্ৰেৰণা যোগাইছিল।

হেমচন্দ্ৰ বৰুৱা (১৮৩৫-৯৬ খ্ৰীঃ)—১৮৫৭ শকৰ ২৪ আষোণত শিৱসাগৰৰ ৰজাবাহৰত হেমচন্দ্ৰ বৰুৱাৰ জন্ম হয়। তেওঁৰ পিতৃৰ নাম মুক্তাৰাম বৰুৱা। হেমচন্দ্ৰই ঘৰতে সংস্কৃত শিকিছিল। তেওঁ পোনতে মাহে চাৰিটকা বেতনত নকল-নবিচৰ কামত সোমায়। ইফালে পুৰা-গধূলি উৰ্ব্বীধৰ বৰুৱাৰ পঢ়াশালিত সংস্কৃত পঢ়িছিল আৰু দদায়েকে নজনাকৈ ইংৰাজী শিকিছিল। চাকৰিত তেওঁ দোপত দোপে উন্নতি কৰি ৰেভিনিউ মহাফেজ পদ পায়। ১৮৬২ চনত তেওঁক মেজৰ এগনিউ চাহাবে ভাষা-ভঙ্গা কাকতী ৰূপে গুৱাহাটীলৈ নিয়ে আৰু পাচত অফিচ চুপাৰিণ্টেণ্ডেণ্ট হয়। ১৮৮১ চনৰ ১ জানুৱাৰীত তেওঁ কামৰ পৰা অৱসৰ লয়। ১৮৯৬ চনৰ ২০ এপ্ৰিলত তেওঁৰ মৃত্যু হয়।

হেমচন্দ্ৰ বৰুৱাই অৰুনোদই কাকতত লিখিছিল আৰু তাৰ বৰ্ণ-বিন্যাস সংশোধনৰ কাৰণে যত্ন কৰিছিল। ১৮৫৬ চনৰ এপ্ৰিল মাহৰ অৰুনোদইত শ্ৰীসোণাবৰ্চাঁদৰ 'অনেক বিয়া কৰোৱা অযুগুত' নামৰ এটা প্ৰবন্ধ ওলাইছিল; আৰু এই লেখকজন নিশ্চয় হেমচন্দ্ৰ বৰুৱা আছিল। ১৮৫৯ খ্ৰীঃত তেওঁৰ **'অসমীয়া ব্যাকৰণ'** বেপ্‌টিষ্ট্ মিছন ছপাখানাৰ পৰা ওলায় আৰু এইখনকে ছাত্ৰৰ উপযোগী কৰি ১৮৮৬ চনত প্ৰকাশ কৰা হয়। ১৮৭৩ খ্ৰীঃত তেওঁ আদি পাঠ লিখি চৰকাৰৰপৰা পাঁচশ টকা পায়। ইয়াৰ পাচত "বে টু হেলথ্" (স্বাস্থ্য ৰক্ষা) বা গা ভালে ৰাখিবৰ উপায় নামৰ পুথি অসমীয়ালৈ ভাঙি আৰু পাঠমালা আদি পুথি লিখি চৰকাৰৰপৰা ১১০০ টকা পায়। তেওঁ ইংৰাজীত **'অসমীয়াৰ বিবাহ পদ্ধতি'** নামৰ বিধবা বিবাহ সমৰ্থনকাৰী এখন পুথি লিখিছিল। তেওঁ সামাজিক মতত চৰমপন্থী আছিল আৰু সমাজৰ কপটতা ধৰকৈ দেখুৱাইছিল। **"বাহিৰে ৰং চং ভিতৰে কোৱা ভাতুৰী"** (১৮৭৬) নামৰ পুথিত সেই সময়ৰ অসমীয়া সমাজৰ বিদ্ৰূপাত্মক চিত্ৰ কাহিনীৰ সহায়ত অঙ্কিত কৰিছে। বেটুপাতৰ ওপৰত পুথি আৰু বচকৰ

নামৰ উপৰিও ওপৰফালে "১। বাহিৰে ৰং চং," সোঁফালে "১। দেখিবলৈ ভাল," তলৰফালে "৩। ভিতৰৰ ভাগ কিন্তু" আৰু বাওঁফালে "৪। নৰকৰ খাল।" এনেদৰে ছপা কৰা হৈছিল। এই পুথি প্ৰসঙ্গত মহৰ্ষি কমলাকান্ত ভট্টাচাৰ্য্যই মন্তব্য কৰিছে—"শ্ৰীযুত সোণাৰচাদ ডেকা বৰুৱাৰ বাহিৰে ৰং চং ভিতৰে কোৱা ভাতুৰী পুথিয়েই অসমৰ বেদ বা ধৰ্ম্মশাস্ত্ৰ।" **"কানীয়াৰ কীৰ্ত্তন"** (১৮৬১ খ্ৰীঃ) নামৰ নাটকত তেওঁ অসমৰ কানি খোলাৰ চিত্ৰ অঙ্কন কৰিছে। হেমচন্দ্ৰ বৰুৱাই বিদ্ৰূপাত্মক ৰচনাৰে বাট দেখুৱায়। তেওঁৰ কীৰ্ত্তিস্তম্ভ হৈছে **হেমকোষ** অভিধান। ইয়াত ২২,৩৪৬টা শব্দ আছে। তেওঁ ঢুকুৱাৰ চাৰি-বছৰৰ পাচতহে এই অভিধান ওলায়। ১৮৯২ খ্ৰীঃত হেমচন্দ্ৰৰ **"পঢ়াশলীয়া অভিধান"** প্ৰকাশ হয়। হেমকোষ প্ৰকাশৰ অসুবিধাৰ কাৰণে তেওঁ "সংক্ষিপ্ত হেমকোষ" নাম দি এটা সৰু সংস্কৰণ যুগুত কৰে। হেমচন্দ্ৰৰ হেমকোষেই অসমীয়া সাহিত্যৰ ধৰণী স্বৰূপ। ব্যাকৰণ আৰু অভিধান ৰচনা কৰি সাহিত্যৰথী হেমচন্দ্ৰ বৰুৱাই আধুনিক অসমীয়া সাহিত্যৰ ভেটি দৃঢ় কৰি গল। চৰ্কাৰী কামৰ পৰা অৱসৰ লৈ ১৮৮২ চনত গুৱাহাটীৰপৰা তেওঁ **"আসাম নিউচ"** নামৰ এখন ইংৰাজী-অসমীয়া সাপ্তাহিক বাতৰি কাকত উলিয়াইছিল। এই কাকত ১৮৮৫ চনলৈকে ওলাই আছিল; ইয়াৰ গ্ৰাহকৰ সংখ্যা ৯০০ মান আছিল। অসমীয়া ৰচনা-ৰীতি, বৰ্ণ-বিন্যাসৰ আহি এই কাকতেই দাঙি ধৰে। "আসাম নিউচে" যি ভাষা শিকাই গল, আজি-কালি গদ্য ভাষাই তাৰ খোজতে চলিছে" (দেবেন্দ্ৰনাথ বেজবৰুৱা)। "মুঠতে কবলৈ হলে বৰুৱাদেৱে আমাৰ ভাষাক সাজ আৰু অলঙ্কাৰ পিন্ধাই ধুনীয়া কৰি সাহিত্য-সেৱকসকললৈ বাট মুকলি আৰু ফটফটীয়া কৰি থৈ গৈছে" (ভাৰতচন্দ্ৰ দাস)। স্বৰূপতে আনন্দৰাম ঢেকিয়াল ফুকনৰ পিচতে অসমীয়া সাহিত্যৰ ওখ যুগমীয়া আসনখনি হৈছে হেমচন্দ্ৰ বৰুৱাৰ।

গুণাভিৰাম বৰুৱা (১৮৩৭-৯৪)—আনন্দৰাম ঢেকিয়াল ফুকনৰ বৰদেউতাক ৰণৰাম বৰুৱাৰ পুত্ৰ গুণাভিৰাম যোৰহাটত ওপজে। ফুকনে তেওঁক কলিকতাত ইংৰাজী পঢ়িবলৈ পঠায়। তেওঁ ১৮৫৪ চনত এণ্ট্ৰেন্স মহলাত উঠে, আৰু পাচত কলিকতাৰ প্ৰেচিডেন্সী কলেজত ভৰ্ত্তি হয়। ১৮৫৭ চনত তেওঁ ব্ৰজসুন্দৰী দেৱীক বিয়া কৰায়। ১৮৫৯ চনত আনন্দৰাম ঢেকিয়াল ফুকনৰ আকস্মিক বিয়োগত গুণাভিৰাম বৰুৱাই শিক্ষা শেষ নকৰাকৈয়ে ঘৰলৈ আহিব লগা হয়। সেই বছৰৰ অক্টোবৰ মাহত তেওঁ

চৰ্-এচিষ্টেণ্ট কমিচনাৰ পদত নিযুক্ত হয়, আৰু পাচৰ বছৰত একষ্ট্ৰা এচিষ্টেণ্ট্ কমিচনাৰ পদলৈ উন্নীত হয়। তেওঁৰ পত্নী বিয়োগ হোৱাত ১৮৭০ চনত পৰশুৰাম বৰুৱাৰ বাঁৰী তিৰোতা বিষ্ণুপ্ৰিয়াক বিয়া কৰায়। তেওঁ ১৮৯০ চনৰ ৩১ মাৰ্চ্চত চৰ্কাৰী চাকৰিৰ পৰা অৱসৰ লয়। তেওঁ ১৮৯৫ খ্ৰীঃৰ ২৫ মাৰ্চ্চত ঢুকায়।

গুণাভিৰামে সৰুৰে পৰা সাহিত্য চৰ্চ্চা কৰিছিল। তেওঁ ১৮৫৬ চনত নাম-ঘোষা সম্পাদনা কৰিছিল। ১৮৫৭ চনত **"ৰাম-নৱমী"** নামৰ সামাজিক বিয়োগান্তক নাটক ৰচনা কৰে; আৰু ই সেই বছৰৰ অৰুনোদইত ধাৰাবাহিকভাৱে প্ৰকাশ হৈছিল। পিচত ১৮৭০ খ্ৰীষ্টাব্দত পুথিৰ আকাৰে ওলায়। এই নাটকখনি পাশ্চাত্য নাটকৰ আৰ্হিত ৰচিত হলেও সংস্কৃত নাটকৰ প্ৰভাৱ পৰিছে। বঙলা সাহিত্যত যোগেন্দ্ৰ গুপ্তৰ পঞ্চাঙ্ক নাটক কীৰ্ত্তিবিলাসত (১৮৫১ খ্ৰীঃ) আৰু ৰামনাৰায়ণ তৰ্কৰত্নৰ সামাজিক নাটক পতিব্ৰতোপাখ্যানত (১৮৫৪ খ্ৰীঃ) নান্দী, সূত্ৰধাৰ আৰু নটী আছে। ৰাম-নৱমী প্ৰথম আধুনিক অসমীয়া নাটক। তেওঁ ১৮৮০ চনত **"আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন-চৰিত্ৰ"** নামৰ ফুকনৰ এখন বিস্তৃত অথচ নিখুঁত জীৱন-চৰিত আৰু ১৮৮৪ চনত **"আসাম বুৰঞ্জী"** নামৰ এখন আধুনিক ধৰণৰ প্ৰকৃত বুৰঞ্জী লিখে। তেওঁ ১৮৮৫ খ্ৰীঃত কলিকতাৰ পৰা "আসাম বন্ধু" নামৰ সাহিত্য, বিজ্ঞান, বুৰঞ্জী আদি বিষয়ৰ এখন মাহেকীয়া আলোচনী উলিয়ায়। বিজুলী, জোনাকী, আসাম-বন্ধু আদি আলোচনীত তেওঁৰ গদ্য ৰচনা সিঁচৰতি হৈ আছে। 'শুকদত্ত' ছদ্ম-নামেৰে তেওঁ বিজুলীত কেইটামান কবিতা লিখিছিল। বিজুলীত প্ৰকাশিত **"কঠিন শব্দৰ ৰহস্য ব্যাখ্যা"** নামৰ হাস্য-ৰসৰ প্ৰবন্ধাৱলী (নথন ৰচনা) ১৯১১ চনত (১৮৩৩ শক, মাঘ) পুথিৰ আকাৰে ওলায়। এই পুথিৰ হাস্য-ৰসৰ চানেকি তলত দিয়া হ'ল—'ৰতনপুৰৰ নৰাই অধ্যাপকক যদু পাঁচনিয়ে শুধিলে, "দেউ, চাহাব কিয় বোলে ?" অধ্যাপকে ক'লে, "চাহেন ৰঃ পাতু ইতি চাহাব। চাহ খাই ৰক্ষা পৰি থাকে দেখি চাহাব। যদু—"দেউ, কচাৰি কিয় বোলে ?" অধ্যাপক—"কচাৰি কঃ চাৰি অৰ্থাৎ কোন কোন চাৰিজনা বহা ঠাই—বৰচাহাব, ছোট চাহাব, সদৰ আমিন, মনচুপ।" যদু—"মকৰ্দ্দমা কিয় বোলে ?" অধ্যাপক—"মং মনুষ্যং কৰ্দ্দমং কৰোতি যঃ সঃ মকৰ্দ্দমা। মানুহক বি খচি বোকাৰ দৰে কৰে সেয়ে মকৰ্দ্দমা। (ফলিতাৰ্থে ধনে প্ৰাণে মানুহ মকৰ্দ্দমা কৰি বোকাৰ দৰে হয়।)' গুণাভিৰাম বৰুৱাৰ **কাব্যকুসুমে** তিনিজন

সাহিত্যসেৱীক একেলগ কৰে। তেওঁ পুথিখন হৰিবিলাস আগৰৱালাক উৎসৰ্গ কৰে আৰু ইয়াক ৰায় মাধৱচন্দ্ৰ বৰদলৈৰ তত্বাৱধানত কলিকতাত ছপায়। সংস্কৃত ব্যাকৰণৰ আৰ্হিত লিখা দীনবন্ধু তালুকদাৰৰ 'অসমীয়া লৰাৰ ব্যাকৰণ' শীৰ্ষক পচাশলীয়া ব্যাকৰণখনি তেওঁ ১৮৭৩ খ্ৰীঃত প্ৰকাশ কৰে। আনন্দৰাম ঢেকিয়াল ফুকন আৰু সাহিত্যৰথী হেমচন্দ্ৰ বৰুৱাৰ পাচতে গুণাভিৰামৰ গদ্য ৰচনা। এওঁৰ গদ্য সহজ, সবল আৰু শক্তিশালী। গুণাভিৰামৰ আসাম-বন্ধুকে কেন্দ্ৰ কৰি এদল লেখক গঢ়ি উঠিছিল। গুণাভিৰাম বৰুৱাৰ পত্নী বিষ্ণুপ্ৰিয়া দেৱীৰ **"নীতি কথা"** নামৰ পুথি ১৮৮৩ চনত ওলায়।

পুৰণি সাহিত্যৰ পুনৰ্প্ৰচাৰ—আমেৰিকাৰ বেপ্‌টিষ্ট মিছনেৰীসকলে পোনতে পুৰণি পুথি ধ্বংসৰ মুখৰ পৰা ৰক্ষা কৰিবৰ চেষ্টা কৰে। এই বিষয়ে **ৰেভাৰেণ্ড নেথন্ ব্ৰাউন্** পথপ্ৰদৰ্শক। ১৮৫০ খ্ৰীঃলৈকে তেওঁ 'কুৰিখন-মান পুৰণি পুথি গোটাইছিল; আৰু কাশীনাথ তামুলী ফুকন আৰু ৰাধানাথ বৰুৱাৰ সম্পাদিত 'অসম বুৰঞ্জী' আৰু বেপ্‌টিষ্ট্ মিছন প্ৰকাশিত 'চুটিয়া বুৰঞ্জী' ইয়াৰ ভিতৰত পৰে। চাৰ আৰ্চডেল আৰ্লৰ শাসনৰ সময়ত ১৯১২ খ্ৰীঃৰ পৰা ১৯১৩ খ্ৰীঃলৈকে পণ্ডিত হেমচন্দ্ৰ গোস্বামীক পুৰণি পুথি সংগ্ৰহৰ কাৰণে নিয়োগ কৰা হয়। কৰ্ণেল পি. আৰ. টি. গৰ্ডনে গোস্বামীদেৱক এই বিষয়ে সহায় কৰিছিল। পণ্ডিত গোস্বামীয়ে সংগ্ৰহ কৰা ২৩৩খন পুথিৰ ভিতৰত ৭৭ খন সংস্কৃত আৰু ১৫৬ খন অসমীয়া পুথি আছিল। পাচত যিসকল দেশীয় লোকে পুৰণি পুথি প্ৰকাশৰ দিহা কৰিছিল সেইসকল হৈছে—(ক) হৰিবিলাস আগৰৱালা আৰু (খ) মাধৱচন্দ্ৰ বৰদলৈ। তেজপুৰৰ **হৰিবিলাস আগৰৱালাই** (১৮৪২—১৯১৬) ১৮৮৯ খ্ৰীঃত পোনতে শঙ্কৰদেৱৰ কীৰ্ত্তন, নামঘোষা আৰু পাচত ক্ৰমে ভাগৱতৰ **দশম, একাদশ, প্ৰথম, দ্বিতীয়** আৰু **তৃতীয়** স্কন্ধ প্ৰকাশ কৰে। তেবেঁ৷ শঙ্কৰদেৱৰ **সীতা সয়ম্বৰ নাট গুণমালা, ভটিমা, বৰগীত** আদি উনৈশ শতিকাৰ শেষ ভাগৰ ভিতৰতে ছপাই উলিয়ায়। তেওঁ পুৰুষোত্তম ঠাকুৰৰ **"প্ৰয়োগ ৰত্নমালা ব্যাকৰণ"** শব্দ-কল্পদ্ৰুমৰ পণ্ডিতৰ হতুৱাই সম্পাদিত কৰাই প্ৰকাশ কৰে। তেওঁ মাধৱদেৱৰ **ভক্তি-ৰত্নাৱলী**, দৈত্যাৰিৰ **গুৰুচৰিত্ৰ, বিপুঞ্জয় স্মৃতি** আদি পুথি প্ৰকাশ কৰে। স্বামী শিৱনাৰায়ণ পৰমহংসৰ **সাৰ নিত্যক্ৰিয়া** পুথি এবেঁই অসমীয়া ভাঙনি কৰি প্ৰকাশ আৰু বিনামূল্যে বিতৰণ কৰে। তেওঁৰ অৰ্থ সাহায্য পাই গুণাভিৰাম বৰুৱাই পুৰণি বৈষ্ণৱ ভণিতা সংগ্ৰহ কৰি কাব্য-

কুসুম নামৰ পুথি প্ৰকাশ কৰে। তেওঁ লিখা লম্বোদৰ বৰাৰ জীৱনী অ-ভা-উ-সা সভাত পাঠ কৰিছিল। মুঠৰ ওপৰত চন্দ্ৰকুমাৰ আগৰৱালাৰ পিতৃ হৰিবিলাস আগৰৱালা অসমীয়া সাহিত্যৰ এজন ঘাই পৃষ্ঠপোষক আছিল।

উত্তৰ গুৱাহাটীৰ কমনাথ বৰদলৈৰ পুত্ৰ **মাধৱচন্দ্ৰ বৰদলৈ** (১৮৪৬—১৯০৭) অসমীয়া সাহিত্যৰ আন এজন স্মৰণীয় পুৰুষ। তেওঁ মাধৱ কন্দলি, শঙ্কৰদেৱ আৰু মাধৱদেৱৰ **সাতকাণ্ড ৰামায়ণ** যত্নেৰে গোটাই ১৮৯৯ খ্ৰীঃত প্ৰকাশ কৰে। তেওঁ পুৰুষোত্তম গজপতিৰ **"দীপিকা ছন্দ"** পুথি ১৮৯৫ খ্ৰীঃত প্ৰকাশ কৰে। তেওঁ সঙ্কলন কৰা মধ্যমিকা শ্ৰেণীৰ অসমীয়া গদ্য পুথি ১৯০৯ খ্ৰীঃত প্ৰকাশিত হয়। যোৰহাটৰ **লক্ষেশ্বৰ শৰ্ম্মাই** মহাভাৰত প্ৰকাশ কৰিবলৈ আৰম্ভ কৰোতেই অকালতে তেওঁৰ বিয়োগ হয়। তেওঁ দ্ৰোণপৰ্ব্ব (১৯০৯), উদ্যোগ প্ৰৰ্ব্ব, ভীষ্ম পৰ্ব্ব, স্বৰ্গাৰোহণ পৰ্ব্ব আদি প্ৰকাশ কৰে।

ডিব্ৰুগড়ৰ পণ্ডিত **শিৱনাথ ভট্টাচাৰ্য্যৰ** ভট্টাচাৰ্য্য কোম্পানীৰ পৰা ডাক চৰিতকে আদি কৰি ভালেমান পুৰণি পুথি প্ৰকাশ হয়।

পুৰণি আৰ্হিৰ আধুনিক কবিসকল :—বিশ্বেশ্বৰ বৈদ্যাধিপ আৰু দুতিৰাম হাজৰিকাৰ পদ-বুৰঞ্জীৰ কথা আগতে উল্লেখ কৰা হৈছে। তেওঁলোকৰ উপৰিও ৰঘুদেৱ গোস্বামী, গোপীনাথ চক্ৰৱৰ্ত্তী, ললিতচন্দ্ৰ গোস্বামী আৰু পূৰ্ণকান্ত দেৱশৰ্ম্মাৰ পুৰণি আৰ্হিৰ ৰচনা উল্লেখযোগ্য।

ৰঘুদেৱ গোস্বামী :—নগাওঁ কলিয়াবৰৰ জখলাবন্ধা সত্ৰৰ অধিকাৰ ৰঘুদেৱ গোস্বামীয়ে সংস্কৃত হিতোপদেশৰ অসমীয়া পদ ভাঙনি কৰে। **হিতোপদেশী কাব্যৰ** ৰচনা-কাল আত্ম-পৰিচয়ৰ পৰা ১৮৮০—১৮৮৬ খ্ৰীঃৰ ভিতৰত বুলি ধৰিব পাৰি। কাব্যখন বৈষ্ণৱ কবিৰ আৰ্হিত লিখা হৈছে। তেওঁ **কল্কি পুৰাণ** আৰু **গোবিন্দ চৰিত** ৰচনা কৰে।

গোপীনাথ চক্ৰৱৰ্ত্তী :—তেওঁ কামৰূপ জিলাৰ কথিত ভাষাত পৌৰাণিক বিষয়ক "**কলঙ্ক ভঞ্জন**" নামৰ পদ-পুথি ৰচনা কৰে।

ললিতচন্দ্ৰ গোস্বামী (১৮৪৫—১৯০০) :—নলবাৰীৰ নাৰায়ণপুৰ সত্ৰৰ অধিকাৰ ললিতচন্দ্ৰ গোস্বামী এজন নামজ্বলা পণ্ডিত আৰু কবি আছিল। তেওঁ গোপাল ভট্টৰ কৃষ্ণ-লীলাবিষয়ক সংস্কৃত কাব্যৰ পদ-ভাঙনি কৰে। এই **'কেলি ৰহস্য'** বৈষ্ণৱ কবিৰ আৰ্হিত লিখা আৰু ১২৪টা শ্লোকত সম্পূৰ্ণ হৈছে।

পূৰ্ণকান্ত দেৱশৰ্ম্মা ঃ—ডিব্ৰুগড়ৰ পূৰ্ণকান্ত দেৱশৰ্ম্মাই ১৮৮৯ খ্ৰীঃত "**নলচৰিত্ৰ**" নামৰ এখন পুৰণি আৰ্হিৰ কাব্য লিখে। তেওঁ **হিতকথা** (১৮৭৮) আৰু **জ্ঞানাঙ্কুৰ** নামৰ দুখন গদ্যৰ পুথি লেখিছিল। তেওঁ **হৰধনু ভঙ্গ** আৰু **হৰিচন্দ্ৰ** (১৮৯৩) নামৰ দুখন নাটকো ৰচনা কৰিছিল।

আধুনিক কাব্যৰীতিৰ আৰম্ভণ ঃ—

ওপৰত উল্লেখ কৰা কবিসকলে পুৰণি আৰ্হিত কবিতা ৰচনা কৰিছিল। কিন্তু ভাবৰ আদান প্ৰদানৰ ফলত বঙ্গদেশ আৰু অসমৰ ঘনিষ্ঠ সম্বন্ধ ঘটিল; আৰু বঙ্গদেশে পশ্চিমীয়া সাহিত্যৰ ৰীতি-নীতি অনুকৰণ কৰাৰ লগে লগে আমাৰ কেইজনমান অসমীয়া কবিয়ে পশ্চিমীয়া কাব্যৰ ৰীতি অনুকৰণ কৰিবলৈ ধৰিলে। অসমীয়া কাব্য সাহিত্যত ব্লেঙ্কভাৰ্চ বা অমিত্ৰাক্ষৰ ছন্দ, লিৰিক বা গীতি কবিতা আদিৰ প্ৰচলন হ'ল। মাইকেল মধুসূদন দত্তই মিল্টনৰ অনুকৰণত অমিত্ৰাক্ষৰ ছন্দৰ কাব্য ৰচনা কৰে, আৰু অসমীয়া কবিয়ে মাইকেল দত্তৰ ছন্দৰ অনুকৰণত কাব্য ৰচনা কৰে।

ৰমাকান্ত চৌধুৰী (১৮৪৬—১৮৮৯) ঃ—নলবাৰীৰ বতাহগিলা গাৱঁৰ লক্ষ্মীকান্ত চৌধুৰীৰ পুত্ৰ ৰমাকান্ত চৌধুৰীয়ে পোনতে অসমীয়া সাহিত্যত অমিত্ৰাক্ষৰ ছন্দৰ প্ৰচলন কৰে। তেওঁ বঙ্গৰ কবি মাইকেল মধুসূদন দত্তৰ মেঘনাদবধ কাব্যৰ অনুকৰণত "**অভিমন্যুবধ কাব্য**" ৰচনা কৰে আৰু এই পুথি ১৮৭৫ খ্ৰীঃত প্ৰকাশিত হয়। এই কাব্যৰ ভাষা নিভাঁজ আৰু শুৱলা। এওঁ **সীতাহৰণ নাট** নামৰ এখন আধুনিক ধৰণৰ নাটক ৰচনা কৰে। এওঁৰ ৰাৱণবধ নাটক অপ্ৰকাশিত।

বলদেৱ মহন্ত (১৮৫০—১৮৯৫ খ্ৰীঃ)—নগাৱঁৰ বলদেৱ মহন্তই নীতি-শিক্ষামূলক চুটি কবিতা ৰচনা কৰিছিল, আৰু এই বিষয়ত তেওঁ পথ-প্ৰদৰ্শক বুলিব পাৰি। তেওঁৰ **উজুপাঠ** (১৮৮৪ খ্ৰীঃ) এখন শুৱলা পঢ়াশলীয়া কবিতাৰ পুথি। তেওঁৰ ভাব সৰল। ভাষা আৰু ছন্দত প্ৰাচীন সাহিত্যৰ গাম্ভীৰ্য্য আছে। ইয়াৰ বাহিৰেও তেওঁ জৰীপ, পৰিমিতি, পাটীগণিত আদি ভালেমান পঢ়াশলীয়া পুথি ৰচনা কৰিছিল।

কমলাকান্ত ভট্টাচাৰ্য্য (১৮৫৩—১৯৩৬ খ্ৰীঃ) ঃ—তেজপুৰৰ বিশ্বনাথ ঘাটৰ গড়েহাগি গাৱঁৰ বিখ্যাত শিৰোমণি ভট্টাচাৰ্য্য বংশত কমলাকান্ত ভট্টাচাৰ্য্যই জন্মগ্ৰহণ কৰে। তেওঁৰ পিতৃৰ নাম বাণেশ্বৰ ভট্টাচাৰ্য্য। কমলাকান্তই হাতীৰ

কাৰবাৰ কৰিছিল। তেওঁ নানা ঠাইত ঘুৰি শেষত গুৱাহাটীত বসতি কৰে। ১৯২২ চনত যোৰহাটত বহা অসম সাহিত্য সভাৰ তেওঁ সভাপতি আছিল। তেওঁৰ প্ৰকাশিত পুথিসমূহ হৈছে '**চিন্তানল**' (আগছোৱা)—১৮৯০ খ্ৰীঃ, '**চিন্তানল**' (শেহছোৱা)—১৯২২ খ্ৰীঃ, '**কঃ পন্থাঃ**'—১৯৩৪ আৰু **চিন্তাতৰঙ্গ** আসছোৱা ১৯৩৩। তেওঁৰ 'টুপীৰ দোকান', 'অষ্টাবক্ৰৰ আত্মজীৱনী', 'কছাৰী জাতিৰ বুৰঞ্জী', 'মোৰ মনতপৰা কথা' আদি কেবাখনো অপ্ৰকাশিত পুথি আছে। তেওঁ ভূদেৱ মুখোপাধ্যায়ৰ পুত্ৰ কুমাৰদেৱ মুখোপাধ্যায়ৰ লগ লাগি '**আসাম-হিতৈষী** (১৯২৫—১৯২৯) নামৰ পৰেকীয়া কাকতখন সম্পাদনা কৰিছিল।

কমলাকান্তৰ কবিতা জুইৰ ফিৰিঙতিৰ নিচিনা। এইবিলাক সঁচাকৈয়ে 'অনলবৰ্ষী অগ্নিবীণৰ অগ্নি-শিখা।' তেওঁ প্ৰথমতে দেশপ্ৰেমিক আৰু তাৰ পাচতহে কবি। গতিকে তেওঁৰ কবিতাত ছন্দৰ লাগ-বান্ধ নাই। তেওঁৰ চিন্তানল এখন উৎকৃষ্ট তেজোদ্দীপক কবিতাৰ পুথি। তেওঁ অকনোদই কাকতৰ সময়ৰে পৰা মৃত্যুৰ আগলৈকে একেৰাহে লেখি আছিল। তেওঁৰ প্ৰায়বিলাক প্ৰবন্ধই মৌলিক আৰু সুনিশ্চিত। তেওঁ ৰাজনীতি, সমাজ, সাহিত্য আৰু দৰ্শন সম্বন্ধে প্ৰবন্ধ লিখে। তেওঁৰ 'গুটিদিয়েক চিন্তাৰ ঢৌ', 'গীতাৰ ৰহস্য ব্যাখ্যা', 'অসমৰ উন্নতি' আদি অনেক চিন্তামূলক প্ৰবন্ধ বিভিন্ন আলোচনীত ওলাই দেশবাসীক উদ্বুদ্ধ কৰিছিল। মহৰ্ষি কমলাকান্তই আধুনিক কবিতাৰ যোগেদি দেশপ্ৰেমৰ গুটি সিঁচে।

বলিনাৰায়ণ বৰা (১৮৫২—১৯২৭ খ্ৰীঃ):—দত্তনাৰায়ণ বৰাৰ পুত্ৰ বলিনাৰায়ণ বৰা ডিচেম্বৰ মাহৰ ২৫ তাৰিখে গুৱাহাটীত ওপজে। তেওঁৰ পিতৃ ডেপুটি কমিচনাৰৰ অফিচৰ কেৰেণী আছিল। বলিনাৰায়ণ বৰা সৰুৰে পৰা এজন মেধাৱী ছাত্ৰ আছিল। তেওঁ ১৮৬৯ চনত প্ৰবেশিকা আৰু ১৮৭১ চনত এফ-এ মহলাত উত্তীৰ্ণ হয়। তেওঁ গিলখ্ৰাইষ্ট জলপানী পাই ১৮৭২ চনত ইঞ্জিনিয়াৰিং পঢ়িবলৈ বিলাতলৈ যায়। তেওঁ ১৮৭৭ চনত চিভিল ইঞ্জিনিয়াৰৰ যোগ্যতা অৰ্জ্জন কৰি পিচৰ বছৰ দেশলৈ আহে। তেওঁ চেকেণ্ড এচিষ্টেণ্ট ইঞ্জিনিয়াৰ ৰূপে চাকৰি আৰম্ভ কৰি শেহত একজিকিউটিভ ইঞ্জিনিয়াৰ হয়। তেওঁ ১৯০৭ চনত চাকৰিৰ পৰা অৱসৰ লয়।

হৰিনাৰায়ণ বৰা সম্পাদিত **মৌ** আলোচনীৰ (১৮৮৬ চন) বলিনাৰায়ণ বৰা পৃষ্ঠপোষক আছিল। এই আলোচনীত প্ৰকাশিত **ভাওৰীয়া, অসমীয়া**

ৰাবু আদি ব্যঙ্গাত্মক কবিতাৰ দ্বাৰা তেওঁ প্ৰতিষ্ঠা লাভ কৰে। এই আলোচনীত তেওঁৰ গদ্য প্ৰবন্ধও ওলাইছিল। তেওঁ ১৮৮৭ চনত এখন জবীপ সম্বন্ধীয় পুথি লিখে। তেওঁ ভাৰতবৰ্ষৰ ভূগোল আৰু ভাৰতবৰ্ষৰ বুৰঞ্জী নামৰ দুখন পুথি ৰচনা কৰে।

ভোলানাথ দাস (১৮৫৮—১৯২৯):—বাথৰ বৰাৰ বংশৰ বাপীৰামৰ পুত্ৰ ভোলানাথ দাসে নগাৱঁত জন্ম গ্ৰহণ কৰে। তেওঁ ১৮৭৯ খ্ৰীঃত এণ্ট্ৰেন্স্ মহলাত উঠি কলিকতাৰ মেট্ৰোপলিটান কলেজত পঢ়িছিল। কিন্তু মাকৰ অসুখৰ কাৰণে সোনকালে ঘৰলৈ উভটি আহিব লগা হয়। তেওঁ ক্ৰমে ডিষ্ট্ৰিক্ট্ চাৰ্ভেয়াৰৰ পৰা চব্-ডেপুটি কলেক্টৰ আৰু পাচত এচিষ্টেণ্ট্ চেটেলমেণ্ট অফিচাৰ নিযুক্ত হয়। তেওঁ ১৯০২ চনত চৰকাৰী কামৰপৰা অৱসৰ লয়। কবিস্বৰূপে ভোলানাথ দাসৰ বৰগুণি উল্লেখযোগ্য। ১৮৮২ আৰু ১৮৮৩ খ্ৰীঃত ক্ৰমে তেওঁৰ **'কবিতামালা'** নামৰ প্ৰথম ভাগ আৰু দ্বিতীয় ভাগ খণ্ড কবিতাৰ পুথি ছপা হৈ ওলায়; অৱশ্যে ইয়াৰ অনেক কবিতা আগতে 'আসাম-বন্ধু'ত প্ৰকাশ হৈছিল। কেইটামান কবিতাত (মেঘ, কিয়নো নাজাগে আমাৰ মন আদি) নতুন যুগৰ নতুন ভাবধাৰা ফুটি উঠিছে। ১৮৮৪ খ্ৰীঃত তেওঁৰ **চিন্তা-তৰঙ্গিণীৰ** প্ৰথম ভাগ আৰু দ্বিতীয় ভাগ প্ৰকাশিত হয় আৰু অনেক কাল ই স্কুলীয়া পাঠ্য আছিল। গ্ৰন্থকাৰে ইটো সিটো শব্দ ব্যৱহাৰ কৰাত আসাম-বিলাসিনীয়ে তীব্ৰ সমালোচনা কৰা দেখি তেওঁ চিন্তা-তৰঙ্গিণীৰ দ্বিতীয় ভাগত 'ইটো সিটো' শীৰ্ষক কবিতাটো লিখে। এই খণ্ড-কাব্যখনিৰ প্ৰায়বোৰ কবিতা বঙলুৱা সাঁচত গঢ়া। তেওঁ মাইকেল মধুসূদন দত্তৰ অনুকৰণত **সীতাহৰণ কাব্য** নামৰ অমিত্ৰাক্ষৰ ছন্দৰ কাব্য ৰচনা কৰে। এই কাব্য আসাম-বিলাসিনীত (১৮৭১—১৮৮৩ খ্ৰীঃত) আংশিকভাবে ওলাইছিল। এই কাব্যৰ ৰচনা ১৮৮৮ চনত শেষ কৰে আৰু ১৮২৪ শকত ইয়াক শিৱনাথ ভট্টাচাৰ্য্যই প্ৰকাশ কৰে। ৰমাকান্ত চৌধুৰীৰ পিচতে (?) দ্বিতীয় অমিত্ৰাক্ষৰ ছন্দৰ প্ৰৱৰ্ত্তক হলেও ভোলানাথ দাসৰ কাব্যৰ ভাষা ইংৰাজী, বঙলা আৰু অসমীয়া মিহলি আছিল; আৰু তেওঁ চোকা সমালোচনাৰ সন্মুখীন হব লগা হৈছিল। তেওঁ পৰিমিতি আৰু জৰীপ নামৰ এখন জৰীপৰ পুথিও ৰচনা কৰিছিল।

ৰত্নেশ্বৰ মহন্ত (১৮৬৪—১৮৯৩):—উত্তৰ লক্ষীমপুৰৰ বলিয়াগক সত্ৰৰ অধিকাৰ ধানেশ্বৰ মহন্তৰ পুত্ৰ ৰত্নেশ্বৰ মহন্ত গুৱাহাটীত ওপজে। তেওঁ ১৮৮০ খ্ৰীঃত গুৱাহাটী হাইস্কুলৰপৰা প্ৰবেশিকা মহলাত উঠে। তেওঁ নগাৱঁত

একাউন্টেণ্ট কামত সোমায়। তেওঁ ক'লাজ্বৰত অকালতে প্ৰাণ এৰে। তেওঁ এজন সুকবি আৰু সুগদ্য লেখক আছিল। কবিতাহাৰ তেওঁৰ ৰচিত একমাত্ৰ প্ৰকাশিত পুথি। এই পুথিৰ কবিতাই লেখকৰ কবিত্ব-শক্তিৰ চিনাকি দিয়ে। তেওঁ ৰামদাস গোস্বামী ছদ্মনামত লিখিছিল। জোনাকী, আসাম বন্ধু, বিজুলী আদি আলোচনীত তেওঁৰ বুৰঞ্জীমূলক প্ৰবন্ধসমূহ ওলাইছিল। এই প্ৰবন্ধবোৰ হৈছে—জয়মতী কুঁৱৰী, ভুলাৰাম সেনাপতি, মৈনাৱতী, মোৱা-মৰীয়া বিদ্ৰোহ, অসমত মান, ৰাম সৰস্বতী ইত্যাদি।

অসমীয়া সাহিত্যৰ ওপৰত পশ্চিমীয়া প্ৰভাৱ :—

মিছনেৰীসকলে আধুনিক অসমীয়া সাহিত্যৰ ভেটি স্থাপন কৰিলে, আৰু তাৰ লগে লগে অসমীয়া সাহিত্যৰ ওপৰত পশ্চিমীয়া প্ৰভাৱ পৰিবলৈ ধৰে। জয়ন্তৰতে আনন্দৰাম ঢেকিয়াল ফুকনৰ প্ৰবন্ধ-ৰচনা আৰু গদ্যৰীতিত ইংৰাজী সাহিত্যৰ প্ৰভাৱ পৰিলক্ষিত হয়। হেমচন্দ্ৰ বৰুৱাৰ ৰচনাৰীতিটো এই প্ৰভাৱ পৰা দেখা যায়। ৰমাকান্ত চৌধুৰী আৰু ভোলানাথ দাসে বঙলা সাহিত্যৰ যোগে ইংৰাজী অমিত্ৰাক্ষৰ ছন্দৰ অনুকৰণত কাব্য ৰচনা কৰে। এই সময়তে অসমীয়া খণ্ড কবিতাৰ জন্ম হয়। মিচনেৰীসকলে অসমীয়া উপন্যাসৰ সূচনা কৰে বুলিব পাৰি। ১৮৭৭ খ্ৰীঃত শিৱসাগৰৰ বেপ্‌টিষ্ট মিছন ছপাখানাৰপৰা **কামিনীকান্ত** নামৰ এ. কে. গাৰ্নীৰ উপন্যাসখনি প্ৰকাশিত হয়। এই খনেই **প্ৰথম অসমীয় উপন্যাস।** প্ৰকৃততে কামিনীকান্ত খ্ৰীষ্টধৰ্ম্ম প্ৰচাৰৰ উপন্যাস। ইয়াৰ পাচতহে ১৮৮০ খ্ৰীঃত আনন্দৰাম ঢেকিয়াল ফুকনৰ কন্যা পদ্মাৱতী দেৱী ফুকননীয়ে **সুধৰ্ম্মাৰ উপাখ্যান** নামৰ এখন উপন্যাস ৰচনা কৰে। গুণাভিৰাম বৰুৱাৰ পত্নী বিষ্ণুপ্ৰিয়া দেৱীয়ে ইচপ্‌ ফেবল্‌চৰ শাৰীৰ নীতিগৰ্ভ সাধুৰ সংগ্ৰহ **নীতিকথা** ১৮৮৩ চনত প্ৰকাশ কৰে। গুণাভিৰাম বৰুৱাই কলিকাতাৰ-পৰা নাৰেৰে উজাই আহোঁতে ১৮৫৮ খ্ৰীঃত **প্ৰথম অসমীয়া সামাজিক বিয়োগান্ত নাটক ৰাম-নৱমী** ৰচনা কৰে। ইয়াৰ পাচত হেমচন্দ্ৰ বৰুৱাই কানীয়াৰ কীৰ্ত্তন নামৰ বিদ্ৰূপাত্মক নাটক ৰচনা কৰে। এইদৰে উনবিংশ শতিকাত অসমীয়া সাহিত্যত আধুনিক নাটক, উপন্যাস, প্ৰবন্ধ আদিৰ ৰচনা আৰম্ভ হয়।

কিন্তু উনবিংশ শতিকাৰ শেহৰ ফালে অসমীয়া সাহিত্যৰ ওপৰত পশ্চিমীয়া প্ৰভাৱ পোনপটীয়াকৈপৰা দেখা যায়। ইয়াৰ মূলতে আছিল জোনাকী (১৮৮৯ খ্ৰীঃ ৯ ফেব্ৰুৱাৰী) কাকত। ১৮৮৮ চনৰ ২৫ আগষ্ট তাৰিখে ৬৭ নং মিৰ্জ্জাপুৰ

ষ্ট্ৰীটৰ ছাত্ৰৰ বহাত অসমীয়া ভাষাৰ উন্নতি সাধনী সভাৰ প্ৰথম অধিবেশন বহে। এই সভা স্থাপনৰ দিনৰ পৰা অসমীয়া সাহিত্যৰ এটা নতুন যুগ আৰম্ভ হয়। অ-ভা-উ-সা-সভাই ১৮৯৬ খ্ৰীঃত **"অসমীয়া পুথিৰ তালিকা"** এখন প্ৰকাশ কৰে। ৰায় বাহাদুৰ ৰাধানাথ ফুকনদেৱে (জন্ম ১৮৭৫ খ্ৰীঃ—মৃত্যু ১৯৬৪) এই পুথি-প্ৰসঙ্গত কৈছে, "মোৰ বিমান দূৰ মনত পৰে, সেই সময়তো অতি দূৰ দেশৰপৰা অনুসন্ধান আৰম্ভ কৰিও, তেওঁবিলাকে সাতশ পুথিৰ সন্ধান পাইছিল। এই কিতাপখন প্ৰকাশ হোৱাৰ পিচৰ পৰাই দেশৰ গতিৰ এটা আচৰিত পৰিবৰ্ত্তন দেখা গল" (অসম সাহিত্য সভা বাৰ্ষিকী, প্ৰথম ভাগ)। অ-ভা-উ-সা-সভাৰ মুখপত্ৰ-স্বৰূপে ১৮৮৯ খ্ৰীঃৰ ৯ ফেব্ৰুৱাৰীত **'জোনাকী'** নামৰ মাহেকীয়া আলোচনীখন ওলায়। এই কাকতৰ প্ৰথম বছৰৰ সম্পাদক আছিল চন্দ্ৰকুমাৰ আগৰৱালা। এই কাকতৰ গুৰিতে আছিল লক্ষ্মীনাথ বেজবৰুৱা, লম্বোদৰ বৰা, বিষ্ণুপ্ৰসাদ আগৰৱালা, কমলাকান্ত ভট্টাচাৰ্য্য, ৰমাকান্ত বৰকাকতি, কনকলাল বৰুৱা, যজ্ঞেশ্বৰ নেওগ আদি। এই কাকতে এটা নতুন যুগৰ সূচনা কৰে আৰু অসমীয়া সাহিত্যৰ ওপৰত ইংলণ্ডৰ উনৈশ শতিকাৰ ৰোমাণ্টিক আন্দোলনৰ (Romantic movement) প্ৰভাৱ পৰিবলৈ ধৰে। জোনাকী যুগে প্ৰাচ্য আৰু প্ৰতীচ্যৰ মাজত শিলৰ সাঁকো নিৰ্ম্মাণ কৰিলে। পাশ্চাত্য সভ্যতাৰ লগত আদান-প্ৰদান কৰাৰ ফলত জোনাকী যুগৰ সাহিত্যিক-সকলে নৱজাগৰণৰ প্ৰেৰণা পালে আৰু তাৰ ফলত নতুন ছন্দৰ কবিতা, ৰূপাবৰৰ দৰে মানস চৰিত্ৰ, গল্প, উপন্যাস, নাটক আদি ৰচনা হ'ল। অসমীয়া সাহিত্যৰ ক্ষেত্ৰত জোনাকীৰ আবিৰ্ভাৱ এটি অবিস্মৰণীয় ঘটনা।

জোনাকী যুগ ঃ—

জোনাকী যুগে কবিতাত নতুন যুগৰ সূচনা কৰে। এই যুগৰ কবিতাৰ বৈশিষ্ট্য হ'ল "মৌলিক গভীৰ ভাব, প্ৰাণপৰিভোগী ছন্দ, ললিত লৱজ মনোহৰ বৰ্ণনা, অন্তৰভেদী পৰ্যবেক্ষণ, চোকা স্বদেশ-প্ৰাণতা আৰু সাম্য মৈত্ৰী স্বাধীনতাৰ ঝঙ্কাৰ" (শ্ৰীবেণুধৰ শৰ্ম্মা)।

চন্দ্ৰকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা আৰু হেমচন্দ্ৰ গোস্বামী অসমীয়া সাহিত্যত ৰোমাণ্টিক আন্দোলনৰ ঘাই হোতা। জোনাকী কাকত প্ৰকাশৰ মূলতে এই তিনিজন আছিল আৰু জোনাকী কাকতৰ যোগে অসমীয়া কাব্য সাহিত্যত ৰোমাণ্টিক আন্দোলনৰ এটা নতুন সোঁত ববলৈ ধৰিলে।

আধুনিক অসমীয়া কবিতাৰ ক্ৰমবিকাশ ঃ

জোনাকী যুগত পাশ্চাত্যপ্ৰভাৱে অসমীয়া কবিসকলৰ ভাব, আদৰ্শ, দৃষ্টিভঙ্গী, কবিতাৰ কৌশল আদিৰ যি পৰিবৰ্ত্তন ঘটালে তাকেই অসমীয়া সাহিত্যত '**ৰোমাণ্টিছিজম্**' (Romanticism) বা '**নৱন্যাস**' বুলিব পাৰি। ইংৰাজী সাহিত্যত গল্ডস্মিথ, গ্ৰে, কুপাৰ, বাৰ্ণছ, ব্লেক আদি অষ্টাদশ শতিকাৰ আৰু ক'লৰিজ, ৱৰ্ডচৱৰ্থ, বাইৰণ, ছাদি, শ্বেলী, কীটছ্ আদি উনবিংশ শতিকাৰ ৰোমাণ্টিক কবি। এই কবিসকলে গতানুগতিকতাৰ কঠোৰ বান্ধোন ছিঙি স্বাধীন চিন্তা আৰু আৱেগৰ মুক্ত বিকাশৰ পৃষ্ঠপোষকতা কৰে। তেওঁলোকে বাস্তৱৰ ওপৰত ৰহণ সানি আবেগ, অনুভূতি আৰু কল্পনাক ৰূপ দিবলৈ বিচাৰে।

অসমীয়া **বৈষ্ণৱ সাহিত্য** আছিল "অনুবাদমূলক, আদৰ্শবাদী, ভক্তিৰসসিক্ত আৰু সুৰ সম্বলিত।" এই সাহিত্য ঘাইকৈ উদ্দেশ্যমূলক আছিল। বৈষ্ণৱ কবিসকলৰ "প্ৰকৃতি আছিল নিৰ্জ্জীৱ পদাৰ্থ আৰু ভাব প্ৰকাশৰ কাৰণে পটভূমিস্বৰূপ।" কিন্তু **ৰোমাণ্টিক কবিসকলে** প্ৰকৃতিক জীৱন্ত বুলি স্বীকাৰ কৰিলে আৰু তেওঁলোকে বিশ্বপ্ৰকৃতিৰ আত্মাৰ লগত নিজৰ '**আত্মাৰ পৰিচয়**' ঘটালে। ভাব আৰু ছন্দ দুয়োফালৰ পৰা এই যুগৰ লেখকসকলৰ ওপৰত পাশ্চাত্য প্ৰভাৱ পৰিবলৈ ধৰে। কবিৰ ব্যক্তিগত জীৱনৰ আবেগ অনুভূতি প্ৰকাশ পাবলৈ ধৰে। ব্যক্তিগত প্ৰেম-প্ৰীতি, সৌন্দৰ্য্য, প্ৰকৃতি, মানৱ আদি কবিতাৰ বিষয়-বস্তু হ'ল। এই যুগৰ নিসৰ্গ-কবিতা অতুলনীয়। প্ৰকৃতিৰ ৰূপ-ৰস-গন্ধ-স্পৰ্শ উপভোগত কবিৰ ইন্দ্ৰিয়ই অভূতপূৰ্ব্ব সূক্ষ্ম চেতনাৰ পৰিচয় দিলে। সূক্ষ্ম বাস্তৱ-পৰ্য্যবেক্ষণ এই যুগৰ নিসৰ্গ-বৰ্ণনাত্মক কবিতাৰ সাধাৰণ গুণ। কবিসকলে অতিপ্ৰাকৃত বিস্ময়াত্মক জগতৰ স্থিতি অনুভৱ কৰিলে। অসীম আকাঙ্ক্ষাৰ বিৰাট অতৃপ্তি, বুকুভঙা বেদনা আৰু নৈৰাশ্যৰ সুৰ, বিষাদ ব্যাকুলতা মহৎ জীৱনৰ নিকৰুণতা, আক্ষেপ, অনুশোচনা—এয়ে ৰোমাণ্টিক সাহিত্যৰ বিশেষ সুৰ। ইংৰাজী সাহিত্যত টমাচ্ পাৰ্চিৰ 'ৰেলিকচে' (১৭৬৫ খ্ৰীঃ) লোকগীতিৰ প্ৰতি জনসাধাৰণৰ দৃষ্টি আকৰ্ষণ কৰালে ; আৰু জোনাকী যুগত পুৰণি অসমীয়া সাধু বা লোকগীতি 'ন কৈ' চোৱাৰ প্ৰচেষ্টা চলিল। পাশ্চাত্য প্ৰভাৱৰ ফলত গীতি-কবিতা (লিৰিক), আধুনিক আখ্যানমূলক কবিতা (বেলাড), চতুৰ্দ্দশপদী কবিতা (ছনেট), বিৱৰণমূলক কবিতা, ব্যঙ্গ কবিতা, শোক কবিতা (ইলিজি) আদি ৰচিত হবলৈ ধৰিলে। মন্ময় বা গীতি কবিতা

আৰু তন্ময় বা বস্তুনিষ্ঠ কবিতা এই যুগৰ কবিতাৰ ঘাই ধৰ্ম্ম। মন্ময় কবিতাত কবিৰ ব্যক্তি-অনুভূতিৰ নিবিড়তা আৰু তন্ময় কবিতাত বস্তু-সত্তাই প্ৰধান।

অসমীয়া কবিতাত ৰোমাণ্টিক ভঙ্গীৰ প্ৰথম "বিস্ময়কৰ প্ৰকাশ" হ'ল **চন্দ্ৰকুমাৰ আগৰৱালাৰ** বনকুঁৱৰীত। অতিপ্ৰাকৃতবোধ, মানৱপূজা, ৰহস্যবাদ, বিশ্বাত্মবোধ, সৌন্দৰ্য্যানুভূতি আদি আগৰৱালাৰ কবিতাৰ বৈশিষ্ট্য। **লক্ষ্মীনাথ বেজবৰুৱা** আৰু **হেমচন্দ্ৰ গোস্বামী** ৰোমাণ্টিছিজিমৰ অন্যতম হোতা। আগৰৱালা, বেজবৰুৱা আৰু গোস্বামীয়ে সাহিত্যৰ জৰিয়তে অসমীয়া জাতীয়তা উদ্বুদ্ধ কৰিলে। **কমলাকান্ত ভট্টাচাৰ্য্যই** জাতীয়-চৈতন্য সঞ্জীৱিত কৰিবৰ কাৰণে চেষ্টা কৰে, আৰু **বেজবৰুৱাই** জাতীয় দৃষ্টিভঙ্গী সুস্পষ্ট কৰি তোলে। আশাবাদ, গহীন ভাব, দেশাত্মবোধ, অতিপ্ৰাকৃত আদি বেজবৰুৱাৰ কবিতাৰ ঘাই লক্ষণ। "বেজবৰুৱা আৰু আগৰৱালাৰ কবিতাত অসমীয়া সাহিত্যই পাহৰিপেলোৱা জন-সাহিত্যৰ সুৰটো ধৰা পৰিল। 'ধনবৰ আৰু ৰতনী', 'বীণবৰাগী' আদিত সমূহ ৰাইজৰ অন্তৰ চুবপৰা বনঘোষা, বেলাড, দেহবিচাৰৰ গীত আদিৰ ঠাঁচৰ প্ৰচলন হ'ল। জাতীয়তাৰ শ্লোগান বা প্ৰতীক হিচাবে মানুহক দিয়া হ'ল "বৰাগী আৰু বীণ" আৰু "অ মোৰ আপোনাৰ দেশ" (ডঃ প্ৰফুল্লদত্ত গোস্বামী)। **হেমচন্দ্ৰ গোস্বামীয়ে** "প্ৰিয়তমাৰ চিঠি' নামৰ কবিতাৰে প্ৰথম চতুৰ্দ্দশপদী (ছনেট) কবিতা ৰচনা কৰে। **ৰমাকান্ত চৌধুৰী** আৰু **ভোলানাথ দাসৰ** পাচতে **পদ্মনাথ গোহাঞিবৰুৱা চন্দ্ৰধৰ বৰুৱা, হিতেশ্বৰ বৰবৰুৱা, দণ্ডিনাথ কলিতা** আদিয়ে সাৱলীল অমিত্ৰাক্ষৰ ছন্দৰ কাব্যৰ সোৱাদ দিয়ে। **দুৰ্গেশ্বৰ শৰ্ম্মাৰ** কবিতাত ভাব ভাষা আৰু ছন্দৰ সাৱলীল গতি পোৱা যায়। তেওঁৰ গভীৰ দাৰ্শনিক কবিতা উপৰিও সাদৰী আৰু ভৰলু নৈ দুটি সুন্দৰ ভাঙনি কবিতা। **আনন্দচন্দ্ৰ আগৰৱালাৰ** ভাঙনি কবিতাবোৰো (যেনে, জীৱন-সঙ্গীত) মৌলিক যেন লাগে। চুফীবাদৰ দ্বাৰা প্ৰভাৱান্বিত **যতীন্দ্ৰনাথ দুৱৰাৰ** গীতি কবিতাত অনুভূতি অতি তীব্ৰ হৈ উঠিছে। দুৱৰাৰ শ্মশান কবিতাটো সুন্দৰ ভাঙনি (টমাছ গ্ৰেৰ 'ইলিজি') কবিতা। তেওঁৰ ওমৰতীৰ্থৰ ভাঙনিও শুৱলা। দুৱৰাৰ কবিতাত গ্ৰে, শ্বেলী, টেনিচন, জাৰ্ম্মান কবি হাইন আদিৰ প্ৰভাৱ পৰিছে কাৰুণ্য আৰু নিৰাশবাদৰ মাজেদি তেওঁৰ কবিতাত ৰহস্যবাদ প্ৰকট হৈ পৰিছে বিহগীকবি **শ্ৰীৰঘুনাথ চৌধাৰীৰ** কবিতাত বিহগ জীৱনৰ ছন্দোময় প্ৰকাশৰ লগে লগে প্ৰকৃতিও ৰূপ-ৰসেৰে উদ্ভাসিত হৈ উঠিছে। **দণ্ডিনাথ কলিত**

আৰু **চন্দ্ৰধৰ বৰুৱাই** হাস্যৰসাত্মক আৰু ব্যঙ্গাত্মক কবিতা ৰচনা কৰে। **তৰুণৰাম ফুকনে** কামৰূপৰ স্থানীয় শৈলীত নিংনি ভাউৰীয়াৰ গীত ৰচনা কৰে। **শ্ৰীঅম্বিকাগিৰি ৰায়চৌধাৰী, পদ্মধৰ চলিহা, কমলানন্দ ভট্টাচাৰ্য্য, শ্ৰীমিত্ৰদেৱ মহন্ত, উমেশচন্দ্ৰ চৌধাৰী, জ্যোতিপ্ৰসাদ আগৰৱালা, পাৰ্ব্বতীপ্ৰসাদ বৰুৱা** আদিয়ে গীতৰ দ্বাৰা জাতীয় ভাব জগাই তুলিলে। শ্ৰীৰায়চৌধাৰীৰ তুমি কাব্যত অতীন্দ্ৰিয়বাদৰ অনুভূতি প্ৰকাশ পাইছে। **ডঃ সূৰ্য্যকুমাৰ ভূঞাৰ** কবিতাত ভাব আৰু ভাষাৰ সুন্দৰ সমন্বয় ঘটিছে। **ৰত্নকান্ত বৰকাকতীৰ** কবিতা গভীৰ ভাবৰ, আৰু তেওঁৰ কবিতাত ভাৰতীয় দৰ্শন আৰু কবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ প্ৰভাৱ পৰিলক্ষিত হয়। **শ্ৰীদেৱকান্ত বৰুৱাই** ৰবাৰ্ট ব্ৰাউনিঙৰ আহিত নাটকীয় স্বগতোক্তিৰ ৰচনা কৰে। **শ্ৰীলক্ষ্মীনাথ ফুকনৰ** (সোণালী সপোন, ১৯৮০) কবিতাৰ সৌন্দৰ্য্যানুভূতি অতি স্পষ্ট ; তেওঁৰ কবিতাৰ ভাষা নিমজ, আৰু ছন্দৰ হিল্লোল আছে।

বিংশ শতিকাৰ আগভাগতে (১৯২০-৪০) জাতীয় আন্দোলনেও জাতীয় ভাবৰ কবিতা সৃষ্টি কৰে। **শ্ৰীঅম্বিকাগিৰি ৰায়চৌধুৰী, শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা, শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা, শ্ৰীডিম্বেশ্বৰ নেওগ** আদিয়ে জাতীয় ভাবৰ কবিতা লিখে। অসমীয়া নজৰুল ইচলাম **শ্ৰীপ্ৰসন্নলাল চৌধুৰীৰ** কবিতাত বিপ্লৱৰ ভাব প্ৰকট হৈছে।

শ্ৰীনলিনীবালা দেৱীৰ কবিতাত অতীন্দ্ৰিয়বাদৰ স্পৰ্শ বৰ উজ্জ্বল। কাব্যভাৰতী **ধৰ্ম্মেশ্বৰী দেৱী বৰুৱানীৰ** কবিতাতো চিৰসুন্দৰত সমৰ্পণ কৰা আত্মাৰ আকুল ক্ৰন্দন অনুভৱ কৰিব পাৰি।

জোনাকী আৰু উত্তৰজোনাকী যুগৰ কাব্য-সাহিত্যত প্ৰেমৰ স্থান উল্লেখযোগ্য। বেজবৰুৱাতে আৰম্ভ কৰি বিংশ শতিকাৰ তৃতীয় দশকলৈকে মিলনৰ আশা, সম্ভোগৰ সুখ, বিচ্ছেদ আদিয়ে গীতি-কবিতাক এক মোহনীয় ৰূপ দিছে। আৱাহন যুগৰ কবি **গণেশচন্দ্ৰ গগৈ, শ্ৰীআনন্দচন্দ্ৰ বৰুৱা** আদিৰ কবিতাত প্ৰণয়ে ভুমুকি মাৰিছে। গগৈৰ কবিতা লালিত্যপূৰ্ণ কিন্তু ভাবাক্ৰান্ত।

জোনাকীযুগৰ কাব্য-সাহিত্যত ইংৰাজ কবিসকলৰ উপৰিও বঙ্গৰ কবি মাইকেল মধুসূদন দত্ত, হেমচন্দ্ৰ বন্দোপাধ্যায়, ৰবীন্দ্ৰনাথ ঠাকুৰ আদিৰ প্ৰভাৱো পৰিছে। পৰৱৰ্ত্তী কালতো ঠাকুৰৰ প্ৰভাৱ পৰিছে। কবিতাৰ ছন্দ বিভিন্ন ধৰণৰ। এই কবিসকল পলায়নবাদী আৰু কল্পনাপ্ৰৱণ; আৰু এওঁলোকৰ কবিতাত 'আত্মভাৱৰ প্ৰাধান্যই' বেচি।

আধুনিক কবিতা সাম্প্ৰতিক যুগৰ সৃষ্টি। দ্বিতীয় মহাসমৰৰ উত্তৰকালত এই শ্ৰেণীৰ নতুন কবিতাই প্ৰসাৰ লাভ কৰে। কবিৰ দৃষ্টি ভঙ্গী আৰু প্ৰকাশ-ৰীতিৰ ফালৰপৰা এই শ্ৰেণীৰ কবিতা বৈশিষ্ট্যপূৰ্ণ। এই শ্ৰেণীৰ কবিতাই পূৰ্ব্বৰ কাব্যৰূপ বৰ্জ্জন কৰি মুক্তক ছন্দ আৰু স্পন্দিত গদ্য অৱলম্বন কৰে। ছন্দৰ গতানুগতিক ধ্বনিৰ বৰ্জ্জন, আপেক্ষিক অসংলগ্ন ভাবৰ সংযোগ আৰু উপমা আদি অলঙ্কাৰ প্ৰয়োগৰ ক্ষেত্ৰত দেখুৱা স্বতন্ত্ৰতাৰ মাজেদি প্ৰকাশিত আধুনিক কবিৰ দৃষ্টিভঙ্গীৰ ওপৰত ধী-শক্তি বিষয়ক প্ৰভাৱেই বেচি। এই দৃষ্টিভঙ্গীৰ মাজত যি নতুনত্ব দেখা যায় সি পাশ্চাত্য প্ৰভাৱেৰে পুষ্ট। মানৱ-সভ্যতাৰ বুকুত দেখা দিয়া নতুন নতুন সমস্যাৰ প্ৰতি আধুনিক কবি সজাগ। এইবোৰ কৃতকাৰ্য্যতাৰে ব্যঞ্জিত কৰাৰ অৰ্থে এওঁলোকে সঘনে প্ৰতীকৰ সহায় লয়। এওঁলোকৰ শব্দ-গাথনিৰ মাজত সাঙ্গীতিক লয় আছে কিন্তু আপেক্ষিক অসংলগ্ন ভাব একেলগে সন্নিবিষ্ট কৰাৰ ফলত সৰহ ক্ষেত্ৰতে অৰ্থবোধ দুৰূহ হয়। আধুনিক কবিতা "বুদ্ধিদীপ্ত, দৰ্শন, মনোবিজ্ঞান, জীৱ-বিজ্ঞান, সমাজ-বিজ্ঞান আদি নানান মতবাদৰ প্ৰভাৱেৰে পৰিপুষ্ট" আৰু অনেক সময়ত 'ভাবাক্ৰান্ত'। "নতুন দৃষ্টিভঙ্গীৰ সহায়ত জীৱন-ধাৰাৰ নতুন মূল্যাঙ্কন বিচৰা প্ৰয়াস" আধুনিক কবিতাৰ মাজেদি স্পষ্ট হৈ পৰিছে। আধুনিক কবিসকলৰ মানসিক দিগবলয় অতি প্ৰশস্ত। অসম তথা ভাৰতীয় উপাদানৰ উপৰি চীন, জাপান, ৰাচিয়া, ফ্ৰেন্স, ইংলণ্ড, আমেৰিকা আদি পৃথিবীৰ বিভিন্ন দেশৰ সাহিত্যত তেওঁলোকে কবিতাৰ উপাদান বিচাৰি পায়।

গুৱাহাটীৰপৰা প্ৰকাশিত জয়ন্তী আলোচনীয়ে সাম্প্ৰতিক কবিতাৰ সূচনা কৰে, আৰু ৰামধেনুৰ বুকুতেই এই শ্ৰেণীৰ কবিতাই বিস্তাৰ লাভ কৰে। কলিকতাৰ নৰহত্যাত অকালতে মৃত্যুক বৰণ কৰা তৰুণ কবি অমূল্য বৰুৱাৰ (১৯২২-৪৬) কবিতাত (যেনে—বিপ্লৱী, কুকুৰ, বেশ্যা ইত্যাদি) এই কাব্যৰীতিৰ উন্মেষ হয়। এই কবিতাৰ সংগ্ৰহ 'আধুনিক অসমীয়া কবিতা' (শ্ৰীৰতি নাৰায়ণ শৰ্ম্মা সম্পাদিত) ১৯৪৬ চনত প্ৰকাশ হয়। 'নতুন কবিতা' (শ্ৰীমহেন্দ্ৰ বৰা সম্পাদিত) নামৰ আন এখন সাম্প্ৰতিক কবিতাৰ সঙ্কলন ১৯৫৬ চনত প্ৰকাশ হয়।

যোৱা একুৰি বছৰৰ ভিতৰত আধুনিক কবিতাৰ ৰূপ সলনি হৈছে আৰু কবিসকলেও পাঠকবৰ্গৰ গ্ৰহণ ক্ষমতাৰ প্ৰতি সচেতন হোৱা দেখা গৈছে।

কেইবাজনো আধুনিক কবিয়ে ইতিমধ্যে প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছে। শ্ৰী (সকল) হেম বৰুৱা, নৱকান্ত বৰুৱা, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য, মহেন্দ্ৰ বৰা, হোমেন বৰগোহাঞি, বীৰেন বৰকটকী, কেশৱ মহন্ত, দীনেশ গোস্বামী, হৰি বৰকাকতি আদি কবিসকলৰ কবিতা সমাদৃত হ'ব লাগিছে। এই সকল কবিৰ দৃষ্টিভঙ্গীৰ মাজেদি ফুটি উঠিছে মৌলিকতা, প্ৰকাশ-ভঙ্গীৰ মাজত মূৰ্ত্ত হৈছে ছন্দ-হীন বাক্যৰ লয়ৰ মাধুৰ্য্য। কিছুমান আধুনিক কবিৰ কবিতাৰ মাজত কল্পনাৰ দৈন্য আৰু অন্ধ অনুকৰণ-প্ৰিয়তাৰ নিদৰ্শনো নথকা নহয়। মুক্তক ছন্দৰ সাঙ্গীতিক লয়ো কাৰো কাৰো হাতত আপেক্ষিক নীৰস গদ্য-ভঙ্গীলৈ নামি আহিছে।

আধুনিক কবিসকল ঃ

চন্দ্ৰকুমাৰ আগৰৱালা (১৮৬৭-১৯৩৮):—হৰিবিলাস আগৰৱালাৰ পুত্ৰ চন্দ্ৰকুমাৰ আগৰৱালাৰ জন্ম তেজপুৰৰ কলংপুৰ মৌজাৰ ব্ৰহ্মজানত। তেওঁ প্ৰেচিডেন্সি কলেজৰ পৰা এফ. এ. পাচ কৰে। বিলাতলৈ যাবলৈ বাপেকৰ অনুমতি নেপাই তেওঁ কলিকতাত বি. এ. পঢ়ে; কিন্তু আন কাম কাজত ব্যস্ত থকাত তেওঁ উপাধি নোপোৱাকৈয়ে ঘৰলৈ উলটি আহিল।

চন্দ্ৰকুমাৰে কলিকতা প্ৰবহুৱা ছাত্ৰ স্বৰূপে ১৮৮৯ খ্ৰীঃৰ ৯ ফেব্ৰুৱাৰীত জোনাকী কাকত উলিয়ায়। জোনাকী আৰু পাচত বাহীত ওলোৱা কবিতা-বোৰৰ সমষ্টিয়েই **প্ৰতিমা** (১৯১৩ খ্ৰীঃ)। বনকুঁৱৰী, জলকুঁৱৰী আদিৰ নিচিনা মৌলিক কবিতা ইয়াত পোৱা যায়। তেওঁৰ **বীণ-বৰাগী** নামৰ দ্বিতীয় কবিতাৰ পুথিখনি ১৯২৩ চনত পুথি আকাৰে ওলায়। অকল এই দুখন সৰু কবিতাৰ পুথিয়েই চন্দ্ৰকুমাৰক এজন চিন্তাশীল আৰু দাৰ্শনিক কবি স্বৰূপে অসমীয়া কবি-সকলৰ মাজত আগ ঠাই দিয়াৰ। তেওঁ সাদিনীয়া আৰু তিনিদিনীয়া বাতৰি কাকত **অসমীয়াৰ** প্ৰতিষ্ঠাতা।

লক্ষ্মীনাথ বেজবৰুৱা (১৮৬৮-১৯৩৮):—দীননাথ বেজবৰুৱা নগাৱঁৰ পৰা বৰপেটালৈ বদলি হৈ যাওঁতে তেওঁৰ সৰু মাজু পুতেক লক্ষ্মীনাথৰ জন্ম হয়। ১৮৮৬ চনত শিৱসাগৰৰ ইংৰাজী বিদ্যালয়ৰ-পৰা প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ তেওঁ উচ্চ শিক্ষাৰ কাৰণে কলিকতালৈ যায়। ১৮৮৮ চনত এফ-এ মহলাত

উঠে। বি এ. পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাচত তেওঁ ১৮৯১ খ্ৰীঃত বঙ্গদেশৰ বিখ্যাত ঠাকুৰ পৰিয়ালৰ প্ৰজ্ঞাসুন্দৰী দেৱীক বিয়া কৰায়। প্ৰথমতে ভোলানাথ বৰুৱাৰ লগত কাঠৰ কাৰবাৰ কৰে; আৰু পাচত নিজে সম্বলপুৰত কাঠৰ কাৰবাৰ চলায়। ১৯৩৮ চনত তেওঁ ডিব্ৰুগড়ত স্বৰ্গী হয়।

সাহিত্যৰথী বেজবৰুৱাৰ বহুমুখী প্ৰতিভাই অসমীয়া সাহিত্যত এক যুগান্তৰ আনিলে। কলিকতাত থকা কালত চন্দ্ৰকুমাৰ আগৰৱালা, হেম গোস্বামী আৰু বেজবৰুৱা, তিনিউজনৰ চেষ্টাত জোনাকী কাকত ওলায়। এই প্ৰসঙ্গত লক্ষ্মীনাথ বেজবৰুৱাই কৈছে, "এই তিনিৰ সঙ্গত অসমীয়া ভাষা আৰু সাহিত্যৰ চৰ্চ্চা, সম্ভাৱৰ বিকাশ আৰু সজ উদ্যমৰ অনেক প্ৰচেষ্টা চলিছিল। তাৰ প্ৰথম ফল জোনাকী—খি সৰ্ব্বতোভাৱে প্ৰিয় বন্ধু আগৰৱালাৰ মানস তনয়া।" এই কাকতত বেজবৰুৱাৰ **লিতিকাই** (১৮৮৯ খ্ৰীঃ) নামৰ এখন ধেমেলীয়া নাটক ছোৱা ছোৱাকৈ ওলায়। পাচত ১৮৯০ চনত লিতিকাই কিতাপ আঁকাৰে ওলায়। তেওঁৰ আন ধেমেলীয়া নাটকসমূহ হৈছে **নোমল**, **পাচনি** আৰু **চিকৰপতি নিকৰপতি**। তেওঁৰ গহীন নাটকসমূহ হৈছে **চক্ৰধ্বজ সিংহ**, **জয়মতী কুঁৱৰী** আৰু **বেলিমাৰ**। তেওঁৰ একমাত্ৰ উপন্যাস **পদুম কুঁৱৰী** ১৯০৫ চনত ওলায়। তেওঁৰ সাধুকথাৰ পুথিসমূহ হৈছে **জুনুকা** (১৯১০), **বুঢ়ী আইৰ সাধু** (১৯১১) আৰু **ককাদেউতা আৰু নাতিলৰা**। চুটি গল্প হৈছে **সুৰভি** (১৯০৯), সাধু **কথাৰ কুকি** (১৯১২) আৰু **জোনবিৰি** (১৯১৩)। তেওঁ ডাঙৰীয়া **দীননাথ বেজবৰুৱাৰ জীৱন চৰিত** (১৯০৯), **শঙ্কৰদেৱ** (১৯১৪) আৰু **শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ** (১৯১৪) ৰচনা কৰে। **কামত কৃতিত্ব লভিবৰ সঙ্কেত** (১৯০৩) আৰু **বাখৰ** (১৯১৪) দুখন ৰচনাৰ পুথি। তেওঁৰ **ভাৰতবৰ্ষৰ বুৰঞ্জী** (১৯১০) আৰু **ভাগৱত কথা** (১৯১৫) ছাত্ৰৰ কাৰণে লিখা। পিকউইক পেপাৰৰ আৰ্হিৰ ৰস-ৰচনা **কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা** (১৯০৪) আৰু **কৃপাবৰ বৰুৱাৰ ওভতনিয়ে** (১৯০৯) লক্ষ্মীনাথৰ নাম অসমীয়া সাহিত্যত যুগমীয়া কৰিলে। "কবিতা হয় যদি হওক নহয় যদি নওহক" বুলি লিখা যিখিনি গহীন আৰু ধেমেলীয়া কবিতা **কদম-কলিত** (১৯১৩) ঠাই পাইছে সেইখিনিয়ে বেজবৰুৱাৰ কবিত্ব প্ৰতিভাৰ চিনাকি দিয়ে। ইয়াৰ বীণ-বৰাগী, প্ৰিয়তমাৰ সৌন্দৰ্য্য, ভ্ৰম, ধনবৰ ৰতনী আদি অপূৰ্ব্ব ৰোমাণ্টিক কবিতা। লক্ষ্মীনাথ বেজবৰুৱাই ১৯০৯ চনত বাঁহী আলোচনী উলিয়ায় আৰু ইয়াক কেন্দ্ৰকৰি এদল শক্তিশালী

লেখক গঢ়ি উঠে। বেজবৰুৱা একাধাৰে কবি, নাট্যকাৰ, ঔপন্যাসিক, গল্পলেখক, হাস্যৰসিক, জীৱনী লেখক ইত্যাদি। কবিতাত তেওঁ ৰোমাণ্টিক ভাবধাৰা প্ৰৱৰ্ত্তনৰ ঘাই হোতা। "কৃপাবৰী সাহিত্যৰ স্ৰষ্টা লক্ষ্মীনাথ বেজবৰুৱাই আৰু কৃপাবৰ বৰুৱা বা কৃপাবৰ বৰবৰুৱা হ'ল তেওঁৰ মানস পুত্ৰ। স্বয়ং স্ৰষ্টাতকৈ সৃষ্টজনৰ নামত যোৱা সাহিত্য ৰাজিতেহে স্ৰষ্টাজনৰ স্বৰূপটো ফটফটীয়াকৈ প্ৰতিফলিত হৈছে" (শ্ৰীবেণুধৰ শৰ্ম্মা)। তেওঁৰ খুহুতীয়া, টেটকুটীয়া মানস চৰিত্ৰ কৃপাবৰ চিৰস্মৰণীয়, চিৰজীৱী আৰু চিৰশক্তিমান এটি চৰিত্ৰ। কৃপাবৰ মানুহ নহয়; কিন্তু ভাব অৰ্থাৎ আমাৰ জাতীয় ভাব। তেওঁ সুজলা সুফলা জননীৰ বুকুৰ ধন। অসমীয়া ভাসা অৱলম্বন কৰি তেওঁ আত্মবিকাশ কৰে। কৃপাবৰৰ তিনিটা গুণ পোৱা যায়—(২) তেওঁ অমৰ; (১) হাড়ে হিমজুৱে অসমীয়া; আৰু (৩) ধুমকেতু সদৃশ অৰ্থাৎ অসমীয়া মনোগগনত তেওঁ হ'ল নিত্যস্থায়ী, কিন্তু বিৰল প্ৰকাশ। কৃপাবৰ এটি ৰসিক চৰিত্ৰ। সেই ফালৰপৰা তেওঁ অনন্যসাধাৰণ। জাতিক একোটা ভুল শুধৰাবলৈ গৈ কেতিয়াবা টান কথাও কবলগীয়াত পৰে।

হেমচন্দ্ৰ গোস্বামী (১৮৭২-১৯২৮ খ্ৰীঃ)— ডম্বৰুধৰ গোস্বামীৰ পুত্ৰ হেমচন্দ্ৰ গোস্বামী গোলাঘাটৰ গোৰাং সত্ৰত ৮ জানুৱাৰীত উপজে। তেওঁ ১৮৮৮ চনত নগাৱঁৰ পৰা এণ্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ হৈ উচ্চশিক্ষাৰ কাৰণে কলিকাতালৈ যায়। ১৮৯০ চনত প্ৰেচিডেন্সি কলেজৰপৰা এফ, এ, পৰীক্ষাত উত্তীৰ্ণ হয়। ইয়াতে তেওঁৰ চন্দ্ৰকুমাৰ আৰু লক্ষ্মীনাথৰ লগত সংযোগ স্থাপন হয় আৰু তিনিও অসমীয়া সাহিত্যত ৰোমাণ্টিক ভাবধাৰাৰ সোঁত বোৱায়। তেওঁ বি, এ, পৰীক্ষাত অকৃতকাৰ্য্য হৈ ১৮৯২ খ্ৰীঃত ঘৰলৈ উভতে। ১৮৮৮ চনত তেওঁ বিয়া কৰায়। তেওঁ ১৮৯২ খ্ৰীঃত চব্ ডেপুটি কলেক্টৰৰ কাম পায় আৰু ক্ৰমে উন্নতি কৰি এক্ষ্ট্ৰা এচিষ্টেণ্ট কমিচনাৰ কাম পায়গৈ। ১৯১২-১৩ চনত তেওঁ চৰকাৰৰ দ্বাৰা পুৰণি পুথি সংগ্ৰহৰ কামত নিয়োজিত হয়। ১৯১২ চনত স্থাপিত কামৰূপ অনুসন্ধান সমিতিৰ তেওঁ এজন গুৰিয়াল আছিল। গুৱাহাটীত তেওঁৰ মৃত্যু হয়।

ৰোমাণ্টিক ভাবধাৰাৰ আঁহিত লিখা তেওঁৰ কিছুমান কবিতা **"ফুলৰ চাকি"** (১৯০৭) নামৰ পুথিত সন্নিবেশ কৰা হৈছে। প্ৰথম বছৰ জোনাকীত তেওঁৰ "কাকো আৰু হিয়া নিবিলাওঁ" নামৰ প্ৰেমৰ কবিতাটি আৰু তৃতীয় বছৰৰ জোনাকীত 'জোনাকী' নামৰ কবিতাটি প্ৰকাশ হৈছিল। জোনাকী কাকতত তেওঁৰ ইটালীয় চনেটৰ আঁহিৰ (প্ৰথম অসমীয়া চনেট) 'প্ৰিয়তমাৰ চিঠি' প্ৰকাশ

হয়। আসাম-বন্ধুত তেওঁৰ শুৱলা কবিতা প্ৰকাশ হৈছিল। তেওঁ হেমকোষ সম্পাদনা আৰু প্ৰকাশত (১৯০০ খ্ৰীঃ) কৰ্ণেল গৰ্ডনক আৰু চাৰ এডোৱাৰ্ড গেইটক অসম বুৰঞ্জীৰ (A History of Assam) সমল গোটোৱাত সহায় কৰে। সূৰ্য্যখড়ি দৈৱজ্ঞৰ **'দৰং ৰাজবংশাৱলী'** (১৯১৭ খ্ৰীঃ প্ৰকাশিত), ভট্টদেৱৰ **কথা-গীতা** (১৯১৮ চন), ১৯২২ চনত কামৰূপ অনুসন্ধান সমিতিৰ দ্বাৰা প্ৰকাশিত **পুৰণি অসম বুৰঞ্জী**, ১৯২৯ চনত প্ৰকাশিত **কামৰত্ন-তন্ত্ৰ** আদি তেওঁৰ চেষ্টাৰ ফল। হেম গোস্বামীৰ **অসমীয়া পুথিৰ বিৱৰণমূলক তালিকা** (১৯৩০ খ্ৰীঃ, ইংৰাজীত লিখা) অসম চৰকাৰে, আৰু **অসমীয়া সাহিত্যৰ চানেকি** সাতোটা খণ্ডত (১৯২৩-১৯২৯ চনৰ ভিতৰত) কলিকতা বিশ্ববিদ্যালয়ে প্ৰকাশ কৰে। তেওঁ ঊষাত লিখা 'শৰাইঘাটৰ যুদ্ধ' নামৰ প্ৰবন্ধটোৱে পোনতে ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰে আৰু তেতিয়াৰপৰা লাচিত বৰফুকনৰ **বীৰত্বৰ** কাহিনীয়ে অসমীয়া জাতিক উদ্বুদ্ধ কৰিবলৈ ধৰিলে। তেওঁৰ অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী শীৰ্ষক প্ৰবন্ধ জোনাকীত ধাৰাবাহিকভাবে প্ৰকাশিত হয়। তেওঁৰ গদ্যৰীতি সৰল আৰু প্ৰাঞ্জল। তেওঁ ভট্টদেৱৰ **কথা-ভাগৱত** আৰু শঙ্কৰদেৱ-মাধৱদেৱৰ **অঙ্কীয়া বাৰ নাট** সঙ্কলন কৰিছিল। "তেওঁ অতীত আৰু বৰ্ত্তমান সাহিত্যৰ শিলৰ সাঁকো-স্বৰূপ আছিল" (বেনুধৰ ৰাজখোৱা)।

অসমীয়া কাব্য-সাহিত্যত ৰোমাণ্টিক ভাৱধাৰা প্ৰবৰ্ত্তন কৰা এই তিনি গৰাকী লেখকৰ উপৰিও তলত উল্লেখ কৰা কেইবাজনো সাহিত্যিকে কবিতা ৰচনা কৰি মাতৃভাষা চহকী কৰিছিল।

দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱা (১৮৭০-১৯২৮)—নৰোত্তম মজিন্দাৰ বৰুৱাৰ পুত্ৰ দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱাই শিৱসাগৰৰ শুকানপুখুৰীত জন্মগ্ৰহণ কৰে। তেওঁৰ **উজু কবিতা** (১৮৯৫ খ্ৰীঃ), **লৰা-কবিতা** (১৮৯৭), **জ্ঞান-মঞ্জৰী** আৰু **ফুল** (১৮৯৯) কবিতা পুথিয়ে তেওঁ যে লৰা-ছোৱালীৰ কবিতা ৰচনাত সিদ্ধহস্ত আছিল তাক প্ৰমাণ কৰে। তেওঁ **স্বাস্থ্য পাঠ** (১৯২৭) আৰু **প্ৰাথমিক চিকিৎসা** (১৯২৭) নামৰ দুখন পুথি লেখিছিল। ১৯০৪ চনত বেণুধৰ ৰাজখোৱা আৰু দুৰ্গাপ্ৰসাদে যুটীয়াকৈ লিখা **কলিযুগ** নামৰ পৌৰাণিক ধেমেলীয়া নাটক প্ৰকাশ হয়। দুৰ্গাপ্ৰসাদে **বৃষকেতু** আৰু **গুৰু দক্ষিণা** (১৯০১) নামৰ দুখন পৌৰাণিক, আৰু **নিগ্ৰো** আৰু **মহৰী** (১৮৯৬) নামৰ দুখন ধেমেলীয়া নাটক ৰচনা কৰিছিল।

মফিজুদ্দিন আহ্মদ হাজৰিকা (১৮৭০-১৯৫৮ খ্রীঃ) :—বিখ্যাত বাঘ হাজৰিকাৰ বংশৰ মফিজুদ্দিন আহ্মদ হাজৰিকা ১৭৯২ শকৰ ১৩ ভাদত জন্ম হয়। তেওঁ ডিব্রুগড়ৰ কাছাৰীত পেছকাৰ কামত সোমাই পাচত অৱসৰ লয়। তেওঁৰ **জ্ঞান-মালিনী** (১৮৯৬) একমাত্র কবিতাৰ পুথি আৰু ই অনেক কাল স্কুলীয়া পাঠ্য-পুথিৰূপে চলিছিল। তেওঁৰ কবিতাৰ ভাষা সহজ, সৰল, আৰু প্রকাশ ভঙ্গী মনোৰম। তেওঁৰ অপ্রকাশিত পুথি হৈছে মালিনীৰ বীণ আৰু তত্ত্ব পাৰিজাত।

পদ্মনাথ গোহাঞি বৰুৱা (১৮৭১-১৯৪৫) :—উত্তৰ লক্ষীমপুৰৰ ঘিনাৰাম বৰুৱাৰ পুত্র পদ্মনাথ গোহাঞি বৰুৱা ১৭৯৩ শকৰ ৯ আঘোণত ওপজে। তেওঁ ছাত্রবৃত্তি পঢ়ি পাচত শিৱসাগৰ উচ্চ ইংৰাজী বিদ্যালয়ত নাম লগায়; আৰু পাচত ১৮৯০ খ্রীঃত কহিমাৰপৰা প্রবেশিকা পৰীক্ষাত উত্তীর্ণ হয়। তাৰ পাচত কলিকতাত এফ, এ, আৰু ওকালতি পঢ়ে; কিন্তু উত্তীর্ণ হব নোৱাৰিলে। তেওঁ অসম শিক্ষা সেৱাৰ চাকৰিত সোমায়। কহিমা আদি ঠাইত চাকৰি কৰি কামৰপৰা অৱসৰ লয়।

তেওঁ ছাত্র-জীৱনৰপৰা সাহিত্য-চর্চ্চা কৰিছিল। ১৮২১ শকত প্রথমা পত্নীৰ বিয়োগত তেওঁ **লীলা** (১৮৯৯) নামৰ অমিত্রাক্ষৰ ছন্দৰ এখন ঘকৰা কাব্য ৰচনা কৰে। তাৰ পাচত **জুৰণি** (১৯০০) আৰু **ফুলৰ চানেকী** (১৯৪১) নামৰ দুখন কবিতাৰ পুথি ওলায়। তেওঁৰ কবিতাৰ ভাষা সুৰলা, ছন্দৰ গতি নিমজ আৰু ভাবো গহীন। তেওঁৰ ৰচিত পুথি হৈছে **ভানুমতী** (প্রায় ১৮৯০ খ্রীঃ) **লাহৰী** (১৮৯২), **গদাধৰ** (১৯০৭), **জয়মতী** (১৯০০), **সাধনী** (১৯১১), **লাচিত বৰফুকন** (১৯১৫), **বাণৰজা** (১৯২২), **টেটোন তামুলী,** (১৯০৯), **গাওঁবুঢ়া** (১৮৯৭), **ভুত নে ভ্রম** (১৯২৪) **গীতাসাৰ, শ্রীকৃষ্ণ** (আদি লীলা, মধ্য লীলা, আৰু অন্ত্য লীলা), **নীতি শিক্ষা** (তিনি ছোৱা), **ভূগোল দর্পণ, জীৱনী সংগ্রহ, বুৰঞ্জী-বোধ, অসম বুৰঞ্জী** আদি। তেওঁ পানীন্দ্র নাথ গগৈৰ সৈতে দুটাম্লাকৈ সাহিত্য সংগ্রহ নামৰ পুথি সঙ্কলন কৰিছিল। তেওঁ কিছুকাল **বিজুলীৰ** সম্পাদক আছিল। পাচত **উষা** নামৰ আলোচনী উলিয়ায়।

বেণুধৰ ৰাজখোৱা (১৮৭২-১৯৫৫)—সুচান্দৰাম ৰাজখোৱাৰ পুত্র বেণুধৰ ৰাজখোৱা খোৱাং মৌজাত জন্ম হয়। তেওঁ ডিব্রুগড় চৰকাৰী বিদ্যালয়ৰপৰা ১৮৮৯ খ্রীঃত প্রবেশিকা পৰীক্ষাত উত্তীর্ণ হৈ কলিকতাত পঢ়ি-

বলৈ যায়। ১৮৯২ খ্ৰীঃত এফ, এ, আৰু ১৮৯৬ খ্ৰীঃত বি, এ, মহলাত উঠে। কলিকতাত এম, এ, পঢ়োতে ১৮৯৯ খ্ৰীঃত চব্ ডেপুটি কলেক্টৰৰ বিষয় পায়। ই-এ-চি পদলৈ উন্নীত হৈ শেহত উপায়ুক্ত হৈ ১৯৩১ চনত চাকৰিৰ পৰা অৱসৰ লয়।

তেওঁ ছাত্ৰ-জীৱনৰপৰাই সাহিত্য চৰ্চ্চা কৰে আৰু কলিকতাত পঢ়া অৱস্থাত তৃতীয় বছৰৰ বিজুলীৰ সম্পাদক হয়। তেওঁৰ কাব্য সাহিত্যলৈ বৰঙণি উল্লেখযোগ্য। তেওঁ **চন্দ্ৰ সম্ভৱ কাব্য** নামৰ এখন কাব্য ৰচনা কৰে। তেওঁ **পঞ্চ কবিতা** (১৮৯৫), **দশ গীত** (১৮৯৯) **সৰু লৰাৰ গীত** (১৮৯৯), **অসমীয়া ভাই** (১৯০১), **বাঁহী** (১৯০৬), **দেহাৰ প্ৰলয়, সিপুৰীৰ বাতৰি, জীৱন সন্ধিয়া** আদি গান আৰু কবিতাৰ পুথি ৰচনা কৰে। তেওঁৰ **খণ্ডবাক্যকোষ** (১৯১৬ খ্ৰীঃ) অসমীয়া সাহিত্যলৈ বিশিষ্ট বৰঙণি বুলিব পাৰি। তেওঁ **সেউতী-কিৰণ** (১৮৯৪), **দুৰ্য্যোধনৰ উৰুভঙ্গ** (১৯০১), দৰবাৰ ১৯০২) **দক্ষযজ্ঞ** (১৯০৮), **কুৰি শতিকাৰ সভ্যতা** (১৯০৮), **তিনি ঘৈণী,** (১৯২৮) **চোৰৰ সৃষ্টি, অশিক্ষিতা ঘৈণী, যমপুৰী** (১৯৩১), **টোপনিৰ পৰিণাম** (১৯৩২) আদি নাটক ৰচনা কৰে। ৰাজখোৱা অকে গোহাঁঞিঃ বৰুৱাই যুটীয়াকৈ **ডেকা-গাভৰু** (১৮৮৯) নাটক ৰচনা কৰ। তেওঁ দুৰ্গাপ্ৰসাদ দত্তৰ সৈতে যুটীয়াকৈ পৌৰাণিক ধেমেলীয়া নাটক কলিযুগ (১৯০৪) ৰচনা কৰে। কলিকতাত ছাত্ৰ অৱস্থাত তেওঁ **নীতি পাঠ, সাহিত্য প্ৰবেশ, লৰা পুথি** আদি কিতাপ উলিয়ায়।

আনন্দচন্দ্ৰ আগৰৱালা (১৮৭৪-১৯৩৯ খ্ৰীঃ)—বাপৰাম আগৰৱালাৰ পুত্ৰ আনন্দচন্দ্ৰ আগৰৱালা তেজপুৰৰ কলংপুৰ মৌজাত জন্ম হয়। তেওঁ তেজপুৰৰ উচ্চ ইংৰাজী বিদ্যালয়ৰপৰা ১৮৯১ খ্ৰীঃত এণ্টেন্স্ পৰীক্ষাত উত্তীৰ্ণ হৈ কলিকতাত এফ, এ, পঢ়েগৈ। তেওঁ কলিকতাত অ-ভা-উ-সা সভা, বিজুলী আৰু জোনাকীৰ কামত ইমান মন দিয়ে যে তেওঁ শেহত বিশ্ববিদ্যালয়ৰ উপাধি নোলোৱাকৈ উভটি আহিব লগা হয়। পুলিচ বিভাগৰ সামান্য চাকৰিত সোমাই শেহত পুলিচ চুপাৰিণ্টেণ্ডেণ্ট স্বৰূপে অৱসৰ লয়।

আনন্দচন্দ্ৰ আগৰৱালাক ভাঙনি কোঁৱৰ বোলা হয়। তেওঁৰ মৌলিক কবিতাতকৈ ভাঙনি কবিতাহে সোৱাদ লগা। তেওঁ এণ্টেঞ্চ পৰীক্ষা দিয়াৰ আগতে জীৱন-সঙ্গীত নামৰ কবিতাটো ভাঙে। ব্ৰহ্মানন্দ বৰকাকতী, নবীন চন্দ্ৰ বৰদলৈ আৰু কৃষ্ণপ্ৰসাদ আগৰৱালাৰে লগ লাগি তেওঁ ছাত্ৰ অৱস্থাতে

ধৰ্ম্ম-সঙ্গীত নামৰ গানৰ পুথি প্ৰকাশ কৰে। তেওঁ **আদি পাঠ** (১৯২০) আৰু **কোমল পাঠ** (১৯০০) পুথি প্ৰকাশ কৰাৰ উপৰিও **জিলিকনি** (১৯২২) নামৰ কবিতাৰ পুথি প্ৰকাশ কৰে। তেওঁৰ **পত্নমণি,** জনক জীয়ৰী বা সীতা আৰু অসমা পুথি হাতে লিখা অৱস্থাতে থাকিল।

চন্দ্ৰধৰ বৰুৱা (জন্ম ১৮৭৪-১৯৬১ খ্ৰীঃ)—দুৰ্গাধৰ বৰুৱাৰ পুত্ৰ চন্দ্ৰধৰ বৰুৱাৰ জন্ম যোৰহাটত। ১৮৯২ খ্ৰীঃত তেওঁ এণ্টেন্স পৰীক্ষাত উত্তীৰ্ণ হৈ কলিকতালৈ যায়। দুবছৰৰ মূৰত এফ, এ পৰীক্ষাত উত্তীৰ্ণ হয়। তেওঁ বি-এ, উপাধি নোলোৱাকৈয়ে ১৮৯৬ খ্ৰীঃত ঘৰলৈ গুভতে। ১৯০০ খ্ৰীঃত ওকালতি পৰীক্ষাত উত্তীৰ্ণ হৈ সেই ব্যৱসায়ত লাগে। পাচত তেওঁ চাহখেতিত লাগে। ১৯২২ চনত তেওঁ স্থানীয় কাউন্সিল অৱ ষ্টেটৰ সভ্য হয় আৰু ১৯৩০ চনত বিলাতৰ ঘূৰণীয়া মেজ মেলত অসমৰ প্ৰতিনিধি-স্বৰূপে যোগ দিয়ে।

তেওঁ যে এগৰাকী সুনিপুণ কবি তাক ধেমেলীয়া আৰু গহীন কবিতাৰ সমষ্টি **ৰঞ্জনেই** (১৯২৭) প্ৰমাণ কৰে। কাব্যবিশাৰদো অহং, আমি ভকত আদি ব্যঙ্গ কবিতাৰ দ্বাৰা তেওঁ হাস্যৰস ৰচনাত কৃতিত্ব অৰ্জন কৰিছিল। আৰাহনত তেওঁৰ **কামৰূপ-জিয়াৰী** (নৱম-দশম বছৰ) আৰু **বিদ্যুৎ-বিকাশ** (দশম-একাদশ বছৰ) নামৰ দুখন কাব্য ছোৱা-ছোৱাকৈ প্ৰকাশ হৈছে। কামৰূপ জীয়াৰী আৰু বিদ্যুৎ-বিকাশ কাব্যৰ প্ৰথমখনিত বেউলা-লখিন্দাৰৰ কাহিনী বৰ্ণিত হৈছে ; আৰু দ্বিতীয় খনিত দধীচিৰ অস্থিৰ দ্বাৰা নিৰ্ম্মিত অস্ত্ৰেৰে বৃত্ৰাসুৰৰ নিধনৰ কাহিনী আছে। কাব্যৰ ভাষা প্ৰাঞ্জল। ছন্দৰ আহি গিৰীশচন্দ্ৰ ঘোষৰ ভঙ্গ-অমিত্ৰাক্ষৰ। তেওঁ **মেঘনাদ বধ** (১৯০৪), **ভাগ্য পৰীক্ষা** (১৯১৫), **তিলোত্তমা-সম্ভৱ,** (১৯২৬) **ৰাজৰ্ষি** (১৯৩৭) আদি নাটক ৰচনা কৰে। তেওঁৰ অসমীয়া ফকৰা আৰু যোজনা বিষয়ক পুথি **ৰত্নকোষ** দুই খণ্ডৰ প্ৰথম খণ্ড—খণ্ডবাক্য ১৯৬১ চনত প্ৰকাশিত হৈছে। তেওঁ **নতুন পাঠ** নামৰ পঢ়াশলীয়া পাঠ্যপুথি প্ৰণয়ন কৰে। তেওঁ **মুক্তাৱলী** (সংস্কৃত শ্লোকৰ ভাঙনি, ১৯৫৭) নামৰ এখন কবিতা পুথি প্ৰকাশ কৰে।

হিতেশ্বৰ বৰবৰুৱা (১৮৭৬-১৯৩৯ খ্ৰীঃ)—চিকৌ গগৈ বৰবৰুৱাৰ পুত্ৰ হিতেশ্বৰ বৰবৰুৱাই ১৭৯ শকৰ ২৮ পুহত যোৰহাটৰ সৰুচৰাই গাৱঁত জন্মগ্ৰহণ কৰে। তেওঁ যোৰহাট চৰকাৰী উচ্চ ইংৰাজী বিদ্যালয়ৰ ওপৰ শ্ৰেণীৰপৰাই স্কুল এৰি চাহ বাগিচাৰ কেৰেণী কামত সোমায়।

কবি স্বৰূপে হিতেশ্বৰ বৰবৰুৱাৰ খ্যাতি আছে। তেওঁ ইংৰাজী সাহিত্যৰ

অনুকৰণত কাব্য আৰু চতুৰ্দ্দশ-পদী কবিতা ৰচনা কৰে। তেওঁৰ খণ্ডকাব্য **ঢোপাকলি** (১৯০২), **কমতাপুৰ ধ্বংস কাব্য আৰু বিৰহিণী বিলাপ** (১৯১২), **তিৰুতাৰ আত্মদান কাব্য** (১৯১৩), **আভাস কাব্য** (১৯১৪), **যুদ্ধক্ষেত্ৰত আহোম ৰমণী কাব্য** (১৯১৫), **অঙ্গিলা** আৰু **ডেচডিমোনা কাব্য** (১৯১৭), চতুৰ্দ্দশ পদী কবিতা **মালচ** (১৯১৮) আৰু **চকুলো** (১৯২২) পুথিয়ে কবিত্ব শক্তিৰ চিনাকি দিয়ে। যুদ্ধক্ষেত্ৰত আহোম ৰমণী কাব্যখন তেওঁৰ শ্ৰেষ্ঠ ৰচনা বুলিব পাৰি। জাতীয় ভাব আৰু করুণ ৰস তেওঁৰ কাব্যৰ মূল অনুপ্ৰেৰণা। তেওঁৰ কাব্যত ঘৰুৱা শব্দৰ ব্যৱহাৰ অধিক দেখা যায়। ভাবঘন চতুৰ্দ্দশপদী কবিতা (ছনেট) আৰু বিৱৰণমূলক কাব্যৰচক স্বৰূপে অসমীয়া সাহিত্যত তেওঁৰ স্বকীয়া আসন আছে। ডেচডিমোনা কাব্যৰ পৰা তেওঁ বৈদেহীৰ নিৰ্ব্বাসন আৰু আজলি নামৰ দুখন কাব্য লিখা বুলি বুজিব পাৰি। তেওঁৰ আন ৰচনা হৈছে **মালিতা** (১৯১৪) নামৰ বুৰঞ্জীমূলক উপন্যাস আৰু অপ্ৰকাশিত বুৰঞ্জী **আহোমৰ দিন** (১৯২৪)।

শ্ৰীৰঘুনাথ চৌধাৰী (জন্ম ১৮৭৯ খ্ৰীঃ)—ভোলানাথ চৌধাৰীৰ পুত্ৰ ৰঘুনাথ চৌধাৰী ১৮০১ শকৰ মাঘত কামৰূপৰ বাঁহজানী মৌজাৰ নাওপাৰা গাওঁত জন্ম হয়। নিচেই কেচুৱাতে ঘৰৰ পিৰালিৰপৰা পৰি তেওঁৰ ভৰি নিশকতীয়া হয়। তেওঁ গুৱাহাটীৰ ছাত্ৰবৃত্তি স্কুলত আৰু গুৱাহাটীৰ উচ্চ ইংৰাজী স্কুলত কিছুকাল পঢ়ে। ঘৰতে সংস্কৃত পঢ়ে; তেওঁ চিৰজীৱন অবিবাহিত। তেওঁ কিছুকাল (১৮৯৯-১৯০৩) গুৱাহাটীৰ বালিকা স্কুলৰ শিক্ষক আৰু পাচত প্ৰথম মহাসমৰলৈকে ৰোমান কেথলিক বালিকা স্কুলত কাম কৰে।

গুৱাহাটীৰ পৰা জোনাকী (১৯০১ চন) ওলোৱা কালত ৰঘুনাথ চৌধাৰীয়ে ইয়াত কবিতা লেখিবলৈ ধৰে। তেওঁৰ 'গোৱাহে এবাৰ মোৰ প্ৰিয় বিহঙ্গিনী' কবিতাটি অপূৰ্ব্ব সৃষ্টি। তেওঁৰ **সাদৰী** (১৯১০) কবিতা পুথিৰ কবিতাসমূহে মৌলিক প্ৰতিভাৰ চিনাকি দিয়ে। ১৯২৩ খ্ৰীঃত প্ৰকাশিত **কেতেকী** নামৰ কবিতা পুথিয়ে তেওঁৰ কবিত্ব প্ৰতিভাৰ চিনাকি দিয়ে। ইয়াৰ পাচত তেওঁৰ অমিত্ৰাক্ষৰ ছন্দৰ **কাৰবালা** বা মহৰম কাব্য (১৮৪৫ শকত) প্ৰকাশিত হয়। তেওঁৰ **দহিকতৰা** (১৯৩১) নামৰ আন এখন কবিতাৰ পুথি প্ৰকাশ হয়। তেওঁৰ **নৱমল্লিকা** (১৯৫৮) গদ্য-কবিতাৰ পুথি। তেওঁক বিহগী কবিও বোলা হয়। তেওঁৰ চৰাইৰ কবিতা কেইটা স্বৰূপতে অসমীয়া সাহিত্যলৈ অভিনৱ দান বুলিব পাৰি। কবিয়ে যে প্ৰকৃতিক ভাল পায় এই কথা তেওঁৰ কবিতাৰ পৰাই

বুজিব পাৰি। তেওঁ **মইনা** (শিশু আলোচনী), **জয়ন্তী** (১৯৩৬-৩৮) আৰু **সুৰভি** (১৯৪০, ৪২-৪৪) আলোচনীৰ সম্পাদক আছিল। তেওঁ গুৱাহাটীৰ পৰা দ্বিতীয়বাৰ ওলোৱা **জোনাকী** কাকতৰ সহকাৰী সম্পাদক আছিল।

দুর্গেশ্বৰ শৰ্ম্মা (১৮৮৫-১৯৬১ খ্ৰীঃ)—কমলেশ্বৰ শৰ্ম্মাৰ পুত্ৰ দুৰ্গেশ্বৰ শৰ্ম্মা যোৰহাটৰ পটীয়াগাৱঁত জন্ম হয়। ১৮৯৯ খ্ৰীঃত যোৰহাটৰ উচ্চ ইংৰাজী বিদ্যালয়ৰ পৰা প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ ১৯০১ চনত কোচবেহাৰৰ পৰা এফ-এ পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯০৩ চনত বি-এ মহলাত উঠে। পিচত ১৯০৬ চনত কলিকতাৰপৰা আইন পৰীক্ষাত উত্তীৰ্ণ হৈ ওকালতি আৰম্ভ কৰে। তেওঁ ১৯১১ চনত মুন্সিফ কামত সোমায় আৰু ক্ৰমাৎ উন্নতি কৰি ডিবেক্তৰ অব্ লেণ্ড্ ৰেকৰ্ডচ হয়। তেওঁ ১৯৪০ চনত অৱসৰ লয়। তেওঁ ১৯৪০ চনত গৌৰীপুৰ ষ্টেট আৰু ১৯৪৪ চনত বিজনী ষ্টেটৰ দেৱান হয়।

তেওঁৰ প্ৰথম কবিতা (**নৱাকাল**) কলিকতাৰ জোনাকীত প্ৰকাশ হয়। ১৯১০ চনত প্ৰকাশিত **অঞ্জলি** আৰু ১৯১৫ চনত প্ৰকাশিত **নিবেদন** কবিতা পুথিয়ে তেওঁৰ কবিত্ব-শক্তি আৰু দাৰ্শনিক চিন্তাধাৰাৰ চিনাকি দিয়ে। তেওঁৰ ছন্দৰ গতি নিমজ আৰু ভাষা ঘৰুৱা। তেওঁ **পাৰ্থ পৰাজয়** (১৯০৯), **চন্দ্ৰাৱলী** (১৯১০), আৰু **বালীবধ** (১৯১১) নামৰ তিনিখন অমিত্ৰাক্ষৰ ছন্দৰ নাটক ৰচনা কৰিছে।

যতীন্দ্ৰ নাথ দুৱৰা (১৮৯২-১৯৬৪ খ্ৰীঃ)—শ্যামসুন্দৰ দুৱৰাৰ পুত্ৰ যতীন্দ্ৰনাথ দুৱৰা ১৮৯২ চনৰ মাৰ্চমাহত শিৱসাগৰত জন্ম হয়। তেওঁ শিৱসাগৰৰ উচ্চ ইংৰাজী বিদ্যালয়ৰপৰা প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ কলিকতালৈ যায় আৰু স্কটিছ চাৰ্চ্চ কলেজৰপৰা ১৯১৩ চনত বি-এ মহলাত উঠে। তেওঁ পোনতে ডিব্ৰুগড়ৰ জৰ্জ্জ ইনষ্টিটিউচনত (১৯১৮-২১), তাৰ পাচত কলিকতাৰ স্কটিছ চাৰ্চ্চ কলেজিয়েট স্কুলত (১৯২১-৪৭) আৰু এই সময়তে (১৯৩৭-৪৭) কলিকতা বিশ্ববিদ্যালয়ৰ অসমীয়া এম্-এ শ্ৰেণীৰ লেকচাৰাৰ, আৰু শেহত ডিব্ৰুগড়ৰ কানৈ কলেজত (১৯৪৮-১৯৬০) অধ্যাপনা কৰি অৱসৰ লয়।

দুৱৰাই বাঁহী কাকতৰ জন্মৰ পৰাই কবিতা লিখে। তেওঁৰ ৰুবাইয়াৎ-ই-ওমৰ-খায়ামৰ **ভুৱন!** ভাঙনি **ওমৰতীৰ্থ** ১৯২৬ চনত ওলায়। তেওঁৰ **আপোন সুৰ** (১৯৩৮) আৰু **বনফুল** (১৯৫২) নামৰ কবিতা পুথিয়ে কবিত্ব প্ৰতিভাৰ চিনাকি দিছে। তেওঁৰ **মিলনৰ সুৰ** (১৯৫৯) নামৰ দীঘলীয়া কবিতাটিত চুকীতত্ব প্ৰকট হৈছে। কাৰুণ্য আৰু নিৰাশবাদ দুৱৰাৰ গীতি-কবিতাৰ খাই

বৈশিষ্ট্য। কেতিয়াবা অতীন্দ্রিয়বাদৰ স্পৰ্শও অনুভৱ কৰা যায়। বনফুলৰ কাৰণে ১৯৫২ চনত সাহিত্য একাডেমিৰ (দিল্লী) বছৰৰ শ্ৰেষ্ঠ পুথিৰ পুৰস্কাৰ (৫০০০৲) লাভ কৰে। দুৰবাক অসমীয়া শ্বেলীও বোলে। টুর্গেনিভৰ অনুকৰণত লিখা তেওঁৰ **কথা-কবিতাই** (১৯৩৩) অসমীয়া সাহিত্যত যুগান্তৰ আনে।

শ্ৰীঅম্বিকাগিৰি ৰায়-চৌধাৰী (১৮৮৫ খ্ৰীঃ)—কৃষ্ণৰাম ৰায় চৌধাৰীৰ পুত্ৰ শ্ৰীঅম্বিকাগিৰি ৰায় চৌধাৰী ১৮৮৫ খ্ৰীষ্টাব্দৰ জানুৱাৰী মাহত বৰপেটাত ওপজে। বৰপেটা প্ৰাইমাৰী স্কুলৰ পৰা বৃত্তি লাভ কৰি গুৱাহাটীৰ সোণাৰাম হাইস্কুলৰ থাৰ্ড ক্লাছলৈকে পঢ়ে। বঙ্গভঙ্গ সময়ত এনাৰ্কিষ্ট সেৱাদল গঠন কৰে। পাচত বৰপেটাত (১৯০৭-১৫) অন্তৰীণ হয়। শিক্ষকতা এৰি কাৰবাৰত লাগে অসহযোগ আন্দোলনত তেওঁ কাৰাবাস (১৯২১-২৩) ভোগ কৰে। তেওঁ অসমীয়া সংৰক্ষণী সভা (১৯২৬) আৰু অসম জাতীয় মহাসভা (১৯৩২) প্ৰতিষ্ঠা কৰে।; তেওঁ **চেতনা** আলোচনী (১৯১৯-২৬) আৰু **ডেকা-অসমৰ** (১৯৩৫) সম্পাদক আছিল। **তুমি** (১৯১৪) আৰু **বীণা** (১৯০৬) কাব্যৰ দ্বাৰা তেওঁ কবি হিচাপে প্ৰতিষ্ঠা লাভ কৰে। 'তুমি কাব্য অটল অধ্যাত্মিকতাৰ চানেকি। তেওঁৰ আন কবিতাৰ পুথি হৈছে **অনুভূতি** (১৯৫৫), **বন্দো কি ছন্দেৰে**, **স্থাপন কৰ স্থাপন কৰ** (১৯৫৮) ইত্যাদি। তেওঁৰ কবিতাৰ মৌলিকত্ব আছে কিন্তু ভাষা সিমান নিমজ নহয়। ৰাজনৈতিক জীৱনৰ প্ৰভাৱো কবিতাত পৰিছে। তেওঁৰ **আহুতি** (১৯৫৩) নামৰ এখন প্ৰবন্ধ সংগ্ৰহ ওলাইছে।

শ্ৰীনীলমণি ফুকন (১৮৮০)—লম্বোদৰ খাৰঘৰীয়া ফুকনৰ পুত্ৰ শ্ৰীনীলমণি ফুকন ডিব্ৰুগড়ত ওপজে। তেওঁ ডিব্ৰুগড়ৰ বঙলা স্কুল আৰু ছাত্ৰবৃত্তি স্কুলত পঢ়ি ১৯০০ চনত ডিব্ৰুগড় চৰকাৰী হাইস্কুলৰপৰা এণ্টেন্স পৰীক্ষাত উত্তীৰ্ণ হয়। তেওঁ ১৯০৫ চনত কটন কলেজৰপৰা এফ-এ আৰু ১৯০৭ চনত কোচবেহাৰৰ ভিক্টোৰিয়া কলেজৰপৰা বি-এ মইলাত উত্তীৰ্ণ হয়। তেওঁ পোনতে ডিব্ৰুগড়ৰ জৰ্জ্জ ইনিষ্টিটিউচনৰ হেডমাষ্টৰ (১৯১১-২৫) আছিল। তাৰ পিচত চাহ বাগিচা খোলে। তেওঁ **দৈনিক বাতৰি** (১৯৩১-৩৬) সম্পাদনা কৰিছিল। তেওঁ **ন-জোন** (১৯৩৪) আলোচনীৰ সম্পাদক আছিল। তেওঁৰ কবিতাৰ পুথি হৈছে **জ্যোতিকণা** (১৯৩৮), **মানসী** (১৯৪৩), **গুটিমালী** (১৯৫০), **জিঞ্জিৰি** (১৯৫১), **অমিত্ৰা** (১৯৫২), **সন্ধানী** (১৯৫৩), **শতধাৰা** (১৯৬২), **মৰ্ম্মবাণী** (১৯৬৩) ইত্যাদি। তেওঁৰ গদ্য ৰচনা

হৈছে **সাহিত্য-কলা** (১৯৪০), **জয়াতীৰ্থ** (১৯৪১), **চিন্তামণি** (১৯৪২), আৰু **মহাপুৰুষীয়া ধৰ্ম্ম** (১৯৫২)। বাগ্মীবৰ ফুকন একাধাৰে কবি আৰু প্ৰবন্ধলেখক। তেওঁৰ কবিতাত অতীন্দ্ৰিয়বাদৰ পৰশ পৰিছে আৰু তেওঁ ৰহস্যী কবি।

সিংহদত্ত দেৱ অধিকাৰী (১৮৮৯-১৯২৫)—মহোদত্ত অধিকাৰীৰ পুত্ৰ সিংহদত্ত দেৱ অধিকাৰী কামৰূপৰ নহিৰা সত্ৰত ১৮৮৯ খ্ৰীঃত ওপজে। তেওঁ কলেজিয়েট স্কুলৰপৰা এণ্ট্ৰেন্স মহলাত উত্তীৰ্ণ হয়। কটন কলেজত আই-এলৈকে পঢ়ে। পাচত কেৰেণী কামত সোমায়। কিন্তু ১৯২২ চনত সেই চাকৰি এৰে। গুৱাহাটীত এটা ছাপাখানা পাতি অৰ্ঘ্য নামৰ আলোচনী উলিয়ায়। ১৯২৫ চনত ২ মাৰ্চ্চত তেওঁৰ মৃত্যু হয়। তেওঁৰ কবিতা-পুথিসমূহ হৈছে **কবিতা লহৰী, বেণু** (১৯০৮) **গীতি-মালিকা** (১৯১৯) আৰু **মণি-মালা** (১৯২০)। তেওঁৰ কবিতাৰ বৰ্ণনাভঙ্গী আকৰ্ষণীয় আৰু কবিতাবোৰ সহজ-সৰল। তেওঁৰ **সাধু চৰিত** নামৰ চম্ জীৱনী পুথিখন ১৯১৫ চনত প্ৰকাশ হয়।

দণ্ডিনাথ কলিতা (১৮৯০-১৯৫৫)—মঙ্গলৰাম কলিতাৰ পুত্ৰ দণ্ডিনাথ কলিতাই ১৮৯০ খ্ৰীঃৰ ২৬ ফেব্ৰুৱাৰীত তেজপুৰত জন্মগ্ৰহণ কৰে। তেওঁ ১৮৯৯ খ্ৰীঃত প্ৰাইমেৰি পৰীক্ষাত বৃত্তি লাভ কৰি ছাত্ৰবৃত্তি পঢ়ে আৰু তাৰ পাচত ১৯১১ চনত তেজপুৰ হাইস্কুলৰপৰা প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। তেওঁ ১৯১৩ চনত আই-এ মহলাত উঠে। তেওঁ বি-এ মহলাত উত্তীৰ্ণ হব নোৱাৰিলে। তেওঁ তেজপুৰ চৰকাৰী হাইস্কুলত শিক্ষকতা কৰিছিল। ১৯৫৫ চনৰ মে মাহত তেওঁৰ মৃত্যু হয়।

কলিতা গদ্য-পদ্য উভয় ৰচনাতে সিদ্ধহস্ত। তেওঁ **ৰহঘৰা** (১৯১৬), **ৰগৰ** (১৯২২), **দীপ্তি** (১৯২৫) আৰু **বহুৰূপী** (১৯১৬) দেখুৱাগা কবিতা পুথিৰ দ্বাৰা হাস্যৰসৰ সোৱাদ দিছে। তেওঁ **অসম-সন্ধ্যা** (১৯৪৯) নামৰ এখন বুৰঞ্জীমূলক কাব্য লিখে। তেওঁ **সাধনা** (১৯২৮), **ফুল** (১৯০৮), **গণবিপ্লৱ** (১৯৪৮), **অদৃষ্ট** (১৯৪৮), **হত্যাকাৰী কোন** (১৯৪৭), **আবিষ্কাৰ** (১৯৫০) আদি উপন্যাস লিখি খ্যাতি অৰ্জ্জন কৰিছে। তেওঁ **সতীৰ তেজ** (১৯৩১), **পোহনীয়া কুকুৰ** (১৯৪৬), **পৰাচিত** (১৯৪৯), **কাচক বধ** (১৯৫০) আদি নাটক ৰচনা কৰে। তেওঁ **আত্মানন্দৰ আত্মকাহিনী** (১৯৩৫) নামৰ ব্যঙ্গাত্মক গদ্য ৰচনাও লিখিছে। তেওঁ

বীণাৰ ঝঙ্কাৰ আৰু **সংস্কৃত নাটকৰ সাধু** (১৯৫১) নামৰ পুথি ৰচনা কৰিছে।

সূৰ্য্যকুমাৰ ভূঞা (১৮৯৪-১৯৬৪ খ্ৰীঃ)—ৰবিলাল ভূঞাৰ পুত্ৰ সূৰ্য্যকুমাৰ ভূঞা ১৮৯৪ খ্ৰীঃৰ জানুৱাৰী মাহত নগাঁৱত ওপজে। তেওঁ নগাঁৱৰ মধ্য অসমীয়া স্কুলত পঢ়ে। পাচত ১৯০৯ চনত শ্বিলং চৰকাৰী হাইস্কুলৰ পৰা এণ্ট্ৰেন্স, ১৯১১ চনত কটন কলেজৰপৰা আই-এ আৰু ১৯১৩ কলিকতাৰ প্ৰেচিডেন্সি কলেজৰ পৰা বি-এ, ১৯১৬ চনত এম-এ আৰু ১৯২৪ চনত বি-এল মহলাত উঠে। তেওঁ পোনতে কটন কলেজৰ ইংৰাজীৰ অধ্যাপক, পাচত যথাক্ৰমে বিশেষ বিষয়া, স্কুল ইন্স্‌পেক্টৰ, কটন কলেজৰ অধ্যক্ষ আৰু শিক্ষাধিকাৰ হৈ অৱসৰ গ্ৰহণ কৰে। তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূতপূৰ্ব্ব উপাচাৰ্য্য। তেওঁ বুৰঞ্জী আৰু পুৰাতত্ব বিভাগৰ অনাৰেৰি ডাইৰেক্টৰ আছিল। তেওঁ ১৯৩৮ চনত লণ্ডন বিশ্ববিদ্যালয়ৰ পি-এইচ-ডি আৰু ১৯৫১ চনত ডি-লিট উপাধি পায়।

১৯১৮ চনত তেওঁৰ **নিৰ্ম্মালি** নামৰ কবিতাৰ সংগ্ৰহ প্ৰকাশ হয়। তেওঁ শ্ৰীভানুনন্দন নামেৰে পুৰণি পদৰ আৰ্হিত **জয়মতী উপাখ্যান** (১৯২০ খ্ৰীঃ) পদ-পুথি ৰচনা কৰে। তেওঁৰ আন ৰচনা হৈছে **পঞ্চমী** (১৯২৭), **চানেকী**, **জোনাকী**, **আনন্দৰাম বৰুৱাৰ জীৱনী** (১৯২০), **ৰবীন্দ্ৰনাথ ঠাকুৰ** (১৯২০), **আহোমৰ দিন** (১৯১৮), **ৰমণী গাভৰু** (১৯৫১), **বুৰঞ্জীৰ বাণী** (১৯৫১), **কোঁৱৰ বিদ্ৰোহ** (১৯৪৮), **অসম-জীয়াৰী** (১৯৩৫), **মীৰজুমলাৰ অসম আক্ৰমণ** (১৯৫৬) আদি পুথি ওলায়। তেওঁ **বৰফুকনৰ গীত** (১৯২৪) সংগ্ৰহ আৰু সম্পাদনা কৰে। তেওঁৰ সম্পাদনাত ওলোৱা **বুৰঞ্জীসমূহ** হৈছে অসম-বুৰঞ্জী, কামৰূপৰ বুৰঞ্জী, দেওধাই অসম বুৰঞ্জী, তুংখুঙ্গীয়া বুৰঞ্জী, অসমৰ পদ্য বুৰঞ্জী, পাদশ্বাহ বুৰঞ্জী, কছাৰী বুৰঞ্জী, জয়ন্তীয়া বুৰঞ্জী, ত্ৰিপুৰা বুৰঞ্জী, অসম বুৰঞ্জী ইত্যাদি। তেওঁ **হৰিহৰ আতাৰ** (১৯৬০) এখন ৰসাল আৰু প্ৰাঞ্জল জীৱনী লিখিছে। তেওঁ ইংৰাজীত কেইবাখনো পুথি লিখিছে।

বস্তুকান্ত বৰকাকতী (১৮৯৭-১৯৬৩ খ্ৰীঃ)—ভূধৰ বৰকাকতীৰ পুত্ৰ বস্তুকান্ত বৰকাকতী ১৮৯৭ খ্ৰীঃৰ ২০ জুনত নগাঁৱৰ খিৰুত ওপজে। ধিং প্ৰাইমেৰি স্কুলত পঢ়া সাং কৰি নগাঁও চৰকাৰী হাইস্কুলত নাম লগায় আৰু তাৰপৰা ১৯১৫ চনত প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। তেওঁ ঘৰুৱা অসুবিধাৰ কাৰণে ১৯১৭ চনত কলেজ এৰিব লগা হয়। ১৯২০ চনত কলিকতাত পঢ়িবলৈ যায়, কিন্তু অসহযোগ আন্দোলনত কলেজ এৰে। তেওঁ মৌজাদাৰ আছিল।

তেওঁ **আলাপ** (১৯১৯), **শেৱালি** (১৯৩২), **তৰ্পণ** (১৯৫৩) আৰু চন্দ্ৰহাৰ (১৯৬৩) নামৰ কবিতাৰ পুথি ৰচনা কৰে। তেওঁৰ আন ৰচনা হৈছে **মহাত্মা গান্ধীৰ স্বৰাজ ভাওনি** (১৯২৩), **অলকা** (নাটক, ১৯৬০), ইত্যাদি। তেওঁৰ কবিতাৰ ওপৰত ৰবীন্দ্ৰনাথ ঠাকুৰৰ প্ৰভাৱ পৰিছে। তেওঁৰ কবিতাত পাৰ্থিব প্ৰেম থাকিলেও অতীন্দ্ৰিয়বাদৰ স্পৰ্শ আছে। তেওঁৰ কবিতাৰ বৈশিষ্ট্য হৈছে ধ্বনি-প্ৰধান ভাষা আৰু বিবিধ ছন্দৰ ব্যৱহাৰ।

শ্ৰীনলিনী বালা দেৱী (১৮৯৭ খ্ৰীঃ)—কৰ্ম্মবীৰ নবীনচন্দ্ৰ বৰদলৈৰ জীয়েক শ্ৰীনলিনীবালা দেৱী ১৮৯৭ খ্ৰীঃৰ মাৰ্চ্চ মাহত বৰপেটাত ওপজে। তেওঁ সৰুকালত ঘৰতে গোপালকৃষ্ণ দেৱৰ অধীনত শিক্ষা লাভ কৰে। ১৯০৯ চনত তেওঁৰ বিয়া হয়। ১৯১৮ চনত স্বামী বিয়োগ হোৱাৰ পাচৰ পৰা তেওঁ সাহিত্য-চৰ্চ্চাত বিশেষ মন দিয়ে। তেওঁ **সন্ধিয়াৰ সুৰ** (১৯৩৪), **সপোনৰ সুৰ** (১৯৪৩), **পৰশমণি** (১৯৫৪) আৰু **যুগদেৱতা** (১৯৫৭) কবিতাৰ পুথি ৰচনা কৰে। তেওঁ **স্মৃতি-তীৰ্থ** (১৯৪৮) নামৰ কৰ্ম্মবীৰ বৰদলৈৰ এখন জীৱনীও লিখিছে। তেওঁৰ কবিতাত আধ্যাত্মিকতা আৰু অতীন্দ্ৰিয়বাদ বা ৰহস্যবাদৰ স্পৰ্শ অতি উজ্জ্বল। অসীমক উপলব্ধি কৰাৰ স্পৃহা তেওঁৰ প্ৰায় কবিতাতে দেখা যায়। তেওঁৰ কবিতাত জন্মান্তৰবাদ আৰু কৰ্ম্মফলবাদৰ ইংগিত পোৱা যায়।

কাব্য ভাৰতী ধৰ্ম্মেশ্বৰী দেৱী বৰুৱানী (১৮৯২-১৯৫৯)—ঘনেশ্বৰ দেৱশৰ্ম্মাৰ জীয়েক ধৰ্ম্মেশ্বৰী দেৱী বৰুৱানী ১৮৯২ খ্ৰীঃত গুৱাহাটীৰ পকবটীত ওপজে। তেওঁ ঘৰতে শিক্ষা লাভ কৰে। তেওঁৰ ১২ বছৰত বিয়া হয়। একৈশ বছৰত বাত বেমাৰত আক্ৰান্ত হোৱাত কাব্য জীৱন আৰম্ভ হয়। ফুলৰ শৰাই (১৯২৮) আৰু প্ৰাণৰ পৰশ (১৯৫২) নামৰ দুখন কবিতাৰ পুথিয়েই তেওঁৰ বৰঙণি।

তেওঁ জীৱনৰ সকলো দুখকষ্ট ভগবানৰ দান বুলি গ্ৰহণ কৰিছে আৰু সেই মঙ্গলময়ৰ ওচৰতে তেওঁ আত্মসমৰ্পণ কৰিছে। ভগৱানৰ লগতে মিলনৰ প্ৰতীক্ষাত তেওঁ সজাগ হৈ আছে।

শ্ৰীশৈলধৰ ৰাজখোৱা (১৮৯২ খ্ৰীঃ)—চন্দ্ৰধৰ ৰাজখোৱাৰ পুত্ৰ শ্ৰীশৈলধৰ ৰাজখোৱা ১৮৯২ খ্ৰীষ্টাব্দৰ ডিচেম্বৰত ডিব্ৰুগড়ত জন্ম হয়। তেওঁ ১৯০৯ চনত ডিব্ৰুগড় চৰকাৰী হাইস্কুলৰপৰা এণ্ট্ৰেন্স আৰু ১৯১৪ চনত কটন কলেজৰ পৰা বি-এ মহলাত উঠে। তেওঁ চব ডেপুটী কলেক্টৰ (১৯১৯) কামত সোমাই

উন্নীত হৈ শেহত মুন্সীফ হৈ কামৰপৰা অৱসৰ (১৯৪৭) লয়। তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ কোষাধ্যক্ষ আছিল।

তেওঁ **নিজৰা** (১৯৩৫) কবিতা পুথিৰ দ্বাৰা কবি স্বৰূপে খ্যাতি লাভ কৰে। তেওঁৰ কবিতাৰ ছন্দৰ গতি নিমজ আৰু ভাব আবেগময়ী। তেওঁ **বিদ্যাৰতী** (১৯১৮), **স্বৰ্গদেও প্ৰতাপসিংহ** (১৯৫৩) আদি কেবাখনো নাটক ৰচনা কৰে।

শ্ৰীপদ্মধৰ চলিহা (১৮৯৫ খ্ৰীঃ)—ৰায় বাহাদুৰ ফণীধৰ চলিহাৰ পুত্ৰ শ্ৰীপদ্মধৰ চলিহা শিৱসাগৰত ওপজে। তেওঁ ১৯০৮ চনত এণ্ট্ৰেন্স, ১৯১০ চনত আই-এ, ১৯১২ চনত বি-এ, ১৯১৬ চনত এম-এ আৰু ১৮২০ চনত বি-এল মহলাত উঠে। প্ৰথমে ওকালতি আৰম্ভ কৰে, কিছুকাল (১৯৪৫-৪৬) মুন্সিফ কাম কৰে আৰু পাচত শিৱসাগৰ কলেজৰ অধ্যক্ষ হয়। তেওঁ অসমীয়া কাকতৰ সম্পাদক (১৯৩১-৩৪) আছিল। তেওঁ অৰ্ঘ্য আলোচনীৰ বুটীয়া সম্পাদক (১৯২৫-২৭) আৰু বাঁহীৰ সহকাৰী সম্পাদক (১৯৩২-৩৪) আছিল। তেওঁ ১৯২১ চন আৰু ১৯৪২ চনৰ জাতীয় আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে।

গীতিকাৰ শ্ৰীচলিহাই দেশপ্ৰেমমূলক গীত ৰচনা কৰি জাতীয় আন্দোলন প্ৰচাৰ কৰে। তেওঁৰ গীতে বঙলা গানৰ প্ৰভাৱ দূৰ কৰে। তেওঁ **ফুলনি** (১৯১৫), **স্বৰাজ সঙ্গীত** (১৯২১) আৰু **গীতি-লহৰী** (১৯২৩) নামৰ গীতৰ পুথি আৰু **শৰাই** (১৯২৮) আৰু **ৰংপুৰে কথা কয়** (১৯৫৬) নামৰ কবিতাৰ পুথি ৰচনা কৰে। তেওঁ **অমৰ-লীলা** (১৯১৯), **নিমন্ত্ৰণ** (১৯১৭) আৰু **কেনে মজা** (১৯২০) নামৰ নাটক ৰচনা কৰে। তেওঁ জীৱন বীণৰ সুৰ নামৰ এখন আত্মজীৱনী (১৯৬৩) লিখিছে। তেওঁৰ আন ৰচনা হৈছে **মহাবীৰ লাচিত বৰফুকন** (১৯৫৫), **অসমীয়া সাহিত্য** আৰু **ৰংপুৰৰ বৰঙণি** (১৯৫৬) আদি পুথি। তেওঁৰ গীত আৰু কবিতাই স্বদেশপ্ৰেম আৰু কবিত্ব প্ৰতিভাৰ চিনাকি দিয়ে।

শ্ৰীদৈৱচন্দ্ৰ তালুকদাৰ (১৯০০)—শ্ৰীদৈৱচন্দ্ৰ তালুকদাৰ গুৱাহাটীত জন্মগ্ৰহণ কৰে। তেওঁ ১৯১৯ চনত প্ৰৱেশিকা, ১৯২১ চনত আই-এছ-চি মহলাত উঠে। তেওঁ ডিগ্ৰী মহলালৈকে পঢ়ে। তেওঁ গুৱাহাটীৰ উপায়ুক্তৰ অফিচত কেৰেণী কাম কৰি শেহত অৱসৰ (১৯২৫-১৯৫৬) লয়।

তেওঁ কবিতা, নাটক, উপন্যাস আৰু প্ৰবন্ধ ৰচনা কৰিছে। তেওঁ **প্ৰেমপট** (১৯২২), **কুঁহিমলা** (১৯২৩) আৰু **সৌন্দৰ্য্য** (১৯৩০) নামৰ খণ্ড

কবিতাৰ পুথি ৰচনা কৰিছে। তেওঁ **অসম প্ৰতিভা** (১৯২৩), **বামুণী কোঁৱৰ** (১৯২৪), **ভাস্কৰ বৰ্ম্মা** (১৯৩৫), **লহওা** (১৯৩৫) আদি নাটক আৰু **অপূৰ্ণ, আগ্নেয়গিৰি** (১৯২৪), **ধুৰঁলী-কুৰঁলী** (১৯২২), **বিদ্ৰোহী** (১৯৩৯) দুনীয়া (১৯৬১), আদি উপন্যাস ৰচনা কৰে।

শ্ৰীডিম্বেশ্বৰ নেওগ (১৯০০)—মাণিকচন্দ্ৰ নেওগৰ পুত্ৰ শ্ৰীডিম্বেশ্বৰ নেওগ শিৱসাগৰত ওপজে। তেওঁ শিৱসাগৰৰ চৰকাৰী হাইস্কুলৰপৰা ১৯১৯ চনত প্ৰবেশিকা, কটন কলেজৰপৰা ১৯২১ চনত আই-এছ-চি আৰু ১৯২৪ চনত বি-এছ-চি, ১৯৩৬ চনত বি-টি আৰু ১৯৪০ চনত এম-এ মহলাত উঠে। তেওঁ অসম শিক্ষা বিভাগৰ চাকৰিত সোমাই অৱসৰ (১৯২৬-৫৬) লয়। তেওঁ জন্মভূমি, মিলন আৰু অসম সাহিত্য সভা পত্ৰিকাৰ সম্পাদক আছিল।

তেওঁ **মালিকা** (১৯২১), **থুপিতৰা** (১৯২৫), **মালতী** (১৯২৭), **ইন্দ্ৰধনু** (১৯৩০), **মুকুতা** (১৯৩১), **শহীদে কাৰবালা** (১৯৪১), **বিচিত্ৰা** আৰু **থাপনা** (১৯৪৮) কবিতা পুথি ৰচনা কৰে। তেওঁৰ সংগ্ৰহ পুথি হৈছে **আকুল পথিক** (১৯২২), **ভোগজৰা** (১৯২৮) আৰু **কাব্য প্ৰতিভা** (১৯৩৫)। তেওঁ **কামৰূপ** নামৰ এখন নাটক ৰচনা কৰে। **আধুনিক অসমীয়া সাহিত্যৰ বুৰঞ্জী** (১৯৩৭), **অসমীয়া সাহিত্যৰ বুৰঞ্জীত ভুমুকি** (১৯৪১), **অসমীয়া সাহিত্যৰ বুৰঞ্জী** (১৯৪৮), **অসমীয়া সাহিত্যৰ বুৰঞ্জী** (১৯৫৭) আদি পুথিৰ দ্বাৰা তেওঁ সাহিত্যৰ বুৰঞ্জী প্ৰণালীবদ্ধভাৱে লিখে। **অসমীয়া সাহিত্যৰ জিলিঙনি** (১৯৩৯), **বৈষ্ণৱ ধৰ্ম্মৰ আঁতিগুৰি** (১৯৭০), **প্ৰাক্ ঐতিহাসিক অসম** (১৯৪৯) আদি পুথিত তেওঁৰ সমালোচনামূলক দৃষ্টিভঙ্গী দেখা যায়।

শ্ৰীপ্ৰসন্নলাল চৌধুৰী (১৯০২)—শ্ৰীপ্ৰসন্নলাল চৌধুৰী ১৯০২ খ্ৰীঃৰ ৩ জানুৱাৰীত পলাশবাৰীত ওপজে। তেওঁ ১৯১৯ চনত যোৰহাট বেজবৰুৱা হাইস্কুলৰপৰা প্ৰৱেশিকা মহলাত আৰু ১৯২৪ চনত বি-এ মহলাত উত্তীৰ্ণ হয়। তেওঁ বৰপেটা বিদ্যাপীঠৰ হেড মাষ্টৰ।

শ্ৰীচৌধুৰী অসমীয়া সাহিত্যত নজৰুল ইচলাম। তেওঁৰ **'অগ্নিমন্ত্ৰ'** (১৯৫২) কবিতা পুথিৰ উপৰিও বিভিন্ন আলোচনীত ভালেমান কবিতা সিচৰতি হৈ আছে। তেওঁ পদদলিত জনগণৰ মুক্তিৰ গান গাইছে, আৰু নতুন জগত নিৰ্ম্মাণৰ স্বপ্ন দেখিছে। একালে বিপ্লৱৰ দীপশিখা আৰু আনকালে বলিষ্ঠ

ভাষা আৰু ছন্দৰ উদ্দাম গতি তেওঁৰ কবিতাৰ বৈশিষ্ট্য। **নীলাম্বৰ** (১৯৩৩) নামৰ বুৰঞ্জীমূলক নাটকখনিত তেওঁ সফলতা লাভ কৰিছে।

শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা (১৯০৫)—গোলাপচন্দ্ৰ বৰুৱাৰ পুত্ৰ শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা টীয়কত ওপজে। তেওঁ যোৰহাট চৰকাৰী হাইস্কুলৰপৰা ১৯২৩ চনত প্ৰবেশিকা আৰু কটন কলেজৰপৰা ১৯২৫ চনত বি. এ. মহলাত উঠে। তেওঁ বৰ্ত্তমান জাজী হাইস্কুলৰ প্ৰধান শিক্ষক।

তেওঁ মিলন কাকতৰ সম্পাদক আছিল। তেওঁ কেবপাই শৰ্ম্মা ছদ্মনামত নানা খুহুটীয়া প্ৰবন্ধ লেখিছে। বুৰঞ্জী বা কিম্বদন্তিৰ ওপৰত ভেটি কৰি লিখা তেওঁৰ কবিতাসমূহ দেশপ্ৰেমমূলক আৰু তেজোদ্দীপক। তেওঁৰ **শঙ্খধ্বনি** (১৯২৫) আৰু **প্ৰতিধ্বনি** (১৯৪০) উল্লেখযোগ্য কবিতাৰ পুথি। তেওঁ **মহাৰাজ নৰনাৰায়ণ** (১৯২৬) আৰু **লৰাৰ বেজবৰুৱা** নামৰ দুখন জীৱনী ৰচনা কৰে। **ৰাজস্থানৰ গল্প** এখন ভাঙনি পুথি। তেওঁ **পাৰ্থ সাৰথি** (১৯৩৩) আৰু **শৰাইঘাট** নামৰ দুখন গহীন নাটক, আৰু **বেঙনা-ৰহস্য** আৰু **টি-টি-হেই** (১৯৩৬) নামৰ দুখন ধেমেলীয়া নাটক ৰচনা কৰিছে।

গণেশচন্দ্ৰ গগৈ (১৯০৭-১৯৩৮)—কনকচন্দ্ৰ গগৈৰ পুত্ৰ গণেশচন্দ্ৰ গগৈ ১৯০৭ চনৰ ডিচেম্বৰত ওপজে। তেওঁ যোৰহাট চৰকাৰী হাইস্কুলৰপৰা ১৯২৬ চনত প্ৰবেশিকা মহলাত উঠি কাশী হিন্দু বিশ্ববিদ্যালয়ত পঢ়েগৈ। তেওঁ ১৯২৮ চনত পৰীক্ষা নিদিয়াকৈ ঘৰলৈ উলটি আহে। ১৯৩০ চনত তেওঁ কাৰবাৰত লাগে। ১৯৩৮ চনৰ ২১ আগষ্টত তেওঁ ঢুকায়।

গণেশচন্দ্ৰ গগৈ প্ৰেমৰ কবি। ক্ষয়িষ্ণু ভাবধাৰাৰ মাজেদি তেওঁৰ দৰদী অন্তৰখন প্ৰকাশ পাইছে। আবেগপ্ৰৱণতা, সৌন্দৰ্য্যতৃষ্ণা, অন্তৰ স্পৰ্শকৰা তীব্ৰ অনুভূতি, শব্দবিন্যাস আদি তেওঁৰ কবিতাৰ বৈশিষ্ট্য। তেওঁৰ কবিতাৰ পুথি হৈছে **পাপৰি** (১৯৩৫), **স্বপ্নভঙ্গ** (১৯৫৫), আৰু **ৰূপজ্যোতি** (১৯৪৫)। তেওঁৰ নাটকসমূহ হৈছে **কাশ্মীৰ কুমাৰী** (১৯৩৯), **শকুনিৰ প্ৰতিশোধ** আৰু **লাচিত বৰফুকন** (১৯৪৮)।

শ্ৰীআনন্দচন্দ্ৰ বৰুৱা (১৯০৭)—প্ৰেমধৰ বৰুৱাৰ পুত্ৰ শ্ৰীআনন্দচন্দ্ৰ বৰুৱা মৰাণত ওপজে। তেওঁ যোৰহাট চৰকাৰী হাইস্কুলৰপৰা ১৯২৬ চনত প্ৰবেশিকা মহলাত উঠি কাশী বিশ্ববিদ্যালয়ত পঢ়েগৈ। আই-এ মহলাত উত্তীৰ্ণ নোহোৱাকৈ ঘৰলৈ উভতি আহে। তেওঁ বৰ্ত্তমান এখন চৰকাৰী শিল্প-প্ৰতিষ্ঠানৰ চাকৰিয়াল। তেওঁৰ কবিতাপুথি হৈছে **পৰাগ, পুষ্পক** আৰু **বহ্নিৰশ্মি**।

যতীন্দ্রনাথ দুৱৰাৰ ওমৰৰ ভাঙনিৰ পাচতে শ্ৰীবৰুৱাৰ **হাফিজৰ সুৰ** পুথিখনেও জনপ্ৰিয়তা অৰ্জ্জন কৰিছে। তেওঁৰ কবিতাৰ আবেগ আৰু অনুভূতি তীব্ৰ। **কপৌ-কুঁৱৰী** (১৯৩২) এখন শিশু-নাটিকা। তেওঁ **বিজয়া, বিসৰ্জ্জন, নল-দময়ন্তী** (১৯৪৪), **কমতা-কুঁৱৰী** (১৯৪০); আদি কেইবাখনো নাটক ৰচনা কৰিছে। তেওঁৰ **এচিয়াৰ জ্যোতি** (১৯৬০) এখন সুন্দৰ ভাঙনি পুথি।

শ্ৰীদেৱকান্ত বৰুৱা (১৯১৪)—নীলকান্ত বৰুৱাৰ পুত্ৰ শ্ৰীদেৱকান্ত বৰুৱা ডিব্ৰুগড়ত ওপজে। তেওঁ ১৯৩১ চনত নগাওঁ হাইস্কুলৰপৰা প্ৰবেশিকা, কাশী হিন্দু বিশ্ববিদ্যালয়ৰপৰা ১৯৩৩ চনত আই-এ, ১৯৩৫ চনত বি-এ আৰু ১৯৩৭ চনত এল-এল-বি পৰীক্ষাত উত্তীৰ্ণ হয়। তেওঁ আইন অমান্য আন্দোলনত কাৰাবাস ভোগ কৰিব লগা হয়। শ্ৰীদেৱকান্ত বৰুৱাই ৰবাৰ্ট ব্ৰাউনিঙৰ অনুকৰণত কিছুমান নাটকীয় স্বগতোক্তিৰ কবিতা ৰচনা কৰে। এওঁৰ **'সাগৰ দেখিছা'** (১৯৪৫) এনে ধৰণৰ কবিতাৰ সংগ্ৰহ। চতুৰ্থ দশকৰ কবি বৰুৱাই কবিতাত প্ৰেমক নতুন তাৎপৰ্য্য আৰোপ কৰিছে। তেওঁ নিয়তীৰ জয় আৰু পুৰুষৰ শক্তি-সামৰ্থ্যৰ গান গাইছে।

শ্ৰীহেম বৰুৱা (১৯১৫)—বিনন্দচন্দ্ৰ বৰুৱাৰ পুত্ৰ শ্ৰীহেমকান্ত বৰুৱা তেজপুৰত ১৯১৫ চনৰ এপ্ৰেল মাহত ওপজে। তেওঁ ১৯৩১ চনত তেজপুৰ চৰকাৰী হাইস্কুলৰপৰা প্ৰবেশিকা, ১৯৩৪ চনত কটন কলেজৰপৰা আই-এ আৰু ১৯৩৬ চনত বি-এ, আৰু ১৯৩৮ চনত এম-এ মহলাত উঠে। তেওঁ পোনতে (১৯৪০-৪১) যোৰহাট কলেজৰ অধ্যাপক আৰু পাচত ১৯৪৪ চনৰ পৰা গুৱাহাটীৰ ভোলা বৰুৱা কলেজৰ অধ্যক্ষ হয়।

শ্ৰীবৰুৱা সাম্প্ৰতিক কবিসকলৰ পথপ্ৰদৰ্শক বুলিব পাৰি : আৰু তেৱেঁই এই কবিতাৰ ভেটি দৃঢ় কৰে। তেওঁৰ **বালিচন্দা** (১৯৬০) নামৰ কবিতা পুথিৰ উপৰিও বিভিন্ন আলোচনীত তেওঁৰ কবিতা আৰু প্ৰবন্ধ সিচৰতি হৈ আছে। তেওঁ মুক্তক ছন্দ আৰু স্পন্দিত গদ্যৰ সাৰ্থক ব্যৱহাৰ কৰে। তেওঁৰ আন ৰচনা হৈছে **আধুনিক সাহিত্য** (১৯৫০), **সাগৰ দেখিছা** (১৯৫৪), **সানমিহলি** (১৯৫৭), **ৰঙা কৰবীৰ ফুল** (১৯৫৮), **কিউপিড আৰু চাইকী** (১৯৫৯), **কল্লকী** (১৯৬০), **সাহিত্য আৰু সাহিত্য** (১৯৬২) আদি। ইয়াৰ উপৰি কেইবাখনো ইংৰাজী পুথি লিখিছে। তেওঁ **জনতা** (১৯৪৬) আৰু **পছোৱা** (১৯৪৮-৪৯) কাকতৰ সম্পাদক আছিল।

এওঁলোকৰ উপৰিও **শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাৰ** (১৯০৬) দীপালী (১৯৩৮), মণিমালা (১৯৩০), মাণিকী মাধুৰী (১৯৪৯), কন্দুক জুন্দুক (১৯৫৩), আৰু তপোবন (১৯৫৫); **পাৰ্ব্বতীপ্ৰসাদ বৰুৱাৰ** (১৯০৪-১৯৬৪ খ্ৰীঃ) লখিমী (১৯৩১), সোণৰ সোলেঙ (১৯৫৫), গুণগুণনি (১৯৫৮), ভগা টোকাৰীৰ সুৰ (১৯৫৯) ইত্যাদি ; **শ্ৰীকমলেশ্বৰ চলিহাৰ** (১৯০৪) সংসাৰী (১৯২২), মুকুতি (১৯২৭), ধূলি (১৯২৮), কণমৌ (১৯৩১), গুণ-গুণ (১৯৩০) আৰু ছন্দিতা (১৯৩১); **শ্ৰীলক্ষেশ্বৰ শৰ্ম্মাবৰুৱাৰ** কুঁহি (১৯২০); **ধনাই বৰাৰ** কবিতা-চন্দ্ৰিকা ; **শ্ৰীসীতানাথ ব্ৰহ্মচৌধুৰীৰ** (১৯০৮) কমলকলি (১৯২৫), আবেগ আৰু চকুলো (১৯২৯); **মফিজুদ্দিন আহ্মদৰ** অৰ্পণ আৰু নহৰ ; **ইন্দ্ৰেশ্বৰ বৰঠাকুৰৰ** (১৮৮৭-১৯৬১) চন্দ্ৰমল্লিকা (১৯৫১), সন্তৰ্পণ (১৯৫৩) আৰু বণ জেউতি (১৯৫৫); **যমুনেশ্বৰী খাটনিয়াৰৰ** (১৮৯৯-১৯২৪) অৰুণ (১৯১৯) ; **ভৈৰৱচন্দ্ৰ খাটনিয়াৰৰ** (১৮৮৯-১৯৩১) সেৱা, (১৯২৭) ; **শ্ৰীনৱকান্ত বৰুৱাৰ** (১৯২৬) হে অৰণ্য হে মহানগৰ (১৯৫১) আৰু এটি দুটি এঘাৰটি তৰা (১৯৫৭) আদি ভালেমান কবিতাৰ পুথি প্ৰকাশিত হৈছে ।

দ্বাদশ অধ্যায়

আধুনিক কথা-সাহিত্য

প্ৰবন্ধ সাহিত্য ঃ—সংস্কৃতত প্ৰবন্ধ শব্দটোৰ অৰ্থ বৰ ব্যাপক। যিবোৰ প্ৰকৃষ্ট বন্ধন যুক্ত সেয়ে প্ৰবন্ধ। এই অৰ্থত গদ্য আৰু পদ্য দুয়োবিধকে প্ৰবন্ধ বুলিব পাৰি। কিন্তু অসমীয়াত প্ৰবন্ধ শব্দটোৰ অৰ্থ সিমান বহল নহয়। এই প্ৰবন্ধ-সাহিত্য গদ্য-সাহিত্যৰ কোঠাতে সীমাবদ্ধ। প্ৰবন্ধ-সাহিত্যৰ গদ্য মুখ্যতঃ জ্ঞানৰ গদ্য। এই গদ্যৰ ভিতৰত হৃদয়-সংবেদনৰ স্থান কম, কিন্তু চিন্তাৰ স্থান প্ৰশস্ত।

ৰচনা বা প্ৰবন্ধ সাহিত্য ইংৰাজী সাহিত্যৰ অন্যতম অৱদান। কিন্তু বিদেশী সাহিত্যৰ যুগপন্থী 'বক্তব্যমূলক মননশীল ৰচনাৰ আদৰ্শত' আমাৰ প্ৰবন্ধ সাহিত্য ৰচিত হোৱা নাই। আমাৰ সাহিত্যই বিকাশৰ বাট নিজে উদ্ভাৱনা কৰিছে।

অৰুনোদই কাকতে এইবিধ সাহিত্যৰ জন্ম দিয়ে। আধুনিক অসমীয়া সাহিত্যৰ বিখ্যাত গদ্য-লেখক আনন্দৰাম ঢেকিয়াল ফুকন, হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা, কমলাকান্ত ভট্টাচাৰ্য্য, লম্বোদৰ বৰা, সত্যনাথ বৰা, লক্ষ্মীনাথ বেজবৰুৱা আদি এইবিধ সাহিত্যৰ গুৰি ধৰোঁতা বুলিব পাৰি। **আনন্দৰাম ঢেকিয়াল ফুকনৰ** ইংলণ্ডৰ বিবৰণ, পৰিশ্ৰমৰ ফল, হিন্দুস্থানৰ নানা প্ৰদেশ ইত্যাদি; **হেমচন্দ্ৰ বৰুৱাৰ** আত্মজীৱন চৰিত; **গুণাভিৰাম বৰুৱাৰ** আমাৰ ভ্ৰমণ, অসমত মানৰ শেহ ছোৱা, অলিখিত বুৰঞ্জী ইত্যাদি; **কালিৰাম বৰুৱাৰ** কামাখ্যা, কাম, ভাবলহৰী, আমাৰ সম্পদ, পৰ-ধৰ্ম্ম; **কমলাকান্ত ভট্টাচাৰ্য্যৰ** গুটিদিয়েক চিন্তাৰ ঢৌ, অসমৰ উন্নতি ইত্যাদি; **লম্বোদৰ বৰাৰ** অসমীয়া আখৰ জোটনি, আনন্দৰাম বৰুৱাৰ জীৱনৰ পাতনি; **সত্যনাথ বৰাৰ** চিন্তনৰ শান্তিপৰ্ব্ব, দেশ-ভ্ৰমণ, কৰ্ত্তব্যজ্ঞান ইত্যাদি; **লক্ষ্মীনাথ বেজবৰুৱাৰ** কৃপাবৰ বৰুৱাৰ নামৰ উপৰিও বাঁহী, আৱাহন আদি আলোচনীত ওলোৱা বিভিন্ন বিষয়ৰ প্ৰবন্ধ আদি অসমীয়া প্ৰবন্ধ সাহিত্যৰ নিদৰ্শন। এই লেখক সকলৰ উপৰিও **ৰত্নেশ্বৰ মহন্ত, হেমচন্দ্ৰ গোস্বামী, ৰজনীকান্ত বৰদলৈ, বেনুধৰ ৰাজখোৱা, কনকলাল বৰুৱা, পদ্মনাথ গোহাঞি বৰুৱা, আনন্দচন্দ্ৰ আগৰৱালা, ৰজনীকুমাৰ পদ্মপতি, দণ্ডিনাথ কলিতা, ডঃ সূৰ্য্যকুমাৰ ভূঞা** আদিৰ নানাবিধ ৰচনা বিভিন্ন আলোচনীত পোৱা যায়।

পোনতে আনন্দৰাম ঢেকিয়াল ফুকনে আধুনিক গদ্য-ৰীতি প্ৰবৰ্ত্তন কৰে, আৰু এই গদ্য-ৰীতি হেমচন্দ্ৰ বৰুৱাৰ হাতত এনে সুন্দৰ আৰু সুঠাম হৈ পৰিল যে পাচত এই ৰীতি সকলোৰে অনুকৰণীয় হৈ পৰিল। লম্বোদৰ বৰাৰ ৰচনাত অলঙ্কাৰযুক্ত গদ্য আৰু সত্যনাথ বৰাৰ ৰচনাত চুটি চুটি সাৰগৰ্ভ বাক্যৰীতি পোৱা যায়। কমলাকান্ত ভট্টাচাৰ্য্যৰ ৰচনা গহীন আৰু চিন্তামূলক। লক্ষ্মীনাথ বেজ-বৰুৱাৰ ৰচনাত ঘৰুৱা বাছকবণিয়া শব্দ পোৱা যায়। তেওঁৰ হাস্যৰস-মিশ্ৰিত ৰচনা অননুকৰণীয়। পদ্মনাথ গোহাঞিবৰুৱাৰ ৰচনাৰীতি গহীন অথচ আড়ম্বৰপূৰ্ণ। ৰজনীকান্ত বৰদলৈৰ ধেমেলীয়া ৰচনা সহজ আৰু উজ্জ্বল। শ্ৰীনীলমণি ফুকনৰ ৰচনাত বাগাড়ম্বৰ পোৱা যায়। বিভিন্ন গদ্য লেখকৰ চিনাকি আগতে দি অহা হৈছে। ইয়াত লম্বোদৰ বৰা, সত্যনাথ বৰা, ৰজনীকুমাৰ পদ্মপতি, কনকলাল বৰুৱা, শ্ৰীবেণুধৰ শৰ্ম্মা আৰু ৰাধানাথ ফুকনৰ মাথোন চমু চিনাকি দিয়া হ'ল।

লম্বোদৰ বৰা (১৮৬০-১৮৯২ খ্ৰীঃ)—তেজপুৰৰ গমিৰিত লম্বোদৰ বৰাই জন্মগ্ৰহণ কৰে। এণ্টেন্স পৰীক্ষাত উঠি উচ্চ শিক্ষা পাবৰ নিমিত্তে কলিকতালৈ যায়। বি-এ পৰীক্ষাত উত্তীৰ্ণ হৈ এবছৰমান কহিমা মধ্য-ইংৰাজী বিদ্যালয়ত শিক্ষকতা কৰে, আৰু তাৰ পিচত বি-এল মহলাত উঠি তেজপুৰত ওকালতি কৰে। তেওঁ ৩২ বছৰত অকালতে ঢুকায়।

তেওঁ ছাত্ৰবৃত্তি স্কুলত পঢ়া সময়ৰেপৰা অসম-বিলাসিনী কাকতত লিখি-ছিল। কহিমা স্কুলত কাম কৰা সময়তে তেওঁ **শকুন্তলা** নাটকৰ (১৮৮৭) ভাঙনি কৰে। তেওঁ **লৰাবোধ** আৰু **জ্ঞানোদয়** পঢ়াশলীয়া পুথি লিখে। তেওঁ দৰং জিলাৰ বেগাৰ ধৰা প্ৰথাৰ বিৰুদ্ধে লিখে। তেওঁ **মহাত্মা আনন্দৰাম বৰুৱাৰ জীৱনচৰিত, সমাজ দৰ্পণ নাটক** আৰু **ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰৰ জীৱনচৰিত** পুথি লিখে, কিন্তু সম্পূৰ্ণ হবলৈ নেপালে। তেওঁ **অসমীয়া ভাষাৰ ব্যাকৰণ** এখন লিখিবলৈ লয়, কিন্তু শেষ নহল। ইয়াৰ কিছু অংশ কলিকতাৰপৰা ওলোৱা জোনাকীত ওলায়। জোনাকী, বিজুলী, আসাম তৰা, আসাম বন্ধু, আসাম নিউচ আদি কাকতত তেওঁৰ প্ৰবন্ধ প্ৰকাশ হয়। জোনাকীত (১৮৯৯) গান নামৰ এটা প্ৰবন্ধ ওলায়। আসাম বন্ধুত প্ৰকাশিত 'সদানন্দৰ কলাযুমটি' শীৰ্ষক ছদ্মনামৰ প্ৰবন্ধ কেইটি উল্লেখযোগ্য। লম্বোদৰৰ গদ্য ৰচনা হেমচন্দ্ৰ বৰুৱাৰ পিচতে বুলিব পাৰি। তেওঁৰ অলঙ্কাৰ-যুক্ত ভাষাই কথা-ৰীতিৰ পৰিপুষ্টি সাধন কৰে। ৰস-ৰচনাত তেওঁ বিশেষ কৃতিত্ব অৰ্জ্জন কৰিছিল; আৰু হেমচন্দ্ৰ বৰুৱাৰ দৰে তেওঁ তীব্ৰভাৱে

সমাজক ব্যঙ্গ নকৰিছিল। তেওঁৰ গদ্য-সাহিত্যলৈ অৱদান প্ৰসঙ্গত আনন্দচন্দ্ৰ আগৰৱালাই কৈছে, "অসমীয়া গদ্যসাহিত্যত তেওঁ যি সুৰ দি গল সেই সুৰৰ ধ্বনিত আজিও অসমীয়াৰ প্ৰাণৰ তন্ত্ৰী বাজি উঠে। কবলৈ গলে তেওঁ আমাৰ গদ্যসাহিত্যক গঢ়িত কৰি তুলিলে। নতুন সাহিত্যিকৰ নিমিত্তে তেওঁৰ গদ্য-সাহিত্য চানেকি স্বৰূপ।"

সত্যনাথ বৰা (১৮৬০—১৯২৫ খ্ৰীঃ)—দয়ানাথ বৰাৰ পুত্ৰ সত্যনাথ বৰা গুৱাহাটীত জন্মগ্ৰহণ কৰে। তেওঁ ১৮৮১ খ্ৰীঃত প্ৰবেশিকা আৰু ১৮৮৬ খ্ৰীঃত বি-এ মহলাত উঠে। ১৮৮৯ খ্ৰীঃত বি-এল পৰীক্ষাত উত্তীৰ্ণ হৈ তেওঁ গুৱাহাটীত ওকালতি কৰে, আৰু তেওঁ গুৱাহাটীৰ প্ৰথম অসমীয়া উকীল। তেওঁ ১৯১৪ চনত আৰ্ল-ল কলেজত আইনৰ অধ্যাপক হয় আৰু কটন কলেজতো অসমীয়া পঢ়ুৱায়।

তেওঁ ছাত্ৰ অৱস্থাৰেপৰা আসাম বন্ধু কাকতত লিখিবলৈ ধৰে। ইয়াৰ উপৰি তেওঁ **গীতাৱলী** (১৮৮২) নামৰ এখন গানৰ পুথি ৰচনা কৰে, আৰু এই সময়তে ভালেমান খুহুটীয়া কবিতা (উদাহৰণ স্বৰূপে, সভাতাৰ মধ্যাহ্নৰবি) ৰচনা কৰে। সাময়িক আলোচনীত তেওঁৰ প্ৰবন্ধ ওলায়। ১৮৮৮ খ্ৰীঃত তেওঁৰ **সাহিত্য বিচাৰ** নামৰ গদ্যপুথি প্ৰকাশ হয়। তেওঁৰ **সাৰথি** (১৯১৫) আৰু **চিন্তাকলি** (১৯৩৫) দুখন উল্লেখযোগ্য গদ্যৰ পুথি। তেওঁৰ আন আন পুথি হৈছে **আকাশ ৰহস্য, কেন্দ্ৰসভা** আৰু **বহল ব্যাকৰণ**। তেওঁ গুৱাহাটীৰ পৰা ওলোৱা **জোনাকী** কাকতৰ সম্পাদক আছিল। কথাৰীতিৰ কাৰণে সত্যনাথ বৰা অসমীয়া সাহিত্যত অমৰ হৈ থাকিব। বেকনৰ দৰে চুটি চুটি অথচ সাৰগৰ্ভ বাক্যৰে লিখা তেওঁৰ ৰচনাসমূহ স্বৰূপতে বৈশিষ্ট্যপূৰ্ণ। যেনে :—'বিদ্যা মানৰ মনৰ দীপ্তি', "উদৰাগ্নিৰ নিচিনা চিন্তা মনৰ জাৰ্ণকৰী শক্তি" ইত্যাদি। তেওঁৰ ৰচনাৱলী সাৰুৱা উপদেশপূৰ্ণ আৰু সেইবোৰৰ আদৰ সদায় থাকিব।

ৰজনীকুমাৰ পদ্মপতি (১৮৬৫-১৯৪৮)—ৰহধন দাসৰ পুত্ৰ ৰজনীকুমাৰ দাসে (পাচত পদ্মপতি) তেজপুৰত জন্মগ্ৰহণ কৰে। তেওঁ ১৮৮৭ খ্ৰীঃত তেজপুৰৰ চৰকাৰী উচ্চ বিদ্যালয়ৰপৰা এণ্ট্ৰেন্স মহলাত উঠে। ১৮৮৯ খ্ৰীঃত এফ্-এ পৰীক্ষা দিয়ে, কিন্তু কৃতকাৰ্য্য নহল। তেওঁ পোনতে মঙ্গলদৈৰ কাছাৰীত কেৰেণী কামত সোমায়। পাচত তেজপুৰত পেস্কাৰ হয় আৰু ১৯১৭ চনত অৱসৰ লয়।

ৰাহী, আৱাহন, অসম সাহিত্য সভা পত্ৰিকা আদি আলোচনীত তেওঁৰ

ভালেখিনি বুৰঞ্জীমূলক প্ৰবন্ধ প্ৰকাশ হৈছিল। তাৰ ভিতৰত উল্লেখযোগ্য হৈছে দুৰ্জ্জয়া, অসমীয়া ভাষা সম্পৰ্কে, অসম, অসমীয়া জীয়ৰীৰ মুৰত বোজা, 'চচিয়েল হিষ্টৰি অব কামৰূপৰ বিষয়ে কেই আষাৰমান কথা', ইত্যাদি উল্লেখযোগ্য। তেওঁ ইংৰাজীত কেইবাখনো গবেষণামূলক পুথি [A Treatise Ascertaining the Correct Sites of Places, Rivers and Mountains of India as found in the Ramayana (১৯২৫), A Strange Mistake of Geographies (১৯২৭), An Essay on the Origin of the Animals (১৯৩১); Christ as Crisna in India (১৯৩৭)] ৰচনা কৰিছে। **পুৰণি অসমত ভুমুকি** নামৰ পুথিখনিয়ে তথ্য-নিষ্ঠাৰ পৰিচয় দিয়ে।

কনকলাল বৰুৱা (১৮৭২-১৯৪০)—লক্ষ্মীনাথ বৰুৱাৰ পুত্ৰ কনকলাল বৰুৱা ১৮৭২ খ্ৰীঃত বৰপেটাত জন্ম হয়। তেওঁ ১৮৮৮ খ্ৰীঃত প্ৰবেশিকা, ১৮৯৩ খ্ৰীঃত বি-এ আৰু ১৮৯৫ খ্ৰীঃত বি-এল মহলাত উঠে। কলিকতাত হেমচন্দ্ৰ গোস্বামী আৰু চন্দ্ৰকুমাৰ আগৰৱালা তেওঁৰ সহপাঠী আছিল। তেওঁ পোনতে মুন্সিফ কামত সোমাই শেহত কৃষি বিভাগৰ ডাইৰেক্তৰ হয়গৈ। তেওঁ ১৯২৭ চনত অৱসৰ লয়। পাচত তেওঁ মন্ত্ৰী (১৯২৯-৩৯) হয়।

তেওঁৰ গবেষণামূলক প্ৰবন্ধ বিভিন্ন আলোচনীত ওলাইছিল। তেওঁ কামৰূপ অনুসন্ধান সমিতিৰ লগত বিশেষভাবে জড়িত আছিল। তেওঁ **"আৰ্লি হিষ্টৰী অব্ কামৰূপ'** নামৰ প্ৰাক-আহোম যুগৰ এখন বৃহৎ অসমৰ বুৰঞ্জী লিখি গৈছে।

সোণাৰাম চৌধাৰী (১৮৭০-১৯৪২)—মধুহৰৰ পুত্ৰ সোণাৰাম চৌধাৰী ১৮৭০ চনৰ ৯ জানুৱাৰীত উত্তৰ গুৱাহাটীত ওপজে। তেওঁ ১৮৯২ খ্ৰীঃত এণ্টেন্স মহলাত উঠি কলিকতাত এফ-এ পঢ়েগৈ, কিন্তু শাৰীৰিক অসুস্থতাবশতঃ এফ-এ মহলাত উত্তীৰ্ণ হব নোৱাৰি ঘৰলৈ আহে। তেওঁ ১৮৯৬ খ্ৰীঃত কমিচনাৰৰ অফিচত কেৰেণী কামত সোমায়; কিন্তু চকুৰ অসুখৰ বাবে ১৯২০ চনত তেওঁ অসময়ত পেন্সন লব লগা হয়। তেওঁ ১৯০০ চনত প্ৰথম বিবাহ কৰে। তাৰ পাচত ক্ৰমে দ্বিতীয় আৰু তৃতীয় বিবাহ কৰে।

তেওঁ গোটেই জীৱন বুৰঞ্জী আৰু প্ৰত্নতত্ত্ব-গবেষণাত আত্মনিয়োগ কৰিছিল। তেওঁ জোনাকী, বাঁহী, আলোচনী, আৱাহন, চেতনা, জয়ন্তী আদি আলোচনীত প্ৰবন্ধ লিখিছিল। কিছুমান প্ৰবন্ধ হেম দাশৰথী চৌধুৰী ছদ্মনামত আৰু কিছুমান

নিজ নামত ওলাইছিল। এই প্ৰবন্ধবোৰৰ ভিতৰত উল্লেখযোগ্য হৈছে অসমীয়া আৰু বঙলা ভাষা, আহোম কবিৰ অসমীয়া পদ ৰচনা, শ্ৰীচন্দ্ৰভাৰতী, গুৱাহাটীৰ শিলৰ ফলি, শ্ৰীৰাম কীৰ্ত্তন, শ্ৰীশঙ্কৰ-মাধৱ সম্বাদ, প্ৰাগ্‌জ্যোতিষপুৰৰ যৎকিঞ্চিত, কানাই বৰশীবোৱা শিল আৰু তাৰ ওচৰৰ ঠাই অনুসন্ধান, ডাক পুৰুষৰ জীৱন কাহিনী আৰু ৰচনাৱলী, বৈদ্যদেৱৰ তামৰ ফলি, অসমীয়া ভাষা আৰু বৰ্ণমালা সম্বন্ধে যৎকিঞ্চিৎ ইত্যাদি।

শ্ৰীবেণুধৰ শৰ্ম্মা (১৮৯৪)—চিদ্ধেশ্বৰ শৰ্ম্মাৰ পুত্ৰ শ্ৰীবেণুধৰ শৰ্ম্মা ১৮১৬ শকৰ ৩০ কাতিত চাৰিঙত জন্ম গ্ৰহণ কৰে। তেওঁ ১৯১৫ চনত শিৱসাগৰৰ চৰকাৰী হাইস্কুলৰপৰা প্ৰবেশিকা মহলাত উত্তীৰ্ণ হৈ কলিকতাত পঢ়িবলৈ যায়। ১৯২০ চনৰ অসহযোগ আন্দোলনৰ কাৰণে বি-এ পৰীক্ষা দিয়া নহল। ১৯২১ চনত এলাহাবাদ নেচনেল কলেজৰপৰা বি-এৰ ডিপ্লোমা পায়। তেওঁ ডঃ জন ৰেডৰ **"একাউণ্ট অব্ আসাম"** (Account of Assam) নামৰ ইংৰাজী পুথিখন প্ৰকাশ কৰে। তেওঁৰ ৰচিত গ্ৰন্থসমূহ হৈছে **জৱাহৰলালৰ জীৱনী** (১৯৩৭), **আব্দুল গফুৰ খানৰ জীৱনী** (১৯৪৩), **বাৎপতা** (১৯৪৭), **সাতাৰন চাল** (১৯৪৮), **মঙ্গলতীৰ কণ্ঠিমালা** (১৯৫), **গঙ্গাগোবিন্দ ফুকন** (১৯৫১), **মণিৰাম দেৱান** (১৯৫১), **দুৰবীণ** (১৯৫৬), **বঙ্গমুৰা নৌ যাত্ৰাৰ আপদীয়া কাহিনী** (১৯৫৭), **কংগ্ৰেছৰ কাঁচিয়লি ৰদত** (১৯৫৮), **লাতুমণি** (১৯৫৯) ইত্যাদি। তেওঁ ভালেমান প্ৰবন্ধ আলোচনী, আৱাহন, সাহিত্য সভা পত্ৰিকা, চেতনা, জয়ন্তী, বাঁহী আদিত সিঁচৰতি হৈ আছে। তেওঁ পুৰাতত্ত্ব আৰু প্ৰত্নতত্ত্বৰ একনিষ্ঠ পূজাৰী। তেওঁ দুৰ্বল্লীৰ নিৰস বিৱৰণ সৰস কৰিব পাৰে আৰু তেওঁৰ কথন-ভঙ্গীও বৰ মনোৰম। গদ্যৰ ভাষা ওজস্বিতাপূৰ্ণ। তেওঁ যুটীয়াকৈ **ৰবিনচন ক্ৰুচ** (১৯১৮) অনুবাদ কৰে।

ৰাধানাথ ফুকন (১৮৭৫-১৯৬৪ খ্ৰীঃ)—কৃপানাথ ফুকনৰ পুত্ৰ ৰাধানাথ ফুকন ১৮৭৫ চনৰ ১৪ জুনত যোৰহাটত জন্ম হয়। তেওঁ ১৮৯১ চনত শিৱসাগৰ চৰকাৰী হাইস্কুলৰপৰা এণ্টেন্স্, কলিকতাৰ প্ৰেচিডেন্সি কলেজৰপৰা ১৮৯৩ চনত বি-এ আৰু ১৮৯৭ চনত এম-এ পৰীক্ষাত উত্তীৰ্ণ হয়। তেওঁ ১৮৯৮ চনত বিপন কলেজৰপৰা বি-এল মহলাত উঠে। তেওঁ ১৯০৩ চনত ই-এ-চি কামত সোমাই ক্ৰমাৎ উন্নতি কৰি শেহত ডিৰেক্টৰ অব্ ইণ্ডাষ্ট্ৰিজ এণ্ড কো-অপাৰেটিভ চচাইটিজ হয়গৈ। তেওঁ ১৯৩১ চনত চাকৰিৰ পৰা অৱসৰ লয়।

ফুকন কলিকতাৰ অ-ভা-উ-সা আৰু এ-এছ-এল ক্লাবৰ সম্পাদক আছিল।

তেওঁ জোনাকী, বিজুলী, উষা আদিত প্ৰবন্ধ লিখিছিল। তেওঁ আগ জীৱনত কেইটামান গীত ৰচনা কৰিছিল। যেনে :—'কিয়নো পাহৰা অসমীয়া হেৰা', 'তুঁহু দীন তাৰণ দুষ্ট দমন' ইত্যাদি। দাৰ্শনিক আৰু বৈজ্ঞানিক যুক্তিৰে সহজ সৰল ভাষাত লিখা তেওঁৰ **সাংখ্যদৰ্শন** (১৯৪৯), **বেদান্তদৰ্শন** (১৯৫১), **শ্ৰীমদ্ভাগৱদ্‌গীতা** (১৯৫২), **কথাৰে উপনিষৎ** (১৯৫৪), **বিজ্ঞানৰ সিপাৰে** (১৯৫৫) আৰু **জন্মান্তৰ ৰহস্য** (১৯৫৭) পুথিসমূহ আধুনিক অসমীয়া সাহিত্যৰ অমূল্য সম্পদ। তেওঁৰ গ্ৰন্থবোৰে দাৰ্শনিক জগতত এটা নতুন আলোকপাত কৰিছে। আধুনিক যুগৰ বিজ্ঞানৰ কথা গদ্যত লিখি তেওঁ আমাৰ গদ্য সাহিত্যৰ পৰিপুষ্টি সাধন কৰিছে।

শ্ৰীঅম্বিকাগিৰি ৰায়চৌধাৰী, শ্ৰীজ্ঞাননাথ বৰা [যুগতত্ত্ব (১৯৩৩), নতুন পৃথিবী (১৯৫৩)], **সৰ্ব্বেশ্বৰ শৰ্ম্মা কটকী** (তত্ত্ব আৰু তথ্য, প্ৰাচীন অসমীয়া লিপি, ত্ৰিবেণী, সত্যনাথ বৰাৰ জীৱন চৰিত, হেমচন্দ্ৰ বৰুৱাৰ জীৱন চৰিত, সাহিত্য সম্ভাৰ, সাহিত্য সম্পদ ইত্যাদি), **শ্ৰীসৰ্ব্বেশ্বৰ বৰুৱা,** আদিয়েও গদ্য-সাহিত্যৰ পৰিপুষ্টি সাধনত যথেষ্ট বৰঙণি যোগাইছে।

———

ত্ৰয়োদশ অধ্যায়

উপন্যাস-সাহিত্য

আধুনিক জগতৰ মানুহৰ সকলো আশা-আকাঙ্ক্ষা আৰু বেদনাৰ সাহিত্যৰূপ হৈছে উপন্যাস। ঔপন্যাসিক বিধাতাৰ দৰে সৰ্ব্বজ্ঞ আৰু শক্তিমান। উপন্যাস বুলিলে আমি সাধাৰণতে মনেগঢ়া কাল্পনিক বিৱৰণমূলক কাহিনীকে বুজোঁ। লেখকৰ ব্যক্তিগত জীৱন-দৰ্শন আৰু জীৱনৰ অনুভূতি কোনো বাস্তৱ কাহিনী অৱলম্বন কৰি লেখা বৰ্ণনাত্মক ৰচনাত ৰূপায়িত হয়। উপন্যাস জীৱনৰ অখণ্ড ৰূপায়ণ আৰু সমগ্ৰতাই ইয়াৰ সাৰবস্তু। উপন্যাসে কেৱল অনুভূতিকে লৈ কাৰবাৰ নকৰে; মনন লৈহে কৰে, আৰু সেই মননৰ এটা উল্লেখযোগ্য অংশ হ'ল তত্ত্ব। জীৱন সম্বন্ধে তত্ত্ব-জিজ্ঞাসা উপন্যাসৰ এটা অচ্ছেদ্য অঙ্গ। পুৰুষ আৰু তিৰোতাৰ জীৱন, মানৱৰ বাসনা আৰু কাৰ্য্যৰ দৃষ্টান্তৰ প্ৰতি গভীৰ অনুৰাগ দৰ্শনতে ইয়াৰ জন্ম। কেইটামান চৰিত্ৰ অৱলম্বন কৰি উপন্যাসৰ ঘটনাৱলী গঢ়ি উঠে। ঘটনা আৰু চৰিত্ৰ পৰস্পৰৰ ভিতৰত এটা ওচৰ সম্বন্ধ আছে। চৰিত্ৰই মকৰাজালৰ দৰে নিজৰ চাৰিওফালে ঘটনাৰ জাল বৈ ঘটনা প্ৰৱাহৰ সৃষ্টি কৰে; আৰু ঘটনাই চৰিত্ৰ বিকাশত সহায় কৰে। চৰিত্ৰ, কাহিনী আৰু পাৰিপাৰ্শ্বিক অৱস্থা উপন্যাসৰ কাৰণে লাগতিয়াল। উপন্যাস ৰচনাৰ খাই উপাদানসমূহ হৈছে কাহিনী, চৰিত্ৰ, কথোপকথন, ঘটনাৰ সময় আৰু স্থান, ৰচনাৰীতি আৰু জীৱনদৰ্শন।

অসমীয়া সাহিত্যত উপন্যাস পশ্চিমীয়া আমদানি। শিল্প-বিপ্লৱ, নতুন নতুন বিজ্ঞানৰ আৱিষ্কাৰ আৰু এচিয়া-আমেৰিকাৰ জলপথৰ সন্ধানে য়ুৰোপৰ জীৱনৰ দিগন্তক প্ৰসাৰিত কৰিলে; আৰু তাৰ ফলত উপন্যাসৰ জন্ম হ'ল। য়ুৰোপত সপ্তদশ শতিকাত চৰিত্ৰৰ প্ৰতি অনুৰাগ প্ৰথমতে দেখা দিয়ে। মানুহৰ জীৱনৰ প্ৰতিও গভীৰ অনুৰাগ জন্মে। ইংলণ্ড আৰু ফৰাচী দেশত জীৱন-স্মৃতি লিখাৰ প্ৰচেষ্টা চলে। চৰিত্ৰৰ প্ৰতি অনুৰাগ জন্মাৰ পিচতে জোচেফ এডিচন (১৬৭২-১৭১৯ খ্ৰীঃ) আৰু ৰিচাৰ্ড ষ্টিলৰ (১৬৭২-১৭২৯) সাময়িক ৰচনাৱলী প্ৰকাশিত হয়। চাৰ ৰগাৰৰ চৰিত্ৰত অষ্টাদশ শতিকাৰ

ইংলণ্ডৰ জীৱনৰ প্ৰতিচ্ছবি পোৱা যায়। এইদৰে উপন্যাসৰ সূচনা হয়। জন বানিয়ান (১৬২৮-১৬৮৮ খ্ৰীঃ) আৰু ডেনিল ডেফই [১৬৬১ (?)-১৭৩১ খ্ৰীঃ] আত্মজীৱনীমূলক উপন্যাস আৰম্ভ কৰে। ১৭৪০ চনত প্ৰকাশিত চেমুৱেল ৰিচাৰ্ডচনৰ (১৬৮৯-১৭৬১ খ্ৰীঃ) পামেলাই সকলোৰেপৰা প্ৰকৃত উপন্যাসৰ সমাদৰ লাভ কৰে। এইখনি এখন মনস্তত্ত্বমূলক পত্ৰোপন্যাস। পামেলা নামৰ দাসীৰ প্ৰণয় অভিজ্ঞতা আৰু নিৰ্য্যাতনৰ দৈনন্দিন ক্ষুদ্ৰতম কাহিনীয়েই উপন্যাসখনিৰ উপজীব্য। ইয়াৰ পিচত হেনৰী ফিল্ডিঙে (১৭০৬-৫৪ খ্ৰীঃ) ৰচনা কৰা উপন্যাসত কাহিনীৰ ওপৰত জোৰ দিয়ে। ৰিচাৰ্ডচন, ফিল্ডিং, চাৰ ৱাল্টাৰ স্কট (১৭৭১-১৮৩২ খ্ৰীঃ), উইলিয়াম মেকপিছ্‌ থেকেৰি (১৮১১-৬৩), চাৰ চাৰ্লচ ডিকেন্স্‌ (১৮১২-১৮৭০), জৰ্জ্জ মিৰেডিথ (১৮২৮-১৯০৯), টমাচ হাৰ্ডি (১৮৪০-১৯২৮) আদিৰ হাতত ইংৰাজী উপন্যাস সাহিত্যই সুকীয়া গঢ় লয়। ইংলণ্ডৰ উপন্যাসত উনবিংশ শতিকাৰ শেহ-দুই দশকত টুৰ্গেনিভ, টলষ্টয় আৰু ডস্তয়ভস্কিৰ প্ৰভাৱ পৰে।

প্ৰথম অসমীয়া উপন্যাস হৈছে **এ-কে-গাৰ্নীৰ কামিনীকান্ত** (কামিনীকান্তৰ চৰিত্ৰ ?)। এই প্ৰচাৰধৰ্ম্মী উপন্যাসখন ১৮৭৭ খ্ৰীঃত শিৱসাগৰৰ বেপটিষ্ট মিছন ছপাখানাৰ পৰা ওলায়। উপন্যাসৰ বিষয়-বস্তু হৈছে—ৰামচন্দ্ৰ চট্টোপাধ্যায়ৰ সুমলীয়া পুতেক কামিনীকান্তই ৰামজয় বন্দোপাধ্যায়ৰ জীয়েক সৰলাক বিয়া কৰে। কামিনীকান্তই খ্ৰীষ্টধৰ্ম্ম গ্ৰহণ কৰাত পিতৃ আৰু পত্নীৰ পৰা তেওঁৰ বিচ্ছেদ ঘটে। নৰেন্দ্ৰ আৰু হেমাঙ্গীৰ সহায়ত কামিনীকান্ত আৰু সৰলাৰ পুনৰ্মিলন ঘটে। কামিনীকান্তৰ চিঠিয়ে খ্ৰীষ্টধৰ্ম্মৰ প্ৰতি সৰলাক অনুৰাগ জন্মায়। নৰেন্দ্ৰ আৰু হেমাঙ্গীয়েও খ্ৰীষ্টধৰ্ম্ম গ্ৰহণ কৰে। কিতাপখনৰ শেহত বাকলিৰ ওপৰত 'খ্ৰীষ্ট পৰমাৰ্থিক সূৰ্য্য' নামৰ এটা পদ্য দিয়া হৈছে। উপন্যাসখনৰ পটভূমি বঙ্গদেশীয়, আৰু নায়ক-নায়িকা সকলো বঙালী। ইয়াৰ আখ্যানভাগ পাৰিবাৰিক। মিচেচ মুলেন্সৰ বঙলাৰ পৰা ভাঙনি কৰা **ফুলমণি আৰু করুণা** নামৰ উপন্যাসখনিও এই সময়তে ওলায়। ইয়াত ফুলমণি আৰু করুণা নামৰ দুগৰাকী বিভিন্ন প্ৰকৃতিৰ খ্ৰীষ্টিয়ান মহিলাৰ গাৰ্হস্থ্যজীৱনৰ বিশদ বিৱৰণ আছে।

স্বনামধন্য আনন্দৰাম ঢেকিয়াল ফুকনৰ কন্যা **পদ্মাৱতী দেৱী ফুকননীৰ** (১৮৫৩-১৯২৭ খ্ৰীঃ) **সুধৰ্ম্মাৰ উপাখ্যান** নামৰ এখন উপন্যাস ১৮৮৪ খ্ৰীঃত (৩০ শ্ৰাৱণ, ১৮০৬ শকাব্দ) ওলায়। সজ আৰু অসজ মানুহৰ কাৰ্য্যৰ পৰিণাম ইয়াত দেখুৱা হৈছে। সত্যবান, সুধৰ্ম্মা, মাধৱচন্দ্ৰ আৰু লীলাৱতীয়ে সজ পথত

চলাৰ কাৰণে বাণিজ্য যাত্ৰাত নাও ডুবাৰ পাচত অনেক বাধা বিঘিনিৰ মাজেদি সত্যবান-সুধৰ্ম্ম আৰু মাধৱচন্দ্ৰ-লীলাৱতীৰ পুনৰ্ম্মিলন হ'ল। সুধৰ্ম্মাৰ উপাখ্যান উপন্যাসো নহয়, সাধুকথাও নহয়; কিন্তু মিহলি। ইয়াক প্ৰকৃততে উপন্যাস বুলিব নোৱাৰি। ইয়াৰ পাচত **পদ্মনাথ গোহাঞি বৰুৱাৰ লাহৰী** (মিলনান্তক) আৰু **ভানুমতী** (দুখান্তক) উপন্যাস ওলায়। স্বকথিত উপন্যাস ভানুমতী পোনতে বিজুলী কাকতত (প্ৰায় ১৮৯০ খ্ৰীঃ) ছোৱা ছোৱাকৈ ওলাইছিল আৰু ই ১৯০৮ চনতহে পুথিৰ আকাৰে ওলায়। ভানুমতীত চাৰুচন্দ্ৰ গোহাঁই আৰু ভানুমতীৰ করুণাত্মক প্ৰণয় কাহিনী দাঙি ধৰা হৈছে। ঘৰুৱা উপন্যাস লাহৰী ১৮৯২ খ্ৰীঃত প্ৰকাশ হয়। লাহৰীত কমল আৰু লাহৰীৰ মিলনাত্মক প্ৰণয়চিত্ৰ পোৱা যায়। এই নায়িকা-প্ৰধান উপন্যাস দুখনিয়ে আমাৰ সাহিত্যত প্ৰকৃত উপন্যাসৰ সোঁত বোৱায়। সাহিত্যৰথী **লক্ষ্মীনাথ বেজবৰুৱাৰ পদুম কুঁৱৰী** (১৯০৫) বুৰঞ্জীমূলক ঘটনাৰ পটভূমিত লিখা এখন ৰোমাণ্টিক উপন্যাস। এই উপন্যাসত প্ৰেমাখ্যানটো বুৰঞ্জী-বিখ্যাত দন্দুৱাদ্ৰোহৰ লগত ভালকৈ মিহলাই দিছে যদিও, অস্বাভাৱিক ঘটনা আৰু অপ্ৰয়োজনীয় বৰ্ণনাই উপন্যাসৰ সৌন্দৰ্য্য হ্ৰাস কৰিছে। সূৰ্য্য আৰু পদুমৰ নৈৰাশ্যপূৰ্ণ কাহিনী ইয়াৰ মাই উপজীব্য। অসমীয়া উপন্যাসৰ সাৰ্থক শিল্পী হৈছে **ৰজনীকান্ত বৰদলৈ**।

ৰজনীকান্ত বৰদলৈ (১৮৬৮-১৯৪০):—নৱকান্ত বৰদলৈৰ পুত্ৰ ৰজনীকান্ত বৰদলৈ ১৮৬৮ খ্ৰীঃৰ ২৪ নবেম্বৰত গুৱাহাটীৰ কুকুৰমুতাত ওপজে। তেওঁ ১৮৮৫ খ্ৰীঃত প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ কলিকতালৈ যায়। তেওঁ ১৮৮৭ খ্ৰীঃত এফ-এ আৰু ১৮৮৯ খ্ৰীঃত বি-এ মহলাত উত্তীৰ্ণ হয়। তেওঁ পোনতে চব্-ডেপুটী পদ পায়; আৰু তাৰ পিচত ই-এ-চি পদলৈ উন্নীত হয়। ১৯১৮ চনত তেওঁ অৱসৰ লয়। তেওঁ **অসম-প্ৰদীপিকা** আলোচনীৰ সম্পাদক আছিল। বুৰঞ্জীমূলক উপন্যাস ৰচনা কৰি তেওঁ অসমৰ স্কট আখ্যা পাইছে। ঔপন্যাসিক চাৰ ৱাল্টাৰ স্কট্ আৰু বঙ্গৰ বঙ্কিমচন্দ্ৰ চট্টোপাধ্যায়ৰ বুৰঞ্জীমূলক উপন্যাসে তেওঁক অনুপ্ৰেৰণা যোগায়। তেওঁৰ উপন্যাসসমূহ হৈছে **মিৰি-জীয়ৰী** (১৮৯৫), **মনোমতী** (১৯০০), **দন্দুৱাদ্ৰোহ** (১৯০৯) **ৰঙ্গিলী** (১৯২৫), **নিৰ্ম্মল ভকত** (১৯২৬) আৰু **ৰহদৈলিগিৰী** (১৯৩০)। তেওঁৰ **ৰাধা-ৰুক্মিণীৰ ৰণ** আৰু **তাম্ৰেশ্বৰীৰ মন্দিৰ** যথাক্ৰমে ১৯২৫ আৰু ১৯২৬ খ্ৰীঃৰ আসাম-হিতৈষীত ছোৱা ছোৱাকৈ ওলাইছিল। তাম্ৰেশ্বৰীৰ মন্দিৰ পিচত পুথিৰ আকাৰে ওলায়। নিৰ্ম্মল ভকত

উপন্যাসখনি পোনতে অসম-প্ৰদীপিকাত (১৮৪২ শক) ধাৰাবাহিকভাবে ওলাইছিল।

বৰদলৈৰ ৰোমান্টিক উপন্যাস মিৰি-জীয়ৰীত জনজাতি-জীৱনৰ পূৰ্ণ আভাস পোৱা যায়। মিৰিসকলৰ ৰীতিনীতি আৰু ধৰ্ম্মকৰ্ম্মৰ হুবহু চিত্ৰ ইয়াত পোৱা যায়। এইখনৰ বাহিৰে বাকীবোৰ উপন্যাস বুৰঞ্জীমূলক পটভূমিত ৰচনা কৰা হৈছে। দন্দুৱাদ্ৰোহৰ পটভূমি হৈছে হৰদত্ত আৰু বীৰদত্তৰ গৃহকন্দল, আৰু ৰাধা-ৰুক্মিণীৰ ৰণৰ পটভূমি হৈছে মোৱামৰীয়া বিদ্ৰোহ, আৰু বাকী বুৰঞ্জীমূলক উপন্যাসসমূহৰ পটভূমি হৈছে মানৰ আক্ৰমণ।

মিৰি-জীয়ৰী উপন্যাসত প্ৰেমৰ তাড়নাত পৰি পিতৃ-মাতৃক এৰি পানেয়ে জঙ্কিৰ প্ৰণয়-পাশত আবদ্ধ হবলৈ গৈ শেহত দুয়ো গাচীমিৰিৰ হাতত করুণ অৱস্থাত মৃত্যুক বৰণ কৰিব লগা হ'ল। ডালিমীৰ চৰিত্ৰ ত্যাগৰ দ্বাৰা উদ্ভাসিত হৈ উঠিছে। এইখন এখন ৰোমান্সগন্ধী উপন্যাস।

মনোমতী উপন্যাসত ঘটনাচক্ৰই মনোমতী আৰু লক্ষ্মীকান্তৰ মিলন ঘটালে। **ৰঙ্গিলী** উপন্যাসত বহুত সৰু কাহিনী থাকিলেও নায়িকা ৰঙ্গিলা চকুৰ আঁৰ নহয়। ৰাংঢালী ৰঙ্গিলীৰ চৰিত্ৰত ধৈৰ্য্য, সহনশীলতা, ক্ষমা, পৰোপকাৰ আদি বিভিন্ন ৰমণীসুলভ গুণৰ সমাবেশ দেখা যায়। **নিৰ্ম্মল ভকত** এখন আত্মজীৱনীমূলক উপন্যাস। নিৰ্ম্মল ত্যাগ আৰু সংযমৰ প্ৰতিমূৰ্ত্তি। উপন্যাস-খনিত টেনিছনৰ এনক্ আৰ্ডেনৰ ছাঁ পৰিছে। **তাম্ৰেশ্বৰীৰ মন্দিৰ** নামৰ মিলনান্ত উপন্যাসখনিত কুসংস্কাৰপূৰ্ণ অসমৰ চিত্ৰ পোৱা যায়। আঘনীৰ ধনেশ্বৰৰ প্ৰতি প্ৰীতি স্বাৰ্থপ্ৰণোদিত নহয়। **ৰহদৈ লিগিৰী** উপন্যাসত ৰহদৈ আৰু দয়াৰামৰ পাৰ্থিৱ প্ৰেম আধ্যাত্মিক স্তৰলৈ উঠিছে। ৰহদৈৰ সাহপিত, আত্মসংযম, সহনশীলতা, সঙ্কল্প, মনোবল, চৰিত্ৰবল আদি প্ৰশংসনীয়। মুঠৰ ওপৰত ঔপন্যাসিক বৰদলৈৰ উপন্যাসত দালিমী, পমিলী, পদুমী, ৰহদৈ, আঘনী, নিৰ্ম্মল ভকত আদি কিছুমান চৰিত্ৰ অমৰ হৈ থাকিব। ধৰ্ম্মত শৰণ ললে যে জীৱনত শান্তি লাভ কৰিব পাৰি এইকথা বৰদলৈৰ উপন্যাসৰ পৰা উপলব্ধি কৰিব পাৰি। তেওঁৰ উপন্যাসত নাৰী পুৰুষতকৈ অধিক বলী, সংযমী আৰু বাস্তৱবাদী। ৰজনীকান্তই উপন্যাসত ৰোমান্টিছিজিমৰ অৱতাৰণা কৰে। ভাব, ভাষা আৰু আঙ্গিকৰ ফালৰপৰা তেওঁৰ উপন্যাসসমূহ সাৰ্থক উপন্যাস।

টীয়কৰ **৺হৰেশ্বৰ শৰ্ম্মা বৰুৱাই** (১৮৭৫-১৯০৬ খ্ৰীঃ) **কুসুমকুমাৰী** (১৮৯৯ খ্ৰীঃ) নামৰ এখন 'ইতিবৃত্তিমূলক' মিলনান্ত সামাজিক উপন্যাস ৰচনা

কৰে। প্ৰমোদকুমাৰ-কুসুমকুমাৰী আৰু মোহনচন্দ্ৰ-সেউতীৰ পৰিণয়তেই উপন্যাসখনি শেষ হৈছে। এইখন প্ৰথম বাস্তৱধৰ্মী অসমীয়া উপন্যাস। কুলটা স্ত্ৰী ৰূপহীৰ জীৱনৰ ঘৃণনীয় পৰিণতি দেখুৱা হৈছে।

হিতেশ্বৰ বৰবৰুৱাই প্ৰতাপসিংহ বুঢ়া ৰজাৰ দিনত হোৱা আহোম আৰু কছাৰীৰ সংঘৰ্ষৰ কথা লৈ **মালিতা** (১৯১৪) নামৰ বুৰঞ্জীমূলক বিয়োগান্ত উপন্যাসখনি ৰচনা কৰে। তেওঁৰ মইনা নামৰ এখন উপন্যাস মিলনত (১৮৪৫ শক প্ৰথম বছৰ তৃতীয় আৰু চতুৰ্থ সংখ্যা) ওলাইছিল। মইনা উপন্যাসত কুমুদ কোচানৰ সেনাপতি কমলৰ জীৱনত বিহ ঢালে কিন্তু কুমুদৰ পত্নী অমিলাই পত্নী মইনাক মৃত্যুৰ মুখৰপৰা উদ্ধাৰ কৰে। উপন্যাসৰ কাহিনীত অথেল নাটকৰ কাহিনীৰ প্ৰভাৱ পাৰিছে। কবি ৰবনকৰা এই বিষয়ত সাৰ্থক শিল্পী বুলিব নোৱাৰি। **দণ্ডিনাথ কলিতাই** উপন্যাস ৰচনাত কিছুদূৰ সফলতা লাভ কৰে। তেওঁ **ফুল** (১৯০৮), **সাধনা** (১৯২৯), **গণ-বিপ্লৱ** (১৯৪৮), **অদৃষ্ট** (১৯৪৮), **পৰিচয়** (১৯৫০), **আবিষ্কাৰ** (১৯৫১) আদি কেইবাখনো উপন্যাস ৰচনা কৰিছে। ফুল, গণ-বিপ্লৱ আদি বুৰঞ্জীমূলক উপন্যাস হলেও লেখকে কৃতিত্ব অৰ্জ্জন কৰিব পৰা নাই। ফুলৰ পটভূমি হ'ল মান-ভগনীয়া অসমীয়া সমাজ আৰু গণ-বিপ্লৱৰ হ'ল মোৱামৰীয়া বিদ্ৰোহ। সাধনা আৰু আবিষ্কাৰত সমাজ সংস্কাৰৰ মনোভাৱ ব্যক্ত কৰা হৈছে। অসম সাহিত্য-সভাৰ বঁটাপোৱা সাধনা উপন্যাসত গঠনমূলক কামৰ ভিতৰেদি সমাজ-সংস্কাৰৰ ইঙ্গিত দিছে, আৰু নায়ক দীনবন্ধু এই সংস্কাৰৰে প্ৰতীক। আদৰ্শ প্ৰচাৰৰ প্ৰচেষ্টাই উপন্যাসখন দুৰ্ব্বল কৰিছে। আবিষ্কাৰ উপন্যাসতো আদৰ্শবাদী আৰু সংস্কাৰকামী মাধৱৰ জৰীয়তে আদৰ্শ ব্যক্ত কৰা হৈছে। পৰিচয় উপন্যাসত বৃটিচ যুগৰ আৰম্ভণ কালৰ এখন ছবি পোৱা যায়। দণ্ডিনাথ কলিতাই কেইবাখনো উপন্যাস ৰচনা কৰিছে যদিও কোনো অমৰ চৰিত্ৰ সৃষ্টি কৰিব পৰা নাই। **শ্ৰীভৈৰৱচন্দ্ৰ তালুকদাৰে ধুৰ্‌লী কুৰ্‌লী** (১৯২২), **অপূৰ্ণ** (১৯৩১) **আগ্নেয়গিৰি** (১৯২৪), **বিদ্ৰোহী** (১৯৩৯) আদি কেইবাখনো উপন্যাস লিখিছে। তেওঁৰ উপন্যাসত সমাজ-সংস্কাৰৰ মনোভাৱ, উচ্চ আদৰ্শবাদ আৰু বিভিন্ন সমস্যাৱলী পোৱা যায়। সমস্যাৰ প্ৰতি সজাগ হোৱাৰ কাৰণে তেওঁৰ চৰিত্ৰসমূহ অমৰ হোৱা নাই।

কুৰি শতিকাৰ আগভাগৰ অন্যান্য লেখকসকল হৈছে **নবীনচন্দ্ৰ ভট্টাচাৰ্য্য** (সামাজিক চিত্ৰ চন্দ্ৰপ্ৰভা, ১৯০৮), **বিনন্দৰাম গগৈ** (প্ৰেম কুঁহি, ১৯১০), **শ্ৰীচিন্তাহৰণ পাটগিৰি** (সংসাৰ চিত্ৰ, ১৯১১), **দণ্ডীধৰ সোনোৱাল**

(চপলা, ১৯২২), **শ্ৰীস্নেহলতা ভট্টাচাৰ্য্য** (বীণা ১৯২৬ আৰু বেমেজালি), ইত্যাদি। এই সময়ত **শৰৎচন্দ্ৰ গোস্বামী** (পাণিপথ, ১৯৩০), আৰু **হৰিনাৰায়ণ দত্ত বৰুৱাই** (চিত্ৰ দৰ্শন, ১৯৩১) বুৰঞ্জীমূলক পটভূমিত উপন্যাস ৰচনা কৰে। **শ্ৰীবিষ্ণুকিঙ্কৰ কলিতাৰ** চিন্তা (১৯৩৮) প্ৰথম অসমীয়া পত্ৰোপন্যাস। এইখন এখন বাস্তৱ উপন্যাস।

১৯৪০ চনত প্ৰকাশিত **শ্ৰীদীননাথ শৰ্ম্মাৰ উষা** উপন্যাসখনিও উল্লেখযোগ্য ৰৰঙণি। **বীণা বৰুৱাৰ** (আচল নাম ডঃ বিৰিঞ্চিকুমাৰ বৰুৱা) **জীৱনৰ বাটত** (১৯৪৪) নামৰ উপন্যাসত অসমৰ মধ্যবিত্ত আৰু গাৱঁলীয়া জীৱনৰ হুবহু সামাজিক চিত্ৰ পোৱা যায়। তগৰ সংযম আৰু ধৈৰ্য্যৰ প্ৰতীক। তেওঁ আদৰ্শ বোৱাৰী। শাহুৱেকৰ টান কথা শুনি তেওঁ বেজাৰ নাপায়। তেওঁৰ স্বামী ধৰণীয়ে কাৰাবৰণ কৰোতে আৰু স্বামীৰ মৃত্যুৰ পিচত তেওঁ নানা দুখ কষ্টৰ মাজেদি জীৱন নিৰ্ব্বাহ কৰিব লগা হয়। উপন্যাসখনৰ গ্ৰাম্য চিত্ৰ আকৰ্ষণীয়। **এইখন** এখন সাৰ্থক যুগোত্তীৰ্ণ উপন্যাস।

দ্বিতীয় মহাসমৰৰ পাচত কেইবাজনো লেখকে উপন্যাস ৰচনা কৰিছে। তাৰ ভিতৰত উল্লেখযোগ্য হৈছে **শ্ৰীদীননাথ শৰ্ম্মাৰ** সংগ্ৰাম (১৯৫৪), নদাই (১৯৫৬), **শ্ৰীৰাধিকামোহন গোস্বামীৰ** চাকনৈয়া (১৯৫৮), আৰু বা-মাৰলি (১৯৫৮), ডঃ **প্ৰফুল্ল দত্ত গোস্বামীৰ** কেঁচাপাতৰ কঁপনি (১৯৫০), **শ্ৰীযোগেশ দাসৰ** ডাৱৰ আৰু নাই (১৯৫৫) আৰু জোনাকীৰ জুই (১৯৫৬) **শ্ৰীবীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্যৰ** ৰাজপথে ৰিঙিয়ায় (১৯৫৬), **শ্ৰীপ্ৰেমধৰ ৰাজখোৱাৰ** ভুলৰ সমাধি (১৯৫৬), **শ্ৰীহিতেশ ডেকাৰ** আজিৰ মানুহ (১৯৫২), নতুন মানুহ (১৯৫৬), মাটিকাৰ (১৯৫৭), এয়েতো জীৱন (১৯৬২), ইত্যাদি। **শ্ৰীনৰকান্ত বৰুৱাৰ** কপিলী পৰীয়া সাধু (১৯৫৪), **চৈয়দ আব্দুল মালিকৰ** ৰথৰ চকৰি ঘুৰে (১৯৫৮), ছবিঘৰ (১৯৫৯), বনজুই (১৯৫৭), সুৰুযমুখীৰ স্বপ্ন (১৯৬০) আদি। শ্ৰীশৰ্ম্মাৰ **সংগ্ৰাম** উপন্যাসত নিম্ন মধ্যবিত্ত সম্প্ৰদায়ৰ এজন শিক্ষিত নিবনুৱা ডেকাৰ আত্মৰক্ষাৰ অৰ্থে সংগ্ৰামৰ কাহিনী পোৱা যায়। শ্ৰীশৰ্ম্মাৰ **নদাই** উপন্যাসত চহা জীৱনৰ বাস্তৱচিত্ৰ পোৱা যায়। শ্ৰীৰাধিকামোহন গোস্বামীৰ **চাকনৈয়া** উপন্যাসত মনস্তত্ত্বমূলক বিশ্লেষণ পোৱা যায়। এই উপন্যাসত "বিবেকৰ মনে-মগজুৰে পৰা সামাজিক চাকনৈয়াৰ প্ৰতিবিম্ব আমাৰ বহুতৰ মনে-মগজুৰে পৰিছে।" **বা-মাৰলি** উপন্যাসত আধুনিকতাৰ প্ৰভাৱত পৰা নাৰী-চৰিত্ৰ চিত্ৰণ কৰা হৈছে। ডঃ

প্ৰফুল্লদত্ত গোস্বামীৰ **কেঁচাপাতৰ কঁপনি** উপন্যাসৰ চৰিত্ৰ-বিশ্লেষণ মন কৰিব লগীয়া। ইয়াত মানুহৰ স্বাভাৱিক যৌন-ক্ষুধাক নতুন ৰূপ দিয়াৰ চেষ্টা কৰা হৈছে। উৎপলৰ মানসিক সংঘাত উল্লেখযোগ্য। শ্ৰীযোগেশ দাসৰ **ডাৱৰ আৰু নাই** উপন্যাসত দ্বিতীয় মহাসমৰজনিত আৰ্থিক আৰু নৈতিক পৰিণতি দেখুৱা হৈছে। চাহবাগিচাৰ বনুৱাৰ জীৱনক কেন্দ্ৰ কৰি উপন্যাসখন ৰচনা কৰা হৈছে। শ্ৰীদাসৰ **জোনাকীৰ জুই** এখন সাৰ্থক উপন্যাস। শ্ৰীবীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্যৰ **ৰাজপথে ৰিঙিয়ায়** বিয়াল্লিশৰ আন্দোলনৰ এদিনৰ ঘটনাৰ পটভূমিত লিখা এখন ৰাজনৈতিক উপন্যাস, আৰু এই উপন্যাসৰ নায়কে লব্ধ স্বাধীনতাই জনসাধাৰণৰ কি হিত সাধন কৰিছে তাকে চিন্তা কৰিছে। শ্ৰীভট্টাচাৰ্য্যৰ **ইয়াৰুইঙ্গম** (১৯৬০) উপন্যাসৰ পটভূমি হৈছে দ্বিতীয় মহাসমৰৰ উত্তৰ-কাল আৰু নগা আন্দোলন। কাহিনী, সংঘাত, মনোবিশ্লেষণ, চৰিত্ৰাঙ্কন, পৰিবেশ-সৃষ্টি, সংলাপ আদিৰ ফালৰ পৰা উপন্যাসখন মনোৰম হৈছে। বিশাং, চাৰেংলা, খুটিংলা, জীৱন, কানিটফাঙ আদিৰ চৰিত্ৰ বৈশিষ্ট্যপূৰ্ণ। পতিতা হলেও চাৰেংলাৰ চৰিত্ৰ স্বকীয় গুণেৰে উজ্জ্বল হৈ উঠিছে। ত্যাগৰ মাজতেই তাই শান্তি লাভ কৰে। তাইৰ চৰিত্ৰ খুটিংলাৰ চৰিত্ৰতকৈ অধিক উজ্জ্বল। চাৰেংলা আৰু মানৱ-জীৱনৰ সুখ-দুখৰ ভাগী আৰেই অমৰ হৈ থাকিব। শ্ৰীপ্ৰমথৰ ৰাজখোৱাৰ **ভুলৰ সমাধিৰ** ঘটনাৰ বৰ্ণনা আৰু চৰিত্ৰাঙ্কন-কৌশল প্ৰশংসিত। মীৰাৰ চৰিত্ৰ বৈচিত্ৰপূৰ্ণ। শ্ৰীনৱকান্ত বৰুৱাৰ **কপিলী পৰিয়া সাধু** উপন্যাসত প্ৰকৃতিৰ সৈতে অন্তৰঙ্গ সম্বন্ধ থকা কপিলীপৰীয়া গাৱঁলীয়া ডেকা গাভৰুৰ কাহিনী পোৱা যায়। ইয়াত কপিলীৰ সত্তা প্ৰাণৱন্ত হৈ উঠিছে। গল্প-লেখক চৈয়দ আব্দুল মালিকৰ উপন্যাসত বিভিন্ন স্তৰৰ সমাজ চিত্ৰিত হৈছে। **সূৰ্য্যমুখী স্বপ্ন** এখন বাস্তৱ-ধৰ্মী উপন্যাস। গুলচৰ চৰিত্ৰই পাঠকৰ ঔৎসুক্য জগাই তোলে। মালিকৰ উপন্যাসৰ দুই এটা চৰিত্ৰই মনৰ গভীৰ স্তৰলৈ ভুমুকি মাৰি যায়। শ্ৰীহিতেশ ডেকাৰ উপন্যাসত মধ্যবিত্ত সম্প্ৰদায়ৰ জীৱন চিত্ৰ পোৱা যায়, আৰু ইয়াত সামাজিক প্ৰথাৰ পৰিবৰ্তন সাধনৰ ইঙ্গিত দিয়া হৈছে। হলী-ৰাম ডেকাৰ **অসময়ৰ** **অলকালৈ চিঠি** (১৯৫০) অসমীয়া সাহিত্যৰ দ্বিতীয় পত্ৰোপন্যাস। শ্ৰীসুৰেশচন্দ্ৰ গোস্বামীৰ সাত বছৰ নতুন কাবেং (১৯৪৯) এখন সাৰ্থক উপন্যাস। মহম্মদ পীয়াৰে সংগ্ৰাম, প্ৰীতি-উপহাৰ, হেৰোৱা স্বৰ্গ, জীৱন নৈৰ পাৰৰ আদি কেইবাখনো উপন্যাস লিখিছে। উপন্যাসসমূহত নিম্নমধ্যবিত্ত সম্প্ৰদায়ৰ দুখ-সুখৰ চিত্ৰ পোৱা যায়। তেওঁৰ কাহিনী মনোগ্ৰাহী হলেও তেওঁ সাৰ্থক

চৰিত্ৰ সৃষ্টি কৰিব পৰা নাই। ডঃ বিৰিঞ্চি কুমাৰ বৰুৱাৰ (**ৰাস্না বৰুৱা** ছদ্ম-নামত) **সেউজী পাতৰ কাহিনী** (১৯৫৮) চাহ বাগিচাৰ পটভূমিত লিখা এখন উল্লেখযোগ্য ৰসোত্তীৰ্ণ অসমীয়া উপন্যাস। চেঙেলীয়া ডেকা নৰেশ্বৰ চাহাবৰ বঙলাত 'বয়' কামত নিযুক্তি আৰু সি বাগিচাত যিমানবোৰ বিভিন্ন চৰিত্ৰৰ মানুহ লগ পালে সেইবোৰৰ খণ্ডিত বৰ্ণনাই উপন্যাসৰ উপজীব্য। চনিয়া, লুখু, বুধু, সুখুৰাম, আলোমণি এই উজ্জ্বল চৰিত্ৰবোৰৰ ভিতৰত সংস্কাৰ-মুক্ত বন হৰিণীৰ দৰে চঞ্চলা চনিয়া ৰাস্না বৰুৱাৰ এক অনুপম সৃষ্টি। লেখকৰ "সূক্ষ্ম পৰ্য্যবেক্ষণ শক্তি, বিভিন্ন চৰিত্ৰৰ স্বকীয় বৈশিষ্ট্যৰে উজ্জ্বল ৰূপায়ন আৰু সৰ্ব্বতোপৰি ভাব-ভাষাৰ চিত্ৰধৰ্ম্মী ব্যঞ্জনাময় প্ৰকাশৰ" বাবেই এই উপন্যাসখনিৰ আদৰ সদায় থাকিব। ওপৰত উল্লেখ কৰা লেখকসকলৰ উপৰিও **শ্ৰীদেৱেন্দ্ৰ নাথ ভট্টাচাৰ্য্য** (ভ্ৰান্তি, কলা-ভাৱৰ, আধুনিকা ইত্যাদি), **শ্ৰীপদ্ম বৰকটকী** (মনৰ দাপোন, খবৰ বিচাৰি, বিচাৰৰ বাবে, কোনো খেদ নাই ইত্যাদি), **শ্ৰীঘনকান্ত গগৈ** (সোণৰ নাঙল), **শ্ৰীকৃষ্ণপ্ৰসাদ বৰঠাকুৰ** (লুইত পাৰৰ ধুনীয়া ছোৱালীজনী, লুইতৰ ইপাৰে সিপাৰে), **শ্ৰীচন্দ্ৰপ্ৰসাদ শইকীয়া** (মন্দাক্ৰান্তা ১৯৬০) **শ্ৰীবীৰেশ্বৰ বৰুৱাৰ** (মন জেতুকাৰ পাত, ১৯৬২), **কুমাৰ কিশোৰ** (কপিলী নীৰৱে কান্দে), **শ্ৰীনাৰায়ণ বেজবৰুৱা** (নতুন দিগন্ত, ১৯৬২) আদি ভালেমান লেখকে উপন্যাস ৰচনা কৰিছে।

এইদৰে যোৱা ১০।১২ বছৰৰ ভিতৰত বিভিন্ন সমস্যা বুকুত লৈ বহুত উপন্যাস ৰচিত হৈছে। দুই চাৰিখনত উৎকট যৌন স্পৃহাও প্ৰকাশ পাইছে। ঔপন্যাসিক দৃষ্টিকোণ অন্তৰ্মুখী হৈ পৰিছে। কোনো কোনো উপন্যাসৰ ওপৰত মনোবৈজ্ঞানিক মতবাদৰ ছাঁ পৰিছে। সাম্প্ৰতিক উপন্যাসত উন্নত ৰচনা-শৈলী আৰু সজীৱ চৰিত্ৰ-সৃষ্টিৰ নিদৰ্শন পোৱা যায়। "তথাপি আধুনিক নানা তৰহৰ সামাজিক আৰু অৰ্থনৈতিক সমস্যাৰ দ্বাৰা প্ৰপীড়িত ব্যক্তি-জীৱনৰ অসহায়তা, দুৰ্দ্দমনীয় জৈৱিক কামনা বাসনাৰ বিজ্ঞানসম্মত বিশ্লেষণ, শ্ৰমবিমুখ সমাজত শ্ৰম আৰু কৰ্ম্ম-নিষ্ঠাৰ তৃপ্তি আদি অলেখ সমস্যাৰ আলমত ভাল উপন্যাস ৰচিত হবলৈ এতিয়াও বাকী" (শ্ৰীত্ৰৈলোক্য নাথ গোস্বামী)।

বিদেশী উপন্যাসৰ ভাঙনি আলোচনীত ওলাইছে আৰু কিছুমান পুথি আকাৰত ওলাইছে। সেইবোৰ হৈছে **শান্তিৰাম দাসৰ** (১৮৯৫-১৯৫৮) মিলন মন্দিৰ (ক্লইষ্টাৰ এণ্ড্ দি হাৰ্থ), ছদ্মবেশিনী (ইষ্ট লিনি) আদি **শ্ৰীলক্ষেশ্বৰ শৰ্ম্মাৰ** পম্পিয়াইৰ প্ৰলয় কাহিনী (লাষ্ট ডেজ অব্ পম্পে) আদি

মাতৃ (গ্ৰেজিয়াৰ ডালেডা ৰচিত), **ডঃ বোহিণীকান্ত বৰুৱাৰ** পৰম **ক্ষুধা** (গ্ৰেট হাঙ্গাৰ), **শ্ৰীবীৰেন বৰকটকীৰ** কুমাৰী পৃথিৱী (ভাৰ্জিন চইল), **শ্ৰীকীৰ্ত্তিনাথ হাজৰিকাৰ** ৰামধেনু (ডি ৰেইনবো), **চৈয়দ আব্দুল মালিকৰ** তীৰ্থযাত্ৰী (ডি পিলগ্ৰিমেজ-জন বয়াৰ) **শ্ৰীনিৰুপমা ফুকনৰ** প্ৰতিজ্ঞা (প্ৰেমচন্দ), মহম্মদ পিয়াৰৰ হাইফেন (আনা কাৰেনিনা) ইত্যাদি। আলোচনীৰ পাতত ওলোৱা ভাঙনি হৈছে **শ্ৰীহৰেন্দ্ৰনাথ কলিতাৰ** নগৰ দুখনৰ কথা (টেল অব্ টু চিটিজ), **শ্ৰীদয়ানন্দ বৰুৱাৰ** মাতৃ (মেক্সিম গৰ্কিৰট মাদাৰ), **নলিনীকান্ত বৰুৱাৰ** পশ্চিম সীমান্তত পূৰ্ণশান্তি (অল কোৱায়েট ইন্ ডি ৱেষ্টাৰ্ণ ফ্ৰণ্ট), ইত্যাদি।

বৰ্ত্তমান শতিকাৰ তৃতীয় দশকত আৰু এবিধ উপন্যাস আৰম্ভ হ'ল, সেয়ে হৈছে **ডিটেক্টিভ উপন্যাস**। এনে উপন্যাসত বুদ্ধিমত্তাৰ চিনাকি পোৱা যায়; আৰু হত্যাকাণ্ড, চোৰাংচোৱাৰ কৃতিত্ব আদি ইয়াৰ মূল কথা। **শ্ৰীকুমুদেশ্বৰ বৰঠাকুৰ** এইবিধ উপন্যাসৰ পথ-প্ৰদৰ্শক। তেওঁৰ উপন্যাসসমূহ হৈছে গোলাই চোৰ, প্ৰিয়ে, পুতুমাইৰ বিয়া, তেজপিয়া ইত্যাদি। **শ্ৰীপ্ৰেমনাৰায়ণ দত্তই** ধাৰাবাহিকভাৱে পা-ফু চিৰিজ নামৰ এলানি ডিটেক্টিভ উপন্যাস প্ৰকাশ কৰিছে উল্লেখযোগ্য। তাৰ ভিতৰত নাৰীদস্যু, ৰামটাঙোন, দৰ্পচূৰ্ণ, মাধমাৰ, দিন-ডকাইত আদি। তেওঁ নিষ্ঠাৰে সৈতে উপন্যাস ৰচনাত মন দিছে। তেওঁ কেইবাখনো গহীন সামাজিক উপন্যাস লিখিছে। যেনে :— নিয়তিৰ নিৰ্ম্মালি (১৯৫৫), প্ৰণয়ৰ স্মৃতি (১৯৫৪), প্ৰাণৰ পৰশ (১৯৫৭), মুক্তিৰ পথেদি (১৯৫৬) ইত্যাদি। উপন্যাসৰ মাজে মাজে হাস্যৰসৰো সোৱাদ পোৱা যায়। **শ্ৰীবেনুধৰ শৰ্ম্মাই** মঙ্গলতিৰ কণ্ঠিমালা (১৮৭০ শক) নাম দি চাৰলক হুমছৰ ডিটেক্টিভ্ উপন্যাসৰ ভাঙনি কৰিছে।

বীণা বৰুৱা (১৯১০-৬৪):—বীণা বৰুৱা আৰু বাম্মা বৰুৱা ছদ্মনামত ডঃ বিৰিঞ্চি কুমাৰ বৰুৱা এম-এ, বি-এল, পি-এইচ-ডি দেৱে উপন্যাস লিখে ডঃ বৰুৱাই নগাঁৱত ১৯১০ চনত জন্মগ্ৰহণ কৰে। তেওঁ কলিকতা বিশ্ববিদ্যালয়ৰ-১৯৩৪ চনত এম-এ আৰু ১৯৩৬ চনত বি-এল মহলাত উঠে। তেওঁ ১৯৪৭ চনত লণ্ডন বিশ্ববিদ্যালয়ৰপৰা পি-এইচ-ডি উপাধি লাভ কৰে। বিভিন্ন আলোচনীত তেওঁৰ গল্প আৰু প্ৰবন্ধ সিচৰতি হৈ আছে।

তেওঁৰ **পটপৰিবৰ্ত্তন** (১৯৪৮) আৰু **অঘোনীবাই** (১৯৫০) গল্পৰ পুথি। তেওঁৰ যুগান্তকাৰী উপন্যাস হৈছে **জীৱনৰ বাটত** (১৯৪৪) আৰু

সেউজী পাতৰ কাহিনী (১৯৫৮)। তেওঁৰ আন পুথি হৈছে **কাব্য আৰু অভিব্যঞ্জনা, অসমীয়া ভাষা, অসমীয়া ভাষা আৰু সংস্কৃতি** (১৯৫৭), **অসমীয়া কথা সাহিত্য** (১৯৫০), **বৌদ্ধধর্ম আৰু সাহিত্য, চুইজাৰলেণ্ড ভ্ৰমণ, দেশ বিদেশৰ সাধু, শ্ৰীৰামানন্দ দেৱৰ গীত** (সং) **অসমীয়া লোক সংস্কৃতি** (১৯৬১), ইত্যাদি ; ইংৰাজী গ্ৰন্থসমূহ হৈছে 'আচামিজ লিটাৰেচাৰ' (Assamese Literature ১৯৪১) '**কালচাৰেল হিষ্টৰী অৱ আসাম**' (Cultural History of Assam), '**মদাৰ্ণ আচামিজ লিটাৰেচাৰ**' (Modern Assamese Literature ১৯৫৭) **শঙ্কৰদেৱ** (Sankardeva Vaisnava Saint of Assam ১৯৬০) ইত্যাদি।

শ্ৰীৰাধিকা মোহন গোস্বামী—শ্ৰীৰাধিকা মোহন গোস্বামী ১৯০৬ খ্ৰীঃ নগাঁৱত ওপজে। তেওঁ ১৯২৯ চনত বি-এ মহলাত উঠে, আৰু পিচত বি এল পৰীক্ষাত উত্তীৰ্ণ হয়। তেওঁ নগাঁৱত ওকালতি কৰে। আৱাহন, জয়ন্তী ৰামধেনু আদিত তেওঁৰ বিভিন্ন গল্প প্ৰকাশিত হৈছে। তেওঁৰ **চাকনৈয়া** (১৯৪২), **বা-মাৰলি** (১৯৫৮) আদি উল্লেখযোগ্য উপন্যাস। তেওঁ **অপৰাধী** আৰু **দুষ্টা ভাৰ্য্যা** নামৰ হত্যাকাণ্ডমূলক কাহিনী পুথি দুখন ৰচনা কৰিছে।

শ্ৰীদীননাথ শৰ্ম্মা—শ্ৰীদীননাথ শৰ্ম্মা ১৯১৪ চনত তেজপুৰ জন্মগ্ৰহণ কৰে। ছাত্ৰ জীৱনৰপৰা তেওঁ সাহিত্য-চৰ্চ্চা কৰিছে। **সত্যনাথ বৰা** আৰু **হেমচন্দ্ৰ বৰুৱাৰ জীৱনীৰ** বাবে ১৯৪০ চনত অসম সাহিত্য-সভাৰ কমলাদেৱী বঁটা পায়। তেওঁৰ প্ৰথম উপন্যাস ঊষা ১৯৩৩ চনৰ **আৱাহনত** ছোৱা ছোৱাকৈ ওলায়। তেওঁৰ উপন্যাসসমূহ হৈছে **সংগ্ৰাম** (১৯৫৪), **নদাই** (১৯৫৬) **মাটি আৰু মানুহ** (মুথামচানৰ গ্ৰথ্ অৱ দি চইলৰ আৰ্হিত), **শান্তি** (১৯৬২) ইত্যাদি আৰু চুটি গল্প হৈছে **অকলশৰীয়া, কোৱাভাতুৰীয়া ওঁঠৰ তলত, দুলাল, পোহৰ** ইত্যাদি।

শ্ৰীবীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্য—শ্ৰীবীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্যৰ জন্ম ১৯২৪ চনত। তেওঁ যোৰহাটৰপৰা ১৯৪১ চনত প্ৰবেশিকা আৰু কটন কলেজৰপৰা ১৯৫৩ চনত বি-এচ, চি, মহলাত উত্তীৰ্ণ হয়। তেওঁ ১৯৫৩ চনত এম এ. পৰীক্ষা উত্তীৰ্ণ হয়। তেওঁ এজন সাংবাদিক। তেওঁ বৰ্ত্তমান নৱযুগ (১৯৬৩) নামৰ সাপ্তাহিক আলোচনীৰ সম্পাদক। তেওঁ ১৯৬২ চনত **ইয়াৰুইঙ্গম** উপন্যাসৰ কাৰণে সাহিত্য একাডেমীৰ বঁটা পায়।

তেওঁৰ উপন্যাসসমূহ হৈছে **ৰাজপথে ৰিঙিয়ায় (১৯৫৬), আই** (১৯৫৮) **ইয়াৰুইঙ্গম** (১৯৬০) আৰু গল্প-সংগ্ৰহ হৈছে **কলং আজিও বয়** (১৯৬২)।

চতুৰ্দ্দশ অধ্যায়

গল্প-সাহিত্য

পুৰণি সাহিত্যত সাধু, ৰূপকথা, কাহিনী, আখ্যান আদিয়ে চুটি গল্পৰ ঠাই অধিকাৰ কৰিছিল। সাধু, ৰূপকথা আদিয়ে বাস্তৱ পৃথিবী অস্বীকাৰ কৰি ৰূপকথাৰ পৃথিবী নিৰ্ম্মাণ কৰিছিল ; আৰু এইবোৰৰ জৰিয়তে নীতিবচন প্ৰচাৰ কৰা হৈছিল। ধৰ্ম্ম আৰু নীতি-শিক্ষাৰ উদ্দেশ্যে জাতক-সাহিত্য, ৰামায়ণ আৰু মহাভাৰতৰ নানা উপকাহিনী, বাইবেলৰ সাধু, পঞ্চতন্ত্ৰ, হিতোপদেশ, ঈচপৰ সাধু আদি ৰচিত হৈছিল। প্ৰকৃততে ভাৰতবৰ্ষ সকলো গল্পৰে জন্মভূমি। ভাৰতবৰ্ষৰ পৰা গল্পৰ ধাৰা গোটেই পৃথিবীত বিয়পি পৰি এক বিশ্বকথাসৰিৎ সাগৰত পৰিণত হৈছে। এই দেশৰ গল্প পাৰস্য আৰু আৰবৰ জৰীয়তে গ্ৰীচ পাইছিলগৈ।

ঊনবিংশ শতিকাত য়ুৰোপত চুটি গল্পৰ আবিৰ্ভাৱ হয়। য়ুৰোপত চতুৰ্দ্দশ শতিকাৰ ইংলণ্ডত জিঅফ্ৰে চচাৰৰ কেণ্টাৰবাৰি টেলচ্ আৰু গিয়োভানি বোকাচ্চিয়ৰ ডেকামেৰণত আধুনিক চুটি গল্পৰ ভৱিষ্যত দীপাৱলীৰ 'প্ৰথম প্ৰদীপ' জ্বলি উঠে। চাৰভেন্তেচে তেওঁৰ ডন্ কুইকচট্ (প্ৰথম খণ্ড ১৬০৫ খ্ৰীঃ ; দ্বিতীয় খণ্ড ১৬১৫ খ্ৰীঃ) পুথিৰ দ্বাৰা মধ্যযুগৰ অন্তঃসাৰশূন্য ৰোমান্সৰ মূল্যবোধক ব্যঙ্গৰ আঘাত কৰিলে। চচাৰ আৰু বোকাচ্চিয় মাটিৰ পৃথিবীলৈ নামি আহে। তেওঁলোকৰ সংসাৰৰ প্ৰতি কৌতূহল জন্মিল। মধ্যযুগৰ ৰোমান্সৰ অৱসান হ'ল। চুটি গল্পৰ জন্ম ঊনবিংশ শতিকাত। বৰ্ত্তমান চুটি গল্পৰ তিনিটা ধাৰা দেখা যায়। যেনে,—ইংৰাজী, ফৰাচী আৰু ৰুচীয়। ফৰাচী আৰু ৰুচীয় গল্পই বিশ্ব-সাহিত্যত যিমান উচ্চস্থান লাভ কৰিছে ইংৰাজী গল্পই সিমান পৰা নাই।

চুটি গল্প এক স্বতন্ত্ৰ সাহিত্য-সৃষ্টি। চুটি গল্পৰ চমু পৰিসৰৰ ভিতৰত একোটা ডাঙৰ সমস্যা বা মনস্তত্বৰ জটিল প্ৰতিক্ৰিয়াৰ বিশদ আলোচনা বা বিশ্লেষণৰ থল নাই ; কিন্তু সমস্যা বা সমস্যাৰ জৰীয়তে উদ্ভৱ হোৱা মনস্তত্বৰ সংঘাত চুটি গল্পৰ প্ৰাণবস্তু। চুটি গল্পই জীৱনৰ একোটা বিশেষ মুহূৰ্ত্তৰ ওপৰত অত্যধিক আলোক-পাত কৰে। ইয়াত কথন ভঙ্গীৰ মূল্য বেচি। চৰিত্ৰ-সৃষ্টি, কথোপকথন পৰিবেশ-সৃষ্টি, ৰচনা-শৈলী, শিল্পচাতুৰ্য্য আৰু প্ৰতীতিৰ সংহতিৰ ওপৰত চুটিগল্প

নির্ভৰশীল। চুটি গল্প-লেখকে পাঠকৰ বুদ্ধিবৃত্তি, অনুভূতি বা অন্তৰতম প্ৰদেশ পর্য্যন্ত আলোড়িত কৰিব পাৰে। চুটিগল্প চিত্ৰধৰ্মী আৰু সংবেদনশীলতা ইয়াৰ এটি লক্ষণ। সংযত প্ৰকাশৰ ওপৰত ইয়াৰ সৌষ্ঠৱ আৰু সৌন্দর্য্য নির্ভৰ কৰে। ইয়াৰ শ্ৰেষ্ঠত্ব নির্ভৰ কৰে ইয়াৰ সূক্ষ্ম ব্যঞ্জনা-দীপ্তিৰ ওপৰত। চুটি গল্পৰ ৰাজ্যত ক্ৰমে কাহিনীৰ নির্ব্বাসন ঘটিবৰ উপক্ৰম হৈছে। চুটি গল্পৰ ৰাজ্যত মোপাছাঁ (Guy de Maupassant) আৰু চেখভৰ (Anton P. Chekov) দুটা বিভিন্ন প্ৰবাহ দেখা যায়।

আমাৰ দেশত আগতে সাধু কথাৰ প্ৰচলন আছিল। এই সাধু আমাৰ স্বীয় সম্পত্তি। এই সাধু বৰ্ত্তমান যুগত লিপিবদ্ধ কৰা হৈছে। গুণাভিৰাম বৰুৱাৰ পত্নী **বিষ্ণুপ্ৰিয়া দেৱীৰ সাধুকথা, জ্ঞানানন্দ জগতীৰ** (তুলসী প্ৰসাদ[illegible]) **সাধুকথাৰ জোলোঙা** (১৯০৯), **লক্ষ্মীনাথ বেজবৰুৱাৰ বুঢ়ী আইৰ সাধু** (১৯১১), **ককাদেউতা** আৰু **নাতিলৰা** (১৯১২) আৰু **জুনুকা** (১৯১৩), আৰু **শৰৎচন্দ্ৰ গোস্বামীৰ অসমীয়া সাধুকথা** (১৯২৯) আদিত পুৰণি সাধু সংৰক্ষণৰ প্ৰচেষ্টা দেখা যায়।

উনবিংশ শতিকাৰ শেষ ভাগত পাশ্চাত্য সাহিত্যত চুটি গল্পই স্বকীয়া গঢ় লয়। বিংশ শতিকাৰ প্ৰথম ভাগত সাধুকথাৰ গাতে আওজি **লক্ষ্মীনাথ বেজবৰুৱাৰ** হাতত চুটিগল্প জন্ম হয়। দেশীসাধু আৰু বিদেশী গল্পৰ অভিনৱ সংমিশ্ৰণৰ ফলত এইবিধ সাহিত্যৰ সোঁত বৰলৈ ধৰে। বেজবৰুৱাৰ দুই এটা গল্পত ৰবীন্দ্ৰনাথ ঠাকুৰৰ (যেনে, ৰতন মুণ্ডাৰ ওপৰত পোষ্ট মাষ্টৰৰ প্ৰভাৱ) প্ৰভাৱ দেখা যায়। বেজবৰুৱাৰ গল্পত অসমীয়া জাতীয় জীৱনৰ সম্ভৱ আৰু সম্ভাব্য কিছুমান চিত্ৰ আমাৰ চকুত ধৰা পৰে। তেওঁৰ গল্পত ৰজাদিনীয়া অসম, মানৰ দিনৰ প্ৰপীড়িত অসম আৰু আধুনিক অসমৰ বেলেগ বেলেগ চিত্ৰ পোৱা যায়। বিদেশী শাসকসকলৰ অনুকৰণপ্ৰিয়তাৰ অসাৰ্থকতা প্ৰতিপন্ন কৰিবৰ কাৰণে তেওঁৰ জাতীয়তাবাদী মনে ভেমপুৰীয়া মৌজাদাৰ, ভোকেন্দ্ৰ বৰুৱা, নাঙলচন্দ্ৰ দাস, ঘণ্টাকৰ্ণ শৰ্ম্মা, ফয়ছলা নবিছ, মলক গুইন গুইন আদিৰ নিচিনা বাস্তৱ চৰিত্ৰ সৃষ্টি কৰিছে। জগৰা-মণ্ডলৰ প্ৰেমাভিনয়, আমাৰ কানীয়া সভাৰ এক অধিবেশন আদি গল্পত ব্যঙ্গ আৰু হাস্যৰসাত্মক ভাব প্ৰকাশ পাইছে। ভদৰী গল্পৰ সংলাপ বৰ সংযত। মোপাছাঁৰ সাতসৰী (নেকলেছ) গল্পৰ দৰে যেন প্ৰতিটো শব্দ ওজন কৰি ব্যৱহাৰ কৰা হৈছে। বেজবৰুৱাই সাধু আৰু গল্পৰ ভিতৰত পাৰ্থক্য নেৰাখিছিল। **সাধু কথাৰ কুকি** (১৯১২), **সুৰভি**

আৰু জোনবিবি (১৯১৩) গল্পৰ পুথিয়ে এই কথাৰ প্ৰমাণ দিয়ে। হাস্যৰসেও কেতিয়াবা গল্প-কোৱাত অন্তৰায়ৰ সৃষ্টি কৰে। তথাপি তেওঁৰ গল্পই বিশ্ব-মানৱৰ সূক্ষ্ম ভাব-অনুভূতি প্ৰকাশ কৰে। তেওঁৰ গল্পৰ ঐতিহাসিক মূল্য সদায় থাকিব।

বেজবৰুৱাৰ পাচতে **শৰৎচন্দ্ৰ গোস্বামীৰ** হাতত গল্প-সাহিত্যই এটা কলা (আৰ্ট) হিচাপে গঢ লয়। তেওঁৰ গল্পত সৰল বাক্‌ভঙ্গীৰ ভিতৰেদি অনুভূতি প্ৰকাশ কৰিব পৰা শক্তি আৰু অৱস্থা প্ৰকাশৰ উপযোগী বচন-ভঙ্গী পোৱা যায়। তেওঁৰ গল্পৰ সুসংযত আৰু নিৰাভৰণ ঠাঁচ উল্লেখযোগ্য। **গল্পাঞ্জলি, ময়না** আৰু **বাজিকৰ** পুথিৰ গল্পৰপৰা তেওঁ চুটি গল্প লেখক স্বৰূপে কৃতিত্ব অৰ্জ্জন কৰিছে। ঘনুচা, নৈৰ দাঁতিত, অদৃষ্ট আদি গল্পত নিয়তিৰ পৰিহাস প্ৰকট হৈছে। বনৰীয়া প্ৰণয়, নদৰাম আদি গল্পত জনজাতি জীৱনৰ আভাস পোৱা যায়। হৰিণা আদি ইতৰ প্ৰাণীৰ প্ৰতিও অনুভূতি কোনো কোনো গল্পত প্ৰকাশ পাইছে।

শৰৎ চন্দ্ৰ গোস্বামী (১৮৮৭-১৯৪৪): ললিত চন্দ্ৰ গোস্বামীৰ পুত্ৰ শৰৎ চন্দ্ৰ গোস্বামী ১৮৮৭ খ্ৰীঃত জন্ম হয়। তেওঁ ১৯০৪ চনত গুৱাহাটীৰ উচ্চ ইংৰাজী বিদ্যালয়ৰপৰা প্ৰবেশিকা আৰু ১৯০৬ চনত কটন কলেজৰপৰা এফ-এ মহলাত উত্তীৰ্ণ হয়। তেওঁ ১৯০৮ খ্ৰীঃত কলিকতাৰপৰা বি-এ পৰীক্ষাত উত্তীৰ্ণ হৈ শিক্ষা বিভাগৰ চাকৰিত সোমায়। তেওঁ পোনতে ডেপুটি ইন্সপেক্টৰ কামত সোমায় আৰু শেহত ইন্সপেক্টৰ অব্ স্কুলচ পদলৈ উন্নীত হয়। তেওঁ ১৯৪৩ চনত অৱসৰ লয়। তেওঁ ছাত্ৰ অৱস্থাত ৰচনা কৰা গল্প জোনাকাত প্ৰকাশ হৈছিল। তেওঁ গল্পাঞ্জলি (১৯১৪), ময়না (১৯২৫) আৰু বাজিকৰ (১৯৩০) গল্পৰ উপৰিও পাণিপথ (১৯৩০) নামৰ উপন্যাস আৰু শ্ৰীৰূপচন্দ্ৰ ভাগৱতী ছদ্মনামত **পৰীক্ষা** (১৯৩০) নামৰ এখন ৰূপক নাটক ৰচনা কৰে। তেওঁ মহাসমৰ, পেৰিক্লিচ, শিক্ষাবিধি, অসম দেশৰ পুৰণি কথা, পৰিদৰ্শন আদি পুথি লিখে। অধ্যাপক জয়কৃষ্ণ মিশ্ৰৰ সহযোগত তেওঁ নীতি-লতাঙ্কুৰ নামৰ এখন পুথি সম্পাদনা (১৯৪১ খ্ৰীঃ) কৰি প্ৰকাশ কৰে। তেওঁ অসম সাহিত্য সভাৰ অন্যতম প্ৰতিষ্ঠাতা।

শৰৎচন্দ্ৰ গোস্বামীৰ সমসাময়িক **দেবেশ্বৰ শৰ্ম্মাই** (১৮৮৭-১৯৭৯) কুৰি শতিকাৰ তৃতীয় দশকলৈকে ছদ্মনামত (শ্ৰীদে-শ) 'আলোচনী', 'বাঁহী', 'নজোন' আদি আলোচনীত গল্প লিখে। তেওঁৰ গল্প-মালিকা (১৯৬১)

নামৰ সংগ্ৰহ এখনি ওলাইছে। বাঁহী, মইনা নোপোহো, চঁপা, আজিহে মোৰ বিয়া আদি গল্পত সমাজৰ বিভিন্ন শ্ৰেণীৰ জীৱনৰ চিত্ৰণ পোৱা যায়। পৰিবেশ সৃষ্টি আৰু কথোপকথনৰ সমন্বয়ত গল্পবোৰ আকৰ্ষণীয় হৈছে।

শ্ৰীনকুল চন্দ্ৰ ভুঞাৰ (জন্ম ১৮৯৫ খ্ৰীঃ) গল্পত চহা জীৱনৰ ডেকা-গাভৰুৰ প্ৰেম-প্ৰীতি, অনুৰাগ আদিৰ লগত বিধাতাৰ নিদাৰুণ দৃষ্টিপাত মিহলি হৈ সহানুভূতিৰ উদ্ৰেক কৰে। তেওঁৰ **চোৰাং চোৰাৰ চৰা** (১৯১৮), **গল্পৰ শৰাই** (১৯৬২) আদি গল্পৰ পুথি উল্লেখযোগ্য। সাংবাদিক **শ্ৰীলক্ষ্মীনাথ ফুকনৰ** (জন্ম ১৮৯৭ খ্ৰীঃ) গল্পত প্ৰাঞ্জল ৰচনা ৰীতিৰ লগতে এটি সমাজ সচেতন মনো পোৱা যায়। তেওঁৰ **মালা** (১৯১৮) আৰু **ওফাইদাং** (১৯৫২ (দুখন উল্লেখযোগ্য গল্পৰ পুথি। এই গল্পবোৰত অনুভূতিৰ গাঢ়তা, হাস্যৰস, সংযম আৰু শব্দ-বাছনিৰ কৌশল মন কৰিবলগীয়া। **শ্ৰীমিত্ৰদেৱ মহন্তৰ** (১৮৯৫ খ্ৰীঃ) **চন্দ্ৰহাৰ** (১৯১৪, ১৯৬২) নামৰ গল্প-সঙ্কলনত অসমৰ গ্ৰাম্য জীৱনৰ চিত্ৰ ফুটি উঠিছে। জতুৱা ঠাচ, ফকৰা আৰু যোজনাৰে সমৃদ্ধ গল্পবোৰক হাস্যৰসে উজ্জ্বল কৰিছে।

দণ্ডিনাথ কলিতাৰ (১৮৯০-১৯৫৫) গল্পত জগতৰ সুখ-দুখৰ কাহিনী পোৱা যায়। তেওঁ সামাজিক বৈষম্যৰ প্ৰতি সজাগ। তেওঁৰ চৰিত্ৰসমূহে সমাজৰ নানা ঘাত-প্ৰতিঘাতৰ মাজেদি উটি বুৰি ফুৰে। কোনো কোনো গল্পত বিদ্ৰোহৰ ভাব স্পষ্ট হৈছে। **সাতসৰীৰ** (১৯২৫) হৰিচৰণৰ বিয়া গল্পত হৰিচৰণ আৰু ললিতাৰ বিবাহত সামাজিক বান্ধোনে অন্তৰায়ৰ সৃষ্টি কৰিলেও শেহত দুয়োৰে বিবাহ হয়। ডঃ **সূৰ্য্যকুমাৰ ভুঞাৰ** 'পঞ্চমী' (১৯২৫) পাচোটা চুটি গল্পৰ সমষ্টি। **ৰামানন্দ বৈশ্যৰ** ছটা গল্পৰ সংগ্ৰহ চানেকিৰ (১৯২৭) প্ৰতিশোধ নামৰ বুৰঞ্জীমূলক গল্পটোত সেনাপতিৰ মানসিক দ্বন্দ্ব অঙ্কিত হৈছে।

আৱাহন যুগৰ লগে লগে যুগোচিত গল্প ৰচনাৰ এটি চেষ্টা দেখা যায়। "বাঁহী আৰু চেতনাৰ আপেক্ষিক ৰক্ষণশীল সুৰৰ তুলনাত আৱাহনৰ গল্পৰ মাজেদি বাজি উঠিছে এটা মুক্তিৰ উন্মাদনা আৰু কল্পনাৰ স্বতন্ত্ৰতা। অনেক গল্পত মানৱৰ আদিম প্ৰবৃত্তিয়ে আৰু জৈৱিক বাসনাই সমাজৰ সকলো বন্ধন মুক্ত হৈ নগ্নৰূপ ধাৰণ কৰিছে। সমাজৰ ভাৱণাত অন্তৰৰ নিভৃততম কোণত লুকাই থকা অনেক ভাবে ভালেমান গল্পৰ মাজেদি জিলিকি উঠি সংস্কাৰৰ উৰলি যাব ধৰা অলজ্ঘ্য প্ৰাচীৰৰ স্বৰূপ পোহৰাই তুলিছে" (শ্ৰীত্ৰৈলোক্যনাথ গোস্বামী)।

১৯৩৬ চনৰপৰা আমাৰ গল্প-সাহিত্যত ছেকভৰ প্ৰভাৱ পৰিবলৈ ধৰে। আনহাতে ফ্ৰয়ড, ইয়ুং আদিৰ প্ৰভাৱো পৰিলক্ষিত হয়।

শ্ৰীমহীচন্দ্ৰ বৰা, হলীৰাম ডেকা, জমিদাৰ নগেন্দ্ৰ নাৰায়ণ চৌধুৰী, শ্ৰীত্ৰৈলোক্যনাথ গোস্বামী, লক্ষ্মীধৰ শৰ্মা, ৰমা দাস আদিৰ গল্পত জনজাতি লোকৰপৰা আৰম্ভ কৰি হাকিমলৈকে সকলো চৰিত্ৰই ঠাই পাইছে। **শ্ৰীমহীচন্দ্ৰ বৰাৰ** (১৮৯৫ খ্ৰীঃ) সামাজিক আলোচনামূলক গল্পবোৰ নিভাঁজ আৰু অকৃত্ৰিম হাস্যৰস, ভাষাৰ প্ৰাঞ্জলতা, নিখুঁত ৰচনা-ৰীতি আৰু স্বকীয় প্ৰকাশ-ভঙ্গীৰ কাৰণে বিখ্যাত। ৰচনা-ৰীতিৰ মাধুৰ্য্য আৰু হাস্যৰসৰ ইঙ্গিতৰ কাৰণে **হলীৰাম ডেকাৰ** গল্পবোৰ সৰবৰহী। তেওঁ সাধাৰণ মানুহৰ জীৱনৰ মাধুৰী আৰু সৌন্দৰ্য্য আৱিষ্কাৰ কৰিছে। ঔৎসুক্য, ভাষাৰ গতি, গল্পৰ গাথনি আদিয়ে তেওঁৰ গল্পবোৰ মোহনীয় কৰি তুলিছে। তেওঁ সামাজিক ভণ্ডামিবোৰ আমোদৰ ভঙ্গীৰে চিত্ৰণ কৰিছে আৰু কোনো কোনো গল্পত ব্যঙ্গৰ সুৰো পোৱা যায়। **নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ** (১৮৮১-১৯৪৭ খ্ৰীঃ) কিছুমান গল্প উপন্যাসৰ ক্ষুদ্ৰ তাওৰণ বুলিব পাৰি। তেওঁৰ দীঘল গল্প কেইটাত (প্ৰতিজ্ঞা, বৰ্গীতৰা, পৰিবৰ্ত্তন ইত্যাদি) বিভিন্ন ঘটনাৰ সমাবেশ হৈছে কিন্তু ভাব কেন্দ্ৰীভূত হোৱা নাই। তেওঁৰ গল্পৰ ব্যঙ্গোক্তি (যেনে, দুৰ্দৈব) আকৰ্ষণীয় নহয়। তেওঁৰ গল্পত নিপীড়িত আৰু নিষ্পেষিত মানুহৰ প্ৰতি সহানুভূতি দেখা যায়। **শ্ৰীত্ৰৈলোক্যনাথ গোস্বামীৰ** গল্পত সমাজৰ অনাচাৰ অবিচাৰত নিষ্পেষিত স্ত্ৰী-পুৰুষৰ চৰিত্ৰ পোৱা যায়। তেওঁ সামাজিক বৈষম্যৰ প্ৰতি সজাগ। **মৰীচিকা, শিল্পীৰ জন্ম, অৰুণা** আদি পুথিৰ গল্পবোৰত এই বৈশিষ্ট্য ফুটি ওলাইছে। সংযত শব্দ প্ৰয়োগ, গহীন ৰচনা-ৰীতি আৰু বাস্তৱ চৰিত্ৰ চিত্ৰণ তেওঁৰ গল্পৰ বৈশিষ্ট্য। কম হলেও **লক্ষ্মীধৰ শৰ্মাৰ** গল্পত শিল্পী-মন আৰু মূৰ্ত্তিমান প্ৰাণৰ পৰিচয় পোৱা যায়। **ব্যৰ্থতাৰ দান** (১৯৩০) নামৰ তেওঁৰ গল্পৰ পুথিত "শক্তিমন্ত প্ৰাণৰ বৈশিষ্ট্য-মূলক ঘনীভূত জীৱনৰ ছায়া" পোৱা যায়। আকৰ্ষণীয় চৰিত্ৰাঙ্কণ, সমাজ-সচেতন, জটিল মনোবিশ্লেষণ, ঔৎসুক, ভাষাৰ তীব্ৰতা, প্ৰকাশভঙ্গী আদিয়ে তেওঁৰ গল্পসমূহক এক নতুন আলোকপাত কৰিছে। তেওঁৰ গল্পত আধুনিক বাস্তৱবাদৰ ছাঁ পৰিছে। তেৱেঁই অসমীয়া গল্প-সাহিত্যত ফ্ৰয়েডৰ (Freud) যৌনতত্ত্বৰ সোঁত বোৱায়। **শ্ৰীৰমা দাসৰ** (১৯০৯ চন) গল্পত কল্পনাৰ সংযমতা, প্ৰকাশ ভঙ্গী, বৰ্ণনাৰ মাধুৰ্য্য, নিখুঁত শব্দ-গাথনি, ভাষাৰ সাৱলীলতা, জৈৱিক

প্ৰবৃত্তিসমূহৰ অবাধ বিচৰণ আদি পোৱা যায়। তেওঁৰ বৰ্ষা যেতিয়া নামে তিনিখন চিঠিৰ সৈতে এটা মনোৰম গল্প। **বীণা বৰুৱাই** (ডঃ বিৰিঞ্চিকুমাৰ বৰুৱা) সামাজিক আৰু ৰোমাণ্টিক দুয়োবিধৰ গল্প লিখিছে, আৰু এই প্ৰসঙ্গত **পট পৰিবৰ্ত্তন** (১৯৪৮) আৰু **আঘোণী বাই** (১৯৫০) নামৰ গল্পৰ পুথি দুখন উল্লেখ কৰিব পাৰি। ৰোমাণ্টিক গল্পৰ ভিতৰত লাপেলি গল্পটোত এটা করুণ আবেদন আছে। অনাড়ম্বৰ বাক-ভঙ্গীয়ে আঘোণী বাইৰ নিচিনা সামাজিক গল্পবোৰ মোহনীয় কৰি তুলিছে। **শ্ৰীৰাধিকামোহন গোস্বামীৰ** (১৯০৬ খ্ৰীঃ) গল্পত মধ্যবিত্ত সমাজৰ সমস্যা আৰু চিন্তাধাৰা আকৰ্ষণীয় পৰিস্থিতিৰ যোগেদি বৰ্ণোৱা হৈছে। **শ্ৰীকৃষ্ণ ভুঞা** আৰু **শ্ৰীমুনীন বৰকটকীৰ** গল্পবোৰ বাস্তৱধৰ্ম্মী আৰু সেইবোৰৰ প্ৰকাশ-ভঙ্গীও মনোৰম। **শ্ৰীদীননাথ শৰ্ম্মাৰ** গল্পত ঔপন্যাসিক চিন্তাধাৰাৰ প্ৰভাৱ পৰিলক্ষিত হয়। বিভিন্ন আলোচনীত ওলোৱা গল্পৰ উপৰিও তেওঁৰ দুলাল, কোৱা ভাতুৰীয়া ওঁঠৰ তলত, কল্পনা আৰু বাস্তৱ, অকলশৰীয়া, পোচৰ আদি গল্পৰ পুথি প্ৰকাশ হৈছে। **শ্ৰীউমাকান্ত শৰ্ম্মাৰ** 'ঘূৰণীয়া পৃথিৱ'ৰ বেঁকা পথ' (১৯৪৭) নামৰ গল্প-সঙ্কলনখনিত দাৰ্শনিক চিন্তাধাৰাই মাজে সময়ে ভুমুকি মাৰে। **চৈয়দ আব্দুল মালিকে** আৱাহন যুগৰেপৰা ৰামধেনুৰ যুগলৈকে একেৰাহে নিষ্ঠাৰে গল্প ৰচনা কৰিছে। বিষয়-নিৰ্ব্বাচন আৰু ৰচনা-কৌশলৰ ক্ষেত্ৰত মোপাছাঁৰ দৰে তেওঁৰ গল্পত করুণ ৰসৰ আবেদন আছে। তেওঁ বিভিন্ন স্তৰৰ চৰিত্ৰ সৃষ্টি কৰিছে। তেওঁৰ গল্পত "জৈৱিক সাৰবস্তু" পৰিলক্ষিত হয়। কিন্তু যুদ্ধোত্তৰ কালত তেওঁৰ গল্পৰ সুৰ কিছুদূৰ সলনি হৈছে। ওপৰত উল্লেখ কৰা লোকসকলৰ উপৰিও শ্ৰীপ্ৰবোধচন্দ্ৰ গোস্বামী, শ্ৰীহৰিপ্ৰসাদ গোৰ্খাৰায়, শ্ৰীগোবিন্দচন্দ্ৰ পৈৰা, শ্ৰীসুপ্ৰভা গোস্বামী, জমিৰউদ্দিন আহ্মদ, শ্ৰীনিৰ্ম্মলা দেৱী আদি ভালেমান লেখক-লেখিকাই বিভিন্ন আলোচনীত গল্প লিখিছে।

ৰামধেনু যুগত আঙ্গিক আৰু দৃষ্টিভঙ্গীৰ ফালৰপৰা ন ন গল্প ৰচনা হৈছে। সূক্ষ্ম মনোবিশ্লেষণ, অৱহেলিত মানুহৰ প্ৰতি দৃষ্টি নিক্ষেপ, সাধাৰণ কাহিনীত অসাধাৰণৰ বোল সনা, জৈৱিক সাৰবস্তু আদি বিভিন্ন দৃষ্টিকোণৰ পৰা গল্প লিখা হৈছে। নতুন নতুন আঙ্গিকৰ পৰীক্ষাও চলিছে। ছেকভৰ প্ৰভাৱ, জেমছ জয়েছৰ মনস্তত্ত্বমূলক গল্পসমূহৰ প্ৰভাৱ, ফ্ৰয়েড, য়ুং আদিৰ মনস্তত্ত্বমলক বিশ্লেষণৰ প্ৰভাৱ আদি সাম্প্ৰতিক অসমীয়া গল্প-সাহিত্যত পৰিলক্ষিত হয়। এই যুগত শ্ৰীযোগেশ দাস, শ্ৰীবীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্য, শ্ৰীমহিম বৰা, শ্ৰীসৌৰভকুমাৰ চলিহা, ডঃ হেম বৰুৱা, শ্ৰীচন্দ্ৰপ্ৰসাদ শইকীয়া, শ্ৰীভবেন শইকীয়া, শ্ৰীহোমেন

বৰগোহাঞি, শ্ৰীৰোহিণী কুমাৰ কাকতি, শ্ৰীলক্ষ্মীনন্দন বৰা, শ্ৰীস্নেহ দেৱী, শ্ৰীনিৰোদ চৌধুৰী আদি কেইবাজনো লেখকে খ্যাতি অৰ্জন কৰিছে। এই যুগৰ গল্পৰ বিষয়ে অধ্যক্ষ শ্ৰীত্ৰৈলোক্যনাথ গোস্বামীৰ ভাষাৰে কব পাৰি—'ভালেমান গল্পত অৱশ্যে বাক্-সংযমৰ জৰী ঢিলা হৈ পৰিছে আৰু পৰিবেশ সৃষ্টিৰ নামত আৱশ্যকীয় ভূমিকাৰ ওপৰত অধিক গুৰুত্ব আৰোপিত হৈছে। কাব্যিক সৌন্দৰ্য্যৰ মোহত অভিভূত হৈ পৰা লেখকো নোহোৱা নহয়। যৌন ক্ষুধাৰ প্ৰচণ্ডতাৰ চিত্ৰ ফুটাই তুলিবলৈ যাওঁতে কোনো গল্পত নগ্নতা প্ৰকাশ হৈয়ো পৰিছে। আধুনিক গল্প যথেষ্ট সমৃদ্ধ হৈছে।'

হলীৰাম ডেকাঃ—হলীৰাম ডেকা কামৰূপৰ সৰ্থেবাৰীত ১৯০১ চনৰ জুন মাহত ওপজে। তেওঁ ১৯১৮ চনত প্ৰবেশিকা আৰু ১৯২২ চনত কটন কলেজৰ পৰা বি-এ মহলাত উঠে। তেওঁ কলিকতা বিশ্ববিদ্যালয়ৰপৰা ১৯২৫ চনত এম-এ আৰু ১৯২৬ চনত বি-এল মহলাত উঠে। তেওঁ পোনতে গুৱাহাটীত ওকালতি আৰম্ভ কৰে; পাচত ১৯৩২-৪৬ চনলৈ কলিকতা হাইকোৰ্টত ওকালতি কৰে। তাৰ পিচত ক্ৰমে ৰেভেনিউ ট্ৰিবিউনেলৰ সভ্য, অসম হাইকোৰ্টৰ ৰেজিষ্টাৰ, উজনি অসমৰ জিলা আৰু চেচন জাজ, অসম হাইকোৰ্টৰ ন্যায়াধীশ আৰু শেহত মুখ্য ন্যায়াধীশ হয়। তেওঁৰ প্ৰথম গল্পটো ১৯২১ চনৰ বাঁহীত প্ৰকাশিত হয়, আৰু তেতিয়াৰে পৰা তেওঁ বাঁহী, চেতনা, আৱাহন, ৰামধেনু আদি আলোচনীত একেৰাহে লিখি আছে। তেওঁৰ পত্ৰোপন্যাস অলকালৈ চিঠি ১৯৫০ চনত প্ৰকাশিত হয়। তেওঁ ১৯৬২ চনৰ ২০ ডিচেম্বৰত ঢুকায়।

শ্ৰীত্ৰৈলোক্যনাথ গোস্বামী—জন্মিকান্ত দেব গোস্বামীৰ পুত্ৰ শ্ৰীত্ৰৈলোক্য-নাথ গোস্বামী ১৯০৬ খ্ৰীঃত নলবাৰীত ওপজে। তেওঁ ১৯২৬ চনত নলবাৰীৰ পৰা প্ৰবেশিকা, কটন কলেজৰপৰা ১৯৩০ চনত বি-এ আৰু ১৯৩২ খ্ৰীষ্টাব্দত এম-এ মহলাত উঠে। তেওঁ ১৯৩৫ খ্ৰীঃত বি এল পৰীক্ষাত উত্তীৰ্ণ হয়। তেওঁ পোনতে শিক্ষকতা কৰে, আৰু ১৯৪৫ খ্ৰীঃত নলবাৰী কলেজৰ অধ্যক্ষ হয়।

তেওঁ আৱাহন যুগৰ এজন প্ৰসিদ্ধ গল্প-লেখক। তেওঁৰ প্ৰকাশিত গল্পৰ পুথি হৈছে অৰুণা (১৯৪৮), মৰীচিকা (১৯৪৮) আৰু শিল্পীৰ জন্ম (১৯৫৭) তেওঁৰ জীয়া মানুহ (১৯৫৪) এখন ব্যঙ্গ উপন্যাস। তেওঁ সাহিত্য-আলোচনা (১৯৫০) নামৰ এখন পুথি ৰচনা কৰে। এই পুথিৰ এটা ডাঙৰ তাঙৰণ ১৯৬১ চনত প্ৰকাশিত হৈছে।

লক্ষ্মীধৰ শৰ্ম্মা—তেজপুৰ ভীৰগাওঁত ১৮৯৮ খ্ৰীঃত দেশপ্ৰাণ লক্ষ্মীধৰ শৰ্ম্মাৰ

জন্ম হয়। তেওঁ গুৱাহাটীৰ কলেজিয়েট স্কুলৰপৰা ১৯১৬ চনত প্ৰবেশিকা আৰু ১৯২০ চনত বি-এ পৰীক্ষাত উত্তীৰ্ণ হয়। তেওঁ কলিকতাত এম-এ, আৰু আইন পঢ়িবলৈ যায়। কিন্তু ১৯২১ চনৰ 'অসহযোগ আন্দোলনত যোগদান কৰে। পুনৰ ১৯২৩ চনত এম-এ আৰু বি-এল পঢ়িবলৈ কলিকতালৈ যায়। যথাসময়ত এম-এ আৰু বি-এল মহলাত উঠি পোনতে গুৱাহাটীত ওকালতি আৰম্ভ কৰে আৰু পিচত তেজপুৰলৈ যায়। ১৯৩০-৩২ চনত আইন অমান্য আন্দোলনত তেওঁ কাৰাবৰণ কৰে। এই সময়তে তেওঁৰ পত্নী প্ৰতিভা দেৱী ক্ষয়ৰোগত ঢুকায় আৰু পাচত তেৰোঁ সেই ৰোগত আক্ৰান্ত হৈ ১৯৩৪ চনৰ ৩ মেত মৃত্যু হয়। তেওঁ সাময়িক আলোচনীত চুটি গল্প, নাটক, প্ৰবন্ধ, জীৱনী আদি লিখে। তেওঁৰ এতিয়ালৈকে প্ৰকাশিত পুথিসমূহ হৈছে ব্যৰ্থতাৰ দান (১৯৩০), দেশৰ কথা (একাঙ্ক নাটক), নিৰ্ম্মলা (একাঙ্ক নাটক) ইত্যাদি। ইয়াৰ উপৰি নিষ্ঠা নামৰ এখন উপন্যাস ছপাখানাৰ পৰা হেৰায়; আৰু অনাগতৰ অভিশাপ (গল্পৰ পুথি), জীৱন-স্মৃতি আদি পুথি অপ্ৰকাশিত। 'আমাৰ দেশত' একলব্য নামৰ এখন নাটিকা প্ৰকাশ হৈছিল।

চৈয়দ আব্দুল মালিক :—চৈয়দ আব্দুল মালিকে ১৯১৮ চনত ডেৰগাৱঁত ওপজে। তেওঁ যোৰহাট চৰকাৰী হাইস্কুলৰপৰা ১৯৩৭ চনত প্ৰবেশিকা, যোৰহাট জগন্নাথ বৰুৱা কলেজৰপৰা ১৯৩৯ চনত আই-এ, কটন কলেজৰ পৰা ১৯৪১ চনত বি-এ মহলাত উঠে। তেওঁ ১৯৫১ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ এম-এ পৰীক্ষাত উত্তীৰ্ণ হয়। তেওঁ বৰ্ত্তমান জগন্নাথ বৰুৱা কলেজৰ অধ্যাপক। সাময়িক আলোচনীত প্ৰকাশিত বিভিন্ন গল্পৰ উপৰিও তেওঁৰ প্ৰকাশিত গল্পৰ পুথি হৈছে পৰশমণি (১৯৪৬), এজনী নতুন ছোৱালী (১৯৫২), ৰঙাগৰা (১৯৫৩), মৰহা পাপৰি (১৯৫৪), শিল আৰু শিখা (১৯৬২) ইত্যাদি। তেওঁৰ উপন্যাসসমূহ হৈছে ৰথৰ চকৰি ঘূৰে (১৯৫৮), ছবিঘৰ (১৯৫৯), বনজুই, সুৰুজমুখীৰ স্বপ্ন (১৯৬০), জীয়াজুৰিৰ ঘাট (১৯৬০), কণ্ঠহাৰ (১৯৬১), অন্য আকাশ অন্য তৰা (১৯৬২), ৰূপতীৰ্থৰ যাত্ৰী (১৯৬৩) ইত্যাদি। তেওঁ ৰাজদ্ৰোহী (১৯৫৬) নামৰ এখন বুৰঞ্জীমূলক নাটক ৰচনা কৰিছে। তেওঁৰ সম্পাদিত অসমীয়া জিকিৰ আৰু জাৰী নামৰ পুথি ১৯৫৮ চনত প্ৰকাশিত হয়।

শ্ৰীযোগেশ দাস—শ্ৰীযোগেশ দাস ১৯২৭ চনত ডুমডুমাত জন্মগ্ৰহণ কৰে। তেওঁ বি-এ মহলাত উত্তীৰ্ণ হৈ শিক্ষকতা কৰে। তেওঁ গুৱাহাটী

বিশ্ববিদ্যালয়ৰ এম-এ পৰীক্ষাত উত্তীৰ্ণ হৈ গুৱাহাটীৰ শোলা বৰুৱা কলেজত অধ্যাপনা কৰিছে। তেওঁ ডাৱৰ আৰু নাই (১৯৫০) জোনাকীৰ জুই (১৯৫৬) আৰু ত্ৰিবেনী (১৯৬১) উপন্যাসৰ দ্বাৰা ঔপন্যাসিক হিচাবে প্ৰতিষ্ঠা লাভ কৰিছে। তেওঁ এজন আগশাৰীৰ গল্প-লেখক। বিভিন্ন আলোচনীত প্ৰকাশিত গল্পৰ উপৰিও তেওঁৰ সঁহাৰি পাই (১৯৫৩), পপীয়া তৰা (১৯৫৭) আৰু আন্ধাৰৰ আঁৰে আঁৰে (১৯৫৯) নামৰ তিনিখন গল্প-সঙ্কলন প্ৰকাশ হৈছে।

পঞ্চদশ অধ্যায়

নাট্য-সাহিত্য

সংস্কৃত আলঙ্কাৰিকসকলে নাট্য-সাহিত্যক কাব্যসাহিত্যৰ অন্তৰ্ভুক্ত কৰিছে। নাটক যাইকৈ দৃশ্য কাব্য, আৰু ই সকলোবিধ কাব্য সাহিত্যতকৈ শ্ৰেষ্ঠ। নাটকে দৃশ্য আৰু শ্ৰব্য কাব্যৰ সমন্বয়ত ৰঙ্গমঞ্চৰ সহায়ত গতিমান মানৱজীৱনৰ প্ৰতিচ্ছবি আমাৰ আগত মূৰ্ত্ত কৰি তোলে। বহুত সময়ত নাট্যকাৰে তেওঁৰ ধ্যান-ধাৰণা চৰিত্ৰৰ জৰীয়তে ব্যক্ত কৰে। শ্ৰেষ্ঠ নাট্যকাৰে নিজকে যথাসাধ্য গোপনে ৰাখে আৰু তেওঁৰ চৰিত্ৰ-সৃষ্টিৰ বিশেষ এটি নিৰ্লিপ্ততা থাকে। আমাৰ অঙ্কীয়া নাটসমূহ সংস্কৃত নাট্য শাস্ত্ৰৰ কোনো এটা বিশেষ বিভাগত পেলাব নোৱাৰি অৰ্থাৎ নাটসমূহ সংস্কৃত আলঙ্কাৰিকৰ তথা নাট্যশাস্ত্ৰৰ নিয়ম অনুযায়ী ৰচিত হোৱা নাই।

ইংৰাজে আমৰ দেশ অধিকাৰ কৰাৰ পিচত পাশ্চাত্য সাহিত্যৰ প্ৰভাৱত আধুনিক নাটক ৰচিত হবলৈ ধৰে। নাট্যকাৰে তথ্যস্তূপৰ পৰা একান্ত প্ৰয়োজনীয় বস্তু বা উপাদান গ্ৰহণ কৰি চৰিত্ৰ-বিকাশৰ কাৰণে তাৰ সঙ্গতি ৰক্ষা কৰে। তেওঁ সৃষ্টি কৰা চৰিত্ৰসমূহৰপৰা যথাসম্ভৱ দূৰত থাকি নাটকৰ বিষয়-বস্তুক স্বাভাৱিক পৰিণতি দান কৰিবলৈ চেষ্টা কৰে। নাটকীয় কথা-বস্তু (Plot), নাটকীয় ঘটনাপৰম্পৰা সৃষ্টি কৰিবৰ কাৰণে উপযুক্ত চৰিত্ৰ সৃষ্টি (Characterisation), নাটকীয় কুশীলৱসকল (Dramatic Personae), তেওঁলোকৰ সংলাপ (Dialogue), স্থানীয় পৰিৱেশ সৃষ্টি (Local colour), বিশিষ্ট ৰচনাভঙ্গী, জীৱন আৰু জগত সম্বন্ধে নিজ ধ্যান-ধাৰণাৰ ইঙ্গিত দান আদি বিষয়ে মনোযোগ দিয়ে; নাটকৰ কাব্য সত্তা অক্ষুণ্ণ ৰাখিবৰ কাৰণে নাট্যকাৰ সজাগ থাকিব লাগে। বিষয়বস্তু আৰু পৰিণতিৰ ফালৰ পৰা নাটকক যাইকৈ তিনিটা ভাগত ভগাব পাৰি, যেনে :—বিয়োগান্ত (ট্ৰেজেডি), মিলনান্ত (কমেডি) আৰু প্ৰহসন (ফাৰ্চ)।

বঙলা সাহিত্যত তাৰাচাঁদ শিকদাৰৰ ইংৰাজী আদৰ্শত ৰচিত ভদ্ৰাৰ্জ্জুন (১৮৫২) প্ৰথম বঙলা নাটক। মাইকেল মধুসূদন দত্তৰ কৃষ্ণকুমাৰী (১৮৬০) প্ৰথম বঙলা বিয়োগান্ত নাটক। তেওঁ পদ্মাৱতী নাটকত (১৮৫৬) পোনতে

অমিত্র ছন্দ ব্যৱহাৰ কৰে। যি সময়ত বঙ্গদেশত বিধৱা-বিবাহ আইন প্রৱর্ত্তিত হয়, সেই সময়ত তাকে লৈ বঙলা ভাষাত উমেশচন্দ্র মিত্র, শিমুরেল পীৰবক্স, বিহাৰীলাল নন্দী, হাৰণচন্দ্র মুখোপাধ্যয় আদিয়ে নাটক লিখে। উমেশচন্দ্র মিত্রৰ 'বিধবা বিবাহ' নাটক ১৮৫৬ খ্রীঃত প্রকাশ হয়।

আধুনিক অসমীয়া নাটকতো বঙ্গদেশৰ বিধৱা-বিবাহ আন্দোলনৰ প্রভাৱ পৰিবলৈ ধৰে। ১৮৫৭ খ্রী.ত প্রথম আধুনিক অসমীয়া নাটক **গুণাভিৰাম বৰুৱাৰ ৰাম-নৱমী** প্রকাশিত হয়। এইখন সামাজিক বিয়োগান্ত নাটক। ইয়াত বাল্য-বিধৱাৰ সমস্যা দাঙি ধৰা হৈছে। কম বয়সতে বিধবা হোৱা ব্রাহ্মণ-কন্যা নৱমী ৰামচন্দ্র নামৰ এজন উদাৰ মনৰ ডেকাৰ প্রণয় পাশত আৱদ্ধ হৈ অন্তঃসত্তা হয়। এই কথা জনাজাত হয়। শেহত অপমান আৰু নির্য্যাতন সহ্য কৰিব নোৱাৰি দুয়ো আত্মহত্যা কৰে। যি জয়ন্তীৰ (নবোৱেক)সহায়ত ৰামচন্দ্র আৰু নৱমীৰ গোপন মিলন হৈছিল সেই জয়ন্তীয়েই সিহঁতৰ মৃত্যুৰ কাৰণ বুলি ভাবি আত্মহত্যা কৰে। এয়ে নাটকখনিৰ বিষয়বস্তু। এই নাটকত পশ্চিমীয়া প্রভাৱ পৰিলেও শেহৰ দৃশ্যত সূত্রধাৰে দেখা দিছে। নাট্যকাৰে বিধৱা-বিবাহ সমর্থনকাৰী ঈশ্বৰচন্দ্র বিদ্যাসাগৰকোএক বৃদ্ধৰ ৰূপত উলিয়াইছে। **হেমচন্দ্র বৰুৱাৰ কানীয়াৰ কীর্ত্তন** (১৬৮১ খ্রীঃ) নামৰ সামাজিক নাটকত কানি খোৱাৰ অপকাৰিতাৰ চিত্রাঙ্কন পোৱা যায়। নাটকৰ বিষয়-বস্তু হৈছে ভদ্রেশ্বৰ বৰুৱা মৌজাদাৰৰ পুতেক কীর্ত্তিকান্তই কানি খাবলৈ অভ্যাস কৰে আৰু বাপেক মৰাৰ পাচত কানি খাই মৌজা ৰাখিব নোৱাৰা হয়। কানি খাবৰ কাৰণে নিজ পত্নী চন্দ্রপ্রভাৰ সোণৰ অলঙ্কাৰ বেচে। শেহত কীর্ত্তিকান্তই ফাটকৰ আস্পতালত অনুশোচনা কৰি কয়—"কানি, তোৰ ভাল মহিমা! তই মানুহৰ ইহকাল, পৰকাল দুইকো নষ্ট কৰ।" অসমৰ কানি খোৱাৰ হুবহু চিত্র ইয়াত পোৱা যায়। সমসাময়িক সমাজৰ দোষ খুচৰিলেও এইখন উপদেশমূলক সামাজিক ধেমেলীয়া নাটক। তৃতীয়খন সামাজিক নাটক হৈছে **ৰুদ্রৰাম বৰদলৈৰ** (১৮৩৭-১৯০০) **বঙাল-বঙালনী** নাটক। এই নাটকত অসমত বেহা-বেপাৰ কৰিবলৈ অহা বঙালী মানুহৰ জীৱন আৰু জাত্যান্তৰ হোৱা অসমীয়া তিৰোতাৰ কার্য্যাৱলীৰ চিত্র অঙ্কন কৰা হৈছে। বঙাল-বঙালনী নাটকৰ পাচতে **কেকাৰাৎ উল্লাৰ** বঙ্গিলীৰ পুথি নামৰ এখন ধেমেলীয়া নাটক প্রকাশিত হয়। **ৰমাকান্ত চৌধুৰীয়ে সীতাহৰণ আৰু ৰাৱণবধ** নামৰ দুখন পৌৰাণিক নাটক ৰচনা কৰে। শেহৰ খন প্রকাশ নহল।

সেই সময়ত কলিকতাত থকা অসমীয়া চাৰিজন শিক্ষিত ডেকাই— নগাওঁৰ ৰত্নধৰ বৰুৱা (১৮৬৪-৯৪ খ্ৰী), যোৰহাটৰ ৰমাকান্ত বৰকাকতী (১৮৬০-১৯৩৫) শিৱসাগৰৰ গুণ্ডানন বৰুৱা (১৮৬০-১৯৩৫) আৰু গোলাঘাটৰ ঘনশ্যাম বৰুৱা (১৮৬৭-১৯২৩)—শেক্সপীয়েৰৰ 'কমেডি অৱ এৰৰচ' (Comedy of Errors) নামৰ লঘু পৰিস্থিতিমূলক নাটকখন **ভ্ৰমৰঙ্গ** (১৮৮৮ খ্ৰীঃ) নাম দি অনুবাদ কৰে। নাটকখনিৰ ভাঙনি শুৱলা হৈছে আৰু ইয়াক অসমীয়া সমাজৰ লগত খাপখুৱাই ভাঙনি কৰা হৈছে। জোনাকী আলোচনীত সাহিত্যৰথী **লক্ষ্মীনাথ বেজবৰুৱাৰ** লিতিকাই (১৮৮৯-৯০) নামৰ ধেমেলীয়া নাটকখনি ধাৰাবাহিকভাবে ওলাই-ছিল। নগাওঁৰ **দেৱনাথ বৰদলৈয়ে** (১৮৭৩-১৯১৬) পৌৰাণিক কাহিনী অৱলম্বন কৰি **বৈদেহীবিচ্ছেদ, ৰাৱণ বধ** আৰু **শ্ৰীৰামচন্দ্ৰৰ বিজয় মহোৎসব** নাটক আৰু মানৱ দিনৰ ঘটনাৰ পটভূমিত **হেমপ্ৰভা** নাটক ৰচনা কৰে। এই নাটকবোৰৰ ভিতৰত কেৱল হেমপ্ৰভা প্ৰকাশ হয়। নগাওঁৰ **ৰত্নেশ্বৰ মহন্তই** বেণীসংহাৰ, হৰিশ্চন্দ্ৰ আৰু দ্ৰৌপদী-হৰণ নামৰ নাটক লিখে। ডিব্ৰুগড়ৰ **পূৰ্ণকান্ত দেৱশৰ্ম্মাই** হৰধনু-ভঙ্গ আৰু হৰিশ্চন্দ্ৰ (১৮৯৩ খ্ৰীঃ) নামৰ পৌৰাণিক নাটক ৰচনা কৰে। **কৃষ্ণনাথ খাউণ্ডৰ** দ্বাৰা সংগৃহীত **সীতাহৰণ নাট** ১৯০৯ চনত প্ৰকাশিত হয়। এই নাটক ৰমাকান্ত চৌধুৰীৰো হ'ব পাৰে। টীয়কৰ **হৰেশ্বৰ শৰ্ম্মা বৰুৱাই শকুন্তলা** নাটকৰ দ্বিতীয় ভাঙনি আৰু **লম্বোদৰ বৰাই** প্ৰথম ভাঙনি (১৮৮৭ খ্ৰীঃ) কৰে। হৰেশ্বৰ শৰ্ম্মা বৰুৱাৰ নাটকখনি মূল নাটকৰ অনুবাদ নহয় আৰু ইয়াত আধুনিক নাটকৰ আহিৰে অমিত্ৰাক্ষৰ ছন্দ প্ৰয়োগ কৰি ৰচনা কৰা হৈছে। দুৰ্গাপ্ৰসাদ **মজিন্দাৰ বৰুৱাই** ধেমেলীয়া নাটক **মহৰী** (১৮৯৬) আৰু **নিগ্ৰো** আৰু পৌৰাণিক নাটক **গুৰুদক্ষিণা** ৰচনা কৰে। মহৰী আৰু নিগ্ৰো নাটকত লেখক কৃতকাৰ্য্য হৈছে। **বেণুধৰ ৰাজখোৱাৰ সেউতী-কিৰণ** (১৮৯৪) এখন বিয়োগান্ত নাটক, আৰু এই নাটকৰ কাহিনীৰ ওপৰত শেক্সপীয়েৰৰ অথেল আৰু হেমলেট নাটকৰ কাহিনীৰ কিছু প্ৰভাৱ পৰিছে। এনেদৰে উনবিংশ শতিকাৰ শেষ দুই দশকত পৌৰাণিক, সামাজিক, কাল্পনিক আৰু ধেমেলীয়া নাটক ৰচিত হয়।

কুৰি শতিকাৰ আগভাগত যুটীয়াভাৱে নাটক ৰচনা কৰাৰ প্ৰচেষ্টাও দেখা যায়। দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱা আৰু বেণুধৰ ৰাজখোৱাই যুটীয়াকৈ কলিযুগ

(১৯০৪) নামৰ পৌৰাণিক ধেমেলীয়া নাটক ৰচনা কৰে। বেণুধৰ ৰাজখোৱা আৰু পদ্মনাথ গোহাঞি বৰুৱাই **ডেকা-গাভৰু** (১৯০৪) নামৰ নাটক ৰচনা কৰে। 'ভ্ৰমৰঙ্গ' নাটকৰ কথা আগতে উল্লেখ কৰা হৈছে। ইয়াৰ উপৰি শেক্সপীয়েৰৰ কেইবাখনো নাটকৰ অনুবাদ হয়। দুৰ্গেশ্বৰ শৰ্মাৰ চন্দ্ৰাৱলী নাটখন (১৯১০ খ্ৰীঃ)' শেক্সপীয়ৰৰ "এজ ইউ লাইক ইট" নাটকৰ ছাঁলৈ ৰচনা কৰা হৈছে। শ্ৰীদেৱানন্দ ভৰালীৰ **ভীমদৰ্প** (মেকবেথ নাটকৰ প্ৰভাৱ), শ্ৰীপদ্মধৰ চলিহাৰ **অমৰ-লীলা** (১৯১৯ খ্ৰীঃ—ৰমিঅ জুলিয়েট), **কৰ্ম্মবীৰ নবীনচন্দ্ৰ বৰদলৈৰ** (অপ্ৰকাশিত নাটক) বিষাদ-কাহিনী (কিংলিয়েৰ ১৯৩১), **দম্ভুৰী-দমন** (টেমিং-অব-ডি-স্ক্ৰ), ভ্ৰান্তি-বিনোদ (এজ্-ইউ-লাইক্-ইট), আৰু **ভৰুণ-কাঞ্চন** (ট্ৰইলাচ আৰু ক্ৰেচিডা-আৱাহন, ১৯২৯ চন), **শ্ৰীঅম্বিকা প্ৰসাদ গোস্বামীৰ** তাৰা (১৯৩৫ খ্ৰীঃ—চিম্বেলিন), **শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাৰ অশ্ৰুতীৰ্থ** (১৯৫০—কিং লিয়েৰ) আৰু **বণিজ কোঁৱৰ** আদি নাটকৰ কোনোখন শেক্সপীয়েৰৰ নাটকৰ অনুবাদ বা কোনোখন উক্ত নাটকৰ ছায়ানুবাদ। এলিজাবেথান যুগ (Elizabethan Age) আৰু সমসাময়িক বঙ্গদেশৰ নাট্য সাহিত্যৰ প্ৰভাৱো কুৰি শতিকাত নুই কৰিব নোৱাৰি। কুৰি শতিকাৰ আগছোৱাত পদ্মনাথ গোহাঞি বৰুৱা আৰু চন্দ্ৰধৰ বৰুৱাই পৌৰাণিক, বুৰঞ্জীমূলক আৰু কাল্পনিক নাটক আৰু প্ৰহসনেৰে নাট্য সাহিত্যৰ পৰিপুষ্টি সাধন কৰে। এই যুগতে জাতীয়তাৰ উন্মেষ হয়, আৰু বুৰঞ্জীমূলক নাটকসমূহ যাহকৈ ইয়াৰ কাৰণে দায়ী।

পদ্মনাথ গোহাঞি বৰুৱাৰ গহীন নাটকসমূহ হৈছে **জয়মতী** (১৯০০) গদাধৰ (১৯০৭), **সাধনী, লাচিত বৰফুকন** (১৯১৫) আৰু **বাণৰজা** (১৯৩২)। শেহৰ খনৰ বাহিৰে বাকীবোৰ বুৰঞ্জীমূলক। দীনবন্ধু মিত্ৰৰ **নীলদৰ্পণৰ** দৰে দৰে গাওঁবুঢ়া (১৮৯৭) নাটকৰ এটা সহানুভূতিপূৰ্ণ অথচ বেদনামিশ্ৰিত উদ্দেশ্য আছে। গোহাঞি বৰুৱাই গহীন নাটকসমূহত যদিও কোনো অমৰ চৰিত্ৰ সৃষ্টি কৰিব পৰা নাই আৰু যদিও নাটকীয় কলা- কৌশলৰ ফালৰ পৰা সেইবোৰ সম্পূৰ্ণ নিখুঁত বুলিব নোৱাৰি, তথাপি ৰঙনুৱা নাটকৰ প্ৰভাৱ দূৰ কৰাত আৰু দেশপ্ৰেমৰ ভাব জগাই তোলাত তেওঁৰ নাটকসমূহে যথেষ্ট সহায় কৰিছিল। জয়মতী আৰু গদাধৰ নাটক দুখনিৰ দুটামান স্বগতোক্তি সাহিত্যত অমৰ হৈ থাকিব। হাস্যৰস সৃষ্টি কৰাত আৰু হুবহু চৰিত্ৰ অঙ্কন কৰাত তেওঁ সফলতা লাভ কৰিছে। তেওঁ টেটোনৰ সাধুকে লৈ **টেটোন তামুলী** নামৰ প্ৰহসনখন ৰচনা

কৰে। **ভূত নে ভ্ৰম** (১৯২৪) এখন ব্যঙ্গাত্মক নাটক। **লক্ষ্মীনাথ বেজবৰুৱাই** বুৰঞ্জীৰ সমল লৈ (১৯১৫ খ্ৰীঃত) **চক্ৰধ্বজসিংহ, বেলিমাৰ আৰু জয়মতী কুঁৱৰী** নামৰ ঐতিহাসিক নাটক ৰচনা কৰিলে। এই নাটক-খোৰেও জাতীয় চৈতন্য উদ্বুদ্ধ কৰাত সহায় কৰিছিল। তেওঁৰ নাটকৰ ওপৰত শ্বেক্সপীয়েৰৰ প্ৰভাৱ পৰিছে, যেনেঃ—ফলষ্টাফ আৰু প্ৰিন্স হলৰ (হেনৰী দি ফৰ্থ) আদৰ্শত বেলিমাৰৰ পিজৌ আইদেউৰ সতিনীয়েকৰ চৰিত্ৰৰ স্বাভাৱিকতা আছে। দুটামান স্বগতোক্তিতো শ্বেক্সপীয়েৰৰ প্ৰভাৱ পৰা যেন লাগে। বেলিমাৰ আৰু জয়মতী কুঁৱৰী নাটকৰ পৰিণতি বিয়োগান্ত কিন্তু চক্ৰধ্বজসিংহ নাটকৰ দুঃখাত্মক। বেজবৰুৱাই গজপুৰীয়া, ডালিমী আদি অমৰ চৰিত্ৰ ৰচনা কৰিছে। তেওঁৰ চাৰিখন প্ৰহসনেই—**লিতিকাই** (১৮৮৯-৯০), **পাঁচনি** (১৯১৩), **নোমল** (১৯১৩) আৰু **চিকৰপতি নিকৰপতি** (১৯১৩)—হাস্যোদ্দীপক ; সহজ সৰল চহাৰ কথোপকথন, চলন-ফুৰণৰ আভাস, ব্যঙ্গ চিত্ৰ আদি তেওঁৰ নাটকত পোৱা যায়। ঠায়ে ঠায়ে অতিৰঞ্জনৰ দোষো আছে। **বেণুধৰ ৰাজখোৱাৰ** গহীন নাটকতকৈ ধেমেলীয়া নাটক বেচি ভাল। তেওঁৰ **সেউতী-কিৰণ** নাটকৰ কথা ওপৰত উল্লেখ কৰা হৈছে। দুৰ্য্যোধনৰ **উৰুভঙ্গ** (১৯০৩) আৰু **দক্ষযজ্ঞ** (১৯০৮) নামৰ পৌৰাণিক নাটক দুখনিৰ চৰিত্ৰাঙ্কন আৰু কাহিনীৰ বিকাশ সিমান মনোগ্ৰাহী নহয়। তেওঁৰ প্ৰহসন হৈছে **কুবিশতিকাৰ সভ্যতা** (১৯০৮), **দৰবাৰ** (১৯১২), **তিনিঘৈণী** (১৯২৮) **চোৰৰ সৃষ্টি** (১৯৩১) **অশিক্ষিতা ঘৈণী, যমপুৰী** (১৯৩১) আৰু **টোপনিৰ পৰিণাম** (১৯৩২)। তিনি ঘৈণী আৰু অশিক্ষিতা ঘৈণীত তেওঁ তিৰোতাৰ অসাৰ কথা, অন্ধবিশ্বাস আৰু বহুবিবাহৰ দোষ দেখুৱাইছে। বহুবিবাহৰ দোষত যি অশান্তিৰ সৃষ্টি হয় তাক তিনি ঘৈণী নাটকত ভালকৈ দেখুৱা হৈছে। কুবি শতিকাৰ সভ্যতাত তেওঁ প্ৰাচীন ঐতিহ্যত বিশ্বাস নথকা বা পশ্চিমীয়া সভ্যতাক গ্ৰহণ কৰিব নোৱৰা ডেকাসকলক বিদ্ৰূপ কৰিছে। দৰবাৰ, টোপনিৰ পৰিণাম আৰু চোৰৰ সৃষ্টিত ধেমেলীয়া চিত্ৰ অঁকা হৈছে। মুঠৰ ওপৰত প্ৰহসনত ৰাজখোৱা কিছুদূৰ কৃতকাৰ্য্য হৈছে।

চন্দ্ৰধৰ বৰুৱাই চাৰিখন নাটক ৰচনা কৰিছে। তাৰ ভিতৰত **মেঘনাদ বধ** (১৯০৪), **তিলোত্তমাসম্ভৱ** (১৯২৬) আৰু **ৰাজৰ্ষি** (১৯৩৭) অমিত্ৰাক্ষৰ ছন্দৰ গহীন পৌৰাণিক নাটক আৰু **ভাগ্য পৰীক্ষা** (১৯১৫) ধেমেলীয়া নাটক। মেঘনাদ বধ আৰু তিলোত্তমাসম্ভৱ নাটকত

মাইকেল মধুসূদন দত্তৰ দুখন কাব্যৰ বিষয়বস্তু লোৱা হৈছে আৰু বকৰাদেৱৰ হাতত এই কাব্য দুখনিয়ে নাটকীয় ৰূপ পৰিগ্ৰহ কৰিছে। আৰব্য উপন্যাসৰ সাধুৰ ওপৰত ভেজাদি ৰচনা কৰা লঘু নাটক ভাগ্য পৰীক্ষাত মুবছ গাৰৰীয়া চিত্ৰ অঁকা হৈছে। **দুৰ্গেশ্বৰ শৰ্ম্মাৰ পাৰ্থ-পৰাজয়** (১৯০৯) আৰু **বাজিবল** (১৯১২) নামৰ দুখন পৌৰাণিক মিলনান্ত নাটকে এসময়ত যথেষ্ট সমাদৰ লাভ কৰিছিল। নাটক দুখনিত লেখকৰ কৃতিত্ব ফুটি ওলাইছে। **চন্দ্ৰাৱলী** (১৯১০) নাটকখন শেক্সপীয়েৰৰ নাটকৰ (এজ-ইউ-লাইট-ইট) ছাঁৰে লিখা।

পদ্মনাথ শৰ্ম্মাৰ (১৮৮৭ (?)—১৯০৬) **ন-বোৱাৰী, বলৰাম পাঠকৰ** অমিত্ৰাক্ষৰ ছন্দৰ নাটক **লৱকুশ, ৰূপচন্দ্ৰ ভাগৱতীৰ** (শৰৎচন্দ্ৰ গোস্বামী) ৰূপক নাটক **পৰীক্ষা** (১৯১০), ৰায়বাহাদুৰ **ৰাধাকান্ত সন্দিকৈৰ** (১৮৫৭—১৯৫২) বুৰঞ্জীমূলক নাটক **মূলাগাভৰু** (১৯২৪), **শ্ৰীপদ্মধৰ চলিহাৰ** শেক্সপীয়েৰৰ ৰোমিঅ' জুলিয়েটৰ ভাঙনি **অমৰলীলা** (১৯০৯) **ভাৰতচন্দ্ৰ দাসৰ** (১৮৭৭—১৯৩০) **অভিমন্যু বধ** (১৯২৫ দ্বিতীয় তাঙৰণ) আৰু **স্যমন্তহৰণ** (১৯২৭) নাটক; **বুদ্ধীন্দ্ৰনাথ ভট্টাচাৰ্য্যৰ** বৰ্মণ **গাভৰু** (১৯২৮) আৰু **চিত্ৰাঙ্গদা মিলন** (১৯৩২) নাটক আদিয়ে এসময়ত যথেষ্ট প্ৰভূত সমাদৰ লাভ কৰিছিল। 'ন-বোৱাৰী' নাটকত বোৱাৰীৰ সুখৰ প্ৰতি শহুৰেকৰ উদাসীনতা আৰু ননদৰ হাতত নিমাতী বোৱাৰীয়েকৰ নিৰ্য্যাতন ভোগ আদি কথা সুন্দৰকৈ বৰ্ণনা কৰা হৈছে। **কৰ্ম্মবীৰ নবীনচন্দ্ৰ বৰদলৈৰ** (১৮৭৫—১৯৩৬) সামাজিক নাটক গৃহলক্ষ্মীত (১৯১১) লাঞ্ছিতা গৃহলক্ষ্মীৰ কৰুণ চিত্ৰ অঁকা হৈছে। তেওঁ **কৃষ্ণলীলা** (কৈশোৰ খণ্ড ১৯১১) নামৰ এখন পৌৰাণিক অমিত্ৰাক্ষৰ ছন্দৰ নাটকো ৰচনা কৰে। **শ্ৰীশৈলধৰ ৰাজখোৱাৰ বিপ্লাৱতী** (১৯১৮)(আৰু **স্বৰ্গদেৱ প্ৰতাপসিংহ** (১৯৫৩) নাটক এসময়ত জনপ্ৰিয় হৈছিল। **ইন্দ্ৰেশ্বৰ বৰঠাকুৰে** (১৮৮৭-১৯৬১ খ্ৰীঃ) **শ্ৰীবৎস চিন্তা** (১৯২৭) নামৰ এখন দীঘলীয়া পৌৰাণিক অমিত্ৰাক্ষৰ ছন্দৰ নাটক ৰচনা কৰিছে। পক্ষিকন্দিন আহ্মদৰ **গুলেনাৰ** (১৯২৪) আৰু **সিন্ধু-বিজয়** (১৯২৮) নাটকেও যথেষ্ট আদৰ লাভ কৰিছিল। বৃন্দাবন গোস্বামীৰ (১৮৮৫—১৯৪৯) বিসৰ্জ্জন (১৯৩০) এখন গভীৰ বিয়োগান্ত নাটক; ঠানুবাপু (১৯৩০) আৰু পৰাচিত ধেমেলীয়া নাটক। **শ্ৰীনকুলচন্দ্ৰ ভূঞাই** (১৮৯৫) বুৰঞ্জীমূলক ঘটনা অৱলম্বন কৰি **বদন বৰফুকন** (১৯২৭), **চন্দ্ৰকান্ত সিংহ** (১৯৩১) আৰু **বিদ্ৰোহী**

মৰাণ (১৯৩৮) নাটক ৰচনা কৰিছে। তিনিওখন নাটক বিয়োগান্তক। লেখকে চৰিত্ৰৰ ওপৰত বিশেষ জোৰ দিছে। **শ্ৰীমিত্ৰদেৱ মহন্ত** এজন প্ৰসিদ্ধ নাট্যকাৰ। তেওঁৰ পৌৰাণিক আৰু ধেমেলীয়া নাটকসমূহ উল্লেখযোগ্য। **শ্ৰীদৈৱচন্দ্ৰ তালুকদাৰৰ** বুৰঞ্জীমূলক নাটক হৈছে **বামুণীকোঁৱৰ** (১৯২৪), **অসম প্ৰতিভা** (১৯২৩), **ভাস্কৰ বৰ্ম্মা** (১৯৩৫), আৰু সামাজিক নাটক হৈছে **বিপ্লৱী** (১৯৩৭), **লহঙা** (১৯২৫) ইত্যাদি। তেওঁৰ ঐতিহাসিক নাটক সংঘাতেৰে পৰিপূৰ্ণ কিন্তু উপযুক্ত পৰিবেশ সৃষ্টিৰ অভাৱ দেখা যায়। সামাজিক নাটকত প্ৰচাৰৰ আদৰ্শ দেখা যায়। এই আদৰ্শৰ কাৰণে লহঙা নাটকৰ সৌন্দৰ্য্য-হানি হৈছে। **দণ্ডিনাথ** কলিতাই **সতীৰ তেজ** (১৯৩১), **অগ্নি পৰীক্ষা** (১৯৩৭) আৰু **কীচক বধ** (১৯৫০) নামৰ গহীন নাটক আৰু **পোহনীয়া কুকুৰ** (১৯৪৬), **পৰাচিত** (১৯৬৯) আদি প্ৰহসন ৰচনা কৰিছে। সতীৰ তেজ নাটকত বুৰঞ্জীমূলক কাহিনীটো নতুন ৰূপত দাঙি ধৰা হৈছে। তেওঁ চৰিত্ৰ সৃষ্টিত কৃতকাৰ্য্য হৈছে। অগ্নি-পৰীক্ষা নাটকত ৰামায়ণৰ উপযুক্ত চিত্ৰ বাছি লোৱা হৈছে আৰু চৰিত্ৰ সৃষ্টি আকৰ্ষণীয় হৈছে। তেওঁ প্ৰহসনত সমাজৰ নগ্ন ৰূপ দাঙি ধৰিছে।

শ্ৰীনকুলচন্দ্ৰ ভূঞা :—শিৱসাগৰৰ চাৰিঙৰ গোপালচন্দ্ৰ ভূঞাৰ পুত্ৰ শ্ৰীনকুলচন্দ্ৰ ভূঞা ১৮৯৫ চনত জন্ম হয়। তওঁ ১৯১৭ চনত যোৰহাট গৱৰ্ণমেণ্ট হাইস্কুলৰপৰা প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। তাৰ পিচত ডিব্ৰুগড়ৰ ডিষ্ট্ৰিক্ট ক্লাব লাইবেৰীত পুথি-ভৰালী, ডিব্ৰুসদীয়া ৰেলৰ চীফ ইঞ্জিনিয়াৰৰ কেৰাণী, ডিব্ৰুগড়ত ডেপুটী কমিচনাৰৰ কেৰাণী আদি চাকৰি কৰে। ১৯২৪ চনত যোৰহাট টি কোম্পানিত কাম শিকে, সেই কোম্পানীৰ ইণ্ডিয়ান এচিষ্টেণ্ট নিযুক্ত হৈ উন্নতি কৰি শেহত মেনেজাৰ হৈ ১৯৫৪ চনত অৱসৰ গ্ৰহণ কৰে। তেওঁ ছাত্ৰ অৱস্থাৰে পৰা সাহিত্য চৰ্চ্চা কৰে। তেওঁৰ ৰচনাসমূহ হৈছে বাৰভূঞা (বুৰঞ্জী, ১৯১৬), চোৰাংচোৰাৰ চৰা (চুটি গল্প, ১৯১৮), বহাগী (বিহুগীতৰ সংগ্ৰহ, ১৯২৩) বাট-কেনি ? (.৯৪৯) সোনহঁতৰ ভীষ্ম (১৯৫৬), চাহ-বাগিচাৰ বনুৱা (১৯৬০), আমাৰ পাঠ (১৯৫১) বাৰভূঞাৰ চমু বুৰঞ্জী (১৯৬১), গল্পৰ শৰাই (১৯৬২) আৰু নাটকসমূহ হৈছে বদন বৰফুকন, চন্দ্ৰকান্ত সিংহ, বিদ্ৰোহী মৰাণ আৰু মুমলী কুঁৱৰী।

শ্ৰীমিত্ৰদেৱ মহন্ত (১৮৯৫ খ্ৰী:) :—**শ্ৰীমিত্ৰদেৱ মহন্ত ১৮৯৫ খ্ৰী:ত যোৰহাট সৰ্বাইবন্ধাৰ লেটুগ্ৰাম সত্ৰত জন্ম হয়। তেওঁ ১৯১২ চনত প্ৰৱেশিকা**

পৰীক্ষা আৰু ১৯১৪ চনত আই-এ মহলাত উঠে। তেওঁ ১৯.৫ চনত অসম শিক্ষা সেৱাৰ সহকাৰী শিক্ষক স্বৰূপে কামত সোমাই শেহত ক্রমে হেড মাষ্টৰ আৰু চুপাৰিণ্টেণ্ডেণ্ট হয়গৈ। তেওঁ ১৯৫০ চনত অৱসৰ লয়। তেওঁ এজন প্রসিদ্ধ নাট্যকাৰ, গীতিকাৰ আৰু শিশুপুথি প্রণেতা; তেওঁ এজন গল্প-লেখকো। তেওঁ জুনজুনি (১৯৫৫) পুথিৰ বাবে ভাৰত চৰকাৰৰ বটা পায়। তেওঁৰ ৰচনা হৈছে মৌ-মহাভাৰত (১৯২৫), ধ্রুব (১৯২৪) ইত্যাদি শিশুপাঠ্য; চন্দ্রহাৰ (১৯২০) আৰু মোহনভোগ (১৯২৪) গল্পৰ পুথি; বলিছলন (১৯৫৩), বৈদেহী বিয়োগ (১৯৫০) আৰু প্রচ্ছন্ন পাণ্ডৱ (১৯৫৬) গহীন পৌৰাণিক নাটক; কুকুৰীকণাৰ আঠ মঙ্গলা (১৯১৭), বিয়া বিপৰ্য্যয় (১৯২৪), ভোটৰ বগৰ (১৯৫২) আদি ধেমেলীয়া নাটক; লেকলা লানি (১৯৫৬), টেঁওৰ ভেওৰ, চেঁচা জ্বৰ, অচিন কাঠৰ ঘোৰা, চৰণ ধূলি (১৯৫৫), বমফটকাৰ আদি সৰু নাটিকা; গীতি শতদল, বাংঢালী, এটা চুৰট (১৯৩৫), টিপচহী (১৯৩৯) ইত্যাদি পুথি।

বৈদেহী বিয়োগ নাটকে কৰুণ পৰিবেশৰ সৃষ্টি কৰিছে; **প্রচ্ছন্ন পাণ্ডৱ** নাটকত নাট্যকাৰ সিমান সফল হোৱা নাই। গহীন নাটকতকৈ ধেমেলীয়া নাটক ৰচনাত যে শ্রীমহন্ত সিদ্ধহস্ত এই কথা **কুকুৰীকণাৰ আঠ মঙ্গলা** আৰু **বিয়া বিপৰ্য্যয়** নাটকে প্রমাণ কৰে। গহীন নাটকতো ৰসিক মনে প্রভাৱ বিস্তাৰ কৰে। সৰু নাটকবোৰত তেওঁ সমাজৰ অন্ধ বিশ্বাস আৰু বিসঙ্গতি ভালকৈ চিত্রিত কৰিছে।

ৰূপকোঁৱৰ **জ্যোতি প্রসাদ আগৰৱালাৰ** নাট্য-সাহিত্যলৈ অৱদান উল্লেখযোগ্য।

জ্যোতিপ্রসাদ আগৰৱালা (১৯০৩-১৯৫১):—পৰমানন্দ আগৰৱালাৰ পুত্র জ্যোতিপ্রসাদ আগৰৱালাই ১৯০৩ চনৰ জুন মাহত ডিব্রুগড়ৰ তামোলবাৰী চাহ বাগিচাত ওপজে। তেওঁ চিত্তৰঞ্জন দাসৰ বিশ্ববিদ্যালয়ৰপৰা প্রবেশিকা পৰীক্ষাত উত্তীর্ণ হৈ কলিকতাৰ নেচনেল কলেজৰ আই-এ মহলালৈকে পঢ়ে। ১৯২৬ চনত বিলাতলৈ গৈ এডিনবৰাত এবছৰ পঢ়ে। ১৯২৭ চনত বাৰ্লিনত ফিল্মশিক্ষা লাভ কৰে। ১৯৩০ চনৰ আইন অমান্য আন্দোলনত যোগ দিয়ে। ১৯৩৫ চনত জয়মতী বোল ছবি উলিয়ায়। তেওঁ কিছুকাল অসমীয়া কাকতৰ সম্পাদক আছিল। তেওঁ ১৯৫১ চনৰ ১৭ জানুৱাৰীত ঢুকায়। তেওঁৰ নাটসমূহ হৈছে শোণিত কুঁৱৰী (১৯২৫), কাৰেঙৰ লিগিৰী (১৯৩৪), লভিতা

(১৯৪৮) আৰু ৰূপালীম (১৯৬০)। কেইবাখনো নাটক অপ্ৰকাশিত। যেনে :— সুন্দৰ কোৱঁৰ, ৰূপকোৱঁৰ, কনকলতা, জয়মতী ইত্যাদি।

শোণিত কুঁৱৰী নাটকখনত কল্পনা আৰু আৰ্টৰ মিলন হৈছে আৰু ইয়াত শিল্পীৰ দক্ষতা প্ৰকাশ পাইছে। চিত্ৰলেখাই নৃত্যগীতৰ দ্বাৰা সৌন্দৰ্য্যৰ ৰূপৰাশি সৃষ্টি কৰিছে। চিত্ৰলেখা, উষা আৰু অনিৰুদ্ধ জ্যোতিপ্ৰসাদৰ সৌন্দৰ্য্যবোধৰ অপূৰ্ব্ব নিদৰ্শন। **কাৰেঙৰ লিগিৰী** নাটকত ভাবৰ সংঘৰ্ষ আৰু সংঘাত ফুটি ওলাইছে। সমাজৰ প্ৰচলিত ৰীতি নীতিৰ বিৰুদ্ধে থিয় দিয়া সুন্দৰ কোৱঁৰ আদৰ্শবাদৰ প্ৰতীক। কাহিনী, চৰিত্ৰ, সংলাপ, ভাষা আদি সকলো ফালৰপৰা কাৰেঙৰ লিগিৰী এখন সাৰ্থক নাটক। বিয়াল্লিশৰ গণ-আন্দোলন আৰু দ্বিতীয় মহাসমৰৰ পটভূমিত ৰচনা কৰা **লভিতা** নাটকৰ নাটকীয় কলা-কৌশল সুকীয়া ধৰণৰ ; নাটকখনৰ চৰিত্ৰ, ঘটনা আৰু সংলাপ বাস্তৱমুখী। ইয়াত পৰিবেশ আৰু অৱস্থাই লভিতাক গঢ় দিছে। লভিতা ঘটনা-বহুল নাটক হলেও ইয়াত লেখকৰ কৃতিত্ব ফুটি উঠা নাই। **ৰূপালীম** অসমৰ জন জাতি-জীৱনক কেন্দ্ৰ কৰি ৰচনা কৰা এখন কাল্পনিক নাটক। ইতিভেনে স্বজাতিৰ মৰ্য্যাদা ৰক্ষা কৰাৰ নামত ৰূপালীমক পুৰি মাৰি নিজৰ কামনা পূৰণ কৰিলে। এইখন কাব্যগন্ধী নাটক বুলিব পাৰি। নাট্যকাৰ আগৰৱালাই প্ৰত্যেক নাটকত বিভিন্ন কলা-কৌশল ব্যৱহাৰ কৰি অসমীয়া নাট্যসাহিত্যৰ গতিপথ নিৰ্ণয় কৰে।

শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা এজন প্ৰসিদ্ধ নাট্যকাৰ। তেওঁৰ **নৰকাসুৰ** আৰু **কনৌজ-কুঁৱৰী** নাটক দুখন সৰৰৰহী। কনৌজ-কুঁৱৰী, **ছত্ৰপতি শিৱাজী** আৰু **আহুতি** নাটকত তেওঁ বুৰঞ্জীমূলক পৰিবেশ সৃষ্টি কৰিব পাৰিছো। ছত্ৰপতি শিৱাজীৰ ওপৰত অমৃতলাল বসুৰ গৈৰিক পতাকাৰ প্ৰভাৱ পৰিছে। লক্ষ্মীনাথ বেজবৰুৱাৰ ভাষাৰে কব পাৰি যে নন্দদুলাল আৰু কুৰুক্ষেত্ৰ এই নাটক দুখন শ্ৰীহাজৰিকাৰ নাট ৰচনা কৰিব পৰা ক্ষমতাৰ চিনাকি দিবৰ পক্ষে যথেষ্ট। তেওঁৰ নাটকে অসমীয়া মঞ্চৰপৰা দ্বিজেন্দ্ৰ লাল ৰায় আৰু গিৰীশ চন্দ্ৰ ঘোষৰ প্ৰভাৱ দূৰ কৰে।

শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা (১৯০৬ খ্ৰীঃ) :—ৰমাকান্ত হাজৰিকাৰ পুত্ৰ শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা ১৯০৬ খ্ৰীঃত গুৱাহাটীত ওপজে। তেওঁ গুৱাহাটীৰ পৰা ১৯২৩ চনত প্ৰবেশিকা, ১৯২৫ চনত আই-এচ-চি, ১৯২৮ চনত বি-এ আৰু ১৯৩৫ চনত বি-এল পৰীক্ষাত উত্তীৰ্ণ হয়। তেওঁ ১৯৪১ চনত বি-টি আৰু ১৯৪৩ চনত এম-এ মহলাত উঠে। তেওঁ স্কুল বিভাগৰ সহকাৰী

শিক্ষকস্বৰূপে চাকৰি আৰম্ভ কৰি শেহত কটন কলেজৰ অধ্যাপক হয়গৈ। তেওঁ ১৯৬১ চনত অৱসৰ লয়। তেওঁ কবিতা, নাটক, শিশু সাহিত্য ৰচনা কৰিছে। তেওঁৰ কবিতাৰ পুথি হৈছে দীপালী (১৯৩৮), মণিমালা (১৯৩০), পাঞ্চজন্য (১৯৩১), তপোবন (১৯৫৫) ইত্যাদি; নাটকসমূহ হৈছে নৰকাসুৰ (১৯৩০), কনৌজ কুঁৱৰী (১৯৩৩), নন্দদুলাল (১৯৩৫), চম্পাৱতী (১৯৩৫), কুৰুক্ষেত্ৰ (১৯৩৬), শ্ৰীৰামচন্দ্ৰ (১৯৩৮), বেউলা (১৯৩৯), সাবিত্ৰী (১৯৩৯), শকুন্তলা (১৯৪০), ছত্ৰপতি শিৱাজী (১৯৪৭), মৰ্জ্জিয়ানা (১৯৪৮), ৰংমহল (১৯৪৯), বণিজ কোঁৱৰ (১৯৪০), অশ্ৰুতীৰ্থ (১৯৫০), আহুতি (১৯৫২), নিৰ্য্যাতিতা (১৯৫২), মানস প্ৰতিমা (১৯৫৮), টিকেন্দ্ৰজিৎ (১৯৫৯) ইত্যাদি। শিশু ৰচনা হৈছে কথা দশম (১৯৫১), কথা-কীৰ্ত্তন (১৯৪৫) কাব্যকাহিনী (১৯৫৩), কাব্য-কথা (১৯৫৩) ভাৰত জেউতি (১৯৫৭), উছৰৱ ভোগজৰা (১৯৫৯), বিশ্বজ্যোতি (১৯৫৮), গ্ৰামৰ সাধু (১৯৫৯) ইত্যাদি।

পাপৰি কবি **গণেশ চন্দ্ৰ গগৈ** (১৯০৭-১৯৩৮) এজন সুনিপুণ নাট্যকাৰ আৰু অভিনেতা। তেওঁৰ **কাশ্মীৰ-কুমাৰী** আৰু **শকুনিৰ প্ৰতিশোধ** (১৯৩৯) নামৰ নাটক দুখনি মৌলিক চৰিত্ৰ সৃষ্টি আৰু কথোপকথনৰ কাৰণে অমৰ হৈ থাকিব। কবি আনন্দ চন্দ্ৰ বৰুৱাৰ (১৯০৭ খ্ৰীঃ) **বিজয়া** (১৯৩৫), **বিসৰ্জ্জন** (১৯৩০), **কমতা কুঁৱৰী** (১৯৪০) আৰু **নলদময়ন্তী** (১৯৪৪) নাটকেও আমাৰ নাট্য সাহিত্য চহকী কৰিছে। বিজয়া নাটকত চৰিত্ৰ-সৃষ্টিত নাট্যকাৰে সফলতা লাভ কৰিছে; বিসৰ্জ্জন নাটকত এটি করুণ আবেদন আছে। শ্ৰীবৰুৱাই **কপৌ কুঁৱৰী** (১৯৩২) নামৰ এখন শিশু নৃত্যনাটিকা লেখিছে। বিদ্ৰোহী কবি **শ্ৰীপ্ৰসন্নলাল চৌধুৰীৰ** (১৯০২ খ্ৰীঃ) **নীলাম্বৰ** (১৯৩৩) বুৰঞ্জীমূলক নাটকখনি 'অথেল' নাটকৰ অনুকৰণত ৰচিত হলেও লেখকৰ কৃতিত্ব ফুট ওলাইছে। নগাৱঁৰ **কমলানন্দ ভট্টাচাৰ্য্য** (১৮৯৪-১৯৫১ খ্ৰীঃ) এজন প্ৰসিদ্ধ নাট্যকাৰ। তেওঁৰ **নগাকোঁৱৰ** (১৯৩৫) নামৰ বুৰঞ্জীমূলক নাটকখন এসময়ত বৰ সৰৱৰহী হৈছিল; আৰু কনচেং, লুকু আদি কেইবাটাও চৰিত্ৰ সাৰ্থক সৃষ্টি। **অৱসান** (১৯৩৫) আৰু **চিত্ৰাঙ্গদা** (১৯৫০) দুয়োখন পৌৰাণিক নাটক। **শ্ৰীবিনন্দচন্দ্ৰ বৰুৱাই পাৰ্থসাৰথি** (১৯৩৩) আৰু **শৰাইঘাট** (১৯৩৬) নামৰ দুখন গহীন নাটক, আৰু **বেঙেনা ৰহস্য** আৰু **টি-টি-হেই** (১৯৩৬) নামৰ দুখন প্ৰহসন ৰচনা কৰিছে। জনজাতি জীৱনক

কেন্দ্ৰ কৰি ৰচনা কৰা **শ্ৰীসুৰেশচন্দ্ৰ গোস্বামীৰ কন্নুৰী** এখন উল্লেখযোগ্য নাটক। তেওঁ ভঙ্গাগড়া (সামাজিক নাটক) আৰু শ্ৰীমন্ত শঙ্কৰ-মাধৱ নামৰ দুখন নাটক ৰচনা কৰিছে। **শ্ৰীজনাৰ্দ্দন ঠাকুৰৰ চাণক্য, ভৈয়ামৰ সেন্দুৰী আলি** আদি, **শ্ৰীপ্ৰফুল্ল বৰুৱাৰ পিয়লি ফুকন, বিপিনচন্দ্ৰ বৰুৱাৰ বুদ্ধদেৱ** (১৯৪১), **শ্ৰীবিপিনচন্দ্ৰ শৰ্ম্মাবৰুৱাৰ মেৱাৰ সন্ধ্যা** (১৯৪০) আদি ভালেমান নাটক ৰচিত হৈছে। **শ্ৰীসত্য প্ৰসাদ বৰুৱাৰ চাকৈ-চকোৱা** (১৯৪০) এখন উল্লেখযোগ্য আধুনিক সামাজিক নাটক। **শ্ৰীসাৰদা বৰদলৈ** আৰু **শ্ৰীকৃষ্ণানন্দ ভট্টাচাৰ্য্যৰ** যুটীয়া ৰচনা **মগৰীৰৰ আজান** (১৯৫১) এখন মৌলিকতাপূৰ্ণ বিয়োগান্ত নাটক। এই নাটকত গ্ৰাম্য জীৱন ভালকৈ অঙ্কন কৰা হৈছে। **শ্ৰীপ্ৰবীন ফুকনে** সামাজিক, বুৰঞ্জীমূলক আৰু ব্যঙ্গাত্মক নাটক ৰচনা কৰিছে। তেওঁৰ বুৰঞ্জীমূলক নাটকৰ সংলাপ বলিষ্ঠ। শ্ৰেণী-বৈষম্য, সামাজিক কপটতা আদি সমস্যাবোৰৰ প্ৰতি তেওঁ সজাগ। তেওঁৰ নাটকসমূহ হৈছে **কালপৰিণয়** (১৯৩৬), **মণিৰাম দেৱান** (১৯৪৮), লাচিত বৰফুকন (১৯৪৮), **শতিকাৰ বাণ** (১৯৫৪), আসাম হুলিউদ, ডাঃ প্ৰমোদ, বিশ্বৰূপা (১৯৬১) ইত্যাদি। বিয়াল্লিশৰ আন্দোলনৰ পটভূমিত কেইবাখনো নাটক ৰচনা কৰা হৈছে। জ্যোতিপ্ৰসাদ আগৰৱালাৰ **লভিতা** নাটকৰ কথা আগতে উল্লেখ কৰা হৈছে। **শ্ৰীসুৰেন শইকীয়াৰ কুশল কোঁৱৰ** (১৯৪৯), **শ্ৰীলক্ষ্মীকান্ত দত্তৰ** মুক্তি-অভিযান (১৯৫৩) ইত্যাদি এই আন্দোলনৰ পটভূমিত ৰচনা কৰা নাটক। **চৈয়দ আব্দুল মালিকৰ ৰাজদ্ৰোহী** (১৯৫৬) নামৰ বুৰঞ্জীমূলক নাটকখনি সতৰামৰ বুৰঞ্জীমূলক কাহিনী অৱলম্বন কৰি ৰচনা কৰা হৈছে। শ্ৰীফণী শৰ্ম্মাই **ভোগজৰা** (১৯৫৭), **কিয়** (১৯৬০) আদি কেইবাখনো নাটক ৰচনা কৰিছে। তিপমীয়া গোহাঁয়ে লক্ষ্মীসিংহৰ বিৰুদ্ধে আয়োজন কৰা বিদ্ৰোহৰ পটভূমিত ভোগজৰা নাটক ৰচনা কৰা হৈছে।

যুদ্ধোত্তৰ কালত ৰচিত নাটকসমূহত সামাজিক সমস্যাই প্ৰাধান্য লাভ কৰিছে। এক অঙ্কীয়া নাটকো ৰচিত হৈছে। এই বিষয়ত **লক্ষ্মীধৰ শৰ্ম্মা** পথ-প্ৰদৰ্শক। তেওঁৰ **দেশৰ কথা, নিৰ্ম্মলা** আদি নাটক উল্লেখযোগ্য। **বীণা বৰুৱাৰ এবেলাৰ নাটত** (১৯৫৫) ন-পুৰণিৰ সংঘৰ্ষ দেখুৱা হৈছে। বাপেক ধৈৰ্য্যলোচন আৰু নব্য শিক্ষিত চঞ্চল কুমাৰৰ মাজত বৰ্ত্তমান যুগৰ সন্দেহ আৰু অনাস্থাৰ ফলত পিতৃৰ ৰক্তচাপ বাঢ়ি মৃত্যু হয়। **শ্ৰীউগ্ৰ কাকতি,**

শ্ৰীহৰিশ্চন্দ্ৰ ভট্টাচাৰ্য্য, **শ্ৰীনৱকান্ত বৰুৱা** আদিয়ে এক অঙ্কীয়া নাটক ৰচনা কৰিছে।

আমাৰ সাহিত্যত প্ৰতীক-ধৰ্ম্মী শিশু উপযোগী নাটকো ওলাইছে। তাৰ ভিতৰত **কীৰ্ত্তিনাথ শৰ্ম্মা বৰদলৈ** আৰু **শ্ৰীমুক্তিনাথ শৰ্ম্মা বৰদলৈৰ** যুটীয়া ৰচনা **বাসন্তীৰ অভিষেক** (১৯২৯), **লুইত কোঁৱৰ** (১৯৩০) আৰু **সুৰ-বিজয়** (১৯৩৪), **শ্ৰীআনন্দচন্দ্ৰ বৰুৱাৰ** কপৌ কুঁৱৰী আদি উল্লেখ-যোগ্য। শ্ৰীকৰুণাধৰ বৰুৱাৰ প্ৰজাপতি (১৯৪৬) এখন গীতি-নাটিকা। ওপৰত উল্লেখ কৰা ধেমেলীয়া নাটকসমূহৰ উপৰিও ভালেমান নাটক ওলাইছে। তাৰ ভিতৰত-হৈছে **শ্ৰীপদ্মধৰ চলিহাৰ নিমন্ত্ৰণ** (১৯১০) আৰু **কেনে মজা** (১৯২০), **শ্ৰীকুমুদেশ্বৰ বৰঠাকুৰৰ ঢোবোক পণ্ডিত** (১৯২৪), **বিষয়চন্দ্ৰ বিশ্বাসীৰ গুৰু ভকত** (১৯৩৪), **শ্ৰীকৰুণাধৰ বৰুৱাৰ মিলিটেৰী প্ৰেম** (১৯৪০) আৰু **মধু মাষ্টৰৰ গৰু** (১৯৪৮), **শ্ৰীকুমুদচন্দ্ৰ বৰুৱাৰ গুড্ নাইট চাৰ**, **বৰযাত্ৰী**, **সভাসদৰ নাচ**, **লিমিটেড্ কোম্পানী** ইত্যাদি।

কুৰি শতিকাৰ আগছোৱাত বুৰঞ্জীমূলক আৰু পৌৰাণিক নাটক ৰচনাত অধিক মনোযোগ দিয়া হৈছিল। দুই চাৰিখন অনুবাদ নাটকো ওলাইছিল। তৃতীয় দশকৰ পাচৰপৰা সামাজিক নাটকো ওলাইছিল। তৃতীয় দশকৰ পাচৰপৰা সামাজিক নাটক ৰচনাত অধিক মনোযোগ দিয়া দেখা যায়। জ্যোতিপ্ৰসাদ আগৰৱালাৰ হাতত নাটকীয় কলা-কৌশলৰ বিভিন্ন পৰীক্ষা দেখা যায়। গণেশ গগৈয়ে মঞ্চোপযোগী নাটক ৰচনা কৰে। বুৰঞ্জী-মূলকেই হওক বা সামাজিক সমস্যামূলক নাটকেই হওক দ্বিতীয় মহাসমৰৰ উত্তৰ কালছোৱাত ৰচিত এই নাটকবোৰত অমৰ চৰিত্ৰ পোৱা নাযায়। এই নাটকবোৰৰ সংলাপ অতি সংযত আৰু দৃষ্টি ভঙ্গীও বাস্তৱমুখী। বৰ্ত্তমান সময়ত আধুনিক ধৰণৰ বিভিন্ন নাটক ৰচনা কৰা হৈছে। লক্ষ্মীধৰ শৰ্ম্মাই যদিও একাঙ্কিকাৰ সূচনা কৰিলে তথাপি স্বাধীনতাৰ পিচৰ পৰাহে এইবিধ নাটক যথেষ্ট সৰবৰহী হৈছে।

ষোড়শ অধ্যায়

শিশু-সাহিত্য

পুৰণি সাহিত্যত কাণখোৱা, ভীমচৰিত, আদি পুথিয়ে আগতে শিশু আৰু বয়সস্থ সকলোকে আনন্দৰ সমল যোগাইছিল। বৰ্ত্তমান যুগত শিশু উপযোগী গ্ৰন্থ ৰচনাৰ প্ৰচেষ্টা মিছনেৰী যুগত আৰম্ভ হয়। অৰুনোদই কাকতত বাইবেলৰ বা দেশ বিদেশৰ সাধু প্ৰকাশিত হয়। এই যুগতে বাইবেলৰ সাধু, শুৱনি সাজ, আফ্ৰিকাৰ কোঁৱৰ, ঈগলৰ, বাঁহ, ৰামগতিৰ কাহিনী, আদি পুথি ছপা হয়। **নিধি লেৱি ফাৰৱেলে** কনি বেহেৰুৱাৰ সাধু ৰচনা কৰে। **আনন্দৰাম ঢেকিয়াল ফুকনৰ** অসমীয়া লৰাৰ মিত্ৰ, **হেমচন্দ্ৰ বৰুৱাৰ** পাঠমালা; **বিষ্ণুপ্ৰিয়া দেৱীৰ** সাধুকথা আদি পুথি এই যুগত অগাপিছাকৈ ওলায়। ১৮৮৮ খ্ৰীঃ কৰুণাভিৰাম বৰুৱাৰ সম্পাদনাত **'লৰাবন্ধু'** নামৰ প্ৰথম অসমীয়া **শিশু-আলোচনী** প্ৰকাশিত হয়।

লক্ষ্মীনাথ বেজবৰুৱাই বিংশ শতিকাৰ আৰম্ভণিতে বুঢ়ী আইৰ সাধু (১৯১১), ককাদেউতা আৰু নাতি লৰা (১৯১২) আৰু জুনুকা (১৯১৩) নামৰ সাধুৰ পুথি ৰচনা কৰে। **জ্ঞানানন্দ জগতীৰ** (তুলসীপ্ৰসাদ দত্ত) **সাধুকথাৰ জোলোঙা** আৰু **হেমপ্ৰভা দাসৰ** জ্ঞানমালা (ইংৰাজী সাধুৰ অনুবাদ) ১৯০৯ চনত ওলায়। **ৰত্নেশ্বৰ মহন্ত** (কবিতাহাৰ), **দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱা** (উজু কবিতা, লৰাৰ কবিতা), **বেণুধৰ ৰাজখোৱা** (সৰু লৰাৰ গীত আদি), **প্ৰমোদচন্দ্ৰ বৰঠাকুৰ** (কবিতা কুসুম), **মহম্মদ চুলেইমান খাঁ** (কবিতা পুথি), **আনন্দচন্দ্ৰ আগৰৱালা** (জিলিকনি), **ধনাই বৰা** (কবিতা চন্দ্ৰিকা) আদিয়ে সহজ সৰল ভাষাত শিশু-উপযোগী কবিতা ৰচনা কৰে। পণ্ডিত হেমচন্দ্ৰ গোস্বামী সম্পাদিত সচিত্ৰ শিশু-আলোচনী **অৰুণ** ১৯১৬ চনত প্ৰকাশিত হয়। **এই সময়ৰ** পৰা সংস্কৃত, ফাৰ্চী, ইংৰাজী আদি ভাষাৰ সাধু বা গল্পৰ ভাঙনি আৰম্ভ হয়। মহাভাৰত বা ৰামায়ণ শিশু উপযোগী কৰি গদ্যত ৰচনা কৰা হয়। এইবিধৰ লেখকসকল হৈছে **শ্ৰীমিত্ৰদেৱ মহন্ত** (মৌ-মহাভাৰত, ধ্ৰুৱ), **শ্ৰীতাৰানাথ বৰপূজাৰী** (মহাভাৰতৰ ৰহঘৰা, মহাভাৰতৰ মৌ-বিচনি),

শ্ৰীযোগেশ্বৰ শৰ্ম্মা (কথা মহাভাৰত), **শ্ৰীমহেশ্বৰ শৰ্ম্মা** (কথা ৰামায়ণ, সাবিত্ৰী), **বিপিনচন্দ্ৰ বৰুৱা** (প্ৰহ্লাদ, ৰাণাপ্ৰতাপ), **মহেশচন্দ্ৰ শৰ্ম্মা কটকী** (দ্ৰৌপদী), **শ্ৰীহৰেন্দ্ৰনাথ শৰ্ম্মা** (সাবিত্ৰী, নলদময়ন্তী) ইত্যাদি। সংস্কৃত গল্প বা কাহিনী কেবাজনেও ভাঙিছে। যেনে :—**মহেশ্বৰ বৰুৱা** (মিত্ৰলাভ), **উৎসৱানন্দ গোস্বামী** (বত্ৰিশ সিংহাসন), **শ্ৰীসোনাপতি দেৱশৰ্ম্মা** (বেউলা), **মহেশচন্দ্ৰ শৰ্ম্মা কটকী** (গজমুক্তা, বেতাল-পঞ্চবিংশতি), **শ্ৰীযোগেশ্বৰ শৰ্ম্মা** (নৱৰত্ন), **ইন্দ্ৰধৰ ৰাজখোৱা** (হিতোপদেশ, মিত্ৰলাভ খণ্ড) ইত্যাদি। ইংৰাজী সাধুৰ ভাঙনি বা তাৰ আলমত শিশুপাঠ্য ৰচা হৈছে। লেখক-লেখিকাসকল হৈছে—**জ্ঞানদাভিৰাম বৰুৱা** (দদাইৰ পজা, ভেনিচৰ সাউদ, পঞ্চৰত্ন), **শ্ৰীযোগেশ্বৰ শৰ্ম্মা** (ঈচপৰ উপকথা), **শৰৎচন্দ্ৰ গোস্বামী** (পেৰিক্লিচ), **প্ৰতিভা দেৱী** (ডেন কুইক্‌চোট), **কমলানন্দ ভট্টাচাৰ্য্য** (ৰোমিয় জুলিয়েট), **দুলালচন্দ্ৰ বৰঠাকুৰ** (অথেল, লিয়েৰ), **শ্ৰীমতী সুপ্ৰভা গোস্বামী** (কণিকা) ইত্যাদি। ফাৰ্চী সাধু বা উপাখ্যানো কেবাজনেও অনুবাদ কৰিছে। যেনে :—**হাজী ফাইজুদ্দিন আহমদ** (আৰবৰ সাধু), **শ্ৰীবসন্তকুমাৰ বৰুৱা** (বেগানবৰ সাধু), **গুণাভিৰাম শৰ্ম্মা** (ৰহস্য কাহিনী, আৰবৰ সাধুকথা), **আজলাভৰা মেওগ** (আলিবাবা আৰু দুকুৰি ডকাইত, সিন্দবাদ আৰু তেওঁৰ সাতোটি জলযাত্ৰা) ইত্যাদি। কিছুমান সাধু আৰু আখ্যানেও শিশু সাহিত্যৰ কলেৱৰ বৃদ্ধি কৰিছে। এই লেখকসকল হৈছে **শৰৎচন্দ্ৰ গোস্বামী** (অসমীয়া সাধুকথা), **এম. মোছলেহউদ্দিন আহমদ** (মজাৰ গল্প), **হেমচন্দ্ৰ শৰ্ম্মা** (হেমহাৰ), **শ্ৰীকুমুদেশ্বৰ বৰঠাকুৰ** (সাধুৰ ভৰাল), **শ্ৰীহৰিপ্ৰসাদ বৰুৱা** (মইনা), **শ্ৰীযামিনীকান্ত দাস** (অকণৰ সাধুকথা), **ত্ৰৈলোকেশ্বৰী দেৱী বৰুৱানী** (সাধুকথা, সন্ধিয়াৰ সাধু), **শ্ৰীমুক্তিনাথ শৰ্ম্মা বৰদলৈ** (জোনাকী সাধু) ইত্যাদি। **বিপিনচন্দ্ৰ বৰুৱাৰ** দ্বাৰা সম্পাদিত গল্প-চিৰিজ আৰু শিশু-সাহিত্য চিৰিজ নামৰ আলোচনীত শিশু উপযোগী গল্প, সাধু আৰু জীৱনী ধাৰাবাহিকভাৱে ওলাইছিল। বাঁহী আৰু আৱাহনৰ যুগত শিশুৰ উপযোগী জীৱনী ৰচিত হৈছিল। এই লেখকসকল হৈছে গুণাভিৰাম বৰুৱাৰ কন্যা স্বৰ্ণলতা বায় (আহি তিকতা, ১৯১৯) শ্ৰীমহাদেৱ শৰ্ম্মা (শিশু জীৱনী, মহম্মদ চৰিত্ৰ, বুদ্ধদেৱ, ৰামকৃষ্ণ), শ্ৰীবসন্তকুমাৰ বৰুৱা (বুকাৰ ৱাচিংটন), **গুণাভিৰাম শৰ্ম্মা** (ডাঃ প্ৰফুল্লচন্দ্ৰ ৰায়ৰ জীৱনী), শ্ৰীকুমুদেশ্বৰ বৰঠাকুৰ

(চেক্সপীয়েৰ), শ্ৰীগোবিন্দচন্দ্ৰ দাস (বাল্মীকি), ডঃ সূৰ্য্যকুমাৰ ভূঞাৰ (চানেকী, জোনাকী) **শ্ৰীহৰেন্দ্ৰনাথ শৰ্ম্মা** (জোৱান ডাৰ্ক, কামাল পাছা), **শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা** (মহাৰাজ নৰনাৰায়ণ, লৰাৰ বেজবৰুৱা), **শ্ৰীপ্ৰেমধৰ ৰাজখোৱা** (লৰাৰ জৱহৰলাল, হেমচন্দ্ৰ গোস্বামী, হেমচন্দ্ৰ বৰুৱা), **আজলীতৰা মেওগ** (আনন্দৰাম ঢেকিয়াল ফুকন, গুণাভিৰাম বৰুৱা) **শ্ৰীসোনাৰাম শইকীয়া** (আনন্দৰাম বৰুৱা), **শ্ৰীদীননাথ শৰ্ম্মা** (সত্যনাথ বৰা), বিপিনচন্দ্ৰ বৰুৱা (ৰাণাপ্ৰতাপ, ১৯৩০) ইত্যাদি ।

প্ৰতীক-ধৰ্মী শিশু-নাটিকাৰ প্ৰকাশেও শিশু-সাহিত্যৰ সৌষ্ঠব বৃদ্ধি কৰিছে। সেইবোৰৰ ভিতৰত **কীৰ্ত্তিনাথ শৰ্ম্মা বৰদলৈ** আৰু **শ্ৰীমুক্তিনাথ শৰ্ম্মা বৰদলৈৰ** যুটীয়া ৰচনা বাসন্তীৰ অভিষেক (১৯২৯), লুইত কোঁৱৰ (১৯৩০) আৰু সুৰ বিজয় (১৯৩৪), **শ্ৰীআনন্দচন্দ্ৰ বৰুৱাৰ** কপৌ কুঁৱৰী (১৯৩২) উল্লেখযোগ্য ।

শিশুৰ উপযোগী আলোচনীও প্ৰকাশিত হৈছে। শ্ৰীমহাদেৱ শৰ্ম্মা সম্পাদিত **অৰুণ** আৰু অধ্যক্ষ তুলসীনাৰায়ণ শৰ্ম্মা সম্পাদিত **আমাৰ দেশ** আলোচনীয়ে শিশু-সাহিত্য সমৃদ্ধ কৰিছে। দ্বিতীয় মহাসমৰৰ সময়ৰ পৰা এতিয়ালৈকে নানা শিশু আলোচনী ওলাইছে। সেইবোৰ হৈছে শ্ৰীহৰেন্দ্ৰনাথ শৰ্ম্মা সম্পাদিত 'পখিলা', ডাঃ দীননাথ শৰ্ম্মা সম্পাদিত **পাৰিজাত** (১৯৪১), শ্ৰীমহাদেৱ শৰ্ম্মাৰ **অৰুণ** (নতুন প্ৰকাশ), ডঃ বিৰিঞ্চিকুমাৰ বৰুৱাৰ **অৰুণ**। অসম চৰকাৰৰ জন-শিক্ষা বিভাগৰ মুখপত্ৰ **জন-শিক্ষা**, ইব্ৰাহিম আলিৰ **কাঁচিজোন**, শ্ৰীগৌৰীকান্ত তালুকদাৰৰ **দীপক** (১৯৫৮—) ইত্যাদি। জনশিক্ষা আৰু দীপক বৰ্ত্তমানলৈকে ওলাই আছে। সম্প্ৰতি শ্ৰীনৱকান্ত বৰুৱা-সম্পাদিত **জোনবাই** (১৯৬১—) নামৰ এখন আলোচনী ওলাইছে।

দ্বিতীয় মহাসমৰৰ ভিতৰত প্ৰকাশিত **শ্ৰীবেণুধৰ শৰ্ম্মাৰ** বাংপতা (১৯৪৩) এখন উল্লেখযোগ্য শিশুপাঠ্য। বুৰঞ্জীমূলক কথা সাধুৰ ছলেৰে কোৱা হৈছে। কথন-ভঙ্গী আকৰ্ষণীয় আৰু ভাষাও শুৱলা। শ্ৰীশৰ্ম্মাই যুটীয়াকৈ ৰবিন্‌চন্ ক্ৰুচ অনুবাদ কৰে। তেওঁৰ শাতুমণি (১৯৫৯) আন এখন সুন্দৰ সাধুৰ পুথি। শ্ৰীমিত্ৰদেৱ মহন্তই জুনজুনি (১৯৫৫) পুথিৰ কাৰণে ভাৰত চৰকাৰৰ বঁটা লাভ কৰিছে। **শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাই** ভাল ভাল শিশু-পাঠ্য ৰচনা কৰিছে। তাৰ ভিতৰত উল্লেখযোগ্য হৈছে কথা-কীৰ্ত্তন (১৯৫৫),

পুৰণি সাহিত্যৰ পাৰিজাত (১৯৪৮), নবাৰ জাতক (১৯৫০), কথা-দশম (১৯৫১), ঈচপৰ সাধু (১৯৪৮), মাণিকী মাধুৰী (১৯৪৯), অণেশ্বৰীৰ দেশ (১৯৫২), দিগ্বীজয়ী (১৯৫২), কাব্যকথা (১৯৫৩), কাব্য-কাহিনী (১৯৫৩), কমুক জুমুক (১৯৫৩), আগৰ দিন (১৯৫৪), আমাৰ দেশ (১৯৫৪), হাঁহি চম্পা (১৯৫৭), ভাৰত জেউতি (১৯৫৭), বিশ্বজ্যোতি (১৯৫৮), গ্ৰিমচৰ সাধু (১৯৬০) ইত্যাদি। হাজৰিকাৰ ৰচনা-শৈলী মনোগ্ৰাহী। **ডঃ মহেশ্বৰ নেওগ** (ডাৱৰৰ সিপাৰে ধুনীয়া দেশ), **ডঃ প্ৰফুল্লদত্ত গোস্বামী** (বিলাতী হোজা, অসম দেশৰ সাধু), **ডঃ ৰোহিণীকান্ত বৰুৱা** (পমিলীৰ পৰিয়াল), **শ্ৰীমহেন্দ্ৰ বৰা** (ভেন কুইকচোট, গালিভাৰৰ ভ্ৰমণ, নীল সাগৰৰ সাধু), **শ্ৰীযতীন্দ্ৰনাথ গোস্বামী** (কালিকা লগা চিচা, দস্যু সম্ৰাট, মৌচাক), **হাৰুণাৰ ৰচিদ** (টম খুড়াৰ জুপুৰী, বনবীৰ টাৰ্জ্জান, সমুদ্ৰ বিজয়ী কলম্বচ, ৰত্নদ্বীপ, খ্ৰী মাচকেটিয়াৰ্চ ইত্যাদি) আদিৰ পুথি শিশুৰ উপযোগীকৈ লিখা হৈছে। ডঃ বাণীকান্ত কাকতি (পখিলা) ডঃ বিৰিঞ্চিকুমাৰ বৰুৱা (দেশ বিদেশৰ সাধু, জাতকৰ সাধু আদি), শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী (চণ্ডীৰ সাধু, পুৰাণৰ সাধু) আদিয়েও শিশু-সাহিত্য ৰচনা কৰিছে।

হৰগোবিন্দ শৰ্ম্মাই প্ৰথম অসমীয়া শিশু-উপন্যাস **পাতালপুৰী** ৰচনা কৰে। আন শিশু উপন্যাস হৈছে, **শ্ৰীযোগেন শৰ্ম্মাৰ** সুৰুয উঠা দেশৰ পিনে, **শ্ৰীশুক্ৰেশ্বৰ বৰাৰ** মায়ামতী (১৯৫৯), **শ্ৰীপ্ৰেমনাৰায়ণ দত্তৰ** পোহৰৰ বাটত (১৯৫৬) ইত্যাদি। কেইখনো শিশু নাটক ওলাইছে। তাৰ ভিতৰত **শ্ৰীলক্ষ্যধৰ চৌধুৰীৰ** একলব্য উল্লেখযোগ্য।

বৰ্ত্তমান সময়ত উল্লেখযোগ্য শিশু পুথি হৈছে **শ্ৰীনৱকান্ত বৰুৱাৰ** (এখুদ ককাইদেউ, শিয়ালী পালেগৈ ৰতনপুৰ, আখৰৰ জখলা), **ডাঃ হৰিনাথ শৰ্ম্মা বৰদলৈৰ** উইবাজ আৰু মৌবাজ (১৯৫৮), টুনী (১৯৫৮), **দুলালচন্দ্ৰ বৰঠাকুৰৰ** এসময়ত চীনদেশত, ঘুমটি যায়োৰে অৰে কানাই, **শ্ৰীলীলা গগৈৰ** খৰা শিয়ালৰ বিয়া, অনুপম কোৱঁৰৰ সাধু (১৯৫৯), সোনাকণৰ সপোন (১৯৫৫), **শ্ৰীকবিচন্দ্ৰ মহন্তৰ** গোসাঁইৰ ঘোৰা, **শ্ৰীসুৰেন দাইৰ** উদয়াচলৰ সাধু (১৯৬০), **শ্ৰীবাণাজ্যোতি দত্তবুকনৰ** ভয়ঙ্কৰ আফ্ৰিকা (১৯৫৫), **শ্ৰীনকুলচন্দ্ৰ ভূঞাৰ** সোনহঁতৰ ভীম (১৯৫৩), **শ্ৰীসৰ্ব্বানন্দ ৰাজকুমাৰৰ** লোকসাধু (১৯৬০), **জমিৰুদ্দিন আহমদৰ** চীনদেশৰ কাহিনী,

শ্ৰীপ্ৰণীতা দেৱীৰ পৰীৰ দেশৰ সাধু (১৯৫৮), **শ্ৰীনীলিমা দত্তৰ** শিশু আৰু শুনা কথা (১৯৫৮), **প্ৰেমধৰ দত্তৰ** শিয়ালৰ শিং (১৯৫৮) **শ্ৰীবিষ্ণুপ্ৰিয়া দত্তবৰুৱাৰ** শিশু কৃষ্ণ (১৯৫৬) ইত্যাদি।

বিজ্ঞান বিষয়ক পুথিও লেখা হৈছে। যেনে :—ডঃ ৰোহিণীকান্ত **বৰুৱাৰ** বিজ্ঞানৰ সাধু, **শ্ৰীদীপেন্দ্ৰনাথ শৰ্ম্মাৰ** বিজ্ঞানৰ বিস্ময় বাতৰি, শ্ৰীযোগেন্দ্ৰনাথ শইকীয়াৰ পতঙ্গৰ কথা (১৯৫৪) ইত্যাদি।

শিশুৰ উপযোগী কেইবাখনো জীৱনী ওলাইছে। এই লেখকসকল হৈছে **শ্ৰীহৰেন্দ্ৰনাথ শৰ্ম্মা** (অশোক, সত্যসন্ধাৰ প্ৰথম খোজ), **শ্ৰীজীৱনচন্দ্ৰ বৰুৱা** (লম্বোদৰ বৰা, ১৯৪১), **শ্ৰীসতীশচন্দ্ৰ কাকতী** (জীৱনীমালা), **শ্ৰীবীৰেন বৰকটকী** (খোজতে মিলাওঁ খোজ, ১৯৫৬), **শ্ৰীধৰ্ম্মেশ্বৰ কটকী** (অকণিৰ ধ্ৰুৱ, ১৯৫৫, অকণিৰ প্ৰহ্লাদ ১৯৫৪, গৌতম বুদ্ধ ১৯৫৮), ডঃ **শ্ৰীউপেন গোস্বামী** (বাপু মোৰ আই, ১৯৫০), শ্ৰীবেণুধৰ শৰ্ম্মা (গঙ্গা গোবিন্দ ফুকন, মৰমৰ কাৰেং ১৯৫৯), **শ্ৰীনীলিমা দত্ত** (মহৎ লোকৰ লৰালি কাল), **শ্ৰীমফিদা আহম্মদ** (বিশ্বদীপ বাপুজী) ইত্যাদি।

শিশু সাহিত্যৰ লেখ বাঢিছে যদিও বয়স অনুযায়ী শিশু-সাহিত্য ৰচনা হোৱা নাই। বয়সোপযোগী সাহিত্য ৰচনা কৰি তাক ৰংচঙীয়াকৈ উলিয়াব পাৰিলে আমাৰ সাহিত্য সমৃদ্ধিশালী হ'ব।

সপ্তদশ অধ্যায়

আলোচনী-সাহিত্য

বাতৰি আৰু আলোচনী কাকতে গদ্য-সাহিত্যৰ উৎকৰ্ষ সাধনত সহায় কৰিছে। ভাষাৰ প্ৰাঞ্জলতাৰ ভিতৰেদি ভাব প্ৰকাশৰ যি সহজ আৰু সাৱলীল মাৰ্গ আলোচনীয়ে ৰচনা কৰিছে সেই ফালৰপৰা বিচাৰ কৰি চালে জাতিৰ সাহিত্য আৰু সংস্কৃতিৰ বুৰঞ্জীত আলোচনী কাকতৰ দান অনস্বীকাৰ্য্য। বঙ্গদেশত শ্ৰীৰামপুৰৰ মিছনেৰীসকলে ১৮১৮ খ্ৰীঃত দিগদৰ্শন নামৰ সংবাদ পত্ৰ উলিয়ায়। অসমতো আমেৰিকান বেপটিষ্ট মিছন সমাজে আলোচনী সাহিত্যৰ পথ-প্ৰদৰ্শকৰ দাবী কৰিব পাৰে। তেওঁলোকে ১৮৪৬ চনৰ জানুৱাৰী মাহত শিৱসাগৰৰপৰা 'অৰুনোদই সংবাদ পত্ৰ' (The Orunodoi) নামৰ মাহেকীয়া আলোচনী উলিয়ায়। আলোচনীৰ বেটুপাটত "অৰুনোদই গিয়ান ভণ্ডাৰ" আৰু তাৰ তলত ইংৰাজীৰে 'The Orunodoi, A monthly magazine devoted to religion, science and general intelligence' এই বুলি লিখা আছিল। ইলাষ্ট্ৰেটেড্ লণ্ডন নিউজৰ পৰা অনা ছবি অসমীয়া বাঢ়ৈৰ হতুৱাই কাঠত কটাই অৰুনোদইত ছপোৱা হৈছিল। এই কাকতৰ "ঠাচ কথ্য-ভাষাৰ দৰে সৰল আৰু আখৰ-জোটনি কাণৰ শুনা কথা অনুসৰি গঢ়ি তোলা।" এই কাকতত 'সম্পাদকলৈ চিঠি' এই বিষয়ৰ সাহিত্য গঢ়ি উঠে। খ্ৰীষ্টধৰ্ম্মৰ বাণী প্ৰচাৰ কৰাই ইয়াৰ মূল উদ্দেশ্য আছিল যদিও দেশ বিদেশৰ বাতৰি, বুৰঞ্জী, বিজ্ঞান, জীৱনী, চুটি কাহিনী, দেশ-বিদেশৰ তথ্যপূৰ্ণ ভাঙনি, ভাৰত আৰু অসমৰ বুৰঞ্জী, জ্যোতিষৰ তত্ত্ব, কবিতা, সাঁথৰ, প্ৰবন্ধ আদি ইয়াত ঠাই পাইছিল। অৰুনোদইত প্ৰকাশিত কবিতাবোৰক থাইকৈ তলত দিয়া দৰে ভাগ কৰিব পাৰি—সংস্কাৰ-মূলক (কানিৰ বিৱৰণ, ফটিকাৰ বিৱৰণ), ধৰ্ম্মমূলক (ধৰম গীত, ইশ্বৰৰ মহিমা) আৰু বিবিধ বিষয়ক (গাই গৰুৰ বিৱৰণ, জাইফলগছৰ বিৱৰণ, ৰংপুৰ নগৰৰ বিৱৰণ, গুৱাহাটিৰ বিৱৰণ, কলিকতা চহৰৰ বিৱৰণ ইত্যাদি)। কাকতৰ আকাৰ আছিল ডবল ক্ৰাউন আৰু প্ৰতি সংখ্যাত ১৬ৰ পৰা ২৪ পিঠিলৈকে আছিল। বছেৰেকীয়া বৰঙণি এটকা ; আৰু ইয়াৰ গ্ৰাহকৰ সংখ্যা ১৮৬৭-

৬৮ চনত প্ৰায় ৭০০ হৈছিল। এই কাকতৰ প্ৰথম সম্পাদক আছিল অলিবৰ. টি. কটৰ। এই কাকত ১৮৮২ চনলৈকে চলিছিল, কিন্তু শ্ৰীমতী এচ-আৰ-ৱাৰ্ডৰ টোকাৰ পৰা ই ১৮৮০ চনলৈকে প্ৰকাশিত হৈ আছিল বুলি বুজা যায়। এই কাকতে এটা নতুন যুগ সূচনা কৰিলে আৰু ইয়াকে **অৰুণোদয় যুগ** (১৮৪৬-১৮৮২) বোলে।

আসাম-বিলাসিনী ১ম খণ্ড (মাহেকীয়া বাতৰি কাকত) ১৮৭১ খ্ৰীঃৰ পৰা ১৮৮৩ খ্ৰীঃলৈকে আউনীআটীয় সত্ৰাধিকাৰ ৺দত্তদেৱ গোস্বামীৰ দ্বাৰা প্ৰচাৰিত আৰু মাজুলীৰ ধৰ্ম্মপ্ৰকাশ যন্ত্ৰত মুদ্ৰিত হৈছিল। এইখন ধৰ্ম্মমূলক আলোচনী আছিল, আৰু সত্ৰ স্থানান্তৰিত হোৱাত এই কাকত বন্ধ হ'ল। ইয়াৰ ২য় খণ্ড (সাদিনীয়া) যোৰহাটৰ কৃষ্ণকান্ত ভটাচাৰ্য্যই ১৯১৩ চনত ন কৈ উলিয়াইছিল। কিন্তু ১৯২৪-২৫ চনত ই পুনৰ বন্ধ হয়। ১৮৭২ খ্ৰীঃত চিদানন্দ দাসৰ দ্বাৰা প্ৰকাশিত অসমৰ প্ৰথম সাদিনীয়া বাতৰি কাকত **আসাম মিহিৰ** (১৮৭২-৭৩) ওলায়। ১৮৭৪-৭৫ খ্ৰীঃত তেজপুৰৰ লক্ষ্মীকান্ত কাকতী সম্পাদিত মাহেকীয়া কাকত **আসাম-দৰ্পণ** বিশ্বনাথৰ পৰা ওলায়। ১৮৭৫-৭৬ চনত নগাৱঁৰ পৰা দুখন আলোচনী ওলায়—এখন সাহিত্য আৰু বিজ্ঞান সম্বন্ধীয় আৰু আনখন ধৰ্ম্ম সম্বন্ধীয়। ১৮৭৬ খ্ৰীষ্টাব্দত নগাৱঁৰ দিহিঙ্গীয়া গোসাঁয়ে এখন ধৰ্ম্ম-মূলক মাহেকীয়া আলোচনী উলিয়ায়। ১৮৭৬ খ্ৰীঃত গোৱালপাৰাৰপৰা সাদিনীয়া কাকত **গোৱালপাৰা হিতসাধিনী** (১৮৭৬-৭৮) আৰু সেই বছৰতে গুৱাহাটীৰপৰা মাহেকীয়া কাকত **চন্দ্ৰোদয়** আৰু **আসাম দীপক** (১৮৭৬) ওলায়।

'আসাম নিউচ'—'আসাম-বন্ধু' কাল (১৮৮২-১৮৮৮)—হেমচন্দ্ৰ বৰুৱা সম্পাদিত ইংৰাজী-অসমীয়া সাদিনীয়া কাকত **"আসাম নিউজ"** (১৮৮২-৮৫) বৰুৱা ফুকন ব্ৰাৰ্দাচৰ পৃষ্ঠপোষকতাত ১৮৮২ চনত গুৱাহাটীৰপৰা ওলায়। এই কাকতে প্ৰকৃত আধুনিক অসমীয়া ৰচনা-ৰীতি আৰু বৰ্ণবিন্যাসৰ আদৰ্শ দাঙি ধৰে। গুণাভিৰাম বৰুৱাৰ সম্পাদনাত কলিকতাৰপৰা ওলোৱা মাহেকীয়া কাকত **আসাম বন্ধু** (১৮৮৫-৮৬) এবছৰ চলে। এই কাকতত আধুনিক আৰ্হিৰ গদ্য আৰু পদ্যৰ ৰচনা প্ৰকাশ হৈছিল, কিন্তু ইয়াৰ বৰ্ণবিন্যাস প্ৰণালী দোষমুক্ত নাছিল। সাহিত্য, বিজ্ঞান, বুৰঞ্জী আদি বিবিধ বিষয়ক সাৰুৱা প্ৰবন্ধৰ সম্ভাৰ লৈ এই কাকতৰ যোল সংখ্যা ওলায় আৰু দ্বিতীয় বছৰত ই এৰা পৰে। এই কাকতৰ ওপৰত লিখা আছিল—"আসাম বন্ধু"—মাসিক

পত্র। 'ন চ জ্ঞানাৎ পৰং বলম্' (প্ৰথম ভাগ প্ৰথম সংখ্যা মাঘ ; শক ১৮০৬, ইংৰাজী ১৮৮৫)। এই শকৰ মাঘ মাহত প্ৰথম সংখ্যা ওলায়। ইয়াৰ পিচত বলিনাৰায়ণ বৰা, চি-ইৰ পৃষ্ঠপোষকতাত মাহেকীয়া আলোচনী **মৌ** (১৮৮৬ ৮৭) শ্ৰীধৰ বৰুৱা সম্পাদিত আউনী আটী সত্ৰৰ পৰা মাহেকীয়া আলোচনী **আসাম-তৰা** (১৮৮৬) আৰু ৰুকণাভিৰাম বৰুৱা সম্পাদিত প্ৰথম অসমীয়া শিশু-আলোচনী **লৰা-বন্ধু** (১৮৮৮) ওলায়। মৌ আলোচনী ১৮৮৬ চনত ডিচেম্বৰত পোনতে ওলায় আৰু গ্ৰাহকৰ অভাৱত চাৰি সংখ্যা ওলাই ই বন্ধ হয়।

জোনাকী কাল (১৮৮৯-১৯০৯) :—১৮৮৯ খ্ৰীঃৰ ৯ ফেব্ৰুৱাৰীত (১৮১০ শকৰ মাঘ মাহ) অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ মুখপত্ৰ স্বৰূপে চন্দ্ৰকুমাৰ আগৰৱালাৰ মাহেকীয়া আলোচনী জোনাকী ওলায়। বেচ বছৰি পাঁচ মহা (১০)। প্ৰথম সংখ্যা ২০ পিঠিৰ আছিল আৰু ইয়াত জোনাকী (পদ্য); আত্মকথা ; জাতীয় উন্নতি (ক); লিতিকাই (লঃ বেঃ); বনকুঁৱৰী (পদ্য); আনন্দৰাম বৰুৱা ; সাঁথৰ প্ৰকাশ হৈছিল। প্ৰথম সংখ্যা কাকতৰ আত্মকথাত লিখা হৈছিল, " * * এই পাচ পৰি থকা আমাৰ দেশলৈ অলপ 'জোনাক' সুমুৱাব নোৱাৰিলেও যদি নিজেও যত্নৰ ফিৰিঙতিৰ পোহৰত বাট পাওঁ, তেন্তে আমাৰ শক্তিৰ মিছা ব্যয় হোৱা নাই বুলি জানিম। আমি জানো আমাৰ দেশ শিক্ষাত পাছ, জ্ঞানত ভিখাৰী, ধনত দুখীয়া, সংখ্যাবলত শিক্ষাহীন, স্বাস্থ্যত ৰুগীয়া, কামত এলেহুৱা ও পৰাধীন—কিন্তু আমি নিজ শক্তি অনুযায়ী হৈহে কামত হাত দিব পাৰোঁ। আমি বুজিবলৈ ওলাইছোঁ আমাৰৰ বিপক্ষে—উদ্দেশ্য দেশৰ উন্নতি "জোনাক"। কিমানলৈ আগবাঢ়িব পাৰিমহঁক সেইটো নিজৰ শক্তিচালনা ও সুযোগৰ ওপৰতহে বৈ আছে।" দ্বিতীয় বছৰত হেমচন্দ্ৰ গোস্বামী আৰু তৃতীয় আৰু চতুৰ্থ বছৰত লক্ষ্মীনাথ বেজবৰুৱা ইয়াৰ সম্পাদক আছিল। কেই বছৰমান চলাৰ পাচত জোনাকী বন্ধ হয়। পাচত সত্যনাথ বৰাৰ সম্পাদনাত গুৱাহাটীৰ পৰা জোনাকী (নতুন খণ্ড-১ম ভাগ, ১৮২৪ শক) ১৯০১ খ্ৰীঃত (১৯০১-১৯০৪) ওলায়। জোনাকী কাকতে অসমীয়া সাহিত্যত ৰোমাণ্টিক ভাবধাৰা প্ৰবৰ্ত্তন কৰে। ইয়াৰ যোগে দি নৱ জাগৰণৰ প্ৰেৰণা সোমাল। "অৰুনোদইৰ ভাষা আছিল জ্ঞানৰ পোহৰ বিচৰা চালুকীয়া লৰাৰ থুনুক-থানাক ভাষা আৰু আসাম-বন্ধুৰ আছিল মাৰ্জ্জিত গহীন ভাষা আৰু তাৰ আথৰ-জোঁটনি আছিল লেখকৰ ৰুচি অনুসৰি ; জোনাকীয়ে কিন্তু এই বেমেজালি দূৰ কৰি দুয়োটাৰে সামঞ্জস্য ঘটালে" (শ্ৰীবেণুধৰ শৰ্ম্মা)। জোনাকী

কাকত ওলোৱাৰপৰা অসমীয়া আলোচনীয়ে সাৰ্থক মৰ্য্যাদা পায়। ১৮৯০ খ্ৰীঃত কৃষ্ণপ্ৰসাদ দুৱৰা বি-এলৰ সম্পাদনাত **বিজুলী** (১৮৯০-৯২) নামৰ মাহেকীয়া আলোচনী ওলায়। ইয়াৰ দ্বিতীয় আৰু তৃতীয় বছৰৰ সম্পাদক ক্ৰমে পদ্মনাথ গোহাঞি বৰুৱা আৰু বেণুধৰ ৰাজখোৱা আছিল। তৃতীয় বছৰ সম্পূৰ্ণ নৌ হওঁতেই এই কাকত বন্ধ হয়। ইয়াৰ ২য় খণ্ড ১৯০২ চনত শ্বিলং প্ৰবাসী লক্ষ্মীনাথ শৰ্ম্মা বি-এৰ দ্বাৰা সম্পাদিত হৈ তেজপুৰৰপৰা ওলাইছিল। পাচত গুৱাহাটীৰ কালীৰাম বৰুৱাৰ সম্পাদনাত সাদিনীয়া কাকত **আসাম** (১৮৯৪-১৯০১), তেজপুৰৰ মথুৰামোহন বৰুৱাৰ সম্পাদনাত ইংৰাজী অসমীয়া কাকত **অসম-বন্তি** (১৯০০ খ্ৰীঃ, ১৮২১ শক ১ মাঘ), ডিব্ৰুগড়ৰপৰা আমেৰিকান বেপটিষ্ট মিছনেৰীৰ দ্বাৰা প্ৰকাশিত মাহেকীয়া কাকত **দীপ্তি** (১৯০৫-০৭), আৰু তেজপুৰৰপৰা পদ্মনাথ গোহাঞি বৰুৱা সম্পাদিত মাহেকীয়া কাকত **উষা** (১৯০৭-১২) ওলায়। **অসম-বন্তি** প্ৰথম চৈধ্য বছৰ সাদিনীয়া আৰু পাচত পষেকীয়াকৈ ওলায় ; আৰু প্ৰথম ডেৰ বছৰ মথুৰামোহন বৰুৱা, পাচৰ তিনি বছৰ জয়দেৱ শৰ্ম্মা, পাচৰ ৪ বছৰমান যোগানন্দ দত্ত আৰু তাৰ পাচৰপৰা পদ্মনাথ গোহাঞিবৰুৱা উক্ত কাকতৰ সম্পাদক হয়।

বাঁহী কাল (১৯০৯-১৯২৯):—সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ সম্পাদনাত ১৯০৯ চনত কলিকতাৰপৰা **বাঁহী** আলোচনী ওলায়। বাঁহীৰ জন্মও মন কৰিবলগীয়া। উষা কাকতৰ জন্মৰ দিন ধৰি বেজবৰুৱাই নিজৰ আৰু কৃপাবৰৰ ছদ্ম নামত প্ৰবন্ধ লিখি উষাক পোষকতা কৰি আহিছিল। কিন্তু ১৮৩০ শকৰ ভাদ মাহৰ উষাৰ তৃতীয় সংখ্যাত কৃপাবৰ বৰুৱাৰ প্ৰত্যাগমন নামে যাই প্ৰবন্ধৰ তলে এংলো ইণ্ডিয়ান নামে এটি পালি প্ৰবন্ধ প্ৰকাশ হোৱাত উষা ৰাজৰোষত পৰে। পাচত উষাৰ সম্পাদকে এই প্ৰসঙ্গত এটা বিবৃতি দি কয়—"কাৰো মনত অসন্তোষ লগোৱা আমাৰ কাম নহয়। ইয়াৰ দ্বাৰাই আমি কৃপাবৰ বৰুৱাৰ প্ৰত্যাগমন প্ৰবন্ধ উষাৰ পৰা উঠাই ললোঁ।" এই অমতৰ কাৰণে বেজবৰুৱা ডাঙৰীয়াই 'ন হি জ্ঞানেন সদৃশং পবিত্ৰমিহ বিদ্যতে' মন্ত্ৰৰ অৱিদ্যা লগাই ১৮৩১ শকৰ আঘোণ মাহত বাঁহীৰ ১ম সংখ্যা কাকত মৰসাহ দি উলিয়ায়। এই বাঁহী কলিকতাৰ ২নং লালবাজাৰ ষ্ট্ৰীটত থকা আসাম বেঙ্গল ষ্টোৰ্চৰ পৰা ওলায়। বেজবৰুৱাই নিজে লেখা প্ৰবন্ধেৰে ৩২ পিঠিয়া ডিমাই চাইজৰ বাঁহীখন বাইজলৈ আগবঢ়াই দিলে। এই কাকত জন্মাৰ লগে লগে পুৰণি আৰু নতুন লেখকৰ মাজত

দুটা দলৰ সৃষ্টি হ'ল, এটাই বাঁহী আৰু আনটোৱে উষাৰ লগ ললে। "সঁচা সচিকৈয়ে উষা-বাঁহীৰ মতভেদ অসমীয়া আলোচনী কাকতৰ বুৰঞ্জীত এটি লেখত লবলগীয়া অধ্যায়" (শ্ৰীবেণুধৰ শৰ্ম্মা)। বাঁহী ১৯২৯ চনলৈকে নিয়মিতভাবে ওলাইছিল। পাচত ক্ৰমে শ্ৰীঅমিয় কুমাৰ দাস (১৯৩৪-৩৬) আৰু মাধৱ চন্দ্ৰ বেজবৰুৱাৰ (১৯৩৮-৪৫) সম্পাদনাত এই কাকত ওলাই আছিল। ১৯৪৫ চনত বাঁহীৰ প্ৰকাশ বন্ধ হয়। ডিব্ৰুগড় আলোচনী সভাৰ পৰা প্ৰসন্ন কুমাৰ বৰুৱা সম্পাদিত (প্ৰথম বছৰচেৰেক দুৰ্গানাথ চাংকাকতি) মাহেকীয়া কাকত **আলোচনী** (১৯১০-১৭), তেজপুৰৰ (ডিব্ৰুগড়?) পৰা তাৰা নাথ চক্ৰবৰ্ত্তী সম্পাদিত মাহেকীয়া আলোচনী **আসাম-বান্ধৱ** (১৯১০-১৬), উত্তৰ লক্ষীমপুৰৰ পৰা নীলকণ্ঠ বৰুৱা সম্পাদিত তিনিমহীয়া আলোচনী **কবিতা-লতা** (১৯১১), ঢাকাৰপৰা কালিৰাম দাস সম্পাদিত সাদিনীয়া কাকত **বিশ্ববাৰ্ত্তা** (১৯১১), নগাৱঁৰ পৰা কৃষ্ণচন্দ্ৰ বৰুৱা সম্পাদিত সাদিনীয়া কাকত **আসাম হেৰল্ড** (১৯১২), ডিব্ৰুগড়ৰ পৰা ভোলানাথ গোহাঁইৰ সম্পাদনাত মাহেকীয়া কাকত **আসাম বান্তৰ** (১৯১২), ১৯১৪ চনত প্ৰকাশিত **ৰণৰ বাতৰি**, হেমচন্দ্ৰ গোস্বামী সম্পাদিত সচিত্ৰ মাহেকীয়া দ্বিতীয় শিশু আলোচনী **অৰুণ** (১৯১৬), চন্দ্ৰকুমাৰ আগৰৱালা সম্পাদিত সাদিনীয়া কাকত **অসমীয়া** (১৯১৮), যোৰহাট নৰ্ম্মাল স্কুলৰ **প্ৰভাত** (১৯১৮), গুৱাহাটীৰ **ইচলামি-আখবৰ** (১৯ ৯-২৫), শ্ৰীঅম্বিকাগিৰি ৰায়চৌধাৰী আৰু চন্দ্ৰনাথ শৰ্ম্মা সম্পাদিত মাহেকীয়া আলোচনী **চেতনা** (১৯১৯-২৬), ৰজনীকান্ত বৰদলৈ সম্পাদিত মাহেকীয়া আলোচনী **অসম-প্ৰদীপিকা** (১৯২০-১, জেঠ ১৮৪২-৪৩ শক), নাৰায়ণ চন্দ্ৰ বৰুৱা সম্পাদিত আলোচনী **আসাম-কৃষক** (১৯২১), সিংহদত্ত দেৱ অধিকাৰী আৰু শ্ৰীপদ্মধৰ চলিহাৰ যুটীয়া সম্পাদনাত ওলোৱা পষেকীয়া কাকত **অৰ্ঘ্য** (১৯২২), আসাম ছাত্ৰ সন্মিলনৰ মুখপত্ৰ **জন্মভূমি** (১৯২২), ছাত্ৰ সন্মিলনৰ তিনিমহীয়া আলোচনী **মিলন** (১৯২৩-৩৮) শ্ৰীৰঘুনাথ চৌধাৰী সম্পাদিত তৃতীয় শিশু আলোচনী **মইনা** (১৯২৩), ধুবুৰীৰ বড়ো সম্প্ৰদায়ৰ **বিবাৰ** (১৯২৩), অসম মুছলমান ছাত্ৰ সন্মিলনৰ তিনিমহীয়া আলোচনী **সাধনা** (১৯২৪), কমলাকান্ত ভট্টাচাৰ্য্য সম্পাদিত পষেকীয়া কাকত **আসাম-হিতৈষী** (১৯২৫-২৯), কটন কলেজৰ মুখপত্ৰ **কটন কলেজ মেগেজিন** (১৯২৪), যোৰহাটৰ নিগমানন্দ স্বামী সম্পাদিত **আৰ্য্য-দৰ্পণ** (১৯২৪), ডিব্ৰুগড়ৰ তপেশ চন্দ্ৰ

বাগচীৰ জাগৰণ (১৯২৪-২৬), নাৰায়ণ চন্দ্ৰ বৰুৱা সম্পাদিত **খেতিয়ক** (১৯২৫), অসম সাহিত্য সভাৰ মুখপত্ৰ অসম সাহিত্য সভা পত্ৰিকা (১৯২৬—), শ্ৰীমহাদেৱ শৰ্ম্মা সম্পাদিত চতুৰ্থ শিশু আলোচনী **অৰুণ** (১৯২৬), কীৰ্ত্তিনাথ খাখলাৰী সম্পাদিত মাহেকীয়া আলোচনী **প্ৰভাতী** (১৯২৬) ছাদিৰ হুচেনৰ দ্বাৰা সম্পাদিত **জননী** (১৯২৬), কৈৱৰ্ত্ত সম্প্ৰদায়ৰ মুখ-পত্ৰ সেৱা (১৯২৬), ডিব্ৰুগড়ৰ পৰা ওলোৱা পষেকীয়া কাকত **সত্যবাদী** (১৯২৬), শ্ৰীতীৰ্থনাথ গোস্বামী সম্পাদিত ধৰ্ম্মবিষয়ক আলোচনী সন্ত-প্ৰদীপ (১৯২৮), মহম্মদ ছোলেইমান খাঁ সম্পাদিত ধৰ্ম্মবিষয়ক আলোচনী **প্ৰচাৰক** (১৯২৮), মহিলা আলোচনী **ঘৰ-জেউতি** (১৯২৮) আদি ওলায়।

আৱাহন কাল (১৯২৯-৪২):—গোৱালপাৰাৰ মেচপাৰাৰ জমিদাৰ নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ পৃষ্ঠপোষকতা আৰু ডাঃ দীননাথ শৰ্ম্মাৰ সম্পাদনাত ১৯২৯ চনত মাহেকীয়া কাকত **আৱাহন** ওলায়। এই কাকত ১৯৪২ চনত কিছুকাল বন্ধ থাকে, আৰু বৰ্ত্তমান ই পুনৰ ওলাইছে। কবিতা, গল্প, চিন্তামূলক প্ৰবন্ধ, আলোচনা, বৈজ্ঞানিক কথা আদিৰে সচিত্ৰ এই আলোচনীখনে সমসাময়িক বঙলা আলোচনীৰে ফেৰ মাৰিব পাৰিছিল। এই কাকতে এক শ্ৰেণীৰ লেখক গঢ়ি তুলিছিল। বাগ্মীবৰ শ্ৰীনীলমণি ফুকন সম্পাদিত প্ৰথম অসমীয়া দৈনিক কাকত **দৈনিক বাতৰি** (১৯২৯-৩৭) যোৰহাটৰপৰা ওলায়। শ্ৰীফুকনদেৱৰ সম্পাদনাত ১৯৩৪ খ্ৰীঃত **ন জোন** নামৰ এখন আলোচনীও ওলায়। ১৯৩০ চনত বিপিন চন্দ্ৰ বৰুৱাৰ সম্পাদনাত অন্নদা সাহিত্য মন্দিৰৰপৰা **গল্প চিৰিজ** নামৰ এখন মাহেকীয়া আলোচনা প্ৰকাশিত হৈছিল। গল্প চিৰিজত জীৱনী, ইংৰাজী নাটকৰ গল্প বা কাহিনীমূলক কবিতা শিশুৰ উপযোগীকৈ ৰচনা কৰা হৈছিল। অধ্যক্ষ তুলসী নাৰায়ণ শৰ্ম্মাৰ সম্পাদনাত **আমাৰ দেশ** (১৯৩১-৩৬) নামৰ এখন মাহেকীয়া শিশু আলোচনী ওলায়। ৰবদৈচিলা এখন বছেৰেকীয়া আলোচনী। যোৰহাটৰ পৰা দৈনিক কাকত **নগৰৰ কথা** (১৯৩১), দুদিনীয়া কাকত **অসম** (১৯৩৫) আৰু সাপ্তাহিক কাকত **স্বৰাজ** (১৯৩৫) আৰু গুৱাহাটীৰ পৰা সাপ্তাহিক **প্ৰতিভা** আৰু **অসমসেৱক** ওলায়। এই সময়তে পঞ্জিকদ্দিন আহ্মদৰ সম্পাদনাত খাদেম আলোচনী ওলায়। গুৱাহাটীৰপৰা ১৯৩৬ চনত **জয়ন্তী** আৰু ১৯৪০ চনত **সুৰভি** নামৰ মাহেকীয়া আলোচনী ওলায়।

জয়ন্তীৰ প্ৰথম সম্পাদক (১৯৩৬-৩৮) শ্ৰীৰঘুনাথ চৌধাৰী, আৰু তেওঁ সুৰভি (১৯৪০, ১৯৪২-৪৪) কাকতো সম্পাদনা কৰিছিল। এই কাকতে আধুনিক অসমীয়া কবিতাৰ আগজাননী দিয়ে। জয়ন্তী কাকতেও একশ্ৰেণী লেখক গঢ়ি তুলিছিল আৰু ইয়াৰ জৰীয়তে অসমীয়া সাহিত্যত বাস্তৱবাদৰ ছাঁ পৰে। এই সময়তে অগাপিছাকৈ শিশু আলোচনী **অৰুণ** (১৯৩৫), **পখিলা** (১৯৩৩), **পাৰিজাত** (১৯৩৬) আৰু **ৰংঘৰ** (১৯৩৮), **কুঁৱৰী** (মহিলা আলোচনী), **পচোৱা** (১৯৪৮-৪৯), **ৰামধেনু** (১৯৫১—), **সোণাৰ জ্যোতি** (১৯৫০), **কাণ্ডাৰি** (১৯৫০), **দীপক** (১৯৫৫—), **নাম নাই** (১৯৫৮— , **কামধেনু** (১৯৫৭), মনিদীপ, আমাৰ প্ৰতিনিধি আদি আলোচনী ওলায়। দৈনিক কাকত **দৈনিক অসমীয়া** (১৯৪৫), **নতুন অসমীয়া** (১৯৪৮—), **শান্তিদূত** আদি ওলায়। সাদিনীয়া বাতৰি কাকত **জনমভূমি** ১৯৪৬ চনৰপৰা ওলাই আছে। ১৯৫৫ চনত প্ৰকাশিত সচিত্ৰ সাপ্তাহিক বাতৰি কাকত **অসমবাণী** বৈশিষ্ট্যপূৰ্ণ। সদ্য প্ৰকাশিত **গণতন্ত্ৰ** (সাদিনীয়া বাতৰি কাকত ১৯৬২), **নৱযুগ** (প্ৰথম অসমীয়া সাপ্তাহিক আলোচনী ১৯৬৩), **অসম বাতৰি** (তিনিদিনীয়া বাতৰি কাকত ১৯৬৩) আদিয়ে সাহিত্যৰ শ্ৰীবৃদ্ধি সাধন কৰিছে। **ৰামধেনু** আলোচনীয়ে সাম্প্ৰতিক সাহিত্য ৰচনাত ইন্ধন যোগাইছে, আৰু এই কাকতক কেন্দ্ৰ কৰি এক শ্ৰেণীৰ লেখক গঢ়ি উঠিছে। অসমীয়া আলোচনী আৰু বাতৰি কাকতৰ বেছি ভাগৰে আয়ুস বৰ চুটি, তথাপি আলোচনীসমূহৰ বুৰঞ্জী আলোচনা কৰিলে দেখা যায় যে অৰুণোদই, আসাম নিউচ, জোনাকী, বাঁহী, আৱাহন, জয়ন্তী আৰু ৰামধেনু অসমীয়া সাহিত্যত যুগান্তৰকাৰী আলোচনী। এই আলোচনীসমূহে ন ন লেখক গঢ়ি আমাৰ সাহিত্য সমৃদ্ধ কৰাত সহায় কৰিছে।

অষ্টাদশ অধ্যায়

গবেষণা আৰু সমালোচনা

অসমীয়া ভাষা-বিষয়ক গবেষণাৰ বাট শ্ৰীদেৱানন্দ ভৰালী, কালিৰাম মেধি আৰু ডঃ বাণীকান্ত কাকতিয়ে মুকলি কৰে। **শ্ৰীদেৱানন্দ ভৰালীয়ে** 'অসমীয়া ভাষাৰ মৌলিক বিচাৰ আৰু সাহিত্যৰ চিনাকি' (১৯১২ চন) গ্ৰন্থেৰে ভাষাতত্ত্ববিষয়ক গবেষণাৰ সূচনা কৰে। তেওঁৰ 'অসমীয়া ধ্বনিতত্ত্ব' (Assamese Phonology, ১৯৬০) নামৰ আন এখন ইংৰাজী পুথি প্ৰকাশিত হৈছে।

শ্ৰীদেৱানন্দ ভৰালী :—ঈশানন্দ ভৰালীৰ পুতেক শ্ৰীদেৱানন্দ ভৰালী ১৮৮৩ চনৰ জুন মাহত শিৱসাগৰত ওপজে। তেওঁ ১৯০০ চনত শিৱসাগৰৰ চৰকাৰী হাইস্কুলৰপৰা এণ্ট্ৰেন্স্ আৰু ১৯০৪ চনত কোচবিহাৰ কলেজৰ পৰা বি. এ মহলাত উঠে। তেওঁ ১৯০৬ চনত চব্ ডেপুটী কলেক্টৰৰ কামত সোমাই ১৯২৬ চনত অৱসৰ লয়।

বাঁহী, উষা, আলোচনী, অসম সাহিত্য সভা পত্ৰিকা আদিত তেওঁৰ প্ৰবন্ধ ওলাইছে। তেওঁ 'মিৰি' ছদ্মনামত আলোচনী কাকতত কবিতা লিখিছিল। এই কাকতত তেওঁৰ বিহু নাটিকা এখন ছোৱা ছোৱাকৈ ওলাইছিল। তেওঁৰ ৰচনা হৈছে 'অসমীয়া ভাষাৰ মৌলিক বিচাৰ' (১৯১২ চন, দ্বিতীয় তাঙৰণ ১৯৩১), শেক্সপীয়েৰৰ প্ৰভাৱান্বিত নাটক 'ভীমদৰ্প' (১৯১৬), পাঁচ অঙ্কীয়া নাটক 'শ্ৰীশঙ্কৰ' (১৯৪৫); ইংৰাজী গ্ৰন্থ—(ক) 'আছামিজ গ্ৰামাৰ ইন্ ইংলিছ' (১৯০৮); (খ) 'এ ষ্টাডি অৱ্ ডি ফনলজি এণ্ড ভকেবুলাৰী অৱ্ ডি আচামিজ লেঙ্গুৱেজ', ১৯৬০।

কালিৰাম মেধিয়ে (১৮৭৮–১৯৫৫) 'অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব (১৯৩৬) পুথিত ব্যাকৰণ আৰু ভাষাবিষয়ক গবেষণা কৰে। তেওঁৰ প্ৰহ্লাদ চৰিত্ৰ আৰু অঙ্কাৱলী প্ৰাচীন সাহিত্যৰ সুসম্পাদিত পুথি। **ডঃ বাণীকান্ত কাকতিয়ে** বৈজ্ঞানিক পদ্ধতিৰে ভাষাতত্ত্বৰ গবেষণা কৰে। 'তেওঁৰ অসমীয়া ভাষা, ইয়াৰ গঠন আৰু বিকাশ' (১৯৪০) নামৰ ইংৰাজীত লিখা পুথিখন এতিয়ালৈকে অসমীয়া ভাষাতত্ত্ব বিষয়ক অদ্বিতীয় পুথি হৈ আছে। 'তেওঁৰ পুৰণি কামৰূপৰ ধৰ্ম্মৰ ধাৰা' (১৯৫৫) আৰু 'পুৰণি অসমীয়া সাহিত্য' (১৯৪০) দুখন উল্লেখযোগ্য পুথি। **ডঃ বিৰিঞ্চিকুমাৰ বৰুৱাই** 'অসমীয়া ভাষা' (১৯৪৮) নামৰ ভাষা বিজ্ঞান-বিষয়ক পুথি আৰু 'অসমীয়া ভাষা আৰু সংস্কৃতি'

(১৯৫৭) শীৰ্ষক আলোচনাত্মক পুথি লিখে। তেওঁ ইংৰাজীত অসমৰ সাংস্কৃতিক বুৰঞ্জী (Cultural History of Assam) নামৰ এখন পুথি লিখে। **শ্ৰীৰাজমোহন নাথৰ** 'গৌৰৱময় অসম' (১৯৪৯) আৰু ইংৰাজীত লিখা 'বেক্ গ্ৰাউণ্ড অব্ আচামিজ কালচাৰ' (১৯৪৮) নামৰ পুথিয়েও অসমৰ প্ৰাচীন সংস্কৃতিৰ নিদৰ্শন দাঙি ধৰে।

অ-ভা-উ-সা সভাৰ সভ্য **কনকলাল বৰুৱা** আৰু **ৰমাকান্ত বৰকাকতীয়ে** ১৮৯৮ খ্ৰীঃত পোনতে অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ আহিলা-পাতি সংগ্ৰহ কৰি অসমীয়া পুথিৰ এখন বৃহৎ তালিকা যুগুত কৰিছিল। পণ্ডিত **হেমচন্দ্ৰ গোস্বামীৰ** ইংৰাজীত লিখা 'অসমীয়া পুৰণি পুথিৰ বিৱৰণমূলক তালিকা' (A Descriptive Catalogue of Assamese Manuscripts, ১৯৩০) নামৰ পুথিত অসমীয়া লেখক আৰু পুথিৰ চিনাকি পোৱা যায়। **দেবেন্দ্ৰনাথ বেজবৰুৱাই** অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জীৰে (১৯১২ চন) অসমীয়া সাহিত্যৰ বুৰঞ্জী ৰচনা কৰাৰ বাট মুকলি কৰি দিয়ে। পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ 'অসমীয়া সাহিত্যৰ চানেকি'তো সাহিত্যৰ বুৰঞ্জীৰ এটা ক্ৰম পোৱা যায়। ১৯৩৩ চনত প্ৰকাশিত **কনকলাল বৰুৱাৰ** 'কামৰূপৰ প্ৰাচীন বুৰঞ্জী'য়ে (Early History of Kamrup) অসমীয়া সাহিত্যৰ বুৰঞ্জী ৰচনাৰ অনেক সমল যোগায়। **শ্ৰীডিম্বেশ্বৰ নেওগে** প্ৰণালীবদ্ধভাবে অসমীয়া সাহিত্যৰ বুৰঞ্জী ৰচনাৰ প্ৰয়াস কৰে। তেওঁৰ আধুনিক অসমীয়া সাহিত্যৰ বুৰঞ্জী (১৯৩৬), অসমীয়া সাহিত্যৰ বুৰঞ্জীত ভুমুকি (১৯৪০); অসমীয়া সাহিত্যৰ বুৰঞ্জী (১৯৪৮); অসমীয়া সাহিত্যৰ বুৰঞ্জী (১৯৫৬-৫৭) আদি পুথি এই প্ৰসঙ্গত উল্লেখযোগ্য। ডঃ **সত্যেন্দ্ৰনাথ শৰ্মাৰ** 'অসমীয়া সাহিত্যৰ ইতিবৃত্ত' (১৯৫৯) এখন লেখত লবলগীয়া সাহিত্যৰ বুৰঞ্জী। শ্ৰীপদ্মধৰ চলিহাৰ 'অসমীয়া সাহিত্যলৈ ৰংপুৰৰ বৰঙণি' (১৯৫৬) পুথিৰ পৰাও সাহিত্যৰ বুৰঞ্জীৰ সমল পাব পাৰি। *ইংৰাজীতো কেইবাখনো সাহিত্যৰ বুৰঞ্জী* ওলাইছে। সেইবোৰ হৈছে ডঃ বিৰিঞ্চিকুমাৰ বৰুৱাৰ 'অসমীয়া সাহিত্য' (Assamese Literature, ১৯৪১) আৰু আধুনিক অসমীয়া সাহিত্য (Modern Assamese Literature ১৯৫৭); ডঃ বাণীকান্ত কাকতি সম্পাদিত 'প্ৰাচীন অসমীয়া সাহিত্যৰ বিভিন্ন দিশ' (Aspects of Early Assamese Literature, ১৯৫৩); দেবেশ্বৰ চলিহাৰ অসমীয়া ভাষা আৰু সাহিত্যৰ উৎপত্তি আৰু বিকাশ (Origin and growth of the

Assamese Language and Literature, ১৯৪৯); ডঃ প্ৰফুল্লদত্ত গোস্বামীৰ অসমৰ জনসাহিত্য (Folk Literature of Assam, ১৯৫৪), আৰু অসমীয়া নাটক (Assamese Drama, ১৯৬০) আদি পুথিয়ে অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ সমল যোগাইছে। ইয়াৰ উপৰি লক্ষ্মীনাথ বেজবৰুৱাৰ শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ, শ্ৰীশঙ্কৰদেৱ, ডঃ মহেশ্বৰ নেওগৰ শ্ৰীশঙ্কৰদেৱ, অধ্যাপক উপেন্দ্ৰচন্দ্ৰ লেখাৰু সম্পাদিত অসমীয়া ৰামায়ণ সাহিত্য আৰু কথা গুৰুচৰিত, ডঃ সূৰ্য্যকুমাৰ ভূঞা সম্পাদিত অসমৰ বিভিন্ন পুৰণি বুৰঞ্জী, অসমৰ সাহিত্য অধ্যয়ন (Studies in the Literature of Assam ১৯৫৬), ডঃ বাণীকান্ত কাকতিৰ ইংৰাজী পুথি দেৱী কামাখ্যা, বিষ্ণু বিষয়ক পুৰাণ আৰু আখ্যান, শ্ৰীমনোৰঞ্জন শাস্ত্ৰীৰ বৈষ্ণৱ দৰ্শনৰ ৰূপৰেখা, চৈয়দ আব্দুল মালিকৰ অসমীয়া জিকিৰ আৰু জাৰী, শ্ৰীলীলা গগৈৰ অসমীয়া লোকগীতি, শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা সম্পাদিত অসমীয়া লোকগীতি সংগ্ৰহ (১৯৫৭), আহোম জাতি আৰু অসমীয়া সংস্কৃতি (১৯৬১), ডঃ প্ৰফুল্ল দত্ত গোস্বামীৰ অসমীয়া জনসাহিত্য, ডঃ সত্যেন্দ্ৰনাথ শৰ্ম্মাৰ কথা-ৰামায়ণ আদি বিভিন্ন পুথিৰ পৰাও আমাৰ সাহিত্যৰ বুৰঞ্জীৰ সমল গোটাব পাৰি।

সমালোচনা :—সমালোচকে সাহিত্য সৃষ্টিৰ মূল্যাঙ্কন কৰিবলৈ হলে তেওঁ দুটি পন্থাৰ এটা অৱলম্বন কৰিব লাগে। হয় তেওঁ সমালোচ্য সাহিত্যৰ ওপৰত ব্যক্তিগত ভাল লগা বেয়া লগা আৰোপ কৰে; নহয় তেওঁ সকলো দেশ আৰু কালত পৰীক্ষিত শশ বছৰৰ অনুশীলনীৰ ফলত ভাল লগা বা বেয়া লগাৰ যি এটা সৰ্ব্বসম্মত মানদণ্ড লাভ কৰা হৈছে তাৰে ভেটিত সাহিত্যিক মূল্যাঙ্কনৰ চেষ্টা কৰে। এই প্ৰথমবিধ হ'ল ব্যক্তিসাক্ষিক (subjective), আৰু দ্বিতীয় বিধ হ'ল নৈব্যক্তিক (objective)। সমালোচক যদি আত্মপ্ৰত্যয়শীল হয় আৰু তেওঁৰ যদি নিজৰ ৰস-গ্ৰহণ আৰু বিচাৰ ক্ষমতাৰ ওপৰত বিশ্বাস থাকে তেন্তে তেওঁ ব্যক্তিগত ভাল লগা বা বেয়া লগাৰ পোহৰত সাহিত্য সৃষ্টিৰ বিচাৰ কৰিবলৈ চাব। আনহাতে যি সমালোচক ঐতিহ্যৰ প্ৰতি শ্ৰদ্ধাবান আৰু বিদগ্ধ ৰুচিসম্পন্ন হৈয়ো নিজ মতক একমাত্ৰ প্ৰামাণ্য মত বুলি নেভাবে, যি বিভিন্ন দেশ আৰু কালত সমালোচক-সকলে কিছুমান সাধাৰণ সাৰ্ব্বভৌম লক্ষণ নিৰ্ণয় কৰি সাহিত্যৰ এটা চিৰন্তন মানদণ্ড স্থাপন কৰিছে তাক অৱলম্বন কৰি সাহিত্য বিচাৰ কৰে সেয়ে হ'ল নৈব্যক্তিক সাহিত্য। যুগে যুগে ৰুচি অভিৰুচি সলনি হলেও সাহিত্যৰ চিৰন্তন

মানদণ্ড অক্ষত থাকে। এইখিনিতে কব পাৰি যে কাব্য-সমালোচকসকলে প্ৰায়েই নিজ ভাল লগা বা বেয়া লগাৰ মানদণ্ডৰ ওপৰত কাব্য-বিচাৰত প্ৰবৃত্ত হয়। সমালোচক পক্ষপাতমুক্ত, সমদৰ্শী, স্থিৰদৃষ্টি আৰু অসংশয় হ'ব লাগে।

আমাৰ সাহিত্যত **"অৰুণোদই"** আলোচনীতে সাহিত্য সমালোচনা আৰম্ভ হয় বুলি কব পাৰি। ১৮৪৯ খ্ৰীঃৰ অক্টোবৰ মাহৰ অৰুণোদই সম্বাদ পত্ৰত ওলোৱা আনন্দৰাম ঢেকিয়াল ফুকনৰ অসমীয়া লৰাৰ মিত্ৰই প্ৰথম পুথি সমালোচনা। এই প্ৰসঙ্গত কৈছে, "অসমিয়া লৰাৰ মিত্ৰ নামে দুতিয় আৰু ত্ৰিতিয় ভাগ দুখন সুন্দৰ কিতাপ গুআহাটিৰ পৰা পালোঁ।

"শ্ৰীজুত বাবু আনন্দিৰাম ঢেকিয়াল ফুকনে কলিকতালৈ গৈ হিন্দু কলেজত ভালৰূপে ইংৰাজি বিদ্যা সিকিলে; পাছে গুআহাটিলৈ উভতি আহি আপোন অসম দেশৰ উপকাৰ হবৰ নিমিত্তে চিন্তা কৰি জেতিয়া আহৰি পাই তেতিয়া অলপ অলপকৈ এনে কিতাপ লিখিব ধৰিলে। আৰু বহু স্ৰমেৰে ইংৰাজি ভাসাৰ পৰা অসমিয়া ভাসাকৈ এই দুখন কিতাপ লিখি আৰু কলিকতাত সুন্দৰ আখৰেৰে চপালে।

"মাজে মাজে ভুল ওলাই, কিন্তু মানুহৰ লিখা কিতাপত বিসেসকৈ কোনো ভাসাত প্ৰথমে লিখা কিতাপবোৰত ভুল থাকে; কিন্তু বহু ভাল আৰু গিয়ানৰ কথা ইয়াতে ওলাই আৰু পঢ়িব জনা মানুহে কিনি পঢ়িলে ভাল। এই ফুকনৰ নিচিনা কেৱল আপোন সুখ বা লাভ নিবিচাৰি আন ভদ্ৰ মানুহবোৰে আপোন দেশৰ মানুহৰ উপকাৰৰ নিমিত্তে সেইৰূপে কোনো গিয়ানৰ কিতাপ লিখিলে ভাল।

"লোকৰ আগত আপোনৰ নামত প্ৰশংসা পাবৰ ইচা নাই দেখি ফুকনে সেই কিতাপৰ ওপৰত আপুনি কৰা বুলি নাম নিদিলে। অসমীয়া লোকৰ মাজত প্ৰথমে আপোন দেশৰ উপকাৰ চিন্তি এনে কোনো গিয়ানৰ কিতাপ কৰি চপোআত এই পুৰুসৰ আগত জদি তেওঁৰ প্ৰসংসা নোলাই তথাপি ইয়াৰ পাচে অনেক পুৰসলৈকে তেওঁৰ সুজসস্থা থাকিব।...." (অৰুণোদই, পৃঃ ৭৫-৭৬)

আসাম-বিলাসিনী কাকততো পুথি সমালোচনা ওলায়। তাৰ পিচত বিভিন্ন আলোচনীত পুথি সমালোচনা ওলাবলৈ ধৰে। কিন্তু **জোনাকী** যুগত সমালোচনা সাহিত্যই বিশেষ গঢ় লয়। **লক্ষ্মীনাথ বেজবৰুৱাই** জোনাকী আৰু বাঁহীৰ পুথি পৰিচয় প্ৰসঙ্গত সমালোচনাৰ আদৰ্শ দাঙি ধৰে। তেওঁৰ সমালোচনা আছিল প্ৰশংসামূলক।

বেজবৰুৱাৰ পিচতে **ডঃ বাণীকান্ত কাকতিৰ** বিশ্লেষণমূলক, তুলনা-মূলক আৰু ব্যাখ্যাত্মক সমালোচনা উল্লেখযোগ্য। তেওঁ ভৱানন্দ পাঠক ছদ্মনামত বাঁহীত লিখা প্ৰবন্ধসমূহে আৰু নিজ নামত চেতনাত ওলোৱা পুৰণি অসমীয়া সাহিত্য বিষয়ক প্ৰবন্ধবোৰে তেওঁৰ মনীষা, পাণ্ডিত্য আৰু তথ্যৰ ভিতৰলৈ সোমাব পৰা শক্তিৰ পৰিচয় দিয়ে। পৰ্য্যবেক্ষণ শক্তি, উপযুক্ত শব্দৰ ব্যৱহাৰ, গদ্যৰ প্ৰবাহ, বৈজ্ঞানিক দৃষ্টি-ভঙ্গী, স্থিৰ দৃষ্টি, অবিচল লক্ষ্য এই সকলোবোৰৰ দ্বাৰা তেওঁৰ সমালোচনা পৰিপুষ্ট। তেওঁৰ **পুৰণি অসমীয়া সাহিত্য** আৰু **সাহিত্য আৰু প্ৰেম** এই দুখন পুথিত আৰু আধুনিক যুগৰ কেইবাজনো কবিৰ কাব্যৰ ভূমিকাত তেওঁৰ সমালোচনাৰ সোৱাদ পাব পাৰি। তেওঁ বৰ্ত্তমান যুগৰ এজন শ্ৰেষ্ঠ সমালোচক।

ডঃ বাণীকান্ত কাকতি (১৮৯৪-১৯৫২):—ললিতৰাম কাকতিৰ পুত্ৰ বাণীকান্ত কাকতি ১৮৯৪ চনৰ নবেম্বৰ মাহত বৰপেটাৰ বাটিকুৰিহা গাৱঁত ওপজে। তেওঁ ১৯১১ চনত প্ৰবেশিকা আৰু ১৯১৩ চনত আই-এ মহলাত উঠি কলিকতালৈ যায়। তেওঁ ১৯১৫ চনত প্ৰেচিডেন্সি কলেজৰপৰা বি-এ (ইংৰাজী) আৰু ১৯১৮ চনত কলিকতা বিশ্ববিদ্যালয়ৰপৰা এম-এ (ইংৰাজী) পৰীক্ষাত উত্তীৰ্ণ হয়। তেওঁ ১৯২৫ চনত 'বি' গ্ৰুপত সুখ্যাতিৰে এম্-এ পৰীক্ষাত উত্তীৰ্ণ হয়। তেওঁ ১৯১৮ চনত কটন কলেজৰ অধ্যাপক স্বৰূপে চাকৰি আৰম্ভ কৰি শেহত উক্ত কলেজৰ অধ্যক্ষ হয়। তেওঁ ১৯৪৯ চনত চাকৰিৰপৰা অৱসৰ লৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক আৰু কলা গুৰু হয়। তেওঁ ১৯৩৬ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা পি-এইচ-ডি উপাধি পায়। তেওঁ ১৯৫২ চনৰ ২৫ নবেম্বৰত স্বৰ্গী হয়।

তেওঁৰ পুথিসমূহ হৈছে অসমীয়া ভাষা-ইয়াৰ গঠন আৰু বিকাশ (ইংৰাজী, ১৯৪০), 'ডি মাডাৰ গডেছ কামাখ্যা' (১৯৪৮), 'কলিতা জাতিৰ ইতিবৃত্ত (১৯৪৩), সাহিত্য আৰু প্ৰেম (১৯৪৮), পুৰণি অসমীয়া সাহিত্য (১৯৪০), পখিলা (১৯৫১), পুৰণি কামৰূপৰ ধৰ্ম্মৰ ধাৰা (১৯৫৫), 'বিষ্ণুআইত্ মিথচ এণ্ড লিজেণ্ডচ' ইত্যাদি।

শ্ৰীত্ৰিদ্বেশ্বৰ নেওগেও সমালোচনামূলক প্ৰবন্ধ লিখিছে। এই বিষয়ত তেওঁৰ অসমীয়া সাহিত্যৰ জিলিঙণি (১৯৩৯) আৰু অসমীয়া সাহিত্যৰ জেউতি নামৰ পুথি দুখন উল্লেখযোগ্য। তেওঁৰ সমালোচনা বিশ্লেষণাত্মক।

আমাৰ সাহিত্যত সমালোচনা-সাহিত্য চহকী নহয়। **শ্ৰীঅতুলচন্দ্ৰ**

বৰুৱাৰ সমালোচনা সাহিত্য (১৯৬০), সাহিত্যদৃষ্টি আদি পুথিত সমালোচনাৰ নিদৰ্শন পাব পাৰি। তেওঁ সাহিত্যৰ ৰূপৰেখা (১৯৫৭) নামৰ পুথিত সাহিত্যৰ সংজ্ঞা, লক্ষণ আদি আলোচনা কৰিছে। **শ্ৰীহেম বৰুৱাৰ** আধুনিক সাহিত্য (১৯৫০), **ডঃ প্ৰফুল্লদত্ত গোস্বামীৰ** এই যুগৰ সাহিত্য আৰু সাহিত্য আৰু জীৱন (১৯৫৬), ডঃ উপেন্দ্ৰনাথ গোস্বামীৰ ভাষা আৰু সাহিত্য (১৯৫৬), শ্ৰীতাৰিণীকান্ত ভট্টাচাৰ্য্যৰ সাহিত্যৰ গতি পথ (১৯৬১) আদি পুথিত সাহিত্য বিষয়ক বিভিন্ন আলোচনা পোৱা যায়। ইয়াৰ উপৰি **শ্ৰীকমলেশ্বৰ চলিহা, জ্যোতিপ্ৰসাদ আগৰৱালা শ্ৰীযতীন্দ্ৰনাথ গোস্বামী** আদিৰ সমালোচনামূলক প্ৰবন্ধ বিভিন্ন আলোচনীত প্ৰকাশিত হৈছে। সাময়িক আলোচনীত সমালোচনামূলক প্ৰবন্ধ যদিও প্ৰকাশ হৈছে তথাপি সমালোচকৰ এতিয়াও অভাৱ বুলিব পাৰি।

সাহিত্যৰ **সূত্ৰ, লক্ষণ, ৰস** আদিৰ কথা থকা পুথিও প্ৰকাশ হৈছে। **সত্যনাথ বৰাৰ** সাহিত্য বিচাৰ (১৮৮৮) এই বিষয়ৰ প্ৰথম পুথি। তাৰ পাচত **শ্ৰীসোনাপতি দেৱশৰ্মাৰ** সাহিত্যৰ সাজ (১৯২৬), **হৰমোহন দাসৰ** সাহিত্যতত্ত্ব (১৯৩৯), **শ্ৰীউমাকান্ত শৰ্মাৰ** কাব্যভূমি (১৯৪৮), **শ্ৰীত্ৰৈলোক্যনাথ গোস্বামীৰ** সাহিত্য-আলোচনা (১৯৫০, ১৯৬২) **শ্ৰীডিম্বেশ্বৰ নেওগৰ** সাহিত্য কি (১৯৫২), **শ্ৰীমনোৰঞ্জন শাস্ত্ৰীৰ** সাহিত্য-দৰ্শন (১৯৬২) আদি পুথি ওলায়। **ডঃ বিৰিঞ্চিকুমাৰ বৰুৱাৰ** কাব্য আৰু অভিব্যঞ্জনা, আৰু কলিকতাৰ **এ-এছ-এল্ ক্লাবৰ** পৰা ওলোৱা সাহিত্য আৰু সমালোচনা এই বিষয়ৰ উল্লেখযোগ্য পুথি।

গুৱাহাটী বিশ্ববিদ্যালয় স্থাপিত হোৱাৰপৰা পুৰণি সাহিত্যৰ গবেষণা আৰম্ভ হৈছে। পুৰণি পুথি বৈজ্ঞানিক ভাবে সম্পাদিত হৈছে। পুৰণি লোকগীতিৰ সংগ্ৰহ দুখনমানো প্ৰকাশিত হৈছে। বৰ্ত্তমান শতিকাৰ দ্বিতীয় তৃতীয় দশকৰ মাজভাগত সম্পাদিত আৰু প্ৰকাশিত ডঃ সূৰ্য্যকুমাৰ ভূঞাৰ বৰফুকনৰ গীত (১৯২৪), ভদ্ৰসেন বৰাৰ ফুলকোঁৱৰ মণিকোঁৱৰৰ গীত, আৰু কাচন কুঁৱৰীৰ গীত, শ্ৰীডিম্বেশ্বৰ নেওগৰ অকুল পথিক (১৯২২), শ্ৰীনকুলচন্দ্ৰ ভূঞাৰ বহাগী (১৯২৩) আদি লোকগীতি সংগ্ৰহ ওলায়। পুৰণি পুথি-সংগ্ৰহ আৰু প্ৰকাশৰ ক্ষেত্ৰত ডিব্ৰুগড়ৰ ভট্টাচাৰ্য্য এজেন্সি, এজেন্সি কোম্পানী, যোৰহাটৰ বৰকটকী কোং, গোলাঘাটৰ ধৰ্মৰ সত্ৰ পুথিভঁৰাল, গুৱাহাটীৰ লয়াৰ্চ বুক ষ্টল, নলবাৰীৰ দত্ত বৰুৱা এণ্ড কোং আদি প্ৰতিষ্ঠানৰ নাম উল্লেখযোগ্য।

আনুষ্ঠানিক প্ৰচেষ্টা

অসমীয়া সাহিত্যৰ উন্নতি আৰু শ্ৰীবৃদ্ধিৰ কাৰণে অনুষ্ঠানসমূহেও যথেষ্ট বৰঙণি যোগাইছে। কোনো কোনো অনুষ্ঠানে আলোচনী জন্ম দিছে। কোনোৱে আকৌ জীৱনী আৰু চিন্তামূলক প্ৰবন্ধৰ পুথি প্ৰকাশ কৰিছে। ১৮৮৮ খ্ৰীঃৰ ২৫ আগষ্টত কলিকাত স্থাপিত **অসমীয়া ভাষাৰ উন্নতি সাধনী সভা** এই বিষয়ত পথপ্ৰদৰ্শক। এই সভাৰ উদ্দেশ্য আছিল—"অসমীয়া ভাষাৰ উন্নতিসাধন কৰা।" এই উদ্দেশ্য সাধনৰ অৰ্থে সভাই অসমীয়া পুথিবিলাক একে ঠাইতে গোটোৱা আৰু সংৰক্ষণ কৰাৰ চেষ্টা কৰিছিল। সভাই অসমৰ সকলো শ্ৰেণীৰ পঢ়াশালিত অসমীয়া ভাষা প্ৰচলনৰ অৰ্থেও চেষ্টা কৰিছিল। বিশুদ্ধ ভাষা ব্যৱহাৰ, শুদ্ধ ভাষাৰ পুথি যুগুত, পুৰণি পুথি সম্পাদন, অসমৰ এখন বিস্তৃত বুৰঞ্জী যুগুত আদি কাৰ্য্য সম্পাদন কৰিবলৈ অ-ভা-উ-সা সভা যত্নপৰ হৈছিল। এই সভাই ১৮৯০ খ্ৰীঃত অসমীয়া পুথিৰ তালিকা (প্ৰায় ৭০০খন পুথি) প্ৰকাশ কৰে। কলিকতাত প্ৰায় ১৯০০ খ্ৰীঃত স্থাপিত **এ-এচ-এল্ ক্লাবৰ** (আচামিজ ষ্টুডেণ্টচ লিটাৰেৰী ক্লাব) পৰাও চিন্তাকোষ (১৯৩৭) আৰু সাহিত্য আৰু সমালোচনা (১৯৪১) নামৰ উচ্চ পৰ্য্যায়ৰ পুথি ওলায়।

পুৰণি কামৰূপ ৰাজ্যৰ বিষয়ে গবেষণা চলাবৰ কাৰণে ১৯১২ চনৰ ৭ এপ্ৰিলত স্থাপিত **কামৰূপ অনুসন্ধান সমিতিৰ** পৰা পুৰণি অসম বুৰঞ্জী (১৯২২) আৰু পাদশ্বাহ বুৰঞ্জী প্ৰকাশিত হৈছে। এই সমিতিৰ মুখপত্ৰ 'জৰ্নেল অব ডি কামৰূপ অনুসন্ধান সমিতিত' (১৯৩৩) বিবিধ গবেষণামূলক প্ৰবন্ধপাতি প্ৰকাশিত হৈছে। ১৮৯৪ খ্ৰীঃত স্থাপিত **অসম চৰকাৰৰ জাতিতত্ত্ব বিভাগৰ**পৰা পৰ্ব্বতীয়া জাতি বিষয়ক বিভিন্ন ইংৰাজী গ্ৰন্থ প্ৰকাশিত হৈছে। ১৯১৬ খ্ৰীঃৰ ২৫ ডিচেম্বৰত স্থাপিত **অসম ছাত্ৰ সন্মিলনৰ** পৰা জীৱনী (যেনে: হেমচন্দ্ৰ বৰুৱা, সত্যনাথ বৰা ইত্যাদি) আৰু সাধুৰ পুথি প্ৰকাশিত হৈছে। এই সন্মিলনৰ পৰা মিলন নামৰ এখন আলোচনী ওলাইছিল। অসমীয়া ভাষা আৰু সাহিত্যৰ উন্নতি সাধনৰ উদ্দেশ্যে ১৯১৭ চনৰ ২৬ ডিচেম্বৰত স্থাপিত **অসম সাহিত্য সভাই** ভাষা আৰু সাহিত্যৰ প্ৰচাৰ আৰু প্ৰসাৰ কল্পে চেষ্টা কৰিছে। সভাৰ মুখপত্ৰ অসম সাহিত্য সভা পত্ৰিকা (১৯২৬ খ্ৰীঃ) এখন গবেষণামূলক আৰু সাহিত্য বিষয়ক আলোচনী। সভাৰ প্ৰকাশনসমূহ হৈছে শ্ৰীশ্ৰীব্ৰহ্মবৈবৰ্ত্ত পুৰাণ (১৯৩৩),

সাত্বত তন্ত্র (১৯৪৩), চন্দ্ৰকান্ত অভিধান (১৯৩৩), লৱকুশৰ যুদ্ধ (১৯৫৪), বুৰঞ্জীমূলক প্ৰবন্ধাৱলীৰ তালিকা (১৯৫৫), শ্ৰীশ্ৰীবনমালীদেৱৰ চৰিত (১৯৫৬), অসম সাহিত্য সভা বাৰ্ষিকা ১ম ভাগ (১৯৫৫), অসম সাহিত্য সভা বাৰ্ষিকী ২য় ভাগ (১৯৫৬), অসম সাহিত্য সভাৰ ভাষণাৱলী—প্ৰথম ভাগ (১৯৫৫), অসম সাহিত্য সভাৰ ভাষণাৱলী—দ্বিতীয় ভাগ (১৯৫৭), 'ডি আউটলুক অন নেফা' (১৯৫৮), 'দিচ্ ইজ্ আচাম' (১৯৫৮), নীলাচল পাঠ (১৯৫৮), সীমান্তৰ সন্দেশ (১৯৫৮), আনন্দৰাম ঢেকিয়াল ফুকন (১৯৫৯), আনন্দৰাম ঢেকিয়াল ফুকনৰ অসমীয়া ভাষা (১৯৫৯) পবিত্ৰ অসম (১৯৬০), অসমীয়া লোকগীতি সংগ্ৰহ (১৯৬০), চাহ বাগিচাৰ বনুৱা (১৯৬০), কামিনীকান্তৰ চৰিত্ৰ (১৯৬০), ৰাধাকান্ত সন্দিকৈ (১৯৬০) ইত্যাদি। ১৯২৮ চনৰ জানুৱাৰীত স্থাপিত **অসমৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব-বিভাগে** বুৰঞ্জীমূলক গবেষণাৰে অসমৰ বুৰঞ্জী সাহিত্যলৈ বিশিষ্ট বৰঙণি যোগাইছে। এই বিভাগৰ প্ৰকাশনসমূহ হৈছে অসম বুৰঞ্জী (১৯৩০) কামৰূপৰ বুৰঞ্জী (১৯৩০), অসমৰ পদ্য বুৰঞ্জী (১৯৩৩), ঘোৰা নিদান, দেওধাই অসম বুৰঞ্জী (১৯৩২), তুংখুঙীয়া বুৰঞ্জী (১৯৩২), কছাৰী বুৰঞ্জী (১৯৩৬), জয়ন্তীয়া বুৰঞ্জী (১৯৩৭), ত্ৰিপুৰা বুৰঞ্জী (১৯৩৮), অসম বুৰঞ্জী (১৯৪৫), অঙ্কীয়া নাট; অসম বুৰঞ্জী; নীতিলতাঙ্কুৰ; ইংৰাজী গ্ৰন্থ—তুংখুঙীয়া বুৰঞ্জী (১৯৩৩), বাহাৰিষ্টান-ই-গায়াবী (১৯৩৬), অসমীয়া ভাষা—ইয়াৰ গঠন আৰু বিকাশ (১৯৪০), একাউণ্ট অব আচাম (১৯৪০), লাচিত বৰফুকন এণ্ড্ হিজ্ টাইমচ্ (১৯৪৭), এনালচ্ অব্ ডি দেলহী বাদশ্বাহট (১৯৪৭), এংগ্লো আচামিজ ৰিলেচনচ (১৯৫০), ফক্ লিটাৰেচাৰ্ অব্ আচাম (১৯৫৪), ডেচক্ৰিপতিভ্ কেটলগ্ অব আসামিজ মনস্ক্ৰিপটচ (১৯৩০) ইত্যাদি।

১৯৫৮ চনত অসম চৰকাৰৰ দ্বাৰা প্ৰতিষ্ঠিত **প্ৰকাশন পৰিষদৰ** পৰা বিভিন্ন বিষয়ৰ পুথি ওলাইছে। শিশু সাহিত্য বিষয়ক পুথি হৈছে পতঙ্গৰ কথা, গান্ধীজীৰ জীৱনী, মানৱৰ আদিকথা, যাতায়াত আৰু পৰিবহন, প্ৰাচীন সভ্যতা। অনুবাদ গ্ৰন্থ :—কথা মহাভাৰত, ভাৰতীয়, চিন্তা। বিজ্ঞান বিষয়ক পুথি হৈছে বিশ্ব ৰহস্য ইত্যাদি।

বৰ্তমান সাহিত্যৰ স্বৰূপ :—আধুনিক অসমীয়া সাহিত্য পুৰণি সাহিত্যৰ পৰা সম্পূৰ্ণ বেলেগ আৰু ই এক নতুন সৃষ্টি। পশ্চিমীয়া সাহিত্যৰ প্ৰভাৱত নতুন সাহিত্য গঢ়ি উঠিছে। অৰুনোদই, জোনাকী, বাঁহী, আৱাহন

আৰু ৰামধেনু আলোচনীয়ে নতুন লেখক গঢ়িছে; আৰু এই লেখকসকলে সমসাময়িক সাহিত্যক গঢ় দিছে। জয়ন্তীয়ে জোনাকী কাকতে ৰোমাণ্টিছিজিমৰ সোঁত বোৱায় আৰু এই ভাব-ধাৰাই আজিকোপতি প্ৰভাব বিস্তাৰ কৰিছে। অৰুনোদই কাকতৰ সময়তে নাটক আৰু উপন্যাস ৰচনাৰ সূচনা হয়। কিন্তু জোনাকী যুগতহে নাটক আৰু উপন্যাসে পৰিপুষ্টি সাধন কৰে। গীতি কবিতা, চুটি গল্প, উপন্যাস, নাটক, প্ৰবন্ধ, ৰম্য-ৰচনা সমালোচনা আদিৰে জোনাকী আৰু বাঁহীৰ যুগত অসমীয়া সাহিত্য সমৃদ্ধিশালী হৈ উঠিল; সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা এই যুগৰ সাহিত্যৰ মুকুটবিহীন সম্ৰাট বুলিব পাৰি। বৰ্ত্তমান শতিকাৰ চতুৰ্থ দশকৰ আৰম্ভণিৰেপৰা অসমীয়া সাহিত্যৰ ওপৰত বাস্তৱবাদৰ ছাঁ পৰিছে। এই যুগত সাহিত্যৰথী বেজবৰুৱাৰ দৰে এজন সাহিত্যিক অধিনায়কৰ অভাব পৰিলক্ষিত হৈছে। আখৰ—জোটনি আৰু শব্দাৱলী ব্যৱহাৰত যথেষ্ট বেমেজালিয়ে দেখা দিছে। দ্বিতীয় মহাসমৰৰ উত্তৰকালৰ সমস্যা আৰু ভাৰত দ্বিখণ্ডিত হোৱাত উদ্ভৱ হোৱা জাতীয় সমস্যাই ৰাজনৈতিক আৰু সামাজিক পৰিবেশৰ পৰিবৰ্ত্তন সাধন কৰিলে, আৰু তাৰ লগে লগে সাহিত্যকসকলৰো দৃষ্টিভঙ্গী কিছুদূৰ সলনি হল। অসমীয়া সাহিত্যৰ সাম্প্ৰতিক যুগৰ সাহিত্যত ফ্ৰয়েডবাদ আৰু মাৰ্ক্সবাদৰ প্ৰভাৱ সুস্পষ্ট। ইলিয়ট, অডেন আদি পশ্চিমীয়া কবিসকলৰ প্ৰভাৱ সাম্প্ৰতিক কবিতাত পৰিছে। সাম্প্ৰতিক কবিৰ কবিতাত প্ৰতীক, শব্দচয়ন, সৌন্দৰ্য্য নিৰ্য্যাস, উপাদানৰ বৈচিত্ৰ ইত্যাদি পোৱা যায়। মুক্তক ছন্দ আৰু স্পন্দিত গদ্য এই কবিতাৰ লক্ষণ; চুটি গল্পত জৈৱিক পৰিতৃপ্তি, মানসিক সংঘাত, বৈচিত্ৰপূৰ্ণ অভিজ্ঞতা, ভাষা-বিলাসী আদি কিছুমান বৈচিত্ৰ দেখা যায়। উপন্যাসৰ ক্ষেত্ৰতো কেবাখনো যুগান্তৰকাৰী উপন্যাস ওলাইছে, কিন্তু কিছুমান উপন্যাসত যৌনস্পৃহা অতি তীব্ৰ। মনৰ সাময়িক ভাব প্ৰকাশত ৰম্য-ৰচনাই বৰগুণি যোগাইছে।

মুঠৰ ওপৰত জয়ন্তী আলোচনীত প্ৰকাশিত কবিতা আৰু গল্প অসমীয়া সাহিত্যত বাস্তৱবাদৰ প্ৰথম পদক্ষেপ হলেও ৰামধেনু আলোচনীয়ে সাম্প্ৰতিক যুগৰ সাহিত্য ৰচনা কৰি অসমীয়া সাহিত্যৰ কোনো কোনো ক্ষেত্ৰত পৰিবৰ্ত্তন সাধন কৰিছে। ৰামধেনু যুগত সাম্প্ৰতিক-সাহিত্যৰ ভেটি স্থাপন হয়।